উৰহ

LIBRARY
ASSAM

তাৰিণি চৰণ বৰুৱা
তিনিচুকীয়া

॥ উমহ ॥

॥ শ্ৰীতাৰিণি চৰণ বৰুৱা ॥

॥ সৰ্বস্বত্ব সংৰক্ষিত ॥

॥ প্ৰকাশক ॥

॥ শ্ৰীতাৰিণি চৰণ বৰুৱা ॥

॥ সুৰচনী পথ / তিনিচুকীয়া / অসম ॥

॥ প্ৰথম প্ৰকাশ : চেপ্তেম্বৰ-১৯৯০ ॥

॥ বেটুপাতৰ ছবি : শ্ৰীপ্ৰদিপ গাঙ্গুলী ॥

॥ পৰিৱেশক ॥

মিত্ৰ এজেঞ্চি এণ্ড কোং
তিনিচুকীয়া।

জ্যোতি প্ৰকাশন / যশোৱন্ত ৰড /
পান বজাৰ / গুৱাহাটী।

বিদ্যামন্দিৰ / যোৰহাট-১।

ফ্ৰেণ্ডচ বুকষ্টল / পান বজাৰ / গুৱাহাটী।

মুদ্ৰনত :

চান্ প্ৰিণ্টাৰ্চ
তৰুণৰাম ফুকন পথ
তৰাজান, যোৰহাট—১

॥ মূল্য : পৰত্ৰিচ টকা মাথোন ॥

'উৰহ'ৰ আগলি বতৰা

নাট্যাভিনয়ৰ আলোচনা চলি থাকোতে এদিন কবি, সাহিত্যিক শ্ৰীমান হৰেণ বৰঠাকুৰে মোক নাটক লিখাৰ লগতে উপন্যাস এখন লিখাৰ পৰামৰ্শ দিছিল। দেশৰ বৃহত্তৰ খাটি-খোৱা জনগণৰ বাবে লিখা আৰম্ভ কৰিলো। আকাশৰ সৌন্দৰ্য্য ফুলৰ গোন্ধ, চৰাইৰ মাতে আজিৰ শাসন ব্যৱস্থাত জৰ্জৰা প্ৰজাক আকৰ্ষণ কৰিব নোৱাৰে। সেয়ে সাহিত্য সৃষ্টি কৰাৰ হেপাহ এফলীয়াকৈ ৰাখি সমাজৰ মুখ্য সমস্যাটোৰ ওপৰত মই মনতে ভাবি থকা কথাবোৰকে লিখিলো।

পাণ্ডুলিপিটো পঢ়ি সাহিত্যিক অধ্যাপক শ্ৰীমদন শৰ্মা আৰু সাহিত্যাচাৰ্য্য শ্ৰীমহেন্দ্ৰ বৰঠাকুৰে প্ৰকাশৰ কাৰণে উদ্‌গনি দিলে। পাণ্ডুলিপিটো ছপাশালৈ নিব পৰাকৈ চকু ফুৰাই দি সহায় কৰিলে শ্ৰীযুত বাণীকান্ত বৰঠাকুৰে আৰু শ্ৰীহীৰেন আচাৰ্য্যই। শ্ৰীমান ধৈৰ্য্য দাসে কপি কৰি দি যথেষ্ট সহায় কৰিলে। তেখেতসকললৈ শুভেচ্ছা।

কিন্তু সবিয়হ ছটিয়াইও খেদিব নোৱাৰা ছপাশালৰ ভূতটোৰ পৰা ৰক্ষা নপৰিলো যদিও চাণ প্ৰিণ্টাৰ্চৰ কৰ্মীবৃন্দ তথা অধিকাৰী শ্ৰীমান জিতেন শৰ্মাই আস্থা সহকাৰে কিতাপ খনি ছপা কৰি দিয়াৰ কাৰণে তেওঁলোকলৈ অভিনন্দন জনালো। তদুপৰি বিদ্যামন্দিৰৰ অধিকাৰী শ্ৰীমান গণেশ শৰ্মাই বিভিন্ন দিশত কৰা সহায়খিনিৰ শলাগ লৈছো।

কিতাপখনিৰ বেটুপাত আঁকি দি মোক আগবঢ়াই দিয়াৰ কাৰণে শিল্পী শ্ৰীপ্ৰদীপ গাজুৰীলৈ ধন্যবাদ।

প্ৰুফ চোৱাৰ দায়িত্ব বহন কৰি মোৰ কান্ধৰ গধুৰ বোজা পাতল কৰি দিয়াৰ কাৰণে অধ্যাপক শ্ৰীযুত মহেশ ভট্টাচাৰ্য্যলৈ কৃতজ্ঞতা জনালো।

১ আগষ্ট, ১৯৯০

তাৰিণি চৰণ বৰুৱা
সুৰচৰী পথ, তিনিচুকীয়া



উৎসৰ্গ

সমন্বয় সম্প্ৰীতিৰ স্বাৰ্থক উদ্ধৃত
তুলি লৈ, জন্মভূমিৰ মানুহৰ লগত
নিজকে লীন নিয়াইলৈ, নিজৰ বিশ্বাস
উপাধি ত্যাগ কৰি, হাতে হিমজুৰে
অসমীয়া হোৱা, বহুসৰ আগতেৰে দৃষ্টান্ত
নোহোৱা, তিনিচুকীয়াৰ সুদক্ষ অভিনেতা
আত্মপ্ৰতিম শ্ৰীযুত শশীকান্ত হাজৰিকাৰ
নামত "উৰহ" উৎসৰ্গ কৰিলো।

তাং :- ২২ জুন '৯০ অনীল চক্ৰবৰ্তী
তিনিচুকীয়া

॥ এক ॥

পাঁচখন সৰুবৰ গাঁৱেৰে দাংধৰা অঞ্চলটো। অঞ্চলটোৰ উত্তৰ পূব ফালে বনাঞ্চল, চৰকাৰী মাটি। পশ্চিমফালে চাহ-বাগিছা গেৰেকী, আৰু বাগিছাৰ আবাদী হাবি জঙ্ঘল। দক্ষিণে পি, ডব্লিউ, ডি আলিটো। আলিৰ সিপাৰে মিলনপুৰ চাহ বাগিছা। দৰঙ্গী চুক, জালুকনি, জানৰ মুখ, জাপি সজিয়া আৰু বংদৈ, এই পাঁচখন গাঁৱৰ ভিতৰত জালুকনিৰ বাসীন্দাসকল, ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰাক্তন চাহ বনুৱা। বাকী কেইখন গাঁৱৰ সকলো মানুহেই স্থায়ী বাসীন্দা, আৰু সকলোৱেই কৈৱৰ্ত্তৰি সত্ৰৰ শিষ্য। দৰঙ্গী চুক গাঁৱত অৱশ্যে শিৱসাগৰৰ ফালৰ পৰা অহা চল্লিচ ঘৰমান মানুহ আছে। তেওঁলোকৰ নামঘৰ, ধৰ্ম্মীয় পন্থাও অলপ বেলেগ। গাওঁ কিখনৰ বসতি ঘন। "সংলগ্ন সংলগ্ন গিয়াতিৰ সংলগ্ন" "কুল্‌-ল কুল্‌-ল, নদীৰ কুল্‌-ল"—বোলা পুৰণি প্ৰবচন ফাকি মানি চলাত এই কেইখন গাঁৱৰ মানুহ অলপ বেচি আগবঢ়া। গিয়াতিৰ কান্ধত উঠি শ্মশানলৈ যোৱা মানে পৰজন্মৰ পথ পৰিষ্কাৰ কৰা বুলি ভৰা মানুহ এই অঞ্চলত সৰহ। আৰু মাছ-পুঠি, খৰি-পানী ইত্যাদিৰ সুবিধা ভোগ কৰা, তদুপৰি বাট-পথুলীৰ অভাৱত নদীয়েদি বেহা-বেপাৰলৈ অহা যোৱা কৰাৰ সুবিধাৰ কাৰণেই নদীৰ কুল লোৱাটো একালত বিশেষ প্ৰয়োজন আছিল যদিও আজি-কালি নদীৰ কুল লোৱা মানেই বিপদ। কাৰণ আজি কালি নদীৰ মাছ নদীতে ডাক হয়। বাৰিষা নদীৰ পানীয়ে বাৰিৰ পান কিজোপাৰ পৰা পথাৰৰ ধান পৰ্য্যন্ত শেষ কৰি বাইজক জুকলা কৰে। গাৰঁৰ বাইজৰ কাৰণে পানী খোৱাৰ বাহিৰে নদীৰ কুল লোৱাত বিশেষ সহায় নহয়। আজি-কালি অৱশ্যে নদীৰ কুল লোৱাত বাইজৰ আস্থাও নাই। জাপি সজিয়াৰ মানুহখিনিয়ে যুগ যুগ ধৰি ভিক্ষ

নদীৰ মাছৰ ওপৰত জীৱিকা নিৰ্ব্বাহ কৰি আহিছিল, যদিও আজি কালি সেই উপজীৱ্য চৰকাৰে কাটি নিলে। দাংধৰা অঞ্চলৰ শিৱসাগৰীয়া মানুহ খিনিৰ বেছি ভাগৰে মাটি বাৰিৰ অভাৱ আছিল, শালৰ মাজত শিঙিহৈ গাঁৱত তিষ্ঠিব নোৱাৰি ওলাই অহা কেইটামান মানুহে হে বাকী মানুহ খিনিক এখৰ হুখৰকৈ পুৰণা ঠাইৰ পৰা দৰঙ্গী চুকলৈ উলিয়াই আনিলে। "চৰকাৰী জলদোবা মাটিত ধান খুউব হয়। দল টানিলেই কব পাৰি। কষ্ট কম হয়। বিনা মূল্যীয়া মাটি বহুত পৰি আছে"। এনে কথাৰ প্ৰলোভনত পৰি বহুত আশা বুকুত বান্ধি এই চল্লিচ ঘৰ মানুহ দাংধৰালৈ আহি এতিয়া বিপদতহে পৰিছেহি। কিন্তু তেওঁলোকে দখল কৰা মাটিৰ মোহে বিপৰ্য্যয়কো পৰাজয় কৰিছে। বিশ, পচিশ বছৰ দখলত থকা মাটিৰো পট্টা নাই। পট্টা পোৱাৰ আশাও নাই। ডিব্ৰু নদীৰ মৰ্জিৰ ওপৰত নিৰ্ভৰ কৰি জলদোবা মাটি দল গুচাই ৰোৱে, ধানো হয়। কিন্তু উৰালৈ ধান নাহে। তথাপি প্ৰতি বছৰেই ৰোৱে। জাপি সজিয়াৰ বাইজে জাপি সাজে। টকৌ গছ ঘৰে ঘৰে আছে। বাগিছাৰ বজাৰত, দেওবৰীয়া হাটত, জাপি বিক্ৰী কৰেগৈ। আগতে জাপি-সজিয়াৰ জাপি বুলিলে মানুহে নোচোৱাকৈ কিনি নিছিল। আজিকালি সস্তাত দিলেও বিক্ৰী নহয়। তাৰ কাৰণো অৱশ্যে আছে। কুমলীয়া বাঁহৰ কাঠিৰে কোনো ৰকম বছৰটো পাৰ হোৱাকৈ আজিকালি বাইজে জাপি সাজে। কমদামত, সস্তীয়া বস্তু, ঘনকৈ বিক্ৰী হলেহে কাৰবাৰ চলে। বছেৰেকত এটা জাপি কিনিবলৈ গ্ৰাহকক বাইজে বাধ্য কৰিছে। বাকী, জানৰ মুখ, দৰঙ্গী চুক গাঁৱৰ মানুহে বাৰিত ঘৰে ঘৰে শাক-পাচলি কৰে। সুমথিৰা টেঙা, বাৰীত প্ৰায় মানুহৰে কম-বেছি পৰিমাণে আছে। ৰংদৈৰ মানুহখিনিৰ কেইঘৰমানৰ কিন্তু ডাঙৰ ডাঙৰ সুমথিৰা বাৰী আছে। বাৰী বোৰ বছৰ বছৰ ধৰি তিনিচুকীয়াৰ বেপাৰীয়ে কব্জাত ৰাখিছে। এবাৰ সৰহকৈ টকা দি তাৰ সুদতে প্ৰতি বছৰে টেঙা লৈ যায়। অৱশ্যে হোজা গাৱঁলীয়া মানুহখিনিক কেৰাচিন তেল, নিমখ, কাপোৰ—কানি আদি মাজে

মাজে দি কৌশলেৰে ফুচুলাই ৰাখে। টেঙা কিন্তু প্ৰতি বছৰে বাৰীবিলাকত বেপাৰীয়ে কম পায়। গছৰ টেঙা শেষ হয়, সুদ শেষ নহয়। টকাৰ মূল্য হ্ৰাস হয়, সুদৰ মূল্য বৃদ্ধি পায়। অনিৰ্দ্দিষ্ট কাললৈ টেঙাবাৰীৰ মালিকবোৰ বেপাৰীৰ কবলত বান্ধ খায় থাকে। পুৰণা মানুহখিনিৰ কম সংখ্যকৰহে পাঁচ, ছয় মাহৰ ভাত নিজৰ উঁৱালৰ পৰা জোৰা হয়। প্ৰায় মানুহেই চৰকাৰী বিজাৰ্ভৰ খাল-দোং, বিল আদিত চেপা, ডিঙৰা, জাল-জুলুকীৰে চুৰ কৰি মাছ মাৰি বিক্ৰী কৰে। শিৱসাগৰৰ ফালৰ পৰা অহা মানুহখিনিয়েও মাছ ধৰে। কিন্তু জাত যোৱাৰ ভয়ত দেখুৱাই বিক্ৰী নকৰে। মাছৰ বাহিৰেও বিজাৰ্ভৰ বেত, বেতগাঁজ খৰি আনি লাকে বেচি জাপুকণি গাৱঁৰ সৰহ সংখ্যক মানুহে পোহপাল লৈছে। কিছু সংখ্যক মানুহে ওচৰৰ বাগিছা কিখনত "ফালতু" বনুৱা হিচাবেও কাম কৰে। মুঠৰ ওপৰত এই পৰ্য্যন্ত অঞ্চলটোৰ খাবলৈ নাপাই কোনোবা মানুহ মৰিছে বুলি কোনেও শুনা নাই।

গেৰেকী বাগিছাৰ পৰা অহা আলিটো আৰু দৰঙীচুকৰ ফালৰ পৰা অহা আলিটো দুয়োটাই একেঠাইতে পি, ডব্লিউ, ডি, আলিত য'ত খুন্দা মাৰিছেহি সেই আলিটোৰ চুকে চুকে দোকান। গীগৰাজৰ গেলা মালৰ দোকানখন ডাঙৰ। বাকীবোৰত চাহ, তামোল, মদৰ ব্যৱসায় চলে। অসমীয়া আলোচনীৰ দৰেই দোকানবোৰৰ আয়ুসো এবছৰ ডেৰ বছৰৰ বেছি নহয়। গীগৰাজে বাগিছাৰ বনুৱাক উচতনী দি চাহপাত চুৰ কৰাই আনে, আৰু কম দামত নিজে কিনি লৈ চোৰাং বেপাৰো চলায়। আৰু কিবা ভিতৰুৱা কাৰবাৰ এটা আছে বুলিও মানুহে সন্দেহ কৰে। কাৰণ দখিয়াৰ ফালৰ মিচিং মানুহ আৰু লাইকাৰ ফালৰ নেপালী মানুহৰ সমাগম গীগৰাজৰ দোকানত বেছি। দৰঙী চুকৰ ফালৰ পৰা অহা আলিটোৰ মুৰৰ লফকৰ চাহৰ দোকানৰ বাৰান্দাৰ বাঁহৰ চাংখনতে বকুল বহি আছিল। দোকান খোলাই নাই। আকবৰ আহি বকুলৰ কাষতে বহিলহি। অলপ পৰৰ পিছতে বলোৰামো আহি পালেহি।

লফকে দোকানৰ টলাটো খুলি বাহঁৰ চুঙ্গাৰখন ঠেলামাৰি খুলিলে। “আজিও আহিছ নেকি? বাছলৈ সময় আছে, বৰ জলদি আহিলি”” নখৰ তলৰ বোকাবোৰ খুছৰি থকাৰ শব্দ বৰুলে মুৰতুলি লফকক মাত দিলে। “কালি নাহিলে যেতিয়া আজি সি আহিবই, আৰু খবৰ দিও আমাক নাপালেহি যেয়া কথা ন'হব জানো?” লফক দোকানৰ ভিতৰ সোমাল। বলোৰামে বোলে আজি নাহিলে কিন্তু মই আৰু কাম খতি নকৰো দেই। আকবৰে কণ্ঠি, মুহিৰামহঁত আহিছে নেকি বলোৰামক চাবলৈ ক'লে। বলোৰামে ডিঙ্গিমেলি বাটৰফালে চাই আহিল। অহা নাই। চপা ফুল জোপাৰ তলত বহুত ফুল সৰি আছিল। বলোৰামে সৰাফুল দুটামান বুটলি লৈ হুঙি হুঙি ক'লে—“গোন্ধটো বৰ ভাল পায়, বকুল।” “কিহৰ ঐ?” লফকে সুধিলে। “এই চপা ফুলৰ গোন্ধটোৰ কথা কৈছো, লফক কাইটি। তই ফুলৰ গোন্ধৰ মাজতে থাকিও কিহৰ গোন্ধ বুলি সুধিছ?” লফক ওলাই আহি ক'লে বোলে, “ফুলৰ গোন্ধে গেন্ধেলা নাকত নধৰে অ'ই। ফুলৰ গোন্ধ, চৰাইৰ মাত, আকাশৰ বহন চোৱা সেইজাত মানুহেই বেলেগ। গাৰ বোকা নুগুছা মানুহক সেইবোৰ দৰকাৰ নাই। কি কৱ আকবৰ? ইমানকিখন গাঁৱৰ মানুহৰ কাৰ ঘৰত কেইজোপা ফুলগছ ওলাব? ফুল চাবলৈ ৰাইজৰ সময়ো নাই, ফুল কৰবলৈ ঠাইও নাই।” বকুলে বোলে, “সেইবোৰ বহিখোৱা মানুহকহে লাগে। ইয়াক নগৰলৈহে পঠিয়াই দিব লাগিব লফক কাইটি! এই, ফুলৰ গোন্ধ বিচাৰিছ যদি নগৰলৈ যা।” ফুল, তৰা, আকাশ, নদী, চৰাইৰ মাতৰ মাজতে থাকিও সেইবোৰ চাবলৈ গাঁৱৰ মানুহৰ আজৰি নাই। বলোৰাম আহি বহি দিলত চাংখনে মেৰমেৰাই উঠিল। কথাইও মোৰ সলালে। “তহঁতি মোৰ চাংখন নাভাঙিবি দেই, আকবৰ। ছটা মানুহ বহা চাংখনত তিনিটা মানুহ বহোঁতেই মেৰমেৰাই উঠিছে। তহঁতৰ ওজনো বাকুকৈয়ে আছে দেই। ঘৰত বহাদি নবহিবি আকৌ।” “ঘৰত বহাদি নবহিবি” বুলি কোৱাৰ কাৰণে বলোৰাম আৰু বকুলে হাঁহি

বাখিব পৰা নাই। আকবৰৰ মুখত হাঁহি নোলোৱা দেখি বকুলে বোলে "পৰৰ পালে অৰৰ গাবে খাবলৈ" "কৈছে লফক কাইটি।" সেই কাৰণে আকবৰে গাৰ গোটেই ভৰটো দি বহিছে। আকবৰে গাৰ বনিয়নটো খুলি কপালৰ ঘামবোৰ মচি ল'লে। গেৰেকীৰ ফালৰ পৰা অহা বিয়াৰ বাজনাই বকুলহঁতৰ দৃষ্টি টানিলে। আগদিনা বিয়াৰ মানুহবোৰ বাছৰ পৰা নামি যোৱা সিহঁতে দেখিছিল। এতিয়া ছাটিৰ তলত দ'বা-ছোৱালী আহিছে। লফকে কলে,— "আকবৰ ঐ, লোকৰ বিয়ানো কিমান দিন চাবি? কলিৰ মানুহ, অভাব-অনাটনত কোছথাই থকা মনবোৰ, ছোৱালী একোজনী আনি ল'লে মুকলি হয় অ' বকুল। সোনকালে বিয়া পাতহঁক।" আহাৰৰ ঢুপৰীয়াৰ ৰ'দ। সেই ৰ'দত আগদিনাৰ উজাগৰি বাতিৰ ভাগৰেও বিয়াৰ লগত অহা মানুহখিনিক ভাগৰুৱা কৰিব পৰা নাই। বাটে বাটে সিহঁতে নাচি আহিছে। দুখ বুজি নোপোৱা, ৰ'দ ভাগৰে দমাব নোৱাৰা শ্ৰমিক। চাৰিআলিত মানুহবোৰ বাছলৈ বৈ থকা দেখি সিহঁতৰ কালি ঢোলবোৰ বেছিকৈ বাজিল। অঙ্গি-ভঙ্গী কৰি সিহঁতে বেচিকৈ নাচিছে। সিহঁতৰ গীত-নাছ চোৱা এজাক মানুহ পাইছে। লফকৰ দোকানৰ বিস্কুট বিয়াৰ পাৰ্টিয়ে শেষ কৰিলেহি। কেইটামানে সুদা চাহহে খাবলৈ পালে। দোকানৰ পৰা ওলাই গৈ মানুহবোৰ বাটৰ দাতিত ৰ'লগৈ। হাতত বৰশী, জাল, লৈ কেইটামান ফাল্‌তু বনুৱা গেৰেকীৰ ফালৰ পৰা দখিয়াৰফালে পাৰ হৈ গ'ল। মাছ পালে চাউল, দাইল ঘূৰি যাওঁতে কিনি নিব। বুঢ়ী এজনীয়ে গাখীৰ এবটল লফকক দিলেহি। বটলটো খালি কৰি বুঢ়ীক ঘুৰাই দি লফকে ক'লে "মাল গধূলি ভাগেহে পাবি।" বুঢ়ীয়ে বটলটো লৈ গ'লগৈ। "গাখীৰ বেচি মদ খায় নেকি, অ' লফক কাইটি?"-বকুলে সুধিলে। "গাখীৰ মুখত নিদিয়াকৈ সিহঁত বুঢা-বুঢ়ী হ'ল। নামকটাৰ পইচা পাই গৰু এজনী লৈছে। বুঢাক গধূলী সদায় এবাতি লাগেই হেনো" লফকে ক'লে। তোৰ দোকানখনে পইচা উলিয়াই দেই। দিনটো খুলি নাৰাখ কেলেই?" বলোবামৰ কথাগুলি লফকে হাঁহি এটা মাৰি ক'লে,-

বিয়াখন সোমোৱা দেখিলি? বাৰমাহে এইদৰে বিয়া হৈ থকাহেঁতেন বিক্ৰীও হ'লহেঁতেন। মিছা জানিছ বলো, গধূলি সময়ত তুপইচা ওলাই। তাকো বাগানৰ দৰমহা দিয়াৰ এসপ্তাহ মানলৈকে আৰু মাল বনাবলৈ সময় নোলায় নহয়। যিদিনা তুপইচা বিক্ৰী হ'ব সেইদিনাই খাকী পোছাক পিন্ধা বৰটোকোলা কেইটা আহি ডিঙিত হেঁচা মাৰি ধৰি লৈ যাবহি। এৰি দিয় জানিছ। ঘৰৰ কাম বহুত লোকছান হৈছে। মাত্ৰ আৰু দুটামান মাহ টানি আজুৰি ল'ৰাটোৰ কলেজৰ পইচা কেইটাৰ ধাৰটো মাৰি লওঁ। সি এইবাৰ পাৰ হ'ল নহয়। ঘানি ঘূৰাই দিছে পায। তাৰ লগতে ভালেখিনি পইচা দৰকাৰ হৈছে।" চাহখোৱা বাচনবোৰ বাটৰ দাতিৰ খালটোৰ পানীত ধুই ধুই লফকে কৈ থাকিল। "আমাৰ ভাগ্যত নাই জানিছ, বকুল। অতদিনে ল'ৰাই বি, এ, পাছ কৰি ধন ঘটি খুৱালেহেঁতেন। একমাত্ৰ ৰিখেশ্বৰ মাষ্টৰৰ দোষত ল'ৰা চাৰি বছৰ দিন মেট্ৰিকতে লাগি থাকিল। ল'ৰাৰ মগজো আছে বুলিছে। থাকিলেনো কি ভাল হ'ব কছোন? মাষ্টৰে পঢ়ালেহে ল'ৰাই পঢ়িব। হেড্‌মাষ্টৰ হৈ ৰিখেশ্বৰে হাঁৰিয়া-চুলাই বিচাৰি পিং পিঙাই ফুৰিব। তলৰ মাষ্টৰ জাকে বাৰুহে পায। মন গলে পঢ়াই, মন নগলে নপঢ়াই। বলোৰামে বোলে, "বিবেকা মাষ্টৰ যোৱাৰ পৰা মাইনৰ স্কুলৰো পঢ়া শুনা ঢিলা হ'ল লফক কাইটি। বিবেকা মাষ্টৰ মাইনৰ স্কুলত থাকোতে বাগানৰ মজদূৰৰ ল'ৰাহঁতেও বৃত্তি পাইছিল। তেওঁক বদলি কৰি হাইস্কুল পাতিলে"। লফকে বোলে—"হাইস্কুল পাতে, কলেজ পাতে, পাতি থাকক, ভালেইহে। পিছে ল'ৰা পঢ়াব নজনা অঙহী-বঙহীবোৰক মাষ্টৰ পাতি ল'ৰা-ছোৱালীৰ মূৰ বিলাক খাব নালাগে নহয। আমি বাপেকী-বোৰে কম কষ্ট পাইছো নে? তহঁতৰ বাছ আহিছে দেই"। বাছ আহিছে বুলি কোৱাৰ লগে লগে আটাই কেওটাই বাটলৈ চালে। বাছ আহিছে যদিও ভালেখিনি দূৰতে আছে। ইমান দূৰৰ পৰা বাছৰ শব্দ শুনি লফকে বাছ আহিছে বুলি কোৱা বাবে বকুল আচৰিত হৈছিল।

পিছে বাছখনৰ ঘেটেং খাটাং শব্দ কানত পৰাৰ লগে লগে বুজিলে সেই শব্দবোৰ শুনি থকাৰ কাৰণেই লফকে খাছ অহাটো খাটাংকৈ কব পৰা হৈছে। বাছ আহিল। বাছৰ মানুহ নামিবলৈ নৌ পাওঁতেই বৈ থকা মানুহবোৰে উঠিবলৈ উথপ্ থপ্ লগালে। হেঁচা ঠেলা কৰি বংশী বাছৰ পৰা নামি আহিল। বাকচ পত্ৰবোৰ নমালে। আকবৰহঁতে বংশীৰ বস্তুবোৰ লফকৰ দোকানৰ আগলৈ কঢ়িয়ালে। বাছ গ'ল। চাবি আলিৰ মানুহবোৰো গৈ শেষ হ'ল। লফকৰ দোকানলৈ কোনো গ্ৰাহক মোসোমোৰাৰ কাৰণে লফকৰ মনটো সেমেকিল। বংশীলৈ লফকে একেথৰে চাই আছিল। তাহানীৰ বল খেলাত দেখা লেংপেঙীয়া বংশীটো এতিয়া গজিলগ্ৰ মানুহ হ'ল। মোছকোছাৰে সৈতে ফৌজিৰ লায়েকৰ মানুহটো হৈছে। হাতত বন্দুক এটা লৈ এইটো মানুহ গাঁৱত সোমালে মানুহে দিনতে দাংমাৰি সোমাব। "মোৰ দোকানত চাহ একাপ নাখাৱ নেকি অ' বংশী?" লফকৰ মাত শুনি বংশীয়ে ঘূৰি চালে। "বস্তুবোৰ চাই লৈছোহে"। আকবৰহঁতৰ সৈতে বংশী চাহ খাবলৈ বহিলগৈ। লফকে চাহ দিয়াত লাগিল। বংশীয়ে লফকলৈ চাই থাকিল। মানুহটো বুঢ়াৰ নিচিনা হ'ল। লফক মেছাকিৰ মানুহ। বংশীয়ে লফকক আগৰ পৰাই চিনি পায। মেছাকিত ফুটবল খেলিবলৈ যাওঁতে লগ পোৱা মানুহ। লফকে চাহ চাৰি গিলাচ দিলেহি। দোকানখনৰ দুৰ্ব্বলতা বুজাই কলে,—"চাহৰ লগত দিবলৈহে একো নাই পাই, বিয়াখনৰ লৰাজাকে পপ, বিস্কুট শেষ কৰি দিলে। গাঁৱত সোমাই থকা হলে তই যে কি হৈ থাকিলিহেঁতেন মই তাকেহে ভাবিছো পাই বংশী। তোৰ ভাগ্য ভাল বুলিছো। কাৰণ কেলেই, চৰকাৰী খৰচত "ইন্দিয়া" দেশখন উধৰ পৰা মুধলৈকে ঘূৰিছ, মন ফুৰ্ত্তি কৰি আহিছ, আছ। তইঁতৰ দেখিয়ে মন সন্তোষ পাই। আমাৰ লম্বোদৰকো ফৌজিলৈকে পঠিয়াবৰ মন আছিল, জানিছ। পিছে কি হ'ব ভাগ্যত নাই। বোলে "দৰিদ্ৰ লঙ্কালৈ যায, সাগৰো শুকায় মানিকো লুকাই"। হে'ৰ মাত্ৰ এক ইঙ্কিয়ে

নেপাললৈগে। চব ঠিক হৈছিল পাই বকুল, মাত্র ওখটো চাপৰ হোৱা কাৰণেই নহ'লগৈ।" ফৌজিৰ চাকৰিৰ কাৰণে লক্ষৰ আগ্ৰহ দেখি বংশী আচৰিত নহ'ল। কাৰণ চাকৰি এটা পোৱাৰ আশাত তাৰো এসময়ত তেনেকুৱা অৱস্থাই হৈছিল। পঢ়া-শুনা কৰিব নোৱাৰা মানুহৰ কাৰণে মিলিটেৰী, চিপাহী, পিয়ন, কনিষ্টবলৰ চাকৰি বিচৰাৰ বাহিৰে গত্যন্তৰ নাই। "তোমাৰ ল'ৰাৰ ভাগ্য ভাল আছিল কাৰণেহে ফৌজিৰ চাকৰি নেপালে বুলি কৈছো, কোৱাইটি।" বংশীয়ে লক্ষৰ নামটো পাহৰিলে। "পাৰোতে মই চাকৰি এৰি গুছি অহা নাই। নিজৰ মনটোক, দেহাটোক, হাত-ভৰি কেইটাক নিজৰ ইচ্ছামতে য'ত দিনটোৰ বাবে এঘণ্টাও ব্যৱহাৰ কৰিব নোৱাৰি, তেনেকুৱা চাকৰি কৰাতকৈ লোকৰ ঘৰত হাজিৰা কাম কৰিলেও মনৰ স্বাধীনতা থাকে জানিছা।" বংশীয়ে চাকৰি এৰি অহা কথাটো শুনি লক্ষ আচৰিত হ'ল। "সেইদৰে হ'লেচোন ফৌজিত মানুহ নাথাকিলেইহেঁতেন। কষ্ট-মস্ত কৰি থাকিব লাগিছিল পায়। গুচি অহাটো বাৰু নকৰিলি বুলিছো। ৰ'বি সেইফালৰ জেগাবোৰ কেনেকুৱা হয়?" বংশীহঁত যাবলৈ উঠিল। "জেগা বোৰ কেনেকুৱা হ'ব? – একেই মাটি-পানী, একেই চকু-মুখ থকা মানুহ। ধনী মানুহ আছে। বিৰাট বিৰাট পকী ঘৰ, তাৰ নগৰ বোৰতো দেখিবা। গাঁও বিলাকত আমাৰ গাঁৱৰ দৰেই জুপুৰী ঘৰ। ৰ'দ বৰষুণত গাঁৱৰ মানুহে আমাৰ ইয়াৰ দৰেই দেহা মাৰে। দুবেলা দুমুঠি খাবলৈ নোপোৱা মানুহ বেচি। ধনী মানুহ কম।" কথাবোৰ কৈ কৈ বংশী-হঁতে বস্তু বাহানী লৈ মাষ্টৰৰ ঘৰলৈ বুলি বাটলৈ উঠিল।

চপাতল চাৰি আলিৰ পৰা বিবেকা মাষ্টৰৰ ঘৰলৈ প্ৰায় এমাইল মান দূৰ হব। পি, ডব্লিউ ডি, আলিৰ পৰা নামি কবৈগুৰি সত্ৰৰ ফালে যোৱা বাটেৰে সিহঁত আগবাঢ়িল। বাগিছাৰ প্ৰান্তৰ মাজৰ বাট চোৱাৰ বাবে বাকীচোৱা বাটত দুপৰৰ ৰ'দে সিহঁতক সিজাই পেলাইছে। বাটটো বহল। কংস বেজবৰুৱা এম, এল, এ হৈ থাকোঁতে সত্ৰলৈকে এই

বাটচোৰা ঠিক কৰি লৈছিল। পথাৰখন পাৰ হৈ সিহঁতি মানুহৰ ঘৰৰ ওচৰ পালেহি। প্ৰথম ঘৰটোৱেই এই অঞ্চলৰ মুধা ফুটা পুৰণি ধনী জগন্নাথ বেজবৰুৱাৰ ঘৰ। জগন্নাথ বেজবৰুৱা মৌজাদাৰ মৰাৰ পিচত, পুতেক কংস বেজবৰুৱাই ৰাজনীতিত ধৰিলে। ব্যৱসায় বাণিজ্য, তদুপৰি খেতিৰ ধান, কাঠৰ মিল, ইত্যাদিবোৰৰ জঞ্জাল চম্ভালিব লাগে কাৰণে কংস বেজবৰুৱা এই গাঁৱৰ ঘৰটোত অকলশৰে থাকে। বাকী ঘৰৰ সকলো মানুহ তিনিচুকীয়া, নাইবা ডিব্ৰুগড়ৰ ঘৰত। দ্বিতীয় আৰু তৃতীয় দুঘৰ মানুহ কংসৰ বংশৰে যদিও অৱস্থা বেয়া। এঘৰৰ মূল মানুহজনে দান-দক্ষিণা লোৱা, পুৰোহিতালি কৰা আদি ধৰ্ম্মীয় কামবোৰ কৰে। লোকৰ মঙ্গলৰ কাৰণেই সকলো কৰে, কিন্তু নিজৰ মঙ্গলৰ কাৰণে তেওঁৰ পুৰোহিতালিয়ে একো কাম নিদিয়ে। আৰু অন্যজনে পানীজৰা, তাবিজ দিয়া ধৰণৰ বেজালি কৰি চলিছে। তেওঁ অকলশৰীয়া, দাং-ৰ'ৰলা মানুহ। সেই তিনিঘৰ মানুহ পাৰহৈ সৰু কেৰ্‌বীটোৰ বাওঁ ফালে থকা নতুন টিঙৰ বাহঁ কাঠৰ ঘৰটোৱেই বিবেকা ভট্টাচাৰ্য্যৰ ঘৰ। বিবেকা মাষ্টৰ চাম শুৰিলৈ বদলি হৈ যোৱাৰ প্ৰায় পোন্ধৰ, ষোল বছৰৰ পিচত বাঘে পোৱালী জগোৱা এৰাবাৰী খনত নতুনকৈ ঘৰটো সাজি লৈছেহি। মাষ্টৰ ওখই ছয় ফুট মান হব। জীৱনৰ বিয়লি পৰতো পকা ঠেকেৰা ৰঙেৰে তেওঁৰ মুখখন দেখিলে এসময়ত যে তেওঁক মতা মানুহেও ঘূৰি ঘূৰি চাইছিল সেইটো কথা সহজেই অনুমান কৰিব পাৰি। বৰ্ত্তমান তেওঁৰ বয়স সত্তৰ বছৰৰ ওচৰা ওচৰি যদিও চুলি এডালো পকা নাই। বাউসীত পৰাকৈ চুলি কাটে। দাড়ী নাকাটেই। পায়জামা পাঞ্জাবী পিন্ধা হলে শিল্পী যেন লাগিলহেঁতেন যদিও তেখেতৰ ভিতৰত শিল্পীৰ দক্ষতা আছিল নে নাই প্ৰকাশ নাপালে। কথা আৱশ্যক হলেহে কয়। খোজ-কাটলত যেন এজন দাৰ্শনিক। দুপৰৰ ব'দৰ গছৰ চাঁ বৰ আৰাম দায়ক। চোতালৰ আগৰ বেলজোপাৰ তলত বহি হাতত বিচনী লৈ সেই আৰাম উপভোগ কৰি থকা বিবেকা মাষ্টৰক বকুলে আঁতৰৰ পৰাই বংশীৰ

আঙুলীয়াই দেখুৱালে। সিহঁতি মেছটো ঘূৰিলেই মাষ্টৰৰ ঘৰ পাবহি। কোটকুৰা জোপাই মাষ্টৰৰ ঘৰটো আঁৰ কৰি ধৰোতে পোনে পোনে সত্ৰৰ টিঙৰ ঘৰবোৰ বংশীৰ চকুত পৰিল। সি যেন বাপেকৰ লগত সত্ৰলৈহে আহিছে। বংশীৰ মনৰ ভিতৰখন কিবা জেংজেঙাই উঠিল। সি মুখ ঘূৰালে। বংশীহঁতক দেখি মাষ্টৰ নঙলা মুখলৈকে আগবাঢি আহিছে। "বংশী আহিলি? আহ!" কৈ কৈ মাষ্টৰ আগে আগে গ'ল। হাতৰ চুইট্‌কেছটো থৈ বংশীয়ে মাষ্টৰৰ ভৰি চুই সেৱা কৰিলে। মাষ্টৰে অস্বস্তি-বোধ কৰি কলে- 'এহ্ তই মোক কিয় সেৱা কৰিব লাগে? মই বেয়া পাওঁ পায়। যা, হাত-মুখ ধোৱৈগে।" "মোৰ চিঠিখন সময় মতে পাইছে, ছাৰ?" "তোৰ চিঠি সময়মতে পোৱাৰ বাবেই সময়মতে তোক বাছৰ পৰা আনিবলৈ সিহঁতক পঠিয়ালো। কালি মযো চাৰি আলিলৈ গৈছিলো। কালি নাহিলি কেলেই? বাকু সেইবোৰ কথা পিছত পাতিম। এতিয়া হাত-মুখ ধুই ঠাণ্ডা হৈ ল। এই বকুল, কাগজি আছে, চৰপত্‌ অলপ কৰি দে। তইঁতিও খা।" আকৰবহঁত বাকচ পত্ৰবোৰ লৈ ভিতৰ সোমাই গ'ল। মাষ্টৰে হাতৰ বিচনীখন ঘূৰাই আগৰ দৰেই বেলতলত বহিলগৈ।

মাষ্টৰৰ ঘৰত বকুলহঁতে মাজে মাজে গধূলী বহেহি। বহেহি মানে, আহিলে নিজে বন্ধা-বঢা কৰি সিহঁতে খাই বৈ শুচি যায় গৈ। সেই কাৰণে বকুল আকবৰহঁতে মাষ্টৰৰ ঘৰৰ ক'ত কি বস্তু আছে সকলো জানে। সিহঁতে সকলো যোগাৰ কৰি চাহ খায়। চৰ্বত্‌ খাই, লুচি কৰে যি কৰে কৰি খাওক, তাৰ বাবে ভাবিব লগীয়া একো নাই। সকলো বস্তুৰে যোগাৰ আছে। বংশীয়ে মাষ্টৰক সেৱা কৰা কথাটোৱে মাষ্টৰক অলপ ভাবিবলৈ বাধ্য কৰালে। বয়োবৃদ্ধ, জ্ঞানবৃদ্ধক শ্ৰদ্ধা ভক্তি কৰা নিয়মটো আজি কালি বিশেষকৈ অসমীয়া ডেকা-গাভৰুৰ ক্ষেত্ৰত দেখা নাযায়। অথচ এটা সময়ত বিবেকা মাষ্টৰে দেউতাকৰ খৰমযোৰ ভৰিত লাগিলেও সেৱা কৰিছিল। এইয়া সামাজিক নীতিৰ বাধ্য বাধকতা।

যিয়েই নহওঁক এটা সুন্দৰ সামাজিক নীতিক ভৰিৰে মোহাৰি পেলোৱা হ'ল। বিপৰীতে বিজ্ঞজনৰ আগত চিগাৰেট্ খোৱা, অশ্লীল কথা কৈহে আজিৰ যুৱ সমাজে তৃপ্তি পোৱা হ'ল। তেনে এটা সময়তো বংশী সৎ মানুহ হৈ আছে। এই উদণ্ড, উগ্ৰ ল'ৰাটো শান্ত হৈ গ'ল নেকি? 'মিলিটেৰী শাসনত তাৰ স্বভাৱ পৰিবৰ্ত্তন হৈছে, নে সি বাহ্যিক বদান্যতাহে দেখুৱাইছে? মিলিটেৰী চাকৰিত সোমাওঁতে সি চামগুৰিলৈ গৈ মাষ্টৰৰ পৰামৰ্শ লৈছিল। চাকৰি এৰি আহিবৰ সময়তো সি তাৰ মানসিক অৱস্থা জনাই মাষ্টৰলৈ চিঠি দিছিল। খেতি কৰি ভৰণ-পোষণ হবলৈ যাৰ নিজৰ বুলিবলৈ এবিঘা মাটি নাই, সি গাঁৱলৈ আহি কি কৰিবহি বুলি মাষ্টৰে তালৈ বুজনি দি লিখিছিল। কিন্তু সি সেই বুজনি নামানি গুচি আহিল। বলোৰামে চৰপত্ এগিলাচ মাষ্টৰকো দি গ'লহি। কৃষ্টি, মুহিৰাম, আকবৰহঁতৰ দৰে সংস্থান বিহীন হৈ এইযা সি, ত্যাগ কৰা হ'ল নেকি? নিজক বিপন্ন কৰি চাকৰিটো এৰি অহা বিশেষ কিবা কথা আছে। তথাপি সি আহিল যেতিয়া নিশ্চয় কিবা এটা কৰিব। থাকে যদি তাক মাষ্টৰে নিজৰ লগতে ৰাখিব। অন্ততঃ কথা-বতৰা পাতিবলৈ হলেও ঘৰখনত দ্বিতীয় ব্যক্তি এটা হলে ভাল লাগে। বংশীহঁত আটাই কেউটাই চাহ তাহ খাই মাষ্টৰৰ ওচৰ পালেহি। আকবৰে কলে, —"চাৰ, মই যাওঁ, কাম খতি হৈছে।" বকুল আৰু বলোৰামেও গধূলীকৈ আহিম বুলি কৈ তিনিওটা গ'লগৈ। মূঢ়া এটা আনি বংশী মাষ্টৰৰ ওচৰত বহিলহি। হাত-কটা বনিয়নটোৱে বংশীক এটা পালোৱান যেন দেখাইছিল। "তই তেন্তে কামটো এৰি গুছি আহিলি?" "হয় চাৰ মোৰ মনৰ পৰিবৰ্ত্তন নহয়। কিয় জানো, প্ৰায় ডেৰ বছৰ মানৰ পৰা চাকৰি এৰি কেনেকৈ গুছি আহোঁ সেই চিন্তাই মোক লগ এৰা নাছিল। ডিঙিত শিকলি বান্ধি টানি লৈ ফুৰা এটা "এলচিচিয়ান" কুকুৰৰ দৰে নিজকে ভাবি আছিলো।" বংশীয়ে কথাখিনি কৈ মাষ্টৰৰ মুখলৈ চালে। "চাকৰি মানেই আজ্ঞাবাহী। তেনেকৈ হুকুম মানিয়েই লাখ লাখ মানুহে

মিলিটেৰীৰ চাকৰি কৰি আছে। লাখ লাখ ডেকাই তেনে চাকৰিৰ কাৰণে হাবাথুৰি খাই ফুৰাৰ সময়ত তই কিবা বিকল্প ব্যৱস্থা এটা নকৰাকৈ চাকৰিটো এৰি আহিবলৈ অস্থিৰ হব লগা হ'ল কিয়? ওপৰৱালাৰ লগত যুদ্ধ কৰিলি নেকি? মাষ্টৰৰ প্ৰশ্নটোৰ উত্তৰ বংশীয়ে অন্য ধৰণেহে দিলে। "চাৰ, বুঢ়া বয়সত আপুনি বাইদেউক পঠিয়াই দি যি ত্যাগ কৰিছে, তাৰ তুলনাত মই ডেকা মানুহটোৱে চাকৰিটো এৰি অহাটো একোৱেই হোৱা নাই। মইতো তিনিমহলাৰ ওপৰৰ কাৰ্পেটত ডাঙৰ হোৱা ল'ৰা নহয় যে, হাতেৰে আজুৰি খাব নোৱাৰিম। মই বোকাৰ ল'ৰা চাৰ। মোৰ কথাখিনি পিচত কম বাৰু। পাঁচ দিন টোপনি খতি চাৰ, অলপ জীৰাই সঁতাই লওঁ। আপোনাৰ লগত বহুত কথা পাতিব লাগিব চাৰ।" "তই তেন্তে গা-পা ধুই জিৰণি ল'। মই পুষ্প মণ্ডলৰ ওচৰৰ পৰা আহো। আজি তেওঁক লগ পাম বুলি কথা দিয়া আছে।" — মাষ্টৰে ছাটিটো আনি যাবলৈ ওলাল। — "এই ৰ'দত নগলে নহয় জানো চাৰ?" — "নহয় অ' মণ্ডলক লগ পোৱাই টান। বেজবৰুৱাৰ ঘৰৰ দাঁতিৰ বাৰীখন ৰাইজৰ নামত দান দিওঁ বুলি ভাৱি আছো। তাত এখন হস্পিটেল পাতিব লাগিব। মই আহি বন্ধা-বঢা কৰিমহি।" — মাষ্টৰ ওলাই গ'ল।

বংশীয়ে টিউব্‌ৱেলৰ পানীৰে ভালকৈ গাটো ধুই আগফাললৈ ওলাই আহিল। মাষ্টৰৰ চকীখন আছিলেই। তাত আৰামত নবহি সি মূঢ়াতোতহে বহিলে। মাষ্টৰৰ চকীখন সি চিনি পালে। সেইখন মাষ্টৰৰ দেউতাকৰ চকী আছিল হেনো। চামগুৰীৰ ঘৰৰ পৰা মাষ্টৰণী বাইদেউ ওলাই যোৱাৰ পিছত মাষ্টৰে সেই ঘৰৰ সকলো বস্তু বাহানী ঘৰ মাটি বিক্ৰী কৰি দাংধৰাত নতুন ঘৰ পাতিছেহি। কিন্তু দেউতাকৰ দিনৰ স্মৃতিৰ চিন হিচাবে চকীখন লৈ আহিলে। মাষ্টৰৰ পৈত্ৰিক সম্পত্তি হিচাবে বাৰীখনো আছে। কিন্তু তাৰ নিজৰ শৰীৰটোৰ বাহিৰে পৈত্ৰিক সম্পত্তি বুলিবলৈ একো নাই। নাথাকিলেও তাৰ কাৰণে বংশীৰ একো আক্ষেপ

নাই। সিটো অকর্মণ্য নহয়, পঙ্গু নহয়। জীয়াই থাকিবলৈ লাগতীয়াল বস্তুখিনি যোগাৰ কৰি ল'ব। বাপেকৰ সম্পত্তি লৈ কাজিয়া কৰি লখৌ মৰিল। ককায়েক ভোকোন্দে ডেকা বয়সতো জেলতে পচি মৰিলে। "বাপৰ ধনেও নাটে, পাপৰ ধনেও নাটে।" — সেই বুলি সি তাৰ বাপেকৰ মাটিখিনি কেতিয়াও এৰি নিদিয়ে। এৰা বাৰী হৈ পৰি থাওক। পথাৰ মাটি, মন গলে কৰ, মন নগ'লে চন পৰি থাকিব। তথাপি ৰামধাৰীৰ হাতৰ পৰা সি বাপেকৰ মাটি ঘূৰাই লৈহে ক্ষান্ত হ'ব। বেল কিজোপা, কঠাল, পনিয়ল গছবোৰলৈ মনত পৰিলে তাৰ মৰি যাম যেন বেজাৰ লাগে। সেই কেইজোপা গছে তাক সহায় নকৰা হ'লে তাৰ মাইনৰ স্কুল পাছ কৰাও নহ'লহেঁতেন। সিমানখিনিকে পঢ়িব নোৱাৰা হ'লে তাৰ চাকৰি কৰাও নহ'লহেঁতেন। মানুহৰ দেহাই অনিত্য, গছ-গছনী কি বস্তু! তথাপি তাৰ বিপদৰ বন্ধু সেই গছ-গছনীৰে ভৰা বাৰীখন বন্ধন মুক্ত কৰিব নোৱাৰিলে সি অকৃতজ্ঞ হ'ব। বংশীৰ বাপেকে ৰামধাৰীৰ পৰা কোনোদিনেই টকা ধাৰলৈ লোৱা নাই। কানিৰ দামত মাৰি সকলো সম্পত্তি ৰামধাৰীয়ে কাঢ়ি ল'লে। গঞা-জ্ঞাতি, বংশ পৰিয়াল সকলো আছিল। কিন্তু কোনেও তেতিয়া এষাৰ মাত নামাতিলে। সি ৰামধাৰীক দা লৈ কাটিবলৈ যাওঁতে, তাক বুঢ়াজাকে পগলা হ'ল বুলি কৈছিল। পুলিচে তাক ধৰি নি তিনিৰাতি থানাত ভৰাই থৈছিল। একমাত্ৰ দদায়েক ভূধৰ আৰু তাৰ লগৰীয়া ল'ৰা কেইটাৰ বাহিৰে কোনো মানুহে তাক থানাত মাত এষাৰ দিয়া নাছিলগৈ। থানাৰ পৰা তাক দদায়েক ভূধৰে উলিয়াই অনাৰ পাচতহে মোমায়েক মিলনে "দিন বেয়া" বুলি তাক শান্তনা দিবলৈ সময় পাইছিল। তাৰ সকলো কথা মনত আছে। পুলিচ দেখিলেই বুকু কঁপা গাঁৱৰ মানুহে তাক এতিয়াও কোনো সহায় নকৰে। সি কাৰো সহায় নিবিচাৰেও। যি কৰিব লাগে, সি অকলেই কৰিব। ৰামধাৰীক সি পানী পানী খুৱাব। কথাবোৰ মনৰ ভিতৰতে ভাৱি ভাৱি তাৰ দেহৰ ভিতৰ খনত একুৰা জুইহে যেন জ্বলিছে। সি যেন প্ৰকাণ্ড বিহাৰী

ৰামধাৰীৰ লগত গবৰা গবৰি কৰি যুদ্ধ কৰিছে। গাৰ পৰা ওলোৱা ঘামবোৰে বনিয়ণটো সাৰটি ধৰিলত সি ঘপ্ কৰে থিয় হ'ল। কাৰোবাৰ কথা তাৰ কাণত পৰিলহি। কষ্টি আৰু মুহিৰামে তালৈ চাই হাঁহি আহিছে। বংশীয়ে বনিয়ণটো খুলি হাতত ললে। নওলা ডাল খুলি খুলি মুহিৰামে বোলে—"আও, এইটোৰ গা-চতা ধৰিলে, চা, কষ্টি। হেৰ', বংশী, কি খাব হয় ?" —"আগতে বহচোন বাৰু, তাৰ পিচত মই খোৱা বস্তুৰ কথা কম নহয়।" — কথাটো কৈ বংশীয়ে ভিতৰৰ পৰা আৰু এটা মূঢ়া আনিলেগৈ। মুহিৰামে মাষ্টৰৰ চকীখনতে হেলান দি বহিল। বাকী দুটাই দুটা মূঢ়া ললে। "কালি তইঁতি বাছলৈ গৈছিলি বুলি গম পালো। চৰকাৰী বেলত অহা কথা। কাটিহাৰত এটা দিন খপিব লগা হল পাই।" — কষ্টিয়ে কলে— "আগতে মুহিয়ে বিচৰা বস্তুটোৰ নাম ক। তাৰ পিছত বাকী অইন কথা"। "মোৰ গা-ধৰা বস্তুটো ? এই, মতা ম'হক মাঘৰ বিহুত যুজঁবলৈ গুৱালে যেনেকৈ পোকৰে মুখে খুৱাই, সেইদৰে মিলিটেৰী বোৰকো মাছ-মাংস-মদ খুৱাই গলধন ধৰা ম'হৰ দৰে চৰকাৰে তিযাৰী কৰি ৰাখে যুঁজিবলৈ। বুজিলি ? ফৌজিত সোমালেহে এই দৰে গা ধৰিব।" মুহিযে বোলে— "মাষ্টৰৰ ঘৰত থাকিবলৈ ললে পিছে মণ্ড মাহৰ পানীযে তোৰ মঙহ খহাই দিব দেই"। "ৰ'বি তই বোলে দাণ্ডি-লিযেই ?" — বংশীযে কথাটো সুধি মুহিক একাছ দিব খুজিলে, কাৰণ মুহিয়ে বিযা নকৰাওঁৱেই বুলি এদিন বংশীক কৈছিল। —"নকৰি পাই, তাইক অনাৰ কাৰণে আইৰ গাত তৎ নোহোৱা হৈছিল। দণ্ডা নাই ঐ খোজা-বঢা কৰিযেই আনিলো"। 'আকৌ বোলে ল'ৰাৰ বাপেকীও হলি ?" বংশীৰ প্ৰশ্নৰ উত্তৰ দি কষ্টিয়ে বোলে, "আলহীলৈ বুলি হাঁহ মাৰি ঘৰ-ঘৰোৱালে খোৱাৰ" নিচিনা কথা জানিছ বংশী। মাকৰ আলপৈছান ধৰিবলৈ ছোৱালী আনিছিল যদি সি ল'ৰাৰ বাপেকী হ'ল কেনেকৈ ?— তাক ভালকৈ তই কথাটো সোধ ?" মুহিয়ে বোলে সুধিবলৈ কি ডাঙ্গ আছে ? বোলে —"পোৱাতি হ'বলৈ লাগে কেতেবেলি বোৱাৰী হোৱাটো

টান।" "মই খাছৰ পৰা নামিয়েই তঁহঁতৰ কথাবোৰ ললো। আজি কালি বোলে তই ভাল হৈছ, হয়? শৰণো ললি নেকি?"—বংশীয়ে চকুটিপ্ মাৰি কথাটো সুধিলে। "ভাল নহবলৈ এজনী ডিঙিত লগায়েই দিলেহি আৰু যিজনী আহিল, তোক কৈছো কেনিবা যাবলৈ ওলালে "লৰাপাত ধৰা" বুলি চিধা আগবঢ়াই দিবহি।"—কথাটো কৈ মুহিৰাম, কণ্ঠি গধূলীকৈ আহিম বুলি গ'লগৈযে। মাষ্টৰ অহা ডেৰি হব বুলি বংশীয়েও ভাত ৰান্ধিবলৈ ভিতৰলৈ সোমাই গ'ল। বস্তু বিচাৰি লওঁতে অসুবিধা হৈছিল যদিও দাইল, চাউল বিচাৰি পাই সি ভাত বহালে। গাঁৱলৈ অহাৰ পৰা তাৰ মনটোত মাত্ৰ ৰামধাৰীৰ চিন্তা। কি উপায়েৰে সি বাপেকৰ মাটি খিনি উদ্ধাৰ কৰে। ৰামধাৰীৰ মুখৰ কথাবোৰ মিঠা। কিন্তু বুকুৰ ভিতৰখনত এখন খুৰ আছে। নিধিৰাম বৰমেধিক ৰাম ধাৰীয়ে "চাচা" বুলি সম্বোধন কৰিছিল। অথচ সৰ্ব্বস্ব লুটি লৈ "চাচা"ক সি শান্তিৰে মৰিবলৈকো নিদিলে। মাষ্টৰৰ বিচনা পত্ৰবোৰ পিচফালৰ বাৰান্দাত ৰ'দত তাপ লাগিবলৈ সি উলিয়াই দিলেগৈ। ৰ'দত দিলে এৰে ৰাতি গৰমত শুব নোৱাৰিব। তাৰ কাপোৰ-কানিবোৰ খুলি আগফালে আৰু পিছফালে জেওঁৰাত দিলেগৈ। ভাত উতলিছে। তাৰ মনটোও আকৌ খঙত উতলিছে। দাইল ভাত হ'ল। মাষ্টৰো আহিল। "চাৰ, গা ধুব নেকি? ভাত-দাইল হৈছে।" "হ'ল যদি ভাত বাঢ়।" বংশী সোমাই গ'ল। ইমান গৰমতো মাষ্টৰে গা-নোধোৱাকৈ ভাত খাবনে? সি পাহৰিছিলে। মাষ্টৰৰ কথাবোৰ সাধাৰণ মানুহৰ লগত নিমিলে বুলি তাক মাষ্টৰণী বাইদেৱে কৈছিল। ইমান গৰমতো মানুহজনৰ কপালত ঘাম ওলোৱা নাই। বোধহয় পানীৰ লগত সম্পৰ্ক নথকাৰ কাৰণেই তেওঁৰ গাৰ পৰা ঘাম নোলায। বিচনাত উঠাৰ সময়ৰ বাহিৰে ভৰিৰ পৰা চেণ্ডেলযোৰ হেনো নোখোলেই। মাটিৰ লগত সম্বন্ধ ৰাখিলে বেয়া যদি ভৰিত গৰুৰ দৰে খুৰা নিদিলে কিয়? মানুহজন প্ৰকৃততেই অদ্ভুতকৈ বেলেগ। বেলেগ হয়েই। নহলেনো বুঢা বয়সত বৈণীয়েকক খুড়ীমতে ওলাই যাবলৈ দি

জীয়া ৰ'বলা হৈ ভাত ৰান্ধি খায়নে? ভাত খাওঁতে বংশীয়ে সংকোচ কৰিছিল। ৰন্ধা ঠিক হৈছে নে নাই ভাৱি। সি বহুত দিন ভাত ৰন্ধা নাই। মাষ্টৰে মনে মনে খাই ওলাই গ'ল। ঠিকেই আছে। দাইল, ভাত ইয়াতকৈ আৰু কি ঠিক হব? মাষ্টৰে হাতত কিতাপ এখন লৈ বেলতলত চিগাৰেট এটা জ্বলাই বহিলগৈ। ভাত খাই উঠি বংশীয়ে মাষ্টৰৰ বিচনাতলৰ পাতিখন লৈ দুইখন দুৱাৰৰ মুখৰ পৰা বতাহ পোৱাকৈ পাতিখন পাৰি শুই পৰিল। নিৰ্ম্মলা বাইদেউ ধুবীজনৰ লগত গুচি যাবলৈ ওলাওঁতে মাষ্টৰে নিশ্চয় বুজাই মেলি ৰাখিব পাৰিলেহেঁতেন। বকুলৰ চিঠিত পোৱা কথাবোৰ সচাঁও হব পাৰে, মিছাও হব পাৰে। সিও শুনা কথাহে লিখিছিল। মাষ্টৰক সেই বোৰ কথা সুধিবলৈ বকুলে সাহ নকৰে। বংশীয়ে নিজেই মাষ্টৰক কথাটো সুধিব। সি আহিল যেতিয়া স্থায়ীভাৱে থকাৰ ব্যৱস্থা এটাও কৰিব লাগিব। মাষ্টৰৰ লগত থাকিম বুলি সি ভাৱি আহিছে যদিও মাষ্টৰে বা তাক লগত ৰাখে নে নেৰাখে? তাৰ টোপনি আহিল।

বংশী শুই উঠোঁতে সন্ধ্যা লাগো লাগো হ'ল। আকাশত ডাৱৰ গোট খাইছে। আহাৰৰ ডাৱৰ, ঠিকনা নাই। কাপোৰ-কানিবোৰ সি সুমুৱাই আনিলে। মাষ্টৰৰ বিচনাখন ভালকৈ পাৰি লৈ ওচৰৰ খাটিয়া খনত তাৰ বিচনা-পত্ৰবোৰ দ'মাই থলে। সি যদি মাষ্টৰৰ লগতে থাকে তেন্তে মাষ্টৰৰো যত্ন ল'ব। মানুহ জন যাযাবৰী, আলপৈচান, যত্ন বিচৰাৰ বয়সো। সি মাষ্টৰৰ পৰিচৰ্য্যা কৰিব। বাহিৰলৈ সি ওলাই আহি মাষ্টৰে পঢ়ি এৰি থৈ যোৱা কিতাপ খন হাতত তুলি ললেহি। বেঙ্গলী ভাষাত লিখা কিতাপ, "কি কৰিতে হবে"। সেই খন কিতাপ তাক গুপুতে পঢ়িবলৈ দিছিল। তেনেকুৱা কিতাপ সি কেইবাখনো পঢ়িছিল। তেনেকুৱা কিতাপ অসমীয়া ভাষাত লিখা পোৱা হলে সি পঢ়ি ভালকৈ বুজিব পাৰিলেহেঁতেন। সেইবোৰ কিতাপ গুপুতে বজাৰৰ পৰা কিনি নিয়ে যদিও লুকোৱাই লুকোৱাইহে পঢ়িছিল। তাকো লুকোৱাই পঢ়িবলৈ হে কৈছিল।

পিছে সি লুকোৱাৰ নাজানি ধৰা পৰিল। সি ধৰা পৰাৰ কাৰণে গুপ্তৰ হাতৰ সকলো কিতাপ কাঢ়ি লৈ গ'ল। তাৰ পিছত তাক সীমান্তলৈ বদলি কৰি দিলে। বজাৰত বিক্ৰী হোৱা কিতাপবোৰ পঢ়িলেনো কি দোষ লাগে? চৰকাৰে প্ৰেমৰ কাহিনী থকা কিতাপ পঢ়িবলৈ দিয়ে অথচ দেশৰ কাম কৰিবলগীয়া কথা থকা কিতাপবোৰ পঢ়িবলৈ নিদিয়ে। দাসত্বৰ বন্ধনৰ পৰা মুক্ত হোৱা উপায় থকা কিতাপ পঢ়িলে হেনো মানুহ বিদ্ৰোহী হয়।

মাষ্টৰে পঢ়ে যেতিয়া এইবোৰ নিশ্চয় মূল্যবান কিতাপ। সি মাষ্টৰৰ আলমাৰীৰ কিতাপবোৰ লুটিয়াই লুটিয়াই কিতাপৰ নামবোৰ চালেগৈ। বহুত কিতাপ আলমাৰীত আছে। এতিয়া কি কৰিবি? সেইবোৰ কিতাপ পঢ়িলে এতিয়া বংশীক ক'লৈ বদলি কৰিবি? সি যেন স্বাধীন হ'ল। তাৰ বুকুখন গৰ্ব্বৰে ফুলি পৰিল। সি কিতাপবোৰ পঢ়িব। নুবুজা কথাবোৰ মাষ্টৰক সুধি ল'ব। মাষ্টৰে এই কিতাপবোৰ পঢ়িনো কিতো কৰিলে?

অৱশ্যে মাষ্টৰৰ গাতো দোষ নাই। নিজেই লটি-ঘটি হৈ বাগৰি ফুৰিছে। বুঢ়া বয়সত মানুহজনীয়েও তেওঁক অকলসৰে এৰি থৈ গুচি গ'ল। আচলতে মাষ্টৰৰ গাতহে দোষ, ল'ৰা-ছোৱালী এটাৰ আশা সকলো মানুহেই কৰে। তেওঁ মানুহজনীক সুখ দিব নোৱাৰিলে। মাছে-মাংসই উদৰ পূৰাকৈ খালেও মনে বিচৰা বস্তু নেপালে মানুহ সুখী নহয়। মাষ্টৰে বুঢ়া বয়সত যি অপমান পালে তাৰ কাৰণে কিন্তু জগৰীয়া কংস বেজবৰুৱাহে। মাষ্টৰৰো জানো নিজৰ মনৰ দৃঢ়তা থাকিব নাপাইছিল। বিয়াৰ কথা ভাবিব নজনা সৰু ছোৱালী এজনীক দেশৰ নিয়ম দস্তুৰ থাকিলেই যেনিবা, তেওঁ বিয়া কৰাব নালাগিছিল, সেইজনী মানুহেই জীয়াই থকা হ'লেও। তাইও মৰি থাকিল। মৰিল যেতিয়া লগে লগে অন্য এজনী আনিব লাগিছিল।

আকৌ চৈধ্য বছৰ কাল বিয়া নকৰাও বুলি থাকিলে কেলৈ ? নিজৰ বিপদ খহ'বলৈ সকলোৱে চাব। তেওঁৰ চকুৰ আগতে হেনো কংসই নিৰ্ম্মলা বাইদেউৰ ঘৰলৈ অহা যোৱা কৰিছিল। খলিফাৰ মুখত শুনা কথা যদিও মিছা বুলি কেনেকৈ ধৰিব। কংস নিৰ্ম্মলা বাইদেউৰ ওচৰলৈ অহা যোৱা কৰোতে খলিফা হেনো কংসৰ ঘৰত হালোৱা হৈ আছিল।

কংসই হেনো নিৰ্ম্মলা বাইদেউৰ মাকক টকা-পইচা, ধান, চাউল, কাপোৰ-কানি দি সেই সময়ত খুউব সহায় কৰিছিল। হ'ব নোৱাৰিছে। নিৰ্ম্মলা বাইদেউৰ মাক কংসৰ সম্বন্ধীয় মানুহ। সেইসময়ত কংসৰ দৰে মহা হাৰামী ভটৰাটোৱে ক'ত বাই-ভনীৰ বাচ-বিচাৰ কৰিব ? সহায় কৰাৰ নামত সুদে-মূলে উলিয়াই ল'লে। দুখীযা মানুহ, খোৱা-বোৱাৰ কষ্ট পাইছিল ছাগে, সেয়ে নিৰ্ম্মলা বাইদেউৰ মাকেও কংসৰ অত্যাচাৰৰ প্ৰতিবাদ কৰিবলৈ সাহস গোটাব নোৱাৰিলে ছাগৈ '

কুকুৰ চালা, পানীত নামিছিলি যেতিয়া তিতিবলৈ ভয় কৰিলি কেলৈ ? মৰা সাপ এডাল দেই নোযোৱা মানুহজনৰ ডিঙিত তোৰ বদনামৰ ভাৰখন ওলোমাইছিলি কেলৈ ? তোৰ ভাগ্য ভাল আছিল। পেটত তোৰ ফালৰ ল'ৰাৰে সৈতে নিৰ্ম্মলা বাইদেউক তোৰ বাপেৰে বুদ্ধি কৰি মাষ্টৰলৈ ঠেলি দিলে। মই হ'ব লাগিছিল, তোৰ মঙহ কেঁচাই কেঁচাই চোবালোহেঁতেন মাষ্টৰো এটা আচৰিত জীৱ। হেৰ' কংসৰ ফালৰ ল'ৰা পেটত লৈ আহিছো বুলি নিৰ্ম্মলা বাইদেৱে সৈ কাটি দিয়াৰ পাচত মানুহজনীক নি কংসৰ ঘৰত চমজাই নিদিলেগৈ কিয় ? তাকে নকৰি নপুংসকটোৱে বোলে ত্যাগ কৰিলে। মানুহজনীৰ কাৰণে ত্যাগ কৰিলি হয়, সিফালে যে ভটৰা গৰুটোক এৰি দিলি ? মাষ্টৰক— তই তই কৰি কথাবোৰ কৈ বংশীৰ মাষ্টৰলৈ বেয়া লাগি গ'ল। বুঢ়া মানুহ, তাতে বংশীৰ শিক্ষাগুৰু।

মাষ্টৰক সি মহাগুৰু বুলি ভক্তি কৰে। তেনেকুৱা এজন মানুহক দোষাৰোপ কৰি বংশীৰ মনটো দোষী দোষী যেন লাগিল। তদুপৰি বংশীয়ে কথাবোৰ লোকৰ মুখতহে শুনিছে। লোকৰ চৰ্চা কৰা বংশীৰ অভ্যাস নাই। এইবোৰ বহুত পুৰণি কথা। সি এইবিলাক কথা আগতে জনা নাছিল। আগৰ বাৰ ছুটীত আহোঁতে যেতিয়া মাষ্টৰণী বাইদেৱে উৰ্মিলাক তালৈ বিয়া দিয়াৰ প্ৰস্তাৱটো দিছিল। তেতিয়া সি কথাবোৰ খলিফাক কৈছিলগৈ। খলিফাই— "আনি থ" বুলি একেষাৰতে কৈছিল। পিচে মাইকী মানুহৰ কথা, লেণ্ডেৰীয়ে মহাভাৰতৰ কাহিনী কোৱাৰ দৰে মাষ্টৰৰ কেলেঙ্কাৰীসোপা বংশীক কৈ "আমাক কথাটো সুধিলি কাৰণে ছোৱালীজনীৰ গুৰি কথাটো তোক কৈ দিছো। তাকে চাই তই যি কৰ, সেইটো তোৰ কথা। বদনামীয়েই হওক বা জহৰাই হওক ছোৱালীজনী ভাল।"

মাষ্টৰৰ মুখলৈ চাই সি বিয়া কৰাম বুলি কথাও দিছিল। ছোৱালী-জনীয়ে কথাটো গম পাই তাইৰ মনৰ মানুহ ঠিক হৈ আছে বুলি বংশীলৈ লিখি দি কোনোবা এটাৰ লগত হোষ্টেলৰ পৰা পলাই নোযোৱা হ'লে বংশী মাষ্টৰৰ জোঁৱায়েক হ'লহেঁতেন। "মাষ্টৰৰ জোঁৱায়েক হোৱাহ'লে" তাৰ লাজ লাজ ভাৱ এটা আহিল। বতাহ জাকে তাক আকাশৰ ফালে চাবলৈ মনত পেলাই দিলে। বৰষুণ আহিবই।

গাত পানী নলগোৱা মাষ্টৰ বৰষুণত তিতি জুকলি জুপুৰী হৈ ওলালহি। বংশীয়ে গামোছা চুৰীয়া আনি দিলেহি। কাপোৰ সলাই মূৰ-ছুৰ আঁচুৰি মাষ্টৰে বোল্ল বছৰীয়াটি হৈ বাকচৰ পৰা চিগাৰেট উলিয়াই, এটা জ্বলাই লৈ বিচনাত বহিলহি। জেপৰ চিগাৰেট, জুইশলা, তিতি নষ্ট হ'ল। বংশীয়ে মাষ্টৰক গৰম চাহ একাপ আনি দিলেহি। বাহিৰত ডাঙৰ বৰষুণ। ঘৰৰ ওপৰৰ টিণত বৰষুণে সংগীত আৰম্ভ কৰিছে।

"তই কাপোৰত উৰহৰ সঁচ লৈ আহিছনেকি ? উৰহলৈ মোৰ খুউব ভয় লাগে পাই।"

মাষ্টৰৰ ভয়ৰ কথা শুনি ৰং পায় বংশীয়ে বোলে— "আমাৰ লগত উৰহ থাকেই চাব। বোলে "বেজিৰ জলাকো মনে কুঠাৰৰ জলাকো নমনাৰ নিচিনা কথা কৈছে ছাৰ। বিৰাট বিৰাট উৰহে খাই আপোনালোকক হালধীয়া কৰিছে— সেইবোৰ উৰহলৈ ভয় নকৰে। মোহাৰি মাৰি পেলাব পৰা উৰহলৈ আপোনালোকে ভয় কৰে ? গৰম পানীত সিজাই দিলেই কাপোৰৰ উৰহৰ সঁচ মৰিব। বিৰাট বিৰাট ৰামধাৰীহঁতৰ নিচিনা উৰহবোৰ কেনেকৈ মাৰিব চাব ? সিহঁতে এখন এখন ৰাইজৰ তেজ শুহিছে।"

বংশীৰ কথাৰ ধাৰ শুনি মাষ্টৰে থত্-মত্ খালে। সি কথাটো সামাজিক পৰিস্থিতিৰ মাজলৈ টানি লৈ গৈছে। সি ইমান কথা ভাবিব জনা হ'ল ! সাহিত্য লগাইও কথা ক'ব জনা হৈ আহিছে। অলপ ৰৈ মাষ্টৰে ক'লে—

"বিৰাট বিৰাট উৰহবোৰে মানুহে গম নোপোৱাকৈ তেজ খাই কাৰণে মানুহে নেদেখে। সিহঁতক সিজাই মাৰিবলৈকো বৰ বৰ টৌ লাগিব। সেই টৌবোৰ দাঙিবলৈ এজাক এজাক মানুহ গোট খাব লাগিব, বংশী। বাৰু সেইবোৰ সামাজিক চিন্তাৰ কথা, তোৰ নিজৰ কথা ক'চোন। তোৰ কি ইমান ডাঙৰ মানসিক সংঘাট হ'ল যে, ডেৰ বছৰৰ পৰা চাকৰিটো এৰাৰ কথাকে ভাৱি আছিলি ?"

আকবৰ, বকুল আৰু বলোৰাম তিতি বুৰি সোমাই আহিল। এটা ছাটিতে তিনিটা সোমাবলগীয়া হ'ল পাই। তেনেই তিতিলো। গামোছা খন দেচোন।"— বকুলে ক'লে। আৰু বকুলে নিজেই গামোছাখন আনিলেগৈ। গা-পা-মচি সিহঁত তিনিওটা মাষ্টৰৰ কোঠাৰ খাটিয়াখনতে বহিলহি। মাষ্টৰে আকৌ সুধিলে—

"তোৰ কথাবোৰ কচোন বংশী ?"

"আচল কথা মানে চাৰ, হাতত বন্দুক লৈ মইতো পছু চিকাৰ কৰিবলৈ যোৱা নাছিলো। মই মানুহ মাৰিবলৈ গৈছিলো। আৰু মানুহ মানে তিনিতলাৰ ওপৰত থকা মানুহক নহয়। খাবলৈ নাপায় হঁা হঁা কৰি ফুৰা একেবাৰে তলৰ খাপৰ দুখীয়া মানুহক গুলিয়াই মাৰিবলৈ গৈছিলো চাৰ।

"হেৰ' ৰজা মহাৰজাৰ দিনৰে পৰা আজিলৈকে দুখীয়া তলখাপৰ মানুহবোৰকে জীৱিকা হিচাবে কিবা এটা দি সেইদৰেই শত্ৰুৰ হাতৰ পৰা দেশ ৰক্ষা কৰি আহিছে।" —মাষ্টৰে বংশীৰ ভিতৰৰ কথাটো উলিয়াবলৈ চেষ্টা কৰিলে। বংশীয়ে ক'লে—

"দেশখন কিবা দুখীয়া মানুহখিনিৰহে নেকি, চাৰ? দেশ যদি সকলোৰেই কাৰণে তেন্তে ঘটিৰাম, বাতিৰামহঁতক যুদ্ধত মৰিবলৈ কিয় পঠিয়াই? ৰজাৰ পৰা খৰিভাৰীলৈকে সকলোৰে ঘৰৰ মানুহক হাতত বন্দুক দি ফৌজত কাম কৰিবলৈ বাধ্য কৰাব লাগে।"

মাষ্টৰে ক'লে,— "তই এটাই এইদৰে জেদ্ ধৰিলে কি লাভ হ'ব? ৰজাৰ কাৰণে, ৰজাৰ পাৰিষদ সকলৰ কাৰণে খৰিভাৰীয়ে প্ৰাণ দিব লগা কথাটো বহুত যুগৰ পৰাই চলি আহিছে। আগতে ৰজাইও যুদ্ধ কৰিছিল। আজিকালি ৰজাই যুদ্ধ কৰায়। — সেইবোৰ কথা বাদ দেচোন। মূল কথালৈ আহ।"

আকবৰে কথাবোৰ একো বুজি পোৱা নাছিল। সি ভৰিৰ কোৰে কটা ঘা ডোখৰ চেপি চেপি পূজঁবোৰ উলিয়াই কথা শুনিহে আছিল। বকুলে বুজিছে কাৰণে ক'লে—

'হেৰ' অৰ্জুন কাৰ পুতেক বুলি সুধিলে মহাভাৰতখন গাই দিয়াৰ দৰে পৃথিৱীখনৰ কথাবোৰ সামৰি নল'বিচোন। আমি নিবনুৱা হৈ আছো

কাৰণে, তইও নিবনুৱা হ'বলৈ আহিছো বুলি যে অথনি কৈছিলি! কেলেই, তই ইমান দিন চাকৰি কৰাৰ পিচতহে আমি নিবনুৱা হৈ থকা কথাটো মনত পৰিল নেকি? তই অহাৰ কাৰণে আমি যিমান ভাল পাইছো সিমান বেয়াও পাইছো। কাৰণ কেলেই, তই আহি গাৱঁত কি কৰি খাবি?"

বংশীয়ে বোলে—

"তহঁতৰ লগতে থাকিবলৈ আহিছোঁ বকুল। তহঁতক একো কথা লুকুৱাই নাৰাখোঁ। অঁচলতে মোৰ মূৰত পোক এটা সোমালে জানিছ। প্ৰথম দিনা যেতিয়া ঘেৰাও ভঙ্গ কৰিবলৈ কামাগুৱে আমাক গুলিয়াবলৈ হুকুম দিছিল —গুলিয়াই দিছিলো। সেই দিনাও মানুহ গুলী খাই মৰিছিল কিন্তু কোন মৰিল ওচৰৰ পৰা মই দেখা নাছিলো। সেইটো সাঁত বছৰ মানৰ আগৰ কথা। দ্বিতীয় বাৰ তেজপুৰত গুলিয়ালো। একেটা গুলীতে দুটা মানুহ মৰি গ'ল। তাতো কোন মৰিল, কোন নমৰিল নেদেখিলো। যোৱা বাৰ ছুটীৰ পৰা ঘূৰি গৈ আকৌ পশ্চিমবংগত সেই একেই ঝামেলাতে পৰি গলো, চাৰ। জমিদাৰ আৰু ৰায়তৰ মাজত যুদ্ধ হৈছিল। সেইখন যুদ্ধত কিন্তু বহুত ৰায়ত মৰিল চাৰ। ৰায়তে কিবা দাবী কৰি জমিদাৰৰ বিৰুদ্ধে আন্দোলন কৰি জমিদাৰৰ ঘৰৰ আগত হেজাৰ হেজাৰ মানুহ জমা হৈ আছিল। চিঞৰৰ বাখৰত আকাশ পাতাল ৰজন জনাই গৈছিল। আমি আহি নামিছোহে, গুলী কৰিবলৈ হুকুম হ'ল। দিলো গুলীয়াই। ওচৰৰ পৰা মৰা, মোৰ গুলী খায় যিজন মানুহ মৰিল, তেওঁৰ গাৰ তেজবোৰ "ফিছকাৰী" মৰাৰ দৰে মোৰ কাপোৰত পৰিছিলহি পাই বকুল। মানুহটোক গাড়ীত তুলিবলৈ চোছোৰাই আনিছিলো তাৰ পিছত · তাৰ ·· ·পিছত· ।"

বংশীয়ে শোকে খুন্দা মাৰি ধৰাৰ দৰে কথা কব নোৱাৰা হৈ পৰিল। বলোৰামহঁতে অপলক দৃষ্টিৰে বংশীৰ মুখলৈ চাই আছিল। তাৰ-পিছত "কি হ'ল কচোন" বুলি মাইৰে সুধিলে। বকুলইতৰ চিন্তা লাগিল

বংশীৰ চকুপানী ওলোৱা দেখি। আকৰে "কোনোবা চিনাকী মানুহকে মাৰি দিলি নেকি" বুলি সুধিলে।

"মইযেন পিতাইকে গুলিয়াই মাৰিলো আকৰ। বুঢ়া মানুহজনে "পানী" "পানী" বুলি চিঞৰিলে। মই তেওঁক মোৰ বেগৰ পৰা বটল উলিয়াই পানী খাবলৈ দিছিলো। অবিকল মোৰ পিতাই, চাৰ। মই তেওঁৰ মুখলৈ চাই আছিলো। কামাণ্ডাৰে ধমক্ দি বুঢ়াজনক মোৰ ওচৰৰ পৰা টনাই লৈ গ'ল। আধামৰা মানুহজনৰ ওপৰত মৰা মানুহ এসোপা জাপি দিলেগৈ।

বংশী খন্তেক তলমূৰ কৰি মনে মনে আছিল। তাৰ চকুৰ পানী তপ্ তপ্কৈ পেণ্টৰ ওপৰত পৰিল। সকলোৱে লক্ষ্য কৰিলে। কোনেও তাক পুনৰ প্ৰশ্ন কৰা নাছিল। বংশীয়ে অন্য ফালে মুখ ঘূৰাই আকৌ কথাবোৰ কৈ গ'ল—

"সেই, যি পিতৃ হত্যাৰ আতঙ্ক মোৰ মগজুত সোমাল, সি আৰু বাহিৰ নহ'ল চাৰ। সদায় মই পিতাইৰ চিঞৰ শুনো। কেতিয়াবা পিতায়ে কয়হি— "তই তোৰ পেটৰ কাৰণে বাপেৰৰ শুকান বুকুখনতে গুলিয়াই দিলিহি। মই সকলোবে পেটৰ কাৰণে চিঞৰিছিলো আৰু তই তোৰ পেটৰ কাৰণে মোকেই বধ কৰিলি।" কেতিয়াবা যেন কয়— "ৰামধাৰীয়ে মোৰ বুকুৰ আমঠু, সা-সম্পত্তি সকলো কাঢ়ি লৈ আৰামত খাইছে, আৰু মই সেইটো কথাকে চৰকাৰক কওঁতে তই মোৰ মুখৰ মাত বন্ধ কৰি দিলি।" কেতিয়াবা কয়হি— বুঢ়া দেহাৰে চিঞৰিছো তহঁতৰ কাৰণে। তই বন্দুকটোৰে ৰামধাৰীৰ ওখ বুকুখন ফুটুৱাব নোৱাৰি মোৰ শুকান বুকুখন ভাঙি বীৰৰ নাম লৈছ? "কাপুৰুষ! — বুলি মোৰ মুখতে যেন এদিন পিতায়ে থুৱাই দিলে ছাৰ।"

বংশীয়ে তভক লাগি পুনৰ খন্তেক বৈ থাকিল। আকৌ আৰম্ভ কৰিলে—

"তাৰ পিচৰ পৰাই মোৰ মনটোৰ ঠিকনা নাইকীয়া হৈ গ'ল চাৰ। একো ভাল নালাগে। দৰৱ-জাতি খাই চালো। লাভ একো নহ'ল। বন্ধু এজনে ছুটী লৈ আহিবলৈ ক'লে। মই চাকৰিটো এৰি একেবাৰে গুচি আহিম বুলিহে ঠিক কৰিলো। পিতাইৰ মুখৰ সেই কথাবোৰ মই " ডায়েৰি " এখনত লিখি থৈছো। এদিন দেখুৱাম চাৰ।

নীৰৱতা ভঙ্গ কৰি মাষ্টৰে ক'লে—

"তোৰ কথাবোৰ শুনি এখন নাটকৰ কাহিনী শুনা যেন লাগিছে। হেৰ' বংশী, সপোন দেখিয়েই তই পাগল হ'লি ?"

মাষ্টৰৰ উপলুঙা কৰা কথা শুনি বংশীয়ে টানকৈহে উত্তৰ দিলে—

"আপুনি কি বুজিব চাৰ ? মিলিটেৰী চাকৰিলৈ যোৱাৰ আগৰে পৰা মোৰ অন্তৰত দাঁহ এটা আছিল। আপোনালোক লোকৰ ওপৰত খোৱা বামুণ মানুহ। খেতিয়কৰ মনৰ হাঁ-হুমুনিয়াহ আপোনালোকে কেতিয়াও বুজি নাপায়।

মাষ্টৰৰ মুখৰ মাত হৰিল। বুজিলে, বংশীয়ে বিপ্লৱী মন এটা লৈ আহিছে। মাষ্টৰৰ নিজৰ দৰে এটা বিপ্লৱী মন । কিন্তু মনটো থাকিলেইতো বিপ্লৱ নহয় ! সেই বিপ্লৱী মনক কামত লগাব পাৰিলেহে বিপ্লৱ কৰা হয়। বিপ্লৱী মনবোৰৰ কথা কিতাপত আছে কিন্তু

" আপুনিটো জানে চাৰ, মিলিটেৰীৰ চাকৰি এৰি অহাটো ধেমালী কথা নহয় ? মই হুকুম অমান্য কৰাত লাগি গ'লো। মোক অশেষ শাস্তি দিলে। তথাপি মোৰ নাম নাকাটে। শেষত হাবিলদাৰ মেজৰ্ এটাৰ কৰঙণ সৰকাই এদিন দিলো গুলিয়াই। মোৰ আকৌ শাস্তি হ'ল। হ'ল যদিও মোক "ডিচাৰ্জ দ দিবলৈ বাধ্য হ'ল।"

"তই বাপেৰৰ মৰিশালী খান্দিবলৈ আহিলি বংশী। একো নাপায় তোৰ বেমাৰটো মনৰ বাহিৰলৈ উলিয়াবলৈ ইয়াত তোক কোনে সহায়

কৰিব ? গাওঁবোৰ আছে, মানুহবোৰো আছে। কিন্তু মানুহৰ সমাজ নাই। ঐক্যবোধ নাই, মন নাই। উৰ্ৰলি যোৱা গাওঁবোৰত চল চাতুৰিৰে জাল তৰি শাসক দলে হেজাৰ বছৰৰ পিচলৈ মানুহবোৰক টানি লৈ যাবলৈ অহৰহ চেষ্টা চলাইছে। দেশৰ জাতিৰ অস্তিত্বৰ চিন্তা কৰা মানুহৰ মাজত ভাষীক, ধৰ্মীয় সম্প্ৰদায়ীক আদি চিন্তাৰ বীজ সুমুৱাই বিভাজন কৰিবলৈ লাখে লাখে টকা ঢালি এটা চক্ৰই অহৰ্নিশে উঠি-পৰি লাগি আছে। সেই সময়ত তই কাৰ সহায় পাবি ?

বংশীয়ে ক'লে— " মই কাৰোবাৰ সহায় আশা কৰি অহা নাই চাৰ। তেতিয়াতো মই সক হৈ আছিলো আৰু তেতিয়াই ৰামধাৰীৰ মূৰটো চিঙি পেলাব খুজিছিলো চাৰ। বকুলইঁতক সোধক ? সিহঁতে জানে ? মই সেইটো বংশীযেই ডেকা হৈ আহিছো। মতা-মানুহ হওঁ যদি মই তাৰ হাতৰ পৰা মাটি ঘূৰাই ল'ম। মানুহে মাটি নাখায় মাটিয়েহে মানুহ খায়। সেইটো কথাও মই জানো। আৰু মাটিখিনি ঘূৰাই ল'ব পাৰিলেই যে মই মহাসুখত খাব পাৰিম, সেইটো কথাও ভৰা নাই চাৰ, কিন্তু লোকৰ মুখৰ ভাত কাটি খোৱা এই দস্তুৰটো মই লণ্ড-ভণ্ড কৰি দিম। দেহা যায় যাব, থাকে থাকিব। তালৈ মই নাভাবো চাৰ।"

বংশী খুউব আবেগিক হৈ পৰিছে দেখি মাষ্টৰে তাক অলপ সময় মনে মনে থাকিবলৈ কৈ নিজে চিগাৰেট্ এটা জ্বলাই লৈ দীঘল দীঘলকৈ টান মাৰি চিন্তা কৰিলে। বংশী উঠি বাহিৰলৈ গ'ল। বাহিৰত বৰষুণ নাই। আকৰৰহতেওঁ ক'বলগীয়া কথা বিচাৰি পোৱা নাই আৰু বংশীৰ কথাৰ ধৰণৰ লগত সিহঁতৰ কথা কোৱা আৰু চিন্তা কৰাৰ ধৰণো মিল নহয়। সিহঁতি মাষ্টৰৰ মুখলৈ চাই বহি থাকিল ? অলপ সময়ৰ পাচত বংশী আহি আকৌ বহিলহি। তাৰ উত্তেজনাটো সাম কটা যেন দেখি মাষ্টৰে আৰম্ভ কৰিলে—

"তোক মই কিছু কথা কওঁ বংশী। মিলিটেৰী মেজাজেৰে উত্তেজিত হৈ গাঁৱৰ সমস্যা সমাধান কৰা নাযায়, আৰু বন্দুক হাতত লৈও সমস্যা সমাধান কৰিব নোৱাৰি। তোৰ মনৰ ভাৱ, ধ্যান-ধাৰণা শুদ্ধ। যিটো বন্দুক হাতত দি তোক আন্দোলন দমন কৰিবলৈ পঠিওৱা হৈছিল, সেইটো বন্দুকেৰে তই হত্যা কৰা আন্দোলনকাৰীয়েই তোৰ মনত আন্দোলনৰ বীজৰ জন্ম দি পঠিয়াইছে। আচলতে আন্দোলন কৰে কোনে? যাৰ কিবা নোপোৱাৰ ক্ষোভ থাকে সিহঁতি আৰু আন্দোলন দমন কৰিবলৈ অস্ত্ৰ হিচাবে যাক ব্যৱহাৰ কৰা হয়। সেই বন্দুকধাৰীবোৰৰ শিৰাই শিৰাই আন্দোলনৰ ধমনী প্ৰবাহিত হৈ থাকে যি অধিকাৰ বিচাৰী দাবী কৰে তাকে আন্দোলনকাৰী, বিদ্ৰোহী বুলি আখ্যা দি জন্ম লগ্নতে পুলিয়ে-পোখাই শেষ কৰাটোৱেই আজিৰ "গৰীবি হাতাও" শ্ল'গানৰ মূল লক্ষ্য। তই যেনেকৈ বাপেৰৰ সম্পতি অন্যায় ভাৱে কাটি লোৱাৰ প্ৰতিবাদত উত্তেজিত হৈ পৰিছ—এই গাওঁবোৰৰ সৰহভাগ মানুহে সেই চিন্তা বুকুত বান্ধিয়ে জ্বলি জ্বলি মৰিছে। মুক্তিৰ পথ বিচাৰি প্ৰত্যেকেই হাবাথুৰি খাই ফুৰিছে। অন্যায় যেয়েই নকৰক, তাৰ বিৰুদ্ধে প্ৰতিবাদ নকৰিলে অন্যায়ক সমৰ্থন কৰা হয় আৰু নিৰপেক্ষ হৈ বহি থাকিলে অন্যায় বাঢি গৈ থাকে। তোৰ নীতি ঠিক আছে কিন্তু পদ্ধতি ভুল। যি কোনো উপায়েৰে তই তোৰ হেৰুওৱা সম্পতি ঘুৰাই ল'ব পাৰিবি। কিন্তু গাঁৱৰ অন্যবোৰ মানুহৰ সম্পতি কেনেকৈ উদ্ধাৰ হ'ব? তোৰ চিন্তা, তোৰ সাহস সামূহিক চিন্তালৈ আগবঢ়াই নিব লাগিব। এই চিন্তাৰে ৰাইজক উদ্যোগী কৰি সকলো খাতিখোৱা মানুহক অন্যায়ৰ বিৰুদ্ধে গোট খুৱাই হুংকাৰ কৰি উঠিবলৈ সাহসী কৰি তুলিব লাগিব।" বকুলে বোলে—

"চাব, সি দুখে ভাগৰে আহিছে কাৰণে তাৰ কথাবোৰ কওঁতে খং উঠি গৈছে। আজিলৈ এৰক। সি পিছে থকাৰ কি কৰে? এদিন, দুদিন বাক চাবৰ ঘৰতে থাকিব পাৰিবি, তাৰপিছত? মাষ্টৰে ক'লে—

"সি যদি বেয়া নাপায় মোৰ লগতে থাকিব পাৰিব। মোৰো লগ এটা হ'ব। দুইটাই খৰচ কৰি খাম।"

"মই আপোনাৰ লগতে থাকিম বুলিয়েই ভাবি আহিছো চাৰ।" বংশীয়ে ক'লে। বংশী মাষ্টৰৰ লগতে থকাৰ সিদ্ধান্ত হ'ল। সেইদিনা ৰাতিৰ সাজ আটাই কেইটাই মাষ্টৰৰ ঘৰতে খাই বহুত ৰাতিলৈকে কথা-পাতি থাকিল। * * * *

॥ দুই ॥

দদায়েক ভূধৰৰ ঘৰ, খলিফাৰ ঘৰ, বলোৰামহন্তৰ ঘৰ, আদি কেইঘৰমান মানুহৰ ঘৰত ফুৰি মাষ্টৰৰ ঘৰ-দুৱাৰ চাফা কৰা, মাষ্টৰৰ ঘৰৰ বাৰীৰ জঙ্ঘল কটা ইত্যাদি কামবোৰ কৰি বংশীয়ে কেইদিনমান পাৰ কৰিলে। তাৰ মনটো পাতল পাতল লাগিছে। গড়ালত বন্দী কৰি ৰখাৰ পৰা মুক্ত হোৱা এটা সিংহৰ দৰে মনটো মুকলি হৈছে যদিও, তাৰ যেন কিবা এটা কৰিবলৈ আছে এনে এটা ভাব সদায় লাগি আছে। মাষ্টৰক সি একো কৰিবলৈ দিয়া নাই। সেইদিনা সি আকবৰৰ ঘৰৰপৰা কোৰ এখন আনি আগফাল আৰু পাছফালৰ চোতালৰ বন চিকুনাইছে। ৰাতিপুৱাৰ ৰ'দটো খাওঁ খাওঁ মূৰ্ত্তি ধৰি ওলাই আহিছে। মাষ্টৰৰ কাম একেবাৰে নোহোৱাৰ দৰে হ'ল। নিজে নকৰিলে নোহোৱা কাম যেনে শৌচ-পেচাব কৰা, খোৱা, শোৱা ইত্যাদি কামৰ বাহিৰে কোনো কামেই মাষ্টৰে কৰিবলৈ পোৱা নাই। ল'ৰাৰ দৰে ৰাতিপুৱাই কিতাপ পঢ়িবলৈও ভাল নালাগে। কিতাপখন জপাই থৈ মাষ্টৰে আকাশলৈ চালে। কাতি-আঘোন মাহৰ ভৰ দুপৰতো, ৰ'দৰ পোহৰ ইমান উজ্বল, ইমান উত্তপ্ত নহয়। পশ্চিমফালে কপাহৰ দৰে ডাৱৰৰ দ'ম। ডাৱৰবোৰ বৈ থকা নাই। বতাহে ডাৱৰবোৰ অন্য ঠাইলৈ লৈ গ'ল।

বংশীয়ে কোবেবে একালৰ পৰা খৈয়াই নিছে। সি বহুত দিন কোব মাৰিবলৈ নোপোৱাকৈ আছিল ছাগে। সকলো গতিশীল। মাত্র মাষ্টৰ স্থবিৰ। খোজ দুটামান চলোৱাটোকে গতি নোবোলে। তেওঁ উদ্দেশ্যবিহীন ভাৱে দিন কটাইছে। মৰাটোৱেই যদি লক্ষ্য আৰু তাৰ কাৰণেই যদি তেওঁ ৰৈ আছে, তেন্তে ক'ৰবাত ওলমিও তেওঁ মৰি থাকিব পাৰে দেখোন! মানুহে নমৰিবৰ কাৰণে চেষ্টা কৰি জীয়াই থাকিবলৈকে মানুহক উদ্দেশ্য, লক্ষ্য লাগে। মাষ্টৰৰ জীৱনৰ কোনো লক্ষ্য নাছিল কাৰণেই শেষ বয়সত নৈৰাশ্য আৰু স্থবীৰতা ভাৱৰ বিৰক্তিবোৰ আহিছে। নঙলাদাল খুলি মনবৰ গজং গজং কৈ সোমাই আহিছে। মাষ্টৰে নিজে উঠি গৈ চকী এখন আনি বাৰান্দাত মনবৰক বহিবলৈ দিলেহি। চিগাৰেট এটা আগবঢ়াই দি মনবৰক ৰাতিপুৱাই অহাৰ উদ্দেশ্য সুধিলে। মনবৰে আগ দাঁত কেইটা সৰা মুখখন মেলি খল-খলাই হাঁহি এটা মাৰি ক'লে—

"উদ্দেশ্য আৰু কি ডাল থাকিব মাষ্টৰ, এইপিনে গোসাঁইৰ ঘৰলৈ বুলি আহিছিলো। বোলো আহিলো যেতিয়া নিধি কোৱাইটিৰ ল'ৰাটোক মাত এষাৰ লগাই যাওঁ। আপোনাৰ ওচৰত মোৰ একো লেথা নাই মাষ্টৰ।"

মনবৰে কথা খুউব কয়। তাতে "ইষাৰ" প্ৰতি কথাই কথাই মাতে কাৰণে মাষ্টৰে মনবৰৰ লগত প্ৰায়ে কথা নাপাতে। ঘৰলৈ অহাৰ কাৰণেহে সেইখিনি শিষ্টাচাৰ দেখুৱাইছে।

"তাৰ মাতি দিয়কচোন মাষ্টৰ। সি বোলে কাম এৰি গুচি আহিলে। জানো, কি উৰুহে খালে তাক। এই ডেকা বয়সতে কামটো এৰি দি কি সোন্দা কলটো খাবলৈ সি ধপলিয়াই আহিল, তাক সোধোচোন ?"

মাষ্টৰে বংশীক মাতিলে। বংশীয়ে হাতত কোৰখনলৈ ঘৰক মুখৰ ফালেদি আহিল।

"দদাই, ভালে আছা ?"

"এঃ কি ভাল বেয়া আছে অই'। মৰো মৰোকৈহে আছো। সিজনে নিবলৈ দেখা নাই। ৰ'বি তই অহা ভালেকেইদিন হ'ল বুলি শুনিলো। এদিনো বাটে-পথেও দেখা নাইচোন। কি হ'ল, মাষ্টৰৰ ঘৰ-বাৰী চাফা কৰিছনেকি ? বুঢাৰ বিয়াখনকে পাতি পেলাব পাৰিলোহেঁতেন। তিনিবাৰ হওঁক। এবা, ধৰক মাষ্টৰ, আপোনাৰ ঘৰখনকে পাতি পেলাওঁ। ই এইখন বখলিয়াই পেলাইছেই।

মাষ্টৰে একো নামাতিলে। মাষ্টৰক বিয়া কৰোৱাৰ কথা ক'লত বংশীয়ে লাজ পাই ক'লে—

"সাপেহে সাপৰ ঠেং দেখে—তোমাৰো বিয়াখন পতাৰ মন আছে যেন পাইছো। সেইবোৰ চিন্তা বাদ দিয়া দদাই। বহুত ডেকাল'ৰা বিয়া নকৰোৱাকৈ আছে, আগতে সেইবোৰৰ লেঠা-পিঠা মৰক। তাৰ পিছত কোনোবা যদি বাকী থাকে সেইজনীকে আমি খুৰী বুলিম।

চুঙা চাই সোপা পৰিল। কি কওঁ, কি নকওঁকৈ মনবৰে বংশীৰ কথাবোৰ নুশুনাৰ ভঙ্গী কৰি বাৰীৰ ফালে দিঙি মেলি চালে। যেন কিবা এটা দেখিছেহে। মাষ্টৰে তাকে দেখি কি ওলালে সুধিলে। মনবৰে ক'লে—

"পনিয়ল জোপাৰ পৰা কিবা এটা জপিয়াই মাটিত পৰা দেখিলো বান্দৰ হ'ব পায়। বাক ষি হওঁক, হয় নে অ' তই বোলে একেবাৰে শুচি আহিলি ? কি হ'ল, তাতো কিবা গণ্ডগোল কৰিলি নেকি ?

মনবৰক ভাবুকি এটা দিলেই যে যাই ঠাইত ভাবুকি দিয়া হ'ব বংশীয়ে সেইটো ভালকৈ জানে। সেয়ে জোৰাই জোখাই লগাই উত্তৰ দিলে-

"এতাৰ সাতবাৰ গাখীৰত ধুলেও তাৰ ৰং বগা নহয় দদাই। সকতে যি আছিলো— এতিয়া গাত তেল ধৰিলত অলপ বেচি হ'লো। সদায় বৰ বৰ কথা শুনি থাকিব আৰু সহ্য কৰিব নোৱাৰি নহয়। ওপৰৱালা এটাই মোৰ বিপক্ষে "চুকুলী" লগাইছিলে। গুলী সৰকাই দিলো বাপেকে। সেইটো এতিয়াও হস্পিটেলত লাংখাই পৰি আছে। নাম কাটি দিলে। গুচি আহিলো। অসমীয়াৰ তেজ চিনি পোৱা নাছিল, দেখুৱাই থৈ আহিছো দদাই।

বংশীৰ দন্ত মাৰি সাজি কোৱা কথাখিনিকে মনবৰে বিশ্বাস কৰিলে। ইচ্. আচ কৰি ক'লে—

"সহিলে সম্পদ বংশী। লাভ কিটো হ'ল বাৰু? মানুহটোক গুলিযাই দি তোৰ প্ৰমোচনেই হ'লনে টকা এগালকে দিলে? লাভৰ মূৰত চাঁকৰিটোও গ'ল।

"টকা লৈ আহিছো দদাই। জীযাই থকা দিন কেইটা খাব পাৰিম। লোকৰ হাতৰ, মুখলৈ চাবলৈ মই গাৰঁলৈ ঘূৰি অহা নাই দদাই।"

টকা লৈ আহিছো বুলি বংশীযে ক'লত মনবৰে বৰ ভাল নাপালে যদিও "ভাল কৰিলি" বুলিযে ক'লে। তাৰ পিচত মাষ্টৰৰ ঘৰত নাথাকি দদাযেক ভূধৰৰ ঘৰত থাকিবলৈ পৰামৰ্শ দিলে। নিধিৰাম বৰমেধিৰ কাম সকাম বংশীযে যে বহুত দিন কৰা নাই। সেই কথাটো মনত পেলাই দি সোনকালে মৃতকৰ কাম ফেৰা কৰি বিযা বাৰু কৰাই ৰাইজৰ লগ ল'বলৈ ক'লে। শৰণ, ভজন ল'লে দেহাটো শুচি হয আৰু মন পৱিত্ৰ হয বুলি সেই বিষয়ে গোঁসাইক ক'ম বুলি কৈ মনবৰ সত্ৰৰ ফালে গ'লগৈ।

"বহুত শিয়াল মৰি এই মানুহটোৰ জন্ম হৈছিল চাৰ। ক'ৰ কথা নি সি ক'ত মোখনি মাৰিলেগৈ মন কৰিলে? সি মোক শৰণ দিয়াই মন পৱিত্ৰ কৰে! মই বোপাইৰ সকাম কৰিলো বা নকৰিলো তাত

তাৰনো বাক কি হ'ল ? সিবাৰ ছুটিত আহোঁতে মোক য'তেই দেখক তাৰ মুখত মাত্র সেই এটা কথা ধুম-ধামেৰে বাপেৰৰ সকামটো কৰি পেলা। সি যদি আকৌ মোক সকাম কৰাৰ কথা কয়— মই চাৰ কৈ দিম সকাম কৰিলেও তোমাৰ জেপত পইচা ভৰাবলৈ কিন্তু নাপাবা। গাৱঁৰ মানুহ বিলাকে আৰু নামলোৱা পাতিবলৈ মানুহ এটা বিচাৰি নাপালে। কাৰোবাৰ কাজিয়া লাগক ইটোৰ বিৰুদ্ধে সিটোক ক'ব কাজিয়াখন একৰাই মিতমাত কৰোৱাৰ সলনি বেচিকৈহে লগাই দিয়ে। মই অহাৰ গম পাই সি তেল মাৰিবলৈ আহিছিল। পায় গৈছে চাৰ।” মৃতকৰ সকাম কৰাৰ দায়িত্বৰ পৰা নামঘৰৰ ছান্দা তোলা, নাম লগোৱা, আনকি বিলনীয়া হোৱালৈকে ধৰ্মীয় কামবোৰৰ ৰাজহুৱা দায়িত্বত যে মনবৰ জীয়াই থকালৈকে থাকিব সেইটো কথা মাষ্টৰে জানে। তেওঁ মৃতকৰ কবলৰ পৰা মানুহক উদ্ধাৰ কৰি দৈত্যৰ কবলত দিয়া মানুহ। সেই কাৰণেই পৰা পক্ষত মনবৰৰ লগত মাষ্টৰে কথাকে নাপাতে। মাষ্টৰে মনে মনে থকা দেখি বংশীয়ে ক'লে—

“চাৰ, আই বোপাইৰ কাম-সকাম কৰাৰ ওপৰত আপুনিনো কি পৰামৰ্শ দিয়ে কওঁকচোন।”

মাষ্টৰে ক'লে,— “ৰাইজৰ লগত থাকিবলৈ হ'লে বিস্তুমান কাম ইচ্ছাৰ বিৰুদ্ধেও কৰিবলগীয়া হয়। মই কিন্তু মৃতকৰ কাৰণে একো নকৰো, কিন্তু কোনোবাই কৰিলেও তাত মই বাধা নিদিওঁ।”

“আপুনি একো নকৰে বুলি মই জানো চাৰ, আৰু সেইকাৰণে মইও নিজে ভাৱি-চিন্তি চাইহে সেইবোৰ যুক্তিহীন কথাবুলি বাদ দিছোঁ।”

“যি বাপেকে ল'ৰাক উপযুক্ত কৰি অন্ততঃ নিজৰ ভৰিৰ ওপৰত থিয় হৈ খাব পৰা কৰি নাযায়, সেই বাপেকক ল'ৰাই কিয় সোঁৱৰিব লাগে কচোন ? জন্ম দিয়াৰ কাৰণে আৰু সৰুপৰা লালন–পালন

কৰাৰ কাৰণে সন্তান কেতিয়াও বাপেক-মাকৰ ওচৰত ঋণী নহয়। কাৰণ জন্ম দিওঁ বুলি কাকো কোনেও জন্ম দিব নোৱাৰে, সেইটো নিৰ্ভৰ কৰে পৃথিবীৰ স্বাভাৱিক গতিৰ ওপৰত আৰু লালন-পালন কৰাটোও স্বাভাৱিক ভাৱে হোৱা স্নেহৰ বাহিৰে অন্য একো নহয়। দেখিবলৈ কুৎচিৎ, বিকলাঙ্গ সন্তানকো মাকে লালন-পালন কৰে।”

মাষ্টৰৰ যুক্তি-শুনি বংশীয়ে সাৰপাই ক’লে —

“সন্তান জন্মদি ফৰিংটোলৈ কচু এডাল আছে বুলি, নেদেখাজনে খুৱাব বুলি যদি গৰুচোৰ ভিক্ষাৰী কৰি সন্তানক এৰি যায়— মই কৈছো সেইবোৰ বাপেক-মাক সন্তানৰ শত্ৰুহে। মোৰ বোপায়ে মোৰ কাৰণে কি কৰিথৈ গ’ল, চাৰ?

“সেইবোৰ কথা আলোচনা কৰিব লাগিব। পিছে মনবৰে তোক ভূধৰৰ ঘৰত থাকিবলৈ কিয় কৈ গ’ল? তই গম পালিনে নাই? মোৰ লগত থাকিলে কিজানি তোক মই কংসৰ বিৰুদ্ধে উচতাই দিওঁ। কংসৰ প্ৰতি মোৰ সম্ভাৱ নাই বুলি তই ছাগৈ জান? মোক চামগুৰিলৈ তেওঁ পঠিওৱাৰ পাছৰ পৰা তেওঁৰ সৈতে মই সম্পৰ্ক চিঙি পেলালো। মনবৰক এতিয়া তোৰ ওচৰলৈ কংসই পঠিয়াইছে। তোক হাত কৰিবৰ কাৰণে ভূধৰৰ ঘৰলৈ নিব খুজিছে। তই চাকৰি এৰি অহাৰ কাৰণবোৰ মনবৰক কোৱাৰ কোনো প্ৰয়োজন নাছিল। কংসক তই মোতকৈও ভালকৈ চিনি পাৱ।”

বংশীয়ে গোজৰণি মাৰি বোলে— “মই ভয় কৰিছো নেকি চাৰ? কওকচোন? মনবৰে যেনেকৈ যিয়েই নকওক, মোক কংসইও ভালকৈ চিনি পায়। বামধাৰীক মই কাটিবলৈ যাওঁতে কংসই মোৰ হাতৰ পৰা দাখন কাটি লৈ মোক বুজনি দিছিলে। মোক পুলিচে ধৰি নিয়াৰ পিচত সেইটো কংসই অ’চিক গৈ মোক এখুন্দা দিবলৈ খাটনি ধৰিছিলেগৈ। চাৰ। তেতিয়া থানাৰ মানুহবোৰ মোৰ চিনাকি আছিল কাৰণে মই খুনীয়া

নহ'লো। মোক মাৰপিত কৰক চাৰি অ'চিয়ে মোক এখন্দা দিবলৈ সি কৈ অহা কথাষাৰ মোক কৈহে দিলে ?

তাক জানো মই সুদাই এৰিছো ? এবাৰ মেজি ভোজত তাৰ বাৰীৰ আলু কৰি কোনোবাই চুৰ কৰিলে। বিহুৰ দিনা ৰাতিপুৱা মেজি পুৱাই থাকোতে সোধ নাই পোছ নাই ঠাঁচ কৰে কানতলীয়া চৰ এটা মাৰি দিলেহি। মই অকলশৰীয়া কাৰণে মোৰ সাহ-পিত্ নাই বুলি ভাবিছিলে। মইও বাপেকে মেজিৰ আধা পোৰা এডাল উলিয়াই আনি দিলো তাৰ মূৰতে। কাপোৰে কানিয়ে পুৰি মৰিলহেঁতেন। ৰাইজেহে তাক ৰক্ষা কৰিলে। আৰু এইটো মনবৰ কুকুৰে মোক পিচফালৰ পৰা গৰা মাৰি ধৰি দি মোক হাত বান্ধি পুলিচলৈ পঠিযাইছিল। এতিয়া সেইটোৱেই মোৰ পেৰেতৰ কাম কৰি উদ্ধাৰ হ'বলৈ পৰামৰ্শ দিছেঁহি। সেইটো কংসই আধাপোৰাকৈ মাৰ খোৱাৰ পাচত মোক মিলিটেৰী চাকৰিলৈ পঠিযাবৰ কাৰণে খুব ভাল ল'ৰা বুলি চাৰ্টিফিকেট লিখি দিছিল।

কোৰৰ নালত ধৰি বংশীয়ে কথাবোৰ কৈ আছে, কিন্তু কংস ৰামধাৰী, মনবৰৰ কীৰ্তি কাহিনী শুনি মাষ্টৰে মুঠেই ভাল পোৱা নাই। সেই কাৰণে চকিৰ পৰা উঠি ইফাল-সিফাল কৰি ক'লে ?— "তই দদায়েৰৰ ঘৰত ভাত খাবলৈ যোৱাৰ কথা আছিল নহয ?" কোৰখন হাতত লৈ বংশী পাছফালে গ'লগৈ।

গা-পা ধুই বংশীযে ভূধৰৰ ঘৰত ভাত খাবলৈ ওলাই যোৱাৰ পাচতো মাষ্টৰে বংশীৰ কথাবোৰ চিন্তা কৰিয়েই থাকিল। পঢা-শুনা বিশেষ নথকা এটা ল'ৰাই শিক্ষিত, বিজ্ঞ মানুহ এজনৰ দৰে কথা ক'ব জনা হ'ল কেনেকৈ ? আলোচনা কৰা শুনি শুনি সি বহুত কথা শিকিছে বুলি কৈছে যদিও ফৌজত চাকৰি কৰা মানুহবোৰৰ মাজত বহল ভাবধাৰাৰ আলোচনা কৰা মানুহ থাকে কিমান ? আজৰি সময়ত

সি কিবা-কিবি কিতাপ পঢ়ি থাকে বুলিও কৈছিল। পঢ়ি আলোচনা কৰা কথাটো তেওঁ কেতিয়াও ভবা নাই। আলোচনা কৰিলে ধাৰণা-বোৰ স্পষ্ট হয়? তেওঁ কম কিতাপ কিনা নাই। কম কিতাপ পঢ়া নাই। কিন্তু সেই কিতাপবোৰৰ কথাবোৰ কোনো দিনে, কাৰো লগত কেতিয়াও আলোচনা কৰা নাই। বংশীয়ে কোৱা কথাবোৰ শুনিবলৈ বেয়া যদিও নিঘাট সত্য কথা। মাক বাপেকে সন্তান জন্ম নিদিও বুলিলে জন্ম নিদিয়াকৈ থাকিব পাৰে। তাৰ প্ৰমাণ নিজেই। নিৰ্ম্মলাই লগত লৈ অহা ছোৱালীজনীৰ লগত তেওঁৰ ফালৰ সন্তান জন্ম হ'লে পাৰিবাৰিক অশান্তি হয় বুলি ভাবি তেওঁ জীৱনটো সংযম কৰিলে। অৱশ্যে সেই সমস্যাৰ ফলতেই, নিৰ্ম্মলাই হা-হুতাহ কৰি কৰি শেষত ধুবীজনৰ লগত গুচি গ'লগৈ। আজীৱন সংযমৰ বিপৰীত ফলত তেওঁ আজি অকলশৰীয়া।

সাধাৰণ মানুহবোৰে বাস্তৱ জগতখনৰ অস্তিত্বক বাদ দি আধ্যাত্মিক ভাৱনাৰে সকলো কথা ভাবে। ভাবে নহয়, সমাজখনে মানুহক ভবায়। অলৌকিক কথাত বিশ্বাস স্থাপন কৰিবলৈ বাধ্য কৰায়। পৃথিৱীৰ স্বাভাৱিক গতিটোকেই যে ঈশ্বৰ বুলি মানুহৰ ধ্যান ধাৰণাক বিপথে পৰিচালনা কৰা হৈছে সেই কথা শিক্ষিত চামৰ ভিতৰত শতকৰা পাঁচজনেও বুজিবলৈ চেষ্টা নকৰে। বিশ্বাস অবিশ্বাসৰ কথাটোক উপৰোৱা কথা বুলি আৰ্থিক ভাৱে স্বচ্ছল অৱস্থাৰ মানুহবোৰে ভাবে। কিন্তু এই হাড ভঙা পৰিশ্ৰম কৰি দেহাৰে খাতি খোৱা মানুহবোৰৰ ওপৰত ঈশ্বৰৰ বিশ্বাসটো আৰু বেচিকৈ বিভিন্ন কৌশলেৰে জাপি দিয়াৰ কাৰণেই সিহঁত দিনে দিনে তললৈ গৈ আছে। খাতি খোৱা মানুহক চিন্তা কৰিবলৈ সমাজে সময় দিয়া নাই। আনহাতে মানুহবোৰ সচেতন নোহোৱাৰ কাৰণে আৰু বিভিন্ন আৰ্থিক সমস্যাই হেঁচি ধৰি থকাৰ কাৰণেই কংস, ৰামধাৰীৰ দৰে কেইটামান মানুহে মানুহবোৰৰ দুৰ্ব্বলতাৰ সুযোগ গ্ৰহণ কৰি সিহঁতক হাৰৰ মাজৰ মজ্জালৈকে শুহি খাইছে। কৃষকৰ তেজ শুহি সিহঁতে

সিহঁতক মুখৰ ৰং জিলিকাইছে। আনহাতে শোষণত জৰ্জৰিত হোৱা অসহায় মানুহ বিলাকে অন্তৰৰ ক্ষোভ ঈৰ্ষা অন্তৰতে মাৰ নিয়াইছে। জীয়াই থকাৰ অধিকাৰকণো কাটি নিয়া বংশীৰ দৰে লাখ লাখ কৃষকৰ সঞ্চিত ক্ষোভ বিলাক গোটাব পাৰিলে এদিন আগ্নেয়গিৰিৰ উদগীৰণ হ'ব। কিন্তু সিহঁতক যুগে যুগে বঞ্চিত কৰা শত্ৰুবোৰক আঙুলীয়াই দেখুৱাই নিজৰ প্ৰাপ্যৰ কাৰণে দাবী কৰিবলৈ সিহঁতক সংগঠিত কৰে কোনে?

আজিৰ আত্ম কেন্দ্ৰীক সমাজ ব্যৱস্থাত দলীয় ৰাজনীতিৰ পাণ্ডাহঁত ক্ষমতাৰ থকঁত, মগ্ন শ্ৰমিক কৃষকৰ দুদৰ্শাৰ গীত গাই শিল্পীয়ে বিশ্বত খ্যাতি অৰ্জন কৰিছে, ক'তা এখন গাঁৱত কৃষকৰ কাৰণে শিক্ষানুস্থান পাতিবলৈ, হস্পিটেল এখন পাতিবৰ কাৰণে সেই সকলে এটা গীত গাই আৰ্থিক সাহায্যৰ কাৰণে ত্যাগ কৰাৰ উদাহৰণ কিমান? জ্যোতি, বিষ্ণুৰ আদৰ্শৰ কথা টেটুফালি চিঞৰি প্ৰচাৰ কৰা শিল্পীসকলে কাৰ্পেটৰ পৰা নামি কৃষকৰ লগত ধান খেৰত কেইজনে বহিছেগৈ? একেলগে বহি এবাতি "আপং" খোৱাটোকেই জনগোষ্ঠী ৰাইজৰ লগত একাত্ম হোৱা বুজাই নেকি? ড্ৰইং ৰুমত বহি কান্দি কান্দি কৃষকৰ দুখত লিখা নাট্যকাৰে কেইখন নাটক বিনামূল্যে গাঁৱৰ মানুহৰ কাৰণে দেখুৱাইছেগৈ? উপন্যাস লিখি বঁটা পোৱা খ্যাতি সম্পন্ন মুধাফুটা সাহিত্যিকবোৰে কৃষকক দেখিছেনে? নাই, কোনেও একো কৰা নাই। কৃষকক ঋণ দিবলৈ যোৱা ইউনিফৰ্ম" পিন্ধা দেশ কৰ্মীসকলৰ অধিক অংশই আজিলৈকে চৰকাৰী ভাৱে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা ভাৰতৰ জনসংখ্যাৰ হিচাব পৰ্য্যন্ত দিব নোৱাৰে। চিন্তা আৰু কৰ্মৰ সংহতি নথকা এজাক ভাণ্ড শিল্পী, সাহিত্যিক, ৰাজনীতিজ্ঞ আৰু বুদ্ধিজীৱিকলৈ দেশখন চলি আছে। তাৰ মাজত বংশীয়ে চাকৰি এৰি নিজৰ অধিকাৰৰ দাবী কৰিবলৈ আহিছে? সি জেলত পচি মৰিব। তাক আগবঢ়াই দিব নোৱাৰি। বংশীয়ে ভাত ৰান্ধি থৈ যোৱা নাই। মাষ্টৰ ভিতৰলৈ গ'ল।

মাষ্টৰে ৰন্ধাত লাগি থাকোতেই মুহিৰাম আহি পালেহি। বংশী অহাৰ পৰা ইটো সিটো মানুহ মাষ্টৰৰ ঘৰলৈ সময়ে অসময়ে অহা হৈছে। কেতিয়াবা মাষ্টৰে দিগদাৰি পায়। মুহিৰামক মাষ্টৰে ভাল নাপায়। সি খুউব মদ খায়। সি য'তে ত'তে গুন্দামি কৰি ফুৰা ল'ৰা, তাৰ লগত মাষ্টৰৰ কোনো সম্পৰ্কও নাছিল। দুপৰীয়া আহিছে যেতিয়া অনিচ্ছাস্বত্বেও তাৰ ওচৰত বহিলহি। মুহিৰামে নিশ্চয় বংশীকহে বিচাৰি আহিছে। তাৰ লগত পাতিবলগীয়া কথাও মাষ্টৰৰ নাই। তথাপি বংশীৰ প্ৰসঙ্গ উলিয়াই মুহিৰামক মাষ্টৰে সুধিলে—

"মুহিৰাম তুমিটো জাপিসজিযাৰ ল'ৰা, বংশীৰ সৈতে তোমাৰণো বন্ধুত্ব কেতিয়াৰ পৰা হ'ল ?"

"নাই চাৰ, আমি একেলগে ফুটবল খেলিছিলো। আগতে আমি কেইটা সদায় লগতেই ফুৰিছিলো। সি মিলিটৰীলৈ যোৱাৰ পাছত আমাৰ ফুটবলৰ টিমটো লাহে লাহে ভাগি গ'ল যদিও সি চুটীত আহিলে আমি লগ হওঁ। আমালৈ সি চিঠি পত্ৰ দি থাকে নহয়। ৰামধাৰীৰ পৰা মাটি দখল ল'বলৈ সি আমাক লগ বিচাৰি চিঠি লিখিছিল। তাৰ লগত আমি ৰামধাৰীৰ ঘৰলৈ যাম বুলি তাক কৈ থৈছো। যাম চাৰ, এইকেইটাৰ মত্‌মতনি নাভাঙিলে ন'হব। চাকৰি এটা বিচাৰি কংসৰ ওচৰলৈ কেইবাদিনো গৈছো। দিম বুলি কয়। নিদিযে, কিন্তু বিহাৰী মানুহ লৈযে আছে। আমি অসমীয়া জাক হেনো এলেহুৱা। আমাৰ ৰবঘৰৰ ভিতৰত বিহাৰী মানুহে চাকৰি কৰি খাইছেহি আমি হাবো-কাবো কৰি ঘুৰিছো। ৰামধাৰীকো দিম চাৰ। সি তাৰ অঙহী-বঙহী এটা এটাকৈ আনি আছে। কংসই গাড়ীৰ যোগালি, কাঠ কটাৰ কামতো সিহঁতকে মিলত সুমুৱাই আছে। বংশী আহিল যেতিয়া আমি লগ লাগি কিবা এটা কৰিমেই। তাক কেইবাদিনো লগপোৱা নাই। ঘৰত আইৰ অসুখৰ কাৰণে মইও ঘৰ এৰি আহিব পৰা নাই।"

বংশীয়ে দদায়েকৰ ঘৰত ভাত খাবলৈ গৈছে বুলি মাষ্টৰে কলত মুহীৰামে বোলে মই তেন্তে বৈ থাকি লাভ নাই গধুলীভাগে আহিম বুলি বংশীক কৈ দিব। মুহীৰাম গ'লগৈ। মুহীৰামক মাষ্টৰে বেয়া ল'ৰা বুলিয়ে ভাৱিছিল কিন্তু তাৰ কথাবোৰটো বেয়া নহয়। "সি বংশীৰ লগত লাগি যাব।" "কংসহঁতৰ মত্-মতনি ভাঙি দিব" ৰীতিমতে কামত লগাই দিব পাৰিলে এই ক্ষোভবোৰৰ ভাল ব্যৱহাৰ হ'ব। ইমান দিনে বেয়া বুলি ভাৱি থকা ল'ৰাটোৰ ভিতৰতো তেন্তে ভাল চিন্তা আছে? কিন্তু তেওঁৰ নিজৰ?

ইমান দিনে তেওঁ বিপ্লৱৰ অসংখ্য কিতাপ পঢ়িলে অসংখ্য কিতাপ তেওঁৰ আলমাৰিত ভৰি আছে, তেওঁ কিতাপৰ পোক, কিন্তু পঢ়ি কি কৰিলে?

এই ল'ৰাবোৰক কিতাপবোৰকে পঢ়ি শুনাব পৰাহেঁতেন সিহঁত বহুত আগবাঢ়িলে হয়। তেওঁ একোকে নকৰিলে বিপ্লৱী মনোভাৱ এটা তেওঁৰ অন্তৰত কোনো দিনেই জাগি নুঠিল। কংসই তেওঁৰ জীৱনটো গ্লানিৰে ভৰাই দি বহুত নিৰ্য্যাতন কৰিলে। কংসৰ বিৰুদ্ধেও তেওঁ কোনোদিন কোনো প্ৰতিবাদ নকৰিলে। গোটেই জীৱন গাঁৱতেই শিক্ষকতা কৰি বহুতক শিক্ষা দিলে। সামাজিক দায়বদ্ধতা বহন কৰা এটি দল তেওঁ তৈয়াৰ কৰা নাই। বৈপ্লৱীক কিতাপবোৰ পঢ়ি এদিনলৈ হ'লেও কৃষকৰ মাজত কিবা কৰাৰ কথা তেওঁ চিন্তাকে কৰা নাই। তেওঁ নিজকে বিশ্লেষণ কৰিব নজনা এটা মানুহ। গোটেই জীৱনটো একো নকৰাকৈ শেষ কৰি দিলে। তেওঁ আজিৰ শিল্পী সাহিত্যিক ৰাজনীতিকক ঘৃণ কৰে। অথচ তেওঁ নিজেও সেই জাকৰ মাজৰে এটা ধুৰন্ধৰ। ধুৰন্ধৰ মানে?

তেওঁ বদমাচ। চিগাৰেট এটা জ্বলালে। আজি তেওঁ নতুন কথা ভাবিছে। সঁচা কথা, তেওঁৰ সাংসাৰিক দায়-দায়িত্ব নাই, অভাৱ নাই।

অফুৰন্তভাৱে সময় আছিল, এতিয়াও আছে। গোটেই জীৱনটো জন্তুৰ দৰে খোৱা শোৱাতে শেষ কৰা তেওঁ এটা নামধাৰী শিক্ষিত বদমাছ। তেওঁৰ মূৰত হাতুৰিৰে টুকুৰীয়াই টুকুৰীয়াই বংশীয়ে তেওঁৰ মগজুবোৰ জোকাৰী দিয়াৰ কাৰণেহে তেওঁ যেন এই কথাবোৰকে ভাবিব পাৰিছে। প্ৰকৃততে কথাবোৰ সচাঁও। শিক্ষাগত জ্ঞান নাছিল যদিও বাস্তৱৰ সংঘাতেই হওঁক বা বিভিন্ন মানুহৰ সান্নিধ্যলৈ অহাৰ কাৰণেই হওক বংশীৰ চিন্তা, সাহস যুক্তিৰ ওচৰত মাষ্টৰ নতশীৰ হৈছে। সি সম্পত্তিৰ লোভত চাকৰি এৰি অহা নাই। আহিছে জেদত। সি আহিছে তাৰ অন্তৰত জমা হৈ থকা ক্ষোভৰ জুই নুমুৱাবলৈ।

সি এটা সঁচা মানুহ। আৰু বংশী অহাৰ পৰাই মাষ্টৰে ক্ৰমে চিন্তাশীল হৈ পৰিছিল যদিও কথাবোৰ বিশ্লেষণ কৰি চোৱাৰ পিচৰে পৰা মাষ্টৰে গাত পোৰণি এটা বেচিকৈ অনুভৱ কৰিবলৈ ধৰিছে। দাইল জুইৰ ওপৰত তুলি থৈ অহা মনত পৰি মাষ্টৰ ভিতৰ সোমাই গ'ল। দাইল আকৌ বঢাব লাগিব। তাতকৈ মস্কিলৰ কথা হ'ল কেৰাহীখনৰ ডেই যোৱা দাইলবোৰ গুচোৱাটো। তেওঁৰ ভোক লগা অনুভৱ নহ'ল। বিচনাখনত দীঘল দি পৰিল গৈ। * * * *

॥ তিনি ॥

বংশী মাষ্টৰৰ লগত থকা পোন্ধৰ দিন মানেই হ'ল। মাষ্টৰে এটা কথা লক্ষ্য কৰিছে সি তাৰ বহুত হিন্দী কিতাপ মাষ্টৰৰ আলমাৰীৰ ভিতৰত সজাই থৈছেহি। মাষ্টৰে হিন্দী ভালকৈ পঢ়িব নাজানে কাৰণে কিতাপ বিলাক কোন ধৰণৰ কিতাপ বুজা নাই। আৰু এটা কথা বিশেষ ভাৱে লক্ষ্য কৰিছে যে সি মাষ্টৰৰ আলমাৰীৰ পৰা কিতাপবোৰ উলিয়াই পঢ়িছে। মাষ্টৰৰ আলমাৰীৰ দৰ্শনৰ কিতাপবোৰ পঢ়ি সি কিবা বুজিব

পাৰিছে বুলি মাষ্টৰৰ ধাৰণা হোৱা নাই। সি যদি বুজি নাপালেহেঁতেন কিতাপবোৰ পঢ়ি আছে কিয় ? কিবা নুবুজিলেও তেওঁক সুধিবলৈ ক’ম। ক’ম বুলিও কোৱা হোৱা নাই। তেওঁৰ বাহিৰে বংশীয়েই প্ৰথম মানুহ যি মাষ্টৰৰ কিতাপবোৰ পঢ়িছে। বংশীক মাষ্টৰৰ ভাল লাগিছে। গধূলিৰ আগে আগে সি সদায় ওলায় যায়। এন্ধাৰ হোৱাৰ পাছত ঘূৰি আহে। সি ঘূৰি আহোঁতে আকবৰহঁতৰ যিকোনো এটা তাৰ লগত আহে। ডেকা মানুহ। তাতে বান্ধৰ পৰা মুকলি হৈ আহিছে। সেই কাৰণে ফুৰাৰ বাবে মাষ্টৰে তাক একোকে নকয়। কিন্তু সাধাৰণতে ল’ৰাবোৰে গোট খাই পঢ়াৰ দৰে তুলুঙা কথা পাতি সময় নষ্ট নকৰিবি বুলি মাষ্টৰে তাক সাৱধান কৰি দিছে। গধূলি ল’ৰা কেইটাৰে সৈতে একেলগে বহি আলোচনা কৰি আলমাৰিৰ কিতাপ একোখনকে পঢ়িবলৈ কওঁ কওঁ কৰিও বংশীক কোৱা হোৱা নাই। খবৰ কাগজ আলোচনী মাষ্টৰৰে নাই। সিহঁতে ক’ত পঢ়িবলৈ পাব ? আজি কালি খবৰ কাগজ পঢ়ি ল’ৰা-ছোৱালীয়ে একো বুজিযে নাপায়। পঢ়াৰ পৰিবেশো লাগে। পঢ়াৰ পৰিবেশ এটাও সৃষ্টি কৰিব লাগিব।

যোৱা দিন কেইটাৰ ভিতৰত বংশীয়ে মাষ্টৰৰ বাৰীখনৰ হাবি-জংঘলবোৰ কাটি চাফাকৰি পেলালে। সি হেনো ডবল কোৰ মাৰি বাৰীখনত শাক-পাচলিৰে ভৰাই দিব। মাষ্টৰ চামগুৰিলৈ যোৱাৰ পৰা বাৰীৰ লাগনি গছ কেইজোপাই এতিয়াহে জাবৰ-জোথৰৰ মুখ দেখিছে। মাষ্টৰৰ কাপোৰ কানি ধোৱাৰে পৰা আৰম্ভ কৰি সি সকলো যত্ন লৈছে। মাষ্টৰৰ নিজৰ বুলিবলৈ কোনো নাই। তাকে নিজৰ ল’ৰা বুলি সাৰটি ল’ব। স্কুল-কলেজৰ শিক্ষা দিয়াৰ বয়স এতিয়া তাৰ নাই, যদিও চৰ্চাৰ মাজেৰে তাক অন্ততঃ এশজনৰ ভিতৰত প্ৰথমজন কৰি মাষ্টৰে গঢ় দিব।

চিগাৰেটৰ ধোঁৱাবোৰে মাষ্টৰৰ চকুৰ টোপনিৰ জাল কাটিলে। সি চিগাৰেট, বিড়ি, মদ, চাৰাপ এৰিলো বুলি আকবৰহঁতক কোৱা মাষ্টৰে

এদিন শুনিছিল। সঁচাকৈ এৰিলে। জিকা পুলি এটা কইও তাক বগাবলৈ জেং এডাল দিয়ে। নহ'লে হাবিয়ে বননিয়ে বগাবলৈ বিচাৰিব। ল'ৰা-ছোৱালী জন্ম দি সিহঁতকো জিকাত দিয়া জেওৰ দৰেই পথৰ নিৰ্দ্দেশনা দিয়া দৰকাৰ। কোমলমতিয়া বয়সে বিভিন্ন খোৰাক বিচাৰে। সস্তীয়া প্ৰেমৰ কাহিনীৰ গল্প, উপন্যাস ভৌতিক কাহিনী, ৰহস্য, সন্ত্ৰাস আদি লৈ সহজতে সিহঁতৰ মন আকৰ্ষিত হয়। যিহেতু সেইবোৰ বিষয়ত গভীৰ ভাৱৰ জটিলতা নাথাকে। সমাজ বিজ্ঞানৰ তত্ব গধুৰ বিষয় লৈ সকৰে পৰাই আকৃষ্ট কৰাত ব্যৱস্থা ন'হলে লঘু বিষয়লৈ ল'ৰা-ছোৱালীৰ মন ঢাল খাবই। ল'ৰা-ছোৱালীৰ কথা বাদেই, শিক্ষকসকলেনো কিমান তত্ব গধুৰ কিতাপ পঢ়ে? পঢ়ি বুজি পায় কেইজনে? সমাজ সচেতনতা বোধ দিব পৰা অসমীয়া কিতাপ লিখা দূৰৰে কথা, তেনেকুৱা বিভিন্ন ভাষাৰ কিতাপ অসমীয়ালৈ অনুবাদ কৰিছে কিমানে? লেখকৰ কথা বাদ মাষ্টৰে নিজেওটো কিবাকিবি কৰিব পাৰিলেহঁতেন। একোকে নকৰিলে। এৰি অহা তেওঁৰ জীৱনৰ দিনবোৰ মাথো খাম-খেয়ালি কৰি নষ্ট কৰিলে।

কেইদিন মানৰ পৰা মাষ্টৰ ভুলৰ শুধৰণী কৰাৰ পথ বিচাৰি খেপিয়াই ফুৰিছে। আংশীক ভাৱে হ'লেও ভুলৰ শুধৰণী কৰি জীৱনৰ বাকী থকা দিনবোৰ সদ ব্যৱহাৰ মনস্থ কৰিছে। কিন্তু কেনেকৈ? কিহৰ পৰা আৰম্ভ কৰিব? তাকে আত বিচাৰি বিচাৰি মাথো মনৰ ভিতৰতে পাক্‌ঘূৰণি খাই ফুৰিছে।

বাহিৰত চিপ্‌চিপিয়া বৰষুণ। বৰষুণৰ উমান পালেই ম'হবোৰ বেছি হয়। মাষ্টৰে অঁঠুৰাখন তৰি লৈ লেমটো কমাই বিচনাত দীঘল দি পৰোতেই বংশী, মুহিৰাম আৰু বকুল সোমালেহি। বংশীয়ে অন্য এটা লেম জ্বলাই পাক ঘৰ আৰু মাজৰ কোঠাত পোহৰ পৰাকৈ থলেহি। চাহৰ কেট্‌লিটো জুইৰ ওপৰত তুলি দি "চাৰে আবেলি চাহ খোৱাই নাই" বুলি বংশীয়ে কোৱা মাষ্টৰৰ কাণত পৰিলেহি। ক্ষন্তেক পৰৰ

'পিচত মাষ্টৰক চাহ একাপ দি "ৰবযুণৰ কাৰণে আতকাই গ'লো চাৰ" বুলি বংশীয়ে অনুশোচনাৰ সুৰত ক'লে। আকবৰহঁত আটাইকেইটা আহিলে আমি বহিম বুলি বংশী আকৌ বকুলহঁতৰ ওচৰলৈ গ'ল।

মাষ্টৰে আটাই কেইটা ল'ৰা আহি পোৱালৈ অপেক্ষা কৰি আছিল। সিহঁত আহি মাষ্টৰ শোৱা বিচনাখনৰ ওচৰৰ খাতিযাখনতে বহিলহি। আহিলিহঁক? "হয চাৰ" ৰবযুণজাকে বাটতে নোপোৱাহ'লে কেতিযাবাই পালোহিহেঁতেন। আমি বংশীৰ কথাটোৰ কি কৰো? ইদিন সিদিনকৈ ভালেদিন পাৰ হৈ গ'ল। আমি আটাইকেইটাই গোটখাই দহখনমান হালেৰে এফালৰ পৰা হাল বাই দিওঁ বুলি ভাবিছো চাৰ। আকবৰে হালবাই দিওঁ বুলি ক'লত মাষ্টৰে চক খাই উঠিল। আকবৰে কৰিম বোলাটো কৰিবই। সিহঁতি কিবা এটা সিদ্ধান্ত লৈ আহিছে। "হালবাই দিবি?" আমাৰ মাটিখিনিত এতিযাও হাল বোৱা নাই চাৰ, সেই কাৰণে হাল বাই দি দখল কৰি পেলাওঁ বুলি ভাবিছো চাৰ।"

আকবৰ আৰু বংশীৰ কথা শুনি মাষ্টৰে ক্ষন্তেক চিন্তা কৰি থাকি চাহৰ কাপটো আঠুবাৰ বাহিৰলৈ উলিয়াই মাটিত থৈ ক'লে "বাপেৰৰ মাটি কাটি লৈ ৰামধাৰীয়ে জানো নিজে হাল বাই খেতি কৰিছে? নাই কৰা। সিটো মানুহে ৰামধাৰীৰ পৰা আধি খন্দুবতি লৈ মাটি ডোখৰত খেতি কৰিছে সেইটো কোনোবা এটা দুখীয়া খেতিয়ক। গতিকে সেই মানুহটোৰ লগত যুদ্ধ কৰিবলৈ নাযাবিহঁক।" বকুলে বোলে "যুদ্ধ নকৰো চাৰ।" জাপিসজিযাৰ কেহোঁৰামে সেইখিনি মাটি আধিত কৰিছে। আমি কেহোঁৰামক কৈছো, বোলো মাটিৰ ধান আমি গোটেইখিনি তোমাকে দিম।" যোৱা বছৰ মাটিখিনি আমাৰ গাঁৱৰ নাৰদে কৰিছিল। এই বছৰ নাৰদৰ পৰা একৰাই কেহোঁৰামক দিছে। দিছে যদিও কেহোঁৰামে মাটিত হালকে বোৱা নাই।" নাৰদৰ লগত ধান দিয়াৰ সময়ত যোৱা বছৰ মহা কাজিয়া লাগিছিল নহয়, ৰামধাৰীৰ মহৰীৰ

হিচাবত নাৰদে বছৰটো খেতি কৰি ধান পাই বাৰ মোন। তাকে লৈ মাৰপিত হয়েই, নাৰদে বোলে "তোকে গোটেইখিনি দি দিছো লৈ যা" পিচত যেনিবা ভবধৰ মাষ্টৰ আহি কোনোবা কোনোবা কেইজনমানক মাতি আনি নাৰদক বাৰমোনৰ ঠাইত বিশমোন ধান দিয়ালে। তেহে গন্দগোলখন নোহোৱাকৈ সিমানতে ৰ'ল। আধিত ৰোৱাহ'লে ধানৰ আধাভাগ দিযে, খন্দুৱাকৈ ল'লে, ধান হ'লে ভালেই, নহ'লে চাৰিভাগৰ তিনিভাগ ধান মাটিৰ মালিকে লৈ যায চাব। সেইটো খণ্ডতে নাৰদে মাটি এৰি দিলে।

এৰিলে কি হ'ব, শত্ শগুণ পৰাৰ দৰে মানুহে মাটি বিচাৰে নহয। এইবাৰ কেহেঁাৰামে লৈছে যদিও আমি কোৱা কথাত তেওঁ ৰাজি হৈছে। আমি কেহেঁাৰামক কৈ দিছো, ৰামধাৰীৰ হাতৰ পৰা একুৰাই যিমান বছৰ খাব তোৰ হাতৰ পৰা মাটি আমি একুৰাই নলওঁ। বকুলৰ কথাবোৰ শুনি মাষ্টৰে দীঘলকৈ হুমুনিযাহ এটা পেলাই ৰৈ আছিল। আকবৰে বোলে আমি কেইটাই কথাটো খামাখা ফাইনেল কৰিছো চাৰ, আপুনি কি কয সেইটো শুনিবলৈহে ৰৈ আছো।"

হাল কিনি মাটি দখল লোৱাতো বেমালিৰ কথা বুলি ভাবিছ, সেইকাৰণে ফাইনেল সিদ্ধান্তও কৰিব পাৰিছহঁক। দেচুৱালীৰ লাঠিৰ আগত ভাৱা কৰি অনা হালোৱা ছিটিকি পলাব। তহঁতকেইটা অকলশৰীযা আৰু সুবিধা পালে ৰামধাৰীয়ে তহঁতক জীৱনলৈ ঘুনীযা কৰি পেলাব। আধি খন্দুৱাত মাটি খোৱা সকলো মানুহে লগলাগি হালবোৱা হলে এটা জাগৰণ হ'লহেঁতেন। মই ভাবো ইমান সোনকালে কামটো আৰম্ভ নকৰি তহঁতৰ পক্ষলৈ কিছুমান মানুহক টানিলৈহে কামটোত হাত দিযা ভাল হ'ব। অকল ৰামধাৰীৰে নহয, কংস বেজবৰুৱা, মধুশোধন গোস্বামী, গদাধৰ কেৰেণীৰো বহুত মাটি গাঁৱৰ বাইজে আধি খন্দুৱাত কই আছে। ৰোৱতি মাটি দখললৈ অনাটোৱেই যেতিযা মূল উদ্দেশ্য, খেতিয়ক সকলো

ৰুই থকা সকলো মাটি খেতিয়কৰ দখললৈ আনিব লাগিব আৰু সেইটো কাম কৰিবলৈ সকলো খেতিয়কক প্ৰথমতে একগোট কৰিবই লাগিব। পৰিকল্পনা কৰি কাম আৰম্ভ কৰিলে পিচৰ স্তৰত কি কৰিব লাগিব সেইটোও ঠিক হৈ থাকিব।”

আকবৰহঁতৰ উদ্যোগটোত মাষ্টৰে চেচাপানী ঢালি দিলে। সিহঁতৰ মনবোৰ সেমেকি গ’ল। কাৰো মুখৰ মাত নাই। আঠ দহদিন আলোচনা কৰি কৰি সিহঁতি এটা কাম কৰিবলৈ আগবাঢ়িছিল, মাষ্টৰে এক মুহুৰ্ত্ততে সকলো ওলট পালট কৰি পেলালে। আকবৰ বাহিৰলৈ ওলাই গ’ল। মুহিৰামৰ চকুহুটা লেমৰ পোহৰটো ৰঙা হোৱা যেন দেখাইছে। সি বোলে, “চাৰে, পোনকোবেই আমাক বাধা কৰিছে হয, পিছে আপুনি কোৱামতে গোটেই আধি খন্দুৱা খোৱা মানুহজাকক একেলগ কৰেগৈ কোনে? মইযে সেইমতে কাম কৰিব নোৱাৰিম দেই বংশী। শৰাই সঁফুৰা আগবঢাই মাতিলেও আমাৰ এইকেইখন গাৱঁৰ মানুহ যুঁজ কৰিবলৈ ওলাই নাহে। বংশীযে চাকৰি এৰি আহিলে বাপেকৰ মাটি মোকোলাম বুলি। তাৰ সাহসৰ চোকটো দিন দিনকৈ কমি গ’লে পিচত একোডাল নহ’বগৈ। আপোনাক গুৰি ধৰি আমি বুদ্ধি সন্ধি ল’ম বুলি ভাবিছিলো, আপুনিও আমাৰ বুঢাজাকৰ দৰে পোনকোবেই আমাক পাচলৈ টানিহে ধৰিলে।” বকুলে মুহীৰামক ধমক দিয়াৰ দৰেই দিলে।

“তইনো নভবা নিচিন্তাকৈ কিবোৰ কৈ আছ অ’ চাৰে কোৱা কথাটো কি মিছা কথা কৈছে? বংশীৰ মাটিখিনি মোকোলালেই হ’ব নেকি? আকবৰৰ মাটিখিনিও কংসৰ নামত আছে। গাওঁকিখনৰ সৰহভাগ মানুহে হয আধি নহয় খন্দুৱাকৈ মাটি ৰুইছে। গাওঁখনৰ এফাল পথাৰ মাটি মাটিগিৰিয়া কেইটাৰ হাতলৈ গ’ল। সেই মানুহবোৰৰ মাটিও দখল ল’ব লাগিব। আজি অত বছৰে বংশীৰ মাটি ৰামধাৰীয়ে খাই আছে। আৰু এবছৰ খাওঁক।” বংশীয়ে বোলে “আকবৰৰ ববাকেও কৈছে, বোলে

"মাউখে উটিলে গুৰি পকৰাৰো মৰণ নাই।" লাগিছ যদি এগৰীয়াকৈ নালাগিবি, জাকে জুমে হেঁচা মাৰি ধৰ।"

আকবৰ সোমাই আহিল। সি বোলে, আমি চাৰক কথাটো সুধিলো কাৰণে চাৰে তেখেতৰ মনৰ কথাটো কৈছে। আমিও কথাটো আকৌ আগ গুৰি ভাবি আলোচনা কৰি চাওঁ। হৰ বৰ কৰি কাম কৰিলে পিচত বিপদত পৰিম বংশী।" মাষ্টৰে বোলে ভাবিবলৈও সময় লাগিব। কামত হাত দিবলৈ আৰু সময় লাগিব। লাগক। কাম কৰাৰ আগতে ভাবি চিন্তি ললে পিচত বিপদত পৰিব নালাগে। মানুহ গোটাইহে কাম আৰম্ভ কৰিব লাগিব। আৰু মানুহ গোটাই মন মিলাই লওঁতেও সময় ল'ব। সেইখিনি সময়তে মানুহে মাটিও ৰুব। ধানো পকিব। পকা ধানৰ ভাগ মালিকক দিব নালাগে। ৰাইজে ভৰাঁলত ধান সুমুৱাই দিয়ক। নিজে কষ্ট কৰি উপাৰ্জ্জন কৰা ধান ভৰাঁল ভাঙি নিবলৈ আহিলে ৰাইজে দেহাকে দিব, তথাপি ধান নিদিয়ে। মাটিৰ মালিকইতেও ভৰাঁলৰ পৰা ধান উলিয়াই নিয়াতো সমস্যা হ'ব। গতিকে মোৰফালৰ পৰা কিছুদিন অপেক্ষা কৰি কামত হাত দিবলৈহে কৈছো। কাম কৰা মানুহ তইঁতহে, সেই কাৰণে তইঁতে সি ভালদেখ' চিন্তা কৰিল।

বংশীয়ে ইমান সময় মনে মনে থাকি মাত দিলে, "চাৰে খুব ভাল কথাকে কৈছে জানিছ মুন্সী, কিন্তু মোৰ যে এদিনেই এমাহ যেন লাগিছে পায। গাঁৱৰ মানুহ খিনিক একগোট কৰাটোও কম ডাঙৰ কথা নহ'ব।" মুন্সীয়ে বোলে "মই চাওঁতে সেইটো কাম কোনো কাহানিও কৰিব নোৱাৰে। কাৰণ বেলেই গাওঁখনে পতি দুই তিনিতাকৈ বেলেগ বেলেগ নামঘৰ পাতি মানুহবোৰ ভাগ ভাগ হৈ আছে।" মাষ্টৰে বোলে "ধৰ্ম্মৰ কথাত ভাগ ভাগ হৈ থাকিলেও পেটৰ ভাতমুঠিৰ চিন্তা সকলোৰে একেই আছে। চুবুৰিযে চুবুৰিয়ে দুই তিনিজন মানুহ বিচাৰি উলিয়াই তইঁতৰ উদ্যোগটোৰ কথা গোপন ভাৱে সিহঁতক ভালকৈ বুজিব লাগিব।

দুই তিনিজন মানুহেই দুকুৰি তিনিকুৰি মানুহক কথাবোৰ বুজাই উলিয়াই আনিব। সেইটো কাম কৰিবলৈ যোৱাৰ আগতে তহঁতি কি কৰিবলৈ আগবাঢ়িছহঁক, আৰু কেনেকৈ আগবাঢ়িবি সেইটো কথা মুখিয়াল মানুহ কেইটাই নিজে ভালকৈ বুজি পাব লাগিব।

টান অঙ্ক এটা আগত দি যেন আকবৰ মুহীৰাম বকুলহঁতক উত্তৰ উলিয়া বুলি, হাতত এচাৰি এদাল লৈ মাষ্টৰে শাস্তিহে দিব খুজিছে। আটাই কেইটাই তলমুৰ কৰি ভাৰি আছে। বিচনাৰ পৰা উঠি আহি মাষ্টৰে চকিখনত বহিলহি। "তহঁতি গধুলী সময়ত আটাইকেইটা ল'ৰা এঠাইত গোটখোৱা ব্যৱস্থা কৰ। গাঁৱৰ মানুহৰ খেতিৰ মাটিৰ সমস্যাটো কেনে অবস্থাত আছে প্ৰথমতে সেইটো কথা তহঁতি বুজি পাব লাগিব। আৰু সেইবোৰ কথা জানিবলৈ প্ৰতিটো চুবুৰীৰ মানুহ দুই এজনক তহঁতৰ আলোচনালৈ আনিবই লাগিব। গাওঁখনৰ ভূমিৰ সমস্যাটো নজনাকৈ একো আলোচনা কৰিব নোৱাৰহঁক।

চৰকাৰে চিলিং আইন প্ৰবৰ্ত্তন কৰি ৰামধাৰী কংসহঁতৰ বহুত মাটি অধিগ্ৰহন কৰিছিল। সেই মাটিবোৰৰ দখল এতিযাও সিহঁতৰ হাতত্তেই আছে। তাৰ অৰ্থ চাকৰৰ নামত কিম্বা কাৰোবাৰ নামত বুদ্ধি সন্ধি কৰি সিহঁতি মাটিবোৰ পুনৰ নিজৰ নামতে ৰাখিলে। চিলিং আইনত যোৱা কংসহঁতৰ মাটিবোৰ মাটি নথকা গাঁৱৰ মানুহক চৰকাৰে বিতৰণ কৰাহলে কিছুমান খেতিয়কে বামখেতিকে কৰিব পাৰিলেহেঁতেন। বামমাটিত আলুখেতিও কৰিব পাৰিলেহেঁতেন। প্ৰথম অৱস্থাত আমি চিলিং আইনত অধিগ্ৰহন কৰা মাটি ৰাইজৰ মাজত বিতৰণ কৰাৰ কথাটোকে লৈ ৰাইজক গোটাই কিছু সচেতন কৰি লওঁ। তাৰ পিচতেহে আমি খেতি কৰি থকা পথাৰ আমাৰ নামলৈ অনাৰ প্ৰশ্নটো ৰাইজৰ আগত দাঙি ধৰিম। চিলিং আইনৰ মাটিৰ বিষয়ে এচ-ডি-চিৰ ওচৰলৈ যাব লাগিব। তহঁতৰ লৈতে সময়মতে মই নিজে এচ-ডি-চিৰ ওচৰলৈ যাম। সেই বোৰ নথিপত্ৰ সংগ্ৰহ

কৰিবলৈকো বহুত কষ্ট কৰিব লাগিব। কৰিম' আৰু কিছুমান কথা তহঁতি নাজান ৰামধাৰী আৰু কংস বেজবৰুৱাই কিছুমান মানুহক কাম দি সিহঁতৰ লগত ৰাখিছে। আচলতে সেইমানুহ বিলাকক সিহঁতি সময়ত নিজৰ প্ৰতিৰক্ষাৰ কাৰণে ব্যৱহাৰ কৰিব।" কংস বেজবৰুৱাই তেওঁৰ মিলিত, আৰু ৰামধাৰীয়ে মহলবোৰত কাক ক'ত ৰাখিছে, মাষ্টৰে সেইটো খবৰো নাজানে। বংশীহঁতে ভয় কৰক বুলিও সেই কথাটো কোৱা নাই। কথাটো কৈছে বিপক্ষৰ শক্তিৰ জোখাৰে নিজকে যাতে ল'ৰাকেইটাই শক্তিশালী কৰিব পাৰে, সেই উদ্দেশ্যেই কথাটো সাজি কলে।

"আমি সিমানবোৰ খবৰ ৰখা মানুহ নহয় চাৰ, আৰু আপোনাৰ মতে চলিবলৈ হলেচোন হাতত খাতা বহি লৈ কাৰ কিমান মাটিবাৰী আছে সেইবোৰো লিখি যাব লাগিব। মই হ'লে সিমানখিনি কৰিব নোৱাৰো দেই। মই মানুহো গজং গজং মোৰ কামো গজং গজং। মই লাগহি বুলি মাতিলে হাত কোচাই লাগিযোৱা মানুহ।" মুহীৰামৰযে খং উঠিছে সেইটো কথা বংশীহঁতে আত্মাই কেউটাই বুজি পাইছিল। সি হাল গৰু বন্ধবস্ত কৰি আহি মাষ্টৰৰ হকাবাধা সমুলি ভাল পোৱা নাছিল। সেয়ে বকুলে আলোচনাটো বন্ধ কৰিবৰ মনেৰে বোলে, "চাৰ বতৰো ভাল নহয়, আৰু কণ্ঠি মুহিৰামহঁতৰ ঘৰো ভালেখিনি দূৰ। এতিয়া কথাটো ইমানতে থওঁ চাৰ।" আকবৰে বোলে "তহঁতি যাগৈ কণ্ঠি, আমি অলপ সময় বহিম।" মুহীৰামে যাওঁ যাওঁ বুলি আকবৰক মাজে মাজে, কৈ আছিল। "যা" বুলি কোৱাৰ লগে লগে কণ্ঠি মুহীৰামৰ লগত বলোৱামো গ'লগৈ।

মুহীৰামহঁত যোৱাৰ পিচত মাষ্টৰে বোলে "বকুল তহঁতি এই মুহীৰাম বোলা মানুহটোক লগত লৈ ভাল কৰিছ জানো? ইমান উগ্ৰ মানুহ। লগত থাকিলে কেতিয়াবা চণ্ডালীৰ নোৱাৰি তহঁত বিপদত পৰিব লাগিব যেন দেখিছোঁ। চাৰ, মুহীৰামৰ অৱস্থাইহে তাক তেনেকুৱা

হ'বলৈ বাধ্য কৰিছে। পকাঘৰ সাজিম বুলি সি জুৱা নেখেলে। খেতি পথাৰ নাই, ইফালে ঘৰখনত খাওঁতা চাৰি পাঁচোটা। জুৱাখেলি সি ঘৰ চলাইছে বুলি ক'লেও মিছা কোৱা নহয়। কেইদিনমান জুৱাখেলি টকা পাইছিল কাৰণে জুৱা খেলাটো সি এৰিবই নোৱাৰা হৈছিল। এতিয়া অৱশ্যে এৰিলে। জুৱাত বহা মানুহে মদ খায় কাৰণে সি খুব মদ খাবলৈও ধৰিছিল। বিয়া কৰোৱাৰ পিচত মদ খাবলৈও এৰিছে।"

বংশীয়ে বোলে মোকে দেখোন সকলোৱে গুণ্ডা, বদমাচ্ বুলিছিল। মইনো কেতিয়া ডকাইতি কৰিছিলো? উৎপাত কৰিছিলো হক কথাৰ কাৰণে। মুহীৰামৰ তেনেকুৱাই অৱস্থা চাৰ, সি সঙ্গত পৰি ডকাইতিত নামিছিল যদিও আমি আটাইকেউতা ল'ৰাৰ ভিতৰত সি ভাল ল'ৰা। তাৰ সমান সাহসী ল'ৰা কিন্তানি এইকেইখন গাৱঁত এটাও নোলাব চাৰ। তাক মদপী বুলিলে কি হ'ব? ঘৰৰ চাৰিসীমাত মদ চেৰাপ সুমুৱালে চকু হাৰি পেলোৱা গাৱঁৰ মানুহে ঘৰে ঘৰে মদ চেৰাপ বনাই বাগিছাৰ লাইনত বিক্ৰী কৰিছেগৈ। সেইবোৰ বেয়া কাম সমাজত চলি আছে। নিবনুৱা মাটিহীন খেতিয়কৰ ল'ৰাই উপাৰ্জ্জনৰ পথ বিচাৰি নাপায় মদ বিক্ৰী কৰিছে, নিজে মদ খাবলৈ লৈছে। "আকৰবে বোলে মদ বনোৱাটোকে বন্ধ কৰি দিব লাগে চাৰ।"

"হেৰ চপাতল চাৰি আলিৰ মদৰ দোকানখন কিবা গাৱঁৰ মানুহে দিছে নেকি? গাৱঁৰ মানুহে মদ বনোৱা কৰিলেও সেই চৰকাৰী মদৰ দোকানখন থাকিব দেখোন। আৰু গাৱঁৰ চাকৰি-বাকৰি নোহোৱা ল'ৰাজাকক উপাৰ্জনৰ কিবা অন্য উপায় এটা নিদিয়াকৈ সেইটো কথা চিন্তা কৰাও অৰ্থ নাই। বাগিছাৰ মজদুৰক খুৱাবৰ কাৰণে মদৰ মহল গাৱঁলৈ সুমুৱাই দি চৰকাৰে মজদুৰখনক যি কৰিছে কৰিছেই, গাঁৱৰ মানুহখনকো ব্যভিচাৰী কৰিছে। কথা কেইটা কৈ বংশী ভিতৰফালে

গ'ল। লেমটোত তেল নাই, পোহৰ কমি আহিছে। বংশীয়ে তেলৰ বটলটো আনি লেমত তেল ভৰাইছেহি।

বংশীৰ মাটিত দহবাৰখন হাল বায় মাটি দখল কৰাৰ কথা খন্তেকৰ কাৰণে তলপৰি গাৱঁৰ ল'ৰাই মদ খোৱা মদ বনোৱা কথাটোৱে ঠাই ল'লেহি। ইটো কথাৰ লগত সিটোৰ সামঞ্জস্য ৰাখি মাষ্টৰে বোলে আমি মদৰ মহলটো ইয়াৰ পৰা তুলি নিবলৈ ৰাইজৰ চহী লৈ এখন দৰখাস্ত দিওঁ। খেতিৰ মাটিৰ বিষয়টো যদিও আমাৰ মূল সমস্যা তথাপি বিভিন্ন উন্নয়ন মূলক কামত হাত দিলে আমি গাৱঁৰ ৰাইজৰ সমৰ্থন সহজতে পাব পাৰিম। মইও কথাবোৰ ভাবি চিন্তি চাওঁ, আৰু তহঁতিও গভীৰভাৱে ভাবি লহঁক। যি কৰিব লাগে সকলোৱে চিন্তাৰ পৰা ওলোৱা মতে, যুক্তিপূৰ্ণ সিদ্ধান্ত লৈহে আমি কামত হাত দিম। তহঁতি এতিয়া ঘৰা-ঘৰি যাহঁক, আমাৰ ভাত ৰন্ধাৰ ব্যৱস্থা কৰ বংশী। মাষ্টৰে আঠুৱাখন নমাই লৈ বিচনাত দীঘল দি পৰিল।

বংশীয়ে তলে তলে মাটি দখল ল'বলৈ পৰিকল্পনা কৰি মাত্ৰ এইকেইদিনতে ইমান আগবাঢ়ি যোৱা কথাটো ভাবি মাষ্টৰ নিজে আচৰিত হৈছে। আৰু তাৰ লগৰ ল'ৰাকেইটাও বংশীৰ লৈতে আগপিচ নুগুণি সংগ্ৰামত জপিয়াই দিবলৈ সাজু হৈ আছিছে। সিহঁতৰ সাহস আৰু দৃঢ়তাৱে কথা ভাবি মাষ্টৰৰ প্ৰত্যয় জন্ম দিছে। সিহঁতি সহায় পালে কিবা কিবি কৰিবই। মাষ্টৰে সিহঁতক আগবঢ়াই দিব। আগবঢ়াই দিলেই নহ'ব। সিহঁতৰ পিচত যাবলৈ আৰু এজাক মানুহৰ গোট খুৱাব লাগিব। নহ'লে এখোজ আগবাঢ়ি গৈয়ে সিহঁতি থমকি ৰৈ যাবলৈ বাধ্য হ'ব। সংগঠন এটা কৰিবলৈ মাষ্টৰে বিশেষ ভুমিকা ল'ব নোৱাৰে, কাৰণ, পোন-পতিয়াকৈ ভাবে ৰাইজৰ লগত মাষ্টৰৰ কোনো ঘনিষ্ঠতা নাই। দিঘলা বসন্ত, ভবধৰ মাষ্টৰ এই দুটা মানুহৰ লগত মাষ্টৰৰ এটা বাহ্যিক সম্পৰ্ক আছে যদিও ভবধৰ মাষ্টৰ ভয়াতুৰ। তথাপি এই দুজন মানুহকো মাষ্টৰে

যিকোনো উপায়েৰে বংশীহঁতৰ লগত যুক্ত কৰি দিব। কলিমন গোসাঁই বোলা মানুহটোৰেও বাট দেখুৱাই নিলে কাম কৰিব পাৰিব, আৰু কামো গুলাব। বিচাৰিব জানিলে দীঘলা বসন্তক হাতত লৈ মাষ্টৰেই আৰু বহুতক এনে কামত যুক্ত কৰিব পাৰিব।

বংশীয়ে চাকৰি এৰি অহাৰ পিচৰ পৰাই নিজক ৰাইজৰ কামত কেনেকৈ যুক্ত কৰিব পৰা হয় সেই কথাটো প্ৰতিদিনেই মাষ্টৰে ভাবি আছে। বাপেকৰ মাটি নামধাৰীৰ হাতৰ পৰা দখল লবলৈ বংশীয়ে বাকী লৰা কেইটাক লৈ আগবাঢ়ি অহা কথাটোৱে যেন মাষ্টৰৰ চিন্তাৰ আঁতদাল আজি উলিয়াই দিলে। মাষ্টৰে এই সংগ্ৰামত নিজকে যুক্ত কৰিব। ঘৰৰ ভিতৰত বহি শুই পুৰণা কিতাপবোৰ পঢ় পঢ় মাষ্টৰে আৰু সময় নষ্ট হবলৈ নিদিয়ে। * * * *

॥ চাৰি ॥

আহাৰৰ সাঁঠ লাগোতেই বংশী আহিছিল, শাওনৰ এসপ্তাহ পাৰ হ'ল। তুই এঘৰে বাম মাটিত গোছ লৈছেই। খেতিয়ক ৰাইজৰ ব্যস্ততা বাঢ়িছে যদিও দ মাটি এতিয়াও কোনেও কটোৱাই নাই। বাম বোৱতি মাটি রুইহে মানুহে দ মাটিত হাত দিবগৈ। দ মাটি মানে, জলডোবা মাটি। ভাত হাল নচলে। দল গুছাই রুই গলেই হব। তদুপৰি সেইবোৰ মাটি আগতিয়াকৈ রুলে বানপানীয়ে পুতি পেলাব। আকবৰে সিহঁতৰ ঘৰৰ দাতিৰ মাটি টুকুৰাত বোকা দিছে। দিনৰ ভাগত মানুহক ঘৰত পাবলৈকে নাই। সকলো কামে কামে ব্যস্ত। আনহাতে আকবৰ মুহী, কেহিঁহঁতৰো নিজৰ মাটি নাথাকিলেও লোকৰ মাটি খন্দুৱা, বন্ধকি, আধিতে লৈ পথাৰৰ কামত দিনটো ব্যস্ত থাকিব লাগে। গধূলী সিহঁত সকলো, আজৰি হয় আৰু গাঁৱৰ মানুহক ঘৰে ঘৰে পোৱা যায়। সেইকাৰণে গধূলী সময়ত হাতত বহী এখন লৈ বকুল বংশীহঁত গোটখাই

মাষ্টৰৰ পৰামৰ্শ মতে ভূমী সমস্যাৰ লিখিত বিৱৰণ সংগ্ৰহ কৰাৰ কামত কেইদিনমানৰ পৰা ঘৰে ঘৰে ঘূৰিছে।

আৰুবৰে কিন্তু সিহঁতৰ লগত ওলাব পৰা নাই। দিনটো খেতিৰ পথাৰত কাম কৰি ভাগৰে-যোগৰে থকা মানুহক আমনি দিয়াৰ কাৰণে বংশীয়ে মনে মনে বেয়া পাইছে। গাঁৱৰ মানুহ সন্ধিয়াতে খায়-বৈ শুই পৰে। ৰাতিপুৱাই হাল নিব লাগিব। ৰ'দ উঠিলে গৰুৱে কষ্ট পায়। ঘৰ চোতাল সৰা, বন্ধা-বঢ়া কৰা, ধান সিজোৱা, ঢেকি কোবোৱাৰে পৰা সকলো কাম কৰি, মাইকী মানুহেও সোনকালে শেতেলীলৈ যোৱাৰ কাৰণে ব্যস্ত হৈ থাকে। তদুপৰি চাকি জ্বলাই ৰাতি এদোখৰলৈ বহি থাকিলে কেৰাচিনতেলৰ খৰচ বাঢ়ে। ইত্যাদি বিভিন্ন ঘৰুৱা সমস্যা প্ৰতিঘৰ মানুহৰ আছেই। সেইকাৰণে একোঘৰ মানুহৰ ঘৰলৈকে বংশীহঁত কেইবাদিনো যাবলগীয়া হৈছে। ভবধৰ মাষ্টৰ আৰু দীঘলা বসন্তই মাষ্টৰৰ কথামতে বংশীহঁতক সহায় কৰিম বুলি প্ৰতিশ্ৰুতি দিছে যদিও এই পৰ্য্যন্ত সেই দুজনৰ এজনো বংশীহঁতৰ ওচৰলৈ অহা নাই।

দীঘলা বসন্তই বকুলক হেনো কৈছে বোলে "বংশীয়ে ৰাইজৰ টকা খাবলৈ কিবা ফন্দিহে পাতিছে" বুলি কোনোবাই কোনোবাই কোৱা-কুই কৰিছে। ঠগী, দীননাথ হঁতেটো এদিন বকুল আৰু বলোৰামক কামেশ্বৰৰ ঘৰলৈ যাওঁতে বাটতে ধৰি ভাবুকি দিছিল, "এই তহঁতি যে মাটি-বাৰীৰ হিচাব লিখি ফুৰিছ, চাওঁ, চৰকাৰৰ ঘৰৰ কি কাগজ লৈ আহিছ? বকুলে "ৰাইজৰ কাম কৰিছো" বুলি কোৱাত হেনো দীননাথে খবৰদাৰি কৰি কিবা-কিবি ধমকি দিছিল। বংশীয়ে জানে সি লগত থাকিলে কোনেও একো গৰম কথা ক'ব নোৱাৰে। সেইকাৰণে বকুলহঁতে ভাবুকি খোৱাৰ পৰা সদায় বংশী সিহঁতৰ লগত যোৱা হৈছে। তথাপি বংশীহঁতে কামটো বন্ধ কৰা নাছিল। এদিন টিখৰে নওলাডাল খুন্টিলৈ বংশীকো চোচামাৰি আহিছিল। টিখৰে চিঞৰি

ৰচিঞৰি বংশীৰ গোষ্ঠীত ধৰি গালি সোধাই বোলে "নামকটা চিপাহী, তই, মৌজাদাৰণে, মণ্ডলনে, কাননগুগে ? কি এক্তিয়াৰত তই মোৰ মাটি বাৰীৰ হিচাব বিচাৰি মোৰ ঘৰত সোমাইছিলি ?" বংশীয়েও খং দমাই ৰাখিব নোৱাৰি ফেপেৰী পাতি ধৰিছিলে। মাৰপিত এখন নোহোৱাকৈ আকবৰে বংশীক টিখৰৰ ঘৰৰ পৰা উলিয়াই লৈ গ'ল। তাৰ পিচৰ পৰা সিহঁতি কামত ওলোৱা নাই। বংশীহঁতে মাষ্টৰক সেইদিনাৰ ঘটনাটোৰ বিষয়ে একো কোৱাও নাছিল। গধূলি কেইবাদিনো ওলাই নোযোৱাৰ কাৰণে বংশীক মাষ্টৰে সোধাতহে কথাটো বংশীয়ে মাষ্টৰক কৈছিল। বংশীহঁতে গাৱঁৰ মানুহৰ লগত কাজিয়া হোৱাৰ ভয়ত মাটি বাৰীৰ হিচাব লিখা কামটো বন্ধ কৰি দিছে বুলি বংশীয়ে ক'লত মাষ্টৰে বহুত বুজনি দিব লগা হ'ল। তথাপি মুহীৰাম নাযায়। বকুলেও গয়াঁ গিয়াতিৰ সৈতে দন-হাই লাগিব বুলি আগনাবাঢে। ইমানদিন বাহিৰত থাকি গাঁৱলৈ ঘূৰি অহা বেচিদিন নৌহওঁতেই বংশীয়েও কাৰোবাৰ সৈতে তথিযাতথি লাগে বুলি আগবাঢ়িবলৈ মন কৰা নাছিল।

বিবেকা মাষ্টৰে বংশীক অকলশৰে বহুৱাই লৈ বুজালে, যে "গাঁৱত শলমাৰি ভঙা, আহফলা কথা কোৱা, টুটকীয়া লগনীয়া মানুহ আছে যদিও শিক্ষিত নামধাৰী নগৰবাসীবোৰতকৈ মানুহখিনি বহুত সৎ হৈ আছে। ঠৈফে ঠৈফে নামঘৰ হৈছে যদিও গাৱঁৰ মানুহৰ মাজত সেই নামঘৰবোৰেই একতাৰ ভাৱ এতিয়াও বহু পৰিমানে জীয়াই ৰাখিছে। তথাপি কংস ৰামধাৰীহঁতৰ দৰে পাৰত গজা ৰাজনীতিজ্ঞ কেইটামানে টিখৰহঁতৰ দৰে দুই চাৰিটাক দালাল হিচাবে হাতত ৰাখি, গাঁৱৰ মানুহবোৰৰ মাজৰ মিলা-মিলি ভাব নাইকিয়া কৰাৰ চেষ্টা কৰি আছে। কোনো সময়ত সেই দালালবোৰৰ নেগুৰত ধৰি ফুৰা কেইটামানে তহঁতৰ লগত হতাহতি কৰিবলৈও আগবাঢ়ি আহিব। ভাল কাম কৰিবলৈ যাওঁতে প্ৰতিবন্ধকতা বেচি হয়। ৰাইজৰ কাম কৰিবলৈ গ'লে অপ্ৰিয়ভাজন নোহোৱাকৈয়ে

সকলো কাম কৰিব লাগিব। বাধা অতিক্ৰম কৰিবলৈ ধৈৰ্য্য, সংযম প্ৰধান কথা। তদুপৰি মানুহৰ চৰিত্ৰ বুজিবলৈও চেষ্টা কৰিব লাগিব।

মাষ্টৰৰ বুজনিত বংশীয়ে 'আকৌ ওলাম' বুলি মাষ্টৰক কৈছিল যদিও কেইবাদিনলৈকে বংশী ঘৰৰ বাহিৰ ওলোৱা নাছিল। তাৰ মনৰ ভাৱ সলনি হৈছিল। সি কি কৰিম বুলি চাকৰি এৰি আহিছিল, আৰু কি কৰিবলৈ লাগিছেহি, তাকে ভাবি ভাবি কেইবাদিনো মাষ্টৰৰ লগতো কথা নপতাকৈ আছিল। মাষ্টৰে বলোৰামক পঠিয়াই আকবৰ, বকুল, মুহীৰাম, কঠি, আনকি দীঘলা বসন্তহঁতক ঘৰলৈ মাতি আনিলে। সেইদিনা গধূলি মাষ্টৰৰ ঘৰত সৰু-সুৰা আলোচনা সভা এখনেই হৈছিল।

বিবেকা মাষ্টৰৰ ঘৰত হোৱা আলোচনাৰ পিচত সেইদিনা আকবৰ, বংশী, বকুল, আৰু বলোৰাম এই চাৰিটাই হাতত বহুপৰ লৈ ওলাই আহিছে। মুহীৰামৰ এক কথা, সি নাযাও বুলি এবাৰ কলে সেই কথা সি নেৰে। মুহীৰামে কঠিনো বন্ধ কৰিছে। আকবৰহঁতেও কঠি মুহীৰামক মাতি আনিবলৈ চেষ্টা কৰা নাই। মাষ্টৰৰ ঘৰৰ আলোচনালৈ সিহঁতে দুটাক আনিব পৰাহলে সিহঁতি হয়তো কথাবোৰ বুজি আকৌ কাম কৰিবলৈ ওলাই আহিলহেঁতেন। বংশীয়ে নিজে গৈ মাতি অহাৰ পিচতো মুহীৰামে নাযাওঁ বুলি বংশীক স্পষ্ট জবাব দি দিলে। দীঘলা বসন্তহঁতে আহিম বুলি কৈও নাহিল। বসন্তই হেনো বলোৰামক কলে বোলে কাহানিও নকৰা কামত হাত দিবলৈ বসন্তৰ হেনো কিবা ভাল লগা নাই। "কেইদিনমানৰ পিচত ওলাম বাৰু" বুলি সেইদিনা নাহিল।

আকবৰহঁত মোলোকৰ দোকানৰ ওচৰ পাওঁতে মোলোকৰ দোকানৰ আগৰ বেঞ্চখনত লʼৰা কেইটামান বহি আছিল। আকবৰহঁত দোকানৰ আগেদি পাৰ হৈ যোৱা দেখি মোলোকে দোকানৰ গাদীত

বহি থকাৰ পৰা বংশীক মাত দিলে। সিহঁত আটাইকেউটা বংশীৰ লগতে দোকানলৈ আহিল। "তহঁতিয়ে মাটি-বাৰীৰ হিচাববোৰ ঘৰে ঘৰে গৈ লিখা লিখি কৰি আনিছ, সেইবোৰ চৰকাৰৰ ঘৰৰ পৰা বিচাৰিছে নেকি অ'?" মোলোকৰ প্ৰশ্নটো শুনি বংশীয়ে হাঁহি এটা মাৰিলে। এইটো প্ৰশ্ন নতুন নহয়। বহুতকেই এই প্ৰশ্নৰ উত্তৰ যোৱা কেইদিনত বংশীহঁতে যেনেকৈ পাৰে দি আহিছে। আজি যেনেকৈ পাৰে সেইদৰে নিদিয়ে, সিহঁতি সেই দিনাৰ আলোচনাৰ পৰা মানুহক মিছা কথা কৈ আভুৱাভৰা কামটো আৰু কেতিয়াও নকৰো বুলি ভাবি লৈছে। বংশীয়ে বোলে "মোলোক ককাইদেউ চৰকাৰৰ পৰা এইবোৰ কাম কৰিবলৈ আমাক কোনেও কোৱা নাই যদিও, এইবোৰ কামক নিজৰ ঘৰৰ কাম বুলি ধৰি গাঁৱৰ ৰাইজে নকৰা কাৰণেই আজি ইমান দিনে খাই থকা চৰকাৰী মাটিও ৰাইজৰ নামলৈ অহা নাই। সুমথিৰা টেঙাৰে ভৰ্ত্তি বাৰী এখন বিক্ৰী কৰিলেও বাৰীৰপৰা মানুহজনে ফচলৰ দামটোহে পায়। জলদোবা মাটিবোৰৰ কথা বাৰু এৰি দিছো, এই ঘৰ-দুৱাৰ সাজি ইমান বছৰ বহি থকা বাৰী মাটিবোৰৰ পট্টা ৰাইজক চৰকাৰে কিয় নিদিব বাৰু কোৱাচোন?"

"বংশী অলপ ৰোৱা দেখি বকুলে বোলে "খেতিয়কক মাটিৰ মালিক হ'বলৈতো নিদিয়েই, সেই চিলিং আইনত মাটিগিৰীযা কেইটাৰ আৰু গেৰেকী বাগিছাৰ মাটি অধিগ্ৰহণ কৰি ৰাইজক দিয়াৰ কথাযে ওলাছিল সেইবোৰ কথাৰ কি ভাল হ'ল মোলোক মোমাই? সেই মাটিবোৰচোন এতিয়াও আগৰ মালিকবোৰেই খাই আছে? আমি চৰকাৰী আইনখনৰ মতে অধিগ্ৰহণ কৰা মাটিৰ কি হ'ল, সেইটো কথাত লাগিছো। আৰু যাতেকে মাটি নথকা খেতিয়ক কিমান আছে, লোকৰ খেতি মাটিত কিমান মানুহে আধি খন্দুৱা খাই আছে এই হিচাবটো আগতে উলিয়াই লওঁ। তাৰ পিচত ঘলুকি পানী ঘোলা কৰি পেলাম মোমাই। "ডিব্ৰুগড়ে

বকুলৰ মুখত শুনা কথাকেইটা কিবা নতুন কথা শুনা যেন পালে। বংশীয়ে বাক দেশ-বিদেশ ঘূৰি দুই চাৰিটা কথা জানি আহিছে। কিন্তু বকুলে হঠাৎ এইবোৰ কথা ক'বলৈ কেনেকৈ শিকিলে। ডিম্বেশ্বৰে ভাও লগাই কথা পাতিব নোৱাৰিম বুলি একো নকলে।

সন্ধিয়া সময়ৰ গাৱলীয়া দোকান। দিনটো কামে কামে লাগি থাকি অবসৰ নোপোৱা খেতিয়কৰ দোকানলৈ অহাৰ সময়। বংশীৰ সৈতে কথা আৰম্ভ কৰিছিল যদিও, কথা পতাতকৈ দোকানৰ মাল দিয়া, পইচা লোৱা, বাকীখোৱা বিলাকৰ খাতা উলিয়াই সেইদিনাৰ বাকী পইচা লিখা কামবোৰে মোলোকক ব্যস্ত কৰি ৰাখিলে। হাতত মিঠাতেলৰ বটলটো লৈ ডিম্বেশ্বৰো দোকানৰ ভিতৰ সোমাল। দোকানৰ বাৰান্দাত বহি কথাৰ আড্ডা দি থকা ল'ৰাকেইটাই সেই সুযোগতে বংশীৰ লগত কথা আৰম্ভ কৰিলে। ধনেশ্বৰে ৰসিকতা আৰম্ভ কৰি বোলে, "বংশীকাইটি ভোক কোনোবাই ভোটত উঠিবলৈহে উঠাই দিছে যেন পাইছোঁদেই। লোকৰ কথা শুনি মিছা-মিছি সাঁচতিয়া পইচা কেইটা পানীত নেপেলাবি ঐ।" ভোকোন্দে বোলে "নোৱাৰদেই বোপাই, কংস মহাৰাজেও বোলে এইবাৰ ভোট খেলিবলৈ ঠাই চিবুনাইছে। সেইটো মানুহৰ লগত টকা খৰচ কৰিবলৈ গ'লে তোৰ কানি-কাচুতি সোপাও যাব বুলি ক'লো। হয়তো ফকলিয়া কালৰে পৰা আৰ এঠোঙোনা তাৰ এঠোঙোনা খায় কষ্টত উঠা ল'ৰা। মেলতৰী চাকৰিৰ পইচা কেইটা, তই জুৱা খেলি শেষ নকৰিবি বোপাই।" মাজতে ধৰি বংশীক পৰামৰ্শ এটা দি ভোকোন্দ বুঢ়াই তেল নিমখ কিবা-কিবি লৈ এন্ধাৰৰ মাজৰ চিনাকি বাটেদি আগবাঢ়িল।

দোকানত সোমাই সময় নষ্ট কৰিবলৈ বংশীৰ ইচ্ছাই নাছিল। উপায় নাপায় মোলোকে মতাতহে ক্ষন্তেকৰ কাৰণে সোঁমাও বুলি আহিছিল, আহি যাবও নোৱাৰা হ'ল। ধনেশ্বৰে আগৰ প্ৰসঙ্গ টানি

আকৌ আৰম্ভ কৰিলে "বুইছ বংশীকাইটি, কংস হোৱাতকৈ তই এম, এল, এ হলে আমি ভালকৈ পাওঁ। কাৰণ কেলেই, হেজাৰ হলেও তই খেতিয়কৰ ল'ৰা, গাঁৱৰ মানুহৰ কাৰণে তই কিবা নহয় কিবা এটা কৰিবিয়েই।" "ৰাজনীতি নিশিকাকৈ ধেইতাক বোলোতেই তিনিপাক মাৰিবলৈ গলে কৰফাল খাই কৰোবাত পৰিবিগৈ সেইযাৰ কথাও মনত ৰাখিবি পায়। নগেনে বোলে "তেওঁ কিজানি ভোটত জিকিয়েই যাব সেইটো কথা তই কেনেকৈ কলি? মানুহক আগবঢাইহে দিব লাগে মোমাই! তহঁতি পোনচাতেই হাৰিবি বুলি কৈ দিব নাপায দেই।" নগেনৰ কথাত উৎসাহ দি মোহনে বোলে "তুমি পিচহুহকি নাযাবা বংশীকাইটি, আমি ডেকাল'ৰা মথাই তোমাৰফালে খাটি দিম। আম্মাক কম্বল, মদৰ বটল, দিব নালাগে। ল'ৰাজাকক গোটাই দিম ভোজ এটা ভালকৈ খুৱাই দিবা বচ্ গোটেইখনে জাকে জুমে লাগি যাম"

বংশীযে ইমানপৰে মুখেৰে মাতিবলৈ সুবিধাকে পোৱা নাছিল। অলপ সময কথা বন্ধ হোৱা। সুবিধাতে মাত মাতিলে বোলে "এইবোৰ কথা তহঁতে এনেযে কৈছ দেই। মই এম, এল, এ হ'বলৈ মনো কৰা নাই আৰু কোনোবাই ঠেলি হেছুকি মোক এম, এল, এ হ'বলৈ আগ-বঢাইও দিয়া নাই। আৰু এম, এল, এ হোৱাবোৰে কিমান ৰাইজৰ কাম কৰিছে সেইটো দেখিছো শুনিছো কাৰণে নিজে আগবাঢি ওলাই আহিছো। বেচি নহলেও আমি ডেকালৰাবোৰৰ মাজত ৰাজহুৱা কাম কৰিবলৈ একটাবদ্ধ হোৱাৰ কাৰণে সংগঠন এটা কৰি লওঁ।"

দোকানৰ গাডিৰ পৰা মোলোকে মাত লগালে বোলে ৰাজনীতি কৰ যদি কংগেছী ৰাজনীতিত আজিকালি সোমাইও লাভ নাই দেই বংশী। নগাঁৱৰ ফালৰ কোনোবা এটাই এম, এল, এ হৈয়ে হেনো ৰাইজৰ কাম কৰিম বুলি পোন প্ৰথমেই মদৰ দোকানবোৰ বিদেশী মানুহৰ হাতৰ পৰা কাটি লৈ গাঁৱলীয়া ল'ৰাক দিবলৈ লৈছিল। ইফালে লাগিগল

হুলস্থুল। যি কেইটা মদৰ মহলদাৰৰ পৰা টকা লৈ মানুহটোৰে ভোটত জিকিছিল সেইকেইটাই এম, এল, এ দালক বোলে ৰঙা চকু দেখুৱাই হুমকি দি দিলেগৈ। এম, এল, এ টো ও ছাগে তোৰদৰে খঙাল আছিল হ'ব পায়। সি হেনো বোলে সদায় তহঁতিবোৰেই টকা ঘটিবি নেকি? আসামতে থাকি অসমীয়া ল'ৰাই সদায় তহঁতৰ তলত হাজিৰা কাম কৰিযেই থাকিব লাগিব নেকি? কেইটামান মহলত তহঁতি টেন্দাৰ নিদিবিহঁক। গাঁৱৰ ল'ৰা কেইটামানক এইবোৰ বেপাৰ কৰিবলৈ মই সুবিধা দিওঁ।" নাই, বিদেশী মহলদাৰ কেইটাই বোলে এক্কেবাৰেই গৈ দিল্লীত ধৰিলেগৈ। নৰ্গযা এম, এল, এ টোৱে বোলে নেগুৰ মোতোকাই শুই থাকিলগৈ। মই এইবোৰ দোকানতে নৰ্গযা মানুহৰ মুখত শুনা কথাহে কৈছো দেই বংশী। গতিকে দেশৰ কাম কৰিবলৈ মন থকা মানুহে এম, এল, এ নোহোৱাকৈও কাম কৰিব পাৰে ঐ। মোলোকৰ কথা শেষ হ'ল সি আকৌ মানুহক দোকানৰ মাল দিয়াত লাগিছেগৈ।

আকবৰে বংশীক খোচ এটা মাৰি দোকানৰ পৰা যোবাৰ কথা কলে। বংশীযে আগৰ পৰাই কেতিযা যাওঁ কেতিযা যাওঁ ভাবি আছিল। মোলোক কাইটি, আমি এতিয়া আহিছো দেই, তোমাৰ ওচৰলৈ আহিম, কথা পাতিব লাগিব বুজিছা। মোলোক দোকানি বাহিৰলৈ ওলাই আহিল। "তই কলৈ যাৱঅ'? তোক মই কথা-কেইটামান সুধিম বুলি মাতি আনিছো, বহচোন, বহ, মোৰ হলেই।" বকুলে বোলে তোৰ দোকানলৈ আমি এদিন কথাপাতিবলৈকে আহিম বুলিছো মোহাদেউ! আজি ওলাই আহি এম্বৰ মানুহতো সোমোৱা নাই। ইয়াতে বহুত দেৰি বহিলো।" মোলোকে বকুলক চকু পোন্দোৰা কৰি ধৰিলে, তহঁতি যাগৈ, সি বহক।

মোলোকৰ গোহাঁই দোকানেই ঘৰ। ল'ৰাকালৰে পৰা বংশীহঁতে সেই একেখন দোকান একেদৰেই দেখিছে আৰু মোলোক দোকানি মানুহ-

টোকো একে চিনতেই দেখি বংশীয়ে বোলে "ককাইদেউ, বহুৱালা যেতিয়া আজি হাঁহ এটা হজম কৰিহে যামদেই। "খাবি কিনো বৰ কথাটো, মাঘৰ বিহুৰ সময়লৈ ৰাখিলে হাঁহতে হাজাৰ টকা আহিলেহেঁতেন। বৌৱেৰে এজাক পোৱালী তুলিছে। মই পিচে মোহাৰী থাকো বুজিচ। বংশী দোকানৰ ভিতৰলৈ অহা দেখি আকবৰহঁত আটাইকেউতা আহি দোকানৰ গাডিত বহিলেহি। ইতিমধ্যে বাহিৰৰ বেঞ্চখনত আৰু কেইটামান ল'ৰা আহি বহিলেহি।

"আজি যি বহিলো বহিলোৱেই মোহাদেউ হাঁহ নোখোৱাকৈ উঠি নাযাওঁ। নাযাওঁহে নাযাওঁ, হিন্দুৱে, মুছলমানে, খৃষ্টিয়ানে গোটেই কেইটাক একেলগে পাক ঘৰত নুখুৱালে হাঁহো নাখাওঁ" মোল্লোকেও বকুলক জব্দ কৰিলে, "হেৰ' দোকান ঘৰটোহে মোৰ, ইয়াত কোনে কি খাব খাই থাকিবি। পাক ঘৰটো মাহীয়েৰৰহে। তাত মোৰ এক্তিয়াৰ নাই বোপাই। হাঁহ নাখালেও নাখাবিহঁক। কিন্তু মাহীয়েৰক মই সেইটো কথা কবগৈও নোৱাৰো পায।" হাঁহ খোৱাৰ সমস্যাটো তল পৰক বুলি বংশীয়ে বোলে "ককাইদেউ, তোমাৰ বয়সবোৰ ক'ত থৈছাহে? টকা-পইচাৰে সৈতে তোমাৰ বয়সবোৰো বাকচতে ভৰাই থৈছানেকি? মোলোকে বোলে "মোৰ বয়সৰ কথালৈ বহুতে হিংসা কৰে ঐ। কৰিলে কি হ'ব? নমৰালৈকে এইদৰেই থাকিম জানিছ।" বকুলে ৰসিকতা কৰি বোলে 'মোহাদেউৰ লগত একেলগে গলে আমাক সৰু বুলি নকয় বংশী, আৰু মোহাদেউ জীযাই থাকিবও বহুত দিন, তহঁতি চাই থাকিবি।" বংশীয়ে বোলে থাকিবতো উৰাহ লৈ থকালৈকে ককাইদেউ জীযাই থাকিব। বংশীয়ে উৰাহ লৈ থকালৈকে জীয়াই থাকিব বোলা মাত্ৰকে বাহিৰৰ ল'ৰাজাকে ঢেক্‌ঢেকাই হাঁহী দিলে। তাৰে কোনোবা এটাই বোলে "ভিনীহি তই উৰাহটো বন্ধ নকৰিবিয়েই।" কথাত ৰস ওলোৱা দেখি ল'ৰাকেইটামান দোকানৰ ভিতৰলৈ সোমাই আহিল।

দোকানৰ ভিতৰৰ পৰা আহি নগেনে বোলে "বংশী ককাইদেউ, তই এম, এল, এ, হোৱাৰ মতলবত চাকৰিটো এৰি ঘূৰি আহিলি বুলিহে শুনিছো, কথাটো তেন্তে মানুহে এনেয়ে উলিয়াইছে বুজিছ? গোপালে বোলে টকা এগাল লৈ আহিছা বুলি শুনিছো। এম, এল, এ, হ'বলৈ আজি কালি চইটো কৰিব পাৰিলেই হৈ যায়। বেচি নালাগে। আমাৰ ল'ৰাজাকক আটৈ কুৰি মানকৈ দি যোৱা, আমি তোমাক জিকাই দিম। আমি সেইকেইদিন ভালকৈ তোমাৰ পৰা খামও, কামো কৰি দিম। মোহনে বোলে হয়তো তোৰ সাহস আছে। এবাৰ এম, এল, এ হ'ব পাৰিলেই মন্ত্ৰী হৈ যাবি বংশীকাই। মন্ত্ৰী হৈ তই টিং পাতেৰে গাৱঁৰ নামঘৰবোৰ বগা কৰিবলৈ আলকেতেৰা ঢালি আলিবোৰ ক'লা কৰিবি সেইটো-কোনেও নাচায। তই দিয়া আটৈকুৰিকৈ টকাৰে কি কি লেঠা মাৰিব পাৰিব সেইটোহে চাব।

ভোটৰ সময়ত ল'ৰাবোৰে টকা ঘটা মদ ভাত খোৱাৰ সুবিধা পাম বুলিযেই যে বংশীক ওপৰলৈ উঠাইছে সেইটো কথা বংশীয়ে বুজি পোৱা নাছিল যদিও টিটিঙা ল'ৰাকেইটাৰ উদ্দেশ্য মোলোকে ভালকৈ বুজি পালে। সেযে কথাৰ প্ৰসঙ্গ অন্যফালে টান বোলে "তই সঁচা কথাটো কচোন বংশী, চাকৰিটো তই কেলেই এৰি আহিলি? মোলোকে সহৃদয়তাৰেই বংশীক কথাটো সুধিছে বুলি বংশীয়ে বুজিছে যদিও নগেন গোপালহঁতে ডেকাল'ৰাৰ মাজত সঁচা কথাটো কোৱামানে নিজক সৰু কৰাহে হ'ব। নিজৰ ওজনটো বঢাও বুলি ভাবি বংশীয়ে ক'লে বোলে "বুজিছা মোলোক ককাইদেউ, গাৱঁৰ গঁৱা গিযাতি লগৰ লগৰীয়াহঁতক এৰি পৰদেশত মৰ ভেশ ধৰি হাবিযে জঙ্ঘলে ঘুৰিবলৈনো মানুহ কিহৰ দুখত যায়হে? চকু মুদালৈকে দুই হাতেৰে ধন ঘটিলেও মানুহক মনে নাতে। জীয়াই থকা দিনকেইটালৈ যোৰাকৈ গোটালো, গুছি আহিলো।

গদাধৰ কেৱৰ্ণীৰ ঘৰত বহি খোৱা উপাৰ্জ্জন নোহোৱা পুতেক মহেন্দ্ৰই বোলে, আমাৰ দেউতাহঁতে বিতায়াৰ হোৱাৰ পিচতো চাকৰীৰ

ম্যাদ বঢাইছে লৈছিল পায় ? অইন চাকৰীয়াল বোৰকো দেখিছো চাকৰীৰ ম্যাদ বঢাবলৈ ঘোচ-ঘাচ দি ওপৰৱালাৰ ভৰিৰ চাল চিঙে। তেনেস্থলত তইনো কেইলাখ টকা জমা কৰিলি যে, চাকৰিটো এৰি গুচি আহিলি ? "মিলিটেৰীৰ চাকৰীত বাহিৰা এপইচাও নাই মহেন্দ্ৰ দাদা, নাই যদিও আছে। নেদেখাজনে ভাল সুবিধা এটা দিছিলে, ভয়পাতুৰা কেইটাই টকাৰ ঠাকবোৰ দেখি ভয়ত কপিলে বুজিছা' কেম্প এৰি পলায়ন কৰাৰ পিচত বিদেশী টকাকে মই পিঠিত বোজাই কৰি লৈ আহিলো। ভাবিলো "যাইলাং থাকেলাং ধৰা পৰিলে জেল খাম, টকা কাটি নিব আৰু ধৰা নপৰিলে, চাকৰী এৰি গুচি আহিব পাৰিম। ধৰাও নপৰিলো। টকাও বদলি কৰি আনিলো, আৰু চাকৰিও এৰি থৈ গুচি আহিলো বাপেকে।" বংশীৰ দম্ভ মৰা কথা শুনি, অইনবোৰৰ কথা বাদেই মোলোকেও বিশ্বাস নকৰি নোৱাৰিলে।

মোলোকে বোলে "মই আগতেই জানিছো ঐ, তই যে সুবিধা পালে ঘোকাজালি মাৰিবি। পিছে আনিলি কিমান সঁচা কথাটো কচোন।" "মাৰিব লাগে বুজিচ, ৰাইজৰ পইচা মন্ত্ৰী এম, এল এ, অফিচাৰ কেবেণীয়ে ওৱাদানী কৰিছে। অইন দেশৰ টকা মাৰি আহিব সেইটো পাপৰ কথাও নহয়। নহয় যদিও কিমান টকা আনিলি সেইটো কথা যাকে তাকে কৈ ফুৰিলেও তোৰ বিপদ আছে দেই বংশী।" কেইবালাখ টকা বংশীৰ নিচিনা মানুহ এটাই লৈ আহিছে বুলি শুনিলে মনটো কেনেবা কেনেবা লাগিব বুলিহে মহেন্দ্ৰই টকাৰ হিচাবটো শুনিব সুখুজিলে।

ডিম্বেশ্বৰৰ ল'ৰা নবমমান শ্ৰেণীত পঢ়া থুলেশ্বৰে বাপেকে এৰিথৈ যোৱা দোকানৰ মালখিনি লৈ কথা শুনি বৈ থকাৰ পৰা ক'লে "আমাৰ পিতায়ে বৰ ডাঙৰ ঘটনা এটাৰ কথা শুনি আহিছে দদাই, কোনোবা পি ডব্লিউ ওপৰৱালা এজনক হেনো মন্ত্ৰীয়ে জীয়েকৰ বিয়ালৈ

তিৰিচ হেজাৰ টকা যোগাৰ কৰি দিবলৈ কৈছিল", থুলেশ্বৰৰ কথাখিনি মোলোকে কাটি লৈ মাজতে ধৰিলে "ৰ তই ৰঞ্জিতা খুৰাই কব নোৱাৰিবি। পি ডব্লিও দি মহৰীটোৱে বাপেৰক মোৰ দোকানতে সেইটো কথা কৈছিল। সি হেনো গোটেই ঘটনাটোকে গম পাইছিল। হেৰি অ' মন্ত্ৰীয়ে টকা লাগে বুলি কলত হেনো ডিৰেক্টৰে তিনিলাখ টকাৰ ঠিকা এটা উলিয়াই মন্ত্ৰীক পাচ কৰালে। চেক্ৰেটেৰীয়ে বোলে মোৰ দহহাজাৰ মন্ত্ৰীৰ চল্লিশ হাজাৰ। তাৰ পাছত— হেনো ইটোৱে সিটোৱে মন্ত্ৰীলৈ পঞ্চাশ হেজাৰ বুলি কৈ নিজৰ ভাগ বচাই বচাই কওঁতে শেষত ঠিকাদাৰে হেনো ৰাষ্টা বনাবলৈ পইচা নহবগৈ বুলি ক'লে। কাগজৰ ৰাষ্টা এটাকে বনাই বিলখন মই দিম। আপোনালোকে যোগাযোগ কৰি লওঁক। পইচা ভাগহৈ গ'ল। মন্ত্ৰীৰ জীয়েকৰ বিয়াখনো হৈ গ'ল। কোনোবাই কথাতো কাগজত লিখি দিলে। মন্ত্ৰীয়ে ঠিকাদাৰক কেইদিন মানৰ কাৰণে জেলত ভৰাই ৰাখিলে। কাম শেষ। নগেনে ধেক্‌ধেকাই হাঁহি দিলে।

মোলোকে এনেই ধেমেলীয়া কথা কয় তাতে অলপ বঢ়ন সানি কথাতো কলত গোটেইজাক মানুহে হাঁহি কিৰিলিৰে দোকান ঘৰ উৰাওঁ উৰাওঁ কৰিলে। তইঁতি কথাটো শুনি হাঁহিছ এইটো হাঁহি উঠিব লগীয়া কথানে। খং উঠিব লগীয়া কথা গোলোক? ৰাইজে বোকাত চাইকেল থেলি থেলি কান্ধত ভাৰ বৈ বস্তু গাঁৱৰ এই গেলা বাটেদি বজাৰলৈ নিয়ে। সেইবোৰ বস্তুৰ ওপৰতো হাতখোৱাৰ খাজনা দিব লাগে। সিহঁতি ভাগ কৰা সেইবোৰ টকা ৰাইজৰ তেজ। সেই ৰাইজৰ তেজখোৱা জাকক পচাৰে খুচি খুচি মাৰিব লাগে যে কথাবোৰ হাঁহিৰে উকৰাই দিব লাগে?" ডিম্বেশ্বৰে বোলে "তই পচাৰে খুচিবলৈ সিহঁতক পাবি ক'ত? বোলে "খায় কাৰশলা ডালত উঠিল কাঠিচেলেকাৰ মৰণ মিলিল।" সেইটো কাঠি চেলেকা ঠিকাদাৰে এসপ্তাহ জেল খালে বুলিছে নহয়' তয়েচোন খোকোটা জালমাৰি এগাল আনিছ বুলি কৈছে? সেইবোৰ কিবা তোৰ দৰমহাৰ পইচা নেকি?"

বংশীয়ে নিজৰ কথাত ধৰা পৰি কি কওঁ কি নকওঁকৈ বোলে মিলিটেৰী চাকৰিত বাহিৰা পইচা নাই ঐ নগেন। যি কেইটা জমা কৰিলো একেবাৰে ঘাম মোচা পইচা। ডিম্বেশ্বৰে আৰু মুখেশ্বৰে গধুলী হোৱাযেন দেখি গ'লগৈ। বংশীহঁতে মিছামিছি কথাত ফচি গ'লহি। যাওঁ যাওঁ কৰিও সিহঁত যাব পৰা নাই। বিনন্দ, মোহন আৰু ৰত্ন আহি ওলালহি। গধুলি সময়ত সদায় গাঁৱৰ ডেকা ল'ৰাই দোকানৰ আগত আড্ডা মাৰেহি। মোলোকে বোলে পইচা আনিছো বুলি ৰবকৈ ৰজন্ জনাই দিলে কিন্তু ধৰিবলৈ পইচা বিচাৰি ৰাইজে তোক তথা মুখুতি দেখুৱাব দেই বংশী।

গোলোকে বোলে তাৰ্লৈ ছোৱালী যাচিবলৈ আৰু মানুহ নাহিবনে ? আৰু কেইদিনমান ৰ' ছোৱালী দিয়া আলহী সুৰি তং নাপাবি। মোলোকে বোলে চাবি দেই বোপাই সোকোতাত দাঁত ভাগিব। মাষ্টৰক তোৰ গৰাকী পাতিছ হয়, বোলে পো-লৈ বুলি ছোৱালী চাওঁ ঘূৰি ঘূৰি মোলৈকে পাওঁ। সেইটোৱে কংসৰ এৰেহাকে খালে। তোকো নি তেনেকুৱাতে ফচাই দিবগৈ লাগিলে মৰি যাবি। মোলোকৰ মুখৰ কথা শুনি গোটেইজাকে কিৰিলি পাৰি হাঁহি দিলে। বংশীয়েও নহঁহাকৈ থাকিব নোৱাৰিলে। ফিতাহি মাৰি কথা পাতি বহুত সময় বংশীহঁতে এনেযে নষ্ট কৰিলে। আনফালে ল'ৰাবোৰৰ লগত কথা নাপাতিলেও সিহঁতক অৱহেলা কৰা যেন বুজায়। সিহঁত আহি দীঘলা-বসন্তৰ ঘৰ ওলালহি। দীঘলাই পিচদিনাৰ পৰা বংশীহঁতৰ লগত ওলাম বুলি কথা দিলে। বংশীহঁতে যি বিলাক মানুহৰ ঘৰৰ বিৱৰণ আনিছিল দীঘলা বসন্তক দেখুৱালে। যি কেইঘৰ মানুহে সহযোগ কৰা নাই সেই কেইঘৰৰ নাম কিছুমানো পটি শুনালে।

দৰঙ্গীচুকৰ মাত্র কেইঘৰ মানুহহে বাকী আছে। জালুকণী, জানৰ মুখ, জাপি সজিয়ালৈ যোৱাই নাই। এটা দল হৈ কাম কৰোতে

বহুত দিন লাগিব। দীঘলাই আৰু কেইটামান ল'ৰাৰ নাম কৈ তিনিটা মান দল হৈ কাম কৰিবলৈ পৰামৰ্শ দিলে। দীঘলা বসন্ত ৰাজহুৱা কাম কৰা মানুহ। অন্তৰত কপট নাই। যি কয় খোলাখুলি মুখৰ আগতে কয়। মাষ্টৰে যে ভৰধৰক লগ ল'ব খুজিছে সেইটো কথাহে দীঘলাই ভাল পোৱা নাই। তাৰ সলনি জাপি সজিয়াৰ সোণধৰ, ফটিকৰ লগ ল'লে কামো হ'ব আৰু সিহঁতক বিশ্বাস কৰিবও পাৰি বুলি বংশী হঁতক জাপিসজিয়ালৈ যাবলৈ ক'লে। তেতিয়ালৈকে বংশীহঁতে এটাই মানুহ পাইছে দীঘলা বসন্ত। যি বংশীহঁতক সহায় কৰিম বুলি কথা দিছে। এজন ভাল মানুহ সিহঁতৰ লগলৈ আহিল।

সেইদিনা ঘূৰাঘুৰি কৰাটো বাদ দিয়া হ'ল। সিহঁতৰ আচলতে কামবোৰ কৰি ভাল লগা নাই। প্ৰথমতে এঘৰত গৈ এটা প্ৰশ্ন কৰাৰ লগে লগে গৃহস্থই বহুত প্ৰশ্ন কৰি দিয়ে। শেষত বংশীহঁতে কি কৰিবগৈ সেইটো কথা নোকোৱাকৈ মানুহক কথা বুজাবলৈকো মস্কিল হৈছে। মানুহে নামানে। মাষ্টৰে য, কিমান ঘৰ মানুহৰ মাটি একেবাৰে নাই, কিমানৰ এপুৰা আছে, কিমানৰ বছৰটোৰ ধান ঘৰৰ মাটিৰ পৰাই পায়। সেইবোৰৰ বিতং হিচাব হাতলৈ নহাকৈ ধান নাই মাটি নাই বুলি ক'লেই দাবী কৰা নহয়। সময়মতে সেই হিচাব কাৰোবাক দেখুৱাব লাগিব আৰু আচল ভূমিহীন মানুহ বিলাকক প্ৰথমতে সংগ্ৰামী কৰি তুলিবলৈ মানুহখিনিক নিশ্চয় জানি ল'ব লাগিব।

মাষ্টৰৰ ঘৰলৈ ঘূৰি যাওঁতে বকুলে বংশীক তাৰ হাতত আচলতে বহুত টকা আছেনে এনেযে ধক ফুটাই বংশীয়ে মোলোকৰ দোকানত ক'লে, সেইটো বংশীক সুধিলে। বংশীযে বোলে কোনোবাই সুধিলে তহঁতি মোৰ হাতত ষাঠি হেজাৰ টকা আছে বুলি কৈ দিবি। টকা থকা মানুহক আজিকালি সকলোৱে সন্মান কৰে। সভাপতি হ'বলৈকো মাতে। মই কিন্তু সভাপতি হ'বলৈ নিবিচাৰো। টকা পইচা আছে

বুলি জানিলে ফু-মাৰি মোৰ কথাবোৰ মানুহে উকৰাই নিদিয়ে আৰু মোৰ টকা আছে বুলি জানিলে ৰামধাৰী কংসহঁতেও জলি পুৰি মৰিব। টকা পইচাৰ লোভ দেখুৱাই মানুহক ঠগাব ইচ্ছা মোৰ নাই। কিন্তু অলপ ওজন নাথাকিলে আজিৰ বাইজে মানুহক পাত্তা দিবলৈ নিবিচাৰে কাৰণে মই এই কৌশলটো কৰিলো বুলি কওঁতে হাতত লেম এটা লৈ মিলনবেজ পাৰ হৈ গ'ল। বংশী থমকি ৰ'ল। সেয়া মোমাই নহয়নে ?

বংশীৰ মাত শুনি মিলন ঘূৰি আহিল। কোন ? এই ৰাতিখন ক'ৰ ভাগিনটো ওলালহি ? হওঁতে বাই-ভনী আছিল। ভাগিনহঁতো আছিল মোমাইৰ পিঠিৰ ছাল ফপৰিয়া হোৱাৰ পিছৰে পৰা সকলোৱে পাহৰিলে। মই বংশীৰ মোমাই। হয়নে ? বোলে “কলিযাববতে পৈযেক মৰিল, ঢেকী দিওঁতে মনত পৰিল।” তই অহা দুমাহ হ'ল, এই ৰাতি মাত্ৰ বাটতহে তই মোমাযেৰক মাত লগাব পাৰিছ ! মাৰ জীযাই থকা হ'লে ভাগিন হৈ থাকিলিহেঁতেন। যাগৈ সোন, তই মোক মোমাই নুবুলিলেও মই হাউলি নপৰো। শুকাই শুকাই মৰিলেও তোৰ ওচৰত পইচা দে বুলি অমুকাই হাত নাপাতেগৈ বোপাই। তই ভয নকৰিবি। দুপইচাৰ মুখ দেখি এচলু পানীৰ খলিহনাৰ দৰে তই চট্‌ফটাইছ। মন্ত্ৰী এম, এল, এ হবি ! সেইকাৰণে এতিযাৰ পৰা কেলেহুৱা মোমাই-দদাইহঁতক লেই লেই ছেই ছেই কৰিবলৈ ধৰিলিযেই। এতিযা তোৰ লগত মই কথা পাতিবলৈ সময নাই। মই বেমাৰী চাবলৈ আহিছো বুলি মিলনে দুখুজিযা খোজেৰে গুছি গ'ল। মিলনৰ খোচমৰা কথাবোৰে বংশীৰ বুকুখনত শালি ধৰিলে। তাক মুখেৰে মাতিব নোৱাৰা কৰিলে।

বকুলে বোলে তই হ'লে এটা বেয়াকাম কৰিলি বংশা। মাৰ বাপেৰ হালকে তেওঁ তালাপি কৰি মাৰিছিল। মিলন বেজে বাপেৰৰ গু ধুইছিল অ' ! সেইটো মানুহক পাহৰি যোৱাটো তই অন্যায় কাম

কৰিছু। বুঢ়াই মনত বৰ দুখ পাইছে দেই। আকবৰে বোলে মোৰ মনতো কিবা লাগি গ'ল পায়। বংশীয়ে বোলে তই তিনো কি কথাবোৰ কৈছ অ'? মই তিনিদিন তেওঁৰ ওচৰলৈ গৈছো। দুৱাৰত তলা এডাল ওলমি থাকে। আকবৰে বোলে লগ পোৱাকৈ যাওঁ বুলিলে কেনেকৈ লগ নাপাবি এ। তই যা'ব বু'ল দুৱাৰ মেলি চাই থাকিলে তাৰ যে পেট নচলে সেইটো'ও তই মনত ৰাখবা। ইফালে তেওঁ ঘৰত সোমাই থাকিলে গাঁৱৰ মানুহখন মৰি শেষ নহ'ব নেকি?

বকুলে ফিটিঙালি কৰি কোৱা কথাত আকবৰে জবজকাই উঠিল। তোৰ খালি কথাই প্ৰতি হাট্টা-মস্কৰা। মানুহে বেজৰ জৰা-ফুকা বিশ্বাস কৰে কাৰণেহে তেওঁক মানে। সাপে খায় মৰা মানুহ ভাল কৰা তন্ত্ৰ-মন্ত্ৰ জনা মানুহ জানো তেওঁৰ উপলুঙা নকৰিবিছোন। বকুলে বোলে তেওঁক কি মই নেজানো? তেওঁ ধনগুটৈ বিচাৰি ফুৰে। মন্ত্ৰ মাৰি কলহে কলহে ধন খান্দি উলিয়াই বৰ ডাঙৰ পকা ঘৰ সাজিছে। তই তাকে লৈ বজাৰ নালাগে থা। মৰা মানুহ ভাল কৰিব পৰা ক্ষমতাৰ বেজটো দেখিলি এ। তই দেখিছ? তেওঁ ভাল কৰা মানুহ নিজ চকুৰে দেখিছ?

আকবৰে বোলে দেখা মানুহবোৰে মিছাকৈ কয় নেকি? বংশীয়ে বোলে সেইবোৰ কথা নেলাগে। তেওঁ ইমান ডাঙৰ বেজ হোৱাহ'লে তেওঁক নি মেডিকলৰ প্ৰফেচাৰ পাতিলেহেঁতেন আৰু তেওঁৰ তন্ত্ৰ-মন্ত্ৰৰ পুথি-পাঁজী সোপাহে মেডিকেলৰ ল'ৰাক পঢ়ালেহেঁতেন। বংশীৰ কথাত আকবৰে উত্তৰ দিব নোৱাৰে। সি মনে মনে থাকিল। বকুলে বোলে আচল কথা ক'ৰবাতে থাকিল। মিলন বেজৰ কথাটোহে ওপৰ উঠিলহি। ইফালে বুঢ়াই চাগৈ বংশীয়ে ভাত ৰান্ধি বাহি খাম বুলি কলমতিয়াই আছে। সিহঁত মাষ্টৰৰ ঘৰলৈ বুলি আগবাঢ়িল।

সেইদিনা ৰাতি ভূধৰৰ ঘৰৰ চোতালতে ভকত সকল বহিছে। ভকত বেচি মতা নাই। ন-জনীয়া ভকতৰ কাম। মুকুন্দে দিনৰ পৰা লাগি কামখিনি শেষ কৰি শৰাই সজোবাত লাগিছেহি। বংশীক ভূধৰে সমাজতে বহিবলৈ ক'লে। লংপেণ্ট পিন্ধি গাৱঁৰ সমাজত মানুহ নবহে। আনহাতে বংশীৰ তেতিয়ালৈকে চুৰীয়া পিন্ধাৰ প্ৰয়োজন হোৱা নাছিল। শেষত লক্ষ্মীৰ ন-হতীয়া চুৰীয়াখনকে পিন্ধি সি নামৰ সমাজত বহিবলগীয়া হ'ল। লক্ষীহঁত ঘৰৰ মানুহ, সকলো ঘৰৰ কামে কামে ব্যস্ত। কোনো নামৰ আগত বহাহি নাই, বংশীও ঘৰৰে মানুহ। তথাপি দদায়েকে সমাজত বহিবলৈ কৈছে কাৰণে ভকতসকলৰ এমূৰে আঠুমূৰীয়াকৈ চুৰীয়াখন পিন্ধি সি বহিলগৈ।

মনবৰে কীৰ্ত্তন পঢ়িছে, মাতটো ভাল। সুৰ লগাই গাইছেও মনবৰৰ নিচিনা শিয়াল এটাই কীৰ্ত্তন পঢ়িলে কি হ'ব। মন একেটাই মাথো সময়ে সময়ে বিভিন্ন ৰূপ বদলি কৰে। কীৰ্ত্তন এক আধ্যায় পঢ়োঁতেই ৰহেশ্বৰ বুঢ়াই নামত ধৰিবলৈ ক'লে। ভিতৰৰ পৰা অহা ধোঁৱাবোৰৰ লগতে হাঁহৰ মাংসৰ গোন্ধ অহাৰ কাৰণেই নে— পুৱাই হাল কোৰ বাবলৈ যাব লগা কাৰণেই ভকতে খৰধৰ লগাইছে, বংশীয়ে ঠিক বুজি নাপালে। নামত ধৰিলে। কৃষ্ণ নাম নাৰায়ণ গোবিন্দ জয় জয় আৰম্ভ হোৱাৰ লগে নামৰ সামৰণি পৰিল বুলি বংশীয়ে গম পালে।

ৰহেশ্বৰ বুঢ়াই আশীৰ্বাদ মুখস্থ মাতিছে। কান্ধত গামোছা এখন লৈ বংশীয়েও আশীৰ্বাদ লৈছিল। তাৰ মনটো ভাল লাগি গৈছে। সি মাক বাপেকৰ পৰি থকা সকামখিনি কৰি ৰহেশ্বৰ বুঢ়াৰ আশীৰ্বাদ ল'বলৈ মনস্থ কৰিলে। মৃতকৰ কাম-সকাম কৰা মানে আচলতে স্মৰণ কৰা এটা সামাজিক নীতি। সেই নীতি, সেই নীতি পালন কৰিলে কি লাভ হ'ব অথবা পালন নকৰাকৈ থকাৰ কাৰণে বা কি লোকচান হৈছে সি একো বুজি নাপালে। ৰাইজে ভাল পাওঁক বুলি

অৰ্থহীন নীতি এটাক জানি শুনিও পালন কৰিলে অৰ্থহীন বুলি ভবাৰো কোনো মূল্য নাথাকে। আন হাতেদি এই নীতিবোৰৰ যুক্তি হীনতা বুজাবলৈকো ৰাইজৰ মাজত থাকিব লাগে। বংশীয়ে কথাবোৰ ভাবি আছিল।

খুন্দনাটোত খুতুৰ খুতুৰকৈ তামোল খুন্দি থকা ৰহেশ্বৰ বুঢ়াক মনবৰে কাণে কাণে কিবা এটা কোৱাৰ পাচত ৰহেশ্বৰ বুঢ়াই বংশীক ক'লে, হেৰ বোপাই বংশী তোক, ৰাইজৰ ববীয়াকৈ কথা এটা কওঁ শুন। তই গাৱঁৰ ঘৰলৈ ঘুৰি আহিলি যেতিয়া ৰাইজৰ মাজতেই থাকিবও লাগিব। বোলে "পৰদেশ মৰ ভেশ।" বাহিৰত ফুৰি তই ক'ত কি কৰিছিলি নকৰিছিলি আমি দেখা নাই কাৰণে তাৰ ওপৰত আমি একো নকওঁ। তই আহিলি যেতিয়া ৰাইজৰ মান ৰক্ষা কৰি নিৰি কোৱাইটিৰ মুখৰ ছাই মাটি গুচাবলৈ কাম সকাম এটা কৰিব লাগে। মিলন বেজে বোলে হয়তো, সদায় ডেকা হৈয়ে থাকিম বুলি ভাবিছ নেকি? ভাল ছোৱালী এজনী চাই বিয়াখনো পাতি দিওঁ। তালৈকে ঘৰ এখন পাতিবলৈ তাৰ উম ঘামেই নাই দেখোন। মাষ্টৰৰ লগত খপুৰা খাতিবলে তোৰ কি বংশ পৰিয়াল, অঙ্গহী-বঙ্গহী নাইকিয়া হ'ল? সেইটো ভূধৰ দদায়েৰ, তাৰ ঘৰতে থাক। তাৰ ঘৰত জঞ্জাল পাৱ যদি মই অকলশৰীয়া মানুহ মোৰ ঘৰতে থাকহি। মুঠতে তই ঘৰ সংসাৰ পাতি ৰাইজৰ লগ লোৱাটোকে আমি বিচাৰিছো।

মুখত গামোছা বান্ধি মাহ চাউল বিলাই থকাৰ পৰাই মনবৰে মাত লগালে তাক কথা কৈ লাভ নাই তাৰৈ। সেইদিনা সেইবোৰ কথা কম বুলি তাৰ ওচৰলৈ গ'লো মাষ্টৰৰ আগতে সি ওঁঠ চেপিলে গাখীৰ ওলোৱা ল'ৰাটোৱে মোক থৰে থৰে ৰাখিলে। সি ঘৰ পাতিবনে? হেৰ' জাতৰ নহয় কুলৰ নহয় সেই অঘৰী বামুণটোৰ লগত সি কেলৈ খোৰ লৈছেগৈ বাক কোৱাচোন ৰাইজ। মোৰ মুখ খোল খালে কিবা কথা ওলাব, নকওঁ আৰু।

হাতত মাহ প্ৰসাদ লৈ বিলাই থাকোতেই দুই তিনিবাৰ ওভট্‌ মাতষাৰ মতাৰ কাৰণে বংশীয়ে মনবৰক ভালকৈ শুনাই দিব খুজিছিল। ৰাইজৰ মাজত ডাওৰক সাৱধান কৰিবলৈ যোৱা ভাল নহব বুলি কওঁ কওঁ কৰিও সি সহি থাকিল।

দিহিঙিয়া বুঢ়াই মুখৰ পৰা বিড়িটো আঁতৰাই লৈ বোলে মইও তোক কথা এটা কৈছো বোপাই, যি যিমানৰ মানুহ সিমানতে থাকিব লাগে। মাষ্টৰে তোক ওপৰলৈ তুলি দিলেই তই উঠিবলৈ যাব নেলাগে নহয়। তোৰ পোতন্‌ কিমান, ওজন কিমান সেইটো চাই চিতিহে তই ভোট খেলিবলৈ পাখি মেলিব লাগে। হিংসাত কৈছো বুলি নাভাবিবি দেই বোপাই। সময় আছে, তোৰ বয়সো পৰিযোৱা নাই। ৰাইজৰ মৰম পাবলৈ ৰাইজৰ কাম এতিয়াৰ পৰা কৰ বাৰু। কিন্তু ধেইতাক বোলোতেই মণিকুটৰ ওচৰলৈ যাবলৈ চেষ্টা নকৰিবি। শুনিছো বোলে হস্পিতেল এখন পাতো বুলি ৰাইজৰ চহী পত্ৰও লৈছিলি। ক'তা সেইবোৰ একো নকৰাকৈ আকৌ দেখোন কিবা মাটিবাৰীৰ হিচাব উলিয়াবলৈ ধৰিছ। কমিউনিষ্ট বুদ্ধি কৰিছ যদি উধাব নোৱাৰ দেই। কাৰোবাৰ হাতত ঘূণীযাহে হবি। কংগ্ৰেছত লাগ। নিজৰো গা শকত হ'ব, ৰাইজাৰো উপকাৰ হ'ব। কি কোৱা ৰহেশ্বৰ ককাই ?

ৰহেশ্বৰে বোলে নকৈছো, বাওনা হৈ চন্দ্ৰ ধৰিবলৈ হাত মেলোতে মুখ থেকেচা খায় পৰিবই। বোলে "আগ মুগুণি গুণে পাছ লোভত মৰে বৰশীৰ মাছ।" সাঁচতীয়া পইচা কেইটা আছে কাৰণে তাৰ কি কৰো কি নকৰো লাগিছে বুজিছ মিলন।

বংশীয়ে তাৰপ্ৰতি ৰাইজৰ মনোভাৱ কি হৈছে ভকত সকলৰ মুখত শুনি সময়ৰ শৰ নামাৰিলে ৰাইজৰ মনৰ ভুল ধাৰণাই প্ৰতিক্ৰিয়া কৰিব বুলি ভাবি সি বোলে ৰাইজ, মন্ত্ৰী এম, এল, এ হোৱা কথা

মই সপোনতো ভৰা নাই। হস্পিতেল এখন পাতিমেই। মাষ্টৰে মাটি দিছে। দিছে যদিও কংসই সেই মাটিত হস্পিতেল হ'ব নোৱাৰে বুলি আপত্তি কৰিছে। কংসই গণ্ডগোল কৰিলে দিগদাৰী হ'ব। আৰু আমাৰ ৰাইজে চৰকাৰী চিলিং আইনৰ কথা একোকে নেজানে। কিন্তু এইখন আইন পাছ কৰিছিলে কৃষক ৰাইজৰ ভূমি সমস্যা দূৰ কৰিবৰ কাৰণেহে। ৰাইজক আইনখনৰ ভূ-ভা চৰকাৰে জানিবলৈ নিদিযাৰ কাৰণেই সেই আইন ভঙ্গ কৰি মাটি গিৰিয়াইঁতে মাটিবোৰ চাকৰ নাকৰৰ নামত ৰাখি গজগজীযা হৈ আছে।

আমি ডেকাবোৰে এই আইন অমান্য কৰা মানুহকিজনৰ ভিতৰৰ গেলা বুদ্ধিবোৰ খুচৰি উলিযাই চৰকাৰৰ ওচৰত দাবী কৰিম—আমাক মাটি লাগে বুলি। সেইটো কাম কৰিবলৈ যাওঁতে ৰাইজে আমাক সহায কৰিছে। কিন্তু আমাৰ ভিতৰৰে অজিন-পাতকি কোনোবা কেইটামানে ৰাইজক কুটকথা শিকাইছে। আৰু মই ভোটত উঠিবলৈ থলি বনাইছো বুলি প্ৰচাৰ কৰি ফুৰিছে।

মিলনে বোলে কথাবোৰ শুনি ভালেই লাগিছে। ভাল লাগিছে যদিও বিপদো আছে বোপাইঁত। সেইটো ৰামধাৰী নুনিয়াই ডিক্ৰু নৈত বুৰিযাই বুৰিযাই মাছ ধৰি বেচিছিল। সি জানো দেশৰ পৰা মাটিবাৰী-বোৰ লগত লৈ আহিছিল? নাই অনা। চল বুদ্ধি কৰি ৰাইজৰে মাটি ঠগী ঠগী লৈ সিও এটা মাটি গিৰিযা মহাজন হ'ল। মদৰ মহল, কাঠৰ মহল, এতিযা তাৰ নাই কি? তাৰ লগত ফেৰ মাৰিবলৈ যোৱা উলা-মূলা কথা নহব। বাকী কেইজনেও আঙুৰখাই উঠিব। সেইকাৰণে মই ইমানতে সেইবোৰ এৰি পেলোৱাটোকে ভাল বুলি ভাবিছো। দীঘলা বসন্তই মাতো নামাতোকৈ বোলে ৰাইজ সহি থাকোতে সহি থাকোতে মূৰৰ ওপৰত উঠিল। মূৰৰ পৰা নমাবলৈ এচাৰ মাৰি দিবনে বহি শুই দিব? মই চাওঁতে ল'ৰাইঁত আগবাটি ওলাওক্তেই ডেকা বুঢ়া, মতা-মাইকী

সকলোৰে হেঁচা মাৰিহে ধৰিব লাগে। মাছ মৰক নমৰক বিলখন ঘোলা কৰি দিওঁ।

মনবৰে মুখৰ গামোছাখন গুচাই বোলে ভৰিৰে পানী ঘোলা কৰিবি হয় বিলৰ গৰাকী বৰমূৰীয়া কেইটাই ধৰি থেকেচী পেলাব। সেইযাৰ কথা পাহৰি নাযাবি আকৌ। ঘৰে ঘৰে গৈ মাটিবাৰীৰ হিচাব লবলৈ বংশীৰ কি এক্তিয়াৰ আছে। সি মাটিৰ হাকিম নেকি? লন্দ-ভন্দ হ'ব দেই। মই আগৰ কথা আগতেই কৈছো দেই। তাকে চাই ৰাইজে কি কৰা. কৰি থাকা। ৰাইজ এইকালে এযাৰ কওঁক। মনবৰে বিলনীযাৰ আশীবাদ লবলৈ ডিঙিত গামোছা লৈ আঠু ল'লে, ৰাইজে অ' হৰি অ' ৰাম কৰিলে। বংশীয়ে মনবৰৰ কথা মুশুনা ভাও ধৰি মাহ চাউল চোবাই চোবাই বোলে ৰাইজ আপোনালোকে মোক বিয়া বাৰু পাতি ঘৰ সংসাৰ কৰি ৰাইজৰ লগ লবলৈ কৈছে। মইযো ৰাইজৰ কাৰণে মৰিম বুলি নিজকে আগবঢাইছো। মই মোৰ মনৰ ভাৱবোৰ সেইকাৰণে ৰাইজক খুলি কৈছো। মই ঘৰ সংসাৰ কৰিম। কিন্তু বোপাইৰ মাটিখিনি ৰামধাৰীৰ হাতৰ পৰা উদ্ধাৰ কৰিব নোৱাৰালৈকে মই অগৰী হৈয়ে থাকিম।

মিলনে বোলে হেৰ' সেইটো ত্ৰঘণ্টাৰ কাম নহয, তাৰ দেনা পাওঁনা খিনি হিচাব নিকাছ কৰি দিলেই সি মাটি এৰি দিব। বংশীয়ে বোলে দেনা পাওনা হিচাব-নিকাছ কৰিবলৈ নাই মোমাই, আজি ইমান বছৰে সি মাটিৰ ধান খাইছে। সি পিতাইক কানি খুৱাই মাটি-বাৰীবোৰ লিখাই ল'লে। মই তাক এটা পইচাও নিদিওঁ। ইমানদিনে সি সেই মাটিৰ পৰা সুদ মূল সকলো উঠাই ল'লে। মাটি বিনা চুক্তিত সি এৰি দিব লাগিব।

দীঘলা বসন্তই বোলে ধানৰ হিচাব মতে ধৰিলে বন্ধকী মাটি সকলোৰে এৰি দিব লাগিব। গদাধৰ কংসৰ হাততো ৰাইজৰ বহুত

মাটি বন্ধকত আছে। বংশীযে এইটো ভাল পইণ্ট দেখুৱাইছে ৰাইজ। সদ্যহতে ৰামধাৰীৰ পৰা সি তাৰ বাপেকৰ মাটিখিনি মুকলি কৰি ল'ব পাৰিলে বাকী মানুহবোৰৰ কাৰণেও ৰাষ্টাটো ওলাই পৰিব। এদিন বুঢ়া-মেথা কিজন গৈ ৰামধাৰীক ভালেৰে কওঁকগৈ, বুলি সি নাবালক হৈ থাকোতে তাৰ বাপেকে মাটি-বাৰী কি ডবাৰ মুদা মাৰি থৈ গ'ল। মাউৰা ল'ৰা আমি ৰাইজে তাক ঘৰ এটি সাজি দি গত লগাব খুজিছো।

বংশীহঁতৰ উদ্যমটোৰ সমৰ্থনত ৰাইজক যুক্তি কৰি ৰামধাৰীৰ ওচৰলৈ যি কোনো উপাযেৰে পঠিওৱাৰ চেষ্টা কৰিবলৈ আগদিনা দীঘলা বসন্তক মাষ্টৰে কৈছিল। আৰু বিশেষ চেষ্টা নকৰাকৈ কথাটো ওলোৱাত দীঘলা বসন্তই ৰাইজক ৰামধাৰীৰ ওচৰলৈ যাবলৈ ক'লে। দীঘলাৰ কথা শুনি দিহিঙীযা বুঢ়াই বোলে এটা কথা নহয দীঘলা, বান্দৰৰ হাতৰ কল কেতিযাবা সৰি পৰা দেখিছ জানো? এতিযাও কথা সেইটোৱেই হ'ব। তাতে সি জানো এবাৰ মাটিৰ কাৰণে ৰামধাৰীক দা দেখুৱাই কাটিবলৈ যোৱা নাছিল? তথাপি সি দিলে দিব নিদিলে নিদিব? ৰাইজ এদিন গৈ অহাতনো কি অসুবিধা আছে?

বংশীযে বোলে যাব লাগে কাৰণেই যাম, সেইটো নহয, দদাই। সি দিবই লাগিব আৰু তোমালোকেও মাটি এৰি দিব লাগিব বুলি দাবী কৰিবগৈ লাগিব। তাৰ ওচৰত ভিক্ষা বিচাৰি যাবলৈ ৰাইজক মই কেতিযাও নকওঁ। মনবৰে বোলে তই দাবী কৰগৈ। ৰাইজক যাবলৈ কলেই ৰাইজখন যাব নোৱাৰে নহয। মাটি বন্ধক বিচাৰি সিহঁতি কোনদিনা গাঁৱলৈ আহিছিল?

তোৰ বাপেৰক কানি খা কানি খা বুলি ৰামধাৰীযে যাচি দিছিলনে? বাপেৰে ঘটী বাতিৰ পৰা বোৱতি মাটিলৈকে তাৰ হাতত চমজাই দি কানি খাইছিল? কথা ক'লে আইনমতে কৰি। ৰামধাৰীয়ে

আইনমতে লিখা লিখি নকৰাকৈ তোৰ মাটি কেতিয়াও পোৱা নাই! তেনেস্থলত কোন যুক্তিৰে তোক মাটি ঘূৰাই দিবই লাগিব বুলি ৰাইজে দাবী কৰিবগৈ ? বংশীয়ে অৰ্জীন পাতকি বুলি মনবৰকে উদ্দেশ্য কৰি কথাকোৱাৰ পোতক দিবলৈ মনবৰে সুবিধা বিচাৰি আছিল। সুবিধা পাই বংশীক বহুৱাই দিলে। মনবৰৰ কথাত যুক্তি আছে। বংশীয়ে উত্তৰ বিচাৰি পোৱা নাই।

তৰ্ক আৰম্ভ হয় বুলি ভূধৰে ভয়খাই আছিল। খন্তেক নীৰৱ হোৱা যেন দেখি ভূধৰে ৰাইজক ভাত খাবৰ কাৰণে আঠুলৈ ভিতৰলৈ মাতিলেহি। খোৱাৰ সময়ত মন বেয়া হয় বুলি ভাবি বংশীয়েও নীৰৱে থাকিল। দাবীবোৰ সকলোৰে সমৰ্থন কৰে। কিন্তু জনাবলৈ সাহ নকৰে। মনবৰে আগবাঢ়িব খোজা মানুহখিনিক বাধা দিলে। কংস, ৰামধাৰীয়ে নিজে আহি যিটো কাম কৰিব নোৱাৰে সেইবোৰ কাম মনবৰ, গেঁঠুহতৰ হতুৱাই কৰাই লয়। সিহঁতি যিমানেই শক্তিশালী নহওঁক ঘৰ বিভীষণ জাতিৰ এই দালাল বোৰৰ সহায় নললে একো কৰিব নোৱাৰে। ইঘৰ-সিঘৰৰ মাজত হাই কাজিয়া হ'লে দালাল বোৰে মানুহক উচটাই বিচাৰৰ কাৰণে কংসহঁতৰ ওচৰলৈ পঠিয়াই।

দুঘৰ মানুহৰ মাজত মিত-মাত কৰি দিয়াৰ পৰিবৰ্তে সিহঁতি পুলিচৰ ওচৰলৈ পঠিয়ায়। পুলিচে টকা খাইহে কেচ্ লয়। ছাগলী, গৰু বেচি কেচ চলাই শেষত মাটিবাৰীখিনি ধাৰত মাৰি বিক্ৰি অথবা বন্ধকত কংসহঁতৰ ওচৰত দি সৰ্ব্বস্বান্ত হয়। আনহাতে চিৰজীৱনৰ কাৰণে ইঘৰ-সিঘৰৰ মাজতে শত্ৰুতা হয়। সেই জাতিৰ দালাল, মনবৰৰ যুক্তিত, মানুহে নিজে গৈ মাটি বন্ধকী দিয়েগৈ। এটা নামঘৰ ভাঙি সাতোটা কৰা জাতি দ্ৰোহী জাতি দ্ৰোহী এই কংসহঁতেই। ৰাজনীতি কৰাৰ নামত সিহঁতি গাওঁ বোৰত বিভিন্ন উপায়েৰে এইদৰে দালালৰ সহায়ত সমাজৰ বান্ধ বোলা কথাতো অৰ্থহীন কৰি পেলালে।

মাষ্টৰে কোৱা কথা একেবাৰেই সঁচা। শংকৰ গুৰুৱে নামঘৰত ৰাইজক গোট খুওৱাৰ উদ্দেশ্যটো আজিকালি মাহ-প্ৰসাদ, নাম-কীৰ্ত্তন সৰ্বস্ব হ'ল। মেল মিটিঙৰ পৰা আৰম্ভ কৰি বাদ-বিবাদ নিষ্পত্তি বাট-পদুলি মেৰামত আনকি সংস্কৃতি চৰ্চাৰ ৰাজহাড স্বৰূপ নামঘৰ বিশাকৰ পৰা আজিৰ সমাজে আগবাঢ়ি যোৱাৰ পথত একো সহায় কৰিব পৰা নাই। ৰাইজ খাবলৈ বহিলগৈ। পিছফালৰ চোতালত ধান শুকুৱা ধাৰীৰে ৰভা দি ভকতক খুবাইছে। বংশী আৰু লক্ষীক এমূৰে খাবলৈ দিছে। ৰাইজে খাই উঠি হাত মুখ ধোৱাৰ পাছতহে বংশীহঁত বহিল।

খোৱাৰ পাতত বহি বংশীৰ লংগৰ খানালৈ মনত পৰিল। স্বৰ্গ-মৰ্ত্য ব্যবধান। মানুহ নিমন্ত্ৰণ কৰি প্ৰবঞ্চনা কৰা হৈছে। এপাচি শাকত এটা জালুক দিয়াৰ দৰে হঁতৰ মগুহবোৰ লাও, কোমোৰাৰ মাজত ঘৰৰ ঘৰোৱালে খাইছে। আৰ্থিক অনাটনত জৰ্জৰিত কৃষক ৰাইজৰ কাৰণে বান্ধি দিয়া পূৰ্ব্বৰ ধৰ্মীয় নীতি। এটা হঁতকৈ বেছি বধ কৰিব নোৱাৰে। ক্ষমতাহীনৰ কাৰণে উত্তম ব্যৱস্থা। কিন্তু আজিও অৰ্থ-অনাটনৰ সেই অৱস্থা বিদ্যমান। এই নীতিবোৰ ৰচনা কৰা যিমান দিন হ'ল সিমান দিনৰ পৰাই কৃষক অৰ্থ নাটনিত ভোগী আছে, অতি ভক্তি ভাৱেৰেই ভূধৰে ৰাইজক খুৱাইছে। কিন্তু সেই ভক্তি ভাৱেৰে খুউৱা মাংসৰ গোন্ধৰ পৰা আন্তৰিক তৃপ্তি ভকতে পায় জানো? সি ওপৰলৈ মূৰ নকৰাকৈ খাই উঠি আহিল।

তেতিয়ালৈ ৰাইজ ঘৰাঘৰী গ'লেই। ৰাইজক বিদায় দি ঘূৰি আহি ভূধৰো খাবলৈ বহিল। ঘৰৰ সকলোৰে খোৱা শেষ হোৱাৰ পাছত বংশীয়ে যাওঁ বুলি ওলাই আহিল। ভূধৰে বংশীক ৰাতিটো ভূধৰৰ ঘৰতে থাকিবলৈ ক'লেহি। বংশীৰ থকাৰ ইচ্ছা নাছিল। কাৰণ ঘৰটোৰ ভিতৰখন খুউব গৰম, সেই গৰমত খিৰিকী নোহোৱা ঘৰটোত,

তাতে সি কোনোবা এটাৰ লগতহে শুব লাগিব। লক্ষীৰ বিচনাখনৰ ওচৰতে যি এখন সৰু খিৰিকী আছে, সেইখনেদি পশ্চিমফালৰ ৰ'দ এচেৰেঙাও ঘৰটোৰ ভিতৰত সোমাই নে নোসোমাই সন্দেহ। গৰম সহ্য কৰিব পাৰি। কিন্তু শীতৰ সেমেকা নিশাবোৰ সহ্য কৰা বৰ কষ্টকৰ। মানুহে সেইবাবেই ঘৰবোৰত চাপৰকৈ চালি নমাই দিয়ে। সেইখন ঘৰতে বাপেক মৰাৰ পিচত সি প্ৰায় চাৰি-পাঁচ বছৰ আছিল যদিও জাৰ গৰমৰ খবৰ নোপোৱা সেইটো বয়সত শুই যাওঁতেই তাৰ তেতিয়া টোপনি আহিছিল। এটা ৰাতিহে। তেনেকুৱা বহুত ৰাতি সি ফৌজত থাকোতে উজাগৰে কটাই আহিছে, সি থাকিল।

ভূধৰে জুইকুৰাৰ অলপ আঁতৰতে বহি আছিল। জয়মতী আৰু মাক গুনদাই বাচন-বৰ্তন ধোৱাত ব্যস্ত আছিল। বিনন্দই খাই উঠিয়েই বিচনালৈ গ'ল। লক্ষীয়ে বাহিৰ ভিতৰৰ পৰা বস্তুবোৰ সামৰিছে। ভূধৰে বংশীক মাতিলে। বংশীয়ে মুঢ়া এটা লৈ বেৰত আউজি বহি ভূধৰৰ চকুলৈ চাই ৰ'ল। ভূধৰে বংশীক আগৰ উদণ্ড স্বভাৱটো এৰি সকলোৰে লগত মিলিজুলী থাকিবলৈ আৰু ৰাজহুৱা কাম কৰি শত্ৰু নবঢ়াবলৈ বুজনি দিলে।

মাষ্টৰৰ ঘৰৰ পৰা সোনকালে আঁতৰি আহি ভূধৰৰ কঠিয়াতলীতে এমূৰত ঘৰ এটা সাজি বংশীক থাকিবলৈ ক'লে। লক্ষীয়ে ঘৰটো সাজোতে খাটি দিব। তদুপৰি সময়ে সময়ে ভূধৰে নিজেও ঘৰটো সজাত বংশীক যি পাৰে সহায় কৰি দিব। লক্ষী আহি বোলে আমাৰ বাৰীৰ বাঁহ আছেই। খেৰ অলপমান কিনিবি। দুইটাই লাগিলে এসপ্তাহ মানতে ঘৰটো ওলাব। গুণদাই তামোলৰ বটাটো লৈ বহিলহি। ভূধৰৰ ওচৰতে জয়মতীও বহিলগৈ।

গুণদাই বংশীক অতি সোনকালে মাষ্টৰৰ ঘৰৰ পৰা তেওঁৰ ঘৰলৈ গুচি আহিবলৈ কৈ বোলে আমি দদায়েৰ-খুৰীয়েৰ হাল জীয়াই

থাকোতে তই বামুণৰ ঘৰত খোৱা বাচন ধুই মৰিছগৈ' গাঁৱৰ মানুহে মোকহে দোষ দিছে' খুৰীয়েক জনীৰ কাৰণেহে সি বোলে চপনীয়া চাপিব লগীয়া হৈছে। সেইষাৰ কথা সেই। ইফালে উদক ভৈটাৰখীয়া দিয়াৰ দৰে কথা হৈছে। কি বুদ্ধি কাৰ মাষ্টৰে তোৰ সাঁচতীয়া পইচা কেইটা হাত কৰিব তই গমকে নেপাবি। তোৰ পইচাখিনি হয় দদায়েৰৰ হাতত, নহয়, ডাকঘৰে চাকঘৰে থবি যোপাই। আজিৰ বাদে কালিলৈ তই বিয়া বাৰু কৰাই ঘৰ এখন পাতিব লাগিব। পইচাকেইটা হাত এৰি হেতালী খেলিলে পিচত তধা-মুধা দেখিবি। আৰু এটা কথা তোক ক'বলৈ আছে। লক্ষীৰ ছোৱালী ঠিক হৈ আছে। আগতে তোৰ বিয়াখন নপতালৈকে তালৈ ছোৱালী নানো বুলি মই বৈ আছো। তোৰ কাৰণেও আমি ছোৱালী চাই থৈছো। দদায়েৰে হুঁ বুলিলেই ছোৱালীও দিব। জয়মতীয়ে বোলে তই ছোৱালী দেখিছই বংশী কাইটি। এতিয়া লুকাবলৈ কিটো আছে। সেই আমাৰ জোনাকীৰ সৰুজনী ছোৱালী, অই কামে-বনে, বোৱাই কটাই, বাই-তোলাই দহৰ আগত যোৱা ছোৱালী পায়। দেখিবলৈ সিমান কলা নহয় যদিও দলিযাই পেলাই দিয়া বিধৰো নহয়। গুণদাৰ কথাৰ ওপৰতে জয়মতীয়ে আকৌ ক'লে, তোৰ সৈতে খুব মিলিব কাইটি ... সৰুতে দেখাৰ দৰে হৈ আছে বুলি নাভাবিবি। এতিয়া বৰ এজনী হ'ল' গুণদাই বোলে মিতিৰাতে মিতিৰ পাতিলে মৰম চেনেহ থাকে।

ইমানপৰে বংশীয়ে তলমূৰ ওপৰ কৰা নাছিল। সি বোলে বহুত ৰাতি হ'ল পাই। জয়া, মোকনো ক'ত শুবলৈ দিছ? বংশী, লক্ষীৰ সৈতে একেখন বাইৰ খাতিযাতে শুব লগা হ'ল। ভূধৰে গুণদা-জয়মতী-হঁতৰ কথাবোৰৰ সপক্ষে বা বিপক্ষে একোকে নকলে। শুবলৈ তৎ নোহোৱা ভাও ধৰি সি গুণদাহঁতৰ ওচৰৰ পৰা আঁতৰিব খুজিছে। সেই কথাটো ভূধৰ আৰু জয়মতীয়ে নুবুজিলে যদিও গুণদাই থিক বুজি পালে। সকাম শেষ হোৱাৰ পাছত মাষ্টৰৰ ঘৰলৈ যাবলৈ ওলোৱা

বংশীক এই কথাখিনি কবৰ কাৰণেই ভূধৰৰ হতুৱাই খাতি থাকিবলৈ কোৱাইছিল। অথচ বংশীয়ে সেই কথাবোৰত কোনো গুৰুত্ব নিদিলত গুণদাৰ বুকুখনত অপমানৰ গিজ-গিজনি এটা উঠিল।

বংশীক গুণদাই কিবা এটা কোৱাৰ আগতেই সি লক্ষ্মী শোৱাৰ কোঠালীত সোমালগৈ। ম'হো নাই আঠুৱাও নাই। গৰমত টোপনি যোৱাৰ আশা নাই যেতিয়া দুই এটা ম'হ ওলালেও মাৰিব পাৰিব। বংশীৰ অসুবিধা হয় বুলি ধিমিক-ধামাক চাকি এটা জ্বলাই জয়মতীহত শুবলৈ গ'ল। বংশীয়ে চাকিটো নুমুৱাই বিচনাত উঠিল। দিনটোৰ ভাগৰত বিচনাত পৰাৰ লগে লগে লক্ষ্মীৰ নাক বাজিল। সেয়া যেন বংশীৰ টোপনি অহাৰ কাৰণে আবহ সংগীতহে। আজি-কালি হেনো ৰন্ধা-বঢ়া আনকি ল'ৰাই পঢ়োতেও ৰেডিঅ' অথবা টেপৰেকডাৰৰ আবহ সংগীত ধনী মানুহৰ ঘৰত বজায়। বংশীৰ কথাটো ভাবি হাঁহি উঠিল।

হেৰ' কিতাপ পঢ়োতে মিউজিকৰ কি প্ৰয়োজন? লক্ষ্মীৰ নাকৰ টোপনিৰ মিউজিকটোৱে বংশীক দেখোন আমনিহে কৰিছে। টোপনি নধৰেহে নধৰে। ভূধৰে বংশীক আগৰে পৰা মৰম কৰে। বংশীৰ বাপেক আৰু ভূধৰ দুইটা ককাই-ভাই বৰ ঠাণ্ডা আৰু মৰমিয়াল মানুহ আছিল। কিন্তু খুৰীয়েক গুণদাৰ তাৰ প্ৰতি ইমান মৰম হোৱা কাৰণটোহে সি বুজি পোৱা নাই। সি মনতে খেপিয়াই চালে। তাক কঠীয়াতলীত ঘৰ সাজিবলৈ খুৰীয়েকে কোৱা নাই। দদায়েকে কলেও সেইটো কথা নৰজে। কিন্তু তাৰ টকাখিনি দদায়েকৰ হাতত থোৱাৰ বুদ্ধিটো গুণদাই দিছে। সি এতিয়াও মাইনৰ স্কুলত পঢ়ি থকা বংশী হৈ থকা নাই যে গুণদাই কোৱা মাত্ৰকে তাৰ টকাখিনি আনি ভূধৰক সি দি দিবহি।

নিধিৰাম বৰমেধি হৈ থাকোতে সি ফাইভ্‌ত পঢ়িছিল। বাপেক বেমাৰত পৰি থাকোতে খুৰীয়েকে বাপেকক মাতে ভাতে সমান কৰিহে

কেতিয়াবা এমুঠি দিছিল। বাপেকে গুৱে-মূতে একেবাৰ হৈ থাকোতে খুৰীয়েকজনীয়ে উভতিকে নাচাইছিল। ঘৰতে ঘৰ লগা দদায়েকৰ ঘৰত এঘৰ মানুহ থাকোতেও মিলন মোমায়েকেহে আহি বংশীৰ বাপেকৰ ওচৰত সদায় শুইছিলহি। অৱশ্যে দদায়েকে খবৰ-খাতি নোলোৱা নহয়। সেইজনী খুৰীয়েকৰ আজি বংশীলৈ ইমান মৰম? বংশীয়ে ভুধৰৰ ঘৰলৈ দুই-তিনি-দিন আহিছে যদিও সিহঁতৰ ঘৰৰ ভেটিটো আনকি বাৰীখনলৈ চকু নাযাওক বুলি সি সাৱধানে অহা যোৱা কৰিছিল। বাৰীখনৰ কথা মনলৈ আহিলে তাৰ বুকুখনে ধান বনাদি বানে।

বাপেক মৰাব দিনৰে পৰা সি সেইখন বাৰীলৈ সোমোৱা নাই। তথাপি সেই বাৰীখন আৰু বাৰীৰ পিচফালে বোৱণী পথাৰখনৰ প্ৰতি তাৰ কিয় ইমান দাহ হৈছে সি বুজিব নোৱাৰে। তেনেকুৱা দহখন বাৰী আৰু কেইবা পুৰাও ৰোপিত মাটি কিনি লব পৰা সমৰ্থ তাৰ এতিয়া আছে। তথাপি তাক তাৰ বাপেকৰ সেই মাটিখিনিহে লাগে। তাৰ আচলতে দাহহোৱা নাই সি এটা জেদ্‌হে ধৰিছে। সি জেদ্ ধৰিবই লাগিব। সিহঁতৰ মাটি বেচা নাই, কাকো দান কৰা নাই। জোৰ-জুলুমকৈ লৈছে, ঠগী লৈছে, কাটি লৈছে। বাৰীখনৰ দদায়েকৰ ফালৰ ঢাপটোত কাঁটাতাৰৰ বেৰা দিছে। সিফালেও দিব পায়। দিয়ক শিলৰে বেৰা দিলেও সি সেই বেৰা ভাঙি বাৰী মাটি সকলো দখল কৰিব।

ভুধৰ বাহিৰলৈ গৈছে। বুঢা মানুহ টোপনি নাহিলে বাৰে বাৰে বাহিৰলৈ যাব লাগে। বংশী বিচনী লাগে নেকি অ'? বংশীয়ে বিচনীখন নি ল'লে। জোনাকী মাহীৰ জীয়েক নৰ্মদাক বংশীয়ে বিয়া কৰাব লাগে। খুৰীয়েকৰ কথাৰ পাকটো। যদি বংশীলৈ বিয়া নকৰোৱাকৈ লক্ষীলৈ গুণদাৰ বিয়া কৰাবৰ মনেই নাই আগতে বংশীৰ কাৰণে ছোৱালী ঠিক নকৰি লক্ষীলৈ কিয় কৰিলে? ছোৱালী বিয়া কৰিবলৈ কোন ডেকাৰ মন নাযায়? নিজৰ প্ৰতিজ্ঞা পালন প্ৰথম। তাৰ পাচতহে বংশীয়ে

বিযা কৰোৱাৰ কথা চিন্তা কৰিব। ক্ষন্তেক সময় বিযা কৰোৱাৰ চিন্তাই তাক ডুবাই ৰাখিলে। ট্ৰোপনি নধৰাৰ কাৰণেই নেকি মানুহ এজনীৰ আৱশ্যকতা। সি খুউব ভালকৈ অনুভৱ কৰিলে। এনেযে গৰম তাতে শৰীৰ গৰম কৰা ভাবাবেগে তাক ব্যতিব্যস্ত কৰি তুলিলে। কথা নাভাবিবলৈ চেষ্টা কৰি বাৰে বাৰে ব্যৰ্থ হৈছে। লাগ্-বান্ধ নোহোৱা কথা কিছুমানে তাৰ মনত পিঙ-পিঙাই ঘুৰিছেহি। অৱস্থাটোৰ পৰিবৰ্ত্তন কৰিবৰ কাৰণে সি দুৱাৰ খুলি বাহিৰৈল আহিল।

বাহিৰৰ ঘোপমৰা এন্ধাৰটো আকাশ খনৰ শেষ সীমাটো সি দেখিলে, তাহানিৰ পুৰণি আকাশখনতে আজি সি কিছুমান নতুন বস্তু লক্ষ্য কৰিলে। সিহঁতি বাস কৰা গাওঁ কিখন যেন এটা প্ৰকাণ্ড টৌৰে ঢাকি থোৱা হৈছে। অসংখ্য বিন্ধা, সেই বিন্ধাবোৰৰ মাজেদি আকাশৰ সিপাৰৰ উজ্বল পোহৰবোৰ। সচাঁকৈয়ে পোহৰ বিমুখ কৰি গাঁৱৰ মানুহবিলাকক যেন এন্ধাৰৰ মাজত ঢাকি থোৱা হৈছে। সি চোতালৰ আগৰ জেওৰাখনত খৰিকা এডাল খেপিযালেগৈ। দাঁতৰ মাজৰ হাঁহৰ আঁহবিলাক যোৱা নাই। বাদুলী এটা তাৰ মূৰৰ ওপৰেদি জপ-জপাই উৰি যোৱা তাৰ চকুত পৰিল, বাদুলীটোৱে সিহঁতৰ বাৰীৰ পৰা কিবা বস্তু চুৰ কৰিছিলগৈ। সিহঁতৰ বাৰীত নিশ্চয এতিযালৈ আমবোৰ নাই। সেন্দুৰী আমজোপাত অৱশ্যে দুই এটা কঁৰবাত থাকিব পাৰে। এতিযালৈ ৰামধাৰীযে সেন্দুৰী আমৰ বুকুত কুঠাৰ নবহুৱাকৈ আছেনে ? তাৰ গাটো কেছেক কৰি উঠিল। তাহঁতৰ বাৰীখনলৈ তাৰ চাবৰ খুব মন গৈছিল। সি ভিতৰলৈ সোমাই আহিল। * * * *

। পাঁচ ।

আজি-কালি ল'ৰাকেইটা মাষ্টৰৰ ঘৰলৈ প্ৰতিদিনে গধুলি সময়ত অহাটো প্ৰায অভ্যাসত পৰিণত হৈছেহি। ভাওনা এখন পাতিবলৈ আখৰা কৰাৰ দৰে সিহঁতিও যেন কিবা এটা কৰিবলৈ আখৰাহে কৰিছে। কি কৰিব কোনেও ক'ব নোৱাৰে। তথাপি বংশীযে সিহঁতৰ মনবোৰ মাষ্টৰৰ ঘৰত গোট খুৱাইছেহি। মাষ্টৰে যেন সিহঁতৰ খেলি-মেলি মনবোৰ জাপি-কুছি চিজিল কৰি নিছে।

কিছুদিনৰ পৰা দীঘলা বসন্তও মাষ্টৰৰ ঘৰত গধূলি বহা হৈছে। বলোৰাম্ আৰু বকুল মাজে মাজে আহিব নোৱাৰে। সিহঁতৰ ৰাতি দিউতি পৰে। প্ৰথমতে সিহঁতি আহি পাক ঘৰৰ পাচ চোতালত ঘূৰা-ঘূৰি কৰি বংশীৰ সৈতে মুখৰোচক যাৰ তাৰ কথা পাতি থাকে। মাষ্টৰে বাটে বাটে ঘুৰি আহি হাতত চিগাৰেট লৈ বিচনাত ভৰি তুলি বহাৰ পিছত সিহঁত গহীন হৈ পৰে। গাঁৱৰ মানুহে যুগ যুগ ধৰি অৰ্থানাতনত ভোগা শিক্ষা সাংস্কৃতিক গাৱঁৰ মাজলৈ সোমাব নোৱাৰাকৈ ৰাজনীতিয়ে কৰা কৌশলবোৰৰ বিশ্লেষণ মাষ্টৰে ভালদৰে কৰে।

সাহিত্য চৰ্চ্চা কৰিবলৈ গাঁৱলীয়া ল'ৰা-ছোৱালীক সাহিত্যিকে অথবা কোনো সাহিত্যৰ অনুষ্ঠানে একো সুবিধা দিয়া নাই। সংস্কৃতিৰ ওজাবোৰে অথবা সাংস্কৃতিক বিভাগীয অনুষ্ঠানে গাঁৱলীয়া ৰাইজক বাদ দিয়েই সাংস্কৃতিৰ চৰ্চ্চা কৰি আছে। সেইবোৰ কথা ল'ৰাহঁতে হৃদয়ঙ্গম কৰিব পৰাকৈ প্ৰমাণ দি বুজাই দিয়ে।

নামঘৰৰ গায়ন-বায়ণৰ নামত শিৱসাগৰীয়া মানুহখিনিৰ বছেৰেকৰ মূৰত একোখন ভাওনা কৰাৰ বাহিৰে শংকৰী সাংস্কৃতিৰ লগত গাঁৱৰ মানুহখিনিৰ কোনো পৰিচয়েই নাই। অথচ সত্ৰ সমূহত সংস্কৃতিৰ মেটমৰা ভঁৰালভৰি আছে। ঢোলৰ ব্যৱহাৰ মাত্ৰ বিহুতেই হয়। অথচ সেই

ঢোলৰ চেওবোৰক বিকাশমান অৱস্থালৈ নিযাৰ কাৰণে ওপৰ মহলৰ পৰা কোনো গৱেষণা, প্ৰচেষ্টা লোৱা নাই, বিশেষকৈ গাঁৱৰ মানুহৰ মূল উপাৰ্জ্জনৰ পথ একমাত্ৰ কৃষি হোৱা স্বত্বেও ভূমিৰ সমস্যা সমাধানৰ পথটো বৰ্ত্তমানৰ কোনো ৰাজনীতিযেই এই পৰ্য্যন্ত মুখ্য সমস্যা বুলি গণ্য নকৰাৰ ফলত বৃহত্তৰ কৃষি জীৱি ৰাইজ যে অৰ্থনীতিৰ ক্ষেত্ৰত জুকুলা হৈ আছে, সেই জুকুলা দেশৰ বৃহত্তৰ খাটি খোৱা জন-গণক অৰ্থনৈতিক ভাৱে সবল নকৰাকৈ শিক্ষা দিযা, কলা-সংস্কৃতি, ভাষা সাহিত্যৰ জ্ঞান দিবলৈ যোৱাটো যে সম্পূৰ্ণ অবৈজ্ঞানিক চিন্তা আৰু তেনে চিন্তাকেই যে স্বাধীন ভাৰতৰ চৰকাৰে এই পৰ্য্যন্ত কৰি আছে, সেইবোৰ কথা সহজ সৰল ভাষাৰে মাষ্টৰে ল'ৰাহঁতক বুজায়।

উদাহৰণ স্বৰূপে গাঁৱত কানি-মদৰ অবাধ প্ৰচলন মজদুৰ সকলক প্ৰধানকৈ মদৰ যোগান ধৰি দিনে দিনে তললৈ টানি নিযাৰ দিশবোৰ বহলাই ব্যাখ্যা কৰে। ৰাজনীতিজ্ঞৰ মৌ-বৰষা মাত আৰু বিপৰীতে শ্ৰমিক, কৃষকক সেইবোৰ ৰাজনীতিজ্ঞই জালৰ পৰা ওলাব নোৱাৰাকৈ কিবোৰ কৌশলেৰে বান্ধি ৰাখিছে ইত্যাদি কোনো দিনে নশুনা নুশুনা কথাবোৰ ল'ৰাহঁতক কৈ কৈ এগাতেদি সিহঁতক ভুৱা ৰাজনীতিৰ মেৰপাক বুজোৱা আৰু সিহঁতৰ মনবোৰ বৈপ্লবীক কৰিবলৈ মাষ্টৰে চেষ্টা চলাই গৈছে। মাষ্টৰে জানে গভীৰভাৱে চলা চক্ৰান্তবোৰ বুজি নাপালে সিহঁতি ওপৰতে বৌজাল-বৌজাল কৰিব আৰু সেইযে হ'লে সিহঁতে ভূমি সমস্যাৰ কথাই নাই কোনো সমস্যাৰে সমাধান কৰিব নোৱাৰে। সেযে অকপট ভাৱে হিয়া উজাৰি তেওঁ জনাথিনিকে ল'ৰাহঁতক বুজাই আহিছে।

মাজতে কেইদিনমান আৰু তিনিটা ল'ৰাক মুহিৰামে লগত লৈ আহিছিল পিছে সিহঁতি মাষ্টৰৰ কথাৰ আগগুৰি একো বুজি নাপালে। মুহিৰামবো মাষ্টৰৰ কথাবোৰ শুনি আমনি লাগিছিল। কেইদিনমান

অহাৰ পাছত মুহিৰাম আৰু তাৰ লগৰ কেইটা নহা হ'লগৈ। বাকী কেইটা ল'ৰাই মাষ্টৰৰ কথাবোৰ বুজিবলৈ চেষ্টা কৰি আহি আছে। বিশেষকৈ আকবৰ, বকুল আৰু বংশী। এই তিনিটাই দেশত চলি থকা ৰাজনীতিৰ ষড়যন্ত্ৰবোৰৰ কথা শুনি অবাক হৈ মুখলৈ অপলক দৃষ্টিৰে চাই থাকে। মাষ্টৰে আচৰিত আচৰিত কথাবোৰ কয়। কয় মানে, মাষ্টৰৰ কথা শুনি বকুল আৰু বংশীৰ গা ভমভম্‌কৈ উতলি উঠা হৈছে। সিহঁতৰ দৃষ্টিত মাষ্টৰ জ্ঞানৰ ভঁৰাল। কথা-বতৰা নোকোৱা মানুহ জনৰ মূৰটোত বহুত ভাল কথাৰে ভৰি আছে। কথাবোৰ শুনিবলৈ মানুহ পোৱাৰ কাৰণে পাক ঘূৰণী খাই কথাবোৰ ওলাই আহিছে। মাষ্টৰক যেন সিহঁতৰ গাওঁ কিখনৰ ত্ৰাণকৰ্ত্তা আবিষ্কাৰ কৰিলে।

মাষ্টৰ কৃষকৰ মুক্তিৰ পথ প্ৰদৰ্শক। বুঢ়ামানুহ কোন দিনা মৰি থাকে ঠিকনা নাই। যিমান সোনকালে পৰা যায় মাষ্টৰৰ বুদ্ধিবোৰ কামত খটুৱাবই লাগিব। মাষ্টৰৰ বুদ্ধি লৈ আধি মাটিৰ ধান নিদিয়া চিলিং এক্টৰ মাটি দখল কৰা, হস্পিতেল এখন পতা ইত্যাদি কামবোৰ এইটো বছৰতেই কৰিব লাগিব বুলি সিহঁতে সিহঁতৰ মাজতে আলোচনা কৰাৰ পৰ্য্যায়লৈ, সিহঁতি মাষ্টৰৰ ওপৰত বিশ্বাস স্থাপন কৰিছে আৰু দিনে দিনে দৃঢ় মনা হৈ আহিছে।

ভূধৰৰ ঘৰত ভোজখাই অহা দিনাৰে পৰা বংশীয়ে মাষ্টৰৰ লগতো আগৰদৰে কথাপতা নাই। মনত সেইদিনাৰে পৰা কিবা এটা ভাৰ লৈ সি যেন অলপ অন্যমনস্ক হৈছে। সেইকথাটো মাষ্টৰেও লক্ষ্য কৰিছে। মাষ্টৰে তাৰ লগত কথা নাপাতে। কিন্তু মাষ্টৰে কথা নাপাতিলেও সি কিবা কিবি কথাবোৰ সুধি সুধি মাষ্টৰক কথা পতায়। অথচ সিও কথা ক'বলৈ এৰিছে। বংশী অহাৰ পৰা ঘৰখনত সামান্য ধৰণেৰে হ'লেও মানুহ থকাৰ অনুমান বাটৰ মানুহেও গম পাইছিল। হঠাৎ কি হ'ল ?

॥ উৰহ ॥

পিচবেলা বহুৰ জুৰ পৰাৰ পৰা সেইবোৰকে ভাবি ভাবি বেস্কোপাৰ তলত মাষ্টৰে হাতত বিচনীখন লৈ বহি আছিল। বংশীয়ে নিৰ্ম্মলা বাইদেউক, মানে মাষ্টৰৰ পৰিবাৰৰ বিষয়ে কিবা কিবি প্ৰশ্ন আগতে কৰিছিল। তেতিয়া মাষ্টৰে সেইবোৰ কথা তোক এদিন ক'ম বুলি তাক কৈছিল, কিন্তু মাষ্টৰে নকওঁ বুলিয়েই তাক সেইবোৰ কথা কোৱা নাছিল। ল'ৰামানুহ তাতে সেই পুৰণি কথাবোৰ জানি তাৰ একো লাভো নহয়, সেয়ে কোৱাৰ আৱশ্যক বোধ কৰা নাছিল।

ভূধৰৰ ঘৰত ৰাতি থাকি অহাৰ পিচদিনা পুনৰ সি "নিৰ্ম্মলা বাইদেউ বাৰু এতিয়া ক'ত আছে চাৰ" বুলি সুধিছিল। ভূধৰৰ ঘৰৰ পৰা অহাৰ পিচতে, কিয় সেইকথা সুধিলে ? নিশ্চয় সকামত সেইবোৰ কথালৈ তাক মাষ্টৰৰ ঘৰত থকাৰ কাৰণে ৰাইজে ভৎসনা কৰিছে। মাষ্টৰে সকলো কথা তাক খোলা-খুলি ভাৱে কৈ দিব। নিৰ্ম্মলা গুচি গ'ল। তাৰ কাৰণে মাষ্টৰ কেনেকৈ দায়ী ?

নিৰ্ম্মলাক বিয়া কৰ'ই অনাৰ পিচত কংসই তাইৰ ওপৰত ক'ত কেতিয়া কেনেকৈ অত্যাচাৰ কৰিছিল সকলো কথা তেওঁক কৈছিল। আনকি প্ৰথমদিনা তাইক ধৰ্ষণ কৰাৰ কথা কান্দি কান্দি মাকক কওঁতে মাকে তাইৰ মুখত সোপা দি মুখ বন্ধ কৰিছিল হেনো। কাৰণ তাই বিধবা বামুণীৰ ছোৱালী। সেইটো কথা বাহিৰত ওলাই গ'লে তাইও জীয়া-বাঁৰী হৈ চিৰদিন মাকৰ দৰেই কষ্ট খাব লাগিব। সহিলে সম্পদ। কাপোৰৰ দাগ চাবোন দি ধোৱাৰ দৰে কংসই কলঙ্ক—ধুই নিকা কৰিব। সি পুৰুষ তাতে সি ধনীৰ ঘৰৰ ৰাজকোঁৱৰ। নিৰ্ম্মলাক সাৱধানে গা-বচাই ফুৰিবলৈ কৈ মাকে তাইৰ ৰক্ষণাবেক্ষণৰ ওপৰত তেতিয়াৰ পৰা যথেষ্ট চকুও দিছিল হেনো। কিন্তু শেষত কংসই নিৰ্ম্মলাক বিয়া কৰাম বুলি প্ৰলোভন দি দেখা-দেখিকৈয়ে নিৰ্ম্মলাক ভোগ কৰিছিল হেনো। পুতেক কংসক নিৰ্ম্মলাহঁতৰ ঘৰলৈ অহাটো যেতিয়া জগন্নাথ বেজবৰুৱা মৌজাদাৰে

বন্ধ কৰি দিছিল তেতিয়ালৈ নিৰ্মলাৰ গৰ্ভত উৰ্মিলা মনে মনে সোমাই আছিলহি। সেইবোৰ কথা ভাবি থকা বা বংশীক কোৱাৰ বাৰু কি মানে আছে ?

কৃষ্ণকান্ত ভট্টাচাৰ্য্য জগন্নাথ বেজবৰুৱাৰ অনুগ্ৰহত বৰ্ত্তি থকা দৰিদ্ৰ ব্ৰাহ্মণ আছিল। সৰল সহজ কৃষ্ণকান্ত ভট্টাচাৰ্য্যই বিবেকা মাষ্টৰক জগন্নাথ বেজবৰুৱাৰ সহায়ৰ ওপৰত নিৰ্ভৰ কৰিয়েই কলেজত পঢ়াইছিল। আই, এ পাছ কৰাৰ পিছত স্কুলখন পাতি তাত বিবেকা ভট্টাচাৰ্য্যক চাকৰিটো দিছিল। ইমান সহায় কৰা মানুহজনৰ কথা পেলাব নোৱাৰিয়ে নিৰ্মলাক তেওঁলৈ বিয়া কৰোৱাত কোনো আপত্তি কৰা নাছিল। দেউতাকৰ গাতো একো দোষ নাছিল। ল'ৰালৈ যেতিয়া বিয়া কৰাবই ভাল ছোৱালী, তাতে দুখীয়া বিধবা বামুণীক উদ্ধাৰ কৰা হয়। প্ৰধানকৈ ইমান উপকাৰ কৰা মানুহ, জগন্নাথ বেজবৰুৱাৰ প্ৰস্তাবটো ৰক্ষা কৰাৰ যোগেদি তেওঁৰ ওচৰত কৃতজ্ঞ হোৱাৰ প্ৰশটোক কৃষ্ণ ভট্টাচাৰ্য্যই বেছি গুৰুত্ব দিলে।

সেইয়া যিয়েই নহওঁক নিৰ্মলাই এজনী অসহায় আজলী হৰিণীয়ে হাতত বন্দুক লোৱা চিকাৰী কংসৰ হাতৰ পৰা নিজক জীয়াই ৰাখিব নোৱাৰাতো স্বাভাৱিক কথা আছিল বুলি মাষ্টৰে তেতিয়া বিদুষী মহিলাৰ দৰেই নিৰ্মলাক গ্ৰহণ কৰিছিলে। স্বভাৱ-চৰিত্ৰ বেয়া নাছিল কাৰণেই নিৰ্মলাই মাষ্টৰক যথেষ্ট শ্ৰদ্ধা ভক্তিও কৰিছিল। নিৰ্মলাৰ সহচৰ্য্যত মাষ্টৰৰ সংসাৰখন সুন্দৰ হৈ আছিল।

বংশীয়ে "চাৰ ম'হে কামোৰা নাইনে ?" বুলি পিচফালৰ পৰা সোধোতে মাষ্টৰৰ স্বপ্ন ভঙ্গ হ'ল।

"তই বাৰীতে আছিলি ?" মাষ্টৰে বংশীলৈ ঘূৰি চালে। চকু দুটাত নিমখীয়া ঘামবোৰ সোমালে বৰ কিবা-কিবি লাগে,

চাৰ নোৱাৰি। বেলি পৰাৰ লগে লগে ম'হৰ কামোৰ আৰু দেখৰ জোকবোৰে খেদি আহে।" জেওৰাৰ খুটিটোতে ঘাপ বহুৱাই দা খন থৈ গামোছাখনেৰে বংশীয়ে চকু দুটা মোহাৰি ল'লে "আপোনাক এটা কথা সুধিম সুধিম বুলি কেইবাদিনো ভাবি আছো চাৰ। আজি গধূলীকৈয়ে সুধিম আৰু। আজি দীঘলা যোমাই আৰু আমাৰ আটাইকেইটাকে সোনকালে আহিবলৈ কৈছো। আপুনি বাটলৈ ওলাই যায যদি অলপ সোনকালে আহিব চাৰ। সোনকালে কথা আৰম্ভ কৰি সোনকালে সিহঁতক যাবলৈ দিব লাগে। কেইটামানে বোলে দেৰিকৈ ঘৰলৈ ঘূৰি যোৱাৰ কাৰণে ঘৰত গালি খাইছে। বংশীযে কথা কেইটা কৈ গা ধুবলৈ গ'লগৈ।

বংশীয়ে গধূলীকৈ কি কথাটো সুধিব? সেই ল'ৰা জাকৰ আগতে যদি তেওঁ এবি অহা দিনবোৰৰ কথা ব্যাখ্যা কৰিব লাগে? নকৰে। সেইবোৰ কথা শুনি কাৰো লাভ নহ'ব। কিন্তু মাষ্টৰে সিহঁতক কি বুলি ক'ব? প্ৰশ্নবোৰ পিঠিত বান্ধি তেওঁ ঘূৰি আহি ঘৰ পাওঁতে সন্ধ্যা লাগি ভাগিল।

মাষ্টৰে বাহিৰত বৈ কথাবোৰ শুনি আছে। বংশীযে বকুলক তৰ্ক কৰাৰ কাৰণে কিবা কিবি কৈছিল বোধহয়। আকবৰ আৰু কণ্ঠীযে কোনোদিনেই মাষ্টৰক কোনো প্ৰশ্ন নকৰাৰ কথা কৈছে। "ভীমাকাৰ শৰীৰটোৰ দৰে তোৰ মূৰৰ ভিতৰতো এসোপা মগজ থকা হ'লে তই যে দেশ খালিহেঁতেন" বুলি আকবৰক কিবা-কিবি কৈছে। মাষ্টৰক কি কথা সুধিব সেইটো কথা ওলোৱা নাই। মাষ্টৰ ভিতৰ সোমাই গ'ল। মাষ্টৰৰ বুকুখন ধপ্-ধপাই আছিল। কিন্তু যেতিযা বংশীযে সুধিম বুলি কোৱা কথাটো ক'লে তেতিযাহে মাষ্টৰৰ মনটো শান্ত হ'ল। তথাপি এটা জটিল কথা সুধি বংশীযে আৰম্ভ কৰিছে।

"ভূধৰৰ ঘৰত ভকত মাতি ভোজ খুওৱাৰ নামত মাংসৰ গোন্ধ দি বাইজক কিয় প্ৰৱঞ্চনা কৰিলে?" মাষ্টৰ চিন্তাত পৰিল। ধৰ্ম বিষয়ৰ

ওপৰত গাঁৱৰ মানুহৰ মাজত বহুতো ঠেক চিন্তা ভাৱনাই খোপনি পুতি আছে। অথচ সেই দিশটোৰ ওপৰত আলোচনা কৰিলে ল'ৰাহঁত আনকি গাঁৱৰ মানুহ ক্ষুণ্ণ হোৱাৰ সম্ভাৱনা আছে। সেয়ে ধৰ্মীয় দিশত কোনো কথা আলোচনা নকৰো বুলি মাষ্টৰে সাৱধানে আছিল। অথচ সেই প্ৰশ্নটোকেই সিহঁতে অৱতাৰণা কৰিছে। প্ৰশ্নটো উত্থাপন হোৱাৰ পিচত মাষ্টৰে কি কওঁ কি নকওঁকৈ ৰৈ আছিল।

বংশীয়ে বোলে, 'চাৰ, গাঁৱলীয়া মানুহৰ অৱস্থা অনুসৰি খুওৱাত কম খৰচ কৰিবৰ কাৰণেই এইটো নিয়ম কৰা বুলি মই ভাবি আছো।" মাষ্টৰে বোলে, "সেইটোৱেই আচল কথা বুলি মোৰ ধাৰণা। হিন্দুৱেই হওক বা খৃষ্টিয়ানেই হওক সকলো ধৰ্মৰে সকলো জাতিৰেই দুৰ্ব্বল আৰু আৰ্থিক ভাৱে জুৰুলা মানুহখিনিৰ ধৰ্ম বিশ্বাস বেচি আৰু অন্ধভাৱে ধৰ্মৰ নীতি-নিয়ম কিছুমানক সাৰাতি মানুহবোৰ বেছি বেছিকৈ ঠেক মনোভাবাপন্ন হৈ গৈ আছে। আচলতে সমাজখনক সু-শৃংখল ভাৱে পৰিচালনা কৰিবলৈ এই নিয়মবোৰ এসময়ত ৰচনা হৈছিল আৰু নিয়ম মানি চলাৰ বাধ্য বাধকতাৰ কাৰণে ধৰ্মৰ লগত এই নিয়মবোৰ সাঙুৰি দিয়া হৈছিল।"

মানুহ আগবাঢ়িল। নীতি-নিয়মবোৰ সচেতন সকলে এৰি দি লাগতিয়ালবোৰ লৈ আগবাঢ়িছে আৰু গ্ৰাম্য সমাজখনে পুৰণিক সাৱটি পিছ পৰি থাকি গৈছে। বৰ্ত্তমান সময়ত ৰাজনীতিজ্ঞই ধৰ্মক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি মুনাফা আদায় কৰাৰ উদাহৰণ অসংখ্য। এহাতে সাপ পূজা, শিল পূজা, বলিদান দি কৰা মূৰ্ত্তি পূজাৰ প্ৰতি মানুহৰ বিশ্বাস হেৰাইছে আৰু তাৰ বিপৰীতে এক শ্ৰেণীয়া মানুহক পথ ভ্ৰষ্ট কৰিবলৈ সক্ৰিয়ভাৱে সহায় কৰিছে, এহাজাৰ বছৰ আগৰ পদ্ধতিৰে এৰি অহা পূজা আদি, ধৰ্মীয় অনুষ্ঠান আদি পাতি। স্কুল এখন পাতিবলৈ সমৰ্থবান সকলে সহায় আগবঢ়াবলৈ কুণ্ঠাবোধ কৰে, কিন্তু সিহঁতি ধৰ্মীয় কামৰ কাৰণে মুক্তহস্তে দান কৰে। তাৰ অৰ্থ এইটো নহয়

যে তেওঁলোক ধৰ্মভীৰু। আচলতে এটা শ্ৰেণীয়ে ধৰ্মক লৈ খেলি থাকোতে সমৰ্থবান সকলে নিজৰ সকলো স্বাৰ্থ সিদ্ধি কৰি আছে। মূলতঃ সবলে-দুৰ্ব্বলৰ ওপৰত অতি কৌশলেৰে এইদৰে শোষণৰ সুবিধা কৰি লৈছে। জন্মতে পূজা পাৰ্বন বুজি নেপায। তথাপি জীয়াই আছে। মানুহে কোটি কোটি দেৱতাক পূজা কৰিও অমৰ হোৱা নাই। অথবা কষ্টৰ লাঘৱ কৰিব পৰা নাই। কাইলৈৰ পৰা সকলো মানুহে ঈশ্বৰৰ অস্তিত্বৰ বিশ্বাস এৰি যদি ঈশ্বৰ বোলা শক্তিটোক স্বাভাৱিক পৃথিৱীৰ গতি বুলি ধৰি লয়, পৃথিৱীত ভূমিকম্প নহয়। মাথো শাসনত কিছুদিন খেলি-মেলি হ'ব। কিন্তু পৃথিৱীৰ স্বাভাৱিক গতিটোৰো কোনো পৰিবৰ্ত্তন নহয়। জন্ম ৰহস্য বুজি নোপোৱা আদিম বৰ্বৰ মানৱক এসময়ত বশ কৰিবৰ কাৰণে এদল সুবিধাবাদীয়ে পৃথিৱীৰ স্বভাৱিক গতিটোক ঈশ্বৰ বা ভগবান বুলি বিশ্বাস জন্মাই নিজৰ স্বাৰ্থ সিদ্ধি কৰিছিল। পৰম্পৰাগত ভাৱে সেই ঈশ্বৰ বা ভগবানকেই আজিৰ বিজ্ঞানৰ যুগতো মানুহে পূজা কৰি আছে। এটা সুক্ষ্ম উদাহৰণ দি ল'ৰাহঁতক মাষ্টৰে ক'লে যে "ঈশ্বৰ বা ভগৱানৰ অস্তিত্বক সৃষ্টি কৰা সকলেই চন্দ্ৰ দেৱতাক প্ৰমাণ কৰা মন্ত্ৰত লিখি থৈ গৈছে। আৰু আমাৰ মুধা-ফুটা বিজ্ঞানীয়েও আজিও সেই মন্ত্ৰ পাঠ কৰি চন্দ্ৰক সেৱা কৰি আহিছে। আনহাতে সেই চন্দ্ৰৰ তত্ব বিচাৰি আজি এচাম মানুহে চন্দ্ৰৰ ওপৰত অৱস্থান কৰি চন্দ্ৰক এটা উপগ্ৰহ বুলি প্ৰমাণ কৰি দিছে।" মাষ্টৰে কথা শেষ কৰিবলৈ নৌ পাওঁতেই মনবৰ মিলন আৰু দিহিঙীয়া বুঢ়া সোমাই আহিল।

মনবৰে ঠাট্টাৰ সুৰত কথা আৰম্ভ কৰিলেহি, "কি হ'লহে মাষ্টৰ? তুমিয়েই কলিৰ কৃষ্ণ হ'লা নেকি? সিহঁতক শৰণ দিছা?"

দিহিঙিয়াই বোলে "তুমি গাঁৱৰ মাজতে পৰম ব্ৰহ্মা লুকাই আছা। আমি মাহপোতকীবোৰে তোমাক দেখা নাই। আমাকো শৰণ

দিয়া দেই।” বকুলক লক্ষ্য কৰি দিহিঙিয়াই গৰজি উঠিল। “কুলক্ষনীয়া অশৰণীয়াত শৰণ লৈছহি ? বাছি বাছি গুৰু পালিহি এই অধৰ্মীটোক ? জহনিত যোৱা, ৰাতি দুপৰলৈকে দুৱাৰ মেলি বহি থাকিবলৈ মাৰক তই বেটী পাইছ ? তই আজি ঘৰ সোমাবিহি মই চাই থাকিম। ভগৱান নাই, ঈশ্বৰ নাই, তেন্তে তইতৰ এই গুৰুজনা মহাগুৰুজনা মাটিফুটি ওলালে নেকি ? তেওঁৰ মন্ত্ৰ শুনিবলৈ মোৰ বোপাইহঁত ফুট গধূলীতে আহি ৰাতি এডোখৰলৈকে তেওঁৰ দুটি চৰণত পাৰি থাকহি ?”

মনবৰে বোলে কিবা চুলাই-তুলাইৰ বন্দবস্তও কৰিছা নেকি, গুৰুজনা ? ৰখা নাই যদিও এতিয়াৰে পৰা ৰাখা। বামুণে মদ খাইছিল হেনো, চলাই দিয়া মাষ্টৰ। গোটেই ডেকামখা অফলা ভগাদি তোমাৰ ওচৰত শৰণ লবলৈ আহিব।” মিলনে সুবিধা পাই বোলে “নিজৰ মাইকীজনীক, ছোৱালীজনীক বিক্ৰি কৰা মানুহটোৱে দেশ উদ্ধাৰ কৰা মন্ত্ৰ শিকাবলৈ আহে ঐ। এইবোৰ দেশ উদ্ধাৰ কৰা মন্ত্ৰ শিকাব নেলাগে মাষ্টৰ। কোনোবাই মাৰত ককালটো বেকা কৰেহে লাগে। ভালে ভালে ইমানতে এইবোৰ এৰি দিয়া।”

মাষ্টৰক তিনিও গোটখাই অকথ্য ভাষাৰে গালি শপনি পাৰি দিহিঙিয়াই বকুলক ঘৰলৈ যাবলৈ হুকুম দিলে। দীঘলা-বসন্তই কোনো পধোই তেওঁলোকক বুজাব নোৱাৰে। মনবৰে ওভটমাত মাতি মাষ্টৰক শণি অৱতাৰ হৈছে বুলিও দমদমণী মাৰিলে।

বংশীৰ ধৈৰ্য্যৰ সীমা পাৰ হৈ গ'ল। তথাপি সি ভৱিষ্যতৰ কথা ভাবি সহি আছিল। সি বোলে “মাষ্টৰে কাৰো ঘৰলৈ তন্ত্ৰ-মন্ত্ৰ দিবলৈ যোৱা নাই আৰু ইয়াত কোনো কেচুৱা ল'ৰাও নাই যে মাষ্টৰে কাৰোবাক ফুচুলাই ৰাখিছে। দদাই, তুমি তোমাৰ পুতেৰক পাৰা যদি ইয়াৰ পৰা লৈ যোৱা। মাষ্টৰৰ ঘৰখন এতিয়া মোৰ ঘৰ। মই ইচ্ছা কৰিলে মনবৰক ইয়াৰ পৰা ওলাই যাবলৈ হুকুম দিব পাৰো।” বংশীয়ে

মনবৰক নাম ধৰি ডাঙৰ ডাঙৰকৈ কোৱা কথা কেইষাৰত মিলনে ভয় খালে। বংশীৰ খং, তাতে মিলিতেৰীৰ খং, দীঘলাই দিহিঙিয়াক ঠেলি নিযাদি উলিযাই লৈ গ'ল। মনবৰে ইতিমধ্যে কি কৰো কি নকৰোকৈ ওলাই গৈছিলেই।

মিলনক উদ্দেশ্য কৰি বংশীযে বোলে "মোমাই তোৰ সেইবোৰৰ মাজত সোমোৱাৰ কি দৰ্কাৰ? নীলা শিযালৰ বুদ্ধিত পৰি নলগা জেওত লাগিবলৈ আহিলে মই কিন্তু মোমাইৰ মান পালি দিম। মান-সন্মান ৰাখি ভালে ভালে যা বুলিছো।" মাষ্টৰে মিলনক মাজে মাজে বাটে পথে পালে বেজালি কৰাৰ কথাৰে অলপ ব্যঙ্গ কৰি ধেমালি কৰে। তাকে গুৰুত্ব দি মাষ্টৰক লাজ দিবৰ কাৰণে সুবিধা পাইহে কথাখিনি কৈছিলহি। মিলন অপ্ৰস্তুত হোৱাৰ দৰে হৈ বোলে "আচলতে মনবৰেহে এইখন জঞ্জালত পেলালে, বেযা নাপাবা, মাষ্টৰ। যাওঁ দেই।" মিলনো ওলাই গ'লগৈ। দীঘলা ঘূৰি নাহিলেই। লাজে অপমানে জৰ্জৰিত হৈ মাষ্টৰে বিচনাত দীঘল দিলে।

বংশীযে কিবা এটা ক'বলৈ বিচাৰোতে "কোনেও মুখেৰে নামাতিবি মোক নীৰৱে থাকিবলৈ দে" বুলি মাষ্টৰে কোৱাৰ লগে লগে বকুলহঁত কোঠাৰ পৰা ওলাই গৈ দীঘলাৰ লগত চোতালত দিহিঙিযাহঁতে কথা পাতি থকাৰ ওচৰ পালেহি। বকুলক দেখি দিহিঙিযাই দাঁত কৰচি বোলে "তোৰ কাৰণেই মই বুঢা বযসত লটি-ঘটি হৈ মৰিছো। ক'তা মৰিবলৈ ধৰা, বুলি বকুলক লাঠি দাঙি মাৰিবলৈ খেদি আহিল। বকুলে ঘৰৰ ভিতৰ যালে সোমাই গৈ বোলে "আমাৰ মূৰবোৰ তহঁতিয়ে খালি। পঢা শুনা কৰাব নোৱাৰিলি। চাকৰি এটা নাই। মাটি বাৰী নাই, খালি ঘৰত সোমাই থাক। বিযাখন পাত। পুহমহীয়া জাৰত গাত চেলেং চাদৰ এখন মেৰিযাই নাম ঘৰলৈ আহ। ঘৰে ঘৰে সকাম খাই ফুৰ। গাৰ পৰা এডোখৰ কাটি লৈ গ'লেও মুখেৰে নামাতিবি। সহিলে সম্পদ। তহঁতি সহি সহি মৰি গ'লি। মোক তই একো বুজাব নোঁৱাৰ।

তোৰ কথা মোক নালাগে। মই কিবা গাখীৰ খোৱা কেচুৱা ল'ৰানেকি, তইযে মোৰ পিছে পিছে ঘূৰি ফুৰিছহি? আমি গম পাই গৈছো কোনে কুহুলিযাই কুহুলিযাই তোক ইযালৈ আনিছে? বকুলে ঘৰৰ ভিতৰৰ পৰা বহি থকাৰ কাৰণে বংশী পাকঘৰৰ পৰা ওলাই আহি বোলে, "কোনোবাই বুলি কোৱাৰ দৰকাৰ নাই। মই কাক্ষৈকো ভয় নকৰো সেইটো মনবৰ কুকুৰে কংসৰ ভৰি চেলেকাটোৱে তেওঁলোকক লৈ আহিছে।"

মনবৰে বোলে, "পুতেকৰ কথা বাপেকে গঞা গিযাতীৰ লগতে নাপাতিনো কাৰ লগত পাতিব? তেওঁ সুধিছিল মই ক'লো। মোক লগ ধৰিলে কাৰণে মই আহিছিলো, বুজিছ দীঘলা। তাতে সি মোক ইমানখিনি কথা কয়! মইও বাৰু চাই থাকিম। তই কিমান পানীৰ মাছ।" বংশী বৈ থাকিবই নোৱাৰিলে। "কি কৰিবি? তই মোক কি কৰিবি? এতিযাই কণ" বুলি মনবৰৰ গাত ধৰি বংশীয়ে ঘটাল্ দিলেগৈ। মনবৰে চিঞৰি চিঞৰি বোলে "হই মোৰ গাত হাত লগালে ঐ! তোমালোকৰ মুখ চামনে মোৰ গাত সি হাত লগালে। দেখিলা ককাইটি!" মিলনৰ হাতত জ্বলি থকা লেমটো কটা-আজোৰাত উফৰি গৈ নুমাই থাকিল।

মাষ্টৰে উঠি আহি হাতযোৰ কৰি দিহিঙিযাইতক ঘৰলৈ যাবলৈ অনুৰোধ কৰিলে। বংশীকো মাষ্টৰে কিবা-কিবি কৈ ভিতৰলৈ যাবলৈ কৈ তেওঁ সোমাই গ'ল। দিহিঙিযা আৰু মিলন নওলা পাৰ হ'লগৈ। বংশীক আগবঢাই দি সি বিহ গছৰ গুটি পঠাইছে। সেই বিহ গছৰ গুটি খাই তই নিজেই মৰিবি বুলি মাষ্টৰক মনবৰে ভালেখিনি গালি গালাজ পাৰিলে। 'তোক মই ঘৰৰ পৰা মাতি নি বেজবৰুৱাৰ মিলত সুমুৱাই দিছিলো। দুদিন দুপইচাৰ মুখ দেখি তোৰ গাত পিৰ-পিৰণি

উঠিছে। বংশী বাপেৰৰ গাত ওলমি তই মোক চিনিকে নোপোৱা হলি ?” কিবা-কিবিবোৰ ভোৰভোৰাই মনবৰ গ'লগৈ।

ক্ষন্তেক পিছতে মিলন আকৌ আহিল। তেওঁৰ লেমটো আন্ধাৰতে ক'ৰবাত পৰি থাকিল। বকুলে মাষ্টৰৰ কোঠাৰ পৰা লেমটো আনি মিলনৰ লেমটো জ্বলাই দিলেহি। এন্ধাৰত যাবলৈ পোহৰকণ পাই মিলনে বকুলক ফুচ-ফুচাই বোলে “বাপেৰকো মনবৰেহে লৈ আহিলে। কংসইযে হেনো মনবৰক পঠিযাইছিলে। মোক আকৌ তোৰ বাপেৰেহে লৈ আহিলে পায। মাষ্টৰক কথাটো কবি দেই।” নিজৰ গাৰ দোষটো পাতল কৰিবৰ কাৰণে আচল কথাখিনি কৈ “ককাইটি ৰ'বা, গৈছো” বুলি মিলন বেগাই গ'লগৈ। বংশীহঁতে ৰন্ধাৰ ঘৰতে বহি বহুত সময মনবৰৰ চক্ৰান্তটোৰ কথা আলোচনা কৰি থাকিল।

মনবৰ মিলনহঁতে মাষ্টৰৰ ঘৰলৈ অহাৰ পিচৰ পৰাই সকলো ওলট-পালট হ'ল। ল'ৰাকেইটাৰ মনবোৰো কিবা খেলি-মেলি হৈছে। ঘৰত কথা শুনিবলগীযা হৈছে কাৰণে কেইবাদিনো মাষ্টৰৰ ঘৰলৈ দঘলা আৰু আকবৰৰ বাহিৰে কোনো অহা নাছিল। মাষ্টৰেও কোনো কথা কোৱা নাই। চাৰিদিনমান সেইদৰে যোগাযোগ নোহোৱাকৈ থকাৰ পিচত বংশীযে বকুল আৰু বলোৰামক পুণৰ আহিবলৈ সন্মত কৰিলে। কিন্তু মুহিৰাম আৰু কন্তি নাই। মুহিৰামৰ মাকৰ অৱস্থা দিনক দিনে বেয়াৰ ফালেহে গৈছে। তাতে কংসই কেইদিনমানৰ ভিতৰতেই মুহিৰামক ক'ৰবাত কাম এটাত সুমুৱাই দিম বুলি আশা দিছে। কন্তি আৰু মুহিৰাম হালকে কংসই মাতি নিছিল। কন্তিক কুণ্ডা কটিওৱা গাড়ীত কাঠৰ হিচাব কৰিবলৈ লাইকালৈ পঠিযাই দিলে। বংশীৰ লগ নলওঁ বুলি হেনো কন্তিৰ পৰা এখন লিখা লৈহে কন্তিক চাকৰি দিছে। সেই কথা কাৰো আগত প্ৰকাশ নকৰিবলৈ কন্তিক কৈছিল যদিও মুহিৰামে জানে।

কংসই মনবৰক হাতত লৈ সিহঁতৰ দলটো ভাঙিবলৈ ষড়যন্ত্র কৰিছে আৰু সেই ষড়যন্ত্ৰৰ জাল তৰি কৃতকাৰ্য্যও হৈছে। বংশীৰ জেদ কমক ছাৰি বাঢ়িছেহে। এইবাৰ সি জান প্ৰাণ দি লাগি যাব। তদুপ'ৰ কংসৰ দৰে মানুহে তাৰ কাৰণে যে খুউব ভয কৰিছে সেই কথাটো বুজিব পাৰি সি গৌৰবো অনুভৱ কৰিলে। সিহঁতৰ আগতে মনবৰে আৰু মনবৰৰ বুদ্ধিমতে মাষ্টৰক মিলন আৰু ডিহিঙিয়াই যি অপমান কৰিলে, তাৰ কাৰণে মাষ্টৰৰ গাত কোনো দোষ নাই। মাষ্টৰৰ খেতি পথাৰ নাই। টকা পইচা আছে কাৰণে সুখেৰে খাই বই আছে। সেই মানুহজনে অকল বংশীৰে নহয় গোটেই কৃষক ৰাইজৰ কাৰণে ভাবি সিহঁতক পথ দেখুৱাইছে। সেইজন মানুহৰ অপমান মানে গাঁৱৰ মানুহে নিজৰ ডিঙিত নিজে চিপ গাঁঠি লগোৱা হৈছে। সেইজন মানুহ বংশীহঁতৰ কাৰণে অপমানিত হৈছে।

মুহিৰামৰ ঘৰৰ পৰা ঘুৰি আহোঁতে বংশীয়ে ভাবি আহিছিল মাষ্টৰে যদি প্ৰকৃততে দুখীয়াৰ দুখত দুখী হৈ অন্তৰেৰে আগবাঢ়িছে তেন্তে ভুল বুজা মানুহ কিজনৰ কথাৰ ওপৰতে আঁতৰি নেযায। তেওঁ যদি ৰাইজৰ কাৰণে কাম কৰিম বুলি বংশীহঁতক কোৱা কথাৰ দৃঢ়তা আছে তেন্তে মনবৰ আৰু বাকী দুজন মানুহকেই ৰাইজ বুলি ধৰিব নালাগিব। সিহঁতে যি কাম কৰিছে বা কৰিম বুলি ভাবিছে সেই ব্যৱস্থাতো প্ৰথম অৱস্থাত সাধাৰণ ৰাইজৰ আগত অধিক গোপনীয়তা ৰক্ষা কৰি কাম কৰা হ'লে নিশ্চয় মাষ্টৰৰ ঘৰত কি কথা পাতিছে তাৰ উমলবলৈ কংসই মনবৰক পঠিয়াবলৈ সুবিধাকে নাপালেহেঁতেন। মাষ্টৰৰ ঘৰৰ পৰা তাক আঁতৰি যোৱাৰ কাৰণে গুণদাই কৈছে, মিলনে কৈছে, ভূধৰে কৈছে তথাপি সি তেওঁলোকৰ কথাত বিশেষ গুৰুত্ব দিয়াৰ আৱশ্যক বোধ কৰা নাছিল। কিন্তু সি মাষ্টৰৰ ঘৰত থকাৰ কাৰণেই আলোচনাবোৰ মাষ্টৰৰ ঘৰত কৰিব লগা হৈছে। যাৰ কাৰণে মাষ্টৰেও অপমান পাইছে আৰু সিহঁতৰ ওপৰত কংসহঁতৰ চকু থিয হৈছে।

আলোচনা চলাই যোৱাৰ কাৰণে নতুন এডোখৰ ঠাইৰ ব্যৱস্থা কৰিব লাগিব। কাৰণ এই আলোচনা বিলোচনা আৰু মাষ্টৰৰ কিছুমান 'লেক্‌চাৰ'ৰ পৰা বিশেষকৈ বংশীৰ নিজৰ বহুত জ্ঞান হৈছে। আকবৰৰ দৰে এটা অভং ল'ৰাকো আলোচনাই বহুত আগবঢাই দিছে। চাকৰিত থাকোতে সি তাৰ বন্ধুজনৰ লগত গৈ কেইবা ঠাইতো এইদৰে আলোচনা শুনিছিল। কিন্তু বুকুত এটা ভয় থকাৰ কাৰণে সেই আলোচনাবোৰ সি বুজিব পৰা নাছিল। তদুপৰি সেইবোৰ আলোচনা যেন বহুত ওখ খাপৰ আলোচনা আছিল আৰু মাষ্টৰে কোৱাৰ দৰে কথাবোৰ সহজ সৰল নাছিল কাৰণেই সি তেতিয়া হয়তো কথাবোৰ ভালকৈ বুজিব পৰা নাছিল।

লতিয়ে আগদিনা আহি বংশীহঁতে তাৰপৰা অনা মাটিৰ হিচাবটো কাটি দিবলৈ কৈ গৈছেহি। লতিকো ছাগৈ কংসই লম্ভিছে। সময়বোৰ গৈ আছে। কিবা এটা কাম আৰম্ভ কৰি দিব পৰা হ'লে কাম কৰিও ভাল লাগিলহেতেন। সেইবোৰ মাটিবাৰীৰ হিচাব লৈ কোনে কি কৰি জীবিকা নিৰ্ব্বাহ কৰিছে সেইবোৰ লিখা লিখি কৰি সিহঁতৰ আমুৱাইছে। তাতে প্ৰশ্নৰ উত্তৰ দিওঁতে তিক্ত অভিজ্ঞতা পাইছে। সোনকালে কাম এটা হাতত লব পাৰিলে মানুহবোৰক যেন চপাই আনিব পাৰিব। মুহিৰামৰ ওপৰত ভৰষা কৰিব নোৱাৰি। তাৰ কথাৰ ঠিক নাই। একমাত্ৰ সাহস ল'ৰা কাৰণেহে তাক লগলগাই লোৱা হৈছিল। জাপি সজিয়াৰ সোনধনৰ কথা দীঘলাই কৈছিল। মুহিৰামৰ ওচৰলৈ যাওঁতেই সি সোনধনক লগ কৰি আহিব পাৰিলেহেঁতেন। প্ৰথমতে মাষ্টৰৰ ঘৰৰ পৰা আঁতৰি আহি সি গাঁৱৰ মাজত ক'ৰবাত থাকিবলৈ ঠিক কৰি ল'ব পাৰিলে কাম বেছি হ'ব। মাষ্টৰৰ ঘৰটো এমুৰিয়া কাৰণে তাত থাকি মানুহবোৰক সময়মতে লগ কৰিবও নোৱাৰি। মনবৰৰ লগত সি লাগিব নালাগিছিল। তাৰ কাৰণেই যদি মাষ্টৰে কিবা অঘটনৰ সন্মুখীন

হ'ব লগা হয় এটা ডাঙৰ মুৰ হেৰাই যাব। সেই মুৰটো সিহঁতক লাগিবই। তাতকৈ দেখাদেখিকৈ সিহঁতি মাষ্টৰৰ লগত বাহ্যিক সম্পৰ্ক ছেদ কৰি দিয়া ভাল কথা হ'ব।

ৰাতিপুৱা শুই উঠি বংশীয়ে চাহ নোখোৱাকৈ মুহিৰামক ঘৰত নাপাই বুলি তাৰ ওচৰলৈকে ওলাই গৈছিল। মুহিৰামৰ ঘৰতো চাহ খোৱা নহ'ল। পুৱাৰ পৰা ৰ'দটোৱে খাওঁ খাওঁ মূৰ্ত্তি ধৰি আহিছে। আকবৰকো লগ কৰি সিহঁতৰ ঘৰতে চাহ খাম বুলি সি খোজ ল'লে। পি, ডব্লিউ, দি আলিৰ পৰা মাষ্টৰৰ ঘৰলৈ ফাটিযোৱা বাটতো পাৰহৈ অলপ দূৰ যাওঁতেই সি কংসৰ জীপ গাড়ীখন পিছফালৰ পৰা অহা দেখিলে। হয় কংসৰ জীপখনেই আহিছে। সি বুলিৰ পৰা ৰক্ষা পৰিবৰ কাৰণে বাটৰ দাঁতিলৈ গ'ল। তাক পাৰহৈ গৈ জীপখন ৰৈ গ'ল। ধুলিবোৰ জীপখনৰ আগলৈ গ'লগৈ। জীপৰ পৰা মূৰ উলিযাই কংসই বংশীক মাতিলে। সি আগবাঢ়ি আহিল।

"খুৰাদেউ ভালে আছেনে ?"

"ভালে আছে মানে ? তই অহাটো বহুত দিনেই হ'ল ? কেতিযাবা দেখা এটাওটো দিব পাৰ ?

"আহো বুলি অহাই হোৱা নাই, খুৰাদেউ।" "তইবোলে চাকৰিটো এৰি দিলি ?"

"ভাল নালাগিল খুৰাদেউ।" "ইমান দিনে ভাল লাগিছিল এতিযানো কিয় বেযা লাগিল ? ইযাত হ'বলা ভাল লাগিব ?" কংসই সন্মুখৰ ফালে চাই থাকিল।

"ইয়াত মুকলি মনেৰে ফুৰিব পাৰিছো। পেটৰ ভোকত খাবলৈ নাপাই খাবলৈ দে বুলি চিঞৰি ফুৰা মানুহক গুলিয়াই মৰাৰ সমান

নিষ্ঠুৰ কাম কিজানি পৃথিৱীত এৰকো নাই, খুৰাদেউ। শত্ৰুক মাৰিবলৈ ভয় নালাগে, কাৰণ শত্ৰুৰ ওপৰত স্বাভাৱিক ভাৱেই খং উঠে। কিন্তু দুখীয়া মানুহক, নিৰস্ত্ৰ মানুহক হত্যা কৰা বৰ পাশৱিক কাম খুৰাদেউ। তাতকৈ দিন হাজিৰা কৰি খালেও শান্তি আছে।" বংশীয়ে তন্ময় কৰি শান্ত-শিষ্ট ল'ৰাৰ দৰে কথাবোৰ ক'লে।

"লাখে লাখে তোৰদৰে মানুহে সেইবোৰ কামকে কৰি থকা নাই নেকি?" ষ্টিয়েৰিঙত হাত থৈ কংসই কৈ গ'ল। "তই শুধবাৰ নোৱাৰা এটা ভুল কৰিলি। তোক মই চাৰ্টিফিকেট দি নিজে পুলিচ অফিচাৰৰ ওচৰলৈ গৈ চাকৰিটো সুবিধা কৰি দিছিলো। সেইখিনি কথা নিশ্চয় তোৰ মনত আছে। চাকৰি এৰিব অহাৰ আগতে তই মোক তোৰ মনৰ ভাব জনোৱাহলে তোক মই আহিবলৈ নিদিলোহেঁতেন। আৰু কেইবছৰমান থকা হ'লে অন্ততঃ পেঞ্চন এটাকে পালিহেঁতেন। তাৰোপৰি পেঞ্চনটো লৈ ওলাই অহা হ'লে ইয়াত এটা চাকৰি পালিহেঁতেন। যি কৰিলি কৰিলি। এতিয়া পিছে কি কৰিছ?"

"কি কৰো তাকে ভাবি আছো। কিছুদিন চাই লওঁ। কিবা এটা আৰম্ভ কৰিম।"

"ৰাজনীতিলৈ আহিব নেকি? তোৰ সাহস আছে, বুদ্ধি আছে, বয়সো আছে। এতিয়াৰ পৰা মোৰ লগত থাকিলে তোক পাৰ্টিৰ কামত লগাই দিম। ভালকৈ টিপ-টাপবোৰ শিকি বুজি লৈ কাম কৰিলে এদিন মিনিষ্টাৰ পৰ্য্যন্ত হৈ যাবগৈ পাৰিবি। তইতো জানই পঢ়া-শুনাবো বিশেষ দৰকাৰ নাই। মাত্ৰ মানুহটো চালাক হ'লেই সহজতে ওপৰলৈ যাব পৰা ইয়াতকৈ আৰু ভাল উপায় একো নাই। সন্মান আছে, পইচা-পাতি আছে, নাই কি?" বংশীয়ে বুজি পালে তাক এই পথৰ পৰা আঁতৰাই নিবৰ কাৰণে সাময়িক ভাৱে ৰুদ্ধ কৰিবলৈকে কংসই তাক ৰাজনীতিত সুমুৱাম বুলি এই প্ৰলোভন দিছে।

"মই ভাৱি চাওঁ বাৰু।"

"ভাবিবলৈ কিটো আছে? গাঁৱত আদ্দা মাৰি ফুৰিলে মন বেয়া হৈ যাব। তই ইচ্ছা কৰ যদি মোৰ ঘৰত থাকিও ল'ব পাৰ। টাউনৰ ল'ৰা আনি ৰাজনীতি শিকাইছো। সেইবোৰ নগৰৰ ল'ৰাতকৈ গাঁৱৰ ল'ৰা এটাক শিকালে ৰাইজৰ উপকাৰ হ'ব। তই এতিযা মোক একো ক'ব নেলাগে। ভাবি-চিন্তি চাই ল।"

বংশীয়ে বোলে "খুৰাদেউ, আপুনি যিটো ৰাজনীতিলৈ মোক নিব খুজিছে সেইটো ৰাজনীতি আজিকালি ৰাজনীতিজ্ঞ বিলাকৰ অধীনলৈ গ'লগৈ। গান্ধীবাদী আদৰ্শৰ নামত বেইমানি চলিছে। শ্ল'গান সৰ্ব্বস্ব ৰাজনীতিত মোৰ অকণো আস্থা নাই। আপুনি সেইদৰে কোৱাৰ কাৰণে মোক বেয়া পাব পাৰে, কিন্তু মোৰ অভিমতেই সৰহ সংখ্যক ৰাইজৰ অভিমত বুলি মোৰ ধাৰণা।"

বংশীৰ নিচিনা হালোৱা ডেকা ল'ৰা চিপাহী এটাৰ মুখত ৰাজনীতিৰ ওপৰত তেনে ধৰণৰ চোকা মন্তব্য শুনি কংস অবাক হৈ ৰৈ গ'ল। পুনৰ কথাৰ সুৰ সলনি কৰি বোলে, "চাকৰিত সোমাব যদি অইল ফাৰটিলাইজৰত মোৰ মানুহ আছে। মই খবৰ কৰি চাব পাৰো আৰু ক'ৰবাত চাকৰি এটাৰ ব্যৱস্থা কৰিব নোৱাৰালৈকে মোৰ মিলত তই চুপাৰভাইজৰ হিচাপে সোমাই থাকিব পাৰিবি। কি কৰ মোক সোনকালে খবৰ দিবি। তোক মই কথাবোৰ কোৱাৰ মানে অন্য একো নহয়। ভাল মানুহৰ ঘৰৰ ল'ৰা এটা ভাল হ'লে মোৰো ভাল লাগিব। সেই কাৰণেহে তোক নিজৰ ল'ৰাৰ দৰে ভাবি কথাবোৰ কৈছো। তই ভাৱি চিন্তি চাই কি ক'ৰ মোক কবিহি।" কংসই কিছু দূৰলৈ জীপখন লাহে লাহে চলালে। বংশীৰ গাত ধূলিবোৰ কমকৈ লাগক বুলি। তথাপি ধূলিবোৰ অকাই পকাই বংশীৰ গাৰ ফালেই

আহিল। সি অলপ সময় থমকি ৰ'ল। আগতে দদাই বুলি সম্বোধন কৰা মানুহজনক সি খুৰাদেউ বুলি ক'ব নোৱাৰাকৈয়ে সম্বোধন কৰিলে। দদাইদেউ আৰু খুৰাদেউৰ অৰ্থ একে যদিও 'আংকোল' 'আন্টি' বুলি মাতিলেহে আজিকালি মানুহে ভাল পায়। দদাইদেউ, দদাই, মোমাই সম্বোধনবোৰ কিবা গাঁৱলীয়াযেন লাগে হেনো। কংসই চাগৈ তেওঁক খুৰাদেউ বুলি মাতিলত ফুলি গ'ল। সি অইলত চাকৰি দিয়ে, ৰাজনীতি শিকাই, তাৰ মিলত চুপাৰভাইজৰ হ'ব লাগে! তাৰ কাৰণে কংসৰ ইমান উদাৰতা হোৱা দেখি তাৰ হাঁহি উঠিল। কেলেই আকবৰহঁতৰ দৰে জাকে জাকে ল'ৰাই নিষ্কৰ্মা হৈ উশৃঙ্খল হৈ ফুৰিছে সেইবোৰ তই দেখা নাই? তই নজনাৰ ভাও ধৰি মোক মৰম কৰি দেখুওৱা মানে যে তই মোলৈ ভয় কৰিছ সেইটো মই বুজি পাইছো আৰু তোৰ অনুগ্ৰহতে বাহিৰত ঘূৰি এইখিনি বুদ্ধি হৈছে, তই মোক ৰাজনীতি শিকাব? হে'ব তোৰ সেই ধাইজৰ তেজ মঙহ খোৱা ৰাজনীতি শিকাতকৈ ৰাইজৰ গাত থকা তেজ কণকে ৰক্ষা কৰিব পৰা কিবা অলপ কাম কৰিব পাৰিলেও মই ধৰ্মৰ কাম কৰা হ'ব। আজি বাদে কালিলৈ তহঁতৰ সান্দহ খোৱা বালি তল পেলাম। কেইদিনমান অপেক্ষা ক'ৰ। সি যে কংসহঁতৰ মূৰ কামোৰণি আৰম্ভ কৰি দিব পাৰিছে সেইটো কথা ভাবি বংশীৰ মনটো ভাল লাগি গ'ল।

আকবৰৰ ঘৰৰ ফালে সি গৈ আছে। পথাৰেদি কংসৰ ঘৰৰ পৰা আকবৰহঁতৰ ঘৰটো দেখি থাকি। আলিয়েদি ঘূৰিলে এমাইলমান বাট হ'ব। খৰালি দিনত যাব পাৰি। বাৰিষা পথাৰেদি যোৱা অসুবিধা হয়। জাপিসজিয়ালৈ যোৱা আলিটোৰ পৰা দৰঙ্গীচুকৰ ফালে যোৱা আলিটো ফাটি যোৱাৰ আগতে পোৱা বালিবাটটোৰেদি আকবৰহঁতৰ বাৰীৰ ঢাপ চুই গৈছে। দুয়োফালৰ ঢাপৰ মাজেজি চিলচিলিয়া পানীৰ সোঁত বৈ থকাটোকে বালিবাট বুলি কয়। আচলতে বাট সুবুলি জুৰি

ৰা জ্ঞান বোলা হলেহে শুদ্ধ হ'লহেতেন। গাঁৱৰ মাজৰ বোকা বাটেদি অহাযোৱা কৰা মানুহে এই বালি বাটেদি আহিলে ভৰিৰ বোকাবোৰ গৈ থাকোতেই ধুই পেলোৱা হয়। জোনাযোৰ হাতত লৈ সি বালিবাটটো পাৰ হ'ল।

আগৰ কেঁকুৰিটো ঘূৰিলেই আকবৰহঁতৰ পথুলী। পোলাটোৰ ওপৰত আকবৰে এদলীয়া বাঁহ। সাঁকো এডাল দি লৈছে। কেঁকুৰীটো পাওঁতে সময় ল'ব। সি সাঁকোদালেদি পাৰহৈ আকবৰহঁতৰ বাৰীৰ পিচ-ফালেই উঠিবগৈ। সাঁকোডাল লৰক-ফৰক কাৰছে যদিও দাঁতিত দি থোৱা বাঁহ ডালত ধৰি যাব পাৰিব। সৰুতে তেনেকুৱা সাকোতে ওলমি ওলমি পাৰ হোৱাটো সিহঁতৰ এটা চখ আছিল এতিয়া সাঁকোৰ উপৰেদি যাবলৈকো ভয় লগা হ'ল। অৱশ্যে নিবন যুদ্ধত সিহঁতি নামছে সেইডাল সাঁকো সমস্ত জাপমাৰি পাৰ হ'বলগীয়াও হ'ব পাৰে। কিন্তু সিহঁতি হাজোতত সোমাই থাকিলে যুদ্ধখন আৰম্ভ কৰোতেই বন্ধ হ'ব। সাঁকোডালৰ তলৰ দলখিনি আকবৰে গুচালে। শাওনৰ ভিতৰতে রুব চাগৈ। বাৰীৰ দাঁতিৰ খোৱাখিনি ভালকৈ সজাল ধৰিছে। শাওনৰ তেৰদিন যোৱাতহে রুইছিলে। বহুত ওখ ওখ হ'ল, বাঢ়ি গৈছে। কিন্তু সিহঁতে কাম আৰম্ভ কৰা বহুত দিনেই হ'ল। সিহঁতি হ'লে আগবাঢ়িব পৰা নাই। সদায় মাথো কথাৰহে মহলা মাৰিব পাৰিছে। মাটি বাৰীৰ হিচাব যিকিখন গাঁৱৰ দিয়া হ'ল সেইবোৰলৈও দেখোন কেইবাদিনো আলোচনা কৰা হৈছে। কিন্তু কি কৰিব লাগিব তাক মাষ্টৰে একো নকলে। সুধিলে কয় "হুৰমুৰ নকৰিবিচোন। ভাবি-চিন্তি কাম কৰ। কৰি ভাৱিবৰ সময় নাথাকে।" সাঁকোডালৰ ওপৰত বৈ থাকি তাৰ গাত বিজবিজনী উঠিল। ঘামছি উঠিছে ছাগৈ। ৰ'দ চেৰেঙাৰ পৰা গছৰ ছাঁত ৰবলৈ সি সাঁকোডাল পাৰ হৈ আহিল। বহঁত জোপাৰ বহুত বহঁত পকি আছে। গছৰ তলত কিন্তু বহঁত পৰি থকা নাই। বহঁত জোপাও আগৰদৰেই লাগি আছে। ওলাই থকা বহঁতৰ শিপা এডালত সি বহিল।

আকবৰহঁতৰ এই মাটিডোখৰৰ লগত জড়িত বংশীৰ পুৰণি দিনৰ কথাবোৰ মনত পৰিল। কি যে দিনবোৰ গম নোপোৱাকৈ কেনি পাৰ হৈ গ'ল! আকবৰৰ ববাকে হাল বায়, আকবৰে আঁউচবোৰত কোৰ মাৰি যায়। মাজে মাজে বংশীযেও কোৰখন লৈ কোৰ মাৰে। বংশীয়ে মাছ খেপিযাই, কোৰখন এৰি আকবৰেও মাছ ধৰিবলৈ লাগেহি। আকবৰৰ ববাকে গালি দিয়ে। বংশীক "ঘৰলৈ যা, স্কুললৈ নাযাৱ কেলেই' বুলি ধমকী সোধাই।

আকবৰকনো কেলেই স্কুললৈ যাব নিদিয় বুলি বংশীয়ে মুখ পাতি ধৰে। খলিফাই তাক খেদি যায়। সি লৰ মাৰে। আকৌ ঘুৰি আহে। তহঁতৰ মাটি নহয় জানিছ। বেজবৰুৱাৰহে। মই মাছ ধৰিমেই। খলিফাই হাল এৰি এচাৰিডাল ডাঙি তাক খেদি যায়। সি বহঁত জোপাৰ তলৰ পৰাই তৰ্ক কৰে। "হোলাটোৰ পানীখিনিও তহঁতৰ নেকি? হোলাৰ মাছবোৰ তহঁতৰ নেকি?" খলিফাই মুখেৰে নমতা হৈছিল। এইখন পথাৰৰ বোকাত লুতুৰি পুতুৰি হোৱাৰ পৰা, গছত উঠি চৰাই পোৱালী ধৰা, কলীয়া পানীত বৰশী বোৱা, আদি সকলো কামতে বংশী আকবৰৰ প্ৰধান সংগী আছিল। বংশীৰো পঢ়া-শুনা নহ'ল। বাপেকৰ লগত কাম কৰিব লাগে কাৰণেই আকবৰে প্ৰথম মানৰে পৰা স্কুল এৰি দিব লগা হ'ল।

তাতকৈ দুখৰ কথা যি ডোখৰ মাটিৰ মোহত সি পঢ়া-শুনা এৰিব লগীয়া হৈছিল সেইডোখৰ মাটিৰ মালিকো সিহঁত হ'ব নোৱাৰিলে। এই ছয়বিঘা মাটিৰ ইতিহাস সি ফৌজত সোমোৱাৰ আগতেই সকলো জানিছিল। পুবফালৰ টিঙনা, ফুটকলানী, বাহনিখন, পথাৰৰ মাটি গোটেইখিনি কংসৰ মাটি। বহঁত জোপাৰ পৰা ফুটকলানী টুকুৰা হেনো কংসৰ বাপেকে খলিফাক হালোৱা হৈ থাকোতেই দিছিলে আৰু মাটি টুকুৰাৰ দামো হেনো খলিফাৰ মাহেকীয়া দৰমহাৰ পৰা কাটি লৈছিলে।

সেইয়া খলিফাই আকবৰৰ মাকক অনা আগৰ কথা। হোলাটো দ কাৰণে হেনো কব নোৱাৰা হৈ পৰি আছিল। ফুটকলানীখন কোৰেৰে খান্দি আকবৰ, লীলা আৰু খলিফাই গোলাটোৰ এফাল পোতা বংশীৰ মনতে আছে। দ পথাৰ আৰু ফুটকলানীখন সমান কৰি কব পৰা কৰা সি নিজে দেখিছিল। তাৰ পাছত সেই মাটি টুকুৰা খলিফাই জোৰ-জুলুমকৈ দখল কৰিছে বুলি কংসই মোকদৰ্মা কৰিছিলে। মাটিৰ দাম যদি দিয়াই হৈছিল তেন্তে তাক কৈ লিখা-পঢ়া কৰি লব লাগিছিল। সাক্ষীও আছিল হেনো। যদি সাক্ষী আছিলেই, সেই সাক্ষীবোৰে কংসক নধৰিলেগৈ কেলেই? একেবাৰে জুঠ-মুঠ মানুহ! দাৰিকোছা আছে কাৰণেহে মতা মানুহ। এইবোৰক মুখৰ পৰা মাটিখোৱা মানুহ বোলে। সাক্ষীকেইটাও সেই, মানু গোটাই বৰ ডাঙৰ কামটো কৰিলে বাকী নাই। নিজে বুকু ভাঙি দ-বাম সমান কৰি উলিয়াই লোৱা মাটি টুকুৰাও আৰি খোৱা বন্দবস্তু দান কৰি মোকদৰ্মা খন উঠাই লোৱালে। মুছলমান হল কি হ'ল? আকবৰহঁত কংসৰ নিজৰ ভনীয়েকৰ ল'ৰা ভাগিনীয়েক কেইটাৰ মুখৰ ভাত কাটি খোৱা মানুহটোক তেতিয়াই ৰাইজে হেঁচা মাৰি নধৰিলে কিয়? মতা মানুহ গাঁৱত তেতিয়াৰ পৰাই নাই! হোলাৰ ফালে হাঁহ আছে নেকি বংশীকা?

কৰিমৰ মাত শুনি বংশীয়ে হোলালৈ চালে। তাৰ মুখৰ আগত বোৱানী ডোখৰতে হাঁহ পোৱালী এজাক হাঁহজনীৰ সৈতে চৰি আছে। ইমানপৰে বোৱানীদৰাতে চকু থৈ সি বহি আছিল। অথচ বোৱানীত পিত্পিতাই ফুৰা হাঁহজাকক সি দেখা নাছিল।

"আছে অ', পোৱালী এজাকো আছে।" কৰিম আহি হাঁহ পোৱালী কেইটা গণ্তি কৰিলে। "ঠিকেই আছে বংশীকাই। চিলনীজনী এইফালে উৰি অহা দেখি মই বোলো মায়ে আজি মোক ভৰা চোৱাদি

চাব। তুমি যে ইয়াত অকলে অকলে বহি আছা ?” “এবা অ’, লগ বিচাৰি ফুৰিছো। মোক লগদিয়া মানুহ পোৱা নাই।” “আকবৰকা পাবহি এতিয়া। তুমি দেখোন আমাৰ ঘৰলৈ নহা হ’লা ? ববা, বাইটী, মাই, সকলোৰে বেযা পাইছে, তুমি নগাৰ কাৰণে।” “ব’ল বাৰু”, বংশী বাবাৰ মাজেদি খলিফাৰ ঘৰলৈ গ’লগৈ।

মূল ঘৰটো। মুধেদি নমোৱা চালিখনৰ তলতে খলিফাৰ ঘৰৰ পাতিবৰ জুইশাল। জুইত তুহঁ দি জুই মুমুৰাকৈ ৰাখি জুইশলাৰ খৰচ কম কৰাৰ ব্যৱস্থা খলিফাইহে ৰক্ষা কৰি আছে। ধোঁৱাই থকা জুইৰ ওপৰৰ চাংখনত খলিফাই সজা মুঢা, বেতবস্তু, মুঢাৰ কাৰণে সজা বেতৰ শলি আদি তুলি থৈছে। চাংখনৰ পৰা ওলোমাই দিয়া তাঁৰ এডালত চাহৰ কেটলিৰ পৰা খলিফাই ৰঙা চাহ এবাতি বাকি লৈছিল।

“ঘৰত গাখীৰ থাকোতেনো ৰঙা চাহ কেলেই খাইছা দদাই ?” কৈ কৈ বংশীয়ে মুঢা এটা টানি লৈ খলিফাৰ সম্মুখৰফালে বহিল।

“এ, গাখীৰ ওলালে কি হ’ব বংশী, ভাগতো পৰিব লাগিব নহয়। ওলায় ছয়পোৱা, বেচো পাঁচপোৱা। বাকী থকা এপোৱাকে ঘৰখনে উবৰি-গুবৰিকৈ খাওঁ” বুলি খলিফাই হাঁহি দিলে। “অভ্যাস হৈ গৈছে জানিছ। গাখীৰ-চেনী নোহোৱাকৈ খাব পৰা হৈছো।” বংশীয়ে বোলে “জাপিসজিয়ালৈ ৰাতিপুৱাই গ’লো। বোলে “তাতো নাহিলি খাই ইয়াতো পাবলৈ নাই।” একদম খালি পেটেৰে আছো দদাই চাহ এবাতি মোকো দিয়া”, “খালি চাহ এবাতিহে নালাগে দুই-তিনি বাতি খাব পাৰিবি। পিছে লগত দিবলৈহে একোকে নাই পায়। ৰন্ধাই ৰান্ধিলে, খোৱাই খালে, গ’ল দিহাদিহি। ভীমকল দুটামান থাকিব পাই, তাকো ক’ত থৈ গৈছে চাওঁ ৰ’।” বংশীক চাহ এবাতি বাকি দি থৈ

খলিফাই ভিতৰৰ পৰা ভীমকল এআঁসি উলিযাই আনি দিলেহি।
"কলকে কেইটা খাব খা, আৰু নোখোৱা কেইটা হাতত লৈ যাবি। মাষ্টৰ বুঢ়াকো দিবি, তই নিজেও খাবি। তোক ভাতকে খা বুলি ক'লোহেঁতেন। ভৰ দুপৰখন তোক ভাত বান্ধি খুৱাবলৈ দেহাত মুঠেই শক্তি নাই, বংশী।"

বংশীয়ে বোলে, "দুপৰেই হওক বা ৰাতিপুৱাই হওক মই মুছলমান মানুহৰ হাতে ভাত নাখাওঁ দেই। ঘৰত চাৰে ভাত বান্ধি থব।" বংশীৰ বগৰ লগোৱা কথাত খলিফাই হাঁহি হাঁহি কলে "কথাতো হওঁতে ঠিকেই কৈছ। মিলিটেৰী চাকৰিত ৰান্ধনিবোৰ চাগে গোঁসাই মহন্তহে। আৰু সেইকাৰণেই এতিয়া বামুণ ৰান্ধনিৰ হাতেৰে খাবলৈ তই মাষ্টৰৰ ঘৰত আছ? মানুহ-দুনুহ এটাৰ মুখ দেখিবলৈ নাই ঐ। তইয়ো আজিকালি একেবাৰে নহা হলি দেখোন।"

বংশীয়ে লক্ষ্য কৰিলে কথাটো কৈ অতোৱাৰ পাছত খলিফাৰ ফোপনীয়ে ধৰিছে। দাৰিকোচা নথকা হ'লে গালৰ কুমবোৰ ওলালেহেঁতেন। খালিগাৰে থকাৰ কাৰণে বুকুৰ হাডকিডাল নিৰ্ভুল ভাৱে গন্তি কৰিব পৰা হৈছে। "তোমাক এবাৰ মেডিকেলত দেখুৱাই আনিমগৈ দদাই" বংশীয়ে মেডিকেললৈ নিম বুলি কোৱাত খলিফাই কাঠহাঁহি এটামাৰি বোলে "কিডাল হ'ব ঐ। জেলৰ পৰা ওলাই অহাৰ পিচতে আকবৰে নি দেখুৱাইছিলগৈ নহয়, আৰু নাযাওঁ দেই বংশী। হে'ৰ খোজে খোজে পইচা। মেডিকেল কলেজ হস্পিতেলবোৰ আমাৰ দৰে ভিকহুবোৰৰ বেমাৰ ভাল কৰিবলৈ পাতিছে বুলি ভাবিছ নেকি? হে'ৰ বেমাৰবো ধনী-দুখীয়া বিচাৰ কৰিব লাগেনে? কিবা দৰৱ এগাল লিখি দিলে, তাৰে আধা খালো আধা আনিবলৈকো থাকিল। জীযাই থাকিনো আৰু কিডাল কৰিম, বংশী। ইমানতে আল্লাই সিফলীয়া কৰাহ'লে আকবৰটোৰ মুৰৰ পৰা বোজা এটা পাতলিলহেঁতেন। মোৰ কথা বাদ দেচোন।

তই হ'বলা মাষ্টৰৰ লগতে খোপনি পুতিলি ? সেইদিনা বোলে কাৰোবা কাৰোবাৰ লগত গতিয়া গতি এখনো মাষ্টৰৰ ঘৰত হ'ল ? কথাবোৰ বেযা শুনিছো। কদোৰ বাঁহত জুই দিয়াৰ নিচিনা হৈছে দেই। মনবৰক এলাপেচা বস্তু বুলি নেভাবিবি। তই ৰসতে, নামটো থৈ দদায়েৰৰ ঘৰলৈ গুচি আহ বংশী। মানুহে কিবা-কিবিবোৰ কৈছে হেনো, আৰু সেই বুঢ়া মানুহজনক তইঁতে এই বয়সত মিছামিছিকৈ গালি শপনিবোৰ মুখুৰাবি পাই। আৰু তই বোলে মাষ্টৰৰ বাৰীখন বখলিয়াই পেলালি ? হেৰ' কি লাভটো হ'ব। সেইডালে আজি অত দিন বাৰীখন বাঘে পোৰালী জগাব পৰা কৰি থৈছিলে। সেইবাৰীত দেহামাৰি কষ্ট কৰাতকৈ নিজৰ বৰীযাকৈ কেনিবা বাৰী এটুকুৰা কিনি-কুটি লৈ কাম কৰিলে তোৰ বাৰীখনো পতা হ'ব, কামবোৰো আগবাঢ়ি থাকিব।”

বংশীয়ে খলিফাৰ সৰলতাখিনি বুজি পালে। তেওঁ যিখিনি কথা কৈছে বংশীহঁত আৰু মাষ্টৰৰ ভালৰ কাৰণেই কৈছে। তথাপি মানুহে ভূধৰ মাষ্টৰৰ লগত থকাৰ কাৰণে যে হিংসাত মৰিছে তাক তেওঁৰ ঘৰতে থাকহি বুলি কিয কোৱা নাই। ভূধৰৰ ঘৰত থকাত তাৰ কোনো অপত্তি নাই। কিন্তু খুৰীযেকজনীৰ ব্যৱহাৰ সি পাই থৈছে। সেয়ে কি কৰা হয সি একো সিদ্ধান্ত কৰিব পৰা নাই। সি যে মাষ্টৰৰ লগৰ পৰা আঁতৰি আহিব সেইটো খাটাং কথা। কিন্তু কত থাকে, কেতিযা আহে সেইটো সিদ্ধান্ত কৰিব পৰা নাই। যাওঁ বুলি খলিফাক কৈ ঘপককৈ বংশী উঠি মাষ্টৰৰ ঘৰমুৱা হ'ল।

বংশী শেষত ভূধৰৰ ঘৰলৈকে আহিল। লোকৰ লগত থাকিলে বহুত কথাত এৰাধৰাকৈ চলিব লাগে। সি এৰাধৰা কৰি চলিছে মানুহে বেয়া নেপাওক বুলিহে। এতিয়াৰ পৰা বাইজে বেয়াপোৱা কাম সি নকৰো বুলি মনতে প্ৰতিজ্ঞাও কৰি লৈছে। মাষ্টৰৰ ঘৰৰ পৰা অহাৰ পাচত প্ৰায় এসপ্তাহমান আলোচনা কৰা অথবা গাঁৱত গৈ লিখালিখি

কৰা কোনো কামেই হোৱা নাই। বকুল, বলোৰাম, আকবৰ, মুহিৰাম মাজে মাজে তাৰ ওচৰলৈ আহে। ল'বাকেইটা ভূধৰৰ ঘৰলৈ আহি থকা কথাটো গুণদাই বৰ ভাল্‌পোৱা নাই। এদিন জাপিসজিয়াৰ নদীয়াল মানুহৰ ল'ৰাই খোৱা বাচন-বৰ্ত্তন ধোৱা লৈ গুণদাই জয়মতীক কিবাকিবি কোৱা বংশীৰ কাণত পৰিছিল, আৰু এদিন বংশীয়ে শুনক বুলিয়েই গুণদাই কৈছিল।

"দেশৰ মজদুৰৰ ল'ৰা, মুছলমান, খৃষ্টিয়ানৰ ল'ৰাক বিধে বিধে বেলেগে বেলেগে চাহ খুৱাবলৈ বেলেগ বাতি, গিলাচ তাক আনি দিবলৈ কবি আৰু সেইবোৰ বাচন তাক নিজে ধুবলৈ কবি।" জয়মতীয়ে উভতি মাকক কোৱাতোও সি শুনিছিল। তাই কৈছিল, "তই ধুব নেলাগে নহয়, তাঁকে তাক শুনাই শুনাই যে চিঞৰিছে।' তাৰ পিচদিনা মাষ্টৰো আহিল। দীঘলাৰ সৈতে বাকী আটাই কেউটা ল'ৰাও আহিছিল। বংশীয়ে চাহপাত, চেনী বেলেগে আনি দিছিল যদিও সেইদিনা চাহ দিব নালাগে তামোল দিলেই হ'ব বুলি সি জয়মতীক কৈ গৈছিলহি। কিন্তু জয়মতীয়ে সেইদিনাও সকলোকে চাহ, তামোল দিলে। গাঁৱৰ আচাৰ নীতি আৰু সমাজ ব্যৱস্থাৰ উৰ্দ্ধত গুণদাই ইমান সহজে জাত-পাতৰ চিন্তা এৰাই চলিব নোৱাৰে বুলি ভাবিয়ে বংশীয়ে গুণদাৰ কথাত একো নামাতিলে। অকণো বেয়া পোৱাও নাছিল।

জয়মতীয়ে সিহঁতৰ ঘৰলৈ মানুহ অহাৰ কাৰণে ভালহে পাইছিল। সেয়ে তাই মাকৰ বাধাৰ ওপৰতো মানুহখিনিক ভালভাৱে সোধ-পোচ কৰিছিল। সেইদিনা ৰাতি বহুত পৰলৈকে আলোচনা হ'ল। মনবৰে ধমকি এটা দিয়াৰ কাৰণেই যদি সকলো খেলিমেলি হৈ যায়, পুলিচৰ দমন-পীড়ন হ'লে কি হ'ব, ইত্যাদি প্ৰশ্নৰ অৱতাৰণা কৰি মাষ্টৰে বাকী থকা কামখিনি সোনকালে কৰিবলৈ সকলোকে পৰামৰ্শ দিলে। পিছদিনাৰ পৰা কিছুদিনলৈ আকবৰৰ ঘৰতে গধুলী গোট খোৱাৰ সিদ্ধান্ত কৰিলে।

মাষ্টৰ নিজে আহি পুনৰ কামত হাত দিয়াৰ কাৰণে বংশীৰ মনত আশাৰ সঞ্চাৰ হ'ল

সেইদিনা মানুহখিনি ওলাই যোৱাৰ পাছত গুণদাই মুখ খুলিলে। "জাপিসজিয়াৰ ডেকাল'ৰাই ভূধৰৰ ঘৰত গধুলী গধুলী যোৰ পাতিছেহি বুলি হেনো গাঁৱত বু-বু বা-বা হৈছে। ডেকাল'ৰা, নগৰ সমনীয়াৰ লগত তই ফুৰিবি। তাত তোক মই বাধা নকৰো। ঘৰত গাভৰু ছোৱালী আছে। সেইকাৰণে দোকানে-পোহাৰে স্কুলে-নামঘৰে কৰবাত গোট খাবহঁক আৰু মাষ্টৰ— সেই অপুত্ৰক মানুহটো ওলাওঁতে সোমাওঁতে জীয়ৰী ছোৱালীয়ে দেখি থকা বেয়া।" গুণদাই সৰল ভাৱে বুজাবলৈ চেষ্টা কৰিছিল যদিও বংশীয়ে বুজি পালে। চিধাচিধি এইবোৰ কথা ইয়াত নাপাতিবি বুলি নকৈ জয়মতীৰ প্ৰসঙ্গ উলিয়াই আচল কথাটো লুকাই ৰাখিছে। তেতিয়াৰ পৰা গধুলী হোৱাৰ লগে লগে বংশী ওলাই যোৱা হ'ল।

পথাৰলৈ যোৱাৰ বাহিৰে বাৰী ঘৰৰ কামত সি প্ৰায় দিনটো লাগি থাকে। যিখন ঠাইত মানুহ যিমান দিনেই নাথাকক, ঠাইখন সুন্দৰকৈ ৰাখিব লাগে। মাষ্টৰৰ ঘৰত কৰাৰ দৰেই সি সকলো কৰি গৈছে। যিমানলৈকে সম্ভৱ সকলো ধৰণেই সি এৰা ধৰা কৰি প্ৰায় দহদিন পাৰ হ'ল। সি শেষত এৰাধৰা কৰাৰ সীমাৰ বাহিৰৰ এটা সমস্যাত পৰিল। নৰ্মদাক চাই আহিবলৈ বংশীক গুণদাই সেই কেইদিনৰ ভিতৰত কেইবাদিনো কৈছিল। সি যাম নেযাম একো কোৱা নাছিল। লক্ষীয়েও এদিন বংশীক নৰ্মদাহঁতৰ ঘৰলৈ তাৰ লগতে লৈ যোৱাৰ কথা কৈছিল।

বংশীয়ে বোলে, "বিয়া কৰোৱাটো পিচত চিন্তা কৰিম, লক্ষী। তই চাচোন, দুৱাৰ মুখৰে বোপা-ককাৰ দিনৰ এইঘৰৰ ভেটিটো ৰামধাৰী

কুকুৰে কেনেকৈ লোহাৰ বেৰা দি বন্ধ কৰি থৈছে। সেইডোখৰ মাটি তাৰ হাতৰ পৰা লম বুলি মই প্ৰতিজ্ঞা কৰি থৈছো। সেই প্ৰতিজ্ঞা পূৰণ নোহোৱালৈকে মই ঘৰো নাসাজো, বিয়াও নাপাতো।” তাৰ পিচতো থুৰীয়েকে জোনাকী আৰু নৰ্মদাক হেনো মাতি পঠিয়াইছে। বংশীৰ উপায় নোহোৱা হ'ল। জোনাকী মাহীৰ জীয়েক নৰ্মদা। তাইক বংশীয়ে নিচেই সৰুৰে পৰাই দেখা। আকৌ তাইক আনি বংশীকনো কিয় দেখুৱাব লাগিছে। ছোৱালী কামে কাজে বা দেখিবলৈ যিমানেই ভাল নহওক কিয়, বংশীৰ পৰা কোনো কথা নোপোৱাকৈ সিহঁতক মাতিলে জোনাকী মাহীয়ে কিবা এটা আশাকৰি আহিব। তদুপৰি নৰ্মদাইওটো মনে মনে বংশীৰ লগত তাইৰ বিয়া হ'ব বুলি আনন্দ-মনেৰে আহিব।

তাইৰ মনত আঘাত দিয়াৰো অধিকাৰো বংশীৰ নাই। বংশীয়ে বুজি নাপায়। নৰ্মদাক বংশীলৈ অনাত কিয় গুণদাৰ ইমান ব্যস্ততা। সিহঁত অহাৰ পাচত বিয়া নকৰাওঁ বুলি কৈ দিয়াতকৈ আগতে সি ভূধৰৰ ঘৰৰ পৰা গুচি যোৱা উচিত হ'ব বুলি ভাবিলে। কিন্তু যাব কলৈ? মিলনৰ ঘৰলৈ? মিলনৰ ঘৰত সি কেতিয়াও থাকিব নোৱাৰে। কথা পাতিবলৈওতো মনে মিলা মানুহ এজনৰ দৰকাৰ। সেইদিনা মনৰে ক'বলৈ কোৱাৰ কাৰণেই মিলনে মাষ্টৰক সেইবোৰ কথা কৈছেগৈ। কথাৰ ঠিকনা নোহোৱা মানুহ মিলনৰ ঘৰলৈ সি নাযায়। মাষ্টৰৰ ঘৰলৈ ঘূৰি যোৱা মানে সিহঁতৰ পৰিকল্পনাটোত চেঁচা পানী ঢালি দিয়া। মাষ্টৰৰ ঘৰলৈ যোৱাৰ প্ৰশ্নই নুঠে। খোৱা থকাৰ সুবিধা বিচাৰি সি চাকৰি এৰি অহা নাই। ক'লৈ যোৱা হয় সেই পৰ্যন্ত সি একো ঠিক কৰিব নোৱাৰিলে। কিন্তু দুই এদিনতে জোনাকী মাহীয়েক অহাৰ আগতেই ভূধৰৰ ঘৰৰ পৰা সি ভালেৰে ওলাই যাব।

বলোৰামে ঠিকেই কৈছিল, “মজদুৰৰ গাওঁ যদিও আগত মুকলি পথাৰখনেৰে আমাৰ ঘৰত থাকি তই ভালহে পাবি।” তাৰ কথামতেই

বংশীয়ে আগপিচ নুগুণি বলোৰামৰ ঘৰলৈ গুচি নহা হ'লে মস্কিলতে পৰিলহেঁতেন। বংশী ভূধৰৰ ঘৰৰ পৰা অহাৰ পিচদিনাই জোনাকী মাহী আহিছিল। তাক মাকে মাতিছে বুলি মাতিবলৈ লক্ষীও আহিছিল। সি নগ'ল। দদায়েকক নোকোৱাকৈ গুচি অহাৰ কাৰণে ভূধৰে বংশীক দোষাৰোপ কৰিছিলহি।

বংশীয়ে বোলে "তোমাক সুধি মই তোমাৰ ঘৰত থাকিবলৈ যোৱা নাই নহয় দদাই। বাইজৰ কাম কৰাৰ সুবিধাৰ কাৰণে ইয়ালৈ গুচি আহিলো। মন গ'লে আকৌ তোমাৰ ঘৰলৈকে গুচি যাম।" বংশীৰ জাত-পাতৰ বিচাৰ আগৰ পৰাই নাই বুলি ভূধৰে জানে। তথাপি নিজৰ দদায়েকটোৰ ঘৰৰ পৰা আহি মজুৰৰ ঘৰত বাঁহ লোৱা কাৰণে ভূধৰে দুখ কৰিলে। কিন্তু বংশী ঘূৰি নগ'ল। সঁচাকৈ গাঁৱৰ মাজৰ পৰা মণ্ডলা বুঢ়াৰ ঘৰলৈ আহি বংশীৰ ভাল লাগিছে। প্ৰধানকৈ ৰামধাৰীয়ে কাঁটা তাঁৰৰ বেৰ দি থোৱা বাপেকৰ সম্পত্তিটো চকুৰ আগৰ পৰা আঁতৰ হোৱা কাৰণে তাৰ গাৰ পোৰণিটো যেন নাইকিয়া হৈছে।

বলোৰামৰ কোঠালীটো এনেয়ে পৰি আছিল। তাতে সি তাৰ বস্তুবোৰ সুমুৱাই থ'লে। এটা ঘৰ, দুটা কোঠালী। মণ্ডলা শোৱা কোঠালীত মানুহ বহে। তাত সৰু বেৰ এখন দিয়া আছে। বেৰৰ সিফালে ৰন্ধা-বঢ়া কৰে। মণ্ডলা বুঢ়া দিনটো নাথাকেই। খোৱাৰ সময়ত কেতিয়াবা আহে। কেতিয়াবা আন কাৰোবাৰ ঘৰতে খাই আহে। ৰন্ধা-বঢ়া বংশীয়ে নিজে কৰে যদিও একেলগে মণ্ডলাৰ সৈতে সেই পৰ্য্যন্ত খোৱা নাই। সকলো ফালেই সুবিধা হৈছে। মাত্ৰ দৰঙীচুকৰ পৰা জালুকণীলৈ অহা পথৰুৱা আলিটো মাজে মাজে চিগা কাৰণে আৰু গণেশ বুঢ়াৰ বাহনী দবাৰ তলৰ বোকা ডোখৰৰ কাৰণে বোকাপানী অলপ বেচিকৈ গছকিবলগীয়া হয়। খৰালী আহিলেই তাতে সেইবোৰ বোকাপানীয়েদি দেখোন গাঁৱৰ মানুহ সদায় অহা যোৱা কৰিয়েই আছে।

ঘৰটো এমুৰীয়া কাৰণেই কেতিয়াবা বংশীয়ে অকলশৰীয়া অনুভৱ কৰে। বলোৰামো ঘৰত নাই। তাকো কংসই মিস্ত ঘৰ দি ৰাখিছেগৈ। আনহাতে সি যোৱাৰ কাৰণেহে বাকচে পত্ৰই তাৰ বস্তুবোৰ থ'বলৈ তাৰ সুবিধাটো হ'ল।

বলোৰামকো যদি কষ্টিব দৰে বংশী আৰু মাষ্টৰৰ সগত নুফুৰিবি বুলি কংসই হুকুম দিলে। হুকুম দিলেও বলোৰামে সেই হুকুম নামানে। লাগিলে কংসৰ চাকৰিটোকে এৰি দিব। বংশীৰ কাৰণে বলোৰামে প্ৰাণ দিব পাৰে। মাষ্টৰে ঠিকেই কৈছিল। "টুটকীয়া লগনীয়া স্বভাৱৰ মানুহ প্ৰতি অঞ্চলতে আছে। প্ৰথম অৱস্থাত সিহঁতে তিলকে তাল কৰি ৰৌ-ডাল বৌ-জাল কাৰ ভেটা দিবলৈ চাব। সেই ভেটা পাৰ হৈ গ'লেহে আচল ভেটাৰ সন্মুখীন হবি।" চাবৰ ঘৰ পৰা অহা পিচৰ পৰাই শৃংখলাবদ্ধভাবে একো কামেই কৰিব পৰা নাই। আকবৰৰ ঘৰত কিছু হৈছে যদিও মাষ্টৰক সোনকালে ঘৰত থৈ আহিবলগীয়া হয়। সময়বোৰ সেইখন অগা-যোৱা কৰোতেই শেষ হয়। কিবা এটা যেন কৰিবলৈ থাকিল তেনে এটা ভাব বংশীৰ মনত সদায় লাগিযে আছে। কোনৰ নালটোত ধৰি সি ক্ষন্তেক ৰৈ থাকিল।

মণ্ডলা বুঢ়াই বাৰু একো নকৰে। ডেকা মানুহ বলোৰামটোৰেও বাগিচানত একো এটা কৰিব নোৱাৰেনে? সি অহা পাঁচদিনহে হৈছে। বাৰীখন মানুহ থকা বাৰীঘৰৰ নিচিনা হৈ পৰিল দেখোন। বৰষুণজাক অলপ বেচিকৈ আহিল। চিপ্‌চিপিয়া বৰষুণত কোৰ মাৰি ভাল লাগি আছিল যদিও বৰষুণ বেচিকৈ অহাৰ কাৰণে বাৰীতে কোৰ এৰি সি দৌৰি ঘৰৰ পিৰালত উঠিলহি হঠাৎ সি থত্‌মত্‌ খাই ৰৈ গ'ল। গাভৰু ছোৱালী এজনী সিহঁতৰ ঘৰৰ ভিতৰত পীৰা এডোখৰ পাবি বহি আছে।

তাই ক'ৰ পৰা আহিছে সি মুখলৈ নোচোৱাকৈ সুধিলে। তাইৰ নাম ফুলেশ্বৰী বুলি ছোৱালী জনীয়ে উত্তৰ দিলে।

ফুলেশ্বৰী বুলি কলত বংশীযে একো বুজিব নোৱাৰিলে। সি সুধিছিল তাই ক'ৰ পৰা আহিছে। "তোমাৰ নামটো ক'লেই তুমি ক'ৰ ছোৱালী মই বুজি নাপাওঁ নহয়। কাক বিচাৰি আহিছা?"

তাইবোলে "মঙলা বুঢা মোৰ মামা লাগে। মই ৰামধাৰীৰ ঘৰতে আছিলো। এতিয়া একদম গুচি আহিছো। তাৰ ঘৰত আৰু নাযাম।"

বলোৰামৰ মুখত তাৰ ভনীযেক এজনী ৰামধাৰীৰ ঘৰত আছে বুলি এদিন বংশীযে শুনিছিল। কিন্তু তাইৰ নামটো জনাৰ আৱশ্যক বোধ কৰা নাছিল। তাই একেবাৰে আহিলো বুলি ক'লে। কিন্তু থাকিব ক'ত? মতা মানুহ এটা হলেও কথা নাছিল। এজনী মাইকী মানুহ গাভৰু ছোৱালী। এজনী ছোৱালীৰ খেদাত সি আহি মঙলাৰ ঘৰত সোমাইছিল। আকৌ ছোৱালী, তাৰ হাঁহি উঠিল। সি এতিয়া ছোৱালীৰ খেদাতে পলাই ফুৰিবলগীয়া হৈছে। হাতত বন্দুক লৈ শত্ৰুক নিধন কৰিবলৈ যোৱা মিলিটেৰীটোৱে ছোৱালীৰ খেদাত আকৌ ঘৰ বিচাৰি ফুৰিব লাগিব। তাইৰ মোমাযেকৰ ঘৰৰ বাহিৰে ক'ৰবাত থাকিবলৈ ঠাই আছেনে নাই সুধিলে।

তাইবোলে "আপোন মামা লাগে বাবু। জন্মছে মামা ঘৰেই বৰ হলি। মা, বাপ, ভাই, দাদা মোৰ কোনো নাই আছে। খালি একটা মামা। এই মঙলা বুঢা।" তাৰ মানে মই মোৰ নিজৰ ঘৰলৈ ঘুৰি আহিছো। তুমি তোমাৰ থকা ঠাই অন্যত ঠিক কৰি লোৱা।

বংশীৰ আৰু কোনো প্ৰশ্ন কৰিবলৈ নাছিল যদিও সি বোলে, 'মই তোমাক আগতে দেখাই নাছিলো কাৰণে চিনি পোৱা নাই। বেয়া যেন নোপোৱা। তুমি তোমাৰ নিজৰ ইচ্ছামতে ৰামধাৰীৰ ঘৰৰ পৰা গুচি আহিছানে ৰামধাৰীয়ে তোমাক পঠিয়াই দিলে?"

ফুলেশ্বৰীয়ে কওঁ নকওঁকৈ থাকি বোলে "সব দিন কি লোকৰ ঘৰত নকৰাণী কৰি থাকিম। সক হৈ থাকিছিলো, তাৰ ঘৰত কাম কৰিছিলো। যোৱান হ'লো যেতিয়া আজিকালি চৰম লাগে বাবু। আৰু কাৰো ঘৰত নাই থাকিম।" বংশীৰ দৰে তাইও ৰামধাৰীৰ ঘৰৰ পৰা চাকৰি এৰি আহিছে। তাই ঠিকেই কৈছে। গাভৰু হ'ল, কাৰোবাৰ সৈতে বিয়া সোমাই লোকৰ ঘৰত হাজিৰা কৰি খাবলৈকো নিজৰ ঘৰ সংসাৰখন লাগে। এইটো বয়সে বান্ধোনৰ মাজত থাকিবলৈ নিবিচাৰে।

মঙলা বুঢ়া বধযুণত তিতি বুৰি ক'ৰবাৰ পৰা আহি ওলালেহি। মঙলাই আধাভগা মাতেৰে ঝুমুৰ গীতৰ কলি এটা মনত পেলাই গাই অহা দেখি পেটত অকণমান পেলাই ফুৰ্ত্তি মনেৰে আহিছে বুলি বংশীয়ে ভাল পালে। মংলাই কিবা এটা কৰিব। ফুলেশ্বৰীক বহিথকা দেখি মংলাই হাঁহি এটা মাৰি ভাগ্নি আলি যে বুলি প্ৰশ্ন কৰিলে।

"হামি ওকৰ ঘৰে আৰ নাই থাকিম মামা" ওপৰলৈ মুৰ নদঙাকৈয়ে ফুলেশ্বৰীয়ে উত্তৰ দিলে।

"কাহে ? মহলদাৰ ধমকি লাগালেক কে জান। আৰে চোতসে মহলদাৰ তোকে আপন নাতিনী ৰকম মৰম কৰকে বৰ কৰলেক। তোৰ আস্তে ভাল ঘৰেৰ চোকৰা এক্‌টা বন্দবস্ত কৰবি বলকেভি হামকে বললেন। আৰ ওকৰ উপৰেই তোৰ ৰাগ ? হামাৰ সংগে থাকলে চেভিটো কোন দিন নাই কোন দিন তোকে হামি ধমকা-ধমকি কৰব। তখন কি হামৰ হিঞাঁছেভি তুঁই কোন দিগে চলি যাবি ? সহেক লাগে ৰে বেটী। আতছা, আজ তুই থাক্। কাল ফজিৰে হামি তকে পঁহছাই দেব।"

বংশী তেতিয়ালৈকে পীৰালিতে বৈ আছিল। মংলাই গাৰ পানীবোৰ কাপোৰ এখনেৰে মচিলে। বৰযুণত তিতি অহাৰ কাৰণেই

নেকি নিচাও অল্পপ কম যেন দেখি বংশীও ভিতৰ সোমাই গ'ল। বংশীক উদ্দেশ্য কৰি মংলাই কৈ গ'ল। "ৰামধাৰী বহুত অট্ছা মানুহ লাগে জানলি বেটা, বংশী। থোৰাভিটো সহ্য কৰিব লাগে।" বংশীয়ে একোকে নামাতিলে। সি তাৰ কোঠালীত সোমাই পেণ্টটো পিন্ধি ললে। মুৰটো আছুৰি আছুৰি বৰষুণ জাক এৰিছেনে নাই চাবলৈ ওলাই আহিল। ফুলেশ্বৰীয়ে কান্দিছে। ফুলেশ্বৰীয়ে কান্দি কান্দি ক'লে "হামি উকৰ ঘৰে আৰ নাই যাম মামা। হামি হাজিৰা কাম কৰব।" ফুলেশ্বৰীয়ে কন্দা দেখি বংশীয়ে মংলাক বাহিৰলৈ মাতি নি তাই ৰামধাৰীৰ ঘৰলৈ যাব খোজা নাই যেতিয়া তাইক জোৰ-জুলুম কৰি পঠিয়াব নেলাগে বুলি মংলাক বুজাইছিল। ফুলেশ্বৰীক ঘূৰাই পঠিয়াব নালাগে বুলি বংশীয়ে কোৱাৰ অৰ্থ কিজানি মংলাই বেয়া ধৰণে লয়। সেই কাৰণে লগতে ক'লে "মই অন্য ঠাইত থকাৰ বন্দবস্ত কৰি লম। তাই তোমাৰ ইয়াতে থাকক।"

বংশীৰ কথা শুনি মংলা জকি উঠিল। "তই নাই থাকিবিতো যা। লেকিন ফুলেশ্বৰীকে মই নাই ৰাখিম।" অলপ সময়ৰ পাচত নৰম সুৰেৰে আকৌ ক'লে— "তই নাজানবে বংশী। বহুত কথা আছে। তইতো জানিছ, এইটো ৰামধাৰীৰ মাটি আছে। আজ্তক না খাজনা লেইছে না কেৰেয়া পইচা লৈইছে। চুকুৰীটো ৰামধাৰীৰ ঘৰে সুখে আছে বলিকে হামিভি কোনো দৰমহা কথা তাকে নাই কৈছো। এতিয়া যদি চুকুৰি তাৰ ঘৰে নাই থাকে ৰামধাৰী হামৰ ঘেচাত ধৰি এই ঘৰ মাটিৰ পৰা বাহিৰ কৰি নাই দিব ?" কথাখিনি কৈ মংলাই পীৰালিতে বহি মূৰে কপালে হাত দিলেগৈ। ফুলেশ্বৰীক ৰামধাৰীৰ ঘৰত থকাৰ বিনিময়তহে মঙলাক ৰামধাৰীয়ে মাটিডোখৰত থাকিবলৈ দিছে। বংশীয়ে মনতে হিচাব এটা কৰি চালে। এই তিনিবিঘা মাটিৰ খাজনা খুব বেচি বছেৰেকত এশ টকা হ'ব। খুব কমকৈ হ'লেও প্ৰাপ্ত বয়সৰ এজনী ছোৱালীক দৰমহা বছৰত দুহেজাৰ টকা হ'ব। তেন্তে এই লঠঙা বাৰীখনতে

ৰামধাৰীয়ে বছেৰেকত খাজনা ডুহেজাৰকৈ লৈ আছে ? কি আচৰিত ধৰণৰ শোষণ। মংলাৰ দৰে ভিক্ষাৰী এটাৰ ওপৰতো এই জঘন্য অত্যাচাৰ। অথচ যাৰ ওপৰত এই অত্যাচাৰ চলি আছে তেওঁ কৈছে, "ৰামধাৰী বহুত আটছা মানুষ।" তেন্তে বেয়া মানুহনো কোন ? বংশীয়ে কথাবোৰ চিন্তা কৰিব নোৱাৰা যেন লাগিল। যিয়েই নহওঁক বংশীয়ে ফুলেশ্বৰীক ৰামধাৰীৰ ঘৰলৈ ঘূৰাই পঠিয়াবলৈ নিদিয়ে। সি সেইদিনাই আঁতৰা যাব। আতৰি গ'লেও সি বলোৰামক ক'বগৈ ফুলেশ্বৰীৰ খোৱা-বোৱাৰ খৰচ বলোৰামে যদি দিব নোৱাৰে বংশীয়েই দিব। তথাপি তাইক তাইৰ ঘৰলৈ ঘুৰাই পঠিয়াব নোৱাৰে।

গাঁৱৰ মাজৰ এই বাৰীখন, বছেৰেকীয়া খাজনা বা কেৰেয়া হিচাপে সি যদি ডুই হাজাৰ টকা লৈছে তেন্তে বাৰীখন বিক্ৰি কৰিলে সি ডুইলাখ মান টকা বিচাৰিব নেকি ? বলোৰামে ৰামধাৰীক সুধি আহকগৈ, তাৰ পিচত ৰামধাৰীৰ বিচাৰ হ'ব। ৰামধাৰীৰ ওপৰত এটা নতুন অভিযোগত খং উঠি বংশী ভাগি পৰিল। ঘৰৰ চালৰ কামিত ধৰি আঁতৰত ৰৈ থাকি সি কি কৰিব নকৰিব চিন্তাত অস্থিৰ হৈ পৰিছে। শেষত এবাৰ কোবাকোবিকৈ আহি মংলকে ক'লেহি। "তাইক মই ৰামধাৰীৰ ঘৰলৈ ঘূৰি যাবলৈ নিদিওঁ, নানা। ভাল ল'ৰা এটা বিচাৰি তাইক মই বিয়া দিম। জোৱান ছোৱালী, লোকৰ ঘৰত থাকিবলৈ তাই ভাল পোৱা নাই।"

মংলাৰ খং আগতকৈ বেচি হ'ল। বংশীলৈ ঘোপাকৈ চাই বোলে "ছাদি দিবি ? চলি যাব, আৰু হামি কাঁহা যাব ? হামকে এইঘৰ মাটিছে নিকলাই দেইত হামি কাঁহা যাব ?" বংশীয়ে হঠাৎ একো ক'ব নোৱাৰিলে। সি চিপচিপিয়া বৰষুণত তিতিয়েই ওলাই গৈ কিছুদুৰ পালেগৈ। আকৌ কিবা এটা ভাবি ঘূৰি আহি বোলে "নানা, ফুলেশ্বৰীৰ

উপায় মই কৰিম। তই তাইক এতিয়া খেদি নিদিবি। তাংকৈ মই মাষ্টৰৰ ঘৰলৈকে আকৌ ঘূৰাই পঠাম আৰু ঘৰ মাটি জিম্মা মই লৈছো। তই তাৰ কাৰণে একো চিন্তা নকৰিবি। দৰকাৰ হ'লে মইও ৰামধাৰীৰ এই মাটিতে তোৰ ঘৰৰ ওচৰতে ঘৰ এটা সাজি ল'ম। তাইক ঘূৰাই নপঠিয়াও। সি তোক কেনেকৈ ইযাৰ পৰা খেদি দিয়ে মই চাই ল'ম।" কথাখিনি কৈ ভোঁ ভোঁকৈ বংশী আকৌ ওলাই গ'ল। বংশীয়ে কোৱা কথাখিনি ফুলেশ্বৰীয়ে শুনি থাকি তাইৰ মনটো ভাল লাগি গৈছিল। বংশী বৰষুণত তিতি ওলাই যাওতে তাই তাক নাযাবি বুলি ক'ব লাগিছিল, কিন্তু একো নক'লে। মংলাই দবক মাৰি চাই থাকিল। বংশীয়েও যদি এইডোখৰ মাটিতে ঘৰ এটা সাজি লয়, ৰামধাৰীয়ে মংলাক উঠাই পঠিযাব নোৱাৰে। কিন্তু এই সৰু ঘৰটোত ফুলেশ্বৰী আৰু বংশীক একেলগে ৰাখিব নোৱাৰিব। কিবা-কিবি ভাবি মঙলাৰ মনটোত ভাল লাগিল।

আকবৰে নাদৰ পাৰত গা-ধুই আছিল। বংশী নাদৰ পাৰলৈকে গ'ল। আকবৰৰ লগত বিশেষ কথা এটা আছে বুলি কৈ সি চালিৰ তলত খলিফাৰ ওচৰতে বহিলহি। ভঁৰালৰ আগৰ ঢেকীশালত ৰূপহী আৰু মাকে ধান বানিছিল। বংশী অহা দেখি লেঙেৰীও বংশীৰ ওচৰতে বহিলহি। কুকুৰা পোৱালী জাকে খুবলিৰ পৰা ধান থপিয়াইছে। বটনীমাৰি ডালেৰে কুকুৰা খেদি খেদি ৰূপহীয়ে ঢেকী দি আছে। পানত চূণ কম হ'ল। আঙুলি মূৰেৰে চূণ অকণ লৈ দাঁতৰ আগত লগাই লেঙেৰীয়ে বংশী ৰাতিপুৱাই কেনিবা যাবলৈ ওলালি নেকি বুলি সুধিলে।

আকবৰে মূৰ নাচোৱাকৈয়ে বংশীৰ বিশেষ কথাটো শুনিবলৈ আহিল। বংশীয়ে তাৰ কথাটো ক'লে যে তাৰ এতিয়া থাকিবলৈ ঠায়েই নাই। মিলনৰ ঘৰলৈ নাযাওঁ বুলি শেষত তাৰ লগতেই যাবসগীয়া হ'ল। আকবৰ-খলিফাই একো ক'বলৈ নৌপাওঁতেই লেঙেৰীয়ে বোলে,

"যেনে কুকুৰ তেনে টাঙোন।" "সুখে-দুখে তই দমাযেৰৰ ঘৰত নাথাকি বাঁহ দলিগৈ মজহুৰৰ গাঁৱত, তোৰ যে কোনো নাই অাঁহ ফালি দেখুৱাই দি এতিয়া মিলন বুঢ়াৰ ঘৰলৈ যাৱ? দিব তোক মোমাযেৰে"

খলিফাই বোলে "তই মলাৰ তাত থকাতো ভাল নহ'ব। কাৰণ বাপেক জীযেককো অকলশৰে থাকিবলৈ কোৱা নাই। তাতে সেইজনী ঢহুৰা দেচুৱালী জাকৰ মাজত থাকি অহা ছোৱালী। তাই বা কেনেকুৱা স্বভাৱৰ কোনে জানিছে? তই তাত এদিনো নাথাকিবি বংশী। পিছে আহবুলি কৈছো হয়, আহিবিনো ক'লৈ?" কথাতো কৈ খলিফাই আকবৰৰ চকুলৈ চালে। "মোৰ ঘৰলৈকে আহিব পাৰিব নহ্হেতেন। আকবৰৰ কোঠা সেইটো, তাতে এই গৰমত"। "মৰিলে ঐ মাই, মৰিগ'ল বুলি" ৰূপহীয়ে চিঞৰি দিলে। লেঙেৰীয়ে কানি কাছুতি খহাই ঢেঁকী শাললৈ ল'ৰ মাৰিলে, বংশীও পিছে পিছে গ'ল। আকবৰে ডিঙি মেলি এঢলীযাকৈ ঢেঁকী শাললৈ চালে।

বংশী ঘুৰি আহি বোলে তাই যেনেকৈহে চিঞৰিছিলে মই বোলো কোন মৰিল। কুকুৰা পোৱালীৰ মূৰ এটা ঢেঁকীৰ খুবলিত সোমাই চেপেটা হ'ল। লেঙেৰীয়ে ধৰফৰাই থকা কুকুৰা পোৱালীটো আনি খলিফাক দেখুৱাই ৰূপহীক বকনি আৰম্ভ কৰি দিলে। ঢেঁকীশাল এৰি ৰূপহী আহি দোষী দোষী ভাৱেৰে বৈ থাকিল। মাক-জীয়েকৰ কুকুৰাটো লৈ উখনা-উখনি হৈ থাকোতে বংশীয়ে বোলে, "মৰাটোক ধৰি থাকোতে ইফালে জীয়া কুকুৰাকেইটাই ধানগাল খাই শেষ কৰিলে।" ৰূপহী ঢেঁকীশাললৈ স্বঃ স্বঃ কৰি দৌৰি গ'ল। বংশীয়ে তাৰ কথাটো তল পেলাই কুকুৰাটোৰ কাৰণে লেঙেৰীয়ে বকি থকা দেখি বোলে, "খুৰী, বেমাৰ হৈ কুকুৰা জাকে জাকে একেদিনাই মৰে। শাকত নাথায় লোণ পিতিকাত যায় তিনিগুণ। বেচিবলৈকে হাঁহ কুকুৰা পুহিব নেলাগে, বিহুৰে সংক্ৰান্তিয়ে ঘৰটো এটা মাৰি খাব লাগে হে। তাইক

গাত দোষ নাই। কুকুৰাই খোৱাৰ থকত নিজে খুবলিত মূৰ সুমুৱাই মৰিছে। আমিও খোৱাৰ থকতে কংস, ৰামধাৰীৰ খুবলিত সোমাইছো। কোনদিনা কাৰ কি হয ঠিকনা নাই। আজি তিনিমাহ নিৰামিষ খাইছো খুৰী। আচলতে কুকুৰাটোৱে মোৰ কাৰণেহে খুবলিত মূৰ সুমুৱাই মৰিল। বোলে 'নাই চাউল পাত ৰান্ধাগৈ সুদা ভাত কুকুৰা মঙহেৰে খাওঁ।' মোলৈও ভাত ৰান্ধিবা। আকবৰে বোলে কিবা এটা খুট পাবহে লাগে মাইৰ কাৰণে হৈ গ'ল। কুকুৰা মৰিল যেতিয়া তই বকি থাকিলেও সি নিজীযে। বংশীয়ে খাম বুলিছে অলপ ভালকৈ ৰান্ধিবি। আকবৰ কোঠাত সোমালগৈ। অলপ পৰৰ পাচত বংশীয়ে আকবৰক লগত লৈ মাষ্টৰৰ ঘৰলৈ গ'লগৈ। মৰা কুকুৰাটো খলিফাৰ ওচৰতে পেলাই খণ্ডৰ ভমকত লেঙেৰীও বাৰীৰ ফালে গ'লগৈ।

খলিফাই চিঞৰিলে, হে'ৰ কুকুৰাটো কুকুৰজনীযে টানিছেহি। লেঙেৰী আহিল। ধানৰ ঢেঁকী সামৰি কুকুৰাটো বাছি-কুতি দিবলৈ কপহীক দিলেগৈ। পুনৰ আহি তামোলৰ বটাটো লৈ বোলে "বংশীক, যে গোটাই ল'ব খুজিছা মোৰ ঘৰতো গাভৰু ছোৱালী এজনী নাই জানো ?" "এঃ কথাৰ কথাটোহে কৈছো ঐ তাক, মোৰ ঘৰত ৰাখিলে গাঁৱৰ মানুহে মোক জানো শুদাই এৰিব। আৰু সিও নাথাকে নহয়। ছোৱালী দিব খোজাৰ কাৰণে দদায়েকৰ ঘৰৰ পৰা আহিলে। আকৌ সেই ছোৱালীজনী অহাৰ কাৰণেই মণ্ডলাৰ ঘৰৰ পৰাও সি আহিব খুজিছে। সেইটো মানুহে ছোৱালী থকা ঘৰত থাক বুলি ক'লেও নাথাকেহি।" কাপোৰ কানি পিন্ধাত অসাৱধান হৈ বহি থকাৰ কাৰণে খলিফাৰ ওপৰত লেঙেৰীৰ আকৌ বেলেগ এটা খং উঠিল।

খলিফাৰ ফালে চকু পেন্দোৱাকৈ চাই বোলে, "তুমি হ'বলা বংশীৰ আগত কজাৰখন মেলি সেইদৰে বহি আছিলা ? এনেকুৱা লাজ চৰমৰ

মূৰ খোৱা মানুহ পৃথিৱীৰ মই দ্বিতীয় এটা দেখা নাই। হেৰ বেমাৰী হ'লি বুলি লুঙিখনৰ ফৰ্চা টুকুৰাও কঁকালৰ ফালে লৈ বহিব নোৱাৰানে? সদায় একেটা কথাকে মই কৈ নাথাকো দেই। কোনোবা দিনা বুঢ়ামাৰৰ খং উঠিব অথবা খৰি লগাই দিব বাপেকে। পুৰি মৰিলেহে তোৰ জ্ঞান আহিব। বাৰী চুকত জুই একুৰা জ্বলাই তাত নঙঠা হৈ বহি থাকগৈ। জহনীত যোৱা, দাঁত উলিয়াই হাঁহিছ! তোৰ হাঁহিত ভোল যোৱা মানুহ মই নহওঁ দেই! ডেকা পুতেৰ জীয়েৰৰ আগত তোৰ লাজ লাগিব নাপায়নে।" খলিফাই লুঙিখন টানি-টুনি লৈ ভালকৈ বহিলে। সচাঁকৈয়ে লাজ লগা কথা। তাৰ কাপোৰ বেযা হৈ আছিল। খঙৰ ভমকত লেঙেৰী গৈ ঘৰৰ মুধ পালেগৈ। লেঙেৰীয়ে বিয়াৰ আগলৈকে খলিফাক নাম কাঢ়ি তই-তাক কৰিবেই মাৰ্তিছিল। এতিয়াও খং উঠিলে মুখত যিহকে আহে তাকে কয়। তাইৰ গাতো দোষ নাই। লুঙিখন শি দিও বুলি তাই কেইবাদিনো খুজিছিল। তালৈকে আৰু এখন লুঙি সলাই দিবলৈ নাই। আকবৰৰ লুঙি এখন পিন্ধা হ'লে হ'লহেঁতেন। তাকো এলাহতে থাকিল। বংশায়ে তাক সেইদৰে বহি থকা দেখিলে নেকি বাৰু? খলিফাৰ হাহিহে উঠিল। নেহাঁহিও নোৱাৰি। জগন্নাথ বেজবৰুৱাৰ ঘৰত সি হালোৱা হৈ থাকোতে এদিন সি সেইদৰে বহি থাকোতে তাই মুখ টিপি টিপি হাঁহিছিল আৰু এতিয়া সেইজনী মানুহেই তাক গালি শপনি দি খঙত টিঙিৰি তুলা হৈছে। প্ৰকৃততে তাৰ ভুল হৈছে। সি বেমাৰী হ'লেও উঠিব নোৱাৰা নহয়। বুঢ়াও হোৱা নাই। আচলতে সি আগৰে অসাৱধান। তাই তাক ধোঁদ এলাহৰাহু সোৱোপা মুবুলি কাক বুলিব? ইছ্ সেইদিনা ঘটনাটো তাৰ জীৱনলৈ মনত থাকিব।

বেজবৰুৱাৰ ঘৰৰ সকলো কিজনী ছোৱালীয়েই বিয়া হৈ গ'ল। আজতে তাই থাকি গ'ল। তেতিয়া বেজবৰুৱাৰ ঘৰত মাইকী মানুহ

লতিকাহে। বন্ধা-বঢাৰ পৰা হালোৱা পথকৰাক চাহ-জলপান দিয়ালৈকে গোটেই পাকঘৰৰ কাম-কাজ বিলাক তাইযে কৰিছিল। বামুণ মানুহ, তল জাতৰ মানুহৰ হাতে ভাত নেখায। অন্যক পাকঘৰত সোমাবলৈ নিদিযে কাৰণে তাইৰ মূৰতে পাকঘৰৰ কামবোৰ হৈছিল। সেইদিনা আবেলি পথাৰলৈ কঠিযা কঢিযাবলৈ ওলাই সি ডোখৰি পীৰা এখনতে বহি চাহৰ কাৰণে বাট চাই আছিল। লতিকাই চাহ লৈ আহি তাৰ মুখলৈ চাই বৈ আছিল। খলিফাৰ বাতিটোত চাহপানী খিনি ঢালি দি তাই তাৰ সন্মুখতে বহি দিলে। কিয বহিছিল তেতিয়া সি একো বুজা নাছিল। এবাৰ তাই হাঁহি হাঁহি কৈছিল "এই জহনিত যোৱাটোৰ নাকত চুণ লাগিল।" কান্ধৰ গামোছাখন লৈ সি মুখখন মোহাৰিছিল। "হতচিৰি হোৱা, কাপোৰ ঠিক কৰি বহ।" তাইৰ আগত তাৰ সেইদিনা লাজতে চাহ খাই থাকোতেও ডিঙিতো শুকাই যোৱা যেন লাগিছিল। সি চাহৰ বাতিটো তাতে এৰি আঁতৰি গৈহে লাজ উপশম কৰিছিল। তাৰ পাচত নাকত চূণ লাগিছে বুলি কোৱা কথাটোৰ অৰ্থটো মনত পৰিলেই তাৰ হাঁহি উঠিছিল।

তাৰ পিছৰ পৰাই তাইৰ লগত সেইবোৰ কিব-কিবি আৰম্ভ হৈছিল।

আৰম্ভ হৈছিল মানে তাইহে তাক বাধ্য কৰিছিল। তাই তেতিযাও ক্ষীণ আছিল, যদিও তেতিয়া তাইৰ গাটো পূৰঠ আছিল। ঠেং এটাহে চুটি, তাৰ বাহিৰে তাইতো দেখিবলৈও সিমান বেয়া নাছিল। তাইৰ ভনীযেক দুজনীৰ হেনো এতিযাও বিয়া দিব পৰা চেহেৰা হৈ আছে। ঠেংটো চুটী কাৰণেই দৰা নোলাল। সি থাকোতে তাইৰ দৰা ওলাবনো ক'ত? তাৰ নচিবত তাই লিখা আছিল। খোদাৰ মৰ্জিযেই হওক বা তাইৰ ভাগ্যৰ কাৰণেই হওক কিন্তু বাযেক-ভনীযেক ইতৰ দৰে ধনী মানুহৰ ঘৰলৈ পৰা হ'লে তাই আজিও গাভৰু হৈয়ে থাকিলেহেতেন।

খলিফাৰ ঘৰখনেহে তাইক বুটী কৰিলে। তাইৰ এই অৱস্থা হোৱাৰ কাৰণে সি নিজে একমাত্র দায়ী। তাইৰ মুখখন আগৰে পৰাই চোকা। চোকা যদিও তাৰ ঘৰলৈ আহি অভাৱত পৰি তাই দন্দুৰীও হ'ল। মুখখনো বেছি চোকা হ'ল। মৌজাদাৰৰ ঘৰৰ কপাহৰ জোলা যেন লতিকাজনী তাৰ লগলৈ অহাৰ কাৰণে থেৰ শুকুৰাদি শুকাল। সি তাইক ৰাখিব নাজানিলে। মৌজাদাৰৰ জীয়েকৰ মূল্য সি নুবুজিলে। পৃথিৱীত তাতকৈ যেন কাপুৰুষ কোনো নাই। খলিফাৰ মনটো সেমেকি উঠিল। জুইৰ দাঁতিত পাৰি থোৱা বস্তাখনতে সি শুই পৰিল। চালি-থনৰ এলান্ধু বোৰৰ ৰংটোৰ দৰে খলিফাৰ বুকুৰ ভিতৰখনো যেন কলা পৰি গ'ল

-আকবৰ-বংশীহঁতে দেহাৰ একাল কৰি ৰাইজৰ কামত নামিছে। সিহঁতি বাৰু এলান্ধুকলীয়া মনৰ হা হতাশা বোৰ আঁতৰ কৰি তাৰ ৰং সলনি কৰিব পাৰিবগৈ নে কেতিয়াবা? বহুত দিন লাগিব ছাগৈ। খলিফাই সেই নতুন ৰংৰ বোল সনা হাঁহি মুখৰ আকবৰহঁতক নেদেখিব ছাগৈ।

মাষ্টৰৰ অকাট্য যুক্তিৰ ওপৰত বংশীৰ কথা নবজিল। "মানুহে কৰই। কোৱাৰ মাজতে নিজকে নিস্কলুষ বুলি প্রতিষ্ঠিত কৰিব পৰাটোহে প্রকৃত মানুহৰ কাম। চৰিত্র হনন হোৱাৰ ভয়ত কাপুৰুষৰ ভেশ ধৰিলে নিজৰ চৰিত্ৰৰ ওপৰতো বিশ্বাস নোহোৱা বুলি বুজাব। তদুপৰি ছোৱালীজনীক নিজৰ ভনীয়েক বুলি ভাবি ললে বেযা ভাৱ অহা দূৰৰে কথা দুখীয়াৰ দুখ বুজা হ'ব।"

বংশী মংলাৰ ঘৰৰ পৰা আঁতৰি যোৱাতো নহ'ল। কিন্তু প্রথম অৱস্থাত যিটো উৎসাহ উদ্দীপনাৰে মাষ্টৰৰ লগত আলোচনাত বহিবলৈ গৈছিল, দিন যোৱাৰ লগে লগে তাৰ ইচ্ছা কমি আহিছে যেন বংশীৰ নিজৰ ধাৰণা হৈছে। আচলতে সি জালুকণী লৈ অহাৰ পৰাই যোগাযোগ

ঠিক মতে হোৱা নাই। মংলাৰ ঘৰত মাত্ৰ চাৰি-পাঁচ দিন সিহঁত ৰহিছিলে। ৰাতি গণেশৰ বাঁহনিখন পাৰ হোৱাৰ অসুবিধাৰ কাৰণে ৰাতি ৰহিব পৰা নাই। মংলা কেতিয়াবা ৰাতি নাহেই। ফুলেশ্বৰীক গধুলী অকলে এৰি যাবলৈকো বংশীয়ে ভালপোৱা নাই। ইফালে দহদিনমানৰ পৰা যিহে জাগল পাতিছে গধুলী ওলাবলৈকে মন নাযায়। এদিন গধুলী ঘৰত নথকাৰ কাৰণে বলোৰাম আহি মংলাক ধমকি দিলেহি। গধুলী মদ অলপ অলপ খুৱাই মংলাক ফুচুলাই ৰাখিবৰ কাৰণে বলোৰামে ফুলেশ্বৰীৰ হাতত মদৰ বটল মাজে মাজে দি যায়হি। সেইটো বুদ্ধিত কিছু কাম হৈছে। গধুলী মংলা বাহিৰলৈ নোযোৱা হৈছে। সেইটো সুবিধাতে আকবৰৰ ঘৰত আকৌ আলোচনা আৰম্ভ কৰিছে। মাষ্টৰে কিতাপ একোখন হাতত লৈ আহে। তাৰ পৰা চাই চাই মাজে মাজে আৱশ্যকীয় কথা কিছুমান পঢ়ি শুনাই। কেইদিমান ধাৰাবাহিক ভাৱেই সিহঁত অহা হৈছে। আজিকালি মুহিৰাম আৰু কণ্টিৰ বদলি সোনধৰ আৰু ফটিক জাপিসজিযাৰ পৰা আহে। তেওঁলোক দুযো ল'ৰাছোৱালী থকা মানুহ যদিও সাহস কৰি ওলাই আহিছে। ভৰধৰ মাষ্টৰ নাহিল।

আকবৰৰ কোঠাটোও সাত-আঁঠটামান মানুহ থিয় হৈহে থাকিব পাৰে। সেইটো ঘৰতে মানুহখিনি কান্ধুলী জপদি জাপি বহে। অৱশ্যে ৰতৰ ডাৱৰীয়া হৈ থকাৰ কাৰণেহে পাৰিছে। প্ৰতিদিনে আকবৰে মাকৰ বকনি খায়। সদায় বকনি শুনি শুনি আকবৰে সেইবোৰ হজম কৰিব পৰা হৈছে। বিশেষকৈ মাষ্টৰ বহা ঠাইত বিচনা চাদৰ খনত সদায় বোকা লগাৰ কাৰণে বিচনাত ভৰি তুলি নবহিবি বুলি ক'বলৈ ৰূপহীয়ে আকবৰক কৈ আছে। সি একো নকয়। এদিন চিগাৰেট খাই মাষ্টৰে বিছনা চাদৰখন অলপ পুৰিলেও। আকবৰক বিচনাচাদৰ খন ৰূপহীয়ে ধৈ দিয়া। সেইকাৰণে বিচনা চাদৰখনৰ আলৈ আথানি তাই সহিব

নোৱাৰে। তাই মাকক নি দেখুৱালে। সেইদিনা আকবৰক মায়েকে মাৰিবলৈ হে বাকী থাকিল।

ৰূপহীয়ে আলোচনাবোৰ শুনি ভাল পাই বুলি আকবৰে জানে। কাৰণ তাই সদায় বেৰৰ দাঁতিত বৈ শুনি থকা আকবৰে প্ৰায়ে দেখিছে। তাইকো আলোচনাৰ মাজলৈ মাতিবলৈ মাষ্টৰেও কৈছিল। মায়েকে নিদিয়ে, কাৰণ তাই হেনো মাইকী ছোৱালী। ককায়েক কংসৰ লগত কাজিয়া আৰম্ভ কৰিব খোজোতেও লেণ্ডেৰীয়ে সহিব নোৱাৰে। হেজাৰ হ'লেও একেজনী মাক একেটা বাপেকৰ পৰাই জন্ম হোৱা নিজৰ ককায়েক।

আকবৰক সদায় কৈ আছে, "বাঘৰ পোকৰত আঙুলি ভৰাবলৈ গ'লে মূৰটো বাঘৰ মুখত যাব।" আকবৰে জেল খাব লগীয়া হ'লে ঘৰখনৰ মানুহ জাকৰ মহা বিলৈ হ'ব। আকবৰে মাযেকৰ কথা নুশুনা ভাও ধৰি থাকে। ৰূপহীয়ে পিচত লেণ্ডেৰীৰ লগত তৰ্ক আৰম্ভ কৰে। অকল তাইৰ ককাযেকই সেইবোৰত লগা নাই। মাষ্টৰ ইমান পঢ়া-শুনা থকা বুঢ়া মানুহজন লাগিছে যেতিয়া নিশ্চয় কিবা এটা হ'বই। তাইও মায়েকৰ গালি খায়। "যা তযো মূলা গাভৰু হৈ বাপেৰইতৰ লগত যুদ্ধ কৰগৈ" বুলি বকে। খলিফাই ৰূপহীৰ পক্ষ লৈ লেণ্ডেৰীক মনে মনে থাকিবলৈ কয়। সেইদিনা গধূলি মাষ্টৰ আকবৰৰ কোঠাৰ পৰা ওলাই আহি ৰূপহীক বেৰৰ দাঁতিত কথা শুনি বৈ থকা দেখি তাতে বহিবলৈ মাতি নিব খুজিছিলে। খলিফাৰ ওচৰতে বহি লেণ্ডেৰীয়ে গোজ-গোজাই আছিল।

মাষ্টৰে যেন কদোৰ বাহতহে জুই দিলে। উচাত মাৰি গৈ লেণ্ডেৰীয়ে বোলে, "বিবেকা দাদা, আপুনি নিজে পঢ়োৱা এই ফুকলীয়া ল'ৰা কেইটাৰ পিচে পিচে ঘুৰি ককাইদেউৰ মাটি-বাৰী কাটি ল'বলৈ যে উচতাই দিছে, তাৰ পৰা আপোনাৰ কি লাভ হ'ব? বংশীক

আগলৈও নাই পিচলৈও নাই। কালিলৈ যদি আকবৰক থানাত সুমুৱাই থযগৈ আপুনি মোৰ ঘৰখনৰ খৰচ পাতি দিব? নলগা জেওাত লাগি আপোনাৰ মান-সম্মান গৈছেই। মোৰ পেটত কথা নেথাকে কাৰণে কৈ দিছো। আপুনি কাৰোবাৰ হাতৰ মাৰ খাইহে লাগে।" লেভেৰীৰ কথা শুনি মাষ্টৰে পাতলকৈ হাঁহি ক'লে, "আমি যিবোৰ কথা আলোচনা কৰিছো সেইবোৰ এটা মানুহৰ বিপক্ষে নহয় লতিকা। দেশৰ সকলো দুখীয়া ৰাইজৰ কাৰণেহে আলোচনা হৈছে। ভৱা মানুহ বহুত আছে, কিন্তু হাতে কামে লগা মানুহ নাই কাৰণে আমি ওলাই আহিছো।" মাষ্টৰৰ কথা শেষ নহ'লেই।

আকবৰে বোলে "তোৰ ককাযেৰৰ মাটি কাটি লওঁ বুলি তোৰ গাৰ পোৰণি উঠিছে নেকি? এতিয়া তই খলিফাৰ তিৰোতা নে কংসৰ ভনীযেক? তই আকবৰৰ মাক হৈ চাৰক কথা কৈছনে, কংসৰ ভনীয়েক হৈ কথা কৈছ?"

মাষ্টৰে আকবৰক মুখেৰে নামাতিবি বুলি হাতেৰে দেখুৱাই ক'লে "লতিকা, তুমি কংসৰ ভনীযেক হৈ জন্ম লৈছিলা যদিও তুমি খলিফাৰ পৰিবাৰ লেভেৰীহে। যিহেতু কংসৰ ভনীয়েক বুলি চিনাকী দিবলৈ বৰ্ত্তমানে তোমাৰ আগৰ নামটোও লুপ্ত হৈ গ'ল। কৃষকৰ গৃহিণী হৈ লেভেৰী হ'লা। তুমি আগতে যিয়েই নাছিলা, এতিয়া কিন্তু আকবৰৰ দৰে খাটি খোৱা খেতিয়কৰ মাক, আৰু তুমি সকলো কথা চিন্তা কৰিব লাগিব তোমাৰ বৰ্ত্তমান অবস্থাটোৰ অৱসান ঘটাবৰ কাৰণে। ককায়েৰ নালাগে তোমাৰ বাপেৰ হ'লেও তেওঁ যদি তোমাৰ শত্ৰুতা কৰে, তেওঁ তোমাৰ কেতিয়াও প্ৰকৃত পিতৃ হ'ব নোৱাৰে। অতীতৰ সুখৰ সংসাৰৰ চিন্তা বাদ দি তুমি বৰ্ত্তমানৰ হাঁহাকাৰ অৱস্থাৰ কথা চিন্তা কৰি তাৰ পৰা মুক্তি পোৱাৰ উপায়ৰ পথ বিচাৰিব লাগিব।" কন্তেক সকলো মনে মনে থাকিল। মাষ্টৰে বুজিলে এফালে ভাতৃ স্নেহ, আৰু

আনফালে নিজৰ পৰিয়ালৰ মাজৰ পাৰ্থক্য বুজিও লেণ্ডেৰী অবুজন হোৱা মানে জাত্যভিমানৰ গোৰামী লেণ্ডেৰীৰ গাত এতিয়াও আছে। শত্রু মিত্রৰ কথা লেণ্ডেৰীয়ে এতিয়াও বুজা নাই। স্বাভাৱিক কথা, শতকৰা এজন ধনীৰ ঘৰৰ ল'ৰাইও অন্তৰেৰে দৰিদ্রতা দূৰীকৰণৰ চিন্তা নকৰে। কাৰ্পেটৰ ওপৰৰ পৰা বোকাৰ কথা চিন্তা কৰাটোও অস্বাভাৱিক।

বংশীয়ে বোলে "চাৰ খুৰীয়ে কথাবোৰ বুজা নাই আৰু আমি তেওঁক ভাঙি পাতি কোৱাও নাই। মই এদিন বুজাই ক'ম। আপুনি আহক।"

মাষ্টৰক খলিফাযো যাবলৈ ক'লে। কিতাপ পঢ়া বন্ধ কৰি মাষ্টৰে পুনৰ আৰম্ভ কৰিলে। মাষ্টৰে দান কৰিব খোজা মাটি টুকুৰাত এখন হস্পিটেল পতাৰ ওপৰত আলোচনা চলিল। তিনিবিঘা মাটিৰ বাৰীখন মাষ্টৰে দান কৰিবলৈ এটা অনুষ্ঠান লাগে। কৃষক পৰিষদ এখন যদি আলোচনা কৰামতেই গঠন হয় তেন্তে সেই পৰিষদৰ নামতে মাষ্টৰে মাটি টুকৰা ৰেজিষ্টাৰ কৰি দিব। কিন্তু অন্য দহোটা অনুষ্ঠানৰ দৰে তাচ খেল, মদখোৱা, এবছৰতে মৰি শেষ হোৱা কৃষক পৰিষদক তেওঁ মাটি দান নকৰে। কৃষক পৰিষদ গঠন কৰিব লাগিব বচা বচা মানুহক লৈ। কৃষক পৰিষদে কাম কৰি দেখুৱাই ৰাইজৰ আস্থা ভাজন হ'ব লাগিব। কৃষকৰ উন্নতিৰ কাৰণে সেই পৰিষদে কৰ্ম্মসূচী তৈয়াৰ কৰি কাম কৰি দেখুৱাব লাগিব। এখন হস্পিটেল গাওঁ কিখনৰ মাজত কৃষকক জীয়াই ৰাখিবলৈ অপৰিহাৰ্য্য বস্তু। তাৰ পিচত স্কুল ক্লাব, ৰঙ্গমঞ্চ সাহিত্য ইত্যাদি বিভিন্ন দিশত কৃষক পৰিষদে যদিও কাম কৰিব লাগিব, তথাপি কৃষক পৰিষদৰ মুখ্য কাম হ'ব লাগিব ভূমি সমস্যাৰ সমাধান কৰা। ধান পকাৰলৈ সময় আছে। এই সময়ছোৱাতে সংগঠনটো গঢ়িলৈ হস্পিটেলৰ কাম আগবঢ়াই নিবলৈ দীঘলাইঁতক মাষ্টৰে বাৰে বাৰে ক'লে। গুৱাহাটী, তেজপুৰৰ মানুহ আহি অথবা চৰকাৰে কোনোদিনেই

এইবোৰ কাম দাং ধৰা অঞ্চলত কৰি নিদিয়েহি। এইবোৰ নিজৰ সমস্যা নিজেই সমাধান কৰিবলৈ শক্তিশালী এটা কৃষক সংগঠন কৰিবলৈ সকলো ৰাইজকে গোট খুৱাই অতি সোনকালে এখন ৰাজহুৱা সভা আহ্বান কৰাৰ কথাও মাষ্টৰে জোৰ দিলে। মাষ্টৰে কৈ আছিল। মাজতে দীঘলাই "এটা কথা নহয় চাৰ, মই অৱশ্যে আপোনালোকৰ লগ লোৱা বেছি দিন হোৱা নাই। নাই যদিও বয়সত সিহঁতকৈ ডাঙৰ, আৰু ডাঙৰ হিচাপে এটা কথা আপোনাক সোধো। সিহঁতি কৈ আছে বোলে বুজা কথাবোৰো সিহঁতি পাহৰি গৈছে। কিবা কাম এটাত ধৰাই দি এইদৰে বহাৰ ব্যবস্থা কৰিলে কেনেকুৱা হ'ব?"

মাষ্টৰে বোলে "তাকেইতো কৈছো। কাম আৰম্ভ কৰিবলৈ এখন কমিটি লাগিব। ধান কটাৰ সময়ত আমাৰ মূল কাম আৰম্ভ কৰিব সেই সমিতিয়ে।" মাষ্টৰে ঘৰলৈ যাবলৈ হাতত ছাতিটো লৈ উঠিছেহে মূৰত জাপি এটা লৈ পুহিতা বুঢ়া পিঠিত নাতিনীয়েকটো বান্ধি বাতিখন বৰষুণত অহা দেখি মাষ্টৰ আচৰিত হৈ ৰ'ল। বোৱাৰীয়েক টেপৰীয়েও কোচত এটা কেচুৱা লৈ বুঢ়াৰ আঁৰত বৈ আছে। বুঢ়াক মাষ্টৰে দৰ্খাস্ত এখন লিখি দিব লাগে। কেইবাদিনো মাষ্টৰৰ ঘৰলৈ গৈ বুঢ়ায়ে মাষ্টৰক লগ পোৱা নাই। বুঢ়াৰ হাতৰ পৰা কাগজখন লৈ মাষ্টৰে পঢ়ি চালে। চৰকাৰৰ পেঞ্চনৰ দৰ্খাস্তৰ কাৰণে আহিছে। মাষ্টৰে ক'লে "এইবোৰ মোৰ কাম নহয় বাইটী। এম, এল, এ মিনিষ্টাৰেহে পেঞ্চন দিব। কংসৰ ওচৰলৈকে লৈ যোৱাচোন। তেওঁ এইবোৰ ভূ-ভা পাব পাৰে।"

দীঘলাই বোলে "এৰা তেওঁহে পাৰিব সেইবোৰ কাৰোবাক কাৰোবাক দিয়া হৈছে বুলি শুনিছো।" পুহিতাই বোলে, "তাৰ ওচৰলৈ গৈ এখুন্দা লাগিছে সেই কাগজখনকে উলিয়াই আনিছো। ক'ৰ বঙালী

দেচোৱালীৰে পৰা তাৰ ঘৰত কাম কৰা চাকৰেও পেঞ্চন খাইছে। আৰু মই ভাবুলী বুঢ়ীজনীৰ নামটোকে হেনো সি পাহৰিলে। জানিছ দীঘলা, অমুকি পুহিতাই তাহানি সাতখন গাওঁ বিচাৰি তাক ভীমকল যোগাৰ কৰি খুৱাইছিলোহি। পুহিতা এদিন নগলেই বেজবৰুৱানীয়ে মানুহ পঠিয়াই ধৰাই আনে ঢেঁকীৰ ধান বনাৰ পৰা কাপোৰ কানি, কাঁহীবাতি ধোৱাৰ পৰা পুহিতা নহলে তেওঁৰ ঘৰত নচৈছিলেই। আজি সেইজনী পুহিতাই তাৰে একেখন গাঁৱতে গেলি-পচি মৰিছো। সি বোলে 'তইনো ক'ত মৰি আছিলি'" তাৰ কথাখন চোৱা' খঙৰ ভমকত মুখত যি আহে উজাৰি দিলো বুঢ়ীমাকে। তাৰ আগত মই কিবা কথা ক'বলৈ ভয় কৰা জনী নেকি? মই হেনো সোমাইহে আছিলো। হেৰ মগনীয়া মানুহ মই। দিয়া বোপাই দিয়া মোৰ সোন। এই চাৰিটা প্ৰাণীৰ আশীৰ্বাদ পাবা মোৰ বোপাই।" পুহিতাৰ জয়দেৱ কাকুতি শুনি মাষ্টৰে বোলে "বাইদেউ, তুমি মোক ইমান কাকুতি কৰিব নালাগে। মই কাগজখন ভৰ্ত্তি কৰি থম কালিলৈ লৈ যাবাহি। কিন্তু এইবোৰ পেঞ্চননো কিম'ন দিনলৈ দিব? মন গ'লে চৰকাৰে বন্ধ কৰি দিব। আৰু পালেও সেইকেইটা পইচাৰে তোমাৰ জাতো যাব, পেটো নভৰিব। পেঞ্চন পাইছা বুলি দিযাইও নিদিয়া হব" পুহিতাই বোলে, "পিচৰ কথা পিচ বোপাই, এই বোৱাৰীজনীৰ বেমাৰ নাতিবলৈকে মোক পইচা কেইটামান লাগে। তাই ভাল হলেহে নাতিপোৱালীহাল উঠিব। নহযনে কি কৰ সোনধন?" সোণধৰে বোলে তেখেতে কালিলৈ তোক আহিবলৈ কৈছে। আহি লৈ যাবিহি, পেহী। আমিও যাওঁ। যাব যদি একেলগে ব'ল।" পুহিতাই মাষ্টৰক বহুতদিন জীযাই থাকিবলৈ আশীৰ্বাদ এজোলোকা দি সোণধৰহঁতৰ লগত গ'লগৈ। মাষ্টৰে লেমটোৰ পোহৰত পুহিতাৰ গাৰ আৰ লৈ থিয় হৈ থকা টেপৰীলৈ কেইবাবাৰো নিৰীক্ষণ কৰিলে।

সিহঁত যোৱাৰ পাচত এটা হুমুনিযাহ পেলাই মাষ্টৰে বোলে, "দীঘলা কি দেখিলা?"

দীঘলাই বোলে, "বুঢ়ীয়ে ঠিকেই কৈছে চাৰ, আজি-কালি চৰকাৰী গুন্দাবোৰে ওপৰলৈ চায়। তলৰবোৰ নেদেখে।"

মাষ্টৰে বোলে "মই এম এল, এৰ কথা কোৱা নাই। তোমালোকে কৃষক সমাজৰ সঁচা ছবিখন দেখিলানে বুলিহে সুধিছো। সদায় দেখি দেখি তোমালোকে নেদেখা হৈ গৈছা। পঁচিশ ছাবিশ বছৰীয়া এজনী গাভৰু ছোৱালী। তাইৰ বয়সৰ ধনীৰ ছোৱালীহঁতৰ বিয়া বাৰু এতিয়াও হোৱা নাই। কৃষকৰ ঘৰৰ ছোৱালী কাৰণে মূৰেও তেল অকণ নেদেখা, চুলিয়ে ফণী নেদখাকৈ, গা ঢাকিবলৈ এডোখৰ কাপোৰ নোহোৱাকৈ তাই বুঢ়ী হ'ল। তাই তোমালোকৰ আগত নিজৰ অৱস্থাটো দেখুৱাবলৈ লাজ পাইহে বুঢ়ীৰ আঁৰত লুকাই আছিল। যৌৱন কেতিয়া আহিল, কেনি গ'ল গম নোপোৱা তাইৰ দৰে হাজাৰ হাজাৰ গাভৰুৱে "পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰ" গাইছে। মৰিবলৈ ভয় নকৰা জীৱ পৃথিৱীতেই নাই। অথচ প্ৰতি মুহূৰ্ত্ততে তাইক মাৰি নিয়াৰ কাৰণে ঈশ্বৰক খাটিছে। তাইৰ দৰে লাখ লাখ মানুহে জীয়াই থকাৰ সুবিধা-খিনি নাপায় সিহঁতে মৰি মৰিও জীয়াই থাকিবলৈ চেষ্টা কৰিছে। প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰা সকলৰ কবলৰ পৰা মুক্তি পাবলৈ অহৰহ পথ বিচাৰিছে। এইয়া এন্ধাৰ ৰাতি, এই বোকাত বৰষুণৰ মাজত কোলাত কেচুঁৱা বান্ধি পাৰ কৰা ৰঘুনাথ মুখেৰে গোৱা তিৰোতাই কাৰ্য্যৰে মৰি মৰি জীয়াই থাকিবলৈ কৰা চেষ্টাৰ নিদৰ্শন তোমালোকৰ আগত দেখুৱাই থৈ গ'ল। তোমালোকে সিহঁতক পথৰ সন্ধান দিয়া। সিহঁতক বঞ্চিত কৰা দৈত্যহঁতৰ দেৱালখন যিমানেই দুৰ্লঙ্ঘ্য নহওঁক, সেই দেৱাল সিহঁতে ভাঙি চুৰমাৰ কৰি পাৰ হৈ যাব। আজি তিনিমাহ আলোচনা চলিল। এতিয়া সাৰ বস্তু বিলাক খামুচি ধৰি কৰ্মক্ষেত্ৰত তোমালোক আগবাঢিবলৈ কৰ্কালত টঙালি বান্ধাহঁক। মই যাওঁ।" মাষ্টৰে ছাতিটো মেলি টৰ্চ এটা জ্বলাই বৰষুণৰ মাজতে ওলাই গ'ল। দীঘলাই বোলে,

"মাষ্টৰে ৰাইজ গোট খুৱাবলৈ কৈছে হয়, পিছে ভাদমহীয়া নাম শেষ নহ'লে ৰাইজক গোট খুৱাব নোৱাৰি দেই বংশী।" বংশীয়ে বোলে "ত্ৰাহি গোপাল কৃপাল স্বামী, মজিলো ভৱ জলধিত আমি।" মানে কি কৈছে বুলি নামঘৰত তুমি আৰম্ভ কৰি তাৰ পৰাই কথাবোৰ উলিয়াবা ককাইদেউ। মাষ্টৰকো সেইদিনা নামঘৰলৈ টানি আজুৰি হ'লেও লৈ যাম।" দীঘলাই বোলে, "নামঘৰ এটা হ'লেহে? আটাইকিখন গাঁৱৰ মানুহক ভাদমহীয়া নামঘৰত একে ঠাইতে কেনেকৈ গোটাবি? বকুলে বোলে "গুৰু এজনাই, নাম্ কীৰ্ত্তন একেবোৰেই। এদিন ডাঙৰকৈ কোনোবা এটা নামঘৰতে নাম পাতো। তেতিয়াও নাহিবনে?" বংশীয়ে বোলে, "তেনেকুৱা বুদ্ধি নকৰিলে বুঢ়াবোৰ নাহে, পিছে ডেকাজাককহে আচলতে গোট খুৱাব লাগে।" শেষ সিদ্ধান্ত একো নহ'লগৈ। সেইবোৰ কথাকে পাতি পাতি সিহঁত সেইদিনা বহুত ৰাতিলৈকে থাকিল।

পিচদিনা মাষ্টৰৰ ঘটনাটো শুনি কষ্টিযেও সহ্য কৰিব নোৱাৰিলে। তাৰ চাকৰি গলেও যাব, আকবৰহঁতৰ লগত সি মাষ্টৰৰ ঘৰলৈ আহিল। মাষ্টৰ বিচনাত পৰি আছে। বংশীৰ সৰ্ব্বশৰীৰত কপনি উঠিলে। মাষ্টৰক কিয় মাৰিলে? মাষ্টৰৰ অৱস্থা দেখি তাৰ চকুৰ পৰা যেন জুইহে ওলাব। "চাৰ" বংশীয়ে মাত দিলে। মাষ্টৰে চক মেলিবলৈ চেষ্টা কৰিলে। "বহাহঁক।" বংশীয়ে মাষ্টৰৰ মূৰত হাত ফুৰাই দি সুধিলে "ঘটনাটো ক'ত হ'ল, চাৰ?" মাষ্টৰে সেহাই সেহাই অস্পষ্টকৈ ক'লে "ঠাই ডোখৰ দেখিনো কি কৰিবি? ঘৰৰ ওচৰতে।" কেনেকৈ কি হৈছিল মাষ্টৰৰ মুখৰ পৰা থুলমূল ভাৱে সিহঁতে যি গম পালে। দুটা মানুহ ৰাষ্টাত ৰৈ আছিল। এন্ধাৰত টৰ্চ মাৰি হাতৰ মেলা ছাতিৰে মাষ্টৰ আহি থকা দেখি সিহঁতি চাইকেলত উঠি মাষ্টৰৰ ফালে আগবাঢ়িল। এটাই মাষ্টৰক খুন্দা মাৰি নিজে পৰি গ'ল। তাৰ পাছত দুয়োটাই ধৰি সোধ-পোছ নাই "কণা বুঢ়া নেদেখ নেকি?" বুলি ঘুচিয়াই চৰিয়াই মাষ্টৰক

পেলাই থৈ গুচি গ'ল। লাইট জ্বলাই নিজৰ দাঁতিযেদি যোৱা মানুহ-জনক মাৰিলে। ডকাইটি কৰা ল'ৰাও গাঁৱত আছে, কিন্তু মাষ্টৰৰ হেনো জেপ পৰ্য্যন্ত সিহঁতি চোৱা নাই। বংশীৰ মনৰ খু-দুৱনি নমবিল। "চাৰ মানুহ দুটাক আপুনি চিনি পাইচিলেনে?" "পাইছিলো, সিহঁত দোষী নহয। হুকুমত কাম কৰা মানুহ। মানুহ কেইটা তহঁতৰ দৰে খাতি খোৱা মানুহ। শাৰিৰীক ভাৱে মই কষ্ট পাইছো যদিও মোক মানসিক যন্ত্ৰণাইহে বেছি কষ্ট দিছে। আমি আৰম্ভ কৰাৰ আগতে শত্ৰুহঁতে অভিযান আৰম্ভ কৰি দিলে। পটা কথাবোৰ মনত পেলাইছো। এনেকুৱা দমণ পীডন অতীতৰ পৰাই চলি আহিছে।' বংশীহঁতে মাষ্টৰৰ কথা কওঁতে কষ্ট হোৱাৰ কাৰণে কথা নাপাতো বুলি ঠিক কৰিছিল। মাষ্টৰৰ মুখ কিন্তু বন্ধ নহ'ল। "আদিম সাম্যবাদী সমাজ ব্যৱস্থাৰ শেষৰ ফালে যেতিযা বহিখোৱা এদলৰ সৃষ্টি হ'ল, তেতিয়াই এই গুন্দা বাহিনীৰ জন্ম হৈছিল। দলপতিৰ নিৰাপত্তাৰ ভাৰ লৈও যেতিযা গুন্দা বাহিনীয়ে খাতিখোৱা মানুহৰ পৰা বহিখোৱাক ৰক্ষা কৰিব নোৱাৰা, হৈছিল তেতিয়াই সৃষ্টি হৈছিল ঈশ্বৰৰ অস্তিত্ব। সৃষ্টিৰ ৰহস্য বুজিব নোৱাৰা বৰ্ব্বৰ খাটিখোৱা মানৱক দমন কৰা হৈছিল। এইটো অভিনৱ কৌশলেৰে ঈশ্বৰৰ মায়াজাল তৰি। আজিও একেদৰেই বহিখোৱাহঁতৰ স্বাৰ্থতে পৰম্পৰাগত ভাৱে ধৰ্ম আৰু পুলিচ নামৰ গুন্দা বাহিনীৰ হতুৱাই খাতি খোৱা মানুহখিনিক দমন কৰিবলৈ ব্যৱহাৰ কৰা ব্যৱস্থা চলি আছে। সেইদৰেই খাতিখোৱাৰ ভয়ত বহি খোৱাহঁতে একোটা সৰুৰ বাহিনী ৰাখিবই লাগিব। সিহঁতি জানে, সিহঁতে কৰা অন্যায়ৰ বিৰুদ্ধে যেইকোনো মুহুৰ্ত্ততে নিপীড়িত জন-গণে হুংকাৰ কৰি উঠিব পাৰে।" মাষ্টৰে কথাবোৰ মালাগথাৰ দৰে অৰ্নগল কৈ থকাৰ কাৰণে উপায নাপায় সিহঁত কেইটাই আঁতৰি গৈছিল। মাষ্টৰে কৈয়ে আছে। বকুল আহি "চাৰ আমি যাওঁ" বোলাতহে মাষ্টৰৰ মুখ বন্ধ হৈছে। ডাক্তৰ অনাৰ কাৰণে বকুলক পঠিয়াই মাষ্টৰৰ পৰিচৰ্য্যাৰ কাৰণে বংশী মাষ্টৰৰ ঘৰত থাকিল। আকবৰহঁত যোৱাৰ পাছত বংশীয়ে

মাষ্টৰক খাবলৈ আনি দিলেহি। মাষ্টৰ বহিল। মাষ্টৰে আকৌ আৰম্ভ কৰিলে। "সিহঁত গ'লগৈ যদিও তই শুন, বংশী। কংস, ৰামধাৰীৰ গুন্দা বাহিনীয়ে প্ৰাথমিক পৰ্য্যায়ত মোৰ ওপৰতেই আৰম্ভ কৰিছে, তহঁতক ভয় খুৱাবলৈ। সিহঁতে এই কথাও জানে যে মোক মাৰকিল কৰাৰ কাৰণে তহঁতে প্ৰতিশোধ ল'বলৈ ফেৰ পাতি ধৰিবি। তহঁতে ফেৰ পাতি ধৰাৰ পাচত বিভিন্ন উপায়েৰে নিজৰ মানুহকেই নিজেই ঘাইল কৰি সিহঁতে ভাৰাটীয়া গুন্দা বাহিনী মকৰল কৰিব। তাৰ মানেই তহঁতৰ সকলো প্ৰস্তুতি আৰম্ভণিতে শেষ কৰি দিব।' বংশীয়ে প্ৰকৃততেই প্ৰতিশোধৰ ভাৱ এটা লৈ আছিল যদিও মাষ্টৰৰ কথাবোৰ শুনি বেচিকৈ চিন্তা কৰিবলৈ আৰু বেচিকৈ উদ্যমেৰে আগবাঢ়িবলৈ যেন অনুপ্ৰেৰণাহে পালে। মাষ্টৰৰ কথা কোৱা বন্ধ কৰিবৰ কাৰণে বংশী ভিতৰলৈ গ'লতহে মাষ্টৰৰ কথা বন্ধ হৈছিল।

মাষ্টৰে ঘূৰা-ঘূৰি কৰিছে যদিও ঘৰৰ পৰা বাহিৰ হোৱা নাই। বংশীয়ে চাৰিদিন মাষ্টৰৰ আলপৈচান ধৰাৰ পাচত সেইদিনা আকবৰৰ ঘৰত আটাইকেইটা লগ খাইছোহি। অৱশ্যে মাষ্টৰৰ ঘৰলৈ প্ৰতিদিনেই যোৱাৰ কাৰণে সিহঁতে এটা সিদ্ধান্তত উপনীত হ'ব পাৰিছে। আধি মাটিৰ ধান এইবাৰ দীঘলা আৰু আকবৰে কংসক নিদিযে। বকুলেও ধান নিদিওঁ বুলি খানাখা বাপেকক কৈ আহিছে। তেওঁলোক তিনিওজনেই প্ৰথমে সংগ্ৰাম আৰম্ভ কৰিব। আগৰ কথামতেই কাম কৰিব। মালিকক খবৰ নিদিযে। ধান কাটিব, বাহিৰে বাহিৰে ঘৰলৈ লৈ আহিব। মাষ্টৰে ৰাইজৰ কাৰণে মাৰ খাইছে বুলি কৈ সিহঁতে খন্দুৱা খোৱা আধি খোৱা মানুহ যাকে পাই তাকেই কৈছে। কিন্তু ধান দিয়া নিদিয়াৰ কথা একো কোৱা নাই। সময়ত ক'ব। ধান পকালৈ ডেৰমাহ মান সময় বাকী আছে। সেই সময়চোৱাত ফিচাৰিলৈ বুলি বহুত বছৰ পেলাই থোৱা পঞ্চায়তৰ মাটিখিনিত হাবি ভাঙি হালকোৰ মাৰি আহুধানৰ কাৰণে

উলিয়াবলৈ বংশীহঁতে মনস্থ কৰিছিল। তাতো মাষ্টৰে বাধা কৰিছে। চৰকাৰী মাটি দখল কৰিবলৈ গ'লে চৰকাৰৰ লগত লাগি লোৱা হ'ব আৰু ইফালে আচল গৃহ শত্ৰু কেইটা ফাঁকে ফাঁকে সাৰিব। মাষ্টৰৰ মতে তুদিন দেৰিযেই হওঁক। এই সময়খিনি ব্যৱহাৰ কৰি ভালকৈ সিহঁতে সক্ষম হ'ব পাৰিব। ৰামধাৰী, গদাধৰ, গোঁসাই কেইসহঁতৰ আধি খন্দুৱা দিয়া সমুদায় মাটিৰ দখল বাৰমাহে নিজৰ হাতত ৰাখিবলৈ মাষ্টৰে বংশীৰ আগত আৰু এটা ভাল পৰামৰ্শ দি পঠিয়াইছে। ধান দোৱাৰ পিছত কৃষক পৰিষদে আধি খন্দুৱাত দিয়া মাটিত টেক্টৰ ভাড়ালৈ আনি হালবোৱাই আহু ধান কৰক। আহুধানৰ আচল তিনিভাগৰ এভাগ আধি খন্দুৱা খোৱাক বিনামূল্যে দি সহায় কৰক। অহাবছৰ খেতিৰ কাৰণে পৰিষদে আধি খন্দুৱাত খোৱা মাটিখিনি টেক্টৰেৰে বিনামূলীয়াকৈ এচাহ হাল বোৱাই দিযক। যি কেনো উপাযেৰে খেতিয়কে আধি খন্দুৱাত বোৱা মাটিত শস্য কৰি আবদ্ধ কৰি ৰাখিবই লাগিব। মাষ্টৰৰ কথাবোৰ শুনিবলৈ ভাল হৈছে যদিও বকুলে বোলে, "গছত কঁঠাল ওঁঠত তেল, নৌ খাওঁতেই চেলবেল। মাটি দখললৈ অহাই নাই, দখল লোৱাৰ পিচত কি কৰিব লাগিব সেইটো কথা চিন্তা কৰিছে। টোপনিত ৰজা হোৱাৰ কথা এতিয়া থ বংশী।" "কি টোপনিত ৰজা হোৱা কথা অ'? চাৰে সুন্দৰ চিন্তা কৰিছে। ধান নিদিলতো একো নকলে যোনিবা, সিহঁতে কিবা ধান নোপোৱাৰ পিচতো নাকত তেল দি শুই থাকিব নেকি? নিজে খেতি কৰিম বুলি যদি হাল বোৱাই দিযেহি? চাৰে পদ্ধতি এটা লৈ পৰিকল্পিত ভাবে কাম কৰাৰ কাৰণে সেইবোৰ পৰামৰ্শ দিছে। তোৰ মূৰত সেইবোৰ কথা খেলাবনে? কথাবোৰ উৰাই নিদিবিচোন। উলিয়াচোন বাৰু এই পাঁচখন গাঁৱৰ ভিতৰত মাষ্টৰৰদৰে আন মানুহ এটাকে, উলিয়া? নোৱাৰে, অংক, ইংৰাজী পঢ়ুৱা মাষ্টৰ বহুত পাবি, এনেকুৱা চিন্তাৰ মানুহ এওঁৰ ভিতৰত এটাও উলিয়াব নোৱাৰ। তেওঁ খেতিয়ক নহ'ব পাৰে, কিন্তু খেতিয়কৰ জীৱন, খেতিয়কৰ অৱস্থাৰ ইতিহাস তেওঁৰ মূৰত সোমাই

আছে। পঢ়িছে ৰে। দেশ-বিদেশৰ বিপ্লৱৰ ইতিহাস থকা কিতাপেৰে তেওঁৰ আলমাৰি ভৰি আছে।” আকবৰে বোলে “হ’ল আৰু মাষ্টৰৰ গুণানুকীৰ্ত্তন কৰি তই লেকচাৰ মাৰিব নালাগে। ৰাইজ গোট খুওৱাৰ কি উপায় কৰিবি সেইটো কথা উলিয়া।” দীঘলাই বোলে ‘মাষ্টৰে কোৱা কথাটোকে ধৰো। বাছি বাছি মানুহ মাতো। যি আছে তাৰ ভিতৰৰে মানুহ লৈ আমি প্ৰথমে কমিটি এখন গঠণ কৰি হস্পিতেল এখনৰ কাৰণে ঘূৰাঘুৰি কৰো। মাষ্টৰে চৰকাৰৰ লগত যোগাযোগ আৰম্ভ কৰিছেই। তেওঁৰ মাটিডোখৰ আমি সমিতিখন পাতি সোনকালে নললে চৰকাৰক মাটি কেনেকৈ দেখুৱাম। টকা-পইচাও ধেৰ লাগিব বুলি কৈছে। মাষ্টৰে তিনিচুকীয়া বা ডিব্ৰুগড়ৰ ফালৰ কোনোবা ব্যৱসায়ীৰে কাৰোবাৰ নামত ঘৰ এখোটা দান কৰে নেকি তাৰ কাৰণে যাব লাগিব বুলি কৈছে। আহিন মাহ পাৰ হ’লেই ৰাইজৰ ধান কটাও আৰম্ভ হ’ব। ইফালে আমাৰো আচল কাম তেতিয়াই আৰম্ভ হ’ব। গতিকে আহিনৰ দিন কেইটাৰ ভিতৰতে কমিটি এখন পাতিবই লাগিব। বকুল, বলোৰাম, বংশী, আকবৰ, দীঘলা, সোনধৰ, ফটিক আৰু জানমুখৰ মেইনুদ্দিন প্ৰত্যেকেই নিজৰ চুবুৰিৰ পৰা কমেও দহজনকৈ ডেকাল’ৰা আনিব লাগিব বুলি শেষ সিদ্ধান্তত উপনীত হ’ল। পিছদিনা মাষ্টৰৰ অৱস্থা চাই তাৰিখ থিৰ কৰিম বুলি কথা বতৰা শেষ কৰি ঘৰা-ঘৰি সকলো গ’লগৈ। বলোৰামৰ ৰাতি ডিউটি নাছিল কাৰণে তাক বংশীয়ে ঘৰলৈকে লৈ গ’ল। এন্ধাৰ নিশা, অথচ হাতত বংশীহঁতৰ একো পোহৰ নাছিল। সিহঁতে মাজে মাজে পথাৰৰ মাজৰ বকিয়াটোৰ পৰা ভৰি পিচলি ধাননিত সোমাইছেগৈ। পথাৰ ডোখৰ পাৰ হ’লেই গণেশৰ বাহনিখন পাৰ হৈ গৰু ম’হ চৰা চৰকাৰী গ্ৰেজিংটো। তাৰ পিচৰ সৰু পথাৰখিনিৰ পাৰ হৈ জালুকনী গাওঁ আৰম্ভ। গণেশ বুঢ়াৰ বাহনিৰ মাজৰ বাটচোৱাই কোনোদিন ৰ’দৰ মুখ নেদেখে। ফাগুন-চ’ত মহীয়াও এজাক বৰষুণ হ’লেই বোকা আৰম্ভ হয়। বাৰিষা এআঠুমান

দ বোকা থাকে। দিনত হ'লে বাঁহনিৰ ডুয়োটা চাপৰ দাঁতিয়ে দাঁতিয়েহে জেওৰাত ধৰি এছোৱা যাব পাৰি। বোকাৰ ওপৰত দিয়া চেৰাগছ এডাল আৰু বাঁহ তামোল গছ কিডাল বোকাৰে পোতখাই পৰিল। সিইঁতি বোকা ডোখৰৰ এছোৱা পাৰ হৈ আহিল। বাঁহনিৰ আগফালে মুকলি পোহৰলৈ চাই চাই আহি থাকোতে বলোৰামৰ ভৰিত অঘৈয়া এডাল সোমাল। বাঁহনিৰ মাজৰ পৰা অঘৈয়া ডালেৰে সৈতে বলোৰামে খোজেই কাঢিব নোৱাৰা হল। বংশীয়ে বলোৰামক বোকোচাত তুলিহে ঘৰ পোৱালেহি।

ঘৰ পাই চাকিৰ পোহৰতহে দেখিছে সৌ ভৰিৰ বুঢা আঙুলিৰ নখটো টেমাৰ সাফৰ খুলি খোৱাৰ দৰেই দাং খাই আছে তেজ বন্ধ হোৱা নাই। বোকাবোৰত তেজ লগা ভৰিটো দেখিলে গা শিয়ৰি উঠা অৱস্থা। ফুলেশ্বৰীয়ে পানীঢালি ধুৱাই দিলেহি। বংশীয়ে ছুলডাল আজুৰি এৰুৱাই ভৰিটোত গোন্ধোৱা বনৰ পাত এসোপাকে খুন্দি বান্ধি দিলেহি। মংলাই ভিতৰৰ জুইৰ ওচৰত গাঁত টানি আছিল। গাত নিচা আছে।

বংশীয়ে বান্ধি কুন্ধি দিয়াৰ পাছত ফুলেশ্বৰীয়ে গৈ কোৱাত মংলা ওলাই আহি বলোৰামৰ গেলাতে টেঙা দি উধাই-মুধাই গালিহে পাৰিলেহি। "চালা কুত্তা, তোকে থাকেক লে, কংস বাবু ঘৰ দেইহে। আপন ঘৰে নাই ৰহিকে মিটিং কৰেক যাইৰহি হএঁছে তোকে ভগৱান শাস্তি দেইহে। কংস বাবু তোকে দেনাপানী দেইহে, আৰু তুই তাৰ পিছে ঘুৰথী? চালা হাৰামজাদা। হাৰামি কাহাকা এখন ঘৰে ঘুমাই থাক। তোৰ বাপ ঘৰকেৰ মিল। ঘৰে থাকলেভি তোৰ হাজিৰা চলতে থাকি।"

বলোৰামক বকি বকি মংলাৰ ভাগৰ লাগিল। ভিতৰলৈ সোমাই গৈ ফুলেশ্বৰীক তালৈ খোৱাৰ যোগাৰ কৰিবলৈ কৈ মংলাই

বকি বকি বহি থাকিলগৈ। বলোৰামক চোতালৰ পৰা ধৰি ধৰি বংশীয়ে তাৰ বিচনাখনতে শুৱাই দিলেগৈ। ভাত নতুনকৈ ৰান্ধিব লগীয়া নহ'ল। ফুলেশ্বৰীৰ হেনো খাবলৈ মন যোৱা নাই। বলোৰামে ভটিটোত দুখ পাই বুলি সাৱধানে শোওঁতে বংশীৰ বাতি টোপনি ভালকৈ নধৰিলেই। নিজৰ টোপনি ধৰাবৰ বাবে চেষ্টা কৰাটো বৰ অসহনীয়। তাতে বিভিন্ন চিন্তাই যদি এবাৰ মূৰত খোপনি পুতিলে সহজে টোপনি নধৰেই। বংশীৰ সেই অৱস্থাই হ'ল। নতুনকৈ কোনো মানুহকে সিহঁতি সিহঁতৰ লগলৈ আনিব পৰা নাই। বলোৰামে জালুকণীৰ ছুটা ল'ৰাক উলিযাইছে বুলি কৈছে যদিও সিহঁতক বংশীয়ে লগ কৰিব পৰা নাই। মুখেৰে ফটফটাই থকা বলিত, ডম্বৰুহঁতক বহুত চেষ্টা কৰিও বশ পৰা নাই। সিহঁত মূখৰ মানুহ এৰা দেশৰ ডেকাল'ৰা খনৰ মনত দেশৰ চিন্তা, ৰাইজৰ চিন্তা একেবাৰেই নাইকিয়া হ'ল। এইবোৰ ডেকা-গাভৰুৰেই নাচিত, মূখাগাভৰুৰ গৌৰৱত ওফন্দ থাকে। কনকলতা, ভোগেশ্বৰীৰ কথা কয়। হেৰ' বুকুবহঁত! কনকলতা কৰ, কি হৈ মৰিছিল তহঁতজাকৰ মাজৰ পৰা ক'ব পাৰিবিনে? সন্দোদৰটো সি আকৌ শিৱসাগৰীয়া মানুহ থাকিলেও হেনো সিহঁতৰ লগত যোগ দিয়ে। হেৰ' দেশৰ কাম কৰিবলৈ আকৌ কিহৰ শিৱসাগৰীয়া মানুহৰ লগ লব লাগে? পৰেশে হেনো এই ৰাজনীতিৰ মেৰ পাকত নোসোমায়। বংশীহঁতেনো কি ৰাজনীতিডাল' কৰিছে? প্ৰাপ্য আদায় কৰাৰ দাবী কৰিলে যদি কিবা ৰাজনীতি কৰা হয় তেন্তে সেইটো ৰাজনীতি জনতাই হওঁক বা কমিউনিষ্টেই হওঁক, যিয়েই নহওঁক কৰিবই লাগিব। তই বংশীহঁতৰ ৰাজনীতিটো বেয়া বুলি ক, ন'হলে কোনোবা এটাক ভাল বুলি যুক্তি দেখুওৱা। সেইডালেই আকৌ মাইনৰ স্কুলৰ মাষ্টৰ।

বলোৰামে ভৰিৰ বিষত কেকাই আছে। তাৰো টোপনি অহা নাই। ভৰিত সোমোৱা অধৈয়াডালৰ পৰা যদি বলোৰামৰ টিটেনাছ ৰোগ আৰম্ভ

হয়। সেইটো হ'লে বোলে মানুহ বচোৱাটোৱেই টান হৈ পৰে। তাক লগে লগে বেজী এটা দিয়াব লাগিছিল। হস্পিটেল এখন থকা হ'লেহে ৰাতিয়েই কষ্ট মষ্ট কৰিও লৈ যাওঁ। আছে চাৰি পাঁচমাইল মান দূৰৰ দিনজানত। তাকো মিলিটেৰী হস্পিটেল। তাক ৰাতিপুৱাই তালৈকে লৈ যাব লাগিব। মহা সমস্যা হ'ল। মাষ্টৰৰ লগত লাগি থাকোতেই এনেয়ে পাঁচ ছয়দিন গ'ল, আকৌ এইটো পৰিলে। কাম আগবাঢ়ক নাবাঢ়ক বলোৰামক সি অবহেলা কৰিব নোৱাৰে। শেষ নিশালৈ দুখোটাৰে টোপনি আহিছিল।

পিছদিনা ৰাতিপুৱা ৰ'দ ওলাইছে। বাট যেনেকুৱাই হওঁক বৰষুণ নিদিলে ভাল লাগে। বংশীয়ে জনমজয় দোকানীৰ চাইকেল খন খুজি আনিলেগৈ। দোকানৰ মাল কঢ়িওৱা চাইকেল। কেৰিয়াৰ খনো ডাঙৰ। দগঙ্গি চুকেদি দিনজানলৈ পাঁচ মাইলমান হ'ব যদিও চাইকেলত বলোৰামক লৈ সেই ফালেদি যাব নোৱাৰি। পি ডব্লিউ ডি আলিয়েদি ঘূৰিহে যাব লাগিব যথেষ্ট ঘূৰণ হ'ব। হওঁক, বলোৰামক কেৰিয়াত বহুৱাই এচোৱা বাট জালুকণীৰ সিমূৰলৈকে চাইকেল ঠেলি নিব লাগিব। ইফালে জনমজয়েও চাইকেলখন সোনকালে ঘূৰাই দিবলৈ কৈছে। সিহঁত পিন্ধি উৰি ওলাল। মণ্ডলাই আহি ক'লেহি ফুলেশ্বৰীৰ বোলে কেইবাদিনো পেটলৈ ভাতকে যোৱা নাই। বমি কৰি আছে। পেলুৰ দবৰ কেইপালিমান ফুলেশ্বৰীলৈকো বংশীক লৈ আহিবলৈ বুলি মণ্ডলাই ক'লে। সিহঁত গ'লগৈ। বংশী ঘূৰি আহোঁতে বাৰ মানেই বাজিছিল। এম-ই-এচ হস্পিটেলত ইমান সতকাই বাহিৰা মানুহৰ বেমাৰ নেচায়। বংশী মিলিটেৰীৰ চাকৰিয়াল আছিল কাৰণে সি সোনকালেই বলোৰামক বেজি দিয়াই বেন্দেজ কৰাই ঘূৰি আহিল।

বলোৰামক চাইকেলৰ পৰা নমাই দি সি পিৰালীৰ খুঁটাতে চাইকেলখন আওজাই থৈ কপালৰ ঘামবোৰ মচিলে। চাইকেলৰ পৰা

নামি দিলত গাতো ভমক ভমক কৰিছে। জনমজয়ৰ চাইকেলে জনম জয় কৰিব হয়, এটা নহয় কেইবাটাও জনম এইখন চাইকেলে কিজানি জয় কৰিলেই। তাতে বলোৰামটোৰ হাড কিডালো কম ভাবি নহয় দেই। বংশীয়ে বলোৰামৰ ভৰি দুখনলৈ চালে। এই গেৰগেৰীযা হাড কিডাল তাহানি কাবোবাৰ ভৰিত ফুটবল খেলোতে কেতিযাবা লাগিলেই সিটো বহি পৰিছিল।

ৰঙা চাহ দুবাতি ফুলেশ্বৰীয়ে চোতাললৈকে লৈ আহিছে। "এম-ই-এচৰ ডাক্তৰে বেমাৰী নোচোৱাকৈ দৰৱ নিদিযে ঐ। তোক এদিন লৈ যাব লাগিব।" বংশীৰ কথাৰ উত্তৰ ফুলেশ্বৰীয়ে একো নিদি ভিতৰলৈ সোমাই গ'ল। ফুলেশ্বৰীজনী ক্ষীণাইছে হয়। তাইক বংশীয়ে কেইবাদিনো দেখাই নাছিল। তাইৰ কিবা অসুখ এটা হৈছে। তাতে তাই আগদিনা ৰাতি ৰন্ধা ভাত নাখালে বুলি সি নিজে জানে। চাহৰ বাতিটো হাতত লৈ সি কোঠাৰ ভিতৰত সোমালে। সেই এটা নতুন চিন্তা তাৰ মূৰত জমা হ'ল। তাইকো লৈ যাব লাগিব। মঙলাৰ লগত তাইক পঠিযালে একো নহ'ব। সি নিজে তাইক লগত লৈ যাব লাগিব। বলোৰামে উঠিবই নোৱাৰে। তেন্তে তাইক লৈতো সি অকলে যাব নোৱাৰে। তাইৰ শৌচ পেসাৱ লৈ যাবলৈ কৈছিল। তাইক লৈ যোৱাতকৈ সি শৌচ পেসাৱকে লৈ যাব। দিনটো খুব টান ৰ'দ। চোতাল শুকাইছে। পিচ বেলালৈ বতৰটো জুৰ পৰিছে। জাবৰ জোথৰ কিছুমান গোটাই মংলা বুঢাই জুই একুৰা চোতালৰ মূৰতে জ্বলাইছে। দিনজানৰ পৰা অহাৰ পাচত বংশীয়ে ৰ'দত লুটিয়াই দিয়া বাৰীৰ হাবি বনবোৰত জুই জ্বলাবলৈ চেষ্টা কৰিছে। জুই নজ্বলে। ধোঁৱাই ধুৰলী-কুঁৰলী কৰিছে।

ওচৰৰ কোনোবা এজন বুঢা মংলাৰ ওচৰলৈ আহিছিল। মংলা বুঢাক লৈ জুই কুৰাৰ ওচৰত বহিলগৈ। দুয়োজনে বিড়ি জ্বলাইছে।

গৰম জাৰ সকলো সময়তে জুইৰ ওচৰত বহাটো বুঢ়া মানুহবিলাকৰ অভ্যাসত পৰিণত হয় নেকি ? বেলিটো ওলালে ৰ'দ প্ৰথমে কিজানি মংলাৰ ঘৰতে পৰেহি। আধা ছুখৰীয়া জোনটোৰ পোহৰো বেলি ওলোৱাৰ ফালৰ পৰাই চোতালত পৰিছেহি। পূৰ্ণিমাৰ জোনাকত যে মংলাৰ চোতালত জোনাক ভৰ্ত্তি হৈ থাকে ছাগৈ। আকবৰ আহি বলোৰামৰ সৈতে চোতালত বহি কথা পাতিছেহি। হাত ভৰি ধুই বংশীও বহিলহি। লেমটো ঘৰৰ পিৰালীত ফুলেশ্বৰীয়ে জ্বলাই থৈ গৈছেহি। বলোৰামে কাম খতি হোৱা কেইদিনত মেডিকেলৰ ছুটি নেপায। সেইবোৰ বছেৰেকীয়া ছুটি, বেমাৰীৰ হাজিৰা দিয়া নিয়ম, কংসৰ মিলত নাই হেনো। বংশীয়ে বোলে, "গাঁৱৰ ভিতৰুৱা মিল। তাতে লেবাৰ ইনসপেক্টৰক ছাগৈ জেপত কংসই ভৰাই থৈছে। নহ'লে ঘানি ঘূৰি গ'লহেতেন। মজদূৰৰ প্ৰাপ্যখিনিৰ এশ ভাগৰ এভাগ ইনস্পেক্টৰক দিলেই খেলা খতম। "তহঁতেও ইউনিয়ন এখন কৰিব লাগিব দেই, বলো। লাগিছো যেতিয়া ঘুন্নুকিম। আচল কথাটো আৰম্ভ কৰি লওঁ। কেইদিনমান অপেক্ষা কৰ।" আকবৰ আৰু বংশীয়ে কথা পাতিছে।

আকবৰে বোলে "বলোৰ সৈতেনো তাহঁতৰ কি সম্বন্ধ ? এসময়ত বলোৰামৰ সৈতে একেলগে খেলিছিল। তাৰ বাহিৰে সিহঁতৰ মাজত কোনো লেনাদেনা বা অন্যধৰণৰ সম্পৰ্ক নাই। অথচ এইদৰেই সিহঁতি সিহঁতৰ বিপদৰ বন্ধু হ'ব লাগিব। জালুকণি গাঁৱৰ ভিতৰত তাৰসৈতেহে কিন্তু বংশীহঁতৰ সম্পৰ্ক হৈছে। বাকী মানুহ বিলাকৰ লগত তেনে কোনো হলি-গলি নাই। মজদূৰ মানুহখিনিৰ লগত গাঁৱৰ বাকী মানুহবোৰৰ সম্পৰ্ক সদায় এনেকৈয়ে থাকিবনে ? লেঙেৰীয়ে হাতত লেম এটা লৈ খলিফাৰসৈতে ওলালেহি। বলোৰামে বহিবলৈ কি দিওঁ বুলি উচ্‌পিচাই ফুলেশ্বৰীক মাতিলে। তাই ওলাই নাহিল। বংশীয়ে তাক চকী খনকে উলিয়াই দিলেহি। খলিফা

ৰহিল। লেঙেৰীক বলোৰামে বস্তাখনকে বহিবলৈ দি সি লেঙেৰীয়াই লেঙেৰী-য়াই অলপ আঁতৰি ৰ'ল। বলোৰামে ভৰিত দুখপোৱা কথাবোৰ ক'লে। খলিফাই বোলে, "সেইটো বাটেদিয়েই সদায় আহিছে গৈছে কোনোদিন একো হোৱা নাই। কিবা নচিবহে বেযা আছিল।" লেঙেৰীয়ে বোলে, "কিবা হ'বলগীয়া থাকিলে ঘৰৰ ভিতৰতে হ'ব।"

বংশীয়ে ভিতৰলৈ অহাযোৱা কৰা দেখি লেঙেৰীযে বোলে "আমাক একো নালাগে ঐ বংশী। মই হাতত তামোল লৈ আহিছো। তই আহছোন। ডাক্তৰেনো কি ক'লে কহি। ইযাক আকৌ হস্পিতেললৈ নিব লাগিব চাগৈ? বলোৰামে আৰু তিনিদিনমান যাব লাগিব বুলি ক'লে। খলিফাই বোলে কমেও আঁঠ দহদিন নহ'লে ঘা-মুশুকাই। সিমান দিন তোৰ কাম খতি হ'ল। লেঙেৰীয়ে বোলে "নখটো এৰাই গ'ল নেকি?" বংশীয়ে লেমটো হাতত লৈ প্লেট এখনত তামোল পান লৈ আহি বোলে "তাৰ নখটো ডাক্তৰেহে একৰাই পেলালে। পুলিচে যে ল'ৰাবোৰক ধৰি নি অমুকৰ ঘৰ জ্বলাইছে বুলি সৈ কঢাবলৈ প্লাছেৰে নখবোৰ টানে, তাক ডাক্তৰে সেইটোকে কৰিলে। মই তাকে ভাবিছো খুৰী। এৰাই থকা নখটো ডাক্তৰে টানমাৰি দিওঁতেই সি বাবা গ', মা গ' বুলি চিঞৰিলে। থানাৰ ভিতৰত ল'ৰাবোৰক শাস্তি দিওঁতে ছাগৈ পুলিচেহে ওচৰত থাকিব পাৰে। তেজ মঙহৰ মানুহে সেইবোৰ চাই থাকিব নোৱাৰে, খুৰী। ৰ'বা খুৰী, এইয়া আমাৰ ফালৰ তামোল পান আৰু ইযাতে দিছো, বলোৰামৰ ফালৰ মান খোৱা।"

লেঙেৰীয়ে চকু ঘোপাকৈ বংশীলৈ চাই বোলে "জানো পাই, তই কি কথাবোৰ কৰ? তোৰ কথাৰ পাক মই ধৰিবই নোৱাৰো।" বংশীয়ে হাঁহি এটা মাৰি বোলে "মোৰ কথাৰ পাক, মেৰ পাক খুৰী। বোলে, এই ৰাতিখন বোকা ফালি ফালি

তুমি অইনৰ ঘৰলৈ ভৰিত ছুপ এদাপ সোমোৱা বৈমাৰী খবৰ কৰিবলৈ কেতিয়াও নোযোৱা, খুৰী। আগলৈকো তাক সেইদৰে মৰম-সাদৰ কৰি থাকিবা।" বলোৰামে লাজত মুখ ঘুৰালে।

বংশীৰ কথাৰ অৰ্থ খলিফা, লেঙেৰী, বলোৰাম তিনিও বুজিছিল। সেইকাৰণে সিমানতে ৰাখিবলৈ মন কৰি ফুলেশ্বৰী নাইনেকি বুলি লেঙেৰীয়ে সুধিলে। বলোৰামে ফুলেশ্বৰীক মাতিলে। বংশীয়ে বোলে তাইৰ গাটো ভাল নহয়। শুই আছে হ'বলা। লেঙেৰী ভিতৰফালে ফুলেশ্বৰীক মাত লগাবলৈ গ'ল। "মৈনক হেনো ৰামধাৰীয়ে মাটি এৰি দিবলৈ এতিয়াই নটিচ্ দিছে, বংশী। জানৰ মুখৰ পৰা দৰস্তী চুক্তৈ প্ৰায় তিনিমাইল বাট আহি মৈনে ৰামধাৰীৰ আধি মাটি ৰোৱেহি। কোন কাহানিয়েই সি ৰামধাৰীৰ ঘৰৰ গাৰোৱান হৈ থকা দিনৰে পৰা ৰামধাৰীৰ সেই দোখৰ মাটিৰে খেতি কৰি খাইছে এইবাৰ ধান দোৱাৰ পিচত হেনো ৰামধাৰীয়েও আহু লগাব।" খলিফাই সেই কথাটো বংশীহঁতৰ কমিটিখনক জনাবলৈকে নিয়াজ বুঢাই হেনো খলিফাক কথাটো কৈ গৈছেহি। বংশীয়ে বোলে "টান পাই ৰাম বুলিছে। মানুহ গোটাবলৈ খবৰ দি আহিছিলো। মৈইন নিজেও নাহিল। ভাল পাইছো দদাই আৰু কেইটামানে সেইদৰে নটিচ্ পালেহে এইবোৰৰ জ্ঞান হ'ব।" খলিফাই বোলে "জ্ঞান হওঁতে হওঁতে সেইটো মৰিব খাবলৈ নাপায়। সেই ছুপুৰা মাটি তাৰপৰা একৰাব পাৰিলে ৰামধাৰীয়ে আটাই কিষৰৰপৰা মাটি একৰাব। কিবা স্বৰূপত হাতৰ পৰা মাটিখিনি গ'লে সেইফালৰ মুছলমান মানুহ আটাই কিষৰেই অইন কৰবালৈ যাবগৈ লাগিব। তাকে ভাবিছো বোপাই, শেষত আমাক কৰবলৈ নিবলৈকো নিজৰ মানুহ এঘৰী নাথাকিব যেন পাইছো।"

লৈ অহা লেমটো হঢাই লেঙেৰীয়ে বোলে "কৰিমৰ লগত তাইক অকলে থৈ আহিছো নহয় কি কৰা? যোৱা যদি উঠা।" খলিফা যাবলৈ

ওলাগ। আকবৰে কথাবোৰ শুনি আছিল। সি বোলে "এটা কথা নহয় ববা তই মৈইনকাকাহঁতৰ কথা যিমানকৈ ভাবিছ কিজানি সিহঁতে নিজেও সিমানকৈ ভবা নাই। ভবাহেতেন তুৱাৰ মই মতাৰ পিচতো মিতিওলৈ নহাকৈ থাকেনে? আৰু তোক কবৰলৈ কোনে নিব সেইটো চিন্তা তই এতিযাই কৰিব নালাগে। নমৰালৈকে কেনেকৈ জীযাই থাকিব পাৰ সেইটো কথা ভাৱ।" খলিফাই কিবা এটা কব খোজোতেই বংশীয়ে বোলে, "তুমি পুতেৰৰ লগত কথা পাতি বৈ আছা। খুৰী সৌজনী দং দংকৈ কোনোবাখিনি পালেগৈ। এন্ধাৰে মুন্ধাৰে তুমি গৈ বলোৰামে উজুতিওৱা গোজদালতে উজুতিযাই সেইদাল আঁতৰাই পেলালে কিন্তু সৰ্ব্বনাশ হ'ব।"

এঃ সৌজনী বহুত দূৰ পালেগৈ—বুলি লাখুটিডাল লৈ খলিফাও গ'লগৈ। আকবৰে বোলে "তইযে কেতিযাবা কেতিযাবা বৰ অসভ্যালিখন কৰ দেই বংশী।" "হযতো, ইযাৰ বাৰু বুঢা মানুহটোৰ হগত সেইবোৰ ধেমালী কৰাৰ বযস আছেনে? সি মাযেৰক কি কথাবোৰ ক লে চা। ৰূপহীক মই আনিম বুলি কোবাৰ কাবণেই হেনো মাযেৰ ববাৰে মোক খবৰ কৰিবলৈ আহিছে। তই মানুহক লাজত পেলাই মাৰিবি দেই বংশী।" বলোৰামৰ কথাৰ উত্তৰ নিদি বংশীযে আকৌ কলে, "তই এতিযা যাগৈ আকবৰ। মাযেৰ লেণ্ডেৰী, ববাৰৰ গাত কানিৰ জাল আছেই। সেই বোকা ডোখৰত ইটোৱে সিটোক ধৰোতে হাসেই বোকাত লাগি ধৰিবগৈ।"

আকবৰে বোলে "কথা একো ঠিকেই হোৱা নাই। মাযে দিওঁ বুলিছে ববাই নিদিওঁ বুলিছে। তই একো কব নোৱাৰাকৈ মাজতে বিযাকে পাতিলি। এইবোৰ ধেমালি কৰা কথা নহয দেই বংশী। মাযে তোক ভালকৈ এপালি দিব চাই থাকিবি।" বংশীয়ে বোলে "বাজিব লাগে টেমী কটাৰী, বাজিছো মই হাঁচতী। তই কথাতো খামাখা বন্দবস্ত কৰিব পৰা নাই। মই উজাৰি দিলতো মোৰ ওপৰত দুইটাই দম্‌দমনি মাৰিছ। মই

নালাগিলে কথা লেখেপধেপ হৈয়ে থাকিব। বৰাৰেনো বলোৰামলৈ ছোৱালী কেনেকৈ নিদিয়াকৈ থাকে মই চাম নহয়। অমুকা বংশীয়ে কৈ দিলো, ৰূপহীক এইখন ঘৰত সুমুৱাই থৈহে মই ইয়াৰ পৰা যাম। লাগিছো যেতিয়া জোঁক লগাদি লাগিম। মায়েৰক পতালো যেতিয়া তোৰ ববাৰৰ কথা নৰজে চাই থাকিবি। এই মায়েৰহঁত বহুত দূৰ পালেগৈ। তই যা।" শেষটোৰ পোহৰ দেখা নেদেখা হ'ল। আকবৰ গ'লগৈ।

বলোৰামৰ ভৰিটো ভাল হৈছে যদিও ফুলেশ্বৰীক লৈহে বংশীৰ ডাঙৰ সমস্যা হৈছে। তাইৰ বেমাৰৰ লক্ষণটো বেয়া। ছোৱালীজনী খুব ক্ষীণাইছে। কিবা এটা খালেই বমি হৈ ওলাই যায়। কেঞ্চাৰ বেমাৰৰ সম্পূৰ্ণ লক্ষণ। ইলিযাছ কম্পাউন্দৰৰ পৰা বমিৰ দৰৱ পেলুৰ দৰৱ আনি মংলাই তাইক খুৱাইছিলহি। একো লাভ হোৱা নাই। তাইক তিনিচুকীয়ালৈ নি ডাক্তৰক দেখুৱাই আনিবলৈ মংলাই বংশীক ভৰিত ধৰিবলৈহে বাকী আছে। মংলাৰ মনেৰে বেজী কেইটামান দিলেই তাই ভাল হৈ যাব। এম-ই-এচৰ ডাক্তৰে শৌচ-প্ৰেসাৰ দেখুৱাবলৈ কৈছিলে। তাৰ পিছতো বলোৰামক এদিন ডাক্তৰৰ ওচৰলৈ নি ড্ৰেচিং কৰোৱাই আনিলেগৈ। কিন্তু ফুগেশ্বৰীৰ শৌচ-প্ৰসাৰ নিযাৰ দৰকাৰ নহ'ব বুলি ভাবিহে সি নিনিলে। বলোৰামৰ ভৰিটো ভাল হোৱাহেতেন তাৰ লগত গৈ ফুলেশ্বৰীক তিনিচুকীয়ালৈ নি পৰীক্ষা কৰালেহেতেন। মংলাক লগত লৈ সাত-আঁঠ মাইল বাট খোজকাঢি ফুলেশ্বৰীক তিনিচুকীয়ালৈ নিব লাগিব। চাইকেলখনত বলোৰামক বহুৱাই লৈ ফুলেশ্বৰীৰ কথা ভাৰি থাকোতেই মংলাই ফুলেশ্বৰীৰ শৌচ-প্ৰসাৰ মোনা এটাত ভৰাই বংশীক দিলেহি। সিহঁত আগবাঢ়িল। দৰঙ্গী চুকেদি বাট শুকাইছে কাৰণে পি-ডব্লিউ-ডি আলিযেদি সিহঁত ঘূৰি যাবলগীয়া নহল। বলোৰামক বেজী দিয়া সেইদিনা শেষ হ'ব।

হস্পিতেললৈ যাওঁতে কেৰিযাবত বহি যোৱা বলোৰামে সিহঁতৰ কাৰণে বংশীয়ে কৰা কষ্টখিনিৰ কথা কৈ কৃতজ্ঞতা জনাইছিল।

বংশীয়ে বোলে "মই তাইক নিজৰ ভনী বুলি ভাবিছো, বলো। ককাযেৰ হিচাপে সেইখিনি কৰাৰ দায়িত্ব লবই লাগিব। পিছে বেয়া লাগিছে অন্য এটা কথাৰ কাৰণেহে। চাবৰ লগতে সেইকেইদিন আছিলো। তাৰ পিছত তোৰ লগত এই কেইদিন গ'ল। আকৌ যুলেশ্বৰীয়ে এথোন কি দেখুৱাই ঠিকনা নাই। সেইফালে আমাৰ আচল কামবোৰ যে পিচ পৰি গৈছে। সেইটোহে বৰ ডাঙৰ কথা হৈছে জানিছ?" বলোৰামে বোলে "আমাৰ ভিতৰুৱা কথাবোৰ গমপাই সিহঁতে মাটি এৰি দিবলৈ সেইযা হুকুম জাৰি কৰি দিছে। একপ্ৰকাৰ ভালেইহে হৈছে, বংশী। মাটি এৰিবলৈ কোৱা মানুহখিনিক আনি এতিয়া আমাৰ লগত পামেই। আৰু এটা কথা। ফুলেশ্বৰী আমাৰ ঘৰলৈ গুছি অহাৰ কাৰণে ৰামধাৰীয়ে আমাকো মাটি এৰ বুলি কয়হে লাগে। মই সেইটোলৈকে বাটচাই আছো এঘৰ নহয় বে কেইবা ঘৰেও ৰামধাৰীৰ মাটি খাইছে। আমাৰ গাঁৱত আৰম্ভ হ'লে কিন্তু গোটেইখন হৈচৈ মাৰি ধৰিব। মই ঘূৰিব পৰা হৈ লওঁ ৰ'। এইবাৰ মই আমাৰ মজদুৰ মানুহখিনিৰ লগত লাগিম। তই পিছে কি কৰ? জমা পইচা কেইটা শেষ হ'লে মৰিবি কিন্তু।" "দোকান এখন আৰম্ভ কৰো বুলিছিলো। পিছে নকৰো। দোকান দি মই আৱদ্ধ হৈ থাকিলে আচল কাম নহ'ব। নেফাযুৰ মানুহৰ দৰে পানৰ বাৰী এখন পাতি তাৰ লগতে মৌ পালন আৰু এখন ফিছাৰী কৰাৰ কথাহে ভাৱি আছো।"

বংশীৰ পৰিকল্পনাটো শুনি বলোৰামে বোলে" মইও তোৰ লগতে লাগি যাম। পানত একদম খৰচ নাই। মৌ পালনতো একো খৰচ নাই। কিন্তু দুয়োটা বস্তুতে ভাল পইচা আছে। দীন নাথৰ ফুটুকলানী

ডোখৰ দেখুৱাই সি ক'লে, "দীননাথৰ এই একচনীয়া মাটিখিনি খুজিলে কিন্তু সি দিব। এনেযেহে পৰি আছে। ইটাৰ ভোটা মাৰি ৰামধাৰীয়ে লাখ লাখ টকা এইডোখৰ মাটিৰ প'ৰাই উলিয়ালে পাই বংশী।" সিহঁত দুটা চাইকেলৰ পৰা নামিল। বংশীয়ে মাটিডোখৰ এপাক মাৰি চাই আহিলেগৈ। ইটা ভোটাৰ গাঁতবোৰ ভালকৈ খান্দি দিলে কম খৰচতে ভাল ফিছাৰী এখন হ'ব। দীন নাথকো পাৰিলে অংশীদাৰ হিচাপে লোৱাৰ কথাও বংশীয়ে ভাবিলে। মূলধন বংশীৰ, অংশীদাৰ বলোৰাম আৰু দীননাথ। সিহঁতে বহি খোৱা জাতৰ মানুহ নহয়। নিজ হাতে কাম কৰিব। অতি সোনকালে কামটো আৰম্ভ কৰিব লাগিব।

হস্পিটেলত বলোৰামক ড্ৰেচিং কমত বহুৱাই থৈ বংশীয়ে ফুলেশ্বৰীৰ শৌচ-পেচাব পৰীক্ষা কৰা কোঠাত মোনাৰ পৰা শৌচ আৰু প্ৰসাৱ থৈ আহি ডাক্তৰক ক'লেহি। ফুলেশ্বৰীৰ বেমাৰৰ লক্ষণবোৰ কৈ বংশীয়ে মনৰ খু-দুৱনিটো গুচাই ল'বৰ কাৰণে তাইৰ কেন্সাৰ হোৱাৰ লক্ষণ বুলি ডাক্তৰে ভাৱে নেকি সুধিলে। ডাক্তৰৰ মতে সকলো বেমাৰেই প্ৰথম অৱস্থাত ধৰা পৰিলে ভাল চিকিৎসা হয়, চিন্তা কৰিব নালাগে। শৌচ-প্ৰসাৱত কি ধৰা পৰে চোৱাৰ পিচত দৰকাৰ হ'লে X-Ray কৰিব লাগিব পাৰে। বংশী বাহিৰৰ বেঞ্চখনত বহি থাকিলহি। ডাক্তৰে অসম্ভৱ নহয় বুলি ক'লে। যদি ফুলেশ্বৰীৰ সেইটো বেমাৰ হৈছে তাই মৰি থাকিব। দুখীয়া মানুহৰ সেইটো বেমাৰ হ'লে আত্মহত্যা কৰি মৰি থকাই ভাল। আত্মহত্যা কেনো পাপ। কিহৰ পাপডাল হ'ব? মৰিবই যেতিয়া, টকা পইচা এসোপা, ঘৰ, মাটি শেষ কৰি, খৰচ কৰাই, জীয়াই থকাবোৰকো যমৰ যান্ত্ৰণা ভোগ কৰোৱাটোহে মহাপাপ। ফুলেশ্বৰীৰ যদি সেইটো বেমাৰ হৈছে এইয়া আৰম্ভণীহে হৈছে। তাইক লৈ তাৰহে মহা শাস্তি হ'ব। তাইক যেতিয়া ভনীয়েক বুলি সি গ্ৰহণ কৰিছে, যেয়ে যি ভাৱক, সি তাইক পৰিচৰ্য্যা কৰিবই। কিন্তু যদি

তাইৰ কাৰণে তাৰ জমা থকা পইচাখিনি শেষ কৰিবলগীয়া হয়' সি কথা ভাবিব নোৱাৰা হ'ল। সি এপাক বাৰান্দাতে ঘূৰি আহি আকৌ বহিলহি। সি কিয় পইচা খৰচ কৰিব। সকুৰে পৰা তাইৰ পৰা ৰামধাৰীয়ে কাম লৈছে। তাইৰ চিকিৎসাৰ সকলো দায়িত্ব ৰামধাৰীয়ে ল'ব লাগিব। সি যদি দায়িত্ব ল'ব নোৱাৰে বুলি কয়' জালুকণী গাঁৱৰ গোটেই মানুহবোৰ লৈ গৈ সি ৰামধাৰীক বাধ্য কৰিব। ডাক্তৰৰ মাত শুনি সি ঘপৰাই উঠি গৈ ডাক্তৰ বহা কোঠালী পালেগৈ।

ডাক্তৰে কি ক'ব সেইটো কথা ভাবি তাৰ বুকুৰে ঢুকুৰ ঢুকুৰ কৰিলে। পিচে ডাক্তৰে এটা হাঁহি মাৰিহে বংশীৰ মুখলৈ চালে। বংশীৰ মনটো পাতল লাগিল। কি খুৱাবা, মাছ নে মিঠাই? ভাল খবৰ দিম। কোৱা কি খুৱাবা? বংশীয়ে একো বুজিব নোৱাৰি বোলে, চাৰ আপুনি কি খায় খুৱাম কওঁকচোন কি ভাল খবৰ দিম বুলিছে। তোমাৰ কোলালৈ নতুন আলহী আহিছে। তাইৰ এড্‌ভানচ ষ্টেজ। গৰ্ভস্থিতি হোৱাৰ অৱস্থাত এইবোৰ অসুখ বহুত মানুহৰেই হয়। দৰৱ লৈ যোৱা। মাজে মাজে মানুহজনীক চেক্‌আপ কৰাবাহি। কিন্তু ফেমেলী প্লেনিং মানি চলিবা দেই। বংশীৰ ডিঙিটো শুকাই গৈছিল' তাইৰ গৰ্ভত সন্তান' বংশীৰ কোলালৈ আলহী আহিছে'। ফেমেলি প্লেনিং কৰিবা দেই'' ডাক্তৰে ফুলেশ্বৰীক তাৰ তিৰোতা বুলিহে ভাবিছে। দৰৱৰ প্ৰেচক্ৰিপচন নোলোৱাকৈ সি ওলাই আহি বলোৰামৰ ওচৰলৈ গ'ল।

ডাক্তৰে আকৌ তাক মাতিলে। ডাক্তৰৰ ওচৰলৈ আকৌ এবাৰ যোৱাটো তাৰ কাৰণে ভয়ৰ কথাহে হৈছিল। সি গ'ল। প্ৰেচক্ৰিপচনখন নোলোৱাকৈ সি গুচি অহাৰ কাৰণেহে মাতিছিল। তাইৰ গৰ্ভত সন্তান ক'ৰ পৰা হ'ল? সিইতৰ ঘৰলৈ কোনো মানুহ অহা সি দেখা নাই। তেন্তে? বলোৰামক এৰি প্ৰেচক্ৰিপচনখন লৈ সি গেটৰ বাহিৰ হৈ গৈছিল। সি ঘূৰিল। বলোৰামক সি কি বুলি ক'ব? ফুলেশ্বৰীৰ গৰ্ভত

সন্তান আছে বুলি ক'লে বলোৰামে তাকেই ভাবিব। সি নহয় বুলি ক'লে বলোৰামে কেতিয়াও বিশ্বাস নকৰে। তোৰ দৰে ডেকা ল'ৰা এটা গাভৰু ছোৱালী এজনীৰ সৈতে একেলগে থাকিলে মানুহে অন্যৰ কথা কেতিয়াও নাভাবে।

বলোৰামক লৈ বংশীয়ে আহি থাকোতে অলপ দূৰ যোৱাৰ পিচতে বলোৰামে ফুলেশ্বৰীৰ কি হৈছে বুলি সুধিলে। কওঁ নকওঁকৈ বংশীয়ে তাইৰ গাত লেঠা হোৱা বুলি ক'লে। বলোৰামে একো উত্তৰ নিদিলে। বলোৰামৰ খং উঠিছিল। বংশীয়ে তাইক ভনীয়েক বুলি কয়! তেন্তে তলে তলে এইবোৰ কি কথা আৰম্ভ কৰিলে? সি যদি ফুলেশ্বৰীক তিৰোতা হিচাপে ৰাখিব খোজে বলোৰামে আপত্তি নকৰিলেহেঁতেন। বৰঞ্চ সাদৰেৰে সন্মতিহে দিলেহেঁতেন। অথচ তাকো লুকুৱাই বংশীয়ে বিশ্বাস ভঙ্গ কৰিছে। এই কেইদিন সি ফুলেশ্বৰীৰ কথা বাৰে বাৰে সেযেহে কৈ আছিল। বংশীক সেই বিষয়ে আৰু কিবা সোধাৰ সি আৱশ্যক বোধ নকৰিলে। ঘূৰি আহোঁতে সিহঁত দুয়োটা মনে মনে গুজৰি গুমৰি আহি ঘৰ পালেহি। যাওঁতে এঘণ্টা লগা বাটচোৱা ঘূৰি আহোঁতে আধা ঘণ্টা মানতে শেষ হ'ল। বংশীয়ে দৰবৰ প্ৰেচক্ৰিপ-চনখন মংলাৰ হাতত দি দৰৱ আনিবলৈ পইচা উলিয়াই দিলে। চাইকেলখন দি আহো বুলি সি ওলাই গ'ল।

চাইকেলখন জনমজয়ক ঘূৰাই দি বংশীয়ে আকৌ বৰৰ ওচৰলৈ আহিছিল। ফুলেশ্বৰীৰ সৈতে সি একেটা ঘৰতে আকৌ কেনেকৈ থাকে? তাইৰ গৰ্ভত কাৰ সন্তান? তাইক সুধিব কোনে? সুধিলে যদি তাই তাৰ কথাকে কৈ দিয়ে। তাক ফান্দত পেলাবলৈ বুলি যদি তাইক কোনোবাই সেই অৱস্থাৰে পঠিয়াই দিছে। কিন্তু তাইৰ গৰ্ভৰ সন্তানটো কাৰ? নিজকে নিজে প্ৰশ্ন কৰি কৰি সি গ্ৰেজিংডোখৰৰ মাজৰ চামগছ-জোপাৰ তলতে বহুত সময় বহি থাকিল। কোনো প্ৰশ্নৰ উত্তৰ সি

উলিযাব নোৱাৰিলে। মাষ্টৰৰ ওপৰত তাৰ খুউব খং উঠিল। ফুলেশ্বৰী মংলাৰ ঘৰলৈ আহোতেই সি অন্য ঠাইলৈ যাবলৈ ওলাইছিল।

মাষ্টৰৰ মাননীয়তাৰ কথা ক'লে, কা-পৰুষালি কৰা হ'ব বুলি ক'লে, দুখীয়াক সহায় কৰাৰ কথা ক'লে যাৰ কাৰণেই আজি বংশীৰ মূৰত বিনা মেঘে বজ্রপাত পৰিছে। তাক মাষ্টৰেই খাই দিলে। বংশীয়ে সমস্যাটোৰ কথা আকবৰক বাৰীত অকলে পাই ভাঙি পাতি কলেহি। মাষ্টৰেই তাক শেষ ক'ৰি দিলে বুলি কওঁতে আকবৰে বোলে, "তই যেনেকৈ তাইৰ ভিতৰুৱা কথাটো নজনাৰ কাৰণে তাইৰ সৈতে থাকিবলৈ শেষত মান্তি হৈছিলি, মাষ্টৰেও তেনেকৈ ভিতৰুৱা কথাবোৰ নজনাৰ কাৰণেই তাক মংলাৰ ঘৰৰ পৰা গুচি নাহিবি বুলি কৈছিল। আৰু তই যেতিয়া সম্পূৰ্ণ ভাৱে নিৰ্দোষী, তাৰ কাৰণে ইমান ভয় কৰিবলগীয়াও তোৰ একো নাই।" শেষত আকবৰে কথাটো মাষ্টৰক কবলৈ ক'লে। বংশীয়ে লেণ্ডেৰীক আকবৰৰ খোটালীলৈ মাতি নি গোটেই কথাটো ক'লে। লেণ্ডেৰীয়ে বংশীৰ কথাবোৰ শুনি নিজৰ গাৰ বদনাম লুকুৱাবলৈ বুদ্ধি কৰি লেণ্ডেৰীক কৈছেহি বুলি বংশীলৈ একে থৰে চাই আছিল। বংশীয়ে বোলে, "কি হ'ল খুৰী? তুমি দেখোন মোৰ চকুলৈ চাই ৰ'লা।" এনে জনোপাই, কথাৰ মেৰপাক মই ধৰিবই পৰা নাই। তোৰ গাত যদি কোনো চেকাই নাই তইনো ইমানকৈ ভয় কৰিছ কিয়?"

বংশীয়ে বুজিলে তাক লেণ্ডেৰীয়ে বিশ্বাস কৰিব পৰা নাই। "তাইৰ কেইমাহ হৈছে বুলি কৈছে?" বংশীয়ে বোলে, "মই সেইবোৰ একো সোধা নাই।" বংশী ফুলেশ্বৰীৰ সৈতে থকা কেইমাহ হ'ল সেইটো কথা মনতে লেণ্ডেৰীয়ে চিন্তা কৰি চালে যদিও একো সিদ্ধান্তলৈ আহিব নোৱাৰি বোলে, "মই তোক তাইৰে সৈতে একেলগে নাথাকিবি বুলি তেতিয়াই কৈছিলো। আকবৰৰ ববাকে তোক বাপেকে-জীয়েকেও

অকস্মাৎ থাকিব নাপাই বুলি কৈছিল। এতিয়া যেনেকৈ মৰ মৰি থাক। মোক একো নুসুধিবি।" বংশীয়ে ফুলেশ্বৰীৰ ওচৰলৈ গৈ তাইক কথাটো সুধিবলৈ লেডেৰীক নেপা-নেপেৰাকৈ লাগিল। লেডেৰীয়ে মংলাৰ ঘৰত সেইবোৰ কথা উলিয়াবলৈ নেপায়। শেষত কৰিমক মাতি আনি মাকেক মাতিছে বুলি ফুলেশ্বৰীক মাতিবলৈ পঠিয়ালে। ফুলেশ্বৰী কেনেবাকৈ নাহে বুলি কিবা দৰৱ এটা কৰিমৰ মাকেকে ফুলেশ্বৰীক নিবলৈ মাতিছে বুলি ক'বলৈ বংশীয়ে কৰিমক কৈ পঠিয়ালে। কৰিমক পঠিয়াই বংশীয়ে আকবৰৰ বিচনাত বাগৰ দি চিন্তা কৰি থাকিল। লেডেৰীয়ে খলিফাক ঘৰ মুখলৈ মাতি নি কথাবোৰ ক'লেগৈ। খলিফা দাংখাই উঠিল। সেইবোৰৰ মাজত সোমাবলৈ কি দৰকাৰ? কৰিমক পঠিওৱা বুলি কলত খলিফাই বোলে, "সাহৰ সম্ভাৰ ভবিত মাৰি সি মৰিছে। সি বাচিব নোৱাৰে। ৰূপহীক কাহানিবাৰ ঘৰলৈ নপঠিওৱাকৈ মাইকৰ আগত এইসবৰ কথা নাপাতিবি" বুলি কৈ খলিফা জুইৰ ওচৰৰ বস্তাখনত আকৌ বহিলগৈ

ৰূপহীয়ে তাহানিখন মেলি থৈ কেনিবা গৈছিল। সেই চলতে লেডেৰী গৈ তাঁত বোৱাত লাগিলগৈ। দৰৱ দিবলৈ মাতিছে বুলি ক'লত ফুলেশ্বৰী লগে লগেই কৰিমৰ সৈতে আহিল। লেডেৰীয়ে তাইক তাঁতৰ শাললৈকে মাতি নিলে। ফুলেশ্বৰীৰ কি কি হয়, প্ৰথমতে লেডেৰীয়ে সুধিলে। তাইৰ গাত লেঠা হৈছে বুলি লেডেৰীয়ে কোৱাৰ লগে লগে ফুলেশ্বৰীয়ে কান্দিবলৈ আৰম্ভ কৰিলে। লেডেৰীয়ে তাইক তাইৰ মাকৰ দৰে ভাবি কাৰ ফালৰ পৰা তাইৰ গাত লেঠা হৈছে সচাঁ কথা ক'বলৈ ক'লে। তাই নকয়। বহুত ফুচুলোৱাৰ পিচতো তাই কথা নকলে। শেষত যেতিয়া ফুলেশ্বৰীৰ অসুবিধা হ'লে নিজে খবৰ-খাতি কৰিম বুলি লেডেৰীয়ে ক'লে তেতিয়াহে বুকুত সাহ গোটাই ফুলেশ্বৰীয়ে তাইৰ কাহিনীটো ক'লে। ফুলেশ্বৰীৰ পৰা কথাবোৰ লৈ তাইক থৈ

আহিবলৈ কৰিমক পঠিয়াই দি লেডেৰী খলিফাৰ ওচৰত বহিলহি। ফুলেশ্বৰীৰ কথাবোৰ শুনিবলৈ খলিফাইও ব্যগ্ৰ ভাবে অপেক্ষা কৰি আছিল। লেডেৰীয়ে আৰম্ভ কৰিলে, "ৰামধাৰীয়ে হেনো ফুলেশ্বৰীয়ে ফ্ৰক পিন্ধি থকা দিনৰে পৰা তাইৰ হতুৱাই গাত তেল ঘহাই, গা পিতিকিবলৈ লগায়। সেইখন পিতিকা-পিতিকিৰ পৰাই হেনো ৰামধাৰীয়ে তাইক নকাৰবলগীয়া কাম কৰিলে। তাইক হেনো শাৰী কাপোৰ দি দিনে দিনে বেচিকৈ মৰম কৰিবলৈ ধৰিলে। আকৌ তাইক লোলে সি জীপ গাড়ীত তুলি নি টাউনত চিনেমা দেখুৱাইগৈ। সেইবোৰ বোলে ভালেমান দিনৰে পৰা চলি আছিল। এদিন হেনো আমাৰ লীলা ললিতাহঁত ঘৰত নাথাকোঁতে লেডেৰীৰ ককাযেকে পকা চুলি উঘালিবলৈ তাইক জীপ গাড়ী পঠিয়াই নিয়াইছিল আৰু হেনো দিন দুপৰতে কংসইও বোলে তাইক বল-বস্তি কৰিলে। সেইদিনাই তাই হেনো কংসৰ ঘৰৰ পৰা পলাই বাহিৰে বাহিৰে মংলাৰ ঘৰলৈ গুচি আহিলে।

বংশীয়ে লেডেৰীৰ কথাবোৰ আকবৰৰ কোঠাৰ পৰা কাণ ঠিয়কৈ শুনি আছিল। তাৰ গাৰ ওপৰৰ পৰা যেন এটা গধুৰ বোজাহে আঁতৰি গ'ল। সি স্বস্তিৰ নিশ্বাস পেলালে। ৰামধাৰীয়ে ষড়যন্ত্ৰৰ এই জালখন তাৰ ওপৰতে পেলোৱাৰ বুদ্ধি কৰিছিল। তাৰ মনটো পাতল লাগি এবাৰ বাহিৰলৈ ওলাই আহিবলৈ ইচ্ছা হৈছিল। লেডেৰীয়ে আৰু কি কি কয় শুনি ল'বলৈ সি অলপ অপেক্ষা কৰিলে।

লেডেৰীৰ মুখত ফুলেশ্বৰীৰ বিপৰ্য্যযৰ কাহিনী শুনি খলিফাই "হাঁয আল্লা," বুলি ক'লে। "মাউৰী ছোৱালীজনী দেহি! তাতে আকৌ আজলী পাই সিহঁতে ইমান ডাঙৰ ঘটনাতো কৰিব লাগেনে? বৰ ডাঙৰ কাম কৰিলে দেই। খোদাই কেতিয়াও নসহে। চাই থাকিবি তই। জীয়া জুইৰ লগত খেল কৰিলে পোৰে বুলি নেজানে নেকি?" "ৰামধাৰীয়ে কিজানি মাইকী কৰিয়েই ৰাখিলেহেঁতেন? ল'ৰা এপেট লৈ তাই গুচি আহিলে কান্ধ

কিটো কৰিবলৈ ? লেঙেৰীয়ে কথাবোৰ ফুলেশ্বৰীক দোষাৰূপ কৰি কোৱা দেখি খলিফাই বোলে, "তইও কেঁচুৱা ছোৱালীয়ে কোৱাদি কথা কৈছ। তাইৰ স্বভাৱ বেয়া হোৱাৰ এইটোৱেই বয়স। তাতে ধনী মানুহ এটাৰ লগত খেলা কৰিবলৈ পাই তাই আকৰিয়ে ছাগে আম্মান ঢুকি পোৱাদি পাইছিল। আৰু সি তাইক তাৰ নাতিনীয়েকৰ বয়সৰ ছোৱালীজনীক কেতিয়াও মাইকী কৰি নাৰাখে ঐ। বিলাস কৰিলে। তাকো এটাই নহয়। ককাযেৰ সেই ভটুৱাটোৱে আঠ দহ মাইলৰ তোফাততে নিজৰ মাইকীজনী থাকোতে কিহৰ একালত তাইৰ গাত হাত দিলে কচোন ? আৰু বা কিমানক সিহঁতি বেশ্যা কৰিছে কি ঠিক আছে। তাই কৈ দিলতহে পানী তলৰ কাঁইটডাল চিনি পালি। যি হ'ল হ'ল। কথাত কথা বাঢে খৰিকাত কাণ বাঢে। আমাৰ মুখৰ পৰা কথা বাঢিব নালাগে। বংশী আহক। তাইক সুধিবলৈ বংশী আহক। তাইক সুধিবলৈ কৈছিল, তাই যি ক'লে তাক কৈ দিবি।"

লেঙেৰীয়ে বোলে, তাই যে ককাইদেউক লেতিযাই লেতিযাই কথাটো ক'লে, সেইবোৰ কথা মই কিন্তু বংশীক নকওঁ দেই। বংশীকনো কোনে হাতত ধৰি আছে ? জুইকুৰাৰ ওচৰত ঘিউখিনি থাকিলে নগ'লি থাকিব পাৰেনে ? বংশী আকবৰৰ কোঠাৰ পৰা ওলাই আহি লেঙেৰীৰ কথাৰ উত্তৰ নিজেই দিলেহি।

"বুজিছো খুৰী, তুমিহে নালাগে সকলোৱে সেইটো কথাকেই ক'ব। মই মিছা-মিছি মানুহৰ সন্দেহৰ কাৰণ হোৱাৰ ভয়ত জ্বলি পুৰি মৰিছো। তাতোতকৈ ভয় খাইছিলো ৰামধাৰী কংসই মোক জালত পেলাবলৈ ষড়যন্ত্ৰ কৰি তাইক পঠিয়াইছে বুলি। যেই হওঁক তাই মোক ৰক্ষা কৰিলে। কিন্তু ছোৱালীজনীৰ অৱস্থাটোৰ এতিয়া কি হ'ব ?

খলিফাই অলপ সময় তলকা মাৰি থাকি উত্তৰ দিলে, তাই যেনেকৈ আৰ্জিছে, তেনেকৈ ভুগিব। তই তাইৰ দুখ গুচাব নোৱাৰ।

নোৱাৰ যদিও ৰামধাৰীক সুদাই এৰিবলৈও মই নকওঁ। নকওঁ যদিও কিবা এটা তহঁতি, কৰিব পাৰিবি বুলিও নাভাবো। কাৰণ হাতীৰ টিকাত তহঁতৰ তৰাৰ ফৰ্মুটিয়ে একো কৰিব নোৱাৰে। তাইক ৰামধাৰীৰে ঘৰলৈ ঘুৰাই পঠিওৱাৰ উপায় এটা কৰিব পাৰিলেহে তাক বান্ধিব পাৰিবি। আৰু এটা কথা, তই ইমানতে মংলাৰ ঘৰৰ পৰা আঁতৰি অহাই ভাল দেখো। তই পিছে গুচি আহিলেও ৰামধাৰীয়ে চল পাব। তাকে চাই চিতি যি ভাল দেখ আটাকেউটা বহি আলোচনা কৰিহে কৰিবি দেই। আৰু মাষ্টৰকো কথাটো ক'গৈ ”

বংশীয়ে বোলে “মই গুচি আহিলে মংলা বুঢাই ফুলেশ্বৰীক মৰিয়াই মাৰি পেলাব দদাই। ফুলেশ্বৰীক মৰিবলৈ দিলে ৰামধাৰা সাৰি যাব। তাক মই পানী পানী খুৱাম, দদাই।” তেতিয়ালৈকে বংশীৰ ছপৰীয়া ভাতৰ কথা উঠাই নাছিল। খলিফাই বংশীক ভাত খোৱাৰ কথা সুধিলে। হস্পিটেলৰ পৰা আহি মংলাৰ ঘৰৰ ভিতৰ সোমোৱাই নাই বুলি বংশীয়ে ক'লত লেঙেৰীয়ে বংশীলৈ ভাত ৰান্ধিবলৈ গ'ল।

আকবৰ বাৰীৰ পৰা আহিল। বংশীয়ে আকবৰক ফুলেশ্বৰীৰ মুখৰ পৰা লেঙেৰীয়ে শুনি কোৱা কথাবোৰ ক'লে। আকবৰে মূৰে কপালে হাত দি বহিল। ৰামধাৰীৰ কাৰণে সকলো কামেই সম্ভৱ, কিন্তু কংস তাৰ মাযেকৰ নিজৰ ককাযেকটোৰ বংশ মৰ্য্যদা, তদুপৰি স্থানীয় মান মৰ্য্যাদাৰে বযসস্থ মানুহজনেও মজদুৰৰ দুখীয়া ছোৱালীজনীৰ জীৱনটোলৈ খেলা কৰাৰ কাৰণে আকবৰৰ খুব খং উঠিল। খং উঠিলে সি মুখেৰে কথা কোৱাতকৈ শক্তি প্ৰযোগ কৰাত উগ্ৰ হৈ উঠে। সি একো নকৈ ইফালে সিফালে ঘুৰাঘুৰি কৰি থাকোতে এবাৰ ভনীযেকলৈ মনত পৰিল। তাইৰ ওপৰতো জগন্নাথে হাত দিলে নেকি? সি কেইবা-দিনো ভাৰি থকা কথাটোৰ সন্ধেদ উলিয়াবলৈ কপহীক মাতিলে। তাঁত শালৰ পৰা কপহী উঠি আহিল। নওলাৰ মুখেদি লীলাই গৰু এজাক

খেদি লৈ যোৱা দেখি লীলাক মাতিবলৈ ৰূপহীক ক'লে। লীলা আহিল। লীলাই ৰূপহীলৈ তেল, পাউদাৰ কাপোৰ কানি আদি বস্তুবোৰ জগন্নাথৰ হাতত দি নপঠিয়াই নিজেনো কিয় দি যাবহি নোৱাৰো বুলি লীলাক সুধিলে। জগন্নাথক সিহঁতৰ ঘৰলৈ অহা যোৱা কৰাৰ সুবিধা দিয়া মানে ৰূপহীক যে বেযাৰ ফালে ঠেলি দিয়া হৈছে সেই কথা কৈ লীলাক অকেবৰে ধমক দিলে।

খলিফাই বোলে, "চুৰ কৰিবলৈ ধৰিছ নেকি অ" ? লীলাই বোলে, 'তহঁতিনো কি কৈছ মই একোকে বুজাই নাই। মই জগন্নাথৰ হাতত তেল, পাউদাৰ একো দিয়া নাই। বোৱেকৰ গাত নোহোৱা হ'ল বাবে তাইলৈ ব্লাউজ এটা এদিন মই দিছিলো। তাৰ পাচত আৰু কিবা কিবি দিছে যদি সি নিজে কিনি দিছে আৰু কিবা দিছেহি যদি এই ভেলেঊজনীক ফুচুলাই নি কোনোবা দিনা সি বিক্ৰী কৰি দিবগৈ। বাটত "গৰুৱে ধান খালে ঐ" বুলি কোনোবাই চিঞৰা শুনি লীলা দৌৰি ওলাই গৈছিল। আকৌ ঘূৰি আহি ক'লেহি, সি হেনো জগন্নাথৰ ভযতহে ললিতাক অকলে এৰি থৈ নাহে। জগন্নাথৰ স্বভাৱ বেযা আৰু মোমাযেকেও লীলা আৰু ললিতাক ঘৰলৈ আহিবলৈ মানা কৰিছে কাৰণেই সিহঁত হাল আহিব পৰা নাই। তাতকৈ ডাঙৰ কথা আকবৰহঁতে ঘৰত কিবা মিটিং পতা বন্ধ কৰিবলৈ বুলি কৈ থাকোতে "গৰুৱে ধান খালে ঐ লীলা" বুলি বাটৰ পৰা কোনোবাই মতা শুনি এচাৰিডাল তুলি লৈ লীলা দৌৰি ওলাই গ'ল। লীলাৰ কথাবোৰ শুনি বংশী আকবৰৰ বিচনাৰ পৰা উঠি আহিল। ৰূপহীক বস্তুবোৰ দি তাইৰ পৰা কথা লৈ জগন্নাথে কংসক সকলো জনাই দিছেগৈ বুলি ৰূপহীক দাযী কৰি বংশীয়ে ভবিষ্যতলৈ কোনো কথা তাক নকবলৈ ৰূপহীক সাৱধান কৰি দিলে। ৰূপহীৰ লগত জগন্নাথৰ কিবা গোপন সম্পৰ্ক গঢ়ি উঠিছে নেকি ভাবি খণ্ডত আকবৰে ৰূপহীক খোলাখুলিকৈ সুধি দিলে। বংশীৰ

আগতে সেইদৰে কোৱাৰ কাৰণে ৰূপহীৰ খং আৰু লাজত কাণমূৰ ৰঙা হ'ল। তাই বোলে, "মই কিবা তাৰ লগত কথা পাতিছো নেকি তাতে যে তই মোক বেয়া ভাবিছ? বস্তুবোৰ লীলা বাইয়ে দি পঠিয়াইছে বুলি দিয়েহি। মই ঘূৰাই পঠিযাব পাৰো নেকি? আৰু মেল মিটিং পতাৰ কথা মোক সি কোনো দিন সোধাও নাই। মই একো কোৱাও নাই। তইঁতি মোক মিছা-মিছিকৈ নকবি।" কথাবোৰ কৈ কৈ ৰূপহীয়ে কান্দি কান্দি মাকৰ ওচৰলৈ গ'ল।

লেঙেৰী ওলাই আহিল। মনে মনে জগন্নাথৰ পৰা বস্তু লৈ ছোৱালী আগবঢাই দি ধন ঘটিব খুজিছে বুলি লেঙেৰীক খলিফাই ভালকৈয়ে গালি শপনি দিলে। লেঙেৰীয়েও ওভতি আৰুবৰ, খলিফা আৰু বংশীক উদ্দেশ্য কৰি ভালকৈ এজাউৰী শুনাই দিলে বোলে, "ইমানটো ভয়েই যদি পাকঘৰৰ ভিতৰত সোমাই ফুচফুচীয়া মেল পাতি বহি থাকিব নালাগে। মই সব কথা শুনি আছো। তাইক সদায় কৈও আছো বোলো মেল মিটিঙৰ কথা সেইটোক ক'লে নিজৰ ককায়েৰৰহে বিপদ হ'ব। তাই নোকোৱা কাৰণেই তইঁতি ইমান দিন মাৰ নোখোৱাকৈ সাৰিছ। আওমৰণেৰে মৰিবলৈ মূৰে ভৰি কাটিছহঁক। গদাধৰে গাঁৱত মাটি বিচাৰি অহা দেখিছ? ককাইদেউৰ বা ৰামধাৰীয়ে কাক কোনদিনা মাটি বন্ধকত দে বুলি খুজিছিলহি? হাতীৰ লাদ দেখি শহাই পোকৰ ফাটি মৰিবলৈ ওলালে তইঁতৰ হাডমূৰ গুৰি নহে কাৰ হ'ব? ককাইদেউৰ সেইবোৰ ব্ৰহ্মোত্তৰ মাটি। মধুসোধন গোঁসাইক খাটে পামে বজাই দিয়া মাটি হেৰ'। সেইবোৰ মাটি কাটি লবলৈ গৈছহঁক? মই সদায় কৈ আছো, তইঁতি মৰিবি, তইঁতি মৰিবি। পাবি এতিয়া মজাটো। ধান নিদিওঁ, মাটি নিদিওঁ বুলি আলচ কৰি মাষ্টৰে বোন্দা থেকেচা খাই তিনিদিনলৈ গাল উখহাই চকুপোত খুৱাই আছিল বুলি তইঁতিযেই কৈছিলিহি! বুঢা মানুহটোকে সেইদৰে খুন্দিছে। তইঁতক সুদাই

এৰিব বুলি ভাবিছ নেকি হঁা ? মাজতে মোৰহে কলং-জপং খন হৈছে। কাৰণ এফালে মোৰ নিজৰ ককাই আৰু মোৰ ককাইৰ বিপক্ষে মুখে তৰি কাটিছে মোৰ নিজৰ ল'ৰাই। মোক হেজাৰে অন্যায় কৰক, তথাপি নিজৰ ককাইটোৰ বিপক্ষে উঠিলে মই মুখেৰে নমতাকৈ থাকিব নোৱাৰোঁ।"

লেণ্ডেৰীয়ে যে কংসৰ বিপক্ষে কোৱা কথা সহ্যকৰিব নোৱাৰে বংশীয়ে আগতে বুজা নাছিল। লেণ্ডেৰীৰ ভাতৃস্নেহৰ ওপৰত মাধমাৰ সোধাই বংশীয়ে ক'লে "খুৰী, ককাযেৰে বিহ খুৱালে তুমি নমৰিবা নেকি ? ইমান অত্যাচাৰ কৰাৰ পাছতো তাক নিজৰ ককাই বুলি তুমি কেনেকৈয়ে ভাবি থাকিব পাৰিছা মই শুনি আচৰিত হৈছো। বিপদত যি মাত দিয়ে, যি সহায় কৰে, সি লাগিলে যি জাতৰে নহওঁক, তাকহে আপোন বুলি ভাবিব লাগিব। এতিয়া শত্রু-মিত্রৰ চিনাকীও তোমাক দিবলগীয়া হ'লনে ?"

আকবৰে বোলে, "মাইৰ কথাত লাগিলে তোৰ মূৰ গৰম হ'ব, বংশী। মনে মনে থাক। ৰজাই মাটি যাক দিছিল সেই বামুণ গোঁসাইৰ হাডত কেতিয়াবাই বন গজিলে। এতিয়া ৰজাও নাই, বিয়য়াও নাই। ভাত হয় মানে চাৰৰ ওচৰৰ পৰা আহোগৈ। যাব যদি ব'ল বংশী।" আকবৰে মনটো শান্ত কৰিবৰ কাৰণে অলপ সময় আঁতৰি থাকিবৰ মন কৰিহে মাষ্টৰৰ ঘৰলৈ যাবলৈ ওলাইছিল। খলিফাই বুজি পাই বোলে, "যাব যদি গদাধৰৰ ঘৰলৈ গৈ পইচা কেইটাকে বিচাৰি আনগৈ। মাষ্টৰৰ ঘৰৰ পৰা ঘূৰি আহি আৰু যোৱাৰ সময় নাথাকেগৈ।"

আকবৰে বোলে, "মূৰটো এনেয়ে গৰম হৈ আছে। এই দুপৰীয়া পইচা বিচাৰি মই গদাধৰৰ ওচৰলৈ গ'লে আৰু জুই জ্বলিব। ১৫০ টকাত সি এমাহৰ হাজিৰা কৰাই ল'ব খুজিছে। আগৰ বন্দবস্ত মতে পুখুৰীৰ পাৰ সমান কৰি দিলো। আৰু কাম নকৰো। বন্দবস্ত মতে মই পইচা উলিয়াই লম।"

লেঙেৰীয়ে বোলে, "উলিয়াই লবি ? কেতিয়া উলিয়াই লবি ?" ববাৰক লুডি এখন আনি দিবলৈ তোক কেইদিন কৈছো। এই মহাজ্জাৰ আহিছে। ভূটীয়া চুৰেটাৰ এটাকে ববাৰক আনি দেহি। তই ঘৰখনৰ কথা নাভাবি তাৰ পিছে পিছে মিটিং গাই ফুৰিলে ।" খলিফাই বোলে তই এতিয়া সেইখন বকলা মেলিব নালাগে। তাক ভাত দে। মোক এতিয়া চুৰেটাৰ কিনি দিব নালাগে। পাৰ যদি পইচা কেইটা গদাধৰৰ পৰা আনি জ্বাৰ নৌ পৰোতেই তইযে নীলামি কোট এটা লহি। তইঁতৰ লগত সি নিশকটিয়া হৈ ঘূৰি ফুৰিছে বংশী, মোৰ কিবা বেয়া লগা হৈছে বংশী। তাক কোট এটা তই কিনি আনি নিদিলে সি জ্বাৰতো এইদৰেই ফুৰিব।"

বংশীয়ে হাঁহি এটা মাৰি বোলে, "তাৰ গাত গৰম তেজ আছে দদাই, আৰু সি নিজে জ্বাৰত থাকিলেহে লোকৰ গাৰ জ্বাৰ অনুভৱ কৰিব পাৰিব। কোট চুৰেটাৰ পিন্ধি ফুৰিলে জ্বাৰত কপিথকাবোৰৰ কথা পাহৰি যাব।" লেঙেৰীয়ে বংশীক ভাত খাবলৈ মাতিলে। আৰুবো বংশীৰ সৈতে খোৱাৰ ঘৰলৈ সোমাই গ'ল।

খলিফাৰ ঘৰৰ পৰা ফুলেশ্বৰীয়ে কোবা-কোবিকৈ আহি ঘৰা সোমালেহি। মুৰত চিন্তাৰ ভাৰ এখন লৈ তাই ঘৰৰ ভিতৰত চতফটাই আছেহি। তাইৰ এটাই মাত্ৰ চিন্তা যে তাইৰ পেটত লুকুৱাব নোৱাৰাকৈ এটা বস্তু সোমালে। চাদি বিয়া নোহোৱাকৈ পেটত বাদচা হোৱাটো বৰ লাজৰ কথা। লাজ অপমান যিয়েই নহওক তাইৰ পেটত পোৱালী আছে বুলি গম পালে তাইক মংলা বুঢ়াই ঘৰৰ পৰা উলিয়াই দিব। তাই কলৈ যাব ? তাই অহাৰ পিচদিনাই মংলাই তাইক ৰামধাৰীৰ ঘৰত থৈ আহিম বুলি কৈছিল, তাই কিয় গুছি নগল ? এতিয়া ৰামধাৰীয়েও তাইক নাৰাখে। তেন্তে ? তাই এতিয়া কি কৰিব ? কাবোবাক উপায় বিচাৰিবলৈ যোৱা মানে কথাটো তাই নিজে উলিয়াই

দিয়া হ'ব। বংশীয়ে তাইক মৰম কৰে কিন্তু সি এইটো কথা জনাৰ পিচত তাইক কেতিয়াও ভাল চকুৰে নাচাব। বলোৰামে কি কৰে তাৰো থিক নাই। ফুলেশ্বৰীয়ে যি কোনো উপায়েৰে গৰ্ভৰ সন্তানটো উলিয়াই পেলাব। তাই ৰামধাৰীৰ সন্তানক জন্ম নিদিযে। তাই বিজুলী খঁাইৰ ওচৰলৈ যাব। সন্তানটো যদি বাহিৰ কৰি দিব পাৰে তাই জিয়াই থাকিব। অন্যথাই তাইৰ পেটৰ 'বাতচা' জনম দিয়াৰ আগতেই আত্ম-হত্যা কৰিব। তাইৰ এতিযা এটাই প্ৰধান চিন্তা—বিজুলী খঁাই ক'ত থাকে বিছাৰি উলিওৱা। খলিফাৰ ঘৰৰ পৰা অহাৰ পিচৰ পৰা সন্ধিয়ালৈকে তাইৰ চিন্তাৰ শিকলিডাল দীঘল হৈ গৈ আছে। বন্ধা খোটালীটোৰ বেৰখনৰ দ'াতিত মাটিতে শুই থাকিল। গৰ্ভৰ ভিতৰৰ আতঙ্কই ভোক পিয়াহ সোমাবলৈকো ঠাই নিদিলে। বলোৰামে তাইৰ বিষয়ে সকলো কথা মংলাক কৈ দিলে বুলি ফুলেশ্বৰীয়ে তেতিযাহে গম পালে যেতিয়া মদৰ নিচাত ক'ব নোৱাৰা হৈ মংলাই তাইক ঘৰৰ পৰা ওলাই যাবলৈ কৈ গালিত তাল ফাল কৰিলেহি। মংলাই হেপাহ পলুৱাই তাইক চৰ গোৰ যি পাৰে মাৰিলে।

ফুলেশ্বৰীয়ে কিন্তু মুখেৰে শব্দ এটাও নকৰাকৈ সকলো সহি গ'ল। তাইক টনা আজোৰা কৰিও ঘৰৰ বাহিৰ কৰিব নোৱাৰি মংলা ভাগৰি গ'ল। ক্ষন্তেক ঘৰৰ পিৰালিত এন্ধাৰে মুন্ধাৰে বহি থাকি জেপৰ জুইশলাৰে চোতালৰ আগৰ জাবৰ খিনিত জুই জ্বলাই দিলে। শুকান জাবৰৰ জুইয়ে মংলাৰ চোতাল ঘৰ পোহৰকৈ পেলালে। জুইৰ ওচৰত অলপ বহি মংলাৰ গাটো পুনৰ গৰম হৈ আহিল। সি ফুলেশ্বৰীক বাৰে বাৰে এটা কথাই প্ৰশ্ন কৰিছে, "তাইৰ পেটৰ বাতচাতো কাৰ।" তাই একো নকয়। খঙত মংলাই চিঞৰী চিঞৰী তাইক গালি পাৰিছে।

মংলা বুঢাৰ ঘৰলৈ মাষ্টৰক বংশী আৰু আকবৰে লৈ আহোঁতে মাষ্টৰে দেখিলেহি দুকুৰা জুই একুৰা চোতালত, আৰু আনকুৰা মংলাৰ মূৰত। মংলাই চুলি কোছাত ধৰি ফুলেশ্বৰীক ভিতৰৰ পৰা ছোচোৰাই

উলিয়াই আনিছে। ফুলেশ্বৰীয়ে কোনো প্ৰতিবাদ প্ৰতিৰোধ কৰা আনকি মুখেৰে মাত এটাও মতা নাই। বলোৰাম ঘৰত নাছিল। বংশীয়ে আগ-বাঢ়ি গৈ মংলাক হাতত ধৰি আঁতৰাই আনিলে। মংলা ক্ষান্ত নহৈ দুগুণে জ্বলি উঠিল। "চালা হাৰামি' হামি ফুলেশ্বৰীকে ৰামধাৰীঘৰে ৰাখি আহিম বুলি কৈছিলো। তই জোৰ জুলুম কৰি তাকে ৰাখি দিলি। তাইৰ বাতচা জনম হ'লে তই খুৱাব লাগিব। ফুলেশ্বৰীৰ জিম্মাহে ল'ব লাগিব। বলোৰামকেৰ কামানি কেতনা? হামি আপন পেটৰ খোৰাকি যোগাৰ কৰেক নাই পাৰিছো, তাৰ ওপৰতে আৰু একটা জনম হ'লে কোনে খুৱাব?" আকবৰ আগবাঢ়ি আহি মংলাক বুজনি দিবলৈ চেষ্টা কৰিলে। মংলাই কাৰো কথা নুশুনে। বলোৰামে আকবৰ বংশীৰ মাত শুনি শুই থকাৰ পৰা লেঙুৰিয়াই লেঙুৰিয়াই চোতাল পালেহি।

ফুলেশ্বৰী তেতিয়াও চোতালতে বহি আছে। বলোৰামে কোনো কথা নকলে, মাথো মাষ্টৰক বহিবলৈ চকিখন উলিয়াই দিলেহি।

মাষ্টৰে মাত লগালে "হেৰ' গৰু ছাগলীয়ে মাইকীক খোচা খুন্দিওৱা নকৰে। তেনেস্থলত মানুহ হৈ মতাই তিৰোতাক, মোমায়েকে ভাগিনীয়েকৰ ওপৰত এইদৰে কৰা অত্যাচাৰ পশুতকৈও অধম কাম হৈছে। মাষ্টৰৰ সংসাৰ ভাগি থান বান হোৱাৰ পাছতো নিজৰ তিৰোতাক কোনো অত্যাচাৰ নকৰাকৈ স্ব-ইচ্ছাই কাম কৰিবলৈ এৰি দিছিল। সেই কথা পৰ্য্যন্ত কোৱাৰ পিচতো মংলা ক্ষান্ত নহৈ ফুলেশ্বৰীক ৰামধাৰীৰ ঘৰত ঘূৰাই থৈ অহাৰ কথাতে লাগি থাকিল। চাৰি বছৰীয়া অৱস্থাতে ফুলেশ্বৰীক মংলাৰ ভনীয়েকে মংলাৰ হাতত দি মৰি থাকিল। তাৰ পিছত তাইক পিঠিত বান্ধি লৈ ভিক্ষা কৰি কৰি মংলাই দহ বছৰীয়া কৰিলে। পেট ভৰাই এমুঠি খাব, সুখত থাকিব। বুলি ৰামধাৰীৰ ঘৰত তাইক ৰাখিছিল। মা বহিন চিনি নোপোৱা জানোৱাৰটোৱে তাৰ নাতিনীৰ সমান ছোৱালীজনীৰ

লগত ল'ৰা ধেমালী কৰি পেটত বাটছা এটা দি ঘূৰাই পঠিয়াব কিয় ? বুলি মংলাই ৰামধাৰীক গালি পাৰিবলৈ আৰম্ভ কৰিলে।

ফুলেশ্বৰীৰ ওপৰত উঠা খণ্ডটো ৰামধাৰীৰ গালৈ বাগৰি যোৱাৰ সুবিধাতো গ্ৰহণ কৰি বংশীয়ে বোলে, "নানা, তই চিন্তা নকৰিবি। ৰামধাৰীক আমি এৰি নিদিওঁ। সি ফুলেশ্বৰীৰ ওপৰত যি অত্যাচাৰ কৰিলে তাৰ শাস্তি সি পাবই লাগিব। ফুলেশ্বৰীক তাৰ ঘৰলৈ ঘূৰাই পঠিযাব নালাগে। তাই ইয়াতেই থাকক। তাইৰ ভৰণ পোষণৰ দায়িত্ব ঘৰ-দুৱাৰ, মাটি বাৰী সকলো ৰামধাৰীয়ে দিব লাগিব।"

বলোৰামে অভিযোগৰ সুৰত আৰম্ভ কৰিলে, "মজদুৰ মানুহ নহযনেকি ? মজদুৰৰ তেজ আৰু ৰামধাৰীহঁতৰ তেজ একে নহয় নেকি ? মজদুৰৰ ছোৱালীৰ ওপৰত সকলোবে বিলাস কৰিবলৈ বিচাৰে কিয় ? মজদুৰক ঠাইসৰা জাবৰৰ দৰে সকলোৱে কিয় ভাবে ? মজদুৰৰ কাৰণে গাঁৱৰ ৰাইজে মুখেৰে নেমাতে, চৰকাৰে মুখেৰে নামাতে, কোনেও একো নকৰে। ঘৰে ঘৰে হালোৱা হাজিৰা কাম কৰিবলৈকে মজদুৰক ভগৱানে পৃথিৱীলৈ পঠিযাইছে নেকি ? দেখ বংশী, তহঁতি এইটো কথাত দাংধৰা অঞ্চলৰ সকলো মানুহকে গোটাই লৈ ৰামধাৰীক হেঁচা মাৰি ধৰিবি, তেতিয়া তহঁতি মজদুৰ ৰাইজৰ অন্তৰ পাবি। মুছলমান, খৃষ্টিয়ানৰ বিচাৰ নকৰি যদি মজদুৰৰ সমস্যাটোকে ৰাইজৰ সমস্যা বুলি মুঠ বান্ধি খাৰা হবি, মজদুৰ ৰাইজে গাঁৱৰ ৰাইজৰ লগত মৰিবলৈ আগবাঢি যাব। সঁচা কথা ক'লে আপোনালোকে মোক বেয়া নেপাব চাৰ। মজদুৰক আপোনালোকে নতুন অসমীয়া বুলি যিমানেই মুখেৰে নকওঁক, কাৰ্য্যৰে কিন্তু মজদুৰ বিলাকৰ কাৰণে আপোনালোকে একোকে নকৰে। মজদুৰক নামঘৰলৈ সোমাবলৈকে আজি পৰ্য্যন্ত কোনো গাঁৱৰ মানুহে দিয়া নাই। মজদুৰ মানুহক সকলোৱে অৱহেলা কৰি থকাৰ কাৰণেই মোৰ ভনীজনীক ৰামধাৰীয়ে এই অৱস্থা কৰিবলৈ সাহস পাইছে। মই

বংশীহঁতৰ লগত সংগ্ৰাম কৰিবলৈ আগবাঢ়ি গৈছো কিন্তু কেতিয়াবা আমি যদি মাটি গিৰিয়াবোৰৰ হাতৰ মাটি কাঢ়ি ল'ব পাৰো তেতিয়া দেখিব চাৰ, মোক হয়তো এপুৰা মাটি সিহঁতি দিব। কিন্তু বাকী মজদুৰে মাটি নাপায়।"

বলোৰামৰ ঘৰৰ চোতালত বলোৰামে মাষ্টৰ বংশীহঁতক কলিজা সৰকি যোৱাকৈ বাক্য বাণেৰে থকা সৰকা কৰি দিলে। বলোৰামৰ কথাৰ উত্তৰ দিবলৈ বা প্ৰতিবাদ কৰিবলৈ কাৰো মুখৰ পৰা কথা নোলাল। বলোৰামে গোটেই মজদুৰৰ অন্তৰৰ সামগ্ৰীক ক্ষোভ প্ৰকাশ কৰিছে। মাষ্টৰে মাত মাতিলে, "নিজক নিজে অৱহেলা কৰি জহন্নামে যোৱা কৃষক গাঁৱলীয়া ৰাইজে অন্যৰ কাৰণেনো ভাবিব কেনেকৈ? তদুপৰি ধৰ্মৰ দোহাই দি জাতি ভেদৰ বাছ বিচাৰ কৰি ভাইয়ে ভাইয়ে কন্দল কৰি বোকাত লুতুৰি পুতুৰি কৰি ৰাখিবলৈ ৰাজনীতিৰ ষড়যন্ত্ৰই দিনে নিশাই হোজা গাঁৱলীয়া ৰাইজৰ ওপৰতেই সকলো শক্তি প্ৰয়োগ কৰি আছে। স্থানীয় মানুহে মজদুৰক অৱহেলা কৰাৰ প্ৰশ্ন দূৰতে থাকক, বলোৰাম। লাচিত, মূলা, কনকলতাৰ নামত উৎসৱ পাতি গুণ'গান দিয়া অসমীয়া ডেকা গাভৰুৱে আজি বন্দুকৰ এটা শব্দ শুনিলে বুকুত ধপ্‌ধপনি উঠে। জাতীয় চেতনা দেশাত্মবোধ চিনি নোপোৱা সেইবোৰ ডেকা গাভৰুৱে অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াৰ কথা চিন্তা কেনেকৈ কৰিব।"

মংলা বুঢ়াই ইমান সময়ে কথাবোৰ নিতাল মাৰি ভালকৈ নুবুজিলেও শুনি আছিল। হঠাৎ সি মাষ্টৰক বোলে, "তোৰ লম্বা লম্বা কথা হাম্‌ৰাকে পেট নাই ভৰাই ৰে মাষ্টৰ। ঐ ৰকম বহুত বাত শুন্‌লি। বহুত আলেক, বহুত গেলেক, বহুত ভোট দিলি। লেকিন সব দিন হামদেৰ একেই অৱস্থা, একেই দুখ। ঐ সব ফুচুলনী বাত হামকে দৰকাৰ নাই। যদি হামাৰ দুখেৰ সময় কিছু কৰিবি হ'লে

চুকৰীতাকে ৰামধাৰী ঘৰে পোহঁছাই দে। হামি একটা পেট পুৰা কৰিব নাই পাৰিছো। ছালি হাৰাম জাদি চুকৰীটা হামাৰ ঘেঁছাই লটক্ যাইহে। আৰ থোৰা দিন পাছে আৰ একটা বঢাই দেইতো হামি কেইছে খিয়াব?” মংলাই ৰামধাৰীৰ চৈধ্য গোষ্ঠীত ধৰি আকৌ গালি শপনি আৰম্ভ কৰিলে।

মাষ্টৰে পুনৰ মংলাক বুজালে। “ফুলেশ্বৰীক ৰামধাৰীৰ ঘৰত থৈ আহিলে সি তাইৰ গৰ্ভৰ সন্তানটো নষ্ট কৰি বিপদৰ পৰা হাত সাৰিব। তাই মংলাৰ লগতে থাকক। তাইৰ গৰ্ভৰ জাৰজ সন্তানটো বিপ্লৱৰ বীজ। সেই সন্তানেই ৰামধাৰীহঁতৰ বংশ ধ্বংস কৰিব। তাৰ কাৰণে সকলো খাতি খোৱা মানুহ, সি লাগে মজদুৰেই হওঁক বা গোঁসাই মহন্তই হওঁক, মুঠ বান্ধি সকলোৱে হুংকাৰ কৰিলেহে সিহঁতৰ বুকু কঁপিব।” সেই পৰ্য্যন্ত সংগঠনৰ নামত বংশীহঁতে যে একো কৰিব পৰা নাই তাৰ বাবে আক্ষেপ কৰি মাষ্টৰে বংশীহঁতক উদ্দেশ্য কৰি ভালেখিনি ভৎৰ্সনা কৰি আকবৰহঁতক এৰি গুচি গ'ল। মাষ্টৰ যোৱাৰ পিচত মংলা ভিতৰ সোমাল। বংশীহঁতৰ কাৰণেই মাষ্টৰে বুঢা বয়সত যে মাৰকিল খাই লাঞ্ছিত হৈছে আৰু তাৰ বিপৰীতে সিহঁতি যে কোনো সিদ্ধান্তলৈকে আহিব পৰা নাই সেই লৈ যথেষ্ট কথাৰ কটাকটি সিহঁত তিনিওটাৰ মাজত হ'ল।

সিহঁতি শেষত এটা সিদ্ধান্ত কৰিলে। ফুলেশ্বৰীৰ সন্তান জন্ম নোহোৱা পৰ্য্যন্ত সিহঁতি কথাটো গোপনে ৰাখিব, আৰু তলে তলে মজদুৰ গাঁৱৰ ৰাইজক ৰামধাৰীৰ বিৰুদ্ধে সষ্টম কৰি এটা সময়ত তাক দলে বলে হৈঁচা মাৰি ধৰিবগৈ। ফুলেশ্বৰীৰ কেলেংকাৰীটোকে কেন্দ্ৰ কৰি সিহঁতি বিদ্ৰোহ আৰম্ভ কৰিম বুলি দৃঢ়ভাৱে প্ৰতিজ্ঞা কৰিলে। বকুল আহি ওলালেহি। বকুলে কথাবোৰ গম পোৱা নাছিল। বলোৱামে প্ৰথমে বংশীকে সন্দেহ কৰিছিল বুলি খোলাখুলিকৈ কৈ বংশীক আটাইৰে

আগতে মাফ খুজিলে। বকুলে কথাবোৰ শুনি গুজৰি গুমৰি থাকি শেষত বাচি বাচি জাপিসজিয়াৰ পৰা জালুকনিলৈকে যিখিনি ৰাইজক গোট খুৱাব তাৰ তালিকা এখন কৰি বংশীহঁতক শুনালে। সেইদিনাই ফুলেশ্বৰীৰ কথাটো ৰাইজৰ আগত বিচাৰৰ বাবে বকুলে দিয়াৰ কথা কৈছিলে। বংশীয়ে পুনৰ বকুলকো সন্থহতে কথাটো গোপনে ৰখাৰ কাৰণে সাৱধান কৰি দিলে। বংশী বলোৰামহঁতৰ ঘৰৰ পৰা আতৰি গ'লে মূল শত্রুৱে যে সুবিধা পাব আৰু আনকি ফুলেশ্বৰীক কিবা প্ৰকাৰে হাত কৰি বংশীৰ কথা ক'বলৈ তাইক ফুচুলাবও পাৰে ইত্যাদি কাৰণতে মংলাৰ ঘৰতে তাক থাকিবলৈ মাষ্টৰে কোৱা কথাবোৰ বকুল-আকবৰহঁতক বংশীয়ে ক'লে।

ফুলেশ্বৰীয়ে বংশীহঁতৰ আলোচনাবোৰ শুনি অলপ শান্তনা লভিলে। তাইক বংশীহঁতে এৰি নিদিয়ে। তথাপি তাই লাজতে মুৰ নদঙাকৈ বহি আছিল। বংশীহতে কথা পাতি থাকোতেই এটা সময়ত তাই ঘৰৰ মুধৰ এন্ধাৰৰ মাজলৈ উঠি গ'ল।

ফুলেশ্বৰী চোতালত বহি থকাৰ পৰা কেতিয়া ভিতৰলৈ উঠি গৈছিল কোনেও নেদেখিলে। তাইক সান্তনা দিবৰ কাৰণে বকুলহঁত ঘৰৰ ভিতৰলৈ সোমাল। বলোৰাম চোতালৰ জুইৰ ওচৰতে বহি থাকিল।

॥ ছয় ॥

কাতি নেউলীৰ গাত কুৰঁলা পৰিল। নতুন ধানৰ গোন্ধে-গৰু-ছাগলীক বলিয়া কৰিছে। হোলাৰ দাঁতিৰ বাম ডোখৰত আকবৰৰ নেউলী ধান পকিছে। জেওৰাৰ ফাকেদি মূৰ সুমুৱাই গৰুৱে ধান খায়, জাকে জাকে টুনী চৰাই ধানত পৰিছেহি। খৰখনৰ কোনোবা এটা অহৰ্নিশে ধান ৰখীয়া হৈ থাকিব লগীয়া হৈছে। কৰিমে গাত লাগি ধান নৰখে। তাৰ গাত কথা লগা নাই। ৰ'দটো ভালকৈ ওলোৱাৰ পিচতহে খলিফা ধাননিৰ ফাললৈ আহে। তাৰ আগলৈকে লেঙেৰীয়ে বাৰীত শাক-পাছলিত গোৱৰ দিয়া, হাবি-বন গুছোৱা আদি কামবোৰ কৰি কৰি ধানত চকু দিয়ে। সেইদিনা বেলি উঠাৰ পিচত গোহালীৰ গোবৰখিনি বাৰীলৈ নি নাদত গা-ধুই হাতত কচুশাক এমুঠি লৈ তিতা গাৰে আহি খলিফাক ধাননিলৈ যাবলৈ ক'লেহি। ৰূপহীয়ে ঘৰ চোতাল সাৰি-পুচি থৈছে। তিতা কাপোৰ সলাই মূৰৰ তিতা চুলিখিনিত গামোচা এখন বান্ধি তামোলৰ বটাটো গোটাই লৈ লেঙেৰী বহিলহি।

খলিফা জুইকুৰাৰ ওচৰৰ পৰা উঠাই নাই। এবাৰ দুবাৰত খলিফাৰ গা নলৰে। মানুহটো দগধা হোৱাদি হ'ল। গোহালীত গৰুজনীয়ে হেম্বেলীয়াই আছে। হালোৱা গৰুটোও বান্ধতে আছে। গৰু এৰাল দিবলৈ লেঙেৰীয়ে পাহৰি আছিল। ধাননি দাঁতিৰ ঘাহ-বন একোছা আজুৰি গৰু কেইটাৰ আগত দি আহিছিল যদিও সেইয়া ছাগে শেষ হ'ল। ৰাতিৰ পৰা খলিফাৰ পেটৰ বিষটো উঠিছে। সেই কাৰণে ধান ৰাখিবলৈ বাৰীলৈ যাবলৈ খলিফাক ক'বৰ মনো যোৱা নাই। তথাপি উপায় নাপাই মাত দিলে—মানুহটোৱে জুইকুৰাকে হেঁচামাৰি ধৰি নাথাকি খোজ দুটামান চলালেহে পেটৰ নাড়ী-ভুকবোৰ মুকলি হ'ব। গাটোও ৰ'দ এচেৰেঙা লাগক, ধাননিৰ ওচৰতে বহাগৈচোন। কৰিমে হ'বলা নোখোৱা নোবোৱাকৈ স্কুললৈ ল'ৰ মাৰিলে? খলিফাই ধান

ৰখাৰ কথা একো নকলে। কৰিমৰ কথালৈহে উত্তৰ দিলে। "খালী পেটেৰে স্কুল পঢ়িবলৈ যোৱা ল'ৰা আমাৰ ঘৰত ওলোৱাহেঁতেন একালত সুখৰ মুখেকে দেখিলাহেঁতেন। সেইটোৱে দৰুৱা ভীমকল এটা খাই বাল্টি-লাহনী লৈ কেঁহোৰ ঘৰৰ আগৰ খাল সিচিবলৈ গৈছে।" "ভাত খাবলৈ চাউল নাই, সুদা মাছকে খাম বুলি ভাবিছা নেকি? আকবৰ কেতিয়া আহিব, কেতিয়া চাউল আনিবগৈ, ভাত কেতিয়া ৰান্ধিম? মোলোকৰ দোকানৰ পৰা চাউল অলপ বাকীকৈ আনি দিয়াহি" বুলি লেঙেৰীয়ে কৰিমক ৰাউচি জুৰি চিঞৰিলেগৈ। চূণৰ টেমীৰ পৰা চূণ অকন মুখত লৈ কচুশাক মুঠিৰ ছোচ গুচাবলৈ বহিল।

অলপ সময়ৰ পাচতে হাতত লাহনি লৈ বাল্টিত চেঙেলী, খলিহনা মাছ এসোপাৰে সৈতে কৰিমে হাঁহি হাঁহি মাকৰ ওচৰ পাই কলেহি, "অ' মাই চা, আজি এগাল পালো" ল'ৰাই ধাননিত থকা হ'লেও কথা নাছিল। মাছ সিচি স্কুল খতি কৰাৰ কাৰণে লেঙেৰীৰ খং উঠি আহিল। তাতে খিচখিচিয়া মাছবোৰ লৈ বোকাৰে লুতুৰি পুতুৰি হৈ কৰিম অহা দেখি লেঙেৰীৰ ভমক আৰু চৰিল। হাতৰ কচুশাক পেলাই থৈ কৰিমৰ ডিঙিত ধৰি বাল্টিৰ পৰা মাছ এমুঠি লৈ কৰিমৰ মুখত গুজি গুজি সুমুৰাই দি বোলে—তোক মৰ খকে ধৰিছে যদি কেঁচা মাছকে খা। কৰিমৰ মুখৰ হাঁহি মাৰ গ'ল। সি কান্দিবলৈ ধৰিলে। লেঙেৰীয়ে মাৰ-কিল কৰে বুলি কৰিম খলিফাৰ ওচৰলৈ গৈ বিননি আৰম্ভ কৰি দিলেগৈ। "তই যে খালে খালে মাছ সিচিবলৈ গলি, স্কুললৈ কিয নগলি? ধাননিত জাক জাক তুনীয়ে ধান খাইছে ধান ৰাখিবগৈ নোৱাৰ? গোহালীত এই বেলি দুপৰলৈকে গৰুজনী বান্ধি থৈছ।"

লেঙেৰীৰ কথা বন্ধ নৌহওঁতেই কৰিমে বোলে – মোৰ কিবা পেট কামোৰা নাই নেকি? "স্কুললৈ যাবৰ সময়ত তোৰ পেট কামোৰণি-

টোৰে হেঁচা মাৰি ধৰিবহি আৰু মাছ সিচিবলৈ গ'লে খালৰ জখিনীয়ে তোৰ পেট কামোৰণিটো জাৰি পঠিয়াব ? ভালে ভালে গৰু কেইটা এৰাল দি আহগৈ, নহ'লে এজাউৰী ভাগৈকে দিম এতিয়া।"

কৰিমৰ কান্দোন বন্ধ হ'ল যদিও সি ওফোন্দ পাতি বৈ আছিল। লেঙেৰীয়ে কেইবাবাৰো কোৱাতো কৰিমে লৰচৰ নকৰা দেখি লেঙেৰীয়ে কৰিমক মাৰিবলৈকে চোঁচা মাৰি গ'ল। খলিকাই মাজতে সোমাইহে কৰিমক মাৰ নোখোৱাকৈ ৰাখিলে। সুবিধা পাই কৰিমেও মাত দিলে— "গৰু বান্ধিব লাগে কৰিমে, হাঁহ-কুকুৰা বান্ধিব লাগে কৰিমে, পিছে গাখীৰ খীৰাই গনেশ মহৰীৰ ঘৰত দি থৈ আহিবলৈ কেলেই পঠিয়াৱ ? কুকুৰা-হাঁহে কণী পাৰিব, কোনো শুই নৌ উঠোতেই তই নি লুকুৱাই থৈ দি ককাইৰ হাতত বজাৰলৈ নিবলৈ দি পঠিযাবি। মোক কণী গাখীৰ খাবলৈ নিদিয কেলেই ? বাবাজান বেমাৰী মানুহটোৰে খাবলৈ গাখীৰ অকণ নোখোৱাকৈ গোটেইখিনি বেছি দিয়গৈ কেলেই ?" লেঙেৰীয়ে বোলে— ভেট গুটিটোৰ কথা শুনা। তহঁতি এনে কণী, গাখীৰ খোৱা কপালবোৰ লৈ আহিছ, তাকে মই তহঁতৰ মুখৰ পৰা কাটি নি লুকুৱাই থওঁগে। সেইবোৰকে নেবেছিলে তহঁতৰ বৰ পেটবোৰ ভৰাবলৈ চাউল গাল আহে ক'ৰ পৰা ?

মাযেকৰ বকনিত আকবৰ ৰব নোৱাৰি কোঠাৰ পৰা ওলাই আহি বোলে— মাই, দিনটোৰ ভিতৰত এখন্তেক সময় তোৰ মুখখন বন্ধ কৰিব নোৱাৰনে ? তোৰ চিঞৰত কথা এষাৰ পাতিব নোৱাৰা হ'লো। আকবৰে কোঠাৰ ভিতৰত কথা পাতি আছে বুলি লেঙেৰীয়ে আগতে জনা হলে আকবৰকো এজাউৰী দিলোহেঁতেন। তাতে চিঞৰ বাথৰ কৰিছ বুলি কোৱাৰ লগে লগে লেঙেৰীৰ খং আৰু বেছি হ'ল।

"তই হবলা ৰোহঘৰৰ ভিতৰত সোমাই মন্ত্ৰণা কৰিয়ে আছ ? তাকে মই চিঞৰ বাথৰ কৰি বাধা কৰিছো ? ৰাতি চাকিয়ে চাকিয়ে

তেল পুৰি মন্ত্ৰণা কৰিছ ? এই দিনদুপৰতো য'ৰে বন ত'তে এৰি দেশ জয় কৰাৰ মন্ত্ৰণা কৰি থাক। কেলেই, দুপৰীয়া ভাত নাখাৱ নেকি ?”

বংশীয়ে কোঠাৰ পৰা ওলাই আহি বোলে— খুৰী ভাত হলেইনে ? “ভাত হলেইনে সুধিছ ? এইখিনি পৰলৈ তাৰ গাকে লৰা নাই। চৰুলৈ জুই নিও কেতিয়া ? দোকানৰ পৰা চাউল আনে কেতিয়া ? চাছোন বংশী, কালি দুপৰৰ ভাতেৰে এইখিনি পৰলৈ ঘৰ ঘৰোৱাহে লঘোণে আছো। আমি সহি সামৰি আছো। সেই বেমাৰী মানুহটো খালী পেটেৰে থাকি পেটৰ বিষত মৰিছে। বাপেকটোলৈ তাৰ অকণমানো বেয়া লাগিব নেপায়নে ? তই কছোন, নিজৰ ঘৰখনৰ কথা ভাবিব নজনা এই অজগৰটোৱে আকৌ ৰাইজৰ কাম কৰিবলৈ মিটিং কৰে !”

আকবৰে মুখেৰে একো নকৈ ছুৰমুৰকৈ ভৰালৰ আগৰ চালিৰ পৰা ভীমকল থোকা লৈ দোকানত দি চাউল আনিবলৈ গ'ল। বংশীও আকবৰৰ লগতে ওলাই গ'ল। কৰিমক খলিফাই গৰু এৰাল দিবলৈ ফুচুলাই পঠিয়ালে। বাল্‌টিৰ পৰা চেঙেলী মাছবোৰ ওলাই জপিয়াই ফুৰিছে। দুটামানে জুইৰ মাজত সোমাই ধৰফৰাইছে। নিজে গৈ মাছ জুঁইত সোমোৱাৰ কাৰণে অৱশ্যে খলিফাই পেটে পেটে ভালেই পাইছে। ভাত হোৱালৈ পোৰা মাছেৰে পেটৰ কামোৰণীটো অন্ততঃ শাম কাটিব। লেওৰীৰ খণ্ডটোৱেও চেঙেলী মাছ জপিওৱাদি জপিয়াই বংশীৰ গালৈ বাগৰিলে। আকবৰক বংশীয়েই নষ্ট কৰিলে বুলি বকিলে। তাৰ পিছত মাছ কেইটা সামৰিবলৈ ৰূপহী নহা দেখি ৰূপহীৰ গালৈ খংটো বাগৰি গ'ল।

প্ৰমীলাই সূতা লেটিয়াইছে। তাই সূতা লবলৈ মাতিলে বুলি বাতিপুৱাই যোৱা ছোৱালীজনীয়ে ঘৰ-দুৱাৰ এৰি প্ৰমীলাৰ ঘৰত

লেকেটা লাগি কেনেই আছেগৈ ? মুখ খুলি খলিফাক কলে—ছোৱালীয়েও ঘৰ-দুৱাৰৰ কথা নভবা হ'ল। বলোৰামে নিও বুলিছে, ছোৱালী দি দিয়া, উঠন ছোৱালী। বয়স বৈ নাথাকে। সেইবোৰ জাত-পাতৰ কথা ভুলিয়াবা। নিজৰে জাত-পাতৰ ঠিকনা নাই। বলোৰামক ছোৱালী লৈ যাবলৈ কৈ দিবা।" লেঙেৰীৰ খং উঠিলে খলিফাই মুখেৰে একোকে নামাতে। আনকি লেঙেৰীৰ বকনিশৈ আকৰবেও ভয় কৰে।

লেঙেৰীৰ মনেৰে ৰূপহীক বলোৰামলৈ দিয়ে। বলোৰামে নিও বুলি কোৱাৰ পাচত হেনো এদিন বংশীয়েও ৰূপহীক ময়েই বিয়া কৰাম বুলি আকবৰক কৈছিল। বলোৰামৰ লগত কথা চলি আছে বুলি গম পাইহে হেনো বংশী পিছ হুহকি গ'ল। সেই কাৰণেই খলিফাই পেটে পেটে বংশালৈহে ৰূপহীক দিয়াৰ কথাটো ভাবি আছিল। মনৰ কথা খুলি নকৈ খলিফাই বোলে—"ছোৱালী জনী য'তে ত'তে গোজা মাৰি দিবলৈ তোৰ দেখোন ৰক্ষাই নাইকিয়া হ'ল। তাই ঘৰত থকাৰ কাৰণে তোৰ গাৰ পোৰণি উঠিছে নেকি ? তাই নিজে ঢুপইচা উলিয়াই আছে।"

লেঙেৰীযে গোজোৰা মাৰি কলে—"তোৰ লাজ লাগিব লাগিছিল তাইৰ কামানি খোৱাৰ কথা কবলৈ। যিটো সুখত জীয়েৰক ৰাখিছ, তাতকৈ এঘৰলৈ ওলাই গ'লে বেছি নহলেও তাই পেটতো ভৰাই দুবেলা খাবলৈ পাব আৰু এটা পেট কমিলেও ল'ৰাটোৱে তৎ পায়। সংসাৰৰ কানিৰে পৰা বিড়ি জু'ইশলা, দৰৱ-জাতিলৈ তোমাৰ পিচত কিমান টকা পইচা সি খৰচ কৰিব লাগে সেইটো খবৰ তোমাৰ আছে জানো ?"

লেঙেৰীয়ে ঘৰৰ খৰচৰ টনাটনিৰ কথাৰে বকিবলৈ আৰম্ভ কৰোতেই ললিতা, লীলাই হাতত কাঁচি এজোতা লৈ ওলালেহি। লগতে জগন্নাথো। লীলাক নেউলী ধান দাবলৈ কংসই দাৱনীৰে সৈতে পঠিয়াইছে বুলি কোৱাৰ লগে লগে লেঙেৰী আৰু খলিফাৰ চকু থৰ হ'ল। ধান ভালকৈ পকাই নাই, আৰু ধান বোৱা মানুহে 'ধান দাম' বুলি মাটিৰ

মালিকক খবৰ দিয়াৰ পিচতহে ধান কটা আৰম্ভ কৰে। ধান দাই মালিকৰ ভঁৰালত ভৰাই থৈ অহালৈকে মাটি ৰোৱা মানুহৰ দায়িত্ব। তেনেস্থলত মালিকে আধি ধান কাটিবলৈ দাৱনী পঠিয়াইছে। হঠাৎ নতুন এই নিয়মটো ক'ৰ পৰা ওলাল ? আধি আইনখন বদলি হ'ল নেকি জগন্নাথ ?"

খলিফাৰ প্ৰশ্নৰ উত্তৰত জগন্নাথে হাহিঁ এটা মাৰি বোলে "আইন কানুন বদলি হোৱা নাই, বদলি হৈছে চাবৰ মনটোহে। আপোনালোকে নীলিমাৰ বিয়াৰ কথা গম পোৱা নাই জানো ? তালৈকে চাবে বোলে-একেজনী ছোৱালী তাইৰ বিয়াত ৰাইজক থমা দৈ, নতুন ধানৰ চিৰাৰে জলপান খুৱাও। সেই কাৰণে বোলে দাৱনী লৈ গৈ নিজে ধান দাই ভাগ জোখ কৰি লৈ আহগৈ।"

লেডেৰীয়ে বোলে—"বিযাত নতুন ধানৰ চিৰা খুৱাৰ বুলি কেচা-ধানবোৰকে কাটি নিবলৈ আহিছানে ? বিযাখনকে দুদিনমান পিচলৈ নিবলৈ কোৱাগৈ।"

জগন্নাথে লেডেৰীৰ কথাটো হাঁহি মাৰি উৰাই দিলে। "বাৰু কথাবোৰ কৈছে। চিৰাখিনিৰ কাৰণে ইমান ডাঙৰ আযোজনটো পিছলৈ নিব পাৰেণে ? আপোনালোকৰ সুবিধাহে হৈছে। ধান দোৱাৰ, কঢিওৱাৰ, কষ্টখিনি নকৰাকৈয়ে হ'ব। লোকচান হলে চাবৰহে লোকচান হ'ব। আপোনালোকৰ ধান পিছত কাটিব। দাং মাৰি তেখেতৰ ভাগটো আমি কাটি লৈ যাওঁ। আপোনালোক আগত থাকিলেই হ'ব। লীলাইঁতে মাপ জোখ কৰিব।" খলিফাই কংসৰ ষড়যন্ত্ৰটো বুজি পালে। আকবৰহঁতে আধি মাটিৰ ধান নিদিও বু'লি মিটিং কৰি ফুৰা কথাটো মষিমুৰ কৰিবলৈ এইটো সুবিধাহে উলিযাইছে।

ৰূপহী আহি কথাবোৰ শুনি ৰৈ আছিল। তাই বোলে —মোমাইৰ জীয়েকৰ বিযাই হওঁক বা ৰজাৰ জীযেকৰ বিয়াই হওঁক, দেশৰ নিযম দস্তুৰ মতেহে ধান দাম। আমি মাটি ৰোৱা মানুহে ধানত কাঁচি লগোৱাই

নাই, ধান দাবলৈ মানুহ পঠিয়াই দিছে। আচল খেতি কৰা মানুহটোক নোকোৱাকৈ ধান দাবলৈ নিদিব ববাজান।”

ললিতাই বোলে — “তুমিনো মুখেৰে মাতিছা কেলেই? ডাঙৰ ককাইহে ককাই নেকি, এইজন তোমাৰ ককায়েৰ নহয় নেকি? ডাঙৰ মানুহ জনহে ঘৰৰ মানুহ। ছয়মাহ ঘৰৰ পৰা আঁতৰি থকাৰ কাৰণে আমাৰ জন ক'ৰোবাৰ কোনোবা হৈ গ'ল?” লীলাই বোলে — আঁহ ফালি ফালি তই আমাৰ কথাত একো নামাতিবি দেই, ৰূপহী। মই ঘৰৰ মানুহটোৰে মাটি জুখি লম। কেকাযে তাৰ ওপৰত কি মাত মাতিব পাৰে?”

লেডেৰীয়ে বোলে— সজে সজে তই এতিয়া যাগৈ। আকবৰ আহক। যদি ধান দাগৈ বুলি কয়, তইঁতক খবৰ দিম।' লীলাই বোলে— ‘তইঁতেহে আঁহফলা কথা উলিয়াইছ দেই মাই। মাটি মোমাইৰহে। আধি খালেও তাত দুযোটা ককাই ভাইৰ সমান এক্তিয়াৰ আছে। যোৱা বছৰলৈকে সেই মাটিত মই নিজে হাল বাই খেতি কৰিছিলো। সেই মাটিত দুইটাৰে এক্তিযাৰ আছে বুলি তইঁতি নাজাননেকি? আমাৰ ভাগটো নিজে জোখ কৰি লম ব'লা।' ললিতা, লীলাৰ কথা শুনি খলিফা অবাক হ'ল। মাটি ভাগ কৰাৰ কথা কৈছে। ‘ৰজাৰ ধনত ভূত গিৰিইঁত, কলিজা সৰকি যোৱা কথা। খলিফাৰ খঙে মূৰৰ চুলি পালেগৈ। ছমাহৰ আগতে ঘৰলৈ অনা লোকৰ ঘৰৰ ছোৱালী এজনীৰ মুখত ইমান বৰ কথা' তাইৰ ইমান সাহ। কিবা এটা খলিফাই কব খোজোতেই লেডেৰীয়ে বোলে— আবৈতকৈ উথুৱাৰ কোবহে একাছি চৰা হ'ল। তই তেন্তে মাটিৰ ভাগ কৰিবলৈহে আহিছ? তই মোৰ মাটিৰ ওচৰলৈকে নাযাবি। ভালে ভালে এতিযাই মোৰ ঘৰৰ পৰা ওলা, বেটি ঘৰভাঙি' ছয় বিঘাৰ বুকুৰে তিনি বিঘাৰ ভাগটো লবলৈ তই যে ধপলিযাই আহিছ, মাৰৰ ঘৰৰ পৰা কেইপুৰা মাটি দিছিলে? ছমাহ নৌ-হওঁতেই তাক বুদ্ধি শিকাই শিকাই ফালি লৈ গৈও তই শান্তি পোৱা নাই। বেটি হাৰামজাদি।

মায়েকৰ মুখতে লীলাই মুখ পাতি ধৰিলে। 'মাই, তাইক তই গালি নাপাবিবি। তাই মোমাইক মাটি এডোখৰৰ কথা কৈছিলে। মোমায়ে এই ছয় বিঘাৰে তিনি বিঘা ভাগ কৰি লবলৈ কৈছে আৰু এই বছৰৰ পৰাই তাত আহু কৰিবলৈ কৈছে।'

খলিফাই গোজ গোজাই উঠি বোলে— মাটি ভাগ কৰাৰ কথা আকবৰে নৌ-শুনোতেই ভালে ভালে তহঁতি ইয়াৰ পৰা ওলাই যা। ললিতাই বোলে— 'আপুনি ওলাই যা বুলি ক'লেই ওলাই যাম নেকি? মোক আনি স্থমুৱাইছিলে যেনেকৈ সেইদৰে মাটিৰ ভাগো দিব লাগিব। নিজৰ ৰবীয়াকৈ আমাকো মাটি এডোখৰ লাগে। মোমাইৰ মন ভাল লাগি আছে, তিনিবিঘা একেবাৰে লৈ ল বুলি কৈছে। দিওঁতেই নললে পিচত কি কৰে ঠিকনা নাই।' ৰূপহীয়েও মুখপাতি ধৰিলে। এফালে মাক জীয়েক আনফালে ললিতাই তৰ্কাতৰ্কি আৰম্ভ কৰিলে। এটা সময়ত ধান দাওঁগৈ বুলি লীলাই ললিতাক হাতত ধৰি টানি লৈ গ'ল।

জগন্নাথে বোলে— 'আমাৰ উপায় নাই। সাত, আঠোটা মানুহ লৈ আহিছো। ধান কাটি লৈ যাবলৈ হুকুম দিছে। ধান কাটি নিনিলে আমাকো চাৰে সুদাই নেৰিব। বেযা নাপাবা দেই,' বুলি জগন্নাথো বাৰীৰ পিছফালে গ'লগৈ। খলিফাই মুখমেলি থাকিল।

ৰূপহীয়ে বোলে— মাই, মুখৰ ভাত কাটি নিব আৰু উঠিব নোৱাৰা বেমাৰীৰ দৰে চাই থাকিবি নেকি? বাহঁৰ পৰা পোৱালী উলিযাই লৈ যোৱা চৰাইৰ দৰে অসহায় ভাৱে খলিফা আৰু লেঙেৰীযে ছটফটাবলৈ ধৰিলে। 'কি কৰা হয়নে? বহি থাকিলে নহব। আকবৰ দোকানৰ পৰা আহি সেইজাকে ধান দোৱা দেখিলে আজি এটাৰ মূৰ যাব'

খলিফাই বোলে— মই বাৰু সেইখনৰ মাজত সোমাই কি কৰিমগৈ। সেইজনী তালৈ গলেই হ'বলা। তাইক মাতি আন। লেঙেৰীয়ে বোলে – 'তাই ঘৰত সোমাই থাকিব পাৰেনকি? যি হয়,

হব মই কিন্তু বৈ থাকিব নোৱাৰো' বুলি লেঙেৰীয়েও কোবা-কোবিকৈ বাৰীৰ পিছফালে গ'লগৈ। সঁচাকৈয়ে লেঙেৰীয়ে কৈ যোৱাটোৱেই হ'ল। বংশীয়ে ডিঙি ফালি ফালি 'খবৰদাৰ খবৰদাৰ' কৈ চিঞৰিছে। গণ্ডগোল হ'বই। সেইটো আকবৰৰ মাত। 'ধানত কাঁচি লগালে কিন্তু এটাকো ঘূৰি যাবলৈ নিদিওঁ।' ৰূপহীযেও কিবা-কিবি কৈছে। কাৰো মাত কোনেও শুগুনা হৈছে। গণ্ডগোল বেছি হয় বুলি লাখুটিডাল হাতত লৈ খলিফা ধাননিৰ ফালে বেগাবেগিকৈ ওলাই গ'লগৈ।

খলিফাই কংসৰ মানুহক ধান দাবলৈ নিদি ঘূৰাই পঠোৱা কথাটো লগে লগে গাঁৱত ৰাষ্ট্ৰ হৈ গ'ল। প্ৰধানমন্ত্ৰীৰ প্ৰাণনাশৰ চেষ্টা কৰাৰ দৰেই যেন এটা অতি সাংঘাটিক ঘটনা ঘটিল। মানুহে ফুচ-ফুচিয়াকৈহে আলোচনা কৰিলে। পিচবেলা যিখিনি মানুহ খলিফাৰ ঘৰলৈ খবৰ ল'বলৈ আহিছিল, তাৰ সৰহ ভাগেই কথাটো বেয়া হ'ল বুলিয়েই মন্তব্য দিলে। বুঢা মানুহৰ ভিতৰত এজনো কিন্তু খলিফাৰ ঘৰলৈ নাহিল। ভয়, জানোচা খলিফাৰ লগত যোগ আছে বুলি কোনোবাই সন্দেহ কৰি কংসক খবৰ দি দিয়ে। দীঘলা, মৈইন, ফটিক, ফণীধৰহঁতে কথাটো কিন্তু ভাল হ'ল বুলিয়েই কৈছেহি।

সোণধৰে বোলে— ডকাইতি হৈছিল। খেতি কৰা মানুহে ধানত কাঁচি নৌ-লগাওতেই মালিকে বলবস্তি ধান দোৱাটো খামাখা ডকাইতি। আৰম্ভ কৰিলা যেতিয়া আৰম্ভ হৈয়েই যাওঁক, খলিফা কোৱাইটি। মেইন, ৰামধাৰীৰ নটিচখন তই তাৰ আগতে ভৰিৰে মোহাৰি দিবি। গেনুৱে মাটি এৰি নিদিওঁ বুলিয়েই কৈছে। তাকো লগত লৈ তহঁতৰ ফালৰ আধি খন্দুৱা খোৱা মানুহখিনিক গোটাই লৈ কথাটো খামাখা কৈ পেলা।

মৈইনে বোলে দেশত ৰজা নাইকিয়া হ'ল সোণধৰ কাইটি। দেহা মাৰি মাটি ৰোৱা মানুহবোৰক কুকুৰহঁতে লেং মাৰি পেলাই বুকুতে উঠি দিছেহি। ফনীধৰে বোলে— 'আকবৰে বাট্টাটো দেখুৱাইহে দিলে,

মই বাপেকে ধান পকাৰ লগে লগে কাটিমো, খবৰ-খাতি দিবলৈ নাই, চিধা উঁৰালত সুমুৱাই দিমহি। তোমালোকে চাই থাকিবা, উঁৰাল ভাঙি ধান নিবলৈ আহক। নাই ৰঙা মাটি, নাই গুৱাহাটী। যায় লাং থাকে লাং', মেছিদা ঘূৰাই দিম বাপেকে। নাখায় মৰাও মৰা, ৰণত মৰাও মৰা। হয়নে নহয় ফটিক ককাইদেউ ?'

বংশীয়ে মাষ্টৰৰ ঘৰৰ পৰা আকবৰ আৰু বকুলৰ সৈতে আহি পায়ে ফনীধৰক দপ্‌দপাই থকা দেখি সুধিলে— "তোৰ বৰ সাহ যেন পাইছো। কাৰ ওপৰত মেছিদা ঘূৰাব ?" ফনীধৰে বোলে— "কাৰ ওপৰত ঘূৰাম ? যি কেইটাই ডকাইতি কৰিবলৈ আহে, সিহঁতৰ ওপৰত মিটিং পাত ? আমাক খবৰ নিদিয় ? ফনীধৰক লেৰেলা চেপেতা দেখিছ কাৰণে তহঁতি গণিতাকে নকৰ, নকৰিলেও বেয়া নাপাওঁ জানিছ। মই কথাৰ মাতটোহে কৈছো। তহঁতি মিটিঙলৈ মাতিলেও আহিব নোৱাৰো। মিৰি গাৱঁত গোটেইখনত কুকুৰা, হাঁহ বিচাৰোতে বিচাৰোতে দিনটো যায়। এই কেইদিনতে পইচা কেইটামান গোটাই নল'লে নিমখ তেলৰ খৰচটোকে ক'ত পাওঁ ? তহঁতি কি কৰিছ, নকৰিছ সোনধৰ ককাযে কৈ আছে। সময়ত মাতিবি, জানিছ ? তহঁতৰ নিচিনা ল'ৰা কেইটামানকে মই বিচাৰি আছিলো। পিচলৈ নাযাওঁ, তহঁতকৈ দুখোজ আগতহে যাম। সেইটো কথাও কৈ থৈছো। বোলে ৰণত পৰি কলীযা, তেল নাইকিয়া ফপৰিয়া হ'লো— জানিছা খলিফা কাইটি! দি দিম, দেহালৈ নাচাওঁ।

ফনীধৰৰ কথা শুনি বংশী অবাক। বেজী দিবলৈও টিকাত মঙহৰ সচঁ নোহোৱা শুকান মানুহটোৰ বুকুত দেখোন বহুত সাহ আছে! অথচ সেইবোৰ মানুহক সিহঁতি বিচাৰি পোৱাগৈ নাই। পুহিতা বূঢীয়ে চোতালত বহি থকাৰ পৰাই মাত লগালে বোলে— "চৰাইহে সক লয় হোলোং গছত বাঁহ। আকবৰে মেকুৰীৰ ডিঙিত টিলিঙাতো পিন্ধাইয়ে দিলে। মই হ'লে আকবৰক ধইন ধইন বুলিছো বোপাইহঁত। হে'ৰ দুইটা গুটি

ধানৰ ভঁৰাল বাৰমাহে ভৰি থাকে। তাৰ ওপৰতো মৰাক মাৰি খাবলৈ আহিছ ? তোৰ নাই কি ? কাঠৰ মিলে হৰ হৰকৈ পইচা উলিয়াইছে। বামুণ মানুহ হৈ মাছ বেচি টকা ঘটিছ ! তাৰ ওপৰতো গৰীব দুখীয়াৰ ওপৰত ডকাইতি কৰিবলৈ আহ ? এইবোৰ ডকাইতক নচছা শূলত দিব লাগে। মোৰ ধানো নাই, ভঁৰালো নাই। তথাপি কৈছো বোপাইহঁত, এৰি নিদিবি দেই। ৰসতে নামতো থৈ, এটাই ধৰোতেই তাক গোটেইখনে হেঁচা মাৰি ধৰহঁক।" মনবৰক অহা দেখি পুহিতাৰ মুখ বন্ধ হ'ল।

নওলা মুখত মনবৰক দেখাৰ লগে লগে কংসৰ ঘৰৰ প্ৰতিক্ৰিয়া শুনিবলৈ আকবৰৰ কোঠাত বংশীহঁত সোমাই থাকিলগৈ। মনবৰ আহিয়েই আৰম্ভ কৰি দিলেহি। খলিফা, পালি এতিয়া ? মই কৈছিলো নহয়, বংশী আহিল যেতিয়া ল'ৰাক চম্ভালি ৰাখ। ৰাখিলি ? সেই কুলক্ষণীয়াটোৰ কথামতে তোৰ পুতেৰে যিটো কাম কৰিলে তাৰ কাৰণে হোলোকা হোলোকে পানী খাবি এতিয়া। তোক বাৰে বাৰে ক'লো— বংশী কণী বিহৰ সঁচ। তাৰ বাপেকেও তোৰ বিপক্ষে এদিন উঠিপৰি লাগিছিল। ইযাক জগন্নাথ বেজবৰুৱাই এই বাৰীখন দিওতে নিধিৰাম বৰমেধিয়ে মুছলমান মানুহ এঘৰ কেলেই গাৱঁৰ মাজত বহুৱাইছে বুলি বেজবৰুৱাক বাধা কৰিছিলগৈ, জানিছ সোণধৰ। বেজবৰুৱা থকা হ'লে মই সচাঁ কৈছোনে মিছা কৈছো ক'লেহেঁতেন। মই হ'বলা বেজবৰুৱাক এইটোৰ কথামতে খাটনি ধৰি ক'লোগৈ, বোলো আজুৰি পেটে ভাতে খোৱা মানুহ। মুছলমান হ'লে কি হ'ব। বিয়াই সবাহে ৰভা এখন দিবলৈ, বাৰীত কোৰ এচাব মাৰিবলেও মানুহটো লাগে। সেইটো মানুহেই এতিয়া গোজেই গজালি হ'লি। হে'ৰ মুখছ ফুটা, দেৱতাৰ লগৰ সন্মানী মানুহজনক তোৰ পুতেৰে অপমান কৰিবলৈ সাহটো পালে ক'ৰ পৰা ? তেওঁক অপমান কৰা মানে তোৰ ল'ৰাই ৰাইজৰ মূৰতে হাগি দিলে। আজি ধৰি যদি তেওঁলোকে আধি খন্দুৱা দিয়া বন্ধ কৰি দিয়ে, গাৱঁৰ মানুহখন তোকত নমৰিব ?"

ইমান সময়ে মনবৰে মুখস্থ মতাদি খলিফাক ঢেৰেকণি দিলে। তাৰ পিচত অলপ নৰম সুৰত আৰম্ভ কৰি ক'লে— "তই মোক ককাইটি বোল আৰু মইয়ো তোক ভাই বুলি ভাবিছে কথাটো গম পাইয়ে ধপলিয়াই আহিলো। সঙ্গে সঙ্গে তামোল পান এশৰাই লৈ এতিয়াই গৈ বেজবৰুৱাৰ ভৰিত পৰগৈ। মই তেওঁক বুজাই বঢাই শান্ত কৰিম।"

মনবৰে কথা কৈ থাকোতেই কোঠাৰ পৰা আকবৰ ওলাই আহি ক'লেহি— "বৰ পিতাই, বংশী সেইটো কোঠাতে বহি আছে আৰু তুমি ৰবাক তামোল পানৰ শৰাই লৈ কংসৰ ওচৰলৈ মাতিছা? খেতি মইহে কৰিছো আৰু ধান দোৱাও মইহে বন্ধ কৰিছো। সেইটো মোকাবিলা মইহে কৰিম। ৰবাই সেইবোৰ একো নাজানে। যোৱা কংসক কৈ দিবা।" আকবৰ পুনৰ কোঠাৰ ভিতৰ সোমাল। বংশী কোঠাতে আছে বুলি কওঁতেই মনবৰে চকুৱে ধোঁৱা-কোঁৱা দেখিছিল। তাৰ ওপৰত আকবৰে নিজে মোকাবিলা কৰিম বুলি ক'লত লাজে অপমানে কেনি যাওঁ কি কৰো অৱস্থা হৈ কাকো মাত নলগোৱাকৈ মনবৰ গুচি গ'ল। মনবৰ যোৱাৰ পিচত বংশীহঁত ওলাই আহিল। মনবৰে লাজ পোৱাৰ কথাটো লৈ বেচ জমিছিল যদিও বংশীয়ে মনবৰৰ কথা শুনি মনে মনে থকাৰ কাৰণে দীঘলাহঁতে কিবা কিবিবোৰ কৈছিল।

ফটিকে বোলে—"সেইটো নাৰদহে। তাক হেজাৰ গালি শপনি পাৰিলেও সি 'নাৰাযণ নাৰায়ণ' বুলি কংসৰ তলপোণত ধৰি ধৰিয়ে ফুৰিব। তাৰ লগত মুখ নবজাই ৰাইজে ভালেই কৰিলে। পাই গৈছে নহয়। আকবৰ ওলাই আহোতেই তাৰ মুখ ক'লা পৰিছিল। তই কোঠাৰ ভিতৰত আছ বুলি কওঁতে কিজানি তাৰ কাণি-কাপোৰেই বেয়া হব পায।" বহি থকা মানুহখিনিয়ে হাঁহি হাঁহি বাগৰি পৰিছিল। ফণীধৰে নাহঁহিলে। 'আমি দুৰণিবটীয়া কেইটা যাওঁ। কেতিয়া কি কৰিব লাগে মাতিবি, ঐবংশী' বুলি কৈ সোণধৰ, ফটিক আৰু ফণীধৰ গ'লগৈ।

কাতিমহীয়া চাবি বজাতেই বেলি লহিয়ায়। আকবৰৰ ওপৰত কিবা অত্যাচাৰ চলে বুলি সেইদিনা গধূলি আটাই কেওটা গোট খাই আকবৰৰ ঘৰতে কথা পাতি থকাৰ বন্দবস্ত বংশীয়ে দিনতে কৰিছিল। লেঙেৰী, ৰূপহী আৰু কৰিম ক'ৰবাৰ পৰা আহি সন্ধিয়াৰ আগে আগে ঘৰ সোমালেহি। চাকি চুকা জ্বলিল। মৈইন ঘুৰি নায়ায়। দীঘলা বহিয়েই থাকিল। মাজতে গৈ দীঘলাই ঘৰত খাই বৈ আহিবগৈ। কৃষ্টি. মুহীৰাম, বলোৰামহঁতো আহি পালেহি। মাষ্টৰ অহা নাই। আকবৰে লেম এটা জ্বলাই আনি চোতালতে থলেহি। ধান শুকোৱা ঢাৰি এখন আনি ৰূপহীয়ে চোতালত পাৰি দিলেহি। লেঙেৰীয়ে তামোলৰ বঁটাতো দীঘলাৰ ওচৰত দিলেহি। বহুত সময় তামোল এখন নোখোৱাকৈ থাকি দীঘলাই উচপিচ্‌াই আছিল। তেনেতে মাষ্টৰ পালেহি। মৈইনে মাষ্টৰক "বহুতদিন দেখা নাই" বুলি গালে মুখে ক'ৰবাত মাৰ খোৱাৰ দাগ আছে নেকি নিৰীক্ষণ কৰিলে। মাষ্টৰে আকবৰক সুধিলে "এতিয়া পিছে কি কৰিম বুলি ভাবিছনো ?"

দীঘলাই বোলে—তাকনো কিটো সুধিছে ? এতিয়া কি হব কি কৰিব লাগিব সেইটো আপোনাৰ মনে কি কৈছে তাকেহে আমি শুনিব খুজিছো। "দীঘলাই ঠিক্ কৈছে। মাটি-গিৰিয়া কেইটাৰ ভয়ত মানুহে খলিফাৰ ঘৰলৈ আহিবলৈ ভয় কৰিছে কিজানি কিবা পাকত সাঙোৰ খাই পৰে। আপোনাসকলৰ নিচিনা জ্ঞানী বুদ্ধিয়ক মানুহে বাট দেখুৱাই নিদিয়াৰ কাৰণে ৰাইজ গেলি পচি মৰিছে। বাটৰ জেংবোৰ দেখুৱাই দিব আমি সেইবোৰ গুচাই তেহে আগবাঢ়ি যাব পাৰো। মই মিছা কৈছোনে, বকুল ? বাট এটা আছে বুলি আমিও জানো। তাকে কোন-ফালে গ'লে আমাৰ কাম হয়, বিদ্যা-বুদ্ধি নথকা মানুহ আমি বিচাৰি নেপাও নহয়।" মৈইনে ধুনীয়া অৰ্থ থকা কথা কৈছে। বাট বিচাৰি বিচাৰি হাবাথুৰি খাই ফুৰা এই মানুহখিনিক বাট দেখুৱাই আগবঢ়াই অনাটো

বুদ্ধিজীৱি মধ্যবিত্ত সকলেই কৰিব লাগিব। মাজতে থকা বুদ্ধিজীৱিখিনিয়ে দালালি এৰি যেতিয়ালৈকে বাস্তৱ ক্ষেত্ৰত কাম কৰিবলৈ ওলাই নাহে, তেতিয়ালৈকে তলৰ মানুহখিনিয়ে ওপৰৰ শোষণকাৰী শ্ৰেণীটোৰ ওচৰকে চাপিব নোৱাৰিব। মৈইনে সেই ভাৱটোকে প্ৰকাশ কৰিছে।

মাষ্টৰৰ ভাল লাগিল। অন্ততঃ কিছু ক্ষেত্ৰত মৈইনহঁতক পথ দেখুৱাবলৈ তেওঁ নিজকে কামত লগাব পাৰিছে। লীলা আৰু ললিতাক কংসই লগত ৰাখি ককাই-ভাই হালৰ মাজত বিৰোধ ভাৱ জন্মাবলৈ মাটিৰ এটা অংশ দিম বুলি প্ৰলোভন দিছে বুলি মাষ্টৰে আৰম্ভ কৰিলে। ৰাজনীতি কৰা বৰ্ত্তমান দেশৰ প্ৰায় মানুহেই যে মানুহৰ মাজত বিভেদ নীতি প্ৰয়োগ কৰি নিজৰ স্বাৰ্থ আদায় কৰিছে আৰু বহুজনগোষ্ঠীৰ সংমিশ্ৰণত গঠন হোৱা অসমীয়া জাতিটোৰ মাজত বামুণ, আহোম, কোঁচ, মৰাণ, বড়ো, মিচিং ভাগ ভাগ কৰি একে নীতিৰেই ভাযে ভায়ে কন্দল লগাই দেশ, ভাষা, সাহিত্য সংস্কৃতি সকলো ভাঙি-চিঙি টুকুৰা-টুকুৰ কৰি শাসনৰ সুবিধা কৰি লৈছে সেইকথা মাষ্টৰে কলে। আনহাতে হোজা মানুহবোৰক দালালৰ হতুৱাই বিভিন্ন কৌশলেৰে হাত কৰি দেশাত্মবোধ মানুহৰ মনৰ পৰা শেষ কৰি দিয়াৰ উদাহৰণ দেখুৱাই দীঘল বক্তব্য এটা মাষ্টৰে দাঙি ধৰিছিল। দীঘলাইহঁতৰ প্ৰশ্নৰ উত্তৰ নিদি সেইদিনা ঘটনাৰ বিষয়ে একো নোকোৱাত মৈইনহঁতে ভালপোৱা নাছিল। দীঘলাই মুখ খুলি কৈয়েই দিলে — "আমি সুধিছো এটা কথা আৰু আপুনি কৈছে কলথোকা বাহুলীয়ে খোৱাৰ কথা। মানুহবোৰক ঘূৰাই পঠিওৱাৰ কাৰণে যদি কালিলৈ কংসই পুলিচত দিয়ে আমিবোৰে কি কৰিব লাগিব, সেইটো কথা আগ কৰক।"

মাষ্টৰে হাঁহি এটা মাৰি চিগাৰেট এটা জ্বলাই ক'লে—ভাওনা দেখিছা নহয়? হাতত বাঁহৰ কাগজ লগোৱা গদা ধৰুলৈ ভাওনাবোৰ কৰিবলৈ যে গুৰুজনা শ্ৰীমন্ত শঙ্কৰে ৰাইজক শিকাই থৈ গৈছে, তাৰ অৰ্থটো

হৈছে অসুৰ নিধন, দুষ্টক দমন। নাটকবোৰত যে বধবোৰ দেখুৱাইছে, সেইবোৰকে আচলতে সংস্কৃতি বোলে। সচাঁ জগতখনৰ দৈত্যবোৰক বধ কৰিবলৈ ভাওনাবোৰক আচলতে আখৰা কৰিহে দেখুৱাই গৈছে। আমাৰ মানুহে নামঘৰত লম্ফ-জম্ফ কৰি গদা ঘুৰাই মানুহক মোহিত কৰিবলৈহে ভাওনা কৰে। সঁচা ভাওনা কৰি শত্ৰু নির্মূল কৰা দূৰৰে কথা, শত্ৰু কোন দেখুৱাই দিলেও নিধন কৰিব নোৱাৰে। আৰু মহাভাৰতৰ শ্ৰীকৃষ্ণৰ হাতৰ সুদৰ্শন চক্ৰখনৰ কথা জানা নহয়? সেই ভগবান কৃষ্ণই দেখোন ইচ্ছা কৰা হ'লে এক মুহূৰ্তৰ ভিতৰতে অত্যাচাৰী কৌৰৱক সুদৰ্শন চক্ৰখন ঘুৰাই শেষ কৰি দিব পাৰিলাহেঁতেন। নুঘুৰালে। কিয় নুঘূৰালে কওঁ শুনাহঁক— পাণ্ডৱ আমাৰ ৰাইজৰ দৰে দৰিদ্ৰ আছিল। আমাৰ ৰাইজৰ দৰেই বসবাস কৰিছিল। সেই ভিকহু পঞ্চ পাণ্ডৱৰ হতুৱাই মহাপৰাক্ৰমী ৰাজাধিৰাজ কৌৰৱৰ এশ পুত্ৰক হত্যা কৰিলে কৃষ্ণই নিজে মন্ত্ৰণা দি, বুদ্ধি সন্ধি দি। ভগবানে নিজে ৰথৰ সাৰথি হৈ দুৰ্ব্বলৰ হতুৱাই সবল অত্যাচাৰীক ধ্বংস কৰালে।

দীঘলাই বোলে— সেই হিচাপে আপুনি আমাৰ কৃষ্ণ হৈছে। তেনেহ'লে মন্ত্ৰণা দিয়ক। দুখীয়া কৃষকে নিজৰ ৰাজ্য কেনেকৈ ঘুৰাই ল'ব পাৰে তাৰ বুদ্ধি সন্ধি আপুনি দিয়ক। বংশীয়ে বোলে— চাৰে নিজৰ কথাত নিজেই বান্ধ খাইছে। এতিয়া ৰাইজে আপোনাক এৰি নিদিয়ে, চাৰ। "মইও ৰাইজক এৰি নিদিওঁ। সেইবুলি মোক কিবা ডাঙৰ বুদ্ধি থকা অসাধাৰণ মানুহ বুলি তহঁতি নাভাবিবি। মই ৰাইজৰ মাজৰে এজন। ৰাইজৰ বুদ্ধি মতেইহে কাম হ'ব মাত্ৰ সময়মতে কিবা পৰামৰ্শ দিব পাৰিম। এতিয়া আমাৰ ভীম আকবৰে, দুৰ্যোধনৰূপী কংসক তাৰ ৰাজ্যৰ ভিতৰত নোসোমাবি বুলি গদা জোকাৰি খেদিলে। ৰাইজে পিচ হুহকা দিয়াৰ সময় নহয় মাৰ বান্ধি আকবৰ বংশীৰ পাছত থিয় হৈ ৰণ কৰিবলৈ ওলাই আহিব লাগিব। কামত হাত দিওঁ দিওঁ কৰি তোমালোক খুব ব্যস্ত হৈছিলা-হঁক, এইয়া কাম ওলাল। কাম কৰা মানুহ উলিওৱাটো তোমালোকৰ

প্ৰধান কাম। নামত কৃষক পৰিষদ এখন গঠন কৰা হ'ল যদিও কাম কৰিব পৰা মানুহ বিচাৰি উলিয়াই এই কৃষক পৰিষদত সুমুৱাই লোৱাৰো এইটোৱেই সময়। পুলিচে বিনা বিচাৰে শান্তি ৰক্ষাৰ নামত এতিয়া মাৰকিল আৰম্ভ কৰি দিব কাৰণ কংসহঁতে আহ বুলিলে সিহঁতি আহিব, মাৰ বুলিলেই মাৰিবহি। হিন্দু, মুছলমান, খৃষ্টীয়ান সকলো খাতি-খোৱা মানুহে পুলিচ নেলাগে মিলিটেৰী বন্দুকৰ আগত বুকুপাতি এতিয়া ঠিয় হ'ব লাগিব। মই আৰু একো মন্ত্ৰনা দিব নোৱাৰোঁ। বাকীখিনিৰ প্ৰস্তুতি তোমালোকে কৰি লোৱা।" কথাখিনি কৈ মাষ্টৰ ওলাই গ'লেই বংশীহঁতৰ আৰু বহুত কথা মাষ্টৰৰ লগত আলোচনা কৰিবলৈ আছিল যদিও সিহঁতি জানে যে আজিকালি মাষ্টৰ গধূলী বেছি দেৰিকৈ ক'তো নাথাকে। দীঘলাই খাই আহো বুলি ঘৰলৈ যাবলৈ ওলালে। খলিফাই দীঘলাক পুনৰ ৰাতিখন আহিব নালাগে বুলিযেই ক'লে। আকবৰে বোলে— একো চিন্তা কৰিব নেলাগে। পুলিচ আহে যদি থানালৈ যাম। ইমান-বোৰ মানুহে কষ্ট কৰিব নালাগে। বংশীয়েও কথাটো চিন্তা কৰি চাই মুহিৰামহঁতকো ঘৰলৈ যাবলৈ ক'লে। মৈইন থাকিলেই। বংশী আৰু বলোৰাম থকিব চিন্তা নাই। মংলা ঘৰত আছে। বকুলকো ঘৰলৈ পঠিয়াই দিলে।

শেষত আকবৰে বংশীক ক'লে, "আজি যেনিবা তহঁতি মোক ৰাখিলিহি। কেইদিনমানৰ পাচত যদি এইদৰে কেইবাঘৰৰো একেই অৱস্থা হয়, তেতিয়াও ঘৰে ঘৰে এইদৰে ৰাতি ৰাখিবিগৈ নেকি? ভাত খাবলৈ গ'লে তহঁতিও ঘূৰি আহিব নালাগে। মৈইন আছেই। কিবা দৰকাৰ হ'লে তহঁতক খবৰ দিম।" আকবৰে জুইকুৰাত খৰি সুমুৱাই দিলে।

বলোৰামে বোলে— আমি থাকিম বুলি খাই বৈ আহিছো। থাকো যাওঁ সেইটো আমাৰ কথা। মৈইনক আকবৰৰ বিচনাখনত শুবলৈ দিলে। সিহঁত তিনিওটা চাৰিখনতে দীঘল দি কথা পাতি থাকিল। বংশীয়ে

আৰম্ভ কৰিলে কথা শেষেই নহয়। মাষ্টৰে কথা কম কয় যদিও হিচাব কৰি একদম ঠিক কথা কয়। বিনন্দ কেৰপাইহঁত ডেকা ল'ৰা। সিহঁতক কানি চেলেকাই ৰামধাৰীয়ে বশ কৰি থৈছে। এজাকে বাপেক মাকৰ কানিৰ পৰা আৰম্ভ কৰি ঘৰৰ গোটেই খৰছবোৰ উলিয়াওতেই ধোঁৱা-কোৱা দেখিছে। নৈৰ সিপাৰৰ মানুহবোৰক আকৌ সাজপানীয়ে জলা-কলা কৰিছে। এবছৰৰ ভাত ছমাহতে সাজ পানীতে শেষ কৰি পিচত ৰিজার্ভৰ ওপৰত নির্ভৰ কৰি চলিব লাগে। কানিৰ প্রচলন উঠাই দিবলৈ দেশৰ পৰা চৰকাৰে কেতিয়াবাই আদেশ দিলে। হেজাৰে হেজাৰে অফিচাৰক কানি বেপাৰীক ধৰিবলৈ, লাখে লাখে দৰমহা দি ৰাখিছে। নগৰৰ পৰা উঠাই দি গাঁৱত মদ কানিৰ ঘাটীবোৰ পাতিবলৈকে যেন অফিছাৰবোৰক ৰখা হৈছে। ৰামধাৰীয়ে মোনে মোনে কানি আনে। কংসই কাঠ কটিওৱা গাড়ীত সেইবোৰ মিৰি গাওঁ, দধিয়াৰ নেপালী গাঁৱলৈ পাৰ কৰি দিয়ে। মাজে মাজে কানি ধৰিবলৈ কেইটামান অফিচাৰে খাপ দি থাকেহি। ইফালে সিহঁতিয়ে কানি আঁতৰাই ৰাখিবলৈ ৰামধাৰীক আগতে খবৰ দি ৰাখে। চৰকাৰ আছে, আইন আছে, আবকাৰী বিভাগ এটাও আছে। কানি, ভাং, মদ এইবোৰ সকলো আছে আৰু সেইবোৰক খোৱা হেজাৰে হেজাৰে গাঁৱলীয়া মানুহ আছে। নাই মাথো দেশখনক খাদ্য যোগোৱা কৃষক সকলে এমুঠি পেট ভৰাই খাবলৈ পোৱাৰ চিন্তা কৰা মানুহ। আনহাতে মজদুৰ সকলৰ কাৰণে নাই শিক্ষাৰ ব্যৱস্থা, সংস্কৃতি। সাহিত্যৰটো সিহঁতি নামেই শুনা নাই। যেন লোকৰ ঘৰত লোকৰ শিল্পত কাম কৰিবৰ কাৰণেই মজদুৰ মানুহখিনিক অসমত ৰখা হৈছে।

বংশীয়ে মন কৰাই নাছিল যে আকবৰ আৰু বলোৰাম হালৰে টোপনি ধৰিলে। আকবৰটোলৈ বংশীৰ বেয়া লাগিল। সি বেকত খেলিলে তাৰ পৰা বল পাৰ হৈ নাযায়। গলৰ মুখত খেলাৰ কাৰণে সি যেন এখন দেৱালহে আছিল। আৰু বলোৰাম, তাৰ কি দৌৰ, কি ষ্টাইলত বল কাটি গলত সুমুৱাই দিয়েগৈ। এতিয়াও তাৰ ভৰিত বল পৰিলেই

হ'ল। কষ্ঠি মুহিৰামে আউটত খেলে। বলোৰাম চেণ্টাৰ ফৰৱাড। আকবৰে বেকত আৰু সি চেণ্টাৰ হাফ। সিহঁত আটাইকেউটাই যেতিয়া কোনোবা টিমৰ ফালে খেলিবলৈ যায, সেই টিমটো জিকিবই। সেইকেইটা খেলুৱৈৰো গাঁৱত জন্ম হোৱাৰ কাৰণে অস্তিত্বই নাইকিয়া হ'ল। সিহঁতি এতিয়া খেলাৰ কথা বাদেই, লোকৰ খেলা চাবলৈ যাবলৈকো অৱসৰ নাই। আকবৰে যে হাঁহিবলৈকে পাহৰিলে। বংশীয়ে আজি কালি বহুত কথা চিন্তা কৰিব পৰা হ'ল। আচলতে আলোচনা-বিলোচনা কৰিলেহে কথা শিকিব পাৰি। এক্সৰে (X-Ray) ত মানুহৰ গৰ্ভৰ ভিতৰখন দেখাৰ দৰে সি যেন গাঁৱৰ মানুহৰ অৱস্থাটোৰ ভিতৰখন দেখিবলৈ পাইছে। বংশীয়ে নঙলা মুখৰ ফালৰ পৰা এপাক ঘূৰি আহিলগৈ। সি আকবৰহঁতৰ গাত ম'হ পৰিছেনেকি লেমটো দাঙি চালে। নাই পৰা। নগৰৰ দৰে গাৱঁত ম'হ থকা হ'লে আঠুৱা কিনিব নোঁৱাৰা মানুহবোৰৰ তেজ খাই ম'হবোৰ নোদোকা নোদোকা হ'লহেঁতেন। কিন্তু কংসহঁতৰ দৰে তেজ শোহাবোৰে দুখীয়া ৰাইজৰ যিমান তেজ খাইছে, ম'হে দাহে, জোকে প্ৰতিদিনে খোৱা হ'লেও ৰাইজৰ সিমান তেজ নেযায। পেট পুৰা হ'লে জোক নিজে নিজে সৰি পৰে। কিন্তু এই নৰখাদক বোৰৰ পেট নভৰে। সিহঁত শুইছে, শোৱক।

বলোৰামৰ দিনটো কাম কৰা ভাগৰ। বিপদ হয় বুলিহে সি আহিছে। খলিফাই কাঁহ মাৰি আছে। বোধহয টোপনি ধৰা নাই। দুৰ্বল মানুহৰ চিন্তা বেচি। খলিফাৰ টোপনি আহিব নোৱাৰে। আকবৰ খলিফাৰ পুতেক। আকবৰ খলিফাৰ সকলো আশা ভৰষাৰ স্থল। মাষ্টৰে হেনো বলোৰামক কৈছিল,— বংশীযে তেওঁৰ মুৰত টুকুৰীযাই টুকুৰীযাই তেওঁৰ মগজখিনি জোকাৰি দিলে। বংশী অহাৰ পৰা হেনো মাষ্টৰৰ নিজকে শুই থকাৰ পৰা সাৰ পোৱাৰ দৰে লাগিছে। মাষ্টৰ হেনো এজন নতুন মানুহ হ'ল। প্ৰকৃততে কথাটো মিছাও নহয়। তেওঁ যিমানবোৰ কথা জানে, যিমানবোৰ কিতাপ পঢ়িছে, সেইখিনি

কামত লগোৱা হ'লে বংশীয়ে মিলিটেৰী চাকৰি কৰিবগৈ লগীয়া নহ'লহেঁতেন। মাষ্টৰে বংশীক এতিয়া যেনেকৈ ৰাইজৰ কাম কৰিবলৈ বুদ্ধি সন্ধি দিছে, সি ল'ৰা হৈ থাকোঁতেই সেইদৰে সহায় কৰা হ'লে এতিয়ালৈ হয়তো কংস ৰামধাৰীৰ অস্তিত্বই নাথাকিলহেঁতেন। ফুলেশ্বৰীজনীৰ কথাটো শেষত কি হয়গৈ তাৰো একো সিদ্ধান্ত কৰা নাই। বলোৰামে কোৱাৰ দৰে যদি সিহঁতৰ বাৰীখন ৰামধাৰীয়ে এৰি দিবলৈ কয় তেতিয়াহে ভাল হ'ব। তেতিয়া কেঁচু খান্দোতে সাপ ওলাব অ'ক সেই সাপেই তাক খুটি মাৰিব। কুকুৰা গৰালৰ পৰা কুকুৰা পোৱালী এটাই ডাক দিলে। তাৰ মাতটো ভালকৈ ফুটাই নাই। এৰা বংশীহঁতেও মাত মাতিবলৈ শিকিছেহে। মাত ভালকৈ ফুটিবলৈও সময় লাগিব। বলোৰামে সাৰ পালে।

'ৰাতিপুৱাবৰ হ'ল নেকি অ' বংশী ?' "ৰাতিপুৱাবলৈ সময় আছে। এন্ধাৰবোৰ আঁতৰিলেহে পোহৰ হ'ব। এইদৰে পৰি যাওঁতেই নাক বাজিলে নহ'ব দেই, উঠ।" সি শোৱক। তাৰ কালিলৈ বহুত কাম আছে। বলোৰামে বাগৰ সলাই আকৌ শুলে।

বহি থাকিলে টোপনি আহে। বংশীয়ে ইফালে সিফালে ঘূৰা-ঘূৰি কৰিলে। পোহৰ হ'বলৈ বহুত সময় বাকী। ডিব্ৰু নৈৰ পানীয়ে ৰাইজৰ ধানবোৰ বেয়া কৰিব নেকি ? ধানবোৰ পানীয়ে বুৰাই পেলোৱা নাই। এইবাৰ হেনো নৈৰ পানীয়ে ৰাইজক বেছি দিগদাৰি কৰা নাছিল। বঢ়া পানীৰ গোন্ধ এটা বংশীৰ নাকত লাগিছেহি। সি ভালেমানদিন ডিব্ৰু নৈৰ পানী বঢ়া দেখা নাছিল। নৈৰ সিপাৰৰ মানুহবিলাকৰ যে কি বিলৈ হৈছে। এইদৰে প্ৰতি বছৰে গৰু, ম'হ, হাঁহ কুকুৰাবোৰ লৈ এই পাৰলৈ মানুহবোৰ আহি ইশ্বৰৰ চালিৰ তলত, সিশ্বৰৰ গোহালিত আশ্ৰয় লৈ কি কষ্টত দিনবোৰ পাৰ কৰিছে। তথাপি সেইবোৰ ঠাইলৈকে, সেইবোৰ ঘৰলৈকে মানুহবোৰে টালি টোপোলাবোৰ লৈ আকৌ ঘূৰি যাব। বানপানীৰ লগত যুদ্ধ কৰি কৰি মানুহবোৰ অভ্যস্ত হৈ পৰিছে। জলদোবা মাটিবোৰত

আকৌ কঠিয়া কৰলৈ সময় নাই। ধান নহয়গৈ। জলদোবা মাটিবোৰ বোৱা মানে একৰকম জুৱাখেলৰ দৰেই হৈছে। জুৱাখেলত পইচা পাম বুলি জুৱা খেলাৰ দৰে মাটিবোৰ বোৱে। এইবাৰো ৰাইজ খেলত হাৰিব। প্ৰতিবছৰে বানপানীয়ে বিপৰ্য্যয় সৃষ্টি কৰা এই মানুহবোৰৰ বিলৈ বিপত্তি উপভোগ কৰিবলৈ আকাশী জাহাজেৰে বাৰু ইন্দ্ৰ দেৱতা সকল আহেনে ? আকবৰ উঠি বহিল। বংশীক এঘুমতি মাৰিবলৈ ক'লে।

* * * *

॥ সাত ॥

কংসই আৰামী চকীখনত বহি বুঢ়া নাৰিকল জোপাত ওলমি থকা পাতবোৰলৈ চাই আছিল। গছজোপা বয়সত কংসতকৈ ডাঙৰ। গুটি নলগা হ'ল। বিয়াৰ আগতে গছ জোপা কাটি শিপাবোৰ খান্দি ঠাই ডোখৰ সমান কৰিব লাগিব। এটা কুকুৰ ধুলি হালোৱা লৰাই কংসৰ বংশৰ সম্মানত আঘাত হানিছে। আধি খন্দুৱাত মাটি দি ধান লোৱাটো জন্মগত পৰম্পৰা। সেই পৰম্পৰাক সি বুঢ়া আঙুলি দেখুৱাইছে। কথাটো যিমানেই ডাঙৰ নহওঁক, ৰাইজৰ আগত সহজ হৈ দেখুৱাব লাগিব। ভিতৰৰ জুইকুৰা বাহিৰলৈ উলিয়ালে লোকচানেই বেচি হ'ব। আকবৰে ইমান সাহ কৰিব নোৱাৰে। তাক সৰ্ব্বনাশ কৰিলে বংশীয়ে । সিহঁতক ঠাণ্ডা কৰাটো এঘণ্টাৰো কাম নহয়, হাড়ে-মূৰে গুৰি কৰি পেলাই থোৱাব পাৰি। ভিতৰৰ জুই বাহিৰলৈ ওলাব। সেইটো এতিয়া কৰিব নোৱাৰি। আগত বিয়াখন আছে। বিয়াখনতে আটাইকেওখন গাৱঁৰ মানুহক ওচৰ চপাইহে আনিব লাগিব। তেওঁ গাৱঁৰ মানুহখিনিক উদৰ পূৰাই খুৱাব। বিয়ালৈ এতিয়াও তিনি সপ্তাহ মানেই বাকী আছে। এতিয়াৰে পৰা ৰভা সজা আৰম্ভ কৰি দিলে ৰাইজৰ অহা-যোৱা কৰা বাট্টা ওলাব। প্ৰত্যেকখন গাঁৱৰ মানুহৰ কাৰণে বেলেগ বেলেগ

এৰোখন ৰভা দিযাব লাগিব। ৰভাৰ কাম চাবলৈ গাওঁৰ মানুহকে দায়িত্ব দিব।

মনবাৰে কৈছে — গাঁৱৰ মানুহে নিজে ৰভা দি ল'লে ঘৰৰ বিযাৰ দৰে ভাবিব। কিন্তু পইচা খৰচৰ ভয়ত গাৱঁৰ মানুহৰ হতুৱাই ৰভা দিযাইছে বুলি বদনাম এটাও ওলাব পাৰে। তেওঁ অন্য এটা কাম কৰিব। বাঁহ টিনপাত, ট্ৰিপাল, আদি বস্তুবোৰ যোগাৰ দি হাজিৰাৰ কাৰণে প্ৰতিখন ৰভাৰ বাবদ তিনিশমানকৈ টকাও দি দিব। পইচা বাইজে ভাগ কৰি লব, যি কৰে কৰিব। প্ৰত্যেক ৰভাতে খোৱাৰ যোগাৰো বেলেগে বেলেগে দি দিব। যিয়ে যেতিয়াই যি মন যায়, নিজে ভাগ ভোগ কৰি খাব। পোলাও বনাই খুৱাব পৰা হ'লে সিহঁতি কোনোদিনেই নোখোৱা নতুন বস্তু এটা খুওৱা হ'ব। তেওঁ সেইটোকে কৰিব। কাৰিকৰ একোটা ৰভাই ৰভাই দি গ'লেই হৈ যাব। কাৰিকৰে নিৰ্দেশ দিব। তেওঁলোকৰে ৰান্ধনীয়ে সেইমতে পোলাও ৰান্ধিব। পোলাও গাৱঁৰ মানুহখিনিক খুৱাবই লাগিব। মনবৰে নামঘাৰ নামঘৰে তামোল পানৰ শৰাই দিলেগৈযে। নামঘৰত দিযা শৰাইৰ পইছা? নাই, মনবৰে শৰাইৰ পৰা পইচা মাৰিবলৈ সাহ নকৰে। মনবৰৰ কথামতে মানুহ মতা কামটো এতিযাৰে পৰা আৰম্ভ কৰি দিলত একপ্ৰকাৰ ভালেই হ'ল। মেলেঙৰ ওজা ঢুলীযা মতা হৈছে যেতিয়া বেন্দপাৰ্টি নোহোৱা হ'লেও হ'লহেঁতেন। বন্ধ কৰি দিলেও জগন্নাথে বেযা পাব। তাৰ ওপৰত ভৰষা কৰিযেই কামবোৰ হৈছে। খুওৱাৰ কাৰণে গাওঁকিখনৰ মানুহৰ বাবেই সাত আঠ হেজাৰ টকা লাগিব। যি ধৰণৰ ব্যৱস্থা কৰা হৈছে ল'ৰা-ছোৱালীয়ে মতা মাইকীয়ে গাৱৰ মানুহ সকলো আহিব। সাত হেজাৰ নেলাগে দহ হেজাৰেই খৰচ হওঁক। জীৱনলৈ মনত থকাকৈ গাৱঁৰ মানুহখিনিক খুৱাবই লাগিব। গায়ন বায়নো মাতিব লাগিছিল। ওজাৰ ঢোল, বেণ্ড পাৰ্টি, গায়ন বায়ন কাৰো মাত কোনেও নুশুনা হ'ব। হওঁক

এটা ৰাতিহে। জোৰোণৰ আগদিনাৰ ভোজটোৰ খৰচ খুব বেছি নহ'ব। ঘৰত চাউল হ'বই। বিলৰ পৰা পাঁচ সাঁতমোন মাছ ধৰাই আনিলেই হ'ব। বাকী নিমখ, দাইল, তেলত বেচি খৰছ নহয়। সেইদিনা খবৰ দিয়া মতে বুঢ়া মানুহ কেইজন অহাৰ কথা চিন্তা কৰি কংসই অপেক্ষা কৰি থাকিল।

জগন্নাথে মানুহ মাতি ঘূৰি আহি পালেহি। খলিফাৰ ঘৰ আৰু বংশীকো তামোল পাণ দি মাতি থৈ আহিছো বুলি জগন্নাথে কংসক ক'লেহি। বংশীক তেওঁ নিজেও কৈছিলে। আকৌ তামোল পান দিও মাতিলেগৈ। ভালেই হ'ল। খলিফাক মাতিবলৈ ক'বলৈ কংসই পাহৰিছিলেই। জগন্নাথৰ বুদ্ধি হৈছে। খলিফাৰ ঘৰত তামোল পান দিওঁতে খলিফাই আচৰিত হৈ হেনো জগন্নাথলৈ চাই আছিল।

জগন্নাথে হেনো ক'লে, "চাৰৰ মনত কোনো বেয়া ভাৱ নাই। ছয় বিঘা মাটিৰ ধানহে নালাগে ছশ বিঘা মাটিৰ ধান নাপালেও ৰাইজতকৈ চাৰে ধানখিনি ডাঙৰ বুলি নাভাবে।" জগন্নাথ আঁতিৰি যোৱাৰ পাছত তাৰ বুদ্ধি দেখি কংসই মনে মনে খুব হাঁহিলে। সি কংসতকৈও বুদ্ধিত এখোপ চৰাহে হৈছে।

কংসৰ ঘৰৰ নিমন্ত্ৰণৰ তামোল পাণটোৰ কথালৈ খলিফাৰ ঘৰত সেইদিনা জল্পনা-কল্পনা আৰম্ভ হ'ল। ধান দাবলৈ নিদি কংসৰ মানুহ খেদি পঠিওৱাৰ পাছত পুলিচ আনি খলিফাক হাৰাশাস্তি কৰাৰ বদলি বিয়াৰ নিমন্ত্ৰণ' ভাবিব নোৱাৰা কথা। লেঙেৰীৰ মতে ককায়েকৰ অন্তৰখন ভাল। বৌৱেকে বুদ্ধি সন্ধি কৰিহে মানুহটো বেয়া কৰিছে। ৰূপহীয়ে কয় বোলে তাইৰ বৌৱেক ললিতাহে যটকুটৰ ঘাই। তাই লীলাক বেয়া কৰিছে। ললিতাৰ বুদ্ধিমতেহে ধান দাবলৈ লীলা আহিছিল। খলিফাযো ৰূপহীৰ কথাতে হযভৰ দিলে। সি নিজৰ খোৱা পিন্ধা চিন্তা নকৰা অকৰাটোৱে এইবোৰ মাটিৰ ভাগ বিচৰাৰ কথা কেতিয়াও ভাবিব নোৱাৰে। ৰূপহীৰ মতে বৌৱেকে আধি ধানৰ ভাগ বিচাৰি মোমায়েকক

কুতুৰি আছিল। তাতে ছাগৈ মোমায়েকে ক'লে, "হ'ব যা, কাটি আনিবি আৰু সেইখিনি ধান তহঁতিয়ে লবি।" তাকে ছাগৈ তাই জগন্নাথৰ সৈতে বুদ্ধি কৰি মানুহ লৈ ধান দাবলৈ আহিছিল।

লেঙেৰীয়ে বোলে "জগন্নাথক ছাগৈ তাই হাতৰ মুঠিলৈ আনিলেই। লীলাৰ নিচিনা নৰা সাপ দেই নোযোৱা ল'ৰাটোক তাই নাকনি-কাননি কৰি মোৰ ঘৰ সুমালেহি। তাইক কমজনী বুলি নাভাবিবা। মহা চাতৰী এজনীক ঘৰ সুমুৱালেহি। তাই ছাগে ধান দাওঁ, ধান দাওঁ কৰিলে। তাতে ছাগে ককাইদেৱে ক'লে ধান পকিছে যদি ভালেই হৈছে। নতুন ধানৰ চিৰা বিযাত লাগিব, কাটগৈ। ককাইদেউৱে ধান দাবলৈ মানুহ পঠিওৱা হ'লে আকবৰ এতিয়া জেলত থাকিলেগৈহেঁতেন।" কংসই ধান দাবলৈ মানুহ পঠিওৱাৰ গোটেই অভিযোগটো ললিতাৰ গাত পৰিলগৈ। আকবৰৰ বাহিৰে ঘৰখনৰ সকলোৱে মনবোৰ পৰিষ্কাৰ হ'ল। আকবৰে বিয়ালৈ মতাৰ খবৰটো শুনিছিলে যদিও সেইটো কথাৰ ওপৰত কোনো গুৰুত্ব দিয়াৰ আৱশ্যক নেদেখিলে। খলিফাই কথাবোৰ ৰূপহীহঁতৰ লগত আলোচনা কৰি থাকোতে মংলা বুঢ়া আহি ওলালেহি হাতৰ লাঠি ডালতে গোৰোহা থৈ খলিফাৰ ওচৰতে বহিলহি। বংশীয়ে কিনি দিয়া চশমাজোৰে আমনিহে কৰিছে। চশমাজোৰ খুলি কোটৰ জেপত ভৰাই ইটো জেপৰ পৰা বিড়ি এমুঠি উলিয়াই খলিফাৰ ফালে আগবঢ়াই দিলে। জুহালত জুই আছেই। জুইশলা কাঠি খৰচ নহয়। ফুলেশ্বৰীৰ গণ্ডগোলখন হোৱাৰে পৰা মংলা খলিফাৰ ঘৰলৈ অহা নাছিল যদিও বিড়ি মুঠি আগবঢ়াই দিওঁতেই খলিফাই বুজি পালে মংলাৰ মন ঠিকেই আছে। বহাৰে পৰা মংলাই ৰূপহীৰ ফালে কেইবাবাৰো চোৱাৰ কাৰণে ছোৱালী সোনকালে দে বুলি মংলাই কয় বুলি সন্দেহ এটা কৰিছিল।

মংলাই বোলে— "দেখ ভাযা, এটা জৰুৰি কথালৈকেনে মই তোৰ' খিন আহিছো। কথাটো কি তইতো জানিছ। মানে হামৰ বেটা-

বলোৰামক কংস বাবু ঘৰৰ পৰা বুলাই নিকেনে তাৰ মেইলত কাম দিছে আৰু বলোৰাম কামত ভৰ্ত্তি হৈছে কাৰণে মইভি ভিক্ষাৰী ঝুলিতো কান্ধৰ পৰা নমাব পাৰিছো। কিন্তু আকাৰ, বংশী সবে মিলি বলোৰামকে টানা ঘিছা কৰি মগা ঝনঝত কৰি দিছে। ঐ দিন তোৰ ঘৰে ধান কাটা গণ্ডগোলৰ সময় উকেৰ মানুষ সবে তাকে দেখিছে।" মংলাৰ ভয় দেখি ৰূপহীয়ে মাত দিলে—"তোমাৰ বেটাই অকলে অৰ নাই, নানা। সেইটো জ্বাপি সজিযাৰ কষ্টিৰনো কাম পোৱা কেইদিন হৈছে আৰু বংশীকাই হঁতৰ লগত নুযুৰিবি বুলি কংসই কোৱাটো সি নামানিলে। আমাৰ ধাননিলৈ সেইদিনা সিও দেখোন আহিছিল। বলোকাযে ভাল কৰিছে নানা। তেওঁ সদায় সেইটো চাকৰি কৰি খাব পাৰিব বুলি ভাৱিছানেকি? কেতিয়াও নোৱাৰে নানা। মিলৰ চাকৰিৰ দৰমহাৰে তেওঁ সংসাৰ এখন কেতিয়াও চলাব নোৱাৰে। আকবৰকাহঁতে মিটিং কৰিছে। বেছিকৈ মাটি থকা খেতি নকৰা মানুহৰ মাটি কাঢ় লবলৈ আৰু মাটি ল'ব পাৰিলে বলোকাৰ ভাগটো দুই তিনি পুৰা মাটি পৰিব। মাটি দুপুৰামান পালে নিজে হালকোৰ বাই হ'লেও বলোকাযে লোকৰ হাতৰ মুখলৈ নোচোৱাকৈ খাব পাৰিব। চাকৰি যায যাব, থাকে থাকিব, বলোকাক তুমি মোক বাধা নকৰিবা ন'না।"

ৰূপহীয়ে কেটলীৰ পৰা চাহ এগিলাচ বাকি গুৰ অকণেৰে মংলালৈ আগবঢ়াই দি আঁতৰি গ'ল। খলিফাই ৰূপহীৰ বুজনি শুনি তবধ মানিলে। তাই বলোৰামৰ লগত বিয়া হোৱাৰ মন আছে আৰু সেই কাৰণেই ভৱিষ্যৎ সিহঁতৰ সংসাৰ এখনৰ কথা ভাবি মংলাক সেইদৰে বুজাইছে। মংলাই বোলে, "চুকুৰিতাৰ কথা শুনিলি, ভাযা। কি জবাব দিবি দে।" খলিফাই বোলে "মই বাৰু তাক গা বছাই ফুৰিবলৈ কম। পিছে ক'লেও কাম নহয় ভায়া। সিহঁতে ইটোৱে সিটোক নেৰে। চাহ খাই উঠি বিড়ি এটা জ্বলাই হাতত লৈ মংলা গ'লগৈ। ৰূপহী ভিতৰ সোমাল। জোৰোণৰ আগদিনা ভোজ খোৱালৈ খলিফাৰ ঘৰত নিমন্ত্ৰণ কৰিছিল

যদিও ভোজনলৈ খলিফাৰ ঘৰৰ কোনো নগ'ল। বিয়ালৈ যোৱাৰো কাৰো ইচ্ছা নাছিল। কিন্তু নীলিমাৰ জোৰোণখন চাবলৈ ৰূপহীৰ বৰ মন গৈছে। নীলিমাজনী দেখিবলৈ এনেয়ে ধুনীয়া তাতে সেইবোৰ দামী দামী কাপোৰ গহনা পাতি পিন্ধিলে তাইক ছাগৈ কিমান ধুনীয়া দেখিব' ডাঙৰ মানুহৰ ঘৰৰ কইনাক হেনো কপালি এচটাও পিন্ধায়। তাই কপালী দেখাই নাই। কপালীলৈ মনত পৰোতেই বেৰত ওলোমাই থোৱা কেলেণ্ডাৰৰ কপালী পিন্ধা ছোৱালীজনীলৈ ৰূপহীৰ চকু পৰিল দেখিবলৈ যেনেকুৱাই নহওঁক কপালী এধাৰ পিন্ধিলে ছোৱালীবোৰক খুব ধুনীয়া দেখি। জালুকনিৰ মজদুৰৰ ছোৱালীবোৰেও পিন্ধে। ৰূপহীয়ে অলংকাৰেৰে পুতি থোৱা কেলেণ্ডাৰৰ ছোৱালীজনীলৈ বহুত সময় চাই থাকিল। প্ৰথমতে খুব ভাল লাগিছিল। কিন্তু হঠাতে তাইৰ মনটো সেমেকি উঠিল। তাই মূৰৰ চুলিৰ পৰা ফনিখন নমাই আনিলে। কেতিয়াও নোৱাৰে। কোনো এটাইও নেৰোৰে। আকবৰ বকুলহঁতৰ কথা বাদেই। এই গাওঁকিখনৰ সকলো মানুহৰ টকা পইচাবোৰ গোটালেও ইমান সোপা অলংকাৰ কিনিব নোৱাৰে। কিন্তু গদাধৰ ৰামধাৰী আৰু তাইৰ মোমায়েকেহে পাৰিব আৰু সিহঁত কিঘৰে পাৰে কাৰণেই আজি নীলিমাই সিমান সোপা অলংকাৰ কাপোৰ কানি পিন্ধিবলৈ পাব। আৰু তাই? প্ৰমিলাহঁত? পিন্ধাৰ কথা বাদেই, জীৱনটোত কিজানি সিমান দামী বস্তু সিহঁতি চুবলৈকে নাপাব। কাৰ ওপৰত ঠিক তাই গম নাপালে, এটা ডাঙৰ অভিযোগ হ'ল। এটা ঈৰ্ষাৰ ভাব জাগি উঠিল। লাহে লাহে তাইৰ মনটো গধুৰ গোমোঠা হৈ পৰিল। পিচফালৰ দুৱাৰ মুখলৈ গৈ কিবা এটা বৈ চাই থাকিলগৈ। তাই চকুৰে কি দেখিছিল তেতিয়া তাই নিজেই ক'ব নোৱাৰে। নিজে যেতিয়া সেইবোৰ বস্তু নেপাই, লোকৰ চাই হা-হুমুনিয়াহ পেলাবলৈ তাই জোৰোণলৈ নাযায়। আধাপেটীয়াকৈ গোটেই জীৱন নাপালো নাখালো বুলি সংসাৰ পতাৰো একো লাভ নাই। লোকৰ হাতৰ মুখলৈ

চাই ঘৰে ঘৰে খোৱা বাচন ধুবলৈ, পেলনীয়া ভাত খাবলৈ, ল'ৰা-ছোৱালীক জন্ম দিয়া একো লাভ হোৱা নাই। ঘৰে ঘৰে ভিক্ষা কৰিবলৈ ল'ৰা-ছোৱালী জন্ম দি দি গাওঁবোৰৰ মানুহবোৰে দিনে দিনে দুখীয়াহে কৰিছে। ইচ্, তাই এই কথাবোৰ কাহানিও ভবাই নাছিল। নাই তাই কেতিয়াও বিয়া নোসোমায়। তাই বলোৰামক কৈ দিব। সিও বিয়া কৰাব নালাগে।

বলোৰাম, সি এটা মনৰ মানুহ। তাইক বিয়া কৰাম বুলি সাহ কৰি সি আকবৰক কৈছিলে যদিও তাই সংসাৰ নবঢায়। বিয়া হ'লে সংসাৰ বাঢিবই। সংসাৰ বাঢিলে সি চম্ভালিব নোৱাৰিব। তাতকৈ তাই তাক কৈ দিব। তাই তাক সদায় ভাল পাই থাকিব। সিও তাইক ভাল পাওঁক, কিন্তু বিয়া নোসোমায। পানীৰ বাল্টিটো থওঁতে শব্দ হ'ল।

চাওঁ এই ৰূপহী, পানী বাল্টি সুমুৱাই নেহি। ৰূপহীযে পানীৰ বাল্টিটো ভিতৰলৈ নিবলৈ ধৰোতে খলিফাই বোলে "তোৰ দেখোন মূৰ আঁচোৰাই হোৱা নাই। যাব যদি সোনকালে যাহঁক।

এৰা যাম বুলি কৈছিলো যদিও নেযাওঁ পাই ববা।" চোতালৰ মূৰৰ বাঁহতলত তিতা মেখেলা-চাদৰ যোৰ মেলি মেলি লেঙেৰীযে বোলে "তই কেইটা কথা কৰ ঐ? তোৰ খছ-খছনিত য'ৰে বন ত'তে এৰি মই গা ধুই আহিলোগৈ। নেযাব যদি আগতে নকলি কেলৈই? মোৰ সমূলি যাবৰ মন নাছিল। তোৰ কাৰণেহে ওলাইছিলো।"

খলিফাই বোলে, তইনো নেযাব কেলৈই? নিজৰ মোমায়েকৰ জীয়েক। অলপ সময থাকি গুচি আহিবি। ভিতৰ নোসোমাবি। বাহিৰে বাহিৰে কিবা কাম-বন থাকে যদি কৰি দিবি। খুৱালে খাবি। নুখুৱালেও নাই। কিন্তু খুজি নাখাবি দেই। তামোল পান দি মাতিছেহি নগলেও বেষা হ'ব, আৰু আজি গ'লেহে বিয়াৰ দিনা যাব যদি যাবলৈ ভাল লাগিব"

খলিফাৰ কথাত লেণ্ডেৰীয়ে কাপোৰ কানি পিন্ধিবলৈ গ'ল। ৰূপহীয়ে ঘৰৰ সমস্যাটোও ভাবি চালে। কিজানি বিয়ালৈ গ'লেই সিহঁত দুঘৰৰ মাজৰ সম্পৰ্কটো ভাল হয়। সেইটো ভাবি ফনিখন আকৌ হাতত তুলি ল'লেগৈ।

মাষ্টৰ আহি খলিফাৰ ওচৰতে মুঢ়া এটা টান মাৰি লৈ বহিলহি। "বিয়া ঘৰৰ ফাললৈ যোৱা হৈছিলনেকি?" বিয়া ঘৰলৈ যোৱাৰ কথা খলিফাই সোধাত মাষ্টৰে বোলে, "তুমি কাক সুধিছাহে?" মোকনে" ? "নহয় বোলো, বোলে উধৰ পৰা মুধলৈকে সকলোকে বিয়ালৈ মাতিছে। আপোনাকনো নমতাকৈ আছেনে? ৰাইজো বোলে ভাগি ভুঁহৰি গৈছে"। "মোক তেওঁ নামাতে বুলি মই জানো, আৰু মাতিলেও মই নাযাওঁ বুলি তেওঁ জানে। ৰাইজ ভাগি-ভুঁহৰি গৈছে বুলি কলা? মই এতিয়া হাঁহিমেই নে কান্দিমেই বুজিব পৰা নাই খলিফা। মইও শুনিছো বিয়াৰ এসপ্তাহৰ আগৰে পৰা ৰাইজক কংসই জেলেপী চেলেকাইছে। গৰম জেলেপী আৰু মিঠাইৰ আশাত ৰাইজ যাবই। পিছে ভদ্ৰলোক বহা ৰভাৰ পৰা আঁতৰাই গাঁৱৰ ৰাইজক তামোলনি বাৰীত সন্মান কৰি যে বেলেগ ৰভা দি খুৱাইছেগৈ সেই সন্মানটো ৰাইজে বুজি পোৱা নাই। ধান খেৰ ঢৰা পাটীত বহা ৰাইজক চকীত বহুৱাই কংসই কৰা ভণ্ডামী খিনিও ৰাইজে বুজি পোৱা নাই। সেই কাৰণেই ভাগি-ভুঁহৰি গৈছে। খোৱাত বনৰ বাঘো সেউ-সেউ হয। ৰাইজখন মানুহ। মানুহ যদিও গাঁৱৰ হোজা সৰল মানুহ। গাঁৱৰ মানুহক ইমানকৈ খুউৱাৰ অন্তৰালত যিখিনি কথা আছে সেইখিনি বুজি পোৱা মানুহ এই অঞ্চলত আছে কেইজন?

"মাষ্টৰে সকলো কথা আওপকীয়াভাৱে লয।" লেণ্ডেৰীয়ে মাত দিলে। "সকলো কথাতে, সকলো সময়তে, মানুহক সন্দেহৰ চকুৰে চোৱাতো আপোনাৰ দস্তুৰেই হৈছে।" লেণ্ডেৰীয়ে খলিফাক ক'লে— আকবৰ আহিলে তাকো বিয়াৰ ঘৰত পাক এটা

মাৰি জলপান এটা খাই আহিবলৈ ক'বা। তোমাৰ কাৰণে চকুতে কালিৰ ভাত দুটামান আছে। হৈ যাব। জোৰোণৰ পৰা আহি ভাত নাৰান্ধোহি দেই।" তাৰ পাছত "যাব যদি আহ" বুলি ৰূপহীক মাত লগাই বাৰীৰ ফালে আগবাঢ়ি গ'ল। ৰূপহীয়ে দৌৰি ওলাই আহি 'চাৰ বহক' বুলি কৈ মাযেক যোৱাৰ ফালে গ'লগৈ। মাষ্টৰে আচলতে ৰূপহীহঁতৰ বিয়া ঘৰলৈ যোৱাটো বন্ধ কৰিম বুলিহে আহিছিল। বন্ধ নহ'ল। ওলাই অহাৰ পাচত লেঙেৰীয়ে মাষ্টৰক যিটো আক্ৰমণ কৰি কথা ক'লে, তাৰ ওপৰত বিয়া ঘৰলৈ নাযাবা বুলি ক'বলৈ মাষ্টৰৰ সাহস নহ'ল। "খলিফা তুমি সিহঁতক পঠিযাই মুৰ্খামি কৰিলা। সেইবোৰ কাপোৰ পিন্ধি সেইখন সমাজলৈ ইন্দ্ৰৰ সভাত ফেঁচু চৰাই ওলোৱাৰ দৰে ওলাবলৈ তেওঁলোক কিয় গৈছে? তেওঁলোকক কোনোবাই ইতিকিং কৰিব, সেইটো আকবৰৰ কাৰণে অপমান হ'ব। সেই অপমান সহ্য কৰিব মইও নোৱাৰো।" মাষ্টৰৰ কথা শুনি খলিফাই বোলে "খাবলৈ যোৱা নাই মাষ্টৰ, চাবলৈহে গৈছে। ইমান ওচৰতে ইমান ডাঙৰ বিয়াখন পাতিছে। তেনেকুৱা এখন বিয়া সিহঁতেনো ক'ত দেখিছে মাষ্টৰ? মাষ্টৰে বুজিলে খলিফাক কৈযো লাভ নাই। কাৰণ তেওঁলোক গ'লেই। এইয়া গাঁৱলীয়া সমাজৰ স্বাভাৱিক সৰলতা আৰু নোপোৱাৰ আকুতি। মাষ্টৰে যাওঁ বুলি ওলাই গুছি গ'ল।

মাষ্টৰ যোৱাৰ পিছত খলিফাই নভবা কথা এটা মূৰত লৈ বিমৰ্ষ হৈ পৰিল। ভাল কাপোৰ-কানি নাছিলেই। সিহঁতক পিন্ধাব পৰা অৱস্থাত খলিফাৰ নাই। গাঁৱৰ মানুহ সকলোৱে তেনেকুৱা কাপোৰ কানিকেই পিন্ধি যাব যদিও লেঙেৰীৰ কথা বেলেগ। তাই কংসৰ ভনীয়েক। কইনাৰ পেহীয়েক। লেঙেৰী ৰূপহীহঁতে সেইটো কথা চিন্তা নকৰিব পাৰে কিন্তু কংসই তাহাঁতক দেখি লাজ পাব। অপমানবোধ কৰিব। কিন্তু ৰূপহীহঁতে? বাযেক-ভনীয়েকহঁতে সুন্দৰকৈ পিন্ধি-উৰি আহি

নিজৰ ঘৰৰ দৰে ব্যস্ত হৈ পৰিব আৰু তাত লেডেৰীয়ে সেইবোৰ দেখি নিজকে ফাপৰে খোৱা কুকুৰৰ দৰে ঘৃণণীয় এটা বস্তু বুলি ভাবিব। বিয়া ঘৰত আজি তাই লতিকা হৈ ঘূৰি ফুৰিলেহেঁতেন।

সোণ-ৰূপৰ চৰুত হাত দি জন্ম হোৱা লতিকাজনীক লেডেৰীহৈ খলিফাৰ ঘৰত জীয়া-যন্ত্ৰণা ভোগ কৰিবলৈ আগবঢাইদি আল্লাই বাৰু কি ভাল বিচাৰটো কৰিলে? সেইকাৰণেই তাই ছাগৈ নাযাওঁ, নাযাওঁ কৰিছিল দেহি।' বিয়া ঘৰত তাইক যদি সেইখন ঘৰৰ তাইৰ আগৰ গাভৰু বয়সৰ মনটোৱে জোকাবি দিয়ে?' হাতৰ জ্বলা বিড়িটোৱে আঙুলি পুৰিলে। বিড়িটো খলিফাই জুইলৈ দলিয়াই দিলে। এতিয়া ভাবিও লাভ নাই। সিহঁতি গলেই। আকবৰে গাধুই কাপোৰ-কানি সলাই 'বৰা চাহ বাকচোন' বুলি কওঁতেই খলিফাৰ চিন্তাৰ আঁতডাল ছিগি গৈছিল। খলিফাই সুদা চাহ এবাতি বাকি দিয়াত আকবৰে মাযেকক মাতিলে। চাহৰ লগত গুৰ অকণো দিয়া নাই। খলিফাই গুৰ আনি আকবৰক দিলেহি। "ভাত হ'ল যদি খাওঁ, ভোক লাগিছে আৰু সোণধৰৰ লগত বিষ্ণুপুৰ বাগিছালৈও যাব লাগে। ইউনিয়নৰ চেক্রেটেৰীয়ে জাপি তিনিশ লম বুলি কৈছে হেনো" "মাযেৰহঁত বিয়া ঘৰৰ জোৰোণখন চাই আহোবুলি গৈছে। কালিৰ ভাত অলপ চৰুতে আছে, ভাত নাৰান্ধোহি বুলি কৈ গৈছে। এৰা, ভাত কেইটা তই খালে মোৰ কাৰণে কোনে ৰান্ধি দিব? ভাতকৈ মাযেৰেও কৈ গৈছে তই বিয়া ঘৰতে পাক এটা মাৰি জলপান এটা খাই যাগৈ।"

মায়েকহঁত বিয়া ঘৰলৈ গৈছে বুলি শুনি আকবৰ জকি উঠিল। "মোক নোকোৱাকৈ মাইহঁত কেনৈ গ'ল?" সিহঁতি নাযাওঁ বুলিয়েই কৈছিল পাই। মইহে বোলো মাতিলে যাব লাগে। সিহঁতি আমাক কৰক বুজিছ, আমি নকৰো। তইও পাকএটা মাৰি দেখাটো দি অহা ভাল হ'ব। নহ'লে কাইলৈ কথা এটা থাকি যাব। মায়েৰহঁত যোৱাৰ

কাৰণে তোৰ খং উঠিছে হয়, পিছে যোৱাৰ কাৰণে উপকাৰো হ'ব। সিদিনা ধান দাবলৈ নিদি তেওঁৰ মানুহ ঘূৰাই পঠিয়ালি। তেওঁ তথাপি খং ৰাগ নকৰি মায়েৰৰ কাৰণেই সহি সামৰি থাকিলে। মায়েৰহঁত যোৱাৰ কাৰণে তেওঁৰ মনটো অলপ পাতল হ'ব। আনহাতেদি 'তেজ ধুলে উটে মঙহ ধুলে মুটে' বুলিও কথা এষাৰ আছে। তেওঁ হেজাৰ নহয় বুলি ক'লেও তই তেওঁৰ ভাগিনীযেক। সেইকাৰণে তইও দেখা এটা দি গুচি অহাটো ভাল হ'ব বুলি ভাবিছো।'

আকবৰৰ ধৈৰ্য্য হেৰাল। তই কিহৰ তেজ মঙহৰ সমন্ধৰ কথাকৈছ অ' ববা? তাৰ ঘৰৰ লাখটকীয়া বিযাত মই গৈ চুক ভেকুলীৰ দৰে বহি থাকিবগৈ লাগে? সিদিনা কলপাতৰ ৰভাদি ভাইটোলৈ ছোৱালী অনা মানুহটোক তই সেইখন বিযালৈ যা বুলি কৈছ কোনটো লাজেৰে?'

বংশী ওলালেহি। 'কি হ'ল অ'? আকবৰ ওলাইছনে? বিযাৰ ঘৰত পাক এটা মাৰি আহো ব'ল। মোক তুবাৰ মাতিছেহি পাই। নগ'লে বৰ বেয়া পাব।' বংশীৰ ধেমালী কৰি কোৱা কথা সুবুদ্ধি খলিফাই বোলে 'মই তাকেই কৈ আছো পাই বংশী। ভিতৰত যিযেই নাথাকক মানুহৰ লগত মিলিজুলি থাকিব লাগে। পাক এটা মাৰি গুছি আহিলে লোকচান নহয়, লাভহে আছে।" খলিফাই শেষ কৰিবলৈ নাপালেই। 'তোৰ মূৰটোৰ মগজসোপা কানিৰ ধেঁাৱাই শুকুৱাই পেলালে। মাইহঁতে নাযাওঁ বুলি কৈছিলে। সি থেলি থেলি পঠিযাই দিলে জানিছ, বংশী। আকৌ কুহুলিযাই কুহুলিযাই মোক যাবলৈ কৈছে।' লেঙেৰীহঁত বিযাঘৰলৈ গ'ল বুলি আকবৰৰ মুখত শুনি বংশাৰ মনটো কিবা লাগি খলিফাক বোলে "ছিঃ ছিঃ দদাই, আমাক নোসোধাকৈ তুমি কি কামটো কৰি পেলালা? বৰ বেযা কামটো কৰিলা দদাই। ছেঃ'

আকবৰে বোলে "সি চল পালেই গিৰাই দিব। ধাননিত গৰু সোমোৱাৰ কথাৰে ফিন্দাইৰ লগত ববাৰ তৰ্কা-তৰ্কি এখন লাগিছিল।

জানিছ বংশী, গৰুৱে পথা চিঙি গৈ তাৰ ধান খাইছিলগৈ। আমিতো তাৰ ধাননিত গৰু সুমুৱাই থৈ অহা নাছিলো। ফিন্দাইযে আহি ববাক ঘৰতে ডিঙিত ধৰিলেহি। তাতে ববাইও তাক দিলে এমাৰ সোধাই। ৰাইজে তাৰ বিচাৰ কৰি ববাক দণ্ড দিলে। তাৰ পিচতো সি মোমাই কুকুৰে ফিন্দাইক ফুচুলাই ফুচুলাই মুছলমানে হিন্দুক মাৰিলে বুলি কেছ, দিযালেগৈ। লোহাৰে ফিন্দাইক মাৰিছে বুলি ডাক্তৰৰ পৰা লিখাই লৈ কেছত জিকি ববাক পাঁচ বছৰ জেল খুৱালে। সিমানখিনি কৰাৰ পাছতো ববাই তাৰ ঘৰলৈ মাইঁতক পঠিযাব লাগেনে তই কছোন, বংশী ?

খলিফাৰ ওপৰতে গোটেই দোষটো জাপি দিযাৰ কাৰণে খলিফাইও আচল মনৰ ভাৰটো বংশীইঁতক খুলি ক'লে। আকবৰক পুলিচে নিয়েছি বুলি খলিফাৰ ৰাতি টোপনি নধৰা হৈছে। পুলিচ থানাৰ শাস্তি আৰু জেলত থকাৰ অভিজ্ঞতাৰ কথা মনত পৰিলেই খলিফাৰ বোলে গা জিকাৰ খাই উঠে। সেইটো শাস্তি আকবৰৰ নহওঁক বুলি কংসৰ মন ভাল লগাবলৈকে লেঙেৰীইঁতক পঠিযালো বুলি কোৱাৰ পিচত বংশীয়ে বোলে, "দদাই, তেল সানিলে সিহঁত শকত হয। সেই জাকটোক ৰঙা চকু দেখুৱাব লাগে। সি আকবৰক পুলিচত কেতিয়াও নিদিযে। কাৰণ তাক পুলিচত দিলে যে বংশী বহি নাথাকে সেইটো সি ভালকৈ জানে। আমাৰ সংগ্ৰামে মাত্র কলিহে পেলাইছে, ভালকৈ পকিবলৈ দিযাচোন। আমি হিংসা নীতি লোৱা নাই আৰু নলওঁ। মুখৰ মাতেৰেই সংগ্ৰাম কৰিম। কিন্তু মুখৰ মাত বন্ধ কৰি দিবলৈ যদি সিহঁতি পুলিচ মিলিটেৰী আনি দমণ পীডন আৰম্ভ কৰে, তেতিযা কিন্তু এৰণ নাই দদাই। আমি কুকুৰ নহয, মানুহ। কুকুৰ এটাকো নাকে মুখে গুৰিয়াই দিলে লাগে সি যিমানেই ভটুৱা কুকুৰ নহওক সি কামুৰিবই।"

বংশীয়ে কথাকৈ থাকোতেই লেঙেৰী আহি কেটলীৰ পৰা চাহ ৰাকি খোৱা দেখি খলিফাৰ মনটোৱে গাজিলে। তাই বিয়া ঘৰত খাবলৈ

নাপালে ছাগৈ। খলিফাই কি হ'ল অ', গুচি আহিলি যে বুলি সুধিলে। লেঙেৰীয়ে খলিফাৰ কথা আওকাণ কৰি আকবৰক ভঁৰালৰ আগৰ বাঁহ দাল ফালি দিবলৈ ক'লে। ভাতৰ চৰুলৈ জুই নিয়ে। ভাত নাৰান্ধোহি বুলি কৈ থোৰা মানুহজনীয়ে চৰুলৈ জুই নিবলৈ ওলাইছে। কি হ'ল সুধিলেও নকয়। বংশীয়ে, "খুৰি তুমি কিন্তু মহা আকৰী হৈ আছা দেই। বিয়া ঘৰলৈ গৈ খালি পেটে অহা আকৰী মানুহ কিজানি পৃথিৱীত নাই।" "হেৰ' সেইবোৰ বিয়াত তোমাৰ মোৰ নিচিনা কেলেহুৱা-মেলেহুৱা বোৰক সোধ-পোচ নকৰে নহয়। নিজৰ ঘৰৰ বিয়াৰ দৰে মানুহৰ লগতে খোৱা ঠাইলৈ সোমাই যাবা। ভালকৈ এবাইচ দি গুচি আহিবা।" "দদাই চাই খুৰী বেচ মিলিলা দেই" "হেৰ প্ৰেজেণ্টৰ কাৰণেহে সিহঁতি মানুহক মাতে। ডাঙৰ ডাঙৰ প্ৰেজেণ্ট লৈ গাড়ী মটৰত যিবোৰ আহে সেইবোৰক সিহঁতি পদুলী মুখৰ পৰাই আগবঢাই নিয়েহি সেইবোৰক এটা কাম কৰিব লাগে দদাই। তামোলৰ বাকলি এসোপা কাগজৰ বাকচ এটাত ভৰাই ৰঙা নীলা কাগজেৰে ভালকৈ বান্ধি প্ৰেজেণ্ট আগবঢাই দিবগৈ লাগে। খোলা মাত্ৰকে নাকত ভোঁ-ভোঁকৈ ফুঁৰ-ফুঁৰিয়া গোন্ধ এটা লগাকৈ পাৰিলে ইবিধ মানে বৰপালিৰ অকণমানো লগতে সুমুৱাই দি থাই বৈ গুচি আহিব লাগে। নহ'লে এই কুকুৰ সৰৰ জ্ঞান নহয়। বিয়া পাতি ব্যৱসায় কৰিছে। তাতকৈ দেখোন জীয়েৰহঁতক গধূলী গধূলী এঘৰ এঘৰত থৈ আহিলেই দিনে বহুত দামী প্ৰেজেণ্ট পাবি। ইহঁতক জ্ঞান দিবলৈ অন্য উপায় নাই দদাই। মানুহ নিমন্ত্ৰণ কৰিলে কি কৰিব লাগে জানিও যি এনেকুৱা ব্যৱহাৰ কৰে সিহঁতক জোতাৰে মাৰিলেও সেই দস্তুৰ নেৰে।"

কথা কওঁতে বংশীৰ খং উঠি আহিছিল। আকবৰৰ মাক তাৰো মাক। সেই মাকক বেয়া ব্যৱহাৰ কৰা তাৰ অসহ্য। "তুমি বিয়াৰ ঘৰত পানী এগিলাচো খাবলৈ নাপালানে? অলপ সময় বৈ চাব লাগিছিল।"

লেঙেৰীয়ে বোলে “তই ঠিকেই কৈছ বংশী। মোৰ ডিঙিটো শুকাই গৈছিল। মই বিয়া ঘৰলৈ গৈ ৰভাখনৰ এদাঁতিত বহি আছিলো। কেলেই বাইভনীহঁতেও মোক জানো তামোল এখন খাইছনে বুলি সুধিব নাপায় ক’চোন? মুখৰ মাত এষাৰেৰে সম্ভাত নকৰ, মইনো কি তহঁতৰ বঢ়া ভাত কাঢ়ি খালো? অজাতিৰ লগত ঘৰ সংসাৰ হোৱাৰ আগলৈকে দেখোন সিহঁতৰ সৈতে একেলগে খাই বৈ ডাঙৰ হৈছিলো। মইনো ইমান আশুচি হলোনে? ইমান অপৰাধী হলোনে? নে তেওঁৰ লগত সংসাৰ পতাৰ কাৰণে মোৰ চকু ফুটিল। বেমাৰী হ’লো, নে ভাত নেখাই মাটি খাবলৈ ধৰিলো? নে মোৰ ল’ৰা-ছোৱালীবোৰেই ভালুক বান্দৰৰ দৰে হ’ল? সেইবোৰ ভাৰি চিন্তি মই এদাঁতিত আও কুকুৰ ভাও লগাদি বহি আছিলো বুজিছ। জোৰোণৰ লগত অহা মাইকী মানুহ জাকৰ কথা-কাণ্ড পিন্ধন-উৰণবোৰ দেখি কিবা নাটক-ভাওনা চোৱাৰ দৰে লাগি নিজৰ মনৰ কথাবোৰ পাহৰি তোক কৈছো মই ভেবা লাগিলো। পিছে আকৌ কি জানো মূৰত শনি উঠিলে, কইনাজনীক ওচৰৰ পৰা চাবৰ মনটো গ’ল। হেজাৰ হ’লেও নিজৰ ভতিজা ছোৱালীজনীক ওচৰৰ পৰা এবাৰ মৰমৰ মাত এষাৰ দিবৰ মন নাযায় জানো কচোন? বহাতে বগুৰা বাই বাই মই গৈ কইনাৰ ওচৰ পালোগৈ। মনভৰি হেপাহ পলুৱাই সজাই থোৱা কইনাজনীক চালো বুইছ। ওচৰতে শৰাইখনত গলপতানে চাপকলিৰ নিচিনা এধাৰ নিপিন্ধোৱাকৈ থোৱা আছিল। মই আকৌ সেইধাৰ হাতেৰে পিটিকি পিটিকি চাইছিলো বুইছ। ক’ৰপৰা জানো আকবৰৰ মামীযেক আহি ”
“এই মোক মামী বুলি নকবি। মামী-চামী মই চিনি নাপাওঁ। মোক সিহঁতৰ নাম নকবি।” আকবৰৰ ধমকখাই লেঙেৰী বৈ গ’ল। আকৌ আৰম্ভ কৰিলে “সেইজনীয়ে শেনটো অহাদি আহি মোৰ হাত খনত ধৰি ভিতৰলৈ মাতি লৈ গ’ল। মই আকৌ বোলো কিবা খাবলৈহে মাতিছে। পিছে তাই মোক কোঠা এটাৰ ভিতৰলৈ নি চুলিকোচাত ধৰি বোলে “তাত তই

কুমন্ত্র কৰিলি নেকি ক'?” তাৰ পিচত মোৰ চুলিকোচা ঘটালি ঘটালি বোলে, “তাত তই কি কৰিছিলি সৈ কাঢ?” মই কইনাজনীক ওচৰৰ পৰা চাইছিলো বুলিযেই ক'লো। তাই মোক একেটা থেলামূৰিতে বগৰাই দিলে। তাৰ পাছত তাই মোৰ চুলি কোচাত ধৰি কোঠাটোত সৈ কাঢ, সৈ কাঢ কৰি চোচোৰাই ফুৰিছিল।” কথাখিনি কৈ লেঙেৰীযে আঁঠুত মূখখন লুকুৱাই সেঙুন চুছিবলৈ আৰম্ভ কৰিলে। শোকত মুখৰ পৰা কথা ওলোৱা নাই। লেঙেৰীৰ অৱস্থা দেখি খলিফাৰ বুকুখনেও উজনি ভাটি কৰিলে।

আকবৰে চাল্লিখনৰ খুটাটোত ধৰি অইনফালে মুখ কৰি ভৰিৰে মাতি খুচৰি আছিল। সি হঠাৎ খুটাটোতে ভুকু এটা মাৰি খণ্ডত ঘূৰা-ঘূৰি কৰি থাকিল। বংশীৰো এই কথাবোৰ শুনি অসহ্য লাগিছিল। তথাপি সি ধৈৰ্য্য ধৰি থাকি বোলে “তাৰ পিচত কি হ'ল কোৱাচোন খুৰী?”

চাদৰৰ আগেৰে চকুপানী মুচি লেঙেৰীযে কন্দনামুৱা হৈ ক'বলৈ আৰম্ভ কৰিলে। “পুহিতা বাযে দেখি চিঞৰি দিলেহি। তেতিযা কোনোবা কোনোবা আহি মোক এৰুৱাই দিছেহি। মইনো কেলেই গৈছিলো” বুলি হুকহুকাই লেঙেৰীযে কান্দিবলৈ ধৰিলে।

আকবৰে ছট্‌ফটাই ঘূৰিযে আছিল। তাৰ বুকুখনে ধপ্‌ধপাইছে। উশাহটো যেন ঘন ঘন হৈছে। তাতে খলিফাই বোলে “তইও লোকৰ অলংকাৰবোৰ চুবলৈ যাব নালাগিছিল ঐ। যি যিমানৰ মানুহ সিমানতে নাথাকি শৰাইত হাত দিবলৈ গৈছিলি কেলেই?” “তই মুখেৰে নামাতিবি য'ত অনিষ্টৰ গুৰি তয়েই। মাযে নেযাওঁ বুলি কোৱা স্বত্বেও তই সিহঁতক থেলি মেলি পঠিয়াই মাইক তই মাৰ খুৱালি। তোৰ যদি কংসলৈ সিমান ভয় আছিল তাৰ ভৰিত তেল সানিবলৈ তই নিজে নগলি কেলেই?” খণ্ডত আকবৰ একোনাই হৈ বাপেকক চিঞৰি চিঞৰি ধমকিব সুৰত কথা কোৱা দেখি বংশীয়ে আকবৰক নণ্ডলা মুখৰ ফালে

টানি লৈ গ'ল। লেণ্ডেৰীয়ে কান্দিয়ে আছিল। তাই ভাল মানুহৰ ঘৰৰ ছোৱালী কাৰণেই হওক, খলিফাই নিজে দন্দ্-হাই ভাল নাপাই কাৰণেই হওক, সেই পৰ্যন্ত খলিফাই লেণ্ডেৰীৰ গাত কোনো দিনেই হাত উঠোৱা নাছিল। অথচ খলিফাইয়ে জোৰোণলৈ পঠিয়াই সমাজৰ মাজত তাইক মাৰ খুৱালে। খলিফাৰ মনটো অনুতাপেৰে ভৰি প'ৰিল। লেণ্ডেৰীক কি বুলি সান্ত্বনা দিব তাকে কৰিবলৈ কোনো কথা বিচাৰি পোৱা নাই। পিচফালেদি ৰূপহী দৌৰি দৌৰি অহা দেখি আকবৰে আৰু কিবা নতুন ঘটনা হৈছে বুলি চোতাল পালেহি।

বংশাইঁতৰ অনুমানেই সঁচা হ'ল। বিয়া ঘৰত জোৰোণৰ চেইন এডাল হেৰাল হেনো আৰু সেই চেইনডাল লেণ্ডেৰীয়ে চুৰ কৰি আনিছে বুলি বিয়া ঘৰত হুৱা-তুৱা লাগিছে হেনো। ৰূপহীয়ে নিজে শুনি আহিছে তাইৰ মামীয়েকে কংসক কান্দি কান্দি কৈছে, "চেইন অইন কোনেও নিয়া নাই, লতিকাইহে নিছে। লগে লগে গৈ তাইক নধৰিলে চেইনডাল লুকুৱাব বুলিও মামীয়েকে কৈছিল। লগে লগে কংসই পুলিচ আনিবলৈ জীপ গাড়ীও পঠিয়াইছে হেনো। খলিফাই উঠি আহি লেণ্ডেৰীৰ ওচৰত বহি মৰমেৰে সুধিলেহি। "'হেৰ' আনিছ যদি তাইৰ হাততে দি পঠাওঁ। নহ'লে মৰিবি কিন্তু। ক' চোন আনিছনেকি ?"

বংশীয়ে বোলে, সিহঁতৰ ঠিকনা নাই। জালত পেলাও বুলি কাপোৰে-কানিয়ে বান্ধি দিবও পাৰে, ওলোমাইও দিব পাৰে। খুৰী তুমি কাপোৰবোৰ জাৰি জোকাৰি চোৱাচোন।" লেণ্ডেৰীয়ে যে চুৰ নকৰে সেইটো বিশ্বাস বংশীৰ আছে কাৰণে আকবৰহঁতক ফান্দত পেলোৱাৰ ষড়যন্ত্ৰ হৈছে বুলি ভাবিলে।

লেণ্ডেৰীয়ে বোলে— "মোৰ কাপোৰ-কানি চাব নালাগে বোপাইহঁত, মই হাতত কটা তামোল এখনো লৈ অনা নাই। কোনোবাইহে বস্তু নিছে। মোৰ নাম এনেয়ে তাই শাখিনীয়ে কৈ দিছে।" লাজ অপমান সকলো

গ'লেই। তাৰ পাচতো পুলিচে যদি লেঙেৰীক থানালৈ নি ভৰাই থয়গৈ।

খলিফাই পাঁচবছৰ দিন বিনা দোষত জেলত পচি মৰি আহিছে। সেইবোৰ কথা ভাবি খলিফাই বোলে "মই কি কৰো এতিয়া হয়নে বংশী' তইতি কিবা উপায় এটা কৰ হেব'। বংশীৰো বুদ্ধি হেৰাল। খলিফাৰ অৱস্থা দেখি আকবৰে কি কৰো, কি নকৰোকৈ চিন্তা কৰিছে। লেঙেৰীয়ে কন্দা নাই। এফালেই চকু থৰ কৰি চাই আছে। নঙলাডাল খুলি মনবৰ আহিছে।

মনবৰ আহিযেই মাত লগালেহি। "হয়নে অ' বোৱাৰী, তইনো এনে তল খাপৰ কামত হাত দিব পাৰনে? যি কৰিলি কৰিলি, চেইনডাল মোৰ হাততে দে। মই মনে মনে দিমগৈ।"

খলিফাই বোলে "তাই চেইন অনা নাই কাইটি। নেখায মৰিম, তথাপি-মই সেইবোৰ কাম কৰিব নোৱাৰো আৰু সিহঁতিও নকৰে।" মনবৰে ভক ভকাই উঠি বোলে 'তই মোক ককাইটি বোল কাৰণে কথাটো শুনি দৌৰ মাৰি আহিছো। চেইনডাল হাতৰ মুঠিত অনা বিয়া ঘৰৰ বহুত মানুহে দেখিছে। সঙ্গে সঙ্গে দি দিয়াটো ভাল বুলি ভাবিহে মই তইঁতক কৈছোহি। পুলিচ আহি লণ্ড-ভণ্ড কৰি বস্তুৰে সৈতে যেতিয়া লৈ যাব, সংসাৰৰ গোটেইখনে তেতিয়া কথাটো গম পাব। তাৰ পাচত তোৰ অৱস্থাটো কি হ'ব? সেইটো মূৰ লৈ তই জীযাই থাকিবি কেনেকৈ?

বংশীয়ে মনবৰক "তুমি পুলিচৰ চোৰাংচোৱা হৈ আহিছানে কংসৰ আলধৰা হৈ কথাবোৰ সুধিছাহি" বুলি যেই ক'লে মনবৰে উগ্ৰমূৰ্ত্তি ধৰি বোলে "মই যিহকে নকৰো সুধিবলৈ তই কোন? তোৰ লগত মই কথা পতা নাই। তই মোৰ কথাত মুখেৰে নামাতিবি।"

বংশীয়ে বোলে, "খুৰীহঁতক ইমানবোৰ কথা সুধিবলৈ তোমাকনো কোনে পাৱৰ দিছে? কৈ দিয়াগৈ, চেইন নিদিযে।" আকবৰে মাত লগালে "চেইন মায়ে আনিছে যদি মাইক পুলিচে নিব্ৰক আৰু পুলিচে যদি মোৰ

ঘৰত চেইন উলিয়াব নোৱাৰে মোমাইৰ মূৰটো কাটি আনি মই ঘৰত ওলোমাই থ'মহি যা কৈ দেগৈ।" আকবৰৰ মূৰ্ত্তি দেখি ৰূপহী আৰু লেঙেৰীয়ে ভয়ত কাওঁ-বাওঁ কৰিবলৈ ধৰিলে। খলিফাৰ ডিঙি শুকাল। মনবৰে কি কওঁ নকওঁকৈ থাকোতেই ৰামধাৰীক লগত লৈ কংস নিজে আহি খলিফাৰ ঘৰত উপস্থিত হ'লহি।

কংস আহি পোৱাৰ লগে লগে বংশীৰ ওপৰত পোতক তোলক বুলি মনবৰে বোলে "চেইন অনাটো হয়। এইটো বংশীয়ে নিজে এইমাত্র কৈছে। বোলে চেইন আনিছে নিদিয়ে। আপুনি তাক সোধক।" কংসই বংশীক একো নুসুধি লেঙেৰীক চিধা-চিধি ধমক দি ক'লে "এই হাৰামজাদি, খাবলৈ পোৱা নাছিলি যদি ভিক্ষা কৰি নাখার কেলৈ? বিয়া ঘৰত ইমানবোৰ মানুহৰ আগত তই মোৰ নাক কাণ কাটিছ। তই বিহ খাই মৰি নাযার কেলেই? ভালে ভালে এতিয়াই এই মুহূর্ত্ততে চেইন বাহিৰ কৰ।"

লেঙেৰীয়ে বোলে, তুমি মোক যি শপত খাবলৈ কোৱা তাতে ধৰি মই শপত খাম। মোৰ ল'ৰা কেইটাৰ মূৰকে খাওঁ। তোমাৰ ঘৰৰ পৰা মই হাতত তামোল এখনো অনা নাই।"

মনবৰে বোলে "তই অনা নাই যদি বংশীয়ে আনিছে নিদিযে বুলি কেনেকৈ ক'লে?"

ৰামধাৰীয়ে বোলে, বংশীৰ হাততে যদি দিছে, বংশী দিলেভিতো হৈ যায়। বৰা চৰমৰ কথা হৈছে বংশী। ইমান দামি চিজ এটা হেৰাই গৈছে, আৰু চবেভি কৈছে কইনাৰ পেহীয়ে হাতত উঠাই লৈছে বুলি বুলি। যদি চেইন আনি থাকিছাতো বেজবৰুৱাৰ হাততে দি দিলেই ঝামালাতো খতম হৈ যায়।"

বংশীয়ে নভবা নিচিন্তাকৈ আনিছে নিদিয়ে— বুলি কৈ বিপদ ঘটাইতে ল'লে। সি ভদ্র ভাবেই উত্তৰ দিলে, "চাওক তেওঁ দদাইৰ,

আগত এবাৰকৈ নহয় দুবাৰ চেইন অনা নাই বুলি কওঁতেই তেওঁ ক'ব নগাঁগীয়া কথা কিছুমান কৈ মানুহ গৰাকীক হাৰাশাস্তি কৰিছেহি। বুঢ়ী এগৰাকীক বিয়ালৈ মাতি কু-মন্ত্ৰ কৰিছে বুলি অনাহকত মাৰ-কিল কৰি লঘু লাঞ্ছনা কৰিছে। তাৰ পিচতো তেওঁক চোৰ বুলি যেয়ে সেয়ে ঘৰতে আহি পীড়ন কৰাতহে মই সেইদৰে কৰলৈ বাধ্য হৈছো। আৰু কি কম কওঁক ?"

খলিফাই বোলে "তাই চেইন অনা নাই বুলি কৈছে ককাইদেউ। মাৰকিল খাই আহি তাই কান্দি কান্দি বতাতেই বহিয়েই আছে। এখোজো লৰচৰ কৰা নাই। চাই যদি তাইৰ কাপোৰ-কানি চাওঁক। ঘৰৰ ভিতৰত সোমাই বাকচ-পত্ৰ যি চাই খুলি চাওঁক। নহ'লে পুলিচ আহে যদি পুলিচ সোমাই কি চায় চাওঁকহি। যি ইচ্ছা কৰক। তাই কিন্তু চেইন অনা নাই বুলি কৈছে।" "মই বিয়ালৈ নাযাওঁ বুলি কৈছিলো। ঘৰৰ মানুহে ঠেলি মেলি পঠিয়াই মোক" বুলি লেডেৰীয়ে কান্দিবলৈ আৰম্ভ কৰিলে।

কংসই পুনৰ দপদপাই উঠিল। "ভাল আমাৰ পুলি হৈ তই বকৰাণীত গৰ্জিলি ! মোৰ আগত কান্দি তই ৰণত জিকিব নোৱাৰাব। খোল, কাপোৰ খোল।" উপায়হীন হৈ লেডেৰীয়ে গাৰ চাদৰখন খুলি দেখুৱাই-ছিলে। ৰাজসভাত দ্ৰৌপদীৰ বস্ত্ৰ হৰণ কৰাৰ দৰেই ইজ্জতহীন ভাবে কংসই কাপোৰ খুলিবলৈ কোৱাত সহ্যৰ সীমা হেৰুৱাই "খবদাৰ খুৰী কাপোৰ নুখুলিবা" বুলি বংশীয়ে এটা হুমকি দিলে। "তোৰ মূৰটো মই কাটি পেলাওঁ" বুলি বেৰৰ পৰা টান মাৰি দা খন আনি আকবৰে কংসক কাটিবলৈ খেদি গ'ল। বংশীয়ে আকবৰক পিচফালৰ পৰা গৰামাৰি ধৰিলেহি। বংশীয়ে আকবৰক ধৰি ৰাখিব পৰা নাই। সি চিঞৰিছে "মই আগত থাকোতে তই মোৰ মাইক অপমান কৰিছ ? মোক তোৰ মূৰটো লাগে। এৰি দে বংশী, মই তাৰ মূৰটো কাটি আনো।" গাৰ চাদৰ ক'ৰবাত পৰি থাকিল। লেডেৰীয়ে আকবৰৰ হাতৰ দাখন কাটি

লৰলৈ জোভা-পোতা কৰিলেগৈ। ৰূপহীয়ে, 'ববা ঐ'' বুলি চিঞৰিবলৈ ধৰিলে। খলিফাই কংসক হাত জোৰ কৰি ঘুৰি যাবলৈ অনুৰোধ কৰিলে। মনবৰ আগতেই পলাইছিল। অৱস্থা দেখি কংসও আতৰি যাবলৈ বাধ্য হ'ল। লোকৰ কাৰণে দাৰ ঘাপ গাত পৰাৰ ভয়ত ৰামধাৰী পিছু হুহকি গৈ গৈ আতৰত ৰৈ আছিল। কংসৰ লগতে তেৰো গলগৈ। কংসে ওলাই যোৱাৰ পিছত খলিফাক আকবৰে গালি শপনি পাৰিবলৈ ধৰিলে। "মাইকী মানুহো জেলত থাকে। বিচাৰত নিৰ্দ্দোষী মানুহে শাস্তি পোৱাৰ প্ৰমাণ খলিফা নিজেই। তেনেস্থলত. মাকৰ কাপোৰ খুলিবলৈ 'খলিফাই কিয় কংসক কৈছিল ? আকবৰৰ ঘৰত আহি চুৰ কৰিছে বুলি কোৱাৰ অধিকাৰ কংসৰ নাই। তাৰ ওপৰত ঘৰ কোবোক কৰিবলৈ অহা মানুহক কাটি পেলোৱাৰ বাহিৰে শাস্তি একো নাই। বংশীয়ে নধৰা হ'লে তিনিওটাকে বলি দিলোহেঁতেন" বুলি একপক্ষীয ভাৱে আকবৰে গুজৰি থাকিল। কাৰো মুখত মাত নাই। আকবৰৰ খং উঠিল। আনকি বংশীয়েও কথ নকয়। খং উঠা অৱস্থাত তাক কথা বুজাবই নোৱাৰি। খলিফা মনে মনে আছিল।

আকবৰে বাৰান্দাৰ খুটা এটাত ধৰি এফালে খঙত ৰৈ আছিল। খলিফাই মাত লগালে "তই যি কৰিলি কৰিলি, কিন্তু এতিয়া সোনকালে ঘৰৰ পৰা আতৰি যা। পুলিচ আহিবই, মাযেৰক নিয়ক নিনিযক তোক কিন্তু কংসই থানালৈ পঠিযাবই নিজৰ গাত নিজে তেজ অকন উলিয়াই লৈ হলেও তেওঁ আকবৰে মাৰিছে বুলি কেছ তৰিব। বংশী, সোনকালে তহঁতি কেনিবা আতৰি থাক গৈ।" বংশীযে বা আকবৰে সেইটো কথা ভবাই নাছিল। ইফালে লেঙেৰীযে 'মই বস্তু অনা নাই যেতিয়া ঘৰত বিচাৰিতো একো নাপায। মোক পুলিচে নিনিয়ে। তই মোৰ কাৰণে চিন্তা নকৰিবি। সোনকালে আঁতৰি গৈ ক'ৰবাত লুকাই থাকগৈ' বুলি আকবৰক ঘৰৰ পৰা যাবলৈ বক্সাকে নিদিলে। আকবৰ আৰু বংশীয়ে আঁতৰি থকাৰ উদ্দেশ্যৰে জালুকনিৰ ফালে গ'লগৈ।

আকবৰহঁত ওলাই যোৱাৰ পিচতে নওলা মুখেদি পুলিচ-চিপাহি কেইটামান দৌৰি যোৱা দেখি ৰূপহীহঁতৰ ঘৰলৈকে আহিছে বুলি সন্ত্ৰাসত খলিফাৰ গাত কঁপনি উঠিল। আকবৰহঁতক খেদি যোৱা নাইতো? ৰূপহীয়ে নওলাৰ মুখলৈ আহি ডিঙি মেলি চালে, আকবৰহঁতক নহয়, অইন কোনোবা ভাল মানুহ এটাকহে ধৰি আনিছে। তাই ঘূৰি আহিল। খলিফাহঁতেও বেৰৰ আৰলৈ চালে, মানুহটোক ৰচিৰে বান্ধি নিছে। ডকাইত। ভাল কাপোৰ কানি পিন্ধা ডেকা মানুহ এটা।

চিপাহী কেইটা পদুলিটো পাৰ হ'ল। পুহিতা বুঢ়ী কোবা-কুবিকৈ পিছলৈ চাই চাই খলিফাৰ ঘৰলৈকে আহিছে। পুহিতাৰ মুখত কথাটো কি সিহঁতে গম পাব। পুহিতা বুঢ়ী আহি ধেৰাই-মেৰাই চোতালত বহিলেহি।

ৰূপহীয়ে বুঢ়ীৰ কি হ'ল সুধিলে।

পুহিতাই বোলে, "নকবি অ'ইহঁত, সেই পুলিচজাকে ঘোঁৰা দৌৰাদি দৌৰি আহি আলিবাটত মোক মহতিয়াই থৈ গ'ল। বোকাতে পৰিছিলোৱেই। ভাগ্য ভাল যেনিবা ঢাপৰ জেওঁৰাখনতে ধৰিলো। সেইটোক দেখিলিনে, নেদেখিলি? পুলিচজাকে সেইটো কংসৰ ছোৱালী চোৰটোক ধৰি লৈ গৈছে। চাওঁ মোক বটাটো দে আই, তামোল এখন মুখত ভৰাই নললে মোৰ মাতেই নোলায়, আইহঁত"। তামোলৰ বটাৰ প্ৰয়োজনবোধ লেঙেৰীয়ে ইমান সময়ে পাহৰি আছিল। ৰূপহীয়ে বটাটো গোটাই দিলেহি।

তামোল চকলিযা, চকলিয়াই পুহিতাই কিবা এটা কব খোজোতেই লেঙেৰীয়ে সুধিলে, "বাইতি, তুমি বিযাৰ ঘৰতহে আছিলা? পুলিচৰ খেদা খাবলৈ এইফালেনো কেনি আহিছিলা?" "কলৈ আহিছিলো সুধিছ? তোৰ ও'ৰলৈকে আহিছিলো। সেইকালে সাকোঁডাল পাৰ হবলৈ ভয় লাগি বোলো বোকাপানী যদিও আলি বাটেদিয়ে যাওঁ। চেইন ডাল নিয়া চোৰটো ধৰা পৰিল নহয়।" "কোনে নিছিলে? ক'ত ধৰা পৰিল?" বুলি ব্যগ্ৰতাৰে

ৰূপহী আৰু লেণ্ডেৰীয়ে একেলগে পুহিতাক সুধিলে।

“কোন হ'ব আৰু? কন্যাই নিজেই লুকুৱাই থৈছিল। তইঁতি উবা-জুবা নকৰিবি। মই সব কথা কম। পুহিতাই তামোলখন ভালকৈ পকতিয়াই ৰস গিলি লৈ আকৌ ক'লে, “সেই-টোক চোৰ ধৰাৰ খদম্‌দম্‌খন লাগোতেই মই বোলো থাপতে ভালকৈ জলপান এটাকে খাই লওঁ। নকৈছো, য'ৰে ৰসগোল্লা, মিঠাই দৈ ক্ৰিৰিম নেকি, সেইবোৰ, খোৱা পাততে এৰি মানুহখন ইফালে গৈছে, সিফালে গৈছে। সুবিধা পাই নিজহাতে ঘোকাজ্ঞালি মাৰি খালো। মাৰচনি, থাওঁকতে একোছ এইবোৰ কটি, ৰসগোল্লা মিঠাই লৈ ওলাই গুচি আহিলোঁ। মোৰ কাপোৰ কানিবোৰ তিতা-দেখি মই পানীত পৰিছিলো বুলি ভাবিছইঁক নেকি? নহয় ঐ কাপোৰত এইবোৰ ৰসগোল্লাৰ ৰস, আইহঁত। খাবি ৰহ। গোটেইখনে খাবিহঁক। মই কথাবোৰ কৈ লওঁ। ইমানবোৰ ৰসগোল্লা নাতি কেইটালৈ নিনিও পায। খাবলৈ নোপোৱা ল'ৰা। নোপোৱাই পোৱাদি খায দিব লাগিলে পেট ছেৰেলিবাই ধুন দেখুৱাব। ৰবি তাৰ পিচত এ সেইখন ক'বলৈ হ'লে এহালিছা বকিব লাগিব। নকৈছো, এখন মহাভাৰত হ'ব।”

ৰূপহীয়ে বোলে— মহাভাৰতখন গাব নালাগে। কইনাজনীয়েনো তাইক জোৰোণত দিয়া চেইনডাল কেলেই লুকুৱাই থৈছিলে, সেইটো আগতে কোৱাচোন, জেঠাই। “সেই তাকেহে কওঁ বুলিছো আই। তাই পলাই যাবৰ কাৰণে সেইখন ফান্দি পাতিছিলে। জোৰোণৰ বস্তু সোপাকে লৈ কোনোবা কেয়াঁ মাৰোৱাৰী ল'ৰা এটাৰ লগত তাই হুলস্থুলৰ মাজতে পলাই গৈছিলেই। চেইন বিচাৰি বাপেক আহক তইঁতৰ ঘৰলৈ। সিফালে তাই ধেপধেপি এখনত উঠি মাৰোৱাৰীটোৰ লগত গলগৈয়ে। শিশুপালে ৰুক্মিনীক নিয়াদি মাৰোৱাৰীয়ে ধেপধেপিত তুলি ভালে ছোৱা বাট ছোৱালী নিছিলেই। বাটতে ধেপধেপিখন ধেপ ধেপাই বৈ গ'ল হেনো।

ইফালে তইঁতক চোৰ ধৰিবলৈ অহা পুলিচে তাতে পাওঁক। মোমায়েকটো পুলিচৰ গাড়ীৰপৰা নামি আহি ধৰক হালকে। ইফালে দৰাঘৰীয়াই লগালে হুলস্থুল। ছোৱালী নিনিয়েই, জোৰোণৰ বস্তুবোৰহে লাগে। পুলিচে জীপ গাড়ীত তুলি কইনা আৰু কেঞা মাৰোৱাৰী ল'ৰাটোক লৈ আহিছিল। কংসৰ ঘৰৰ ওচৰ পাই জীপগাড়ীৰ পৰা সেই ল'ৰাটোৱে আকৌ মাৰিলে লৰ। পুলিচে পাচে পাচে নিলে খেদি। সি শিয়াল বাগি দি কেনিবা লুকাল। ফাকতে মই টোৰোক টোৰোক কৈ পাৰ হৈ গুচি আহিছিলো পায। তাৰ পিচত জানো কোন ফালেদি কেনি আহি মোৰ আগেদিযেই ল'ৰাটো লৰমাৰি পাৰ হৈ গৈছিল। কথা সিমানখিনিযেই। তই চাগৈ সেই দাংকাটিজনীৰ চৰ ঘোঁচা কেইটাহে খালি ? খা, এইবোৰ কন্যায়েৰেঁ নুখুৱালে যদিও মইয়ে তোৰ ঘৰত আনি খুৱাইছো" বুলি হাহিঁ হাঁহি কোচৰ পৰা কটি এজাপ আৰু ৰসগোল্লা কেইটামান ৰূপহীৰ হাতত পুহিতাই গুজি দিলে। ৰূপহীযে নলয়।

খলিফাই বোলে, "ল খাবিহঁক। এনেয়েও চোৰ নাম পালিয়েই যেতিয়া খাই থবি।" ৰূপহীয়ে কাহী এখনত কটিখিনি আৰু ৰসগোল্লাখিনি লৈ ভিতৰত থলেগৈ। "আৰু বা কি হয় এথোন, ঠিকনা নাই পায়। এনেখন বিয়া মই দেখাও নাই, শুনাও নাই। বুজিছ খলিফা, বিয়া হওঁকেই বা নহ'ওকেই ৰাইজে কালি ভোজতো হ'লে বাৰুকৈ খালে। তাৰ এইয়া একোকে হোৱা নাই। আৰু হ'ব, তই চাই থাক। সি মোক ইমানকৈ হাতে ভৰিয়ে ধৰাতো পেঞ্চনটো নিদিলে। মই তাক পৰি পৰি শাওঁ দিছো। তাৰ গাত বৰ বেমাৰ দেখা দিযক। যাওঁ আইহঁত থাকিবি। মন-চন বেয়া নকৰিবি। দুখীয়া মানুহ, এইবোৰ আমি সহিবই লাগিব। খলিফা বহিবি দেই," বুলি বুঢী গ'লগৈ।

কেঁডেৰীক চোৰ ধৰাৰ পোন্ধৰ দিন মানৰ পাছত এদিন বংশীৰ দদায়েক ভূধৰে লক্ষ্মীক পঠিয়াই বিশেষ কথা এটাৰ কাৰণে বংশীক মাতি

পঠিয়ালে। মিলন, ভূধৰ, ৰহেশ্বৰ, বুঢাহঁতে ভূধৰৰ ঘৰতে বহি বংশীৰ কাৰণে ৰৈ আছে বুলি লক্ষ্মীয়ে কৈ যোৱাৰ পিচত বংশীয়ে কোৰখন এৰি অলপ সময় চিন্তা কৰিলে। সোনকালে গৈ অহাহে ভাল হ'ব। বোধহয় সি মণ্ডলাৰ ঘৰত থকাৰ বিষয়েই ৰাজহুৱা ভাৱে তাক কিবা-কিবি কব। অথবা ছোৱালীজনী বিয়া কৰোৱাৰ কথাও ক'ব পাৰে। সি পেণ্ট্‌টো পিন্ধি গাৰ বনিয়নটোৰ সৈতেই পথাৰেদি ভূধৰৰ ঘৰলৈ পোনাই দিলে। মনবৰেও কিবা চল-চক্রান্ত কৰি বুঢা কেইজনৰ হতুৱাই সিহঁতৰ কামত বাধা কৰাব পাৰে। কংসৰ মিলতে চাকৰি কৰাব কথা এদিন ভূধৰেও কৈছিল। সেইটোও হ'ব পাৰে। চাকৰি কৰ বুলি কলেই সি চাকৰিত নোসোমায। কাৰণ মুহিৰাম, চক্ৰেহঁতৰ দৰে বহুত ল'ৰাক চাকৰি দিম দিম বুলি কংসই চাকৰি দিয়া নাই বুলি সি ভালকৈ জানে। দিও বুলিলে বহুত ল'ৰাক সি চাকৰি দিব পাৰে। নিদিয়ে, উপাৰ্জনৰ ৰাষ্টা বিচাৰি নাপালে ডেকা ল'ৰাই বদমাচি কৰি ডকা-হকা দিবই। ল'ৰাবোৰ আচলতে বেয়া নহয। অৱস্থাইহে সিহঁতক গুন্দামী বদমাছি কৰিবলৈ বাধ্য কৰিছে। অন্ততঃ নগৰৰ ল'ৰাতকৈ গাঁৱৰ ল'ৰা এতিয়াও বহুত কথাত ভালহে আছে। বুঢাজাকে ধৰ্ম্মৰ মায়াজালত মেৰ খাই ঘুৰিলে, পুতেক নাতিয়েকহঁতে উদ্ভণ্ডালি কৰি ফুৰিবই। নাই মাটি বাৰী, নাই পঢা-শুনা, নাই এটা ক্লাবঘৰ। সিহঁত ক'ত মৰিবগৈ? পিছে উদ্ভণ্ডালি বাটৰ মানুহক নকৰি চাকৰি নিদিয়া কেইটাৰ ওপৰত কৰা হ'লে ৰাইজখনৰ বহুত উপকাৰ হ'লহেঁতেন। আজিকালি সি কিবা এটা কথা ভাবিলেই সমাজৰ কথালৈ কথাবোৰ বাগৰি যায। এনেকৈ সিনো কি পঢা শুনা থকা ল'ৰাটো? মাইনৰ পাছহে। জাকে জাকে এম-এ, বি-এ পাছ কৰা মানুহ নগৰ বিলাকত আছে। সিহঁতিচোন এইবোৰ কথা মনলৈ আনিলে খুব ভালকৈ চিন্তা কৰিব পাৰিব। কিন্তু নকৰে কিয়। নগৰতচোন ভালেখিনি গাঁৱৰ ল'ৰা আছেগৈ। গাঁৱৰ মানুহে কান্ধত ভাৰলৈ বস্তু বেচি বেচি ল'ৰাক পঢায় আৰু সেই ল'ৰা ই

চাকৰি পালে নগৰলৈ গুচি যায়। নগৰত ঘৰ সাজিলেই বাপেক মাকলৈ পাহৰে। গাঁৱলৈ পাহৰে।

ভূধৰে পঞ্চুলিত ওলাই বংশীলৈ চাই আছে। সিতো অলপো দোৰ নকৰাকৈ গুচি আহিছে। পথাৰেদি অগৰ কাৰণে সোনকালে পালেহি। বংশী ভূধৰৰ চোতাল পোৱাৰ লগে লগে দিহিঙিয়াই বোলে – তোলৈ আমি বৈহে আছো, আহ। দিহিঙিয়া বুঢ়াৰ পিছে পিছে বংশীও ভিতৰত সোমাল। মুঠি ধান এসোপা বাহিৰ ঘৰটোৰ বিচনাখনৰ মূৰৰ শিতানৰ ফালে দমাই থৈছে। কঠিয়াৰ ধান হ'ব পায়। মাজৰ মুকলি টুকুৰাৰ খুটাঁতোতে আউজি ৰহেশ্বৰ বুঢ়া বহি আছে। বিনন্দ, লক্ষ্মীহঁতে পিৰালিত থিয় হৈ বোধহয় কথা শুনিবলৈকে বৈ আছে। ঢৰা কিখনত মিলন আৰু দিহিঙীয়া বুঢ়া বহি আছে। থৰা এখন লৈ বংশী বহিল। গুণদাই মূৰত ওৰণী লৈ বটাটোত তামোল পান কেইটামান থৈ গ'লহি। জোনাকী মাহীও আছেহি। নৰ্মদাকো ওলাই আহি আকৌ ভিতৰলৈ যোৱা বংশীয়ে দেখিলে। জোনাকী আহি "ভালে আছেনে বংশী" বুলি মাত এবাৰো দি গ'ল। বংশীক নৰ্মদাৰ কথাৰ কাৰণেই মাতি অনাটো তাৰ মনত দৃঢ় হ'ল। "তোক আমি কেলেই মাতিলো তই ছাগে গম পাইছই? তই পৰদেশত যি কৰিছিলি নকৰিলি আমি সেইবোৰ খুচৰিবলৈ নাযাও, কিন্তু গাৱঁৰ সমাজলৈ আহিলি যেতিয়া সমাজৰ বান্ধ ৰাখি তই চলিব লাগিব।"

মিলনৰ কথাৰ মাজতে ধৰি দিহিঙীয়াই বোলে, "একালত আমিও তোৰ দৰে দ, বাম সমান কৰি ফুৰিছিলো। এতিয়া জানো পাৰিম? তোৰো সেইটোৱেই কথা। তই এতিয়া গুৰুৰ ঘৰলৈ যাব লাগিব। প্ৰধানকৈ নিধি কৰাইটিৰ ল'ৰা হৈ তই জালুকণিত বাঁহ লোৱাটো বংশৰ অপমান, গাঁৱৰ অপমান হৈছে। আৰু সেই মজদুৰ ছোৱালীজনীৰ লগত তই চপনীয়া চাপিলিগৈ, সেই কথাটোৰ কাৰণে আমি কিন্তু অন্তৰত বৰ দুখ পাইছো, বোপাই।"

ভূধৰে বোলে "তই ৰাইজৰ কথা মানিবিনে নামান সেইটো কথা আগতে কৈ ল।" কথাটো কি নজনাকৈ বংশীয়ে মানিম বুলি কবলৈ টান পালে। ৰাইজে যদি নৰ্মদাক বিয়া কৰাবলৈ তাক জোৰ কৰি ধৰে? অসম্ভৱ কথা। সি ৰাইজে কলেই সেইটো কথা মানি নলয়। ক্ষন্তেক মনে মনে থাকি ৰাইজলৈ নোচোৱাকৈ তলমূৰ কৰি সি ক'লে,।

"ৰাইজক মই মূৰৰ ওপৰত তুলি ৰাখিছো। ৰাখিছো বুলিও মূৰৰ ওপৰত থকা ৰাইজে অযুক্তি কথা ক'লে কিন্তু মই নামানিম।" বংশীৰ কথাত ভূধৰৰ খঙেই উঠিল।

"মানিলে মানিবি নেমানিলে তই বাহিৰ হবি, তথাপি ৰাইজে কব লগীয়াটো তোক কবই।" "তইনো কি কথাটো কৈছ দদাই? সেই বোলেই অযুক্তি কথা। কিহৰ বাহিৰ হোৱাৰ কথা কৈছ? জীয়াই থাকোতে খাইছনে বুলি নোসোধা মানুহৰ কান্ধত উঠি মৰিশালিলৈ যাবলৈ মোৰ মন নাই।" দিহিঙ্গিয়াই গোজ গোজাই উঠিলে, "এ তইনো কি মহা পণ্ডিতটো হৈ আহিলি অ' বোপাই? আমি মুখেৰে কথাটো উলিয়াবলৈ নৌ পাওঁতেই এহালিছা বকি দিছ। গাঁওখনৰ বয়সীয়া মানুহ হিচাপেহে তোক কৈছো দেই। মানিলে দদাই বুলি মানিবি, আৰু নামানিলে নামানিবিয়েই।" ৰহেশ্বৰ বুঢ়াই বোলে "আমি শুনা মতে মণ্ডলাবুঢ়াৰ ঘৰত থকা ছোৱালীজনী বোলে আজি বাদে কালিলৈ ল'ৰাৰ মাকেই হ'ব। কথাটো বাৰু সচাঁনে?" বংশীয়ে সচাঁ বুলি ক'লে 'এবা জুই নোহোৱাকৈ ধোঁৱানো ক'ৰ পৰা ওলাব?"

মিলনে বোলে, "যিটো হ'ল সেইটো নোহোৱা কৰিব নোৱাৰি। আৰু আমি জীয়াই থাকোতে তোক গেৰেকণিত পৰি থাকিবলৈও দিব নোৱাৰো। সেই কাৰণে তইঁত হালকে এদিন গোঁসাই-ঈশ্বৰৰ ওচৰলৈ লৈ যাব খুজিছো, দদায়েৰে সত্ৰলৈ গৈ কথা পাতিও আহিছে গৈ।" ভূধৰে বোলে "মোক বাপেৰ বুলি তই নাভাবই। তই নাভাবিলেও মোৰ ল'ৰা

কেইটাৰ লগৰে তোকো এটা বুলি মই ভাবি আছো আৰু সেই কাৰণেই এইখিনি কৰিছো। তই কথাটো ভাবি-চিন্তি চা। যদি তাইক এৰিব পাৰ অইন এজনীক বন্দৱস্ত কৰি দিওঁ। সেইবোৰেই যুক্তিৰ কথা। তাকে কৰলৈ তোক বুঢা কিজনে মাতি আনিছে।" ফুলেশ্বৰীৰ গৰ্ভৰ সন্তানটোৰ বাপেক বংশী বুলি এটা ধাৰণা কৰি সিহঁত দুটাক জাতলৈ তুলি আনিবৰ কাৰণে গোসাঁইৰ ওচৰলৈ সিহঁতক নিব। ৰাইজে ভিতৰৰ কথাবোৰ নাজানে, কিন্তু ফুলেশ্বৰীৰ সৈতে তাৰ কোনো সম্পৰ্ক হোৱা নাই বুলি সি সঁচা কথাটো কৈ দিলেও বিপদ আছে। কাৰণ নৰ্মদা আৰু মাকক মাতি আনি ৰাখিছে। ফুলেশ্বৰীক এৰি দিম বুলি ক'লেই "তই নৰ্মদাক বিয়া কৰাব লাগিব" বুলি ৰাইজে তাক জোৰ কৰি ধৰিব কিন্তু দুখীয়া বাৰী মানুহৰ ছোৱালী হ'ল বুলিয়ে বদনামি ল'ৰা এটাৰ লগতো তাই বিয়া সোমাবলৈ আহিছে কিয়?" তাৰ টকা পইচা থকাৰ কাৰণে কিবা লেতি-পেতি কৰি বদনামত পৰা ছোৱালী নহয়তো? যিয়েই নহওঁক এতিয়া অপেশ্বৰী এজনী হলেও সি বিয়া নকৰায়।

বংশীয়ে তলমূৰ কৰি চিন্তা কৰি থকা দেখি মিলনে বোলে, "তই চুপ মাৰি বহি থাকিলি? ৰাইজ কামে কামে যাব লাগে নহয়।" বংশীয়ে বোলে, "মই চিন্তা কৰি চাই গধুলীকৈ দদাইক কৈ যামহি বাৰু" বুলি বহাৰ পৰা উঠিল। জোনাকীক, 'মাহী ভাললে" বুলি মাত লগলে আৰু গুণদাই কিবা কথা কয় বুলি কৰলৈ সুবিধা নিদিয়াকৈ সি ওলাই গুছি গ'ল। ভাত খোৱাৰ সময়। কিন্তু ভৰ দুপৰীয়া তাক ভাত খাই যা বুলি দদায়েক খুৰীয়েক কোনেও নকলে। অৱশ্যে সি সমাজৰ নীতি নিয়ম ভাঙিছে, উদ্ধাৰ নোহোৱাকৈ তাক ভিতৰত ভাত খুৱাবও নোৱাৰে। ৰাইজে ধৰিব। গুণদাই কোনো দিনেই তাক আপোনভাৱে লব নোবাৰিলে। এম, ই, পাছ কৰি হাইস্কুলত নাম লগাবলৈ সি বাযেকৰ পৰা পইচা আনিছিল। পইচা খিনি হেৰাল। হেৰাল মানে গুণদাই লুকুৱালে। ভূধৰে পইচা যোগাৰ কৰি নাম লগাই দিব খুজিছিল। ৭/৮ মাইল দূৰ গৈ স্কুল পঢ়ি ঘৰৰ কাম

নকৰিলে সদায় কোনে খুৱাব বুলি গুণদাই ভূধৰক বাধা কৰিলে। চাম-গুৰিলৈ গৈ বিবেকা মাষ্টৰৰ পৰা সি পইচা আনিছিলগৈ। সেইখিনিও বিনন্দই জুৱা খেলি শেষ কৰিলে। বংশী শ্ৰেণীত সদায় প্ৰথম হয়। ইপিনে লক্ষ্মীয়ে আকৌ স্কুলকে এৰি দিলে। হাইস্কুলত পঢ়ি পাচ কৰি বংশী ডাঙৰ মানুহ হব। সেইটো গুণদাৰ সহ্য নহয়। মাষ্টৰে তেওঁৰ ঘৰত ৰাখি পঢ়াম বুলি বংশীক মাতিছিলে। বামুণৰ ঘৰত চাকৰ খাতি বৰ মানুহ হব নালাগে বুলি তাক যাবলৈ নিদিলে। পঢ়িব নোৱাৰি সেই বছৰটো বংশীৰ কি অৱস্থা হৈছিল তাৰ মনৰ পৰা সেইটো কথা নাযায়। ফুটবলৰ টিমটোকে গঠন কৰি নোলোৱা হ'লে সি যে কি হ'লহেঁতেন। ফৌজীলৈ যোৱাৰ আগৰ সেই চাৰি পাঁচ বছৰ তাৰ মাতে ভাতে সমান হৈছিল। দদাই ভাল হোৱা হলে খুড়ীয়ে সিমান মইমতালি কৰিব পাৰেনে? এতিয়াহে সি বুজিছে দাতিখিনি আছে কাৰণেহে মতামানুহ তাৰ দদায়েক। সেই কাৰণে খুড়ী-য়েকৰ কথাত উঠ-বহ কৰিবলগীয়া হৈছে। সেইটো দদায়েকেই গোসাঁইৰ ওচৰলৈ নি ফুলেশ্বৰীৰ সৈতে তাৰ বিয়া পাতি দিব। ফুলেশ্বৰীক এৰিব পাৰিলে নৰ্মদাৰ লগত। জেনোকী মাহী আৰু নৰ্মদাক বোধহয় সেইকাৰণেই মাতি আনিছিলে। ফুলেশ্বৰীক যে সি ৰখা নাই, কথাটো তাৰ মুখৰ পৰা নোলোৱাৰ কাৰণে খুব ভাল হ'ল। সি কথাটো কৈ দিয়া হলেই ৰামধাৰীৰ নামটো বাহিৰ হৈ গলহেঁতেন আৰু ৰামধাৰীয়ে গম পোৱা হলেই সকলো বৰবাদ হলহেঁতেন। খুউব সুন্দৰ সুবিধা এটা ওলাইছে। গোসাঁইৰ ওচৰলৈ ফুলেশ্বৰীক মণ্ডলাৰ সৈতে সি লৈ যাব। তাইৰ হতুৱাই গোসাঁইক, ৰামধাৰী আৰু কংসই কৰা অত্যাচাৰ খিনিৰ কথা কোৱাব পাৰিলে ৰাইজক ৰামধাৰী-হঁতৰ বিপক্ষে টানিব পাৰিব। গোসাঁয়ে ৰামধাৰীৰ ওপৰত বিচাৰ কৰি তাইক তাৰ হাতত গটাই দিবই লাগিব। সিহঁতে গোসাঁইক হেঁচামাৰি ধৰিব। য'তে ইচ্ছা ততেই বাট। ফুলেশ্বৰীৰ সমস্যাটো কেনেকৈ সমাধান কৰা হয় সি সদায় ভাবি আছিল কাৰণেই সুবিধাটো আহিল। আৰুবৰ বকুল আটাই কেইটাকে গোসাঁইৰ ওচৰলৈ যাওঁতে লগত লৈ যাব।

বংশীক বাহি শ হ'বলৈ নিদিয়ে। সি মৰাৰ পাচত গায়নে বায়নে চাঙীৰ ওপৰত তুলি তাক শ্মশানলৈ নিব। তাৰ হাঁহি উঠিল। হেৰ, মৰাশটোক সেইটো সন্মান কেলেই? কিবা কৰ যদি জীয়াই থাকোতেই কৰ। এইখিনি মানুহেই হেনো খলিফাক লেঙেৰীৰ সৈতে গাঁৱত নিকাহ কৰাৰ কথালৈ কিবা-কিবি কৈ হকা বাধা কৰিছিলে। যাৰ ফলত তেওঁলোকৰ নিকাহো ন'হল, বিযাও ন'হল। নিকাহ-বিয়া একো নোহোৱাকৈও যে ল'ৰা-ছোৱালী হল? লেঙেৰীয়ে হেনো মুছলমান ধৰ্ম্ম লবলৈ মন নকৰিছিলে। নললে পিছে কি হানিটো হ'ল? কোনো ধৰ্ম্ম নোহোৱাকৈ গাঁৱৰ মাজতে আকবৰহঁত জন্ম হ'লদেখোন? আকবৰহঁতৰ প্ৰকৃততে কোনো ধৰ্ম্মই নাই। এক প্ৰকাৰে ভালেই হ'ল। হিন্দুও নহয় মুছলমানো নহয়। সিহঁত মানুহ জন্ম হ'ল। জাতি ভেদ ধৰ্ম্ম সম্প্ৰদায় ভাগ ভাগ কৰি চলি থকা এই সমাজখনতে সঁচা অৰ্থত তেজ-মঙহৰ মানুহ জন্ম হ'ল। সাম্প্ৰদায়িকতাৰ বীজবোৰ কোনেও ক'ব নোৱাৰাকৈ এইদৰে এদিন শেষ হৈ যাবগৈ নেকি? লাহে লাহে হৈছেই। যাওঁতে বিভিন্ন চিন্তা লৈ গৈ ভূধৰৰ ঘৰৰ পৰা ঘূৰি অ'াহোতে তাৰ মনটো খুব ভাল লাগি আহিছে। ঘৰ পাই সি কথাবোৰ ক'বলৈ বকুল, বলোৰাম হঁতক পাব লাগিছিল। সেইসময়ত ঘৰত ফুলেশ্বৰীৰ বাহিৰে কোনো নাছিল।

* * * *

॥ আঠ ॥

দুফালে দুখন গেট দিয়া প্ৰকাণ্ড হাউলীটোৱে জগন্নাথ বেজবৰুৱাৰ দিনৰে পুৰণা ঘৰটো। গোঁসাই ঘৰটোৰ মুধৰ মৌজাদাৰে খাজনা লোৱা ঘৰটো এতিয়া গাড়ীৰ গেৰেজ কৰি লৈছে। হাফৱাল দিয়া ঘৰ যদিও এতিয়াও এসময়ৰ গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশ এটালৈ ঘৰটোৱে মনত পেলাই দিয়ে। পলাশ, অশোক, বেলগছবোৰে পুৰণি দিনৰ পূজা সেৱাৰ পৰিবেশ এটা যে পৰিয়ালটোও আছিল সেইটো কথালৈও মানুহৰ দৃষ্টি আকৰ্ষণ

কৰে। সেই গছবোৰত বাৰ্দ্ধক্যৰ চাপ ভালকৈয়ে পৰিছে। কিছুদিনৰ আগতে বিয়া হোৱাৰ কাৰণে ঘৰটোৰ আগফালখন মুকলি মুকলি লাগিছে।

ললিতাই হাতত শোতা এটা লৈ বাহিৰৰ বেৰত মকৰা নে ছেলা কিবা এটা জপিয়াই জপিয়াই মাৰিবলৈ চেষ্টা কৰিছিল। হঠাৎ ভিতৰৰ পৰা জগন্নাথ ওলাই আহোতে শোতাৰ কোব জগন্নাথৰ চকুৰে মুখে লাগিল। জগন্নাথে চকু মেলিব নোৱাৰা হৈ চকী এখনতে বহি ললিতাক খণ্ডত কিবা-কিবি কৈ চকু মোহাৰিছিল। জগন্নাথ, কংস বেজবৰুৱাৰ নিজৰ ঘৰৰ মানুহ। তেওঁৰ মুখত শোতাৰে কোবাই দি ললিতা ভয়ত থৰ লাগিছিল। জগন্নাথে তেওঁৰ চকুত কিবা সোমাই আছেনেকি ললিতাক চাবলৈ ক'লে। ভয়ে সঙ্কোচে ললিতাই জগন্নাথৰ চকুৰ কুটা চাদৰৰ আগেৰে উলিয়াব খুজিছিল। তাই জগন্নাথৰ চকু মেলি ধৰি ধৰি জুপি জুপি চকুত কিবা সোমাই আছে নেকি চাই থাকোতেই হাতত কুঠাৰ এখন লৈ খৰিফালিবলৈ বুলি ভিতৰৰ পৰা লীলা ওলাই আহি ললিতাক সেইদৰে থকা দেখি, সন্দেহবাদী লীলাই খণ্ডত উগ্ৰমূৰ্ত্তি ধৰিলে। "কি কৰিছ ?" বুলি লীলাই সোধাৰ লগে লগে ললিতাই উছাপ খাই উঠি আঁতৰি গ'ল। তাই সেপ ঢুকি ঢুকি ক'লে যে তাই বেৰ সাৰি থাকোতে তেওঁৰ চকুত শোতাটো সোমালে আৰু তাকে তাই চাইছিলে।

লীলাই বোলে, "মোক তই অকৰা পাইছ ? ইমান ডাঙৰ শোতাটো চকুত সোমাই আছিল, তাকে তই জুপি জুপি চাইছিলি ? হাৰামজাদী ! তোৰ হাতত সেইটো কোনটো বাপেৰৰ মূৰ ?" জগন্নাথে বুজিলে লীলাই তেওঁক সন্দেহ কৰিহে সেইদৰে জ্বলি উঠিছে। "কি হ'ল হে লীলা, তুমি কিবা সন্দেহ কৰাৰ দৰে কথা কৈছা দেখোন ?" "তুমি লেপাই তুকৰা, মহা চেলেপু, মহা হাৰামী !"

জগন্নাথে বোলে— তুমি মানুহ চিনি নাপালাহে ! তোমাৰ বৰাবৰ মই নিজৰ দেউতাৰ দৰে ভাবো, মাৰকো ভক্তি কৰো। কাপটীক নিজৰ

ভনীৰ দৰে ভাবো, আৰু ললিতাক নিজৰ তিৰোতাৰ দৰে ভাবো, মৰম কৰো। জগন্নাথৰ কথা শুনি জ্বলা জুইত যেন ঘিঁউহে পৰিল।

লীলাই বোলে— তই কি কলি কত্তা কুকুৰ? এই বেটা, তই কি কৈছিলি? তই মৰম কৰিবলৈ মই তাইক বিয়া কৰাই আনিছিলো? তোক কুঠাৰেৰে ফালি পেলাম জনা নাই। জগন্নাথ ভয়ত দৌৰি ভিতৰ সোমাই গ'ল। "সোমাই গলি কেলেই? তই ওলাই আহ। ওলাই আহ" বুলি লীলাই চিঞৰি দিয়াত কংস বেজবৰুৱা ওলাই আহি কিহৰ হুলস্থুল হৈছে অ' বুলি সোধোতেই লীলাই বোলে "তাক মাতক মোমাই" জগন্নাথ ওলাই আহি কংসৰ পিচত থিয় হ'লহি। "চাওঁক মোমাই তাৰ ভয়ত মই তাইক মেকুৰীয়ে পোৱালি লুকুৱাদি লুকুৱাই লৈ ফুৰিছো। এতিয়া তাইক সি মৰম কৰি থাকোতেই মই হাতে হাতে ধৰা পেলালো।"

কংসই বুজিলে ঘটনা গুৰুতৰেই। কিন্তু এই সময়ত সেইবোৰ বিচাৰ কৰিব নোৱাৰি, বহুত সময় লব। গবুলিকৈ বিচাৰ কৰিম বুলি বহুতপৰ বটাই বুজাইহে লীলাক শান্ত কৰি কংসই খৰি ফালিবলৈ পঠিয়াব পাৰিলে।

ললিতা আৰু লীলা কামে কামে যোৱাৰ পিচত কথাটো কি বুলি কংসই জগন্নাথক সুধিলে। জগন্নাথে লাজে অপমানে কওঁ নকওঁকৈ গোটেই কথাটো কংসক ক'লে। লীলা যে অভং ল'ৰা, সেইটো কংসই জানে যদিও জগন্নাথক সিহঁতৰ লগত বেছি হলি গলি কৰাতো বেযা হৈছে বুলি ক'লে। লীলাৰ লগত ভালকৈ নচলিলে কোনোবা দিনা সি ঘটনা কৰিব বুলি কৈ, কিয় তাক তেওঁৰ ওচৰ চপাই লৈছেহি আৰু গাঁৱৰ বদমাছ ল'ৰা কেইটাক কিয় মিলত সুমুৱাই লৈছেহি বুলি কংসই জগন্নাথক প্ৰশ্ন কৰিলে। "লুলেৰেহে লুল কাটিব লাগিব," বুলি যে সিহঁতৰ কথা হৈছে এদিন কংসয়ে সেইটো কথা জগন্নাথক কৈছিল বুলি জগন্নাথে ক'লে।" "অ' কথা সেইটোৱেই। সিহঁতক লগত নাৰাখিলে

আকবৰৰ লগ লাগিবগৈ। গতিকে সিহঁতক যি কোনো উপায়েৰে আমাৰ সোঁহাত কৰি ৰাখিবই লাগিব। দৰমহাৰ উপৰিও মদ, বিড়ী, চিগাৰেট, আনকি মাজে মাজে চিনেমা চাবলৈকো সিহঁতক পইচা পাতি দিয়াৰ কথা তোমাক কৈ ৰাখিছো। তাৰ কাৰণে তোমাক যি লাগে, খৰছ কৰি হিচাব দিবলৈও কৈছিলো। সিহঁতক ফুৰ্ত্তিত ৰাখিলে তোমাৰ বশ হৈ থাকিব। তোমাৰ বশ হোৱা মানেই মোৰো বশ হোৱা। গাঁৱলীয়া খাবলৈ নোপোৱা মানুহ, দহ টকাই সিহঁতৰ কাৰণে এশ টকাৰ সমান। টকা ধাৰলৈ দিবা, সুদ লবা। সেই সুদ তোমাৰ জেপ খৰচ। পইচা ধাৰলৈ দিলে সদায় সিহঁতে বৰশীৰ মাছৰ দৰে টোপলৈ আশা কৰি থাকিব। তুমি নগৰীয়া ল'ৰা। গাঁৱৰ আওঁ-ভাওঁ বুজি কাম চলাওঁতে সময় লাগিব। সিহঁতৰ সৈতে তুমি বিলীন হৈ যাব লাগিব যদিও ভিতৰৰ মানুহটো বেলেগ মানুহ এটা হৈ নাথাকিলে নিজৰ দায়িত্ব পালন কৰিব নোৱাৰিবা।"

কংসৰ উপদেশমূলক কথাখিনি শুনাৰ পিচত কংসৰ পৰামৰ্শ মতে মানুহৰ পৰা আধি খন্দুৱা দিয়া মাটি একুৱাই, লিখা-পঢা কৰি নতুন মানুহক যিখিনি মাটি দিবলৈ ব্যৱস্থা কৰিছে জগন্নাথে তেনে কিছুমান মানুহৰ নাম কংসক কলে আৰু চিলিং একুত যোৱা কংসৰ মাটি পুনৰ কাৰ কাৰ নামত ৰখা হৈছে সেই কথা অনুসন্ধান কৰিবলৈ বংশী আৰু বকুলক মাষ্টৰে দৰখাস্ত এখন লিখি S. D C ৰ ওচৰলৈ পঠোৱাৰ খবৰটোও দিলে। কংসই বোলে, " S. D. C. কেচুৱা ল'ৰা নহয় যে সিহঁতে খোজা মাত্ৰকে নামবোৰ দি দিব। আমি যে চাহ বাগিছা খুলিম বুলি লাইচেঞ্চ লৈছোহঁক সেইটো বোধহয় তুমিও নাজানা। দ' মাটি কিছুমান অৱশ্যে যাৰে তাৰে নামত আছে। মোৰেই নহয়, আটাই কেইজনৰে আছে। থাকিলেও তাৰ ব্যৱস্থাও নিয়াৰিকৈ কৰি থৈছো। S. D. C. বোৰ তলৰ অফিচাৰহে। বিভাগীয় মন্ত্ৰী পৰ্য্যন্ত আমাৰ হাতত আছে। বিবেকা মাষ্টৰহে নালাগে তাৰ চৌধ্যপুৰুষেও

মোৰ পিচত লাগি একো কৰিব নোৱাৰে।” জগন্নাথে বোলে — জেঠপেহা, বংশীহঁতে কৃষক পৰিষদ পাতি আধি মাটিৰ ধান মালিকক নিদিওঁ বুলি যে লাগিছে, সেইটো কথাৰ ওপৰত আপোনালোকে একো চিন্তা কৰা নাই যেন দেখিছো। আকবৰে সেইদিনা ধান দাবলৈ নিদি আমাক ঘূৰাই পথালে। তেতিয়াও আপুনি চিন্তা কৰিছো বুলিযে কৈ থলে। সি নেউশীধান দাই গোটেই ধানখিনি তাৰ ভড়ালত সুমুৱালৈগৈ। তাৰ পিচতো আপুনি মনে মনেই আছে। বাকী আধিয়াৰ বিলাকেও যদি আকবৰৰ দৰে ধান দাই লৈ যায় মই কেনেকৈ বাধা কৰিম? জগন্নাথৰ এই আন্তৰিকতাখিনি কংসৰ কাৰণেহে। এই কেইটা কথা কংসক কেইবা-বাৰো কৈছে। “আমি আধিযা মাটিৰ ধান তিনিবছৰে নাপালেও আমাৰ একো ক্ষতি নহয়। আমি ধানৰ ওপৰত নিৰ্ভৰ কৰি চলা নাই। কিন্তু সিহঁতে এবছৰ ধান নাপালে খাবলৈ নাপাই কাবু হৈ পৰিব। সিহঁতকো ধান নিদিওঁ। সময আছে, শালীধান পকক। তাৰ ব্যৱস্থা কৰা হ’ব। আকবৰৰ পৰা মাটি কাটি ল’বলৈ সোনধৰক লগাই দিছো। সি তাৰ ককাই ভাই আটাইকেওটা লৈ সেই মাটি দখল লম বুলি কৈছে। সোনধৰৰ দৰে আৰু কেইটামানক মাটি দিযাৰ ব্যৱস্থা কৰা। সিহঁতৰ মাজত কাজিয়া লগোৱাটোৱেই সিহঁতৰ দল ভঙাৰ প্ৰধান অস্ত্ৰ হ’ব। সেই ব্যৱস্থাও কৰিছো দীঘলী বিলত মাছ মাৰি মাঘৰ বিহু খাব। সোনধৰক মাছ মাৰিবা বুলি কৈছো। বিলৰ মাছ ধৰি সিহঁতে বিক্ৰী কৰি কৃষক পৰিষদৰ কাৰণে টকা গোটাব। গোটাওক, সিহঁতক আগবঢাই দিছো। সময়ত টানি ধৰিম। এইবোৰ কিটিপ কাটাপ কৌশল কৰি মানুহক হাত কৰা আৰু দমন কৰা।” সেইখিনি শিকি লোৱাটোৱেই যে জগন্নাথৰ প্ৰধান কাম, সেইটো কথা কংসই বুজাই ক’লে। জগন্নাথে কলে যে তেওঁ কংসৰ হুকুমত মৰিবলৈকো সাজু আছে আৰু জগন্নাথৰ যে ৰাজনীতিৰ জ্ঞান একো নাই আৰু কংসই শিকাই গলেই শিকিব পাৰিব সেইটো কথা অতি শান্ত শিষ্ট হ’বাৰ দৰেই কংসক কলে,

"তুমি পাৰিবা বুলি মোৰ বিশ্বাস হৈছে, আৰু এই লংপেণ্ট, হাৱাই চাৰ্ট এইবোৰ পিন্ধা এতিয়াৰ পৰা তুমি এৰি দিয়া, পাইজামা, পানজাপি পিন্ধাৰ অভ্যাস কৰি দিয়া। তোমাক মই বাছি লৈছো। তোমাৰ খোজত, সাজ-পোচাকত ৰাজনীতিৰ মানুহ বুলি মানুহে দেখিলেই বুজিব পাৰিব লাগিব। মই মনবৰকো সুধিছো, তুমি উপযুক্ত ল'ৰা বুলিযেই কৈছে।" জগন্নাথে বোলে "তেওঁ মোক পৰীক্ষা কৰিলে নহয় জেঠপেহা। তেওঁক যে কথাই কথাই অবাইছ মাতষাৰ মতাৰ কাৰণে আপুনি এদিন কিবা-কিবি কৈছিল, সেই মাতটো মই বন্ধ কৰিছো।"

কংসই কথাটো শুনি হাঁহি হাঁহি সুধিলে "কি? কেনেকৈ বন্ধ কৰিলাহে? সেইটো মাতৰ কোনো আৱশ্যক নাই। অথচ সেই মাতটো জন্মৰ পৰাই গাঁৱৰ কিছুমান মানুহে নামাতিলে কথা কোৱাই নহয়। মনবৰক তুমিনো বন্ধ কৰিলা কেনেকৈ?' "বন্ধ হৈছে জেঠপেহা। প্ৰথমতে মই তেওঁক অসমীয়া কথা নকবা বুলিযেই ক'লো, হিন্দী পাৰে। অকল হিন্দীও নোৱাৰে। সেই কাৰণে বোলো হিন্দীৰে বুজাব নোৱৰা কথা-বোৰত মাজতে অসমীয়া শব্দ সুমুৱাই দিবা। তাৰ পিছত কথাই কথাই তেওঁক মই চকু পোন্দোবাকৈ ধৰো। আজিকালি কথাবোৰ সাৱধানে কয়।" দুয়ো ধেক্ধেক্কৈ হাঁহিলে।

কংসই বোলে "তোমাক মই এপ্ৰেন্টিচ্ কৰি লৈছো যেতিয়া মোৰ খাটনিও কম নহব। তথাপি তোমাক মই এদিন মিনিষ্টাৰ কৰিহে এৰিম, জগন্নাথ। যিদিনা মিনিষ্টাৰ জগন্নাথ শৰ্ম্মাৰ বিবৃত্তি কাগজত ওলাব, ৰেডিঅ'ত শুনিম, সেইদিনা মোৰ কিমান আনন্দ লাগিব।" কথাখিনি কৈ কংসই জগন্নাথৰ চকুলৈ চালে। জগন্নাথ লেউ-সেউ হৈ পৰিছে। 'ৰামধাৰীয়ে জানো ইলেকচন নেখেলিব, জেঠপেহা?" কংসই আকৌ হাঁহিলে। "হেৰা ৰামধাৰী বেপাৰী মানুহ। এম, এল, এ মিনিষ্টাৰ সিহঁতে বনাইহে। তোমাক সিহঁতেও সহায় কৰিব। মিনিষ্টাৰ হৈ তুমি সিহঁতক নগদ টকা

ঘূৰাই নিদি লাইচেঞ্চ, পাৰমিত, গ্ৰাণ্ট, ল'ন, ঠিকা-ঠুকুলি যি বিচাৰে তাকে দিলেই ধাৰ মৰিব। এবাৰ সেইদৰে সিহঁতক সুবিধা দিয়াৰ পিচত প্ৰতিবাৰে সিহঁতে টকা-পইচা গাড়ী মানুহ যি লাগে সকলো দি তোমাক সহায় কৰিব।"

তেনেতে মনবৰ আহি ওলালহি। "কামটো ঠিক হৈ আহিছে বেজবৰুৱাদেৱ। গোসাঁইক মই আপুনি কোৱাৰ দৰেই ক'লো, বোলো বংশীক আপুনি অকলে বলে নোৱাৰে। তিনিওজনে হেঁচা মাৰি ধৰিব লাগিব। সি ফুলেশ্বৰীক এৰিবও নোৱাৰে, আৰু তাইক লগত লৈ এই গাঁৱত থাকিবও নোৱাৰে। ৰামধাৰীয়েও কৈছে মণ্ডলাৰ পৰা অলপ-দিনৰ পাচতে হেনো মাটি সি কাটি ল'ব। মাটি দোখৰ কাটি ল'লে বংশীৰ থকা ঠাইৰো মুদা মাৰিব। সি গাওঁ এৰি যাবলৈ বাধ্য হ'ব, বেজবৰুৱা। মাত্ৰ ঢিলাই নিদিব। মই পিচে ৰাইজক গা-দেখা নিদিওঁ ভিতৰফালে থাকিম গৈ।" কথাখিনি কৈ মনবৰ সোমাই গ'ল। কংস অপেক্ষা কৰি ৰৈ থাকিল। ৰাইজ আহিব।

কৰৈগুৰি সত্ৰৰ সত্ৰাধিকাৰ মধুসোধন গোস্বামী গৃহস্থী মানুহ। কংসৰ সৈতে সমবয়সীয়া। গোস্বামীৰ কলেজীয়া শিক্ষা নাই যদিও অভিজ্ঞতা আছে। মেল মিটিং, সভা-সমিতি আদিত বক্তা হিচাবে সন্মান পোৱা স্তৰলৈ উঠিছে কংস বেজবৰুৱাৰ সহায়তেই। গোসাঁইৰ নিজৰ গাড়ী নথকা সময়ৰ পৰাই কংসই জীপ বা এম্বেচেদৰ পঠিয়াই গোসাইক সভা-সমিতিলৈ নিয়ে। প্ৰকৃততে কংসইও গোসাঁইৰ সহায়ত ৰাজনীতিত যথেষ্ট আগবাঢ়িছিল। "বেজবৰুৱাকে ভোট দিয়া হওঁক" বুলি এষাৰ কথা শিষ্যসকলক কোৱাত, কংসই তাকে সোনোৱালী আখৰেৰ ছপা কৰি ডাঙৰ ডাঙৰ পষ্টাৰ মাৰি ভোটত জয়যুক্ত হৈছিল। সেইয়া পাঁচ বছৰৰ আগৰ ধৰ্ম্মনিৰপেক্ষ ৰাজনীতি আছিল। সেই সূত্ৰেই কংসৰ মধুসোধন গোসাঁইৰ লগত সৌহাৰ্দ্য বেছি হৈছে। চিলিং এক্ট, প্ৰযোজ্য

হোৱাৰ সময়ৰ পৰা সেই সম্পৰ্কটো আকৌ নতুন এটা আভ্যন্তৰীণ সম্বন্ধহৈ চলিযে আছে। গোসাঁইৰ চিলিং একৃত যোৱা মাটি পুনৰ নিজৰ হাতলৈ আহিল। কংসই বুদ্ধি দি ভকত বৈষ্ণৱৰ নামত মাটিখিনি লিখাই দি মহা ধৰ্ম্ম কৰিলে। ভোটৰ সময়ত জীপত উঠি কেইটামান নামঘৰলৈ গৈ অমৃত বাক্য প্ৰদান কৰি কংসক সহায় কৰাৰ বিনিময়ত গোসাঁইৰ বহুত বেছি লাভ হ'ল। বাছৰ লাইন। ৰাষ্টা বহল আৰু ওখ। সত্ৰৰ পৰ্কী বাটচ'ৰা আৰু মাটিখিনিৰ দখল লোৱাতোত কংসই কম সহায় কৰা নাই।

ৰামধাৰীয়ে দেশৰ পৰা লগত ধন, সম্পত্তি, মাটিবাৰী লৈ অহা নাই। এতিয়া কিন্তু বহুত দ'-বাম মাটিৰ গৰাকী হ'ল। মাছৰ ব্যৱসায়, বিল ডাকত লোৱা তাৰ পিচত অনুসূচীত জাতি ট্ৰাইবেলৰ নামত লোৱা মদৰ মহল কেইবাটাও তেওঁৰ কবলত আছে। মাছৰ কাৰবাৰ কৰি থাকোতেই মাছ অনা নিয়া কৰা জীপত খুচুৰাকৈ কানি তিনিচুকীয়াৰ পৰা আনি গ্ৰাহকক গাঁৱত দিয়াৰ সুবিধা উলিযাইছিল। গাঁৱৰ বাইজে বৰকৈ খাটনি ধৰাত নিজে সৰহকৈ কানি সংগ্ৰহ কৰি ৰাইজক দিছিল। লাহে লাহে মিৰি গাওঁ, দধিযাৰ লাইকাৰ ফালৰ নেপালী মানুহবোৰেও তেওঁক হাতে ভৰিযে ধৰি গাঁৱতে বস্তু যোগান ধৰাৰ কাৰণে খাটিলে। মাছৰ কাৰবাৰ এৰি ৰাইজক সন্তুষ্ট কৰিবলৈকে অলপ বেছিকৈ কানিৰ যোগান ধৰিবলৈ আৰম্ভ হ'ল। আজিকালি হেনো হ'লছেল বিজনেচ। তাতে মদৰ মহল। হাতী আৰু মাটি। এইবোৰ এটাৰ পিচত এটাকৈ হৰ হৰকৈ হাতলৈ আহিছে। "বাণিজ্যে বসতে লক্ষ্মী" তাতে চকু চৰহা এজাক হিংসাকুৰীয়া লোকে টেটু ফালি ফালি চিঞৰে। এই কাৰবাৰ-বোৰৰ কাৰণে এম, এল, এ জাতীয় ব্যক্তিৰ সহায় বৰ আৱশ্যক। সেই সূত্ৰে কংসৰ লগত ৰামধাৰীৰ বৰ বন্ধুত্ব। কিন্তু কোনোদিনেই ইজনে সিজনৰ ঘৰলৈ অহা যোৱা কৰা কোনেও দেখা নাই।

নীতি-নিয়মৰ ইউনিফর্ম পৰিহিত গোসাঁই আৰু বামধাৰী কংসৰ ঘৰলৈ আহিল। তেখেত সকলৰ মাজত কোনো আলোচনা হ'বলৈ নৌ-পাওঁতেই ভূধৰ, মিলন, ৰহেশ্বৰ বুঢ়া আৰু দিহিঙীয়া ওলালহি। তামোল বিড়িৰ যোগাৰ, বহিবলৈ ঢাৰিপাতি দিবৰ কাৰণে কংসই ব্যস্ততা আৰম্ভ কৰিলে। বাইজ আহিছে। গোসাঁইক সেৱা কৰি "সত্ৰলৈ যোৱা হৈছিল। প্ৰভুক ইয়াতেহে পোৱা হ'ব," বুলি কোৱাত বেজবৰুৱাৰ ঘৰলৈকে অহা হ'ল বুলি মিলনে ক'লে। তাৰ পিচত ৰহেশ্বৰ বুঢ়াই অহাৰ উদ্দেশ্য মুকলি কৰি বোলে, "প্ৰভু ঈশ্বৰে গম পাইছেই ছাগৈ বোলে ল'ৰাই পানী পেলায় ৰৰে পিচলি পৰে। আকৌ সেই পানীকেই ৰংেই মুছি কাছি ল'ব লাগে। আমি আপোনাৰ ল'ৰা-ছোৱালী আৰু ৰংশী আমাৰ ল'ৰা-ছোৱালী। সেইকাৰণে প্ৰভু ঈশ্বৰৰ ওচৰলৈ অহা হ'ল।" "ভূধৰ বোপাৰ মুখে সেইখিনি খবৰ পোৱা হৈছে। পিছে ল'ৰাটোক লৈ অহা হৈছে জানো?" "প্ৰভু ঈশ্বৰ তাকো আনিছো" ৰহেশ্বৰ বুঢ়াই বংশীক মাতিবলৈ ভূধৰক পঠিয়ালে। বংশী আৰু ফুলেশ্বৰী আহি গোসাঁইৰ আগত থিয় হ'লহি। বংশীয়ে গোসাঁইক সেৱা সৎকাৰ নকৰি থিয় হৈ আছিল। গোসাঁয়ে মাত লগালে, "সেইযা কোন?" দিহিঙীয়াই ৰামধাৰী বাবুৰ ঘৰত থকা মণ্ডলা বুঢ়াৰ ভাগিনীয়েকজনী বুলি ক'লে। মিলনে বোলে "তাইকে সি ৰাখিছে প্ৰভু ঈশ্বৰ।"

কংসই বোলে— মাইকী মানুহজনীক ইয়াত কোনো দৰকাৰ নাই। ইয়াততো কোনো লিখা লিখি নহয়। তাইক লৈ আমাৰ কোনো কথাও নাই। তথাপি তাই বেলেগ জাতিৰ ছোৱালী। কি কোৱা গোসাঁই? তাইক বাহিৰত থাকিবলৈ কোৱাহে ভাল হ'ব।"

গোসাঁইৰ কথাত বংশীয়ে বোলে— তাই থাকিলেও একো নহয়, প্ৰভু ঈশ্বৰ। গুৰি পকুৱাৰ পৰা গজ হস্তিলৈকে সকলো একে জীৱ। ভূধৰে বংশীক মনে মনে থাক্ বুলি ধমক দিলে আৰু ফুলেশ্বৰীক বাহিৰত

থৈ আহিবলৈ ক'লে। গোসাঁয়ে বোলে— আহিল যেতিয়া থাওঁক দিয়া। পিছে বাপ সকলেনো আমাক কি কৰিবলৈ কয়? দিহিঙীয়াই বোলে, "প্ৰভু ঘাট মাউৰা ল'ৰাটিক প্ৰভু ঈশ্বৰে মোৰ বুলি গ্ৰহণ কৰি ৰাইজক সাৰতি ল'বলৈ আজ্ঞা কৰিব লাগে।"

গোসাঁয়ে অলপ চিন্তা কৰি গহীন গহীন কৈ বোলে, "গন্ধৰ্ব শৃগালৰো আত্মাৰাম, জানিযা সবাকো কৰিবা প্ৰণাম। মাউৰা, ঘাট মাউৰা, বেমাৰী আমাৰ মানত সকলো সমান। সমান যদিও বেমাৰীক শুশ্ৰুষাহে কৰিবলৈ কৈছে, সাৰতি লোৱাটো নিজৰ কাৰণেই অনিষ্টকৰ। সেইমতে চিন্তা কৰি চোৰাও হৈছে। কিন্তু এওঁ বংশী বোপাৰ কথাটোৱে আমাক চিন্তাত পেলাইছে। তেওঁ নিধিৰাম বৰ মেধিৰ পুতেক। সাধাৰণ ৰাইজতকৈ তেওঁক আমি অলপ অন্য দৃষ্টিৰে চাব লাগিব। আপোনালোকে মোক ভকততকৈ ওপৰত বুলি নাভাবিব। এখেতসকলো আছে, সকলেৱে চিন্তা কৰক। আমাৰ মতে হিন্দুৰ ভিতৰতে হোৱা হ'লে যি জাতৰেই নহওঁক আমি গ্ৰহণ কৰিব পাৰিলোহেঁতেন। সেইদৰে বহুলোকক উদ্ধাৰ কৰি লোৱা হৈছে। খৃষ্টান ছোৱালীজনীক হিন্দুৰ ল'ৰাই গ্ৰহণ কৰিব পৰা নিযম আমাৰ নাই। সেইটো সন্মতি দিলে নিজৰ ধৰ্ম্মৰ বিৰুদ্ধে যোৱা হ'ব। এতিযা আপোনালোকে কওঁক? দুয়ো কুল ৰ'ক্ষা হোৱাকৈ ৰাইজৰ ফালৰ পৰা উপায এটা বিচাৰ কৰক।" ভূধৰ আৰু মিলনে চকুৱে চকুৱে কথা পাতিলে। কংসই মাত লগালে "তেখেত গোসাঁই ঈশ্বৰে কৈছে সমাজৰ বান্ধ আজি কালি যিকন আছে, সেইকনো খামুছি ৰাখিছে সত্ৰইহে। হিন্দু আৰু খৃষ্টানে সংমিশ্ৰণ কৰিলে সমাজো নাথাকে, ধৰ্ম্মও নাথাকে। মুছলমান, খৃষ্টান, হিন্দু সকলো লেতি পেতি কৰি ললে আমি কি নিযমত শিষ্য আৰু গুৰুৰ মাজৰ সম্বন্ধ ৰাখিম"।

ৰামধাৰীয়ে কওঁ কওঁকৈ আছিল। সুবিধা পাই বোলে," মিলন ভাযা, —আপুনি মোকে একেটা কথাৰ জবাব দিব লাগে এইটো কথাতে

গোচাঁই প্ৰভু যদি সন্মত ভৈ দি থাকে আৰু ৰাইজটো যদি বংশী সব্‌কে এক সাথ মিলাইভি লব। আৰু এক মহিনাৰ বাদ যদি ফুলেশ্বৰী ছোৱালী-টোৱে চুপে চুপে গৰু, গাহৰি মাংস আনি গাৱঁতে ঢুকাই দি থাকে? তেতিয়া আপুনি সব্‌ গাঁৱতে থাকিব পাৰিবানে?' কংসই বোলে "কুকুৰক এৰতীয়া ভুলিত শুবলৈ দিলেও সি নেগুৰত মূৰ লগাইহে শুব। এদিন নহয এদিন সেইটো অপকৰ্ম্ম কৰিবই। এবাৰ হাতৰ মুঠি ঢিলা হলে খোল খাই যাব। গোসাঁই ঈশ্বৰে ভাবি চিন্তি কাম নকৰিলে ভবিষ্যতে সমাজে ধৰ্ম্ম ৰাখিব নোৱাৰে। এই দৰে শেষত হিন্দু ধৰ্ম্ম বুলি এটা ধৰ্ম্মই নাথাকিব?" বুঢ়া সকলে কংস, ৰামধাৰী আৰু গোসাঁইৰ যুক্তিৰ আগত মুখেৰে মাতিব নোৱাৰা হ'ল। সকলো নীৰৱ হৈ থকাৰ পিচত গোঁসায়ে শেষ সিদ্ধান্ত দিলে। "ছোৱালী জনীক বংশীয়ে ৰাখিলে, আৰু তাইক বংশীয়ে এৰিব নোৱৰা অৱস্থা। তাই সন্তান সম্ভৱা। গোসাঁয়েও তেওঁলোকক গ্ৰহণ কৰিব নোৱাৰে। বংশীয়ে গাৱঁৰ লগত সম্বন্ধ এৰি হয জালুকণি ৰাইজৰ লগ লওঁক, নহয় গাওঁ এৰি আতৰি যাওঁক" গোসাঁয়ে শেষ সিদ্ধান্ত কি কৰে তাক শুনিবলৈ বংশীয়ে বহুত ধৈৰ্য্য ধৰিহে বৈ আছিল। সি মাত লগালে "প্ৰভু ঈশ্বৰ, মই সকলো কথা শুনিলো। আপোনালোকে গাৱঁৰ মাজত মদৰ মহল বহুৱাই গাৱঁৰ ডেকা লৰাবোৰক ৰসাতলে যাবলৈ দিলে হিন্দু ধৰ্ম্মৰ খুতি লৰক ফৰক নহয। বামুণে মাছ বিক্ৰী কৰিলেও ধৰ্ম্ম থিক থাকে। আৰু কেওঁ কোনো নথকা এই খৃষ্টান ছোৱালীজনীক বাপেকৰ বযসৰ কেইটামানে ৰাতিৰ আন্ধাৰত সম্ভোগ কৰিলেও সমাজৰ বান্ধ ঢিলা নহয? তাইক মই লৈ আনিছো। তাইৰ গৰ্ভৰ সন্তানটোৰ বাপেক কোন, তাই আপোনাক এতিযাই কৈ দিব। তাৰ পিচত ধৰ্ম্ম, সমাজ, সত্ৰ ৰক্ষা কৰিবৰ কাৰণে সেই কিজনক গাওঁ এৰি যাবলৈ আপুনি বাধ্য কৰিব লাগিব। মই বংশীয়ে কোৱা নাই, এই খিনি দাংধৰা ৰাইজৰ কথা। এই ফুলেশ্বৰী তোৰ কৰলগীয়া খিনি প্ৰভু ঈশ্বৰ,

আগত কৈ দেহি। ভয় নকৰিবি, মই আছো ”। ফুলেশ্বৰীয়ে সংকোচ কৰি বৈ আছিল। তাইক মুখেৰে মাতিবলৈ দিলে ঘটনাৰ গতি জটিল হব বুলি ভাবি কংস ৰামধাৰী দুয়ো একেলগে থিয় হৈছিল।

“কংসই দপ্দপনি মাৰি ক'লে— এই বংশী, এইখন মাছৰ বজাৰ নহয়, ভদ্রলোকৰ ঘৰ। তই বাটৰ বলিয়ানী এজনীক কিবা শিকাই লৈ আহি ইযাত পাগলামী কৰিবলৈ মই নিদিও। তাইক লৈ তই এই মুহূৰ্ত্তে মোৰ ইযাৰ পৰা ওলাই যা।”

বংশীয়ে কংসৰ কথাৰ উত্তৰ লগে লগেই দিলে। “মই আপোনাৰ ঘৰলৈ অহা নাই গোসাঁইৰ সত্ৰলৈ মোক ৰাইজে আনিছিলে আৰু গোসাঁযে নিজে আমাক ইযালৈ মাতি পঠিযাইছিলে। আপুনি অকল মোকেই ওলাই যাবলৈ ক'লে মই ওলাই নাযাওঁ। ৰাইজকো উলিযাই পঠিযাব লাগিব ”। কংসই বংশীৰ কথাৰ উত্তৰ দিব নোৱাৰি গোসাঁইক বিচাৰ বন্ধ কৰিবলৈ ক'লে। গোসাঁই বিমোৰত পৰিল। বংশীযে সত্ৰত গৈ গোসাঁইক উগ্ৰমূৰ্ত্তি ধৰি কি দেখুৱাবগৈ থিক নাই। সেযে কংসক বোলে “আপোনালোকক আমাৰ মাজত দৰকাৰেই নাছিল। দুয়োজন ইযাৰ পৰা আতৰি যাওঁক। বাপ সকল আছে। মই কথা চমুৱাই আনিছো,” আনহাতেদি ৰাইজক বা গোসাঁইক উলিযাই পঠিযালে সত্ৰত গৈ ফুলেশ্বৰীযে কি কযগৈ তাৰ ঠিকনা নাই। কংস মহা চিন্তাত পৰিছিল। ভূধৰ, মিলনে কংসক কাবৌ কৰি ভিতৰলৈ পঠিযালে। ৰামধাৰীও ভিতৰলৈ গল। বংশীযে খণ্ডত একো নাই হৈ বৈ আছিল। অভাৱনীয পৰিবেশ এটা সৃষ্টি হোৱাৰ কাৰণে দিহিঙ্গীযাইতেও অশ্বস্তি অনুভৱ কৰিছিল। কংস আকৌ বাহিৰলৈ ওলাই আহিব লাগিলে হতাহতি আৰম্ভ হোৱাৰ সাম্ভৱনা আছে বুলি দিহিঙ্গীযাই ৰত্নেশ্বৰক সোনকালে ঘৰলৈ গুচি যোৱাহে ভাল হব বুলি ফুচফুচাই কলে।

মিলনে প্ৰকাশ্যভাবে ভিতৰৰ কথা খিনি উলিয়াই দি বংশীক ধমক দিয়াদি বোলো "আমি লোকৰ বিচাৰ এথন লৈ প্ৰভু ঈশ্বৰৰ ওচৰলৈ অহা নাই বংশী। তাইৰ লগত যদি তোৰ কোনো ভিতৰুৱা সম্পৰ্কই নাই তইনো তাইৰ সৈতে একেলগে আছ কেলৈ ? আৰু সেইদিনা তোক মাতি নি তাইৰে সৈতে প্ৰভু ঈশ্বৰৰ ওচৰত মূৰ দোৱাব লাগে বুলি কওঁতে তই তোৰ কথা কৈ নিদি আমাক এইদৰে লাজত পেলালি কেলৈ ?"

ভূধৰে বোলে— কেচুৰ গাতৰ পৰা সাপ উলিয়াইছেহি। ইমানতে আমি ঘৰা ঘৰি যাওঁহে বুলিছো প্ৰভু ঈশ্বৰ, পানীৰ তলৰ কাঁইট বিচাৰি ফুৰাৰ একো দৰকাৰ নাই।

বংশীয়ে বোলে—ধনীয়ে কৰিলে লীলা আৰু দুখীয়াই কৰিলে ধৰি বান্ধি কিলা ? মই লগত লৈ অহা মজদুৰখিনিক আকৰৰইতক ইয়ালৈ আহিবলৈ তোমালোকে নিদিলা। মই সচা কথাটো কৈ দিয়াত সি মোক বাহিৰ কৰি দিছে। মজদুৰ খাইজ মোৰ লগত অহা হলে মই আজি ওলট পালট কৰি দিলোহেঁতেন। এই ছোৱালীজনী, ধলোৰামৰ ভনীয়েক কাৰণে তাইক মই নিজৰ ভনী বুলি ভাবিছো। তাই অসহায় কাৰণে ভৰণ-পোষণৰ ভাৰ লৈছো। মুখফালি অন্তৰৰ কথা তাই কব নোৱাৰে কাৰণে তাইৰ কথা ৰাইজৰ আগত ৰাজহুৱাভাৱে কোৱাৰ সুবিধা দিবলৈ মই তাইক লৈ আহিছো। প্ৰভু ঈশ্বৰৰ আগত তোমালোকৰ সন্মুখত তাইৰ ওপৰত অত্যাচাৰ কৰা ভণ্ড তপস্বী কেইটাক আঙুলিয়াই দেখুৱাওঁক। তাৰ পাচত মুখেৰে মাতি কথা কবলৈ ভয় কৰা চাকৰণীজনীৰ গৰ্ভৰ সন্তানটোৰ কি ব্যৱস্থা কৰে প্ৰভু ঈশ্বৰে ৰাইজৰ আগত কওঁক। মই মোৰ কাৰণে অহা নাই। ধৰ্ম্মৰ গুৰিয়াল কিজনে এতিয়া ধৰ্ম্ম ৰক্ষা কৰাৰ কি ব্যৱস্থা কৰে মই চাই লওঁ।

বংশীৰ কথাবোৰ শুনি সোঁসাইৰ মুখ ক'লা পৰিল। ডাঙৰ সমস্যা এই মাত্ৰ সমাজৰ বান্ধোন ঢিলা নকৰাৰ কাৰণে যি ব্যৱস্থা বংশীৰ

ওপৰত লোৱা হৈছিল, বংশীয়ে সৃষ্টি কৰা সমস্যাই তাক মূল্যহীন কৰি পেলালে। যদি কংস বেজবৰুৱাইতক লৈতিয়াই কথা কৰলৈ সুবিধা পায় এটা ভাবিব নোৱাৰা পৰিস্থিতি হৈ যাব পাৰে। আনহাতে বংশীয়ে সচাঁই কওঁক বা মিছাই কওঁক তাক প্ৰশ্ৰয় দিলেও ওপৰলৈ উঠি যাব। বংশাৰ লগত গোসাঁয়ে তৰ্কটো জিকিব নোৱাৰে। নীৰৱে থাকি গোসাঁয়ে বোলে "বাপ সকল, মই নলগা জেওত ভৰি নিদিও। সংসাৰখনৰ সমস্যা চিন্তা কৰাৰ দায়িত্ব মোৰনাই।" গোসাযে সমস্যাটো এৰাই চলিবলৈ বুলি কোৱা কথাৰ অৰ্থ বংশীয়ে বুজি পালে। কংস ৰামধাৰীৰ সৈতে একে নলীৰে পানী খোৱা সেইজন গোসাযে যে কংস ৰামধাৰীৰ ওপৰত কোনো শাস্তি বিধান কৰিব নোৱাৰে সেইটো কথাও বংশীয়ে জানে।

"আমি আমাৰ শিষ্যবৰ্গৰ মঙ্গলৰ চিন্তাৰ বাহিৰে অন্যসকলৰ চিন্তা কৰিব নোৱাৰিম। ইমানতে আপোনালোক ঘৰমুৱা হোৱাটোকে বাঞ্ছা কৰো।" শিষ্যসকলৰ মঙ্গলৰ কাৰণে চিন্তা কৰিম বুলি গোসাঁযে কোৱাৰ লগে লগে বংশীয়ে গোসাঁইক ভালকৈ এসিকনি দি দিলে। "প্ৰভু ঈশ্বৰ, শিষ্যৰ কি মঙ্গল কামনা কৰিছে? মুখত দৰৱ অকন নপৰাকৈ নিতৌ কিমান কৃষক শিষ্যৰ লৰা-ছোৱালী মৰি আছে সেইটো গুৰুসকলৰ খবৰ নাই। গুৰুজনা শঙ্কৰদেৱে দি থৈ যোৱা নৃত্য-গীত সকলোবোৰ সত্ৰৰ সম্পত্তি নে? শঙ্কৰে ৰাইজৰ কাৰণে নৃত্য-গীত ৰচিছিল।" কংস ৰামধাৰীলৈ আঙুলিয়াই চিঞৰি চিঞৰি বংশীয়ে কবলৈ আৰম্ভ কৰিলে। 'শিষ্যৰ মঙ্গল কামনা কৰিছো বুলি এওঁলোকে দদাইহঁতক কব। মোৰ আগত সেইবোৰ চালাকী কথা নকব প্ৰভু। মই এম, এ, পাছ নহব পাৰো, দেশৰ ডাঙৰ ডাঙৰ কথাবোৰ মই নাজানিব পাৰো, খেতিয়কৰ ঘৰৰ গাৰনীয়া ল'ৰা যদিও, গাওঁখনৰ ভিতৰত মৰাক মাৰি খোৱাবোৰৰ কুট-বুদ্ধিবোৰ চাবলৈকে মই খুউব জোৰেৰে চকু মেলি দিছো। নিজকে ৰাইজৰ গুৰুবুলি ভাবি আছে যদি ৰাইজৰ দুখত দুখীও হব লাগিব। তেতিয়াহে

ভক্তি পাব। মই আৰু বেছি কথা নকওঁ। মুঠতে বৰ মেধিৰ ল'ৰা কাৰণে মোৰ বিচাৰ যেনেকৈ লৈছে, সেইদৰে মেধিৰ লৰাইও আপোনাক দাবী কৰিছে। দুখীয়া ছোৱালীজনীৰ গৰ্ভত থকা সন্তানটো কাৰ তাইক আপুনি সোধক। দোষীক দণ্ড দিয়ক।"

বংশীয়ে কাকো কথা কবলৈ নিদি বেছিকৈ খং কৰাৰ কাৰণে মিলনে হকা বাধা কৰি, "ৰ, তোৰ মুখ বন্ধ কৰ। প্ৰভু ঈশ্বৰে কি কয় কবলৈ দে।" বংশীয়ে বোলে "বিচাৰ অকল মোৰ ওপৰতে কৰিলেই নহব সকলোৰে ওপৰত বিচাৰ হব লাগিব। তোমালোকে কি কথা কৰা, মই যাওঁ।" বুলি বংশী গুচি গ'ল। বংশীৰ পিছে পিছে যুলেশ্বৰীও গ'লগৈ। দিহঙীয়া বুঢ়াইতে কথাটো ধৰিবই নোৱাৰিলে। বিশেষ মুহূৰ্ত্তৰ অভিনয় চাই মগ্ন হৈ থকা দৰ্শকৰ মাজত যেন লাইট নুমাই গ'ল। গোসাইক অনাহকতে আমনি কৰাৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰি বুঢ়া কিজনেও পুনৰ প্ৰণাম জনাই গুচি গ'ল।

গোসাঁইৰ অপমান মানে কংসৰ অপমান। ৰামধাৰীৰো অপমান। গোসাঁইয়ে বিশেষকৈ বংশীৰ ওচৰত জব্দ হৈ ম্ৰিয়মান হৈ পৰিছিল। তদুপৰি কংস ৰামধাৰীৰ চৰিত্ৰৰ বিষয়ে বংশীয়ে স্পষ্টভাৱে যিখিনি কথা কৈ দিলে তাৰ কাৰণে কংসহঁতৰ আগত মুখ নেদেখুৱাকৈয়ে গোসাঁই কংসৰ ঘৰৰ পৰা ওলাই গুচি গ'ল। ৰামধাৰী আৰু কংস ওলাই আহি গোসাঁইক নাপাই গধুলি আলোচনাৰ কাৰণে বহিবলৈ সিদ্ধান্ত কৰিলে। বংশী খুব বেছিকৈ বাঢ়িছে। তাক দমোৱাৰ উপায় এটা উলিযাবই লাগিব। ৰামধাৰীও গ'লগৈ।

মনবৰ ওলাই আহি কংসক অতি বিজ্ঞজনৰ দৰে কামত দোষ ধৰি আৰম্ভ কৰিলেহি। "কংসই খোজ দি খোজবোৰ মোহাৰি থৈ অহা নাই। ওঠৰ বিশ বছৰীয়া ডেকা ল'ৰাৰ দৰে অসাবধানতাৰে কংসই যুলেশ্বৰীৰ লগত হাত-বাত কৰাৰ কাৰণে হাঁঃ হাঁঃ চিঃ চিঃ কৰি

বোলে "কোটাৰ ঘৰৰ কুটি লোকলৈ বুলি ছুল চাচোঁতে নিজে মৰে ফুটি।" বংশীক ফান্দত পেলাবলৈ গৈ নিজেই ফান্দত পৰিলে। সেই পাখৰীজনীৰ লগত সেইখন ধেমালী কৰাৰ কি দৰকাৰ আছিল? ফুলেশ্বৰী অন্তঃসত্বা হোৱাৰ লগে লগে ডাক্তৰ আনি সন্তানটো নষ্ট কৰিব পাৰিলে হয়। ৰামধাৰী ক'ত? এইবোৰ বদনাম সদনাম তাৰ কাৰণে ভাতৰ লগত পানী খোৱা কথা। আপুনি ৰাইজৰ আগত এতিয়া মুখ দেখুৱাব কেনেকৈ? বংশীৰ সাহস আছে। সুবিধা পাইছে কাৰণে মূৰৰ ওপৰত উঠি সি দমদমনি মাৰি গুছি গ'ল। সেইটো কথাকে লৈ মজদুৰ গাৱঁৰ মানুহ-বোৰক বংশীয়ে লৈ আহিছে। এতিয়া ঘৰৰ গৃহিণী আৰু ল'ৰা-ছোৱালীয়ে এই কথাবোৰ গম নোপোৱাকৈ থাকিবনে? ফুলেশ্বৰীক ৰামধাৰীৰ হতুৱাই ৰাখিম বুলি কোৱাই তাৰ ঘৰলৈ শীঘ্ৰে অনাওঁক! ডাক্তৰ আনি অতি সোনকালে ভৰিৰ খোজ মোহাৰি পেলাওঁক। মই ভিতৰৰ কথাবোৰ জনা হ'লে আগতেই ব্যৱস্থা কৰিলোহেঁতেন। মই আকৌ বোলো সুবিধাটো পাওঁতেই বংশীক গাঁৱৰ পৰা বাহিৰ কৰি দিওঁ। সেই বুলিহে ভূধৰ মিলনৰ ঘৰলৈ তাত বাতি কৰি মৰিলো। বংশীক দোষী বুলি সন্দেহ কৰি ৰহেশ্বৰ বুঢাহঁতকো লটি-ঘটি কৰিলো। এতিয়া মইনো ৰাইজক কি বুলি কওঁগৈ।" মনবৰৰ গাটো যেন জলকীয়াই পোৰাদি পুৰিছে। চিঃ চাঃ কৰি ইফালৰ পৰা সিফালে ঘূৰা ঘূৰি কৰি শেষত বোলে "এতিয়া বহি ভাৱক। ভাবি কাম কৰক।"

মনবৰে কৈ যোৱা কথাবোৰ শুনি কংসৰ অসহ্য লাগিছিল যদিও কথাবোৰ সত্য। বংশীলৈ চোচামাৰি যোৱাটোও তেওঁ মহা ভুল কৰিছিল। গোসাঁয়ে হকা-বধা নকৰা হ'লে কংসই বংশীৰ গাত হাত উঠালেহেঁতেন। বংশীয়ে তেওঁক থেলা এটা মৰাহেঁতেনেই কথাটো বেচিকৈ ফুটি-ফাটি গ'ল-হেঁতেন। ৰামধাৰীয়ে হয়তো ফুলেশ্বৰীৰ তেনেকুৱা হোৱা গম নাপালে, পাইছিল যদিও বংশীৰ গাত দোষ জাপি দিম বুলি কৈৰ আছিল নেকি?

বংশীক আঁতৰ কৰি নপঠিয়ালে ফুলেশ্বৰীক ৰামধাৰীৰ ঘৰলৈ পুনৰ অনাটো সম্ভৱ নহ'ব সি তাইক কেতিয়াও আহিবলৈ নিদিয়ে। তাক আৰু আকবৰ বকুলক কিছুদিন জেলত থোৱাৰ ব্যৱস্থা নকৰিলে ফুলেশ্বৰীক হাতলৈ অনা টান হ'ব। কিন্তু বংশীক? নিজৰ গাৰ দোষ মানুহে স্বীকাৰ কৰিবলৈ প্ৰস্তুত নোহোৱাটো গতানুগতিক কথা। সেযে বংশীৰ ওপৰত সকলো দোষ জাপি তাক কেনেকৈ জেলত থোৱা হয়, সেইটো চিন্তা কৰি কংস ঘামিবলৈ ধৰিলে।

দুপৰীয়া আহাৰৰ কাৰণে জগন্নাথে দুবাৰকৈ মাতি গ'লহি। গধুৰ চিন্তাই পেটৰ ভোকটোক যেন হেঁচা মাৰি থৈ দিছে। তেওঁৰ ফুলেশ্বৰীৰ লগত কোনো সম্পৰ্কই নাছিল। সেইদিনা মাত্ৰ এটা দিনৰ কাৰণে তেওঁ অপবাদৰ বোজা মিছাকৈ ল'বলগীয়া হ'ল। ৰামধাৰীয়ে কংসকো তাৰ লগতে লেটিয়াই ল'বৰ কাৰণেই ষড়যন্ত্ৰ কৰিলে নেকি বাৰু? মিছা সন্দেহ। হয়তো ফুলেশ্বৰীয়েও তাইৰ গাত লেঠা হোৱাটো তেতিয়ালৈকে গম পোৱা নাছিল। সাধাৰণতে কংসৰ খং নুঠে। খং উঠিলে বেমাৰৰ পৰা উঠা মানুহৰ দৰে দুৰ্বল অনুভৱ কৰে। বিশ্ৰামৰ নামত কুন্দলী পকোৱাদি চিন্তাবোৰ আহি থাকিল। ফুলেশ্বৰী, বংশী, মজদুৰৰ চিন্তাই কংসৰ মস্তিস্ক ভাৰাক্ৰান্ত কৰি থাকোতেই জগন্নাথে ক'লেহি "খলিফা আহিছে।" দুপৰীয়া কংসৰ জিৰণি লোৱাৰ সময়ত আহিছে। খলিফাৰ ওপৰত খং উঠিছিল যদিও সহজ হৈ কংস বাহিৰলৈ ওলাই আহিল। গামোছা খনেৰে মুখখন মুছি খলিফাই কংসৰ মুখলৈ চাই ৰ'ল। "এইচোৱা বাট আহোঁতেই দুঘণ্টামান সময় লাগিল। কেইখোজমান খোজ কাটিলে হাই-ফাই লাগে। বাটে বাটে বহিহে আহিছো। দেৰি হোৱাৰ বাবে খং ৰাগ নকৰিব।" কংসই খলিফাক চাহ জলপান খাবলৈ ভিতৰলৈ যাবলৈ ক'লে। খলিফা অহা শুনি লীলা আৰু ললিতা ওলাই আহিছিল। কংসই কোৱাৰ লগে লগে সিহঁতে খলিফাক ভিতৰলৈ মাতি লৈ গ'ল।

খলিফাটো বৰ সহজ সৰল মানুহ। তেওঁ খলিফাৰ ওপৰত অভিযোগ নাছিল। বেয়া পাইছিল একমাত্ৰ লতিকাৰ লগত গোপন সম্পৰ্ক কৰিবলৈ আগবঢ়াৰ কাৰণে। লতিকাৰ ওপৰত পোতক তুলিবলৈহে খলিফাক তেওঁ জেলত থৈছিল। এতিয়াও চাগে বংশীৰ বিবেকা মাষ্টৰক লৈ খলিফাৰ ঘৰত মন্ত্ৰনা কক্ষ পাতে লতিকাৰ বুদ্ধি মতেহে। খলিফাই মুখেৰে মাতিব পৰা মানুহ নহয়। সি সেইবোৰত নাই। লেঙেৰীয়ে বংশীক হাতত ৰাখিছে। সেইদিনা ধান দাবলৈ মানুহ যাওঁতে তাইয়ে ঘূৰাই পঠিয়ালে। আকবৰে তেওঁক দা লৈ কাটিবলৈ আহোতেওঁ খলিফাই তেওঁক হাতে ভৰিয়ে ধৰি আঁতৰাই পঠিযাবলৈহে চেষ্টা কৰিছিল। খলিফাক হাতৰ মুঠিলৈ অনাৰ কৌশল চিন্তা কৰি কংস বহি থাকিল।

চাহ জলপান খাই খলিফা ওলাই আহি তেওঁক কংসই মতাৰ উদ্দেশ্য সুধিলে। কংসই সহৃদয়তাৰে সৈতে "তোক মই মাতিছিলো আমাৰ দুয়োৰে মাজৰ দেৱালখন ভঙাৰ কথা আলোচনা কৰিবলৈ।" বুজা নুবুজা ভাৱেৰে খলিফাই কংসলৈ চাই ৰৈ থাকিল। "তোৰ ঘৰৰ সৈতে মোৰ সম্পৰ্কটো কেনেকৈ আপোন কৰোঁ সেই কথাটো মই কিছুদিনৰ পৰা ভাবি আছো। প্ৰকৃততে মোৰ ভুলৰ কাৰণেই আজি ইমানদিন আমি দুঘৰ মানুহৰ মাজত শত্ৰুতাৰ ভাব চলি আছে। তাৰ পৰা অন্য মানুহৰহে বেছি লাভ হৈছে।" "আমি কোনো শত্ৰুভাৱ মনত কেতিয়াও লোৱা নাই ককাইদেউ? ললেনো কি লাভ হ'ব? আমি যেনে মানুহ তেনেই আছো। মই আৰু এই বয়সত এইটো অৱস্থাৰে আপোনাৰ লগত জেঠেৰি বৈনাইৰ সম্বন্ধ ধৰিবলৈ নাযাওঁ। তথাপিও হঠাৎ যে আপোনাৰ মনত সেই ভাৱটো কিয় হৈছে মই সেইটো কথাহে বুজিব নোৱাৰিলো।"

খলিফাই কংসৰ মুখলৈ নোচোৱাকৈ কথাবোৰ কৈছিল। "যি হৈ গ'ল তাক নোহোৱা কৰিব নোৱাৰি। তই চা, লতিকা, কণাই

হওঁক বা খোৰাই হওঁক তাই মোৰ ভনী। তাইক বিয়া দিব নোৱৰাৰ কাৰণেই হওঁক বা তাইৰ ভাগ্যৰ লিখনৰ কাৰণেই হওঁক তাই তোৰ লগত ঘৰ সংসাৰ পাতিলে। তই দেউতাৰ দিনৰ হালোৱা আছিলি কাৰণে তোক মই বৈনাই বুলি সাৰতি লবলৈকো লাজ পাইছিলো, সেইটো কথা দেউতাইও একেবাৰে সহ্য কৰিব নোৱাৰিছিল।”

লীলাই খলিফাক জলপান খাবলৈ মাতি নিলেহি। কংসৰ ঘৰলৈ আজি যেন খলিফা জোৱাই ল'ৰাহে আহিছে। খলিফাই সংসাৰ পাতিলে যদিও জোৱাই হ'বলৈ পোৱা নাছিল। খলিফাৰ মনটো যেন অলপ ওপৰলৈ উঠিলে। ভিতৰফালে বাৰান্দাৰ মুঢাটোতে খলিফাক বহিবলৈ দিছে। সেইখন বাৰান্দাতে এটা সময়ত সি হালোৱা হৈ দুখুৰী পিৰাত বহি চাহ জলপান খাইছিল। এতিয়া মুঢাত বহি টেবুলত খাব। তুলসী ভেটিটো, সেই গোসাঁই ঘৰৰ দাঁতিত টিঙৰ চালিখন, আনহে নালাগে খলিফা বহা দুখৰী পিৰাখন পৰ্য্যন্ত চালিৰ তলৰ চাঙতে আছে। সকলো বস্তুৰেই আছে, নাছিল মাত্ৰ খলিফা। সিপুৰীৰ পৰা ঘূৰি অহা মৰা মানুহৰ দৰে খলিফাই যেন এৰিথৈ যোৱা পৃথিবীখন আকৌ দেখিবলৈ পাইছেহি। দৈৰে চিৰা জলপান এবাটি ললিতাই খলিফাৰ ওচৰৰ টেবুলখনত দি গ'লহি। বছেৰেকৰ বিহুৰ দিনাও তেনে এটা জলপান খলিফাই নিজৰ ঘৰত খোৱা মনত নপৰে। এইখন ঘৰত আগৰে পৰা গাখীৰ উভৈনদী, লতিকাজনীয়ে কিন্তু তাক এসময়ত এইবোৰ দৈ গাখীৰ, ক্ৰীম, আনকি মিঠাইও খুব খুৱালে। চাকৰ খাতিছেহি যদিও লীলা আৰু বোৱাৰীয়েক ললিতাই ছাগৈ ভাল বস্তু দুই এটা ইযাত খাবলৈ পাইছে। সিহঁতৰ সুখ হোৱা কথাটো ভাবি খলিফাৰ মনতো আনন্দ লাগিল। ললিতাই চাহ এবাতিও দি গ'লহি। জোঁৱাই হোৱাৰ আনন্দটো তৎক্ষণাত তলপৰি গ'ল। কংসই কিবা কু-বুদ্ধি কৰিহে খলিফাক আথেবেথে এই মৰম দেখুৱাইছে নেকি? মনে মনে আচল কথাতো খেপিয়াই থাকোতেই

খলিফাৰ খোৱা শেষ হ'ল। এতিয়া কিন্তু এলাইবাদু হ'লে বিপদ হ'ব। খুউব চিন্তা কৰি কথা ক'ব লাগিব। বাহিৰত মাষ্টৰৰ মাত শুনি খলিফাই কাণ থিয় কৰিলে। মাষ্টৰৰ লগত কংসই কিবা তৰ্ক আৰম্ভ কৰিছে। মাষ্টৰে সদায় লোকৰ বেযাটোকে দেখে কাৰণে ছাগৈ কংসক কিবা কৈছিল। কংসৰ মাতটোও ডাঙৰ হৈছে। বাহিৰলৈ ওলাই গ'লে কাজিযাখনৰ মাজত সোমাবগৈ লাগিব। তাতকৈ পিছফালে গ'লে বাৰীখনো চোৱা হ'ব। বিড়ীটোও এহোপা মাৰিব পাৰিব। খলিফা পিছফালে গ'ল গৈ।

খলিফাৰ খবৰ কৰিবলৈ মাষ্টৰক কংসৰ ঘৰলৈ পঠিয়াই বংশী, আকবৰ, ৰূপহী, লেডেৰীয়ে অপেক্ষা কৰি আছিল। খলিফাক আগতেও এদিন কংসই মাতি পঠিযাইছিল। আকবৰক নোকোৱাকৈ এবাৰ মাকো গৈছিল। এইবাৰ কাকো নোকোৱাকৈ খলিফাও কংসৰ ঘৰলৈ যোৱাৰ কাৰণে বংশী আকবৰৰ খং। বংশীৰ সন্দেহ কংসই খলিফাক ফুছুলাই সিহঁতৰ পৰিকল্পনাটো ধ্বংস কৰাৰ ব্যৱস্থা কৰিব খুজিছে। ফুলেশ্বৰীৰ গৰ্ভৰ সন্তানটো নষ্ট কৰিবলৈ খলিযাৰ যোগে কিবা ব্যৱস্থা হাতত লব খুজিছে। আকবৰৰ ধাৰণা সি কংসক খবৰ নিদিযাকৈ নেউলীধান দাই নিজৰ ভড়ালত সুমোওৱাৰ কাৰণে খলিফাক বশবৰ্ত্তী কৰি কিবা শিখাই লব। খলিফাক মাৰ কিল কৰি আকবৰহঁতক জোকাই লৈ সিহঁত কেইটাক পুলিচত দিযাৰ কাৰণে হুলস্থুল আৰম্ভও কৰিব পাৰে। লেডেৰীযে ভয কৰিছিল, খোৱাৰ লগত কিবা বস্তু মিহলাই দি, খলিফাক যদি পগলা কৰে তেতিযা কি অৱস্থা হব ? ৰূপহীযে কৈছে আগতে যোৱা হলে কিবা এটা নকৰিলেহেঁতেন যদিও বংশীযে গোসাঁইৰ আগতে কংস ৰামধাৰীক অপমান কৰি থৈ আহিছে যেতিযা নিশ্চয কংসৰ খং উঠি আছে। তেনেকুৱা অৱস্থাত কংসই যি মন যায় কৰিব পাৰে। মাষ্টৰে প্ৰত্যেকৰে অভিমতবোৰ শুনি আছিল যদিও খণ্ডত মুখেৰে একো মন্তব্য দিয়া নাছিল। বাৰে বাৰে লাজপোৱাৰ পিচতো লেডেৰীয়ে কিহৰ আশাত কংসৰ সৈতে ঘনিষ্ঠতা কৰিবলৈ বিচাৰিছে ? কংসৰ

ঘৰৰ বিয়ালৈ গৈ লাঞ্চিত হৈ অহা মানুহজনীৰ মনত কি আছে, মাষ্টৰে বিচাৰি নাপালে। খলিফাৰ মনত ইমান ভয় কিয় সোমাই আছে।

আকবৰ বংশীহঁতে কৰা মন্তব্যবোৰ প্ৰতিটোৱেই সঁচা। প্ৰতিটোৱেই বিপদজনক। খলিফাই যদি বংশীহঁতৰ পৰিকল্পনাটোৰ কথা কিবা কাৰণবশতঃ বাধ্য হৈ কংসক সকলো কৈ দিয়ে, তেতিয়াতো কংসহঁতে প্ৰতিবন্ধকৰ সৃষ্টি কৰিবই। জানি বা নাজানি যেনেকৈয়ে নকৰক, লেঙেৰী আৰু খলিফাই আকবৰকে শত্ৰুতা কৰিবলৈ ওলাইছে। গৃহ শত্ৰু থাকিলে আকবৰ বংশীক কেতিয়াও কামত আগবাঢ়ি লৈ নিদিয়ে। মাষ্টৰে কি কৰো কি নকৰোকৈ মনৰ ভিতৰতে ভাবি অস্থিৰ হৈ পৰিছে। বংশীয়ে গোসাঁইক কি কলে সেইবোৰ কথা শুনি অশান্তি অনুভৱ কৰি বংশীক ধমক দি আলোচনা বন্ধ কৰিলে। তাৰ পিচত পুনৰ খলিফা কংসৰ ঘৰলৈ যোৱাৰ কথাটোৱে আলোচনাত প্ৰাধান্যতা পালে। তেতিয়া মাষ্টৰৰ এটাই চিন্তা-খলিফাক কংসৰ ঘৰৰ পৰা আনিবলৈ কাক পঠিওৱা হয়। বংশী আৰু আকবৰক পঠিয়াব নোৱাৰি, তৰ্ক-বিতৰ্ক আৰম্ভ কৰিবগৈ আৰু পঠিয়ালেও সিহঁত এটাও নাযায়। লেঙেৰীক লৈ মাষ্টৰ নিজেই যাব লাগিব। মাষ্টৰে ভাবি থাকোতেই লেঙেৰীয়ে বোলে "বিবেকা দাদা, আপোনালোকে তেওঁক মাতি আনিবলৈ কোনেও যাবলৈ ইচ্ছা কৰা নাই যেতিয়া মইযে আগবাঢ়ি যাওঁ।"

আকবৰে কিন্তু লেঙেৰীক যাবলৈ নিদিয়ে। মাষ্টৰক এফলিয়াকৈ মাতি নি ৰূপহী আৰু লেঙেৰী দুয়োজনীয়ে কাকুতি মিনতি কৰি খলিফাক মাতি আনিবলৈ অনুৰোধ কৰিলে। খলিফাক মাৰ কিল কৰে বুলি লেঙেৰীৰ, মনত চিন্তা দেখি মাষ্টৰ বিমোৰত পৰিল। লেঙেৰীৰ চকু দুয়োধাৰে পানী ওলাইছে। খলিফাই দোষ কৰিছে যদিও ইমানবোৰ মানুহ থাকি মাৰ খুৱাব খুজিছে বুলি হুক্ হুক্কাই কান্দি পেলালে। নিজৰ মান সন্মানৰ প্ৰশ্ন পিচলৈ ৰাখি মাষ্টৰে খলিফাক আনিবলৈ ওলাল। লেমটো হাতত লৈ

মাষ্টৰে কাকো একো নোকোৱাকৈ কংসৰ ঘৰলৈ বুলি ওলাই গল। আকবৰ আৰু বংশীয়ে মাষ্টৰ কংসৰ ঘৰলৈ গৈছে বুলি নোকোৱাকৈয়ে বুজি পালে। আকবৰ নিজৰ কোঠালীত সোমাই বিচনাত দীঘল দিলেগৈ। বংশীয়ে মুঢ়া এটা টানি লৈ বহি চিন্তা কৰি ব'ল। লেঙেৰী আৰু ৰূপহী দুয়োজনী প্ৰমিলাৰ মাকৰ ওচৰলৈ কথাবোৰ আলোচনা কৰিবলৈ ওলাই গ'ল। কৰিমে গৰুজনী পোৱালীটোৰে সৈতে খেদি আনি ভড়ালৰ আগত বান্ধিলেহি। হাঁহ, কুকুৰাবোৰ গৰালত সুমোৱাব নোৱাৰি সি দমৰাটো বিচাৰি লৈ গ'লগৈ।

ৰূপহীয়ে প্ৰমিলাহঁতৰ ঘৰৰ পৰা আহি চাকি জ্বলালেহি। ৰূপহী ঘূৰি আহি পোৱাৰ অলপ পাচত মাষ্টৰো আহি পালেহি, খলিফা অহা নাই। বংশী আৰু আকবৰ দুয়োটা কোঠাৰ পৰা ওলাই আহি মাষ্টৰলৈ চাই ৰ'ল। মাষ্টৰৰ মুখৰ ভাব দেখি খলিফাৰ বিষয়ে সিহঁতে সুধিবলৈ সাহকে কৰা নাই। ইতিমধ্যে লেঙেৰীও প্ৰমিলাহঁতৰ ঘৰৰ পৰা আহি পালেহি। মাষ্টৰ গহীন হৈ বহি থকা দেখি কথা কিবা গুৰুতৰ বুলি লেঙেৰী মহা চিন্তাত পৰিল। মাষ্টৰে যিখিনি বিৱৰণ দিলে সেইখিনি শুনি বংশীহঁতে বিবুদ্ধি হ'ল। মাষ্টৰ হেনো কংসৰ ঘৰৰ ভিতৰলৈ নোসোমোৱাকৈ খলিফাক লগ পাবলৈ বাহিৰতে ৰৈ অপেক্ষা কৰিছিল। জগন্নাথ বাহিৰলৈ ওলাই আহি মাষ্টৰক দেখি একো নোকোৱাকৈ ভিতৰ সোমাই গ'ল। মাষ্টৰক ভিতৰ কোঠালৈ মাতি নিলেহি। কংস ড্ৰয়িং ৰুমত বহি আছিল। মাষ্টৰ সোমাই যোৱাত বাহিৰত ৰৈ কি অনুসন্ধান কৰিছে বুলি অৱজ্ঞাসূচক ভাৱে প্ৰশ্ন কৰিলে। মাষ্টৰে প্ৰবেশ কৰিবলৈ ইতঃস্তত কৰিছিলো বুলি উত্তৰ দিয়াত কংসই হেনো মাষ্টৰক মগজুত ধৰি বাক্য প্ৰহাৰ কৰিলে। মাষ্টৰৰ কাৰণে অভিনয় কৰাহে হৈছিল বুলি ব্যঙ্গ কৰি কৃষক পৰিষদৰ নামত দান কৰিব খোজা মাটি তিনি বিঘা মাষ্টৰৰ বাপেক কৃষ্ণ ভট্টাচাৰ্য্যক হেনো জগন্নাথ বেজবৰুৱাই দুখীয়া বামুণক দানহে কৰিছিল আৰু সেই মাটি বিক্ৰী অথবা হস্তান্তৰ কৰাৰ অধিকাৰ

মাষ্টৰৰ নাই। কংসৰ ঘৰৰ দাঁতিত হুস্পিতেন্স এখন পতাৰ ব্যৱস্থা কৰাৰ আগতে কংসৰ অনুমতি লোৱাৰ যে প্ৰয়োজন আছিল, সেইটো কথাৰ ওপৰত মাষ্টৰক বহুত গালি শপনি পাৰিলে। মাষ্টৰক মুখেৰে মাত মাতি বলৈ সুবিধাকে নিদিলে। মাষ্টৰে খলিফাক মাত লগাইছিল। কংসই হেনো খলিফা তেওঁ ঘৰত নাই বুলি কৈছিল। খলিফাৰ ছাটি আৰু লাখুটি ডাল দেখিহে তেওঁ কংসৰ ঘৰত আছে বুলি মাত লগাইছে বুলি কোৱা মাত্ৰকে মাষ্টৰক "চোৰাং ছোৱা গিৰি কৰিবলৈ আহিছে? তোৰ লাজ লগা নাই? সৎ বংশৰ বামুণৰ ল'ৰা হৈ বাটৰ ভিক্ষাৰী খলিফাৰ নেগুৰত ধৰি ফুৰিবলৈ আহিছ" বুলি মাষ্টৰক হেনো কদৰ্থনা কৰি উলিযাই পঠিয়ালে।

কংসৰ ওচৰত পাই অহা লাজ অপমানত মাষ্টৰৰ মাত থোকা থুকি হৈছিল। থুলমূপ ভাৱে বিৱৰণটো দি মাষ্টৰে তলমূৰ কৰি বহি থাকিল। মাষ্টৰৰ অপমানে বংশী আৰু আকবৰক বিমোৰ কৰি তুলিলে। খন্তেক সময় কাৰো মুখৰ পৰা এটা শব্দও ওলোৱা নাছিল। নিস্তব্ধতা ভঙ্গ কৰি আকবৰে মাত দিলে। 'মাই, তই চাৰক এইখিনি মনত কষ্ট দিব নালাগিছিল। ববা মৰি যাওঁক, তাত মোৰ হানি নহয়, কিন্তু চাৰে আমাৰ কাৰণে ইমান অপমান কিয় পাব?"

আকবৰে মাকক টানকৈ মাত দিয়া দেখি মাষ্টৰে বোলে, "মোৰ অপমানৰ কাৰণে মই ভৰা নাই আকবৰ, কিন্তু এইহাল মাৰ বাপেৰৰ পৰা তহঁতৰ সামূহিক স্বাৰ্থত কি ব্যাঘাট হব, মই সেইটো কথা ভাবিহে চিন্তাত পৰিছো। নিজৰ ঘৰৰ মানুহ খিনিৰ সমৰ্থন নোহোৱাকৈ এনেকুৱা জটিল সংগ্ৰাম কৰিবলৈ আগবাঢ়িলে তহঁতৰ গাৰ নোমেই শত্ৰু হ'ব। মাৰ বাপেৰে এনেকুৱা অবিবেচক কাম কৰি থাকিলে প্ৰতি পদে পদে তহঁতৰ সন্মুখলৈ সংঘাট আহিব।" মাষ্টৰে কিবা কিবি কৈ আছে, কিন্তু কথাবোৰ লেঙেৰীৰ কাণত সোমোৱা নাই। লেঙেৰীৰ মনত এটাই মাথোন চিন্তা, খলিফাক সিহঁতে ভিতৰত সুমুৱাই লৈ কিবা কৰিছে?

মাষ্টৰ যোৱা দেখি খলিফা নিশ্চয় ওলাই আহিলহেঁতেন। লেণ্ডেৰীয়ে ৰূপহীক ভিতৰ কোঠালীলৈ মাতি নি মাক জীয়েক দুয়ো খলিফাক বিচাৰি যোৱাৰ আলোচনা কৰিলেগৈ। লেণ্ডেৰী ভিতৰলৈ যোৱাৰ সময়তে মাষ্টৰে এটা হুমুনিয়াহ পেলাই বংশী আকবৰৰ ওপৰত "কি কৰ কৰ" বুলি দায়িত্ব দি ঘৰলৈ গুছি গ'লগৈ। মাষ্টৰ যোৱাৰ পিচত লেমটো হাতত লৈ লেণ্ডেৰী আৰু ৰূপহী কংসৰ ঘৰলৈ যাবলৈ ওলাইছিল। তেতিয়ালৈ আন্ধাৰ পৰিছিল। আকবৰে যাবলৈ নিদিয়ে। উপায়হীন হৈ লেণ্ডেৰীয়ে কান্দিব ধৰিলে। মনৰ ভাব প্ৰকাশ নকৰিলেও আকবৰ আৰু বংশীয়েও খলিফা নহা দেখি চিন্তাত বিষন্ন হৈ পৰিছিল।

খলিফা আহি ঘৰ পাওঁতে খোৱাৰ সময় পাৰ হৈ গৈছিল। তেতিয়ালৈকে লেণ্ডেৰীয়ে চকুলৈ জুই নিয়াৰ কথা মনলৈ অনাই নাছিল। কৰিমে পঢ়া-শুনা নকৰি এঘুমতি মাৰিলেগৈ। ঘৰ সোমায়ে খলিফাই জুহালৰ চাঙৰ চুঙাটোত বিড়ী খেপিয়ালেহি। বিড়ী এটা জ্বলাই খলিফাই বস্তা এখন পাৰি জুইকুৰা জ্বলাবলৈ লাগিল। কাৰো মুখত মাত বোল নাই। কথা বিষম দেখি খলিফাই নিজেই মাত দিলে। "ভাত খালিহঁক নেকি ?" আকবৰ আৰু বংশী কোঠাৰ পৰা ওলাই আহিল। খলিফাই ভাত খালি নেকি বুলি মাত দিয়াৰ লগে লগে লেণ্ডেৰীয়ে ভেকাহি মাৰি বোলে "এই মাজ নিশালৈকে তাত তুমি কি কৰিছিলাগৈ ? গোটেই ঘৰৰ মানুহক চিন্তাত পেলাই এতিয়া ভাত খালি নেকি সুধিবলৈ আহিছে ?" ৰূপহীয়ে ববাকক খৰি কেইডালমান ভৰালৰ আগৰ পৰা আনি দিলেহি। জেং খৰি কেইডাল ভাঙি ভাঙি জুইত জাপি দি খলিফাই বোলে "হঁাহ মাৰি মোক ভাত খুৱাবলৈ ককাযেৰে ৰাখি থৈছিলে ঐ আদৰক নেওঁচি আহোঁ কেনেকৈ ?" বুলি কথাটো পাতল কৰিবলৈ খলিফাই হাঁহি এটাও মাৰিলে। আকবৰে বোলে "তই দাঁত উলিয়াই হাঁহি নেদেখুৱাবি দেই ববা। তোৰ কাৰণে যে এজাক মানুহে ইয়াত চত্‌-ফতাই মৰিছো তই ক'ব পাৰনে ? তোক মই সাৱধান কৰি দিছো। মোক নোসোধাকৈ

তই ক'লৈকো এখোজো ঘৰৰ পৰা বাহিৰ নহ'বি। মই খুৰাব লাগে যদি মোৰ কথামতে ঘৰখন চলিব লাগিব, আৰু যদি সেইটো নহয় মই ঘৰৰ পৰা ওলাই যাম। কেনেকৈ খাব খাবিহঁক।” আকবৰৰ দম-দমনি মাৰি কোৱা কথাত খলিফাই কেচুটোৰ দৰে কোঁচ-মোচ খাই লেতু-সেতু হৈ পৰিল। নিজে কংসৰ ঘৰত থকা অৱস্থাত ঘৰখনৰ মানুহবোৰৰ কি অৱস্থা হৈছিল এতিয়াহে খলিফাই অনুভৱ কৰিব পাৰিলে। ঘৰৰ পৰা ওলাই যোৱাৰ পাচৰ কথা ভাবি সকলো পাহৰি আছিল। খন্তেক নিতাল মাৰি থাকি খলিফাই বোলে “মই কোনোবা দিনা এখোজ ওলাই যোৱা দেখিছ জানো? তেওঁ সেইদিনা মাতোতে নগ'লো। আজি ৰাতিপুৱাই আকৌ মানুহ পঠিয়াই মাতি পঠিয়াইছে। ধানৰ কথা সুধিবলৈ মাতিছে বুলি ক'লতহে মই গৈছো বোপাই।” আকবৰে কোঠাৰ পৰা ওলাই আহিব খুজিছিল, বংশীয়ে আকবৰক হাতত ধৰি বহুৱাই থৈ নিজে ওলাই আহিল। “ধানৰ ভাগ বিচাৰি সি মোৰ ঘৰলৈ আহক। পথাৰৰ পৰা মই ধান আনি ভঁৰালত সুমুৱাইছোঁহি কি কৰো কি নকৰো সেইটো মই জানো, তই সেইবোৰৰ মাজত সোমাবলৈ কেলেই গৈছিলি?” বুলি আকবৰে কোঠাৰ পৰাই প্ৰশ্ন কৰিলে।

খলিফাক আকবৰৰ বকনিৰ পৰা বচাবৰ কাৰণে লেডেৰীয়ে মাজতে সোমাই বোলে— “তইঁতৰ এইবোৰ কথাৰ খেলি-মেলি কেতিয়া গুচিব ঠিকনা নাই। ইফালে গাঁৱৰ কোনোৱে একো নকৰোতেই আগে-ভাগে তই নেউলীধান ভঁৰালত সুমুৱাই দি তেওঁৰ লগত ফেপেৰি পাতি ধৰিছ? আমি মাৰ বাপেৰ হালে জানি শুনি তোক মৰিবলৈ এৰি দিব পাৰো নেকি? তেওঁ যাওঁ নাযাওঁ কৰি আছিলে জানিছ বংশী, মই বোলো তেওঁ ধানৰ কথা পাতিবলৈ মাতিছে যেতিয়া তুমি যোৱা। ৰাইজে আধি ধান নিদিওঁ বুলি থিক কৰিলে পিচত যি হয় হ'ব। খোৱাৰ কষ্টত পৰিছো কাৰণে নেউলীধান নিদিলো। তাৰ বদলি শালিধান দিম বুলি কৈ দিবলৈ মইয়ে তেওঁক পঠিয়াইছিলো, বুজিছ বংশী?” কংসই

কি কি সুধিলে সেইটো কথা জনাৰ কাৰণে বংশী ব্যগ্ৰ হৈ আছে। আনহাতে ওপৰা ওপৰি কৰি মাক পুতেকে তৰ্কা-তৰ্কি কৰিবলৈ ধৰিলে। বংশীয়ে ক'লে, "হোৱা কথা হৈ গ'ল তাকে তোমালোকে পেষেনিয়াই থাকি হুলস্থুলখন মিছাকৈ কৰিছা খুৰী। দদাইকনো কংসই কি সুধিলে সেইটো কথাহে আমাক লাগে। কোৱাচোন দদাই. তেওঁ তোমাক কেলেই মাতিছিলে? খলিফাই বাটে বাটে ভাবি অহাৰ দৰেই আচল কথাটো লুকুৱাই কংসই প্ৰথমতে কোৱা কথাখিনিৰে আৰম্ভ কৰিলে বোলে "তেওঁ পেনপেনীয়া মৰম দেখুৱাই মোৰ লগত জেঠেৰী বৈনাইৰ সম্বন্ধটো নতুনকৈ পাতিব খুজিছিল। লীলাক হেনো ধান দাবলৈ তেওঁ পঠোৱা নাছিল। আধি ধানৰ কথা কওঁতে মই বোলো শালি ধানেৰে আধিৰ ভাগ পুৰাই দিম। তেওঁ বোলে হ'ব হ'ব, তই মোক আধি ধানৰ ভাগ নিদিলেও মই নমৰো। মাংস ৰান্ধিছে, ভাত পানী খাই আজি ৰাতিটো মোৰ ইয়াতে থাক বুলি কৈছিল। মোৰ পেটৰ অসুখ মই মাংস নাখাৱেই। আকবৰক মই ইযালৈ অহা কথাটো নোকোৱাকৈ গুচি আহিলো, সোনকালে ঘূৰি যাওঁ বুলি ক'লো। লীলাকে মোৰ লগত পঠিয়াই দিলে। সি আহি আলিবাট পাৰ কৰি মোক থৈ গ'লহি।" বংশীয়ে লক্ষ্য কৰিলে কথাবোৰ কওঁতে খলিফাই ভাবি ভাবি কোৱাৰ দৰে কৈছে, আৰু এইখিনি কথা ক'বলৈকে খলিফাক কংসই মতাই নিছিল বুলি বিশ্বাস কৰিবলৈ বংশীয়ে টান পালে।

বংশীয়ে সোধাৰ আগতে আকবৰ কোঠাৰ পৰা ওলাই আহি খলিফাক চকু পকাই ধৰি সুধিলেহি, "তই কথা লুকুৱাইছ কেলেই?" খলিফাই আকবৰৰ চকু দেখি থত-মত খাই তলমূৰ কৰি বোলে "লুকুৱাবলৈ কি কথাটো আছে?" খলিফাৰ পেটৰ কথা সেই সময়ত উলিয়াব নোৱাৰিম বুলি বংশীয়ে বুজিলে। আকবৰক বাটলৈ মাতি নি "পিচত মই কথা হ'মহি" বুলি আকবৰক টান মাত নিদিবলৈ কৈ বংশী ঘৰলৈ গ'লগৈ। খলিফাক কংসই হাত কৰিলে বুলি আকবৰে মহা চিন্তাত

পৰি আকৌ বিচনাত বাগৰ দিলেহি। ৰূপহীয়ে খলিফাক ফঁহিয়াই ফঁহিয়াই কথা উলিয়াবলৈ যত্ন কৰিছিল যদিও খলিফাই বোলে "মোৰ গাটো ভাল লগা নাই এতিয়া কথা নুসুধিবি।" ৰূপহী মাকৰ ওচৰলৈ গ'ল। খলিফাই ক্ষন্তেকৰ কাৰণে নিশ্বাস পেলালে। কংসৰ ঘৰত হোৱা বিপৰ্য্যয়ৰ কথাখিনি লুকুৱাবই লাগিব। সেইখিনি কথা আকবৰক ক'বলৈ হ'লে জ্বলা জুইত ঘিউ ঢলাৰ দৰে আকবৰ পগলা হ'ব।

কংসৰ ঘৰত খলিফাৰ যিখিনি বিপৰ্য্যয় হৈছিল, সেইখিনি খলিফাই কাকো কোৱা নাছিল। আনকি লেঙেৰীয়ে পেৰ্ঘেনিয়াই সুধিও প্ৰকৃত কথাটো খলিফাৰ মুখৰ পৰা বাহিৰ কৰিব পৰা নাছিল। লেঙেৰীক কোৱামানেই ঢোল পিটি কথাটো ৰাষ্ট্ৰ কৰি দিয়া। যিখিনি হৈছিল সেইখিনি মানুহক জানিবলৈ দিলে তাৰ পৰা কাৰো একো লাভ নহয়।

খলিফা কংসৰ ঘৰলৈ যোৱাৰ পিচদিনা আবেলি সময়ত দিহিঙীয়া বুঢ়া ওলালহি। খলিফাই অকলশৰে জুইকুৰাৰ ফালে পিঠি দি বস্তাখন পাৰি মাটিতে শুই কিবা-কিবিবোৰ ভাবি আছিল। দিহিঙীয়া বুঢ়া বিনা কাৰণত খলিফাৰ ঘৰলৈ কোনো দিনেই নাহে। সেইদিনা কংসৰ ঘৰৰ পৰা দিহিঙীয়া বুঢ়া পোনে পোনে আহিছে। দিহিঙীয়া বুঢ়াৰ খঙৰ মুৰ্ত্তি দেখি বহিবলৈ ক'বলৈ খলিফাই সময়কে নাপালে। হাতৰ লাখুটি দাল মাটিত মৰিয়াই মৰিয়াই বুঢ়াই বোলে মোৰ ল'ৰাৰ চাকৰিটো গ'লে তহঁতক সুখেৰে নেৰো। খলিফাই থৰক-বৰককৈ শোৱাৰ পৰা উঠি লেউ-সেউ হৈ "বোলো ককাইটি, বৰ খঙত আহিছা? কি হ'ল? কি কথা? মোৰ ঘৰলৈকে আহিছা যেতিয়া বহা। কি ক'বলৈ আহিছা কোৱা।" দিহিঙীয়াই বোলে "তোৰ ঘৰত মই বহি মেল মাৰিবলৈ অহা নাই। তই মোৰ ল'ৰাৰ বিষয়ে কালি কংস বাপেৰক কি লগাই থৈ আহিছিলি? মোৰ ল'ৰাই সেইবোৰ হাই কাজিয়া কৰি নুফুৰে। তোৰ পুতেৰেহে আক বংশীৰ লগ লাগি বলিয়া কৰিছে।"

খলিফাই বোলে "খোদাৰ কচম খাই কৈছে৷ ককাইটি, মই তোমাৰ ল'ৰাৰ নামটোকে মুখত লোৱা নাই। তুমি বহাচোন, কংসৰ কথা শুনি আহি মোক গালি পাৰিছাহি, মোৰ কথাবোৰো তুমি শুনি লোৱা। তাৰ পিচত যদি মোৰ গাত দোষ দেখা তোমাৰ হাতৰ লাঠি-দালেৰে মৰিয়াই মোক ককাল ভাঙি পেলাই থৈ যাবা। তুমি বহা ককাইটি।" দিহিঙীয়া অলপ শান্ত হ'ল যদিও বহা নাছিল। তাৰ পাচত বোলে "তই যদি মোৰ ল'ৰাৰ নাম লোৱাই নাই তেন্তে মোক মাতি নি ইমানবোৰ কথা তেওঁ কিয় শুনালে? তেওঁ কৈছে যদি বকুলক চাকৰিত ৰাখিব লাগে, তেন্তে তাক আকবৰ বংশীৰ লগত দেখিব নালাগিব। কংস ৰামধাৰীৰ বিৰুদ্ধে বংশী, মাষ্টৰ আৰু তোৰ ল'ৰা, মোৰ ল'ৰাই, কি ষড়যন্ত্ৰ কৰিছে, আধি খন্দুৱা মাটিৰ ধান নিদিও বুলি ক'ত কেতিয়া কি মিটিং পাতিছে, মিটিংলৈ কোন কোন আহিছে, কৃষক পৰিষদ বুলি কি কি কৰিবলৈ ওলাইছে এই সকলো কথা তই তেওঁক কৈ আহিছ। তেওঁ বহী এখন মেলি এই কথাবোৰ মোক পঢ়ি শুনাইছে। তই নক'লে ইমান-বোৰ খবৰ তেওঁ কেনেকৈ জানিলে? তই যোৱাৰ পিচদিনাই তেওঁ ইমানবোৰ খবৰ কেনেকৈ জানিলে? তই যোৱাৰ পিচদিনাই মোক মাতি নি তেওঁ ইমানবোৰ কথা তেওঁ কেনেকৈ ক'লে?"

কংসই কোৱা কথাৰ ওপৰত অভিযোগ কৰি দিহিঙীয়াই প্ৰশ্নবোৰ কৰি খলিফাক খাওঁ যেন মূৰ্ত্তি ধৰিলে। দিহিঙীয়াৰ ৰঙা শালচকু দুটা দেখি খলিফাই তলমূৰ কৰি ৰ'ল। দিহিঙীয়াই কৈ গ'ল— "তই চুকতে থাই বুকুত কামুৰিছ। তোৰ ঘৰতে এই বনৰীয়া ম'হ কেইটাই সেই মহা শকুনি ডালৰ সৈতে গোট খায় সংসাৰৰ অনিষ্ট হোৱা কথাবোৰ পতিছে, আৰু তয়ে মনে মনে গৈ সাপ হৈ খুতি বেজ হৈ জাৰিবলৈ গৈছ? দিহিঙিয়াই কিবা কিবি কৈয়ে থাকিল। "বংশী সেই জহনিতযোৱা অধৰমিটোৰ বুদ্ধি মতে মোৰ ল'ৰাটোক নষ্ট কৰিলে তোৰ পুতেৰে। পুতেৰক কৈ দিবি, ভালে ভালে মোৰ লৰাৰ লগ এৰক, নহলে মই কিবা ঘটনা কৰি দিম কৈ

দিছো।” দিহিঙিয়া বুঢাই গালি-শপনি পাৰি খলিফাক দমদমাই থকাৰ মুৰত দিহিঙিয়া অলপ সময় ৰৈছিল।

সেই সুবিধাতে খলিফাই বোলে “ককাইটি তুমি গাওঁখনৰ বুঢা মানুহ, আল্লাৰ কচম খাই কৈছো, তোমাৰ আগত মই একো কথা লুকুৱাও। তুমি মোৰ কথাবোৰ শুনি লোৱা। ঘৰত কোনো নাই কাৰণে তোমাক মই কাৰো আগত নোকোৱা কথাখিনিও খুলি কৈছো। তুমি বিশ্বাস কৰা ককাইটি, মই ল'ৰাৰ আগত কোৱাটো বাদেই নিজৰ মাইকীজনীকো মোৰ দুখৰ কথা কোৱা নাই। সি মোক আধা-মৰা কৰি পঠিয়াইছে। ককাইটি। মই বিষত উঠিব পৰা নাই। মোক তেওঁ তুবাৰ মতাতহে মই তেওঁৰ ওচৰলৈ গৈছিলো। তেওঁ মোক আথে বেথে জা-জলপান খুৱাই ফুচুলাই ৰাখিব খুজিছিল। মই নাথাকো বুলি গুছি আহিবলৈ ওলাইছিলো। কংসই মোক হুকুম দিলে “তই থাকিবই লাগিব” মই ভয় খালো। ওলাই আহিব খোজোতে তেওঁ মোৰ ডিঙিটোত ধৰি ভিতৰফালে গতামাৰি দিলে। মই ঢলি পৰিছিলো ককাইটি, তাৰ পাচত মোক মৰা গৰু চোচোৰোৱাদি বিহাৰী মানুহ এহালে টানি লৈ গৈ কোঠা এটাত তলা মাৰি বন্ধ কৰি থৈছিল।” কথাবোৰ কওঁতে খলিফাৰ চকুপানী ওলাইছিল আৰু খলিফাৰ কথাবোৰ শুনি দিহিঙিয়াৰ আগৰ খঙৰ ভাৱ আতৰি অলপ সহানুভূতি সূচক দৃষ্টিৰে খলিফালৈ চাই ৰৈছিল। “সেইদৰে কোঠাটোত বন্ধ কৰি থওঁতে মই বোলো আজি বেহেস্তৰ পৰা বিদায় লোৱাৰ সময় আহিল। অলপ সময়ৰ পাচত কংস ৰামধাৰী হালেই লগত বিহাৰী মানুহ দুটা লৈ দুৱাৰৰ তলা খুলি মোৰ ওচৰলৈ আহিল, ককাইটি। কংস ৰাক্ষসে খাওঁ খাওঁ মূৰ্ত্তি ধৰি ‘ধান কিয় ভৰালত সুমোৱাইছিলি?” বুলি মোৰ চুলিকোচাত ধৰি মূৰটো দাঙি সুধিলে। মই কলো “ল'ৰাইহে ধানৰ কথা জানে, মই খেতি কৰা ধান চপোৱাৰ ওচৰলৈকে যোৱা নাই। সৰাই নকৰিব লগীয়া কাম কৰিছে যদিও শালিধান কাটিলে মই আধিভাগ পুৰাই দিম”। মোৰ ঘৰত কেতিয়া কি কি আলোচনা হৈছিল বহী এখন

উলিয়াই লৈ তেওঁ পচি দি মোক হয় নে নহয়, সঁচা নে খুলি সুধিলে। মই বোলো "কেতিয়াবা কেতিয়াবা ল'ৰা কেইটা আহি কিবা কিবি কথা পাতেহি, কেতিয়া কি কথা পাতিছিল মোৰ মনত নাই"। তাৰ পাচত ৰামধাৰীযে বোলে "ফুলেশ্বৰী বোলা ছোৱালী জনীক ফুচুলাই মোৰ ঘৰলৈ আনি দিব লাগে। তই পাৰিবিনে? তাইক মই খেদি দিযা নাই, পলাই গৈছে। তই তাইক কিবা এটা উপায়েৰে মোৰ ঘৰলৈ আনি দিবই লাগিব"। ফুলেশ্বৰীৰ নাম লওঁতেই মই জানিলো ককাইটি, তাইৰ গৰ্ভ নষ্ট কৰিবলৈ সিহঁতে তাইক ৰামধাৰীৰ ঘৰলৈ নিব খুজিছে। মই চেষ্টা কৰিলে ছোৱালীজনীক আকবৰৰ মাকৰ হতুৱাই মতাই আনি ফুৰিবলৈ নিযাৰ চলেৰে ৰামধাৰীৰ হাতত গতাই দিব পাৰিলোহেঁতেন, কিন্তু মহাপাপৰ গোটেই বোজাটো মোৰ গাতে নপৰিব জানো ককাইটি? মই কৰিব নোৱাৰো বুলি কলো। ৰামধাৰীয়ে বোলে "সেইটো কৰি নিদিলে তোকো জীযাই নথওঁ।" লগে লগে কংসই বোলে "ফুলেশ্বৰীক ৰামধাৰীৰ ঘৰলৈ তই আনি দিব লাগিব, ক আনিবি নে নান? আৰু তোৰ ঘৰৰ মিটিঙলৈ কোন কোন আহে, কি কি কথা পাতে সকলোখিনি মোক কৈ যা মই কাগজত লিখি ল'ম।" মই কলো "সেইবোৰ একো কব নোৱাৰো, মই মিটিঙত থকাও নাই আৰু কি কথা পাতে একো শুনাও নাই। ফুলেশ্বৰীক ফুচুলাই আনিবলৈ কৈছে, তাইক মই কেনেকৈ আনিম? বংশীয়ে গম পালে মোক সুখেৰে এৰি দিব নেকি?" কথাটো কবলৈহে পালো, মানুহ দুটাই মোৰ হাত দুখন পিচলৈ কৰি গামোছা এখনেৰে বান্ধি পেলালে ককাইটি। ৰামধাৰীয়ে মোৰ মুখ খনত সোপা দি ধৰিলে। কংসই মোৰ ডিঙিত ধৰি বোলে "তোক মই মাৰি পেলাওঁ— যি কৰিবলৈ কৈছো কৰিবিনে নকৰ?" মই তেতিয়াও একো কোৱা নাছিলো। তাৰ পাচত বিহাৰী দুটাৰ এটাই মোৰ হাত দুখনত ধৰিলৈ, ইটোৱে মোৰ গাৰ কাপোৰ বোৰ খুলি পেলালে। তাৰ পিচত মোৰ আচল ঠাইত ৰামধাৰীয়ে এনেকুৱাকৈ বাহঁৰ কামি দুটাবে টেপা মাৰি

ধৰিলে মোৰ সেই পিনে উশাহ-নিশাহ বন্ধ হৈ গ'ল ককাইটি। মুখৰ কাপোৰৰ সোপাটো আতৰাই দিলতহে মই জ্ঞান পাইছো। অলপ পৰৰ পাচত কংস ৰাক্ষসে আকৌ কলে "তোৰ এইযা একো শাস্তি হোৱা নাই। আজি তই ঘূৰি যাবলৈ নাপাৱ। ক তোৰ ঘৰলৈ কোন কোন আহে। মিটিঙত কি কি কথা পাতে" ? উপায় নাপাই মোৰ মুখত যি আহে বলীয়াই বকা দি বকিছিলো ককাইটি।"

"পাচ বছৰ দিন জেল খাটিলো। পুলিচেও মোক এনেকুৱা শাস্তি দিয়া নাছিল ককাইটি। মই খোজ কাঢ়িব পৰা নাই, ইমান যমৰ যান্ত্ৰনা ভুগী আহিছো। তোমাক বাধ্য হৈ হে মই এই কথাবোৰ কৈছো। তুমি মোৰ ওপৰত দম দমাই উঠিছা ? মানুহক দেখুৱাব নোৱাৰা ঠাইত জখম কৰি পঠিৱাৰ কাৰণে মই সহি আছো। এই কথাবোৰ আকবৰে জানিলে কংসক কুঠাৰেৰে ফালি পেলাবগৈ, সেয়ে বোলো বুঢালোকৰ বচন 'সহিলে সম্পদ। নসহিলে বিপদ," ল'ৰাই ধানবোৰ দাই আনি ভড়ালত সুমুৱাই দিলেহি। সেইটো কম ডাঙৰ দোষৰ কথা হোৱা নাই। কংসৰ মানত আমি আঠুৱা তলৰ মহ। সেয়ে ককাইটি, ভয়ত মোৰ বুকুখনে ধৰফৰাই আছিল। আৰু মোক মতাৰ বাবে গৈ যমৰ যান্ত্ৰণা পাই আহিলো। আৰু তোমালোকৰো লটি ঘটি কৰিছো ককাইটি।"

দিহিঙ্গীয়াই তলকামাৰি খলিফাৰ কথাবোৰ শুনি দীঘল এটা হুমুনিয়াহ পেলাই ক'লে— "তই নিজৰ ল'ৰাক বলাব নোৱাৰি তোৰ বেমাৰী আৰু বুঢা দেহাত এই নগুৰ নাগতি হৈছে আৰু মোৰো তোৰ দৰেই হৈছে। মই ভাল কথা এষাৰ ক'লে লৰাই গেণ্ডেৰী মাৰি কথা কোৱা হ'ল। ইফালে কংস হতৰো উৎপাত অলপ বেচিলৈ গৈছেগৈ। ধৰ্ম্ম-কৰ্ম্ম বোলা কথা এষাৰ আছে বুলি একেবাৰে গনিতাই নকৰা হৈছে। মহাধৰ্ম্ম আছে। তাৰ বিচাৰ হবই, তই চাই থাকিবি। সেইটো মুহীধৰৰ পুতেক কষ্ঠি, তাক নি মিলত সুমুৱাই লৈছেগৈ। পিছে এমাহ নৌহওঁতেই

কিবা বেঙ্ক চুৰ কৰিছে বুলি তাক থানাত ভৰাই পুলিচৰ হতুৱাই আধামৰা কৰালে। পিছে বাপেকে ছাগলী এজনী বেচি পুলিচক ঘোচ দিহে উলিয়াই আনিছেগৈ। তোক এই খিনি কৰিযেই এৰি দিছে বুলি নাভাবিবি। নেউলী ধান ভৰালত সুমুৱাব নোৱাৰিবি। পুলিচ মিশিটেৰা আনি একে-দিনাই ভড়ালৰ পৰা উলিযাই নিবহি বুজিছ। তই চাই থাক, এই কেইটাই ফেপেৰী পাতিছে—লটি ঘটি হৈ মৰিছো আমি।"

সকলো গণ্ডগোলৰ মূল এই নপুংসক মাষ্টৰ ডাল। জানিছ খলিফা, তাক মই কলো "বোলো মাষ্টৰ তুমি এই ল'ৰাবোৰৰ লগ এৰি নাম-ঘৰলৈকে আহিবলৈ লোৱা। সি ক'লে কি জানিছ। সি হেনো পাপ কৰা নাই, সেই বাবে হেনো পূণ্যৰ কথা চিন্তা কৰি সি সময়ৰ অপব্যৱহাৰ নকৰে। কংসই সেই বদনামী ছোৱালী জনীক দি যে মাষ্টৰক ঠগিলে—সেই আখেজ তাৰ বুকুত সদাই লাগি আছে। কংসৰ ওপৰত আখেজ পুৰাব-লৈকে মাষ্টৰে লৰাজনক হাত কৰি লৈছে। মই মোৰ ল'ৰাকো বুজাই কৈছিলো। ক'লেনো কি ডাল হ'ব অ'? আমাৰ কথা ঠেং তলেদি সৰকাই দিলে। মিলনক মাতি আনি জৰাফুকাকে কৰাৱনে, ইলিয়াচ কম্পাউণ্ডাৰকে দেখুৱাব-কিবা এটা কৰ। একো নকৰাকৈ থকাটো হ'লে বেয়া কথা হৈছে। ভিতৰত ক'ৰবাত কিবা ধৰণেৰে জখম হৈছে যদিও পিচত হ'লে বাককৈয়ে ভুগিব লাগিব। কি কৰিম? ময়ে মনে মনে মিলনক কথাটো কৈ পঠিয়াই দিমগৈ নেকি? মিলনক ক'লে নহ'ব—ইলিয়াচৰ ওচৰলৈ যাব পৰা হ'লে কথাটো বাহুল্য নহলহেঁতেন। খোজ কাঢি যোৱা সম্ভৱ নহয়।" ৰূপহীয়ে তামোলৰ বটাটো গোটাই দিহিঙ্গীয়াৰ আগতে থ'লেহি।

"এইবাৰ লৰাহঁতৰ মতি গতি যি দেখিছো ধান পাওঁনে নাপাওঁ ঠিক নাই। যি কেইটা ভঁৰালত সোমালে, তাৰেই নটো খাই লওঁ।" ৰূপহীযে ভিতৰৰ পৰা ওলাই আহি দিহিঙীয়াৰ কথাৰ মুখতে ধৰি বোলে "বৰ পিতাই, আপুনিনো ৰবাক ভয় খুৱাইছে কেলই? আমি ধান নিদিওঁ

বুলি লাগিছো। আমাৰ পিচতে আপোনালোকেও নিদিওঁ বুলি লাগি গ'লেহে আগবাটি যোৱা কেইটাই সাহস পায়। তাকে নকৰি ৰবাক ভয় খুৱাই পিছফালৰ পৰা আজুৰি দিব খুজিছে কেলই? দহ জনৰ দহোটা মতহোৱাৰ কাৰণেহে সিহঁতে চল পাই গৈছে।" দিহিঙীয়াই তামোলখন চকলিয়াই মুখত ভৰাবলৈ লৈযো বৈ গ'ল।

"এৰা, এইযা আমাৰ গাঁৱতে ঘৰে ঘৰে কল্কি অৱতাৰ হৈছে। আমি মেলেছখনে বাককৈ ভুগিব লাগিবযেন দেখিছো।" দিহিঙীয়াই প্ৰমাদ গণিলে ৰূপহীৰ লগত তৰ্কা তৰ্কি কৰিও লাভ নাই, তাই কালিৰ ছোৱালী। দিহিঙীয়া ঘৰমুৱা হ'ল।

বছৰৰ শেহতীয়া বানপানীযে জলদোৱা মাটিত ৰোৱা ধান পলসেৰে পুতি থৈ গ'ল। গতানুগতিক ভাৱে ৰাইজে ভুমুনিযাহবোৰ পেলালেগৈ। ৰোৱতি মাটিৰ ধানত পানী সোমাইছিল যদিও সেই পানী পলসে ধানৰ পোলাবোৰ শকত কৰিহে গৈছিল। ধানৰ থোকবোৰ মৰম লগা হৈছিল। হঠাৎ এজাক আৱতৰীযা বতাহ ৰবমুণে ধানৰ থোকবোৰ ছেদেলি-ভেদেলী কৰিলে। ধান দেখি কৃষকৰ মনবোৰো খেলি-মেলি হ'ল। দিহিঙীয়াই বকুলৰ মাকক ধাননিৰ অৱস্থাটোৰ কথা ক'লেহি। ঠাণ্ডাও পৰিছে। বুঢীয়ে দিহিঙীযাক চাহ এবাটি দিলেহি। সোণাক গুৰিৰ বৰা ধাননি দৰাত পকনীযা বতাহ পৰিল। এসপ্তাহ মানৰ পিচতেই দাব পৰা হ'লহেঁতেন। ৰাতিপুৱাৰ লগে লগে ৰ'দজাকো অৱশ্যে ওলাইছে। ৰ'দ ভালকৈ পৰিলে ধান বেযা নহয়।

দিহিঙীয়া ঘৰৰ পৰা ওলাই যোৱাৰ পিচতে প্ৰমীলাৰ মাকে উঘা বিচাৰি বকুলৰ মাকৰ ওচৰ পালেহি। বকুলৰ মাকে আজিকালি তাত সুত ৰবলৈ এৰিলে। তাতে ছোৱালী কেইজনী উলিযাই দিয়াৰ পৰা উঘা, ছেৰেকি, তাঁত শালৰ ব্যৱহাৰ নাইকিয়া হ'ল। কোনোবাই টোলোঠাটো, ৰাচ এখন বিচাৰিলে নিদিয়াকৈ নাথাকে। বকুলৰ বোৱাৰী -নহালৈকে বস্তুবোৰ ব্যৱহাৰ হৈ থাকক বুলি সাঁচি সামৰি থৈছে হয়

কিন্তু বকুলে ছোৱালী অনাৰ নামকে মুশুনে। প্ৰমীলাৰ মাকে ছাচনিৰ ফালৰ ছোৱালী এজনী দেখুৱাই দিহিঙীয়াফ কৈছিলেহি। ল'ৰাই হাঁ-হুকে নকৰিলে। আকবৰহঁতৰ ঘৰৈলে ঘনকৈ অহা যোৱা কৰাৰ কাৰণে দিহিঙীযানীৰ বকুলৰ ওপৰত সন্দেহ হৈছে। মাকেই মুছলমানলৈ পলাই আহিলে, জীয়েকেও যদি বকুলক লম্ভিছে কথা সৰ্ব্বনাশ হ'ব। বাপেকৰ লগত বকুলৰ চকুৱে চকুৱেই নপৰা হৈছে। ৰূপহীৰ স্বভাব-চৰিত্ৰও বেযা নহয। বলোৰাম বোলা মজফুৰৰ ল'ৰাটোৰ লগত ভিতৰি কথা চলি আছে বুলি প্ৰমীলাৰ মাকে ক'লত দিহিঙীয়ানীৰ মনটো পাতল হ'ল। খলিফাৰ ঘৰৰ প্ৰসঙ্গ অহাৰ লগে লগে দিহিঙিয়ানীয়ে খলিফাই খোজ কাঢিব নোৱৰা অৱস্থা হৈ আছে বুলি প্ৰমীলাৰ মাকক কথাৰ চলতে কৈ দিলে। দিহিঙিয়ানীযে বোলে মই শুনা কথাহে। ৰূপহীযে বাপেকক কংসই মাৰকিল কৰে বুলি ভয কৰিছিল। প্ৰমীলাৰ মুখত শুনা কথাহে। বাটত আহোতে উজুতি খাই দুখ পাবও পাৰে। দিহিঙিয়ানীয়ে কথাটো উলিযাই বহল হৈ যায বুলি ফুচ্‌ফুচাই কথাবোৰ প্ৰমীলাৰ মাকক কৈ কাৰো আগত মৰিলেও নকৰলৈ বুলি বধ শপত দিলে। প্ৰমীলাৰ মাক বাংগালী মানুহ। তাতে ঔ যাৰীতে বিধবা হৈ আকৌ বিয়া নোসো-মোৰাকৈ থকা মানুহ। দিহিঙিযানীয়ে টিপতে কথাটো কৈছিল যদিও প্ৰমীলাৰ মাকে কথাবোৰ শুনি বেযা লাগক ছাৰি হাঁহি হে দিলে। মুখৰ তামোলৰ পিক এসোপা চাদৰখনত পৰিল। হাঁহি ৰাখিব নোৱাৰি বাহিৰলৈ ওলাই গৈ ডিঙিত তামোল লাগি চৰচৰনীও খালে। দিহিঙিযানীয়ে পানী এবাটি দিলতহে প্ৰমীলাৰ মাক ৰক্ষা পৰিছে। বামুণটোৱে মুছলমান মানুহটোক কাপোৰ খুলি বাৰু • বুলি আকৌ হাঁহি উঠিল। দিহিঙিযানীৰ ভযতে তৎ নাইকিযা হ'ল। প্ৰমীলাৰ মাকে পাগলীজনীৰ দৰে হাঁহি থাকোতেই কোনোবা আহি ওলালে সৰ্বনাশ হব। উধা কেইটা দি প্ৰমীলাৰ মাক যাওঁতে দিহিঙিয়ানীয়ে দঢাই দঢাই কথাটো কাৰো আগত নকৰি বুলি কৈ পঠিয়ালে। তথাপি দিহিঙিয়ানীৰ সন্দেহ

থাকিল। গাওঁখনৰ ভিতৰত ভংভঙিয়া মানুহ আছে যদি সেইজনীয়েই। প্ৰমীলাৰ মাক যোৱাৰ পাচত দিহিঙিয়ানীৰ, মুখত শুনিলো' বুলি যাতে তাই কথাটো নকয়, সেইটো সাৱধান কৰি দিবলৈ প্ৰমীলাৰ মাকৰ ওচৰলৈ ওলাই গ'ল। দিহিঙিয়া বুঢাই কাকো নকবা বুলি ৰহেশ্বৰ বুঢাকে কথাটো কৈছিল। লোকৰ মুখৰ পৰা ঘৰৰ এজনৰ কথাটো জানিবলৈ পাই লেঙেৰীয়ে লাজত পৰি খলিফাক জেংজেঙাই ধৰিলেহি। সাত গোষ্ঠী উদ্ধাৰ কৰি লেঙেৰীৰ গালি শপনি শুনিও খলিফাই একো উত্তৰ দিয়া নাছিল। শেষত লেঙেৰীৰ বকনি বন্ধ নোহোৱা দেখি বোলে "হোৱা কথা হৈ গ'ল। নিজৰ দোষত নিজে শাস্তি ভোগ কৰিলো, আকবৰে গম পোৱা হলে কি ঘটনা কৰিলহেতেন কথাটো ভাবি নাচায় কেলেই?" লেঙেৰীয়ে কথাটো ভাবি চালে। খলিফাই হুলস্থুল নলগাই ভালেই কৰিলে।

আকবৰহঁতেও কথাটো গম পালে। কথাটো পুৰণি হ'ল। সিহঁতে লাজতে খলিফাক একো নুসুধিলে যদিও দীঘলা বসন্তৰ হতুৱাই খলিফাৰ পৰা কথাবোৰ ললে। খলিফা কংসৰ ঘৰলৈ যোৱাৰ দিনাৰে পৰা মাষ্টৰৰ পানীলগা জ্বৰ। বলোৰাম বকুল দুযোটাৰে ৰাতি ডিউটি আছিল কাৰণে কোনো আলোচনা হোৱা নাছিল। সেইদিনা দীঘলা বসন্তৰ ঘৰত গধুলি আটাইকেইটা গোট খালেহি। মানুহবোৰে আহোম শালি, সুৱাগমণি, আদি লাহি ধানত কাছি লগাইছে। নিকুঞ্জ, হৰেশ, বগাইকে আদি কৰি ভালেখিনি মানুহে মুখেৰে মালিকক খবৰ নিদিওঁ বুলিও ধান দোৱাৰ খবৰ দিছেগৈ বুলি বকুলে কথা আৰম্ভ কৰিলে। দীঘলাই আধি মাটিত কাছি লগোৱা নাই।

ফনীধৰে, ফটিকে খন্দুৱা ধান নি নিজৰ ভৰালত সুমোৱাইছে। যি কেইঘৰে আগৰ কথা নামানিলে, সিহঁতক এতিয়া কথা কৈ একো লাভ নহ'ব। বাকী আধি খন্দুৱা খোৱা মানুহখিনিক মাতি আনি আলোচনা কৰাৰ সিদ্ধান্ত লোৱা হ'ল। বংশী, বকুল, দীঘলা, আকবৰে চুবুৰীবোৰৰ মানুহ মাতিবলৈ ভাগ কৰি ল'লে। মনবৰ মণিৰাম

জগন্নাথে ঘৰে ঘৰে আহি মানুহক ভয় খুৱাই মালিকৰ ওচৰলৈ পঠিওৱা খবৰবোৰ বংশীহঁতে পাইছে যদিও এতিয়া দালালৰ বিৰুদ্ধে কৰিবলগীয়া একো নাই, তাৰ বিপৰীতে ৰাইজক দৃঢ়মনা হ'বলৈ চেষ্টা কৰাৰ ওপৰতহে মাষ্টৰে বেছি গুৰুত্ব দিছে। মাটিৰ মালিকবোৰে নিশ্চুপ হৈ থকা মানে সিহঁতে মাৰপিট এখন আৰম্ভ কৰিবলৈ যে চেষ্টা চলাইছে তাৰেই প্ৰমাণ খলিফাৰ ওপৰত কৰা অত্যাচাৰ। সেইটো কথা বুজাই দি কোনো কাৰণেই যাতে কোনেও হাই, কাজিয়া কৰি পুলিচ সুমোৱাবলৈ মালিকক সুবিধা দিয়া নহয়, তাৰ কাৰণে প্ৰত্যেককে সাৱধান কৰি দিছে। সংগ্ৰাম আৰুবৰে আৰম্ভ কৰি দিছে। ফটিক, ফনীধৰহঁতে ৰাইজৰ পক্ষ লৈছে। হৰেশ বগাইহঁতে বাধ্য হৈহে মালিকৰ পক্ষ লৈছেগৈ। এজন দুজনকৈ হ'লেও ৰাইজৰ পক্ষত মানুহ চামিল কৰিব নোৱাৰিলে শত্ৰু পক্ষৰ জয় অনিবাৰ্য্য। শত্ৰুৱে অস্ত্ৰ যোগাৰ কৰাৰ উপৰিও ৰাইজৰ মাজত বিভাজন আনিবলৈ চেষ্টা কৰিব। সাহস আৰু দৃঢ়তাৰে শান্তিপূৰ্ণভাৱে ৰাইজক গোটপিট খুৱাই সংগঠনটো সবল কৰিবৰ কাৰণে আনহে নালাগে এইকেইদিন নিজৰ সকলো কাম বাদ দি সংগ্ৰামৰ প্ৰস্তুতি কৰিবলৈ বাৰে বাৰে ল'ৰাহঁতক মাষ্টৰে বুজাইছে। পিচদিনাৰ কাৰণে মানুহ মাতিবলৈ আৰু তালিকামতে আধি খন্দুৱা খোৱা মানুহৰ নামবোৰ লৈ ঘৰে ঘৰে গৈ বুজাবৰ কাৰণে বংশীহঁত তেতিয়াই যাবলৈ ওলাল। চৰম মুহূৰ্ত্ত উপস্থিত। ব্যস্ততাৰে সৈতে আটাইকেওটা দীঘলাৰ ঘৰৰ পৰা গ'লগৈ। মাষ্টৰো ঘৰলৈ গ'ল।

গধূলি নামঘৰৰ আগৰ কৰচ জোপাৰ তলত ঘঁহনিত জুই একুৰা জ্বলোৱা হৈছে। নামঘৰৰ ভিতৰলৈ খলিফা আৰুবৰ সোমাব নোৱাৰে কাৰণে মুকলিতে মিটিং হ'ব। বুঢ়া কিজনক খলিফাক শাস্তি দিয়াৰ আলোচনা হ'ব বুলি বকুলে মাতি আনিছে। জুইৰ ওচৰত মিলন, ভুধৰ, ৰহেশ্বৰ, দিহিঙীয়াহঁত বহি বিড়ি হুপিছে। ফটিক, ফণীধৰ, সোণধৰ, আহিল। নিযাৰ বুঢ়াও আহিছে। মাষ্টৰো আহিল। বংশীহঁত আৰু খলিফা আহি

পোৱাহি নাই। দীঘলাই তামোলৰ টোপোলা এটা ৰাইজৰ ফালে দি গ লহি।
পথাৰৰ মাজৰ পৰা কুঁৱলীবোৰ গছ তললৈ আহিছে। আন্ধাৰৰ লগত
যুদ্ধ কৰিহে কুঁৱলীবোৰ যেন জুইৰ পোহৰলৈ ঢপলিযাই আহিছে। বতাহ
জাকে জুইকুৰা উকৰাই নিছে। মাষ্টৰে বৈ চাই থকাৰ পৰা মাত দিলে
বোলে "আমাৰ অৱস্থাও এইটোৱেই দীঘলা। আন্ধাৰ আঁতৰাবলৈ আৰু
শীতৰ পৰা ৰক্ষা পৰিবলৈ আমি জুই জ্বলাইছো। বতাহেও আমাক
পোহৰত থাকিবলৈ নিদিয়ে। আমাক জুইৰ তাপ লাগিবই। আমাক
পোহৰ লাগিবই।" ৰত্নেশ্বৰ বুঢ়াই বোলে "বতাহত জুই জ্বলাব নোৱাৰ।
নামঘৰৰ ভিতৰলৈকে নগলিনো কেলেই?" বৰুলে বোলে "এৰ পিতাই
তাকেই চাৰে কৈছে। আন্ধাৰ মানে এইবোৰেই। একেলগে ফুৰিছো,
খাইছো, একেলগে মৰিবলৈও ওলাইছো। তাৰ ভিতৰৰে এটাৰ কাৰণে
নাম ঘৰত সোমোৱা নিষেধ। আকৰৰ মৈইন ককাইটিহঁত নাম ঘৰত সোমালে
নাম ঘৰটো বোলে চুৱা হব। এইবোৰ নীতি-নিয়মৰ আন্ধাৰ, বৰ পিতাই।
আমাৰ ইযাতে হৈ যাব। তোমালোক বুঢ়া কিজনৰ কষ্ট হৈছে যদিও
মনৰৰ দদাইৰ লগত তৰ্ক নকৰিবা গৈ।" মানুহ কিছু গোট খাইছে যদিও
বেছি ভাগ থিয হৈ আছে, যেন বাধ্যত পৰিহে তেওঁলোক আহিছে।
এতিযাই যেন যাবগৈ। প্ৰমিলাৰ মাক পাভৈ বুঢ়ী, পুহীতাৰ লগতে
লেণ্ডেৰীও আহি বহিলেহি। দিহিঙিয়াই বোলে "খলিফা, আমি ৰাইজ গোট
খাইছো যদিও কংসৰ ওপৰত বিচাৰ কৰিবলৈ অহা নাই, কাৰণ তেওঁক
মতাও নাই। মাতিলেও নাহে। সেই কাৰণে একপক্ষীয বিচাৰ কৰিব
নোৱাৰি, যদিও তোৰ কথাখিনি শুনি ৰাইজে কি মত দিয়ে তাকে শুনোচোন।"

দীঘলাই বোলে "আজি খলিফা ককাইক যিটো কৰিলে, কালিলৈ
মোকো সেইটো কৰিব, ৰাইজ। আইন মতে পুলিচেও মানুহক শাস্তি
দিব নোৱাৰে। তেনেস্থলত মানুহক ঘৰলৈ মাতি নি এনেকুৱা যমৰ

॥ উৱহ ॥

শাস্তি কোনখন আইন মতে দিলে ?” ফণীধৰে বোলে “আজিৰ দিনত সহিলে সম্পদ বোলা কথাষাৰ নাখাটে ৰাইজ।” সহি থাকিলে মুৰৰ ওপৰত উঠা দিন-কাল হল। তাকে চাই ৰাইজে কংসকো বিচাৰলৈ মাতিব লাগে। তেওঁ নাহিলে, ৰাইজ নামানো বুলিলে ৰাইজেও তেওঁক এঘৰীয়া কৰিব লাগে, কংস যদিও এম, এল, এ হৈ থকা নাই তথাপি তেওঁ শাসক দ'লৰ পাণ্ডা। তেওঁ যি কয় সেইমতে ওপৰৰ পৰা হুকুম আহিব। ৰহেশ্বৰ ককাইদেউ, চুলি খুৰাই চুণৰ চিটিকি দিবলৈ টেলিফোন কৰিলেই হ'ল, দোষী নিৰ্দ্দোষী বুঢ়া মেঠাৰ বাচ-বিচাৰ একো নকৰা মহা অন্যায় হৈছে। ৰাইজে অইন একো কৰিব নোৱাৰিলেও প্ৰতিবাদ কৰিবতো পাৰে। মুখৰ ভাত, চাকৰি, ব্যৱসায়, ভাষা, সংস্কৃতি সকলো কাটি নিলে। সেই বুলি নিলে বুলি জুইশালৰ গুৰিত আলোচনা কৰি থকাতকৈ দলে বলে ৰাইজ গোট খাই প্ৰতিবাদ কৰিবলৈ ওলাই আহক। দেশখনৰ কথা নালাগে নিজৰ গাওঁখন, অঞ্চলটোৰ আৰ্থিক অনাটন-গুছাবলৈ ৰাইজ এক গোট হওঁক।” মিলনে বোলে “তুমিনো ইমান দিনে ক'ত সোমাই আছিলা ? ৰাইজখন যে এন্ধাৰত গেলি আছে বংশীহঁতেহে তোমাক দেখুৱাই দিলে নেকি ? সিহঁতক খুছি খুছি ওপৰলৈ উঠাই দি জানোছা টুপাই বুৰ মাৰা তাৰেণো কি প্ৰমাণ আছে ? আমাৰ বয়সো নাই, শক্তিও নাই। প্ৰতিবাদ জিন্দাবাদ সেইবোৰ চিঞৰিবলৈ সাহসো নাই আৰু সেইবোৰ চিঞৰি কোনে কিটো সুখ পাইছে তাকো দেখিছো।” দিহিঙিয়াই বোলে, “দেখিলো ঐ, মটৰ গাড়ী লৈ ৰাইজ ওলাই আহক বোলোতেই ল'ৰাখনে “আহ ঐ আহ ওলাই আহ” বুলি গাওঁ খন চিঞৰী তাল ফাল লগাইছিলে। ৰাইজ জাকে-জুমে ওলাই গৈছিল। পিছে ৰাইজে কিডাল পালে ? বিদেশীবোৰ খেদিবলৈ ডাঙৰ ডাঙৰ মাষ্টৰ, প্ৰফেচাৰ, আমোলা, উকীলবোৰ ওলাই নাহিল কিয় ? ৰাইজক উচতাই জোল খোৱাবোৰ নাহিলে চোন। বজা মন্ত্ৰীবোৰবো গুৰি হেলেক-পেলেক হ'ল। দেশ খন এম, এল, এ মন্ত্ৰীবোৰৰ নহয় নেকি ? কংসচোন গাৰ্ডৰে

মানুহ সি ভোট দিবলৈ ৰাইজক কেনেই কৈছিলহি ?" মাষ্টৰে মাত লগালে "এটা কথা নহয় নিজৰ মাকক বিক্ৰি কৰি অৰ্থমী কেইটামানে গাড়ী লৈ ধনী হ'বলৈ বিচাৰিলে বুলি সকলোৱে সেইটোকে কৰিব লাগিব নেকি ? আমাৰ সমস্যা বহুত। বহুত বুলি প্ৰধান সমস্যাটো পেট। পেট পূৰণ কৰিবলৈ ভাত লাগে। ভাত পাবলৈ মাটি লাগে। পেটত গামোছা বন্ধা আধা পেতীয়া খেতিয়কৰ কাৰণে গান-নাচ ভাবা আগ কথা নহয়। প্ৰথমে পেট। তাৰ পিচতহে আত্মীয়-কুটুম্ব, দেশ-বিদেশ। গাঁৱলীয়া হোজা খেতিয়কৰ ডিঙি চেপি চেপি কেইটামানে বৰ পেট বঢাইছে। বজাৰলৈ বোকাই পানীয়ে ভাৰখন লৈ যাবা, দে খাজনা। ডকাইত এজাকে বাটতে ঠগি বস্তুবোৰ কিনি লৈ মাজতে লাভটো খাইছে। টেঙা বাৰী থকা কিছুৰৰ টেঙাবোৰ আধামূলীয়াকৈ ঠগি ঠগি নি আছে। কণী জহা চাউল, গাখীৰ, ভালৰ ভাল বস্তুবোৰ মেচিনত বনাই, এম, এল, এ মন্ত্ৰী আমোলাবোৰে খোৱা নাইনে ? সেইবোৰ গাঁৱৰ দুখীয়া খেতিয়কে নিজে নাখাই সিহঁতৰ ঘৰতে দি আহিছেগৈ। তাৰ বিনিময়ত সিহঁতি খেতিয়কৰ কাৰনে কি ভাবিছে ? কিটো কৰিছে ? "

বকুলে বোলে "ত্ৰিশ চল্লিশ বছৰ খাই থকা মাটিৰ পট্টা ৰাইজে আজিলৈকে পোৱা নাই। ডিব্ৰু নৈৰ মথাউৰী নোহোৱাৰ কাৰণে ৰাইজে কোনো বছৰ খেতিৰ ধান খাবলৈ নাপায়। এইবোৰ কথাৰ কাৰণে আমি একগোট হৈ যুজিমেই। প্ৰাপ্যৰ কাৰণে যেযে আন্দোলন কৰক লাগিলে তাত ৰাইজে যোগ দিবই লাগিব। এদিন নহয়, দহ বছৰ লাগিব পাৰে আমাৰ সমস্যাৰ সমাধান আমি নিজেই কৰিব লাগিব আৰু মোৰ ওপৰত ৰাইজৰ সন্দেহ আছে বুলি মই জানো। সন্দেহ থাকিবই। কাৰণ কোনোৱে কোৱাৰ দৰে মই শোকৰ ওপৰত খাই লেকচাৰ মৰা মানুহবোৰৰে এজন। কিন্তু আপোনালোকক মই প্ৰতিশ্ৰুতি দিছো ৰাইজ, ৰাইজৰ কাৰণেই মই মৰিবলৈ প্ৰস্তুত হৈছো। মই সময়ত মোৰ কৰ্মৰ চিনাকী দিম। এসাজ

খাই এসাজ নেখাই পৰৰ থোওোনা খাই এইদৰে আঠুকাণ্ডী জীয়াই থকাতকৈ মৰিব লগা আছে যদি থিয় হৈ মৰিম। নাঙল যাৰ মাটি তাৰ বুলি ভোট বিচাৰি অহা জাকক এবাৰ ৰাইজে দিছিলে। কেইঘৰক সিহঁতি মাটি দিলে? মুঠতে আমি সাঁতুৰিব নাজানিলে পানীৰ পৰা ওপৰলৈ উঠিব নোৱাৰোহঁক। আমি সাঁতুৰিবলৈ শিকিছো। মঁতৈখে উঠিলে গুৰি পকৰাবো মৰণ নাই বুলিছে।" বকুলৰ মুখৰ লেক্চাৰটো শুনি দিহিঙিয়া থৰ লাগিল। মুৰত কুঠাৰ মাৰিলেও ইংৰাজী এবাৰ লিখিব পঢ়িব নজনা মানুহটোৱে মালা গথা দি কথা কৈছে। মন্ত্ৰীয়ে মিটিঙত কোৱাৰ দৰে বকুলে কথা কব জনা হ'ল।

মাষ্টৰে বোলে "ৰাইজ আমি খলিফাৰ কথালৈ আহো। মই ভাবিছো খলিফাই লপা-থপা খোৱাৰ কাৰণে এটা ভাল শিক্ষা পাইছে। নহলে সম্পাদ বুলি তেওঁ ডিভিটো আগবঢ়াই দি শিক্ষা লৈছেগৈ। আন-হাতে আমাৰ ৰাইজেও লপা-থপা চৰ-ঘোচাক সহ্য কৰিব পৰা হৈছে কাৰণেহে খলিফাৰ বিচাৰ নকৰো বুলি কৈছে। এতিয়া দেখিছো ককাল ভাঙি ৰাইজ গোটেই খনকে পেলাই থলেহে ৰাইজে মাত মাতিব লাগে বুলি বুজিব। বিনা দোষত গাৱঁৰ মানুহ এটাৰ ওপৰত ইমান অত্যাচাৰ কৰাৰ পিচতো বিচাৰ কৰিব নোৱাৰোঁ বুলি কোৱামানে নিজকে নপুংসক বুলি কোৱাহে হৈছে।" মাষ্টৰে ৰাইজক নপুংসক বুলি আওপকীয়াকৈ কোৱা কথাত ভিতৰি ভিতৰি, ভূধৰৰ খং উঠি বোলে "ৰাইজৰ দুখত এওঁৰ বুকুখন বৰকৈ জ্বলিছে যেন পাইছো। মাষ্টৰ, কি হ'ল? মৌ বৰষা কথা বৰকৈ কবলৈ লৈছা দেখোন? ৰাইজখনক আওপকীয়াকৈ গালিও পাৰিছা দেখোন?"

মিলনে বোলে "ভোট খেলিবলৈ মন হৈছে যদি ৰাইজক খোলা খুলি ভাৱে কৈ দিয়া।" মিলনৰ কথা শুনি ভূধৰে বুকুত সাহ গোটাই আকৌ বোলে "এই বুঢ়া বয়সত মাষ্টৰে ৰাইজৰ কাৰণে হিয়া ভুকুৱাই

কান্দিব লগা হ'ল কেলেই ? ইমানদিনে তেওঁ টোপনিয়াই আছিল নেকি ? দিয়া মাষ্টৰ, প্ৰথমতে নামঘৰৰ খুটা কেইটাকে তোমাৰ বেংকত জমা কৰি থোৱা পইচাৰে পকা কৰি দিয়া। আমি লাগি যাম। তোমাক আমি ভোটত জিকাই দিম।" মাষ্টৰ ৰঙা-চঙা পৰিছিল যদিও গাৱঁৰ মানুহ খিনিয়ে, তেওঁক তিৰস্কাৰ কৰাৰ কাৰণে দোষ দিব নোৱাৰিলে। সঁচা কথা মাষ্টৰে টোপনিৰ পৰা সাৰ পাই উঠি ৰাইজৰ কাৰণে কান্দিবলৈ অহাৰ দৰেই হৈছে। তথাপিটো মাষ্টৰে ক'লে "ৰাইজ এইটো ঠাট্টা মস্কৰা কৰাৰ সময় নহয, উলাই কৰা কথাও নহয়। ভুল কৰা মানুহেও শুদ্ধ পথ ল'ব পাৰে। ল'ৰাহঁতৰ চকু খোল খাইছে। আপোনাসকলে তেওঁ লোকক সহাৰি দিয়ক, সহায় কৰক। আগবঢাই দিয়ক। এই আমোণ মহীয়া দাংধৰা অঞ্চলৰ বাটৰ বোকা কিয় যোৱা নাই ? কণ-কণ ল'ৰা-ছোৱালীয়ে এই ভাৰত মাটিত বহি বেৰ ছাপ নোহোৱা সেই স্কুল ঘৰটোত কিয় পঢ়িব লগা হৈছে ? ল'ৰাক ভালকৈ শিক্ষা দিব পৰা শিক্ষক স্কুলত নাই কিয় ? মানুহৰ বেমাৰ হ'লে সাত আঠ মাইল দূৰলৈ হস্পিতেল বিচাৰি কিয় যাব লাগে ? কৃষকৰ গৰুৰ বেমাৰ ভাল কৰিবলৈ পশু চিকিৎসালয় গাঁৱত নিদি ব্যৱসায়ীৰ কাৰণে নগৰত কিয় দিছে ? গাঁৱৰ লৰা ছোৱালীয়ে খেল ধূলা কৰিবলৈ খেল পথাৰ নালাগে নেকি ? নাটক-ভাওনা কৰিবলৈ এটা ৰঙ্গমঞ্চৰ দৰকাৰ নাইনে ? গাঁৱলৈ সাহিত্য, সাহিত্যিক সোমাব নাপায নেকি ?"

মাষ্টৰৰ কথাবোৰ ক্ৰমে তাণ্ডৱ হৈ গৈছিল। ৰাইজে তলমূৰ কৰি শুনি আছিল। বকুলে বোলে 'চাৰ সেইবোৰ কৈ থাকিলে লাভ নাই। সকলোৰে চকু আছে। ধান খেৰ পাৰি সকাম নিকামত বহা মানুহৰ, কলপাতৰ ৰভা দি বিয়া সবাহ পতা মানুহৰ টোপনি চিঞৰি চিঞৰি কলেও নাভাগে। নগৰৰ মানুহে মুখেৰে মাত মাতিব জানে কাৰণে লাইট, পানী, হস্পিতেল, বাট-পথ, থিয়েটাৰ কৰা ঘৰ সকলো উলিয়াই লৈছে। আমাৰ মাজত মাত মাতিব পৰা মানুহটো নায়েই, একগোট হ'বলৈ

গলেও আমাক ৰাইজে বাধা কৰে। খলিকা দদাইক অপমান কৰা মানে প্ৰত্যেকজন গাঁৱৰ মানুহক অপমান কৰা হৈছে। গোটেই গাঁৱৰ মানুহ মখাই মতাই মাইকীয়ে ডি, চি, ৰ ওচৰত উবুৰি খাই পৰি বিচাৰ লাগে বুলি চিঞৰিলে বিচাৰ নকৰাকৈ থাকিব পাৰেনে? এতিয়া ইয়াত যিখিনি মানুহ গোট খাইছে সকলোৱে কোৱাহঁক-দদাইক অপমান কৰাৰ বিচাৰ বিচাৰি ডি, চি, ৰ ওচৰলৈ যাবানে নোযোৱাহঁক? মনত পৰা দিনৰে পৰাই আমি লোকৰ মাটি আধি খন্দুৱাও কইছো। এই বাৰৰ পৰা আমি আধি খন্দুৱাৰ ধান মালিকক নিদিওঁ বুলি লাগিছো। ইয়াত থকা মানুহখিনিয়ে যি যি মালিকৰ মাটি খাইছো সকলোৱে কোৱাহঁক, ধানৰ ভাগ মালিকক কোনোবাই দিবলৈ মন আছে নেকি? ভয় কৰিব নালাগে। আমি দলৰ আগত বুকুপাতি থিয় হমগৈ। আমাৰ পাচত ৰাইজখনে থিয় হ'লে পুলিচহে নালাগে প্ৰধান মন্ত্ৰীয়েও মুখেৰে নামাতে।" বংশীয়েও "কোনোবাই আধি খন্দুৱা ভাগ দিবলৈ ইচ্ছা আছে যদি মনৰ কথা খুলি কোৱা" বুলি মাত দিলে। সোনধৰে বোলে—"মাছে মাতিব পাৰে ঐ পিছে পানীয়ে কোৱাৰি ভেটি ধৰে। ধান নিদিয়াকৈ থাকিব পাৰিলে ৰাইজে স্বৰ্গকে ঢুকি পাব। পিছে পৈত্ৰিক সম্পাতি, দেহাবোৰ ঘূণীয়া হয় বুলি হাঁ-হুকাৰ কৰিবলৈ ভয় খাইছে। মোৰ মাটি-বাৰী নায়েই। নাই যদিও ৰাইজৰ লগত মৰিবলৈ ভয় নকৰো"।

ফণীধৰে বোলে— মোৰ হ'লে সেইটো কথাত পূৰা সমৰ্থন আছে। ৰাইজ, মোক দেখিছেহে কেলেং কেপেং, বুকুৰ ভিতৰখন হ'লে যুঁজৰ কুকুৰা হৈ আছে। মৈইনে বোলে— এমাহৰ আগতেই আমাক ৰামধাৰীয়ে নটিচ দি থৈছে। মাটি একৰাই দিলে নটা ল'ৰা-ছোৱালীৰে জীয়াতে মৰিম। বকুলে কোৱাৰ দৰে নেখাই মৰাতকৈ যুঁজতে মৰিম। আমি আনৰমুখৰ মানুহ চাৰিটাই ধান নিদিওঁ। তেঁতিয়া মাত্ৰ আমাক বিপদত পৰিলে মাৰ বান্ধি যাবি। প্ৰায় ভাগ মানুহেই মুখেৰে মাতিলে কাৰণে

দিহিঙীয়াই মাত লগালে। "তহঁতি ধান নিদিও বুলিছ হয়, আধি খুন্দুৰা খোৱা মাটিবোৰ একছনীয়া বা তজু' পট্টা হোৱা হ'লে চিন্তাই নাছিল। কিন্তু মালিকৰ মাটিবোৰ ম্যাদি। দেশৰ আইন ভঙ্গ কৰি লোকৰ ম্যাদি মাটি দখল কৰিবলৈ গ'লে চৰকাৰখন বহি থাকিব জানো? সভা-সমিতি পাতি চৰকাৰৰ ওচৰত প্ৰাৰ্থনা জনাব পাৰোহঁক। তাত আমিও সহযোগ কৰিম। কিন্তু আইন অমান্য কৰিবলৈ আমি নকওঁ" ভুধৰে দিহিঙীয়াৰ কথাৰ সুৰতে ক'লে। "তুমি নিয়মৰ কথা কৈছা কোৱাইটি। বোলে— সভাত থাকি নকয় উচিত, দোষে পায—কিঞ্চিত কিঞ্চিত। আইন ভঙ্গ কৰিবলৈ যোৱাৰ আগতে আমি উচিত কথা ক'ব লাগিব। ধান নিদিওঁ বুলি ক'লেই মালিকবোৰ বহি থাকিব বুলি ভাবিছহঁক" নেকি? পুলিচ মিলিটেৰী লৈ আহি ভঁৰাল ভাঙি ধান উলিয়াই লৈ যাব। বন্দুকৰ আগত পৰি দিবিনে, ঢেকী খোৱালৈ যুঁজ কৰিবি? কিটো সাহসত তহঁতি আগবাঢ়িছ ক'ছোন?

মিলনে বোলে— নহয়নো কি? এটা বন্দুকৰ গুলী ফুটিলে কোন কেনি পলাবি তাৰ ঠিকনা নাই। সেইখন কমিনিষ্ট বুদ্ধিত ঘূৰ্ণীয়া নহবি ঐ ল'ৰাহঁত। কাৰোবাৰ বুকু সুদা কৰিবলৈহে তহঁতি ফেপেৰি পাতিছ বুলি কৈছো। বোলে, "বুঢ়াৰ কথা মুশুন ডেকা, টানত পৰি কিয় কেকা"? আমাৰ কথা-ঠেং তলে সৰকাই নাযাবিহঁক। বংশী মোৰ ভাগিন হ'লে কি হব? তাৰ কি আছে? নাই ঘৰ সংসাৰ নাই জাত পাত, নাই আপোন পৰ। সি ক'ত মৰে মৰকগৈ। তহঁতি বাকী বোৰে তাৰ লগত সাঙোৰ খাই মৰিবলৈ আগ-বাঢ়িছ কেলেই? গাওঁ খনৰ মানুহবোৰ শান্তিত থকাৰ কাৰণে তাৰ গাত তৎ নোহোৱা হৈছে। মাৰিবি মাৰিবি। বুঢ়াৰ বুদ্ধি মুশুনি তাৰ বুদ্ধিত চলিলে জহন্নামে যাবিহঁক"।

মিলনে বংশীৰ নাম ধৰি কোৱাৰ কাৰণে দিহিঙীয়াৰ ক'বলৈ চল ওলাল। গোসাঁইক তেওঁলোকৰ আগতে বংশীয়ে কৰি থৈ যহা অপমান

দিহিঙ্গীযাই পাহৰা নাছিল। সুবিধা পাই বোলে "মই হ'লে পেটৰ কথা লুকুৱাই নথও দেই। কৈ দিছো, মই বোপাইৰ দিনৰ পৰা সত্ৰৰ মাটিত খেতি কৰি ল'ৰা-ছোৱালী তুলিছো। দেশৰ নিয়ম দস্তৰ ভাঙি মই অধৰ্ম নকৰো। গোসাঁইৰ মনত কষ্ট দি মই মহাপাপ কেতিয়াও নকৰো। গোসাঁইয়ে কাকো ঠগীও মাটি লোৱা নাই। সেইবোৰ ৰজা দিনৰে মাটি।" বাপেকে কথা শেষ কৰিবলৈ নৌ পাওঁতেই বকুলে গোজ গোজাই উঠি বোলে "তই ঘৰে ঘৰে নাম গোৱা খাই ফুৰোতেই দিন গৈছে। কোনোবা দিনা বোকাত নামিছিলি জানো? খেতি কৰিছো মই। ধান দিওঁ নিদিওঁ সেইটো মইহে জানো। তই মুখেৰে নামাতিবি।" বাপেক পুতেকৰ মাজতে তৰ্কাতৰ্কি আৰম্ভ হ'ল। বুঢ়া কিজনে এসাজ নাখাই হ'লেও শান্তিত থাকিব বিচাৰে। বকুলহঁতে কয় পেটৰ ভোকত থকাতকৈ ডাঙৰ অশান্তি একোৱেই নাই। তৰ্ক বাঢ়ি গৈ আছে। কাৰো মাত কোনেও নুশুনাৰ অৱস্থা হৈছেগৈ। আঘোনৰ ৰাতিৰ মুকলিৰ জাৰতো সকলোৰে গা-বোৰ গৰম গৰম লাগিছে। মাষ্টৰে কিবা কিবি কৈ ৰাইজক শান্ত কৰিবলৈ চেষ্টা কৰিছে। ল'ৰাহঁত মনে মনে থাকিলে বুঢ়া কিজনে ক'বলৈ আৰম্ভ কৰি দিয়ে। মিলনে বংশীক গোসাঁইৰ লগত ফেঁপেৰি পতাৰ কাৰণে বাহি শ হবি বুলি শাও দিছিলে।

বংশীয়ে ডিঙি ফালি চিঞৰি চিঞৰি বোলে "মই গুৰু-গোসাঁই, আই-বোপাই কাকো নামানো। অন্যায় কৰিলে কমেই। তহঁতি শাস্তি বিচাৰিছ। মাটিৰ তলত গাত খান্দি সোমাই থাকগৈ। মুখেৰে নামাতি নামাতি নিজে ৰসাতলে গলিয়েই, আমাকো পিছৰ পৰা টানি নৰকত পেলাবলৈ চেষ্টা কৰ? আমি তহঁতৰ কথা নামানো।" বংশীৰ মাতত দিহিঙ্গীয়াহঁতৰ মাত তল পৰিছিল।

ইমান সময়ে আকবৰ মনে মনে আছিল। সি বোলে "মই কিন্তু ছয় বিঘা মাটিৰ ধান এমুঠিও নিদিওঁ। তাৰ বাবে যি হয় হৈ যাওঁক। বাৰীখনৰ টিঙনা কাটি কাটি হোলাটোৰ এফাল পুতি বৰাই বোৱতী মাটি

কৰিলে। সেই ডোখৰ মাটিত লগোনে ভোকে দেহা মাৰি ৰবাৰ গেট্ৰিক বেমাৰ হ'ল। মনত পৰাৰে পৰা সেই ডোখৰ মাটিকে কুই আধি ধানেৰে ছয় মাহ খাইছো। বাকী ছয় মাহৰ ধান কংসক দিব লগা নোহোৱা হলে মানুহ মুৰা হৈ থাকিলোহেঁতেন। ধান খিনি নি তাৰ ভঁৰালত সুমুৱাই থৈ আহেঁাতে মোৰ বুকুখন ফাটি যায়। ঘূৰি আহোতে যি কুৱা জুই বুকুৰ ভিতৰত জ্বলি আছে সেই জুই ছয় মাহলৈ উমি উমি জ্বলি থাকে ৰাইজ। মই কিন্তু এইবাৰ এমুঠিও ধান নিদিওঁ সেইটো কথা কৈ দিছো।" বকুলে বোলে "বামুণেই হওঁক বা গোসাঁযেই হওঁক মাটি কোনেও জন্ম হওঁতে লগত লৈ অনা নাই। দেহা মাৰি খেটি কৰিছো ধানৰ ভাগ বিচাৰি কোনোবা আহিলে মই কিন্তু খেদাই দিম।"

মূৰে গায়ে কম্বল এখন আৰু হাতত লেম্প এটা লৈ মংলা বুঢ়া আহি ওলালে। মংলাই বলোৰামক বিচাৰি কংসৰ মিললৈকো গৈছিল। তাক তাত নাপাই কংসৰ ঘৰতো সোমাইছিল। কংসই হেনো মংলাক কলে "তোৰ পুতেৰে মোৰ বিৰুদ্ধে মিটিং কৰি ফুৰিছে। তাক ঘৰ দিলোঁ, সি ঘৰত নাথাকে আৰু কেইদিন মান চাই লওঁ, তাক কামৰ পৰা খেদি দিম। কামৰ পৰা ওলাই গলে সি দিনে ৰাতিয়ে মিটিং কৰি ফুৰিব পাৰিব।" মংলাই কথা খিনি কৈ ৰাইজৰ ওচৰত বিচাৰ দিলে। মংলাৰ মাটিবাৰী খেতি পথাৰ নাই। তেনেস্থলত বাৰে বাৰে বাধা কৰা স্বত্বেও বকুলে বলোৰামক ফুছুলাই ফুছুলাই এইবোৰ মিটিঙলৈ লৈ আহে বুলি আকবৰ বকুলহঁতক গালি শপনি পাৰিলে। বলোৰামে মংলাক বুজাব নোৱাৰি খং উঠিল। সি বোলে "মই কি দুধ খোৱা বাছছা যে তাই মোৰ পিছে পিছে ঘূৰি ফুৰিছে? কংসৰ মিলত চাকৰি কৰি সকলো মানুহে ভাগং খাইছে নেকি? সি খেদি দিলে মৰি নাযাওঁ বাপ। মই হাল বাব জানো। কাৰোবাৰ ঘৰত হালোৱা সোমামগৈ। মই মহৰী কেৰাণী নহয় যে কলম চলাবলৈ নাপালেই মোৰ পেট মৰিব। এইবোৰৰ মাজত তই সোমাবলৈ নাহিবি। যা ঘৰলৈ যা।"

কণ্ঠিয়ে বোলে "মোৰ চাকৰি ছুমাহেই মহ'ল, খেদা খালোঁৱেই। এতিয়া নেখাই থাকিম নেকি ৰে বৰ বাপ? মই একো বস্তু চুৰ কৰা নাই। কাঠ কলা মেছিনৰ কৰত খনেৰে মই কি কৰিম বাৰু? সেই খন মোৰ বাকচৰ তলত পুলিচে বিচাৰি পালেহি। আচলতে সেইদিনা লীলাহঁতে ধান দাবলৈ আহোঁতে মই আকবৰহঁতৰ দোকানত পাই একে-লগে তালৈ আহিছিলো। তাকে দেখি জগন্নাথে কংসক লগাই দিলেগৈ।" মংলাই বোলে "তোৰ ৰকম নিমখ হাৰাম মানুহকে মিলে ৰাখিলে কংস বাবু বৰবাদ্ হৈ যাবেক জানলি। এটনা দয়া ধৰমি মানুষ। তোৰ ঘৰে বিপদ দেখি কেনে তোকে নকৰি দি থাকিছিলে ৰে কণ্ঠি। হামকে কংস বাবু তোৰ বাত ভি বলিৰহে। তুই নিমখ হাৰামি কৰলি। আৰু বেছি দিন নাই। বলোৰাম ভি তোৰেই ৰকম অৱস্থা হৈ।" কথা কৈ থাকোতে মংলাৰ খং উঠি আহিছিল। সি বলোৰামক উদ্দেশ্য কৰি বহুত গালি-শপনি দিলে। তাৰ পিচত এতিযাই ঘৰলৈ বল বুলি বলোৰামক হাতত ধৰি মংলাই টানিলে। মংলাৰ খং উঠা দেখি বংশীয়ে বলোৰামক ইংগিতেৰে ঘৰলৈ যাবলৈ ক'লে। মংলাৰ লগত বলোৰাম গ'লগৈ।

মংলা যোৱাৰ লগে লগে ভূধৰে উঠি ক'লে "ইহঁতি আমাৰ কথা নুশুনে কোৱাইটি। 'গালো বালো খোলাকতিৰ তাল' হ'ল। মৰিবলৈ আগবঢ়া মানুহক কথাকৈ শুনাব নোৱাৰা। মই হ'লে ইমানতে যাওঁহে আৰু তহঁতি খলিফাৰ কথাৰে ডি, চি, ৰ ওচৰলৈ যোৱাৰ কথা কৈছ। ৰাইজ গ'লে আমিও যাম। মাত্ৰ কেতিয়াকৈ যাব লাগে খবৰ দিবি, ধানৰ কথাৰে কিন্তু মই হ'লে এখোজা নাবাওঁ দেই কৈ দিছো।" মিলনহঁত বুঢ়া কি জন যাবলৈকে ওলালে। মাষ্টৰে ভেওঁলোকক অলপ বহিবলৈ কৈছিল। মিলনে দাংখাই উঠি বোলে "ৰ'বলৈ কিডাল আছে? তুমি মহা শকুনি। গাওঁখন শান্তিৰে আছিলে, সিহঁতক উচতাই দি তুমি লণ্ড-ভণ্ড কৰিবলৈ আহিছা। তোমাক চাব

নাপায়।” মিলনে কৈ কৈ আগবাঢ়িলে। দিহিঙীয়াই বোলে “আমি তহঁতৰ লগত কথা পতাৰ লায়েকৰ মানুহ নহয়। আমাৰ হাক বচন নুশুনি জীয়া জুইত জাপ দিবলৈ ওলাইছহঁক।” বকুলক উদ্দেশ্য কৰি বোলে “তই যদি পুলিচৰ গুলী খাই কাপ কাপ কৰিও থাক, মই উভতি নাচাওঁ। মোৰ শেষ কথা কৈ দিলো।” দিহিঙীয়া ভোঁ-ভোঁ কৰি ওলাই গ’ল। ৰত্নেশ্বৰ বুঢ়াই আঠুত ভৰ দি কুঁজটো পোনাই থিয় হৈ ক’লে। “বোপাইহঁত মই মাত্র তহঁতক এষাৰ কথা কওঁ। আজুৰি খাবলৈকে দেহাবোৰ ঘুৰ্ণীয়া কৰি নল’বিহঁক। দোষী-নিৰ্দ্দোষী বিচাৰ নকৰাকৈ মানুহৰ কি বিলাই বিপত্তি কৰিছে দেখিছই। ভাবি চিন্তি চাই আগবাঢ়িবি দেই বোপাইহঁত।” ইজনৰ পিচত সিজনকৈ “আমিও যাওঁ” বুলি সৰহ ভাগ মাঁনুহ গ’লগৈ।

“গাঁৱলীযা সমাজৰ বৰভেটিৰ তলত উঁইয়ে বাঁহ ল’লে। উঁইবোৰ খান্দি উলিয়াই নেপেলালে ভেটি এদিন খহি পৰিব। বুঢ়াসকলে সহায় নকৰে, কিন্তু সমৰ্থন কৰা হ’লেও,” মাষ্টৰে কথাবোৰ ভাবি ভাবি তলমূৰ কৰি বহি আছিল। ফণীধৰে বোলে, “মাষ্টৰ, আমি দুৰণী বটীয়া কেইজন যাওঁ বুলিছো। যাওঁহে যাওঁ, কিন্তু কথা দিলো দেই। ফটিক আৰু মই আহোম শালি দুই এদিনতে দাম। দাম যদিও ভঁৰালতহে সুমুৱামহি। গদাধৰক খবৰ নিদিওঁ।” সোনধৰে বোলে “ভয় নকৰিবিহঁত। বুঢ়াহঁতে ‘চাপৰি দে’ বুলি ক’লেই চাপৰি নিদিবি। আমি জাপিসজিয়াৰ কেইটাই কথাৰ লৰচৰ নকৰো।” ফটিকে বোলে, “বুঢ়া কেইটা আমাৰ লগত থাকিলেনো কিটো কৰিব বুলি ভাবিছ?” খলিফাও যাবলৈ ওলাইছিল। ফটিকৰ কথা শুনি ঘূৰি আহি বোলে “ফটিকে সচাঁ কথা কৈছে দেই। বুঢ়াখনৰ পৰা তহঁতি একো সহায় নেপাব। ডেকাবোৰক গোটাই-পিতাই জাকে-জুমে সাজু হৈ থাকিব লাগে। বোলে “মাউথে উটিলে শুৱি পকৰাৰো মৰণ নাই।” খলিফাৰ লগতে মাষ্টৰো গ’লগৈ। জাপিসজিয়াৰ মানুহ কিজনৰ

লগত কষ্টি আৰু মুহিবামো গ'ল। দীঘলা, বসন্ত, আকবৰ, বকুল আৰু বংশীৰ বাহিৰে সকলো মানুহ ঘৰা-ঘৰি গুছি গ'ল। মানুহ গোট খুৱাইও এৰো এটা সিদ্ধান্ত কৰিব নোৱাৰি। বংশী হতাশ মনেৰে জুইৰ ওচৰতে বহি পৰিল। আগদিনা ৰাতিৰ পৰা ইমান চেষ্টা কৰি মানুহ গোটালে। মানুহবোৰক ইমানকৈ বুজাই কোৱা হ'ল। তথাপি কেইটামান মানুহৰ বাহিৰে বাকীবোৰ নাহিল। বুজাই থৈ অহা মানুহবোৰেও ৰাতিটোৰ ভিতৰতে দালাল কেইটাৰ কথাত মতৰ পৰিবৰ্ত্তন কৰিলে। মানুহবোৰে বংশীহঁতৰ কথাবোৰ পেটেৰে সমৰ্থন কৰে। এই ব্যৱস্থাটো প্ৰত্যেক মানুহেই বিচাৰে। কিন্তু নিজে আগবাঢ়ি নাহে। বংশী বিমৰ্ষ হৈ বহি থকা দেখি দীঘলাই বোলে "ইমানকৈ চিন্তা নকৰিবি, ঐ বংশী। ভুকুতে কলটো নপকে। আমি হঁহ মাৰি ভোজ পতা নাই যে আহ বুলিলেই খাবলৈ গোটেই ৰাইজখন দৌৰি আহিব। ইমান সহজতে ৰণ কৰিবলৈ সাজু হোৱাহেঁতেন দেশ কাহানিবাই ওলট-পালট হ'লহেঁতেন।" বকুলে বোলে, "ৰণ কৰাৰ কথা বাদ দিয়াচোন দীঘলা ককাইদেউ, ৰাইজখন এনেকুৱা হ'ল যে ডেকাবোৰৰ হাতে হাতে বন্দুক একোটা ধৰাই দিলেও পুলিচ মিলিটেৰী এটা দেখিলে গোটেইখনৰে কানিয়ে-কাছুটিয়ে যাব। সেইবোৰ মানুহক গোটাই সংগঠন কৰিবলৈ বহুত কষ্ট কৰিব লাগিব।" জুইকুৰাৰ খৰিবোৰ আঁতৰাই সিহঁতি যাবলৈ ওলাইছিল। এনেতে উধাতু খাই জগন্নাথ দৌৰি আহি ফোপাবলৈ ধৰিলেহি। জগন্নাথক কোনোবাই মাৰিবলৈ খেদি আহিছে বুলি আকবৰ আগবাঢ়ি গৈছিল। জগন্নাথে হাতী হাতী বুলি চিঞৰি বকুলৰ গাত সাৱটি ধৰিলে। আকবৰে হাতীৰ নাম শুনি, ঘূৰি আহি ধমক দি জগন্নাথক বোলে "ক'ত হাতী ওলালে অ'? এইটোৱেই লুকাই থাকি আমাৰ কথা শুনিছিল, বংশী। ই এইবোৰ চাল্ খেলিছে।" জগন্নাথে কান্দিবলৈ আৰম্ভ কৰি বোলে "সেইখিনিতে হাতী এটাই ধান খাই আছিল। মোক দেখি আলিৰ ওপৰলৈ উঠি মোক খেদি আহিছিলে।"

দীঘলাই বোলে "ক'ৰ হাতীটোৱে তোমাক খেদি আহিছেহে? ক'ত হাতী আছে? দেখুৱাই দিব পাৰিবা?" "মোৰ কথা বিশ্বাস নকৰে যদি নামঘৰৰ মুখলৈ যাওঁক। ইয়াত নাথাকিব। নামঘৰৰ ভিতৰলৈ বলক।" জগন্নাথে কথাবোৰ কওঁতে প্ৰাণৰ কাতৰেৰে মাত ওলাইছিল। আকবৰে বোলে "তই ক'লৈ গৈছিলি? সঁচা কথা ক। আমাৰ মিটিং শুনিবলৈ আহি " নামঘৰৰ মুখৰফালে হাতীয়ে চিঞৰা শুনিবলৈ পায় আকবৰ বৈ গ'ল। হাতীয়েই চিঞৰিছে হয়। জগন্নাথ নামঘৰৰ ভিতৰলৈ লৰ মাৰিলে। হাতী ওলোৱাটো সঁচা কিন্তু কাৰ হাতী? ৰামধাৰী আৰু গোসাইৰ হাতী অৰুণাচলত আছেগৈ। কথাটো কোনেও বুজিব পৰা নাই। মানুহৰ চিঞৰ বাখৰ এটা আহি সিহঁতৰ কাণত পৰিলহি। কাৰোবাক হাতীয়ে ধৰিলে। বংশীয়ে আধাপোৰা কাঠ এডাল লৈ হাতীৰ মুখৰ পৰা মানুহটোক ৰক্ষা কৰিবলৈ আগবাঢ়ি গৈছিল। জোপোহা এটাৰ দাঁতিয়েদি মিলনে ফোপাই ফোপাই আহি বংশীৰ গাত গৰা মাৰি ধৰিলহি। মিলনৰ মুখৰ পৰা মাতেই ওলোৱা নাই। হাতে হাতে আধা পোৰা জুলি থকা খৰি লৈ বকুল, আকবৰ, দীঘলা হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা পৰিবলৈ সাজু হৈ ৰ'ল।

"আজি হাতীৰ মুখত গৈছিলো এই। মোৰ হাতত পুথিখন নথকা হ'লে আজি মোক হাতীয়ে ··। হেৰ, নাম ঘৰলৈ সোমাহঁক। ইয়াত নাথাকিবিহঁত। কোন সময়ত এইখিনি পাবহি ঠিকনা নাই।" মিলনে কাও বাও কৰাত আকবৰকে ধৰি আটাইকেইটা নামঘৰৰ ভিতৰ সোমাল গৈ। নামঘৰৰ ভিতৰ সোমাই দীঘলাই গাত লৈ থকা চেলেং চাদৰখন মিলনক পিন্ধিবলৈ দিওঁতেহে মিলনৰ খবৰ হৈছিল যে তেওঁৰ গাত চুৰীয়া নায়েই। হিন্দুৱে মুছলমানে ভকতিয়াই নামঘৰৰ ভিতৰত ৰহি থাকিব লগীয়া হ'ল।

ঘ্ৰোমায়েক ঘৰলৈ নলৈ কেনি গৈছিল বংশীয়ে সুধিলত বোলে, "মই সন্ধিয়াতে যোৱা মানুহ। তহঁতৰ মিটিং শুনি থাকি ইয়াতে দেৱী

কৰিলো। লক্ষেশ্বৰৰ জীয়েকৰ দেওবেক এটাক কিহবাই পাইছিলে। আচলতে বিছুৱাই পোৱা নহয়, কোনোবাই কুমন্ত্র কৰি ল'ৰাটো পগলা কৰিছিলে। ডাক্তৰ লগালেনো সেইবোৰ বেমাৰ ক'ত ভাল হ'ব? সিহঁতে ইণ্ডিয়াছ ডাক্তৰকো দেখুৱালে আৰু কোনোবা ডাক্তৰক দেখুৱাইছিলে হ'বলা। শেষতহে মোক মাতিছিলহি। তাৰ লৈকে বুলি মিটিঙৰ পৰা বাহিৰে বাহিৰে গৈছিলো। লক্ষেশ্বৰৰ ঘৰলৈ গৈ গম পালোগৈ ল'ৰা সিফলীয়া হ'লেই। তাৰ পৰা ঘূৰি আহোতে সেই হাতীটোৰ গাতে মই এন্ধাৰে-মুন্ধাৰে খুন্দা মাৰি দিলোগৈ। লেমটো অলি থকা হ'লেহে বাটত বৈ থকা হাতীটো দেখো। যেই খুন্দামাৰি দিলো মোক ধৰিলে সুঁৰ ডালেৰে পাকদি। নকৈছো মোক এই পুথিখনেহে বচালে বোপাইহঁত।"

বকুলে মিলনক উচটনি দি ওপৰলৈ তুলি দিলে, বোলে "তুমি যিটো খুন্দা মাৰিলা সৰু-সুৰা হাতী হোৱা হ'লে কৰবাত ঠেং মেলি পৰিলগৈহেঁতেন।" হাতীটো ওচৰতে থকা উমান নাপাই বকুলহঁতৰ ভয়টো ক্রমে নাইকীয়া হৈছিল, গতিকেই বকুলে মিলনক জোকাই তাতে ৰাতিটো জমাই আছিল।

মিটিঙৰ পিছদিনা হাতীয়ে ধান খোৱা, মানুহ খেদা. কথাটো গাঁৱত কেউফালে ৰাষ্ট্র হৈ গ'ল। মানুহে নিজৰ নিজৰ ধান চাবলৈ পথাৰলৈ আহিল। দন্দি, মথুৰাই আধিৰোৱা গোসাঁইৰ মাটিৰ ধান, ডম্বৰু, তিলক আৰু মোলোক দোকানীয়ে ৰোৱা খন্দুৱা মাটিৰ ধান হাতীয়ে মহতিয়ালে। প্রায় আঠ দহ ঘৰ মানুহৰ ধান লোকচান হ'ল। এটা হাতীয়ে ইমানবোৰ মানুহৰ ধান লোকচান কৰিব নোৱাৰে। হাতী এটা নহয়, কেইবাটাও। হাতীৰ খোজ ধাননিৰ পৰা বিৰ্জাভৰ দাতিলৈকে মানুহে দেখিলে। মিলনে বনৰীয়া হাতী আহিছিল বুলি কওঁতে মানুহে বিশ্বাস কৰিবলৈ টান পাই-ছিল পিছে বনৰীয়া হাতী হাবিৰ পৰা অহাটো প্রমাণ হ'ল। খোজ আছে। বনৰীয়া হাতীয়ে পকা ধানৰ জুতি পালে ধান শেষ নকৰালৈ নেৰে।

যানৰ আধ্যা পৰিব। এবছৰৰ ধান হাতীৰ পেটত সোমালে খাবলৈ নাপায় ৰাইজৰ হাহাকাৰ অৱস্থা হ'ব। কেঁচাই পকাই ধান দাবলৈকো সং নায়ায়, লোকচান হ'ব। পকা লাহি ধানো বহুত মানুহে নোদোৱাকৈ আছিল। ৰাইজে মালিকক ধান দিয়ে নে নিদিয়ে খামাখা সিদ্ধান্ত এটা হোৱালৈ অপেক্ষা কৰি মালিকক খবৰ দিবলৈ যোৱা নাই। কোনো কোনোৱে ধান কাটি ঘৰলৈ নিয়া আৰম্ভ কৰি দিছে। মালিকৰ মানুহে ধান দোৱাৰ খবৰ পাই পথাৰলৈ আহি ধান দোৱাৰ খবৰ নিদিয়াৰ কাৰণে কিবা-কিবি কৈছেহি। সকলোৱে একেটা উত্তৰেই দিয়ে, "হাতীৰ পেটত সোমোৱাতকৈ মানুহে খাওঁ।" ধানবোৰ চোতালে চোতালে দমাই থোৱা হৈছে। ভাগ যোগ পিচতো হ'ব ; আগতে চপাই লওঁ।

মাষ্টৰে ডি, চি লৈ দৰ্খাস্ত এখন লিখি পথাৰলৈ অহা মানুহৰ চহী-বোৰলৈ ভৱ মাষ্টৰক ডি, চি, ৰ ওচৰলৈ যাবলৈ ক'লেগৈ। পিছবেলা ভৱ মাষ্টৰে দৰ্খাস্ত লৈ ডিব্ৰুগড়লৈ গ'ল। তিনিচুকীযাত এচ, ডি, অ' আৰু ফৰেষ্ট অফিচাৰক দৰ্খাস্তৰ কপি দিবলৈকো কেইটামান ল'ৰাক পঠোৱা হ'ল। দন্দিৰ মাক লখিমী বুঢ়ী ভৰলুৱা গাঁৱৰ জীয়েকৰ ঘৰৰ পৰা পিছ বেলা আহি পায়ে পথাৰ পালেহি। ধাননিৰ অৱস্থা দেখি বুঢ়ী ৰব নোৱাৰিলে। ভৱিষ্যৎ আকালৰ আগজাননী দি ধাননিৰ মাজতে বহি লখিমী বুঢ়ীয়ে হিয়া ভুকুৱাই কান্দিবলৈ ধৰিলে।

কৃষকৰ বুকুৰ বিননিয়ে ধাননি পথাৰ ৰজন-জনাই উঠিল। সেই কান্দোনে, সেই পথাৰৰ লখিমীৰ বিননীয়ে খেতি, নথকা কৃষকৰ বুকুতো হুমহুমনি তুলিলে। বিধবা তৰাদৈয়ে পিঠিত কেঁচুৱা বান্ধি কোৰ মাৰি লোকৰ হাতে ভৰিয়ে ধৰি হাল বোৱাই ৰোৱা ধানখিনি চাই বৈ আছিল। তাইৰ চকুত জুইৰ আঙনি। তাই যেন ধান খোৱা হাতীটোক মোহাৰি মাৰি পেলাব। তাই উচুপি উচুপি কান্দিছিল। তাইৰ পিঠিৰ কেঁচুৱাটোৱেও একো নজনাকৈয়ে কান্দিলে। সি বংশ পৰম্পৰাগত ভাৱে কান্দিবলৈ অহা

কৃষকৰ কেঁচুৱা। দিনটো যাকে যেয়ে পাৰে শান্তনা দিয়াৰ বাহিৰে কিবা কৰিবলৈ বাইজৰ উপায় নাছিল।

বংশীহঁতে গধূলী ধান ৰখাৰ কাৰণে মানুহক খবৰ দি ফুৰিছে। ঠায়ে ঠায়ে এজুম এজুম মানুহ গোট খাই জুই জ্বলাই ৰাতিলৈ ঢোল তাল যেয়ে যি পাৰে বজাই হাতী খেদিবলৈ সন্ধিয়াতে খাই বৈ ডেকা, আদহীয়া মানুহবোৰে হাতে হাতে দা-জাঠি মাছমৰা কোঁচ পছা লৈ নামঘৰৰ আগত গোট খালেহি। কোন ঠাইত কোন কোন মানুহ থাকিব ভাগ ভাগ হৈ ধাননিৰ দাঁতিলৈ মানুহখিনি আগ বাঢ়িল। বাঠি সত্তৰটা মানুহ পাঁচটা দলত বিভক্ত হৈ ধাননিৰ মাজলৈ সোমাল। ধাননিৰ দাঁতিৰ বাঁহগছ কঠাল গছ আদিতো কিছুমান মানুহে হাতত টৰ্চ লৈ উঠি থাকিল। ভালকৈ এন্ধাৰ হোৱাৰ পিছৰে পৰা ঢোল, তাল, ভগাটিঙৰ শব্দই পথাৰ গম্ গমাই থাকিল। গাৱঁৰ ঘৰে ঘৰে থকা ঘৰ ৰখীয়াৰ বুকু ডাঠ হ'ল। হাতী ধাননিলৈ নাহে। পিছে হাতী এন্ধাৰৰ আঁৰলৈ ধাননিত সোমালহি। ধান খালে, মহতিয়ালে। হাতীয়ে চিঞৰিলে। পথাৰতো চিঞৰ বাখৰ হ'ল। ৰাতি পুৱাল। আগদিনা ৰাতি খোৱাতকৈ বেছি ধান নষ্ট কৰিলে। গোছাৰে ধান উঘালিলে। উঘালি দম কৰি মৰণা মাৰিলে। কুকৈটা ভোকোন্দা-হঁতৰ ধান দাব নলগীয়াই কৰিলে। একে ঠাইতে নহয়, কেইবা ঠাইতো। গাঁৱৰ মানুহ পথাৰত নিজৰ নিজৰ ধান চাবলৈ আহিলত পথাৰখন মানুহময় হ'ল। সকলোৰে মুখত হাঁ, হাঁ, চি, চি, শব্দ আৰম্ভ হ'ল।

মনবৰো পথাৰলৈ আহিছিল আৰু দিহিঙীয়া মিলনহঁতৰ কেইজন মানক কংসৰ সৈতে আলোচনা কৰি কিবা এটা উপায় কৰিবলৈ বুলি লগতে লৈও গ'ল। বুঢ়াকিজন যোৱা দেখি অলপ পিচতে কোনোবা কোনোবা কেইজন মানে ভাগে ভাগে মাটিৰ মালিকক খাটনি ধৰিবলৈকো গ'লগৈ। কৰিবলৈ একো নাই। অথচ মানুহবোৰ ব্যস্ত হৈ ঘূৰি ফুৰিছে। কথাৰ শেষ নাই। চিন্তাৰ লাগ বান্ধ নাই। সকলো অসহায়, বিপমুক্ত

হোৱাৰ পথৰ সন্ধানত ৰাইজ ব্যস্ত, ব্যগ্ৰ। পকাধান লোকচান, এৰছৰৰ দুখ-কষ্ট , আগন্তুক আকাল আৰু চৰকাৰৰ গাফিলতিৰ কাৰণে চিন্তা কৰি ৰাইজৰ মনবোৰ গধুৰ, গোমা হৈ পৰিছে। আনহাতে ধানত পহৰা দিয়াৰ বাহিৰে কোনো গত্যন্তৰো নাই। সেয়ে এচৰৰ গাওঁকিখনৰ মানুহ মাতি সৰহকৈ মানুহ গোটাই হাতী অহা বাটৰ পৰা কেওপিনে জুমে-জুমে মানুহ ৰখা আগৰাতিৰ দৰে একে সিদ্ধান্তই হ'ল।

আগৰাতি জুই জ্বলোৱা নাছিল। জুইও জ্বলাব। পেত্ৰমাক্স লাইট ভাড়ালৈ আনি ঠায়ে ঠায়ে বাঁহপুতি লাইট জ্বলাই পথাৰ পোহৰ কৰিব। মুঠতে আগৰাতিৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি সকলো দিশতে সাৱধান-তাৰে ধান পহৰা দিযাৰ সিদ্ধান্ত পথাৰতেই হ'ল। কোনোবা চুকেদি হাতী অঁহা গম পালে পেঁপা বজাই সকলোকে জাননী দিব। পেঁপা যিফালে বাজে সেইফালে হাতত জোৰ জ্বলাই লৈ মানুহবোৰ আগবাঢি আহিবলৈ কথা হ'ল। বিশাল পথাৰত, এন্ধাৰ ৰাতি আৰু চোৰ হাতীৰ বিপক্ষে যথেষ্ট চিন্তা কৰিহে সেইদিনাৰ পৰিকল্পনা কৰিছিল প্ৰতিৰক্ষা বিভাগৰ অভিজ্ঞতা থকা বংশীযে নিজে। হাতী পাৰ হৈ আহিব পৰাকৈ সুৰঙা কোনোফালেই নাৰাখে। দ'লবোৰ সৰু সৰু কৰিব। আগৰাতিৰ টোপনি পুৰাবলৈ শেতেলী লোৱা মানুহকো জগাই খবৰ দিবলৈ পঠিওৱা হৈছে। এটা হাতীৰ লগত ৰণ কৰিবলৈ যেন এজাক মাখি প্ৰস্তুত হৈছে। নাকে, চকুৱে পোকৰে, মূৰে কামুৰিব পাৰিলে মাখিয়েই হাতীটোক পলশত পেলাই মাৰিব পাৰিব। এজাক মাখিয়ে বেঢ়ি ধৰিলে সি যিমান ডাঙৰ হাতীযেই নহওক, তাৰ যিমান ডাঙৰ দ'াতেই নাথাকক সি একো কৰিব নোৱাৰিব। সেয়া আছিল বংশীৰ মন্তব্য। মনবৰে দৰখাস্ত এখন লৈ মানুহৰ চহী লৈ ফুৰিছে। সেইখন দৰখাস্ত কংসই লিখাই দিছে। মনবৰৰ মতে ৰাতিলৈ ধান পহৰা দিয়াৰ আৱশ্যক ন'হবই। কাৰণ কংস নিজে যাবলৈ ওলাইছে যেতিয়া চৰকাৰী মানুহ আহি হাতী খেদিবই। ৰাইজৰ মনৰ দৃঢ়তা বাঢ়িল। মনবৰে

ক্ষোৱামতে যদি চৰকাৰৰ ঘৰৰ বন্দুকধাৰী মানুহো আছে আৰু বাইজে নিজেও বন্দৰস্ত কৰামতে ধাননিত পহৰা দিয়ে, তেন্তে-হাতী আহিব নোৱাৰে। সেইদিনা যুদ্ধ কালীন তৎপৰতাৰে হাতী খেদি ধান ৰক্ষা কৰাৰ কামত গাৱঁৰ মানুহবোৰ ব্যস্ত হৈ পৰিছে।

জালুকণীৰ পৰা এজাক ডেকা মজদুৰ ল'ৰাক বংশোৱামে মাতি আহিছিলে। সান্ধিয়া জানৰমুখ, ভাপিসজিয়া সবলো গাঁৱৰে কিছু কিছু মানুহ আহি পালেহি। আগৰাতিৰ তুলনাত মানুহ, ঢোল, পেঁপা, ভগা টিং, খৰিকাঠ, পেট্ৰমাক্স আদি সকলো বস্তু ভালকৈ যোগাৰ হৈছে। ১৮টা দলত মানুহখিনি বিভক্ত হ'ল। কিন্তু সেই বহল এন্ধাৰ ধাননি পথাৰখন পোহৰ কৰিবলৈ পেট্ৰমাক্স, লাইট যে বহুত লাগিব। লাইট গোট খাইছে। খোৰা বোৰা কৰি মানুহ আহি আছে। দলপতি বংশী আৰু বৰ্হতে কোনটো দল ক'ত থাকিব নিৰ্দ্দেশনা দি পঠিয়াই আছে। উকি, ফোৰোহনিৰে সন্ধিযাৰ ধাননি তোলপাৰ লাগিল। উতনুৱা কেইটামানে এন্ধাৰৰ সুযোগ পাই বনগীতো জুৰিছে। সকলো ঠিক ঠাক হৈছে লগতে কিৰিলি উকি বিহুনামৰ প্ৰকোপটোও বেছি হৈছে। হাতী অহা দেখিলে পেঁপা বজাই আগজাননী দিবলৈ প্ৰতিটো দলকে কোৱা হৈছিল যদিও বিহুনামৰ জাউৰী ভেদ কৰি কিন্তু পেঁপা মাত মানুহৰ কাণত পৰিবহি নে নপৰে বংশীৰ সন্দেহ থাকিল। মাজৰাতিলৈকে হাতী অহাৰ উমান পোৱা নাই। লাহে লাহে বিহুনাম আৰু উকিও কমি আহিল। এন্ধাৰ নিশাৰ পথাৰৰ মাজত সকলো কুছি-মুছি পৰিছিল। হঠাৎ ঢোল পেঁপা বাজিল। লগে লগে হাতীয়েও চিঞৰি দিলে। হাতীৰ চিঞৰ শুনি দলবিলাকে যেয়ে য'ত আছিল ভয়ত ঢোল, পেঁপা, টিং বজাই দিলে। সকলো পৰিকল্পনা চুৰমাৰ কৰি ৰণ থলীৰ পৰিবৰ্ত্তে, পথাৰখন গাঁৱৰ বিহু তলিলৈহে ৰূপান্তৰ হৈ পৰিল। কাৰো মাত কোনেও শুনা হ'লত বংশীৰ ধৈৰ্য্য হেৰাল। কোনফালে হাতী ওলাইছে, দলবোৰ কোন ফালে আছে, কাক কোনে কেনেকৈ কি কৰিবলৈ খবৰ দিব ঠিকনা নোহোৱা হ'ল। ওচৰৰ গাঁৱৰ ঘৰত থকা মানুহে টোপনীৰ পৰা

উঠি চাকিচুকা জ্বলাই সাৱধান হৈ থাকিল' যেদি অন্য হাতীয়ে ঘৰ-দুৱাৰ মহতিযাই নিবহি পাৰে। অলপ পৰৰ পাছত আকৌ নিস্তব্ধতা। বংশী বকুলহঁতে উকিয়াই-উকিয়াই নাম ধৰি দলবোৰৰ মানুহক নামঘৰৰ ওচৰলৈ আহিবলৈ ক'লে। লাহে-লাহে হাই-উৰুমি কৰি দলৰ মানুহবোৰ ধাননিৰ পৰা জোৰ জ্বলাই জ্বলাই ওলাই আহিল। ১৮টা দলৰ মানুহ আহিল। কিন্তু বিনন্দহঁতৰ দলটোৰ সাতোটা মানুহৰ মাত্র মঘুৰাহে আহিছে। বাকীবোৰ নাই। হাতীটোৱে সিহঁতৰ দলটোক খেদি গৈছিল হেনো।

মানুহবোৰ এন্ধাৰত কোন কেনি দৌৰিলে কোনেও ক'ব নোৱাৰে। হাতীটো দেখা মাত্রকে মঘুৰাহঁতে হেনো পেপা বজাই দিছিল আৰু পেপা বজোৱাৰ লগে লগেই হেনো কেক্ কৰি হাতীটোৱে খেদি আহিছিল। মঘুৰাই বিনন্দ, দীঘলা কাৰতিক, ডম্বৰু, নগেন, বিশ্বেশ্বৰ আৰু মথুৰৰ নাম ধৰি ধৰি উকিয়াই উকিয়াই মাতিলে। ধাননিৰ মাজৰ পৰা কোনো সহাৰি নাই। আতঙ্কত বংশীৰ বুকুখন ধপ্‌ধপাবলৈ ধৰিলে। মানুহ কেইটাক তেন্তে হাতীয়ে মাৰিলে, জীয়াই থকা হলে অন্ততঃ দীঘলাই মাত দিলে-হেঁতেন। বংশীয়ে পুনৰ নাম ধৰি ধৰি মানুহবোৰক মাতিলে' সিহঁত ক'ত আছে মুখেৰে ক'লেই বংশীহঁত আগবাঢ়ি যাব। জুমবান্ধি থকা মানুহবোৰে ভয় কৰে বুলি বংশীয়ে মনৰ কথা কাকো খুলি নকৈ বিনন্দহঁতৰ দলটো যি ঠাইত আছিল তালৈ, সকলোকে যাবলৈ ক'লে। সকলোৱে ভয়ত হাতী ওলোৱা ঠাইলৈ যাবলৈ মন নকৰে।

আকবৰে বোলে—ৰাইজ হাতে-হাতে জোৰ জ্বলাই লওঁহক। মানুহ কেইটাক আমাৰ চকুৰ আগতে হাতীয়ে মাৰিব আৰু ইমানবোৰ মানুহ ইযাত আমি ভেৰা লাগি চাই ৰৈ আছো। ভয় নকৰিবি আমি কেইটা আগত যাম। সকলো আহক। লক্ষী, মোলোক, দোকানী আৰু কোনোবা কোনোবা দহ-পোন্ধৰজন মানুহ আগবাঢ়ি আহিল। অনিচ্ছা স্বত্বেও বাকী মানুহবোৰ জোৰ, কোল, পৰ্চা, দা কুঠাৰবোৰ লৈ লৈ দীঘলা বিনন্দহঁতক

বিচাৰি মঘুৰাৰ লগত হাতী ওলোৱা ঠাইলৈ ধাননিৰ মাজেৰে আগবাঢ়িল। গাঁৱৰ মানুহে কাৰোবাৰ মুখত ঘটনাটো শুনি মতাই মাইকীয়ে যি যত আছিল ওলাই আহি নাম-ঘৰৰ মুখ পালেহি। দীঘলাৰ ঘৈণীযেক পতুমীয়ে কান্দিবলৈ আৰম্ভ কৰি দিলে। বিনন্দৰ মাক গুণদা, মথওৰ বাপেক নবীনৰো কান্দোন আৰম্ভ হ'ল। সেই কান্দোনে দীঘলাহঁতৰ মৃত্যুকে নিশ্চিত কৰিলে। পথাৰখনত জোৰৰ পোহৰবোৰে দেৱালী পাতিছে। কিন্তু দেৱালীৰ ৰং তামাছাৰ পৰিবৰ্তে মানুহবোৰৰ মনত আতঙ্ক। পেট্ৰমাক্স লাইট এটা দূৰৰ পৰা দেখাকৈ নামঘৰৰ আগত বাঁহ এডালত তুলি ওখকৈ থোৱা হ'ল। মানুহ কেইটা ধানৰ মাজত লুকাই আছে যদি পোহৰটোলৈ পোনাই আহিব পাৰিব।

হঠাৎ ধাননিৰ মাজৰ পৰা নিয়ঁৰত তিতি বুৰি বিনন্দ আৰু মথও আহি ওলালেহি। অলপ পিচতে নগেন, বিশ্বেশ্বৰ আৰু ডম্বৰু ধাননিৰ মাজৰ পৰা অন্য এফালেদি ওলালেহি। ভূধৰে—বিনন্দহঁত আহিল ঔ ঘূৰি আহ বুলি কেইবাবাৰো চিঞৰিলে। জোৰলৈ যোৱা মানুহবোৰ ঘূৰিছে। দীঘলা অহা নাই কাৰণে পতুমীয়ে চিঞৰিবলৈ ধৰিলে। "গোলোকৰ বাপেকক এৰি থৈ আহিলে ঔ ঘূৰি নাহিবি।" ভূধৰে আকৌ বিঙিয়াই বিঙিয়াই "দীঘলা অহা নাই ঔ" বুলি মানুহবোৰক চিঞৰি ক'লে। মানুহবোৰে হয়তো হেৰাই যোৱা মানুহ ঘূৰাই পোৱাৰ আনন্দত কথা পাতি আহিছিল কাৰণে ভূধৰৰ কথা নুশুনি নাম ঘৰৰ ফাললৈ আহি থাকিল। ভূধৰে আকৌ চিঞৰি চিঞৰি কেইবাবাৰো ক'লে। মানুহবোৰ কিন্তু ঘূৰি নগ'ল।

পতুমী অস্থিৰ হৈ পৰিছে। আটাইকেউজন মানুহ নহাকৈ ভূধৰ আহিল বুলি কোৱাৰ কাৰণে তাই ছটফটাই আছে। ধাননিৰ মাজৰ পৰা মানুহবোৰ নামঘৰৰ মুখ পোৱাৰ আগতে দীঘলাও আহি পালেহি। দীঘলাক দেখি সকলোৰে মনৰ ডাঙৰ চিন্তা এটা দূৰ হ'ল। মানুহবোৰ নিয়ঁৰত তিতি আহি জাৰত কঁপিছে। জুই একুৰা ডাঙৰকৈ জ্বলোৱা হ'ল। জুইৰ

কাষত হাত ভৰি সেকি হাতীয়ে খেদাৰ পিচৰ কাহিনীটো দীঘলাই শুনালে। হাতীটোৱে দৰক লৈ হেনো ধাননিৰ মাজত বৈ আছিলহি। বিনন্দই প্ৰথমে হাতীটো দেখিলে। পিঠিত ধানৰ গোছা একোছা হাতীটোৱে তুলি লৈছে।

মধুৰাই বোলে বোকাহে, ধান নহয়। হাতীটোৰ পিঠিত বগাকৈ কিবা এটা সিহঁতি দেখিছিল, কিন্তু বস্তুটো কি সঠিক কোনেও ক'ব নোৱাৰিলে। বিনন্দই হাতীটো দেখি হেনো প্ৰথমতে আটাই কেইটাকে মনে মনে দেখুৱাই দিছিল। মধুৰায়ো হাতীটো দেখি হেনো প্ৰথমতে আটাই কেওটাকে মনে মনে থাকিবলৈ কৈছিল। মধুৰাই হাতীটো দেখিয়েই পেঁপাটো বজাই নিদিয়া হ'লে অলপ আঁতৰি গৈ আগজাননী দিব পৰা হ'লহেতেন। হাতীটোৱে খেদি অহা মানুহকে ক'ৰ ঢোল, তাল দা, কুঠাৰ ক'ত পৰিল ঠিকনা নাই। যেযে যেনিযে পাৰে পলাবলৈ ধৰিলে। হাতীটোৱে দীঘলাৰ পিছে পিছে খেদি গৈছিল কাৰণে দীঘলাই গাৰ চাদৰ খন এৰি থৈ বাগি দিলে। চাদৰখন পাই মানুহটোক ধৰিলো বুলিয়েই হ'বলা হাতীটো বৈ গ'ল। ধানৰ তলেদি বগুৰা বাই বাই দীঘলা গৈ কৰবাত ওলাইছিলগৈ। নামঘৰৰ মুখৰ পৰা বংশীহঁতে নাম ধৰি মতা দীঘলাহঁতে শুনিছিল যদিও হাতীটো ওচৰতে আছে বুলিহে কোনেও মুখেৰে নামাতিলেহেনো। পেট্ৰমাক্স লাইটটো নামঘৰৰ আগত দেখিহে সিহঁতি বাট চিনি পাইছিল। এন্ধাৰে মুন্ধাৰে ধানৰ তলত বগুৰা বাই বাই সিহঁতি একে ঠাইতে ঘূৰি আছিল কাৰণে মুকলি পাওঁতে বহুত সময় লাগিল।

দীঘলাৰ বিৱৰণমতে হাতী এটাহে। কিন্তু বৰ বিযাগোম হাতী। প্ৰায় সকলো মানুহৰে গাত ধাননিৰ বোকা লাগিছে। নিযঁৰৰ পানীয়ে কাপোৰ কানি তিযালেই। সকলোৰেই ঘৰলৈ যোৱাৰ কাৰণেহে ব্যস্ত হৈ পৰিছে। বংশীযে বোলে "ৰাইজ এদিন অলপ কষ্ট কৰক। ইমান বোৰ মানুহ থাকোতে হাতীটোক ধান খাবলৈ এৰি দি আপোনালোক ঘৰলৈ যোৱাটো বৰ দুখৰ কথা হ'ব"। বকুলে বোলে "আমি ধান মুঠিৰ

কাৰণে আন্দোলন কৰিম বুলি কৃষক পৰিষদ গঠন কৰিছো। হাতীটোক খেদি পকা ধান খিনি ৰক্ষা কৰিব নোৱাৰিলে আমিনো আচল আন্দোলনটো কেনেকৈ কৰিম ?” আকবৰে বোলে “যি মাটিৰ কাৰণে, ধানৰ কাৰণে আমি যুঁজ কৰিবলৈ ওলাইছো সেই ধান লোকচান কৰিবলৈ নিদিওঁ।” মুহিৰাম ফনীধৰহঁতেও জোৰ লৈ ধাননিলৈ নামিবলৈ ৰাইজক অনুৰোধ কৰিছিল। ৰহেশ্বৰ বুঢাই বাধা কৰিলে। বোলে “হাতীয়ে এবাৰ মানুহ খেদাৰ পাচত তাৰ ওচৰলৈ আকৌ গ'লে সি মানুহ মাৰিবই। ইমান ডাঙৰ বিপদৰ পৰা নিৰাপদে সকলো সাৰি অহাৰ পাছত আকৌ যাবলৈ মই নকওঁদেই। ধান খালেই যেতিয়া আৰু এদিন খাওঁক। কিন্তু কিবা ঘটনা হ'লে মানুহ কান্দিলৈ ধান ৰখিবলৈ কোনো নোলাব।” ফেচুৰ ছি ছিয়ঁনী, কোনোবা মানুহৰ ঘৰৰ গৰালৰ পৰা আৰু হাঁবিৰ বনৰীয়া কুকুৰাৰ ডাক্ একেলগে শুনা গ'ল। ৰহেশ্বৰ বুঢাৰ যুক্তি কাটিব নোৱাৰি আকবৰহঁতে ঘৰে ঘৰে ঘূৰি যোৱাটোকে সিদ্ধান্ত কৰিলে। নামঘৰৰ আগৰ জুইৰ অওঠাবোৰ এন্ধাৰৰ মাজত অকলে জিলিকি থাকিল।

সেইদিনা শনিবাৰ। বিবেকা মাষ্টৰে আগৰাতিৰ পৰিস্থিতি জানিবৰ কাৰনে ৰাতিপুৱাই দীঘলা বসন্তৰ ঘৰ পালেহি। মাষ্টৰ অহা খবৰ পাই পদুমী ওলাই আহিল। দুটা ৰাতিৰ টোপনিয়ে দীঘলাক হেচঁামাৰি ধৰিছিল যদিও মাষ্টৰ আহিছে বুলি শুনি অনিচ্ছা স্বত্বেও দীঘলাই বিচনা এৰিব লগীয়া হ'ল। আগদিনা ৰাতিৰ হুলস্থুলীয়া পৰিবেশটোৰ কথা দীঘলাৰ মুখত শুনি মাষ্টৰে প্ৰমাদ গনিলে। নিজে গৈ ডি, চি-ক দেখা কৰি ব্যৱস্থা লবৰ কাৰণে কোৱাৰ বাহিৰে অন্য ব্যৱস্থা মাষ্টৰে ভাবি নাপালে। ধাননিত হাতী সোমাইছিল নেকি চাই আহিবলৈ পদুমীয়ে দীঘলাক ক'লে। মাষ্টৰ আৰু দীঘলা নামঘৰৰ ওচৰ পালেহি। ৰ'দ ওলাইছে যদিও নিয়ঁৰ আঁতৰা নাই। পথাৰৰ কুঁৱলীৰ মাজৰ পৰা নিজৰ ধাননি চাই মানুহ নামঘৰৰ মুখৰ ওখ টুকুৰাত উঠিছেহি। মানুহ ধাননিলৈ নামিছে আৰু যেনিয়ে তেনিয়ে কিছুমান ধাননিৰ পৰা আলিলৈ আহিছে। দীঘলা বসন্তইও

মাষ্টৰক নামঘৰৰ আগত এৰি নিজৰ ধান চাবলৈ গ'ল। দম্দিয়ে আহি ক'লে যে যোৱা কেই ৰাতিত যিমান ধান হাতীয়ে নষ্ট কৰিছিল আগৰ ৰাতিটোত তাতকৈ বহুত বেছি মানুহৰ ধান লোকচান কৰিলে। লখুৰা, ৰত্ন আৰু যোৰহটীয়া দত্তৰ ধান দাবলৈ নাযেই।

মথং আহি ক'লেহি বোলে "ৰত্নই ৰোৱা কংসৰ এহালিচা মাটিত ধান সমূলি নায়েই। গোছাৰে উঘালি উঘালি দলিযালে।" বকুলে বোলে "কংস মহাৰাজৰ ধানত হাতী লাগিল যদি হাতীৰ মৰণো আহিল মথং। আজি চৰকাৰী মানুহ আনি কংসই হাতী মৰাবই। প্ৰথম দিনাই তাৰ ধান হাতীয়ে খোৱা হ'লে বাকী ৰাইজৰ ধানবোৰ ৰক্ষা পৰিলহেঁতেন।" আকবৰে কাৰ কাৰ ধান খালে তাৰ খবৰ লৈ আছিল। ধাননিৰ পৰা আহি ৰত্নই মূৰে কপালে হাত দি চিন্তা কৰি এদাঁতিত বহি আছিল। মাষ্টৰে বোলে "চিন্তা কৰি লাভ নহয়, ৰত্ন। বিপদ আহিছে। সেই বিপদৰ সন্মুখীন হ'বই লাগিব। অনুধান কৰিবলৈ ব্যৱস্থা কৰাহঁক।"

যোৰহটীয়া দত্তই বোলে "গদাধৰে আহু কৰিবলৈ মাটি দিলেহে কৰিব। আৰু দিলেই যেনিবা বেৰিবলৈ কমখন বাঁহ লাগিবনে? লখুৰাই বোলে "বিধতাই দিলেও তিৰোতাই নিদিয়ে ঐ। গৰু এটা তাৰেই মৰকিয়া বাই মাটি কিদৰা কৰিছিলো। লাযেক ধানো হৈছিল পায়।" হুমুনিযাহ এটা পেলাই আকৌ ক'লে "কপালত নাই। বোলে 'দৰিদ্ৰ লংকালৈ যায় সাগৰো শুকাই মাণিকো লুকাই'। চৰকাৰৰ ঋণ লৈ গৰুহাল কিনিছিলো জানিছ, তাৰে এটা মাটি কৰ্হাওতেই মৰি থাকিল। কলৰ জপৰ কৈ কৃষ্ণৰ গৰুটোৰে সৈতে মৰকিযা বাই কোনোৰকম কলো। তাৰ গতি হ'ল সেইখন।"

যোৰহটীযাই বোলে "'আইৰ ঘৰলৈ যাওঁ ভুইহাতে খাওঁ, বিধিয়ে বোলে মই তোৰ পিছে পিছে যাওঁ।" কি কৰিবি ভাগ্যৰ দোষ। ব'লা যাওঁগৈ। কান্দিলে পেট নভৰে।" মাষ্টৰে ৰত্নলৈ চালে। ৰত্নই চকুপানী মোহাৰি লুখুৰা আৰু যোৰহটীয়াৰ পিছ লৈ ঘৰলৈ গৈছেগৈ। দীঘলাইত আৰু

কোনোবা এজাক মানুহ আহি নামঘৰৰ মুখত গোট খালেহি। বংশীহঁতো আহিল। মাষ্টৰে নামঘৰৰ মুখলৈ গৈ ধাননিলৈ চকু দিলে। হালোৱা পথকুবাৰ গোটেই টিযনীবোৰ আৰু ক'লা সেউজীয়া ফটা কাপোৰৰ টুকুৰাৰে চিলাই কৰা গোটেই গাওঁকিখনৰ ফটা কঁথাবোৰ গোটাই আনি ধানখেৰ যেন ৰাইজে হাতীৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ ঢাকিহে ৰাখিছিল। পুৱাৰ ৰ'দ পৰা সোণোৱালী ধাননিৰ বুকুত কৃষকৰ অত কষ্ট আশা ভৰষা, কৃষকৰ জীৱনবোৰ এই হাতীটোৰ দলেই চৰকাৰ নামৰ বগা হাতীটোৰ তাণ্ডৱ নৃত্যই যেন চাৰখাৰ কৰি পেলাইছে। ৰাইজ আৰু চৰকাৰ যেন দুটা সম্পূৰ্ণ বেলেগ বস্তু। ইমান অনুনয় বিনয় কৰি দৰ্খাস্ত লিখি তাৰ কপিবোৰ মানুহ পঠিয়াই হাতে হাতে দিয়া হৈছিল। এজাক হৃদয়হীন আমোলাৰে ওপৰ গধুৰ এটা হৃদয়হীন পশুৰ দল। তাৰেই নামদিয়া হৈছে চৰকাৰ। ৰাইজে আশা কৰি থাকে সেই চৰকাৰৰেই কৃপা। সকলো দুখ কষ্ট সকলো দুৰ্গতি চকুমুদি হাত সাৰটি কান্ধ পাতি ল'ব লাগে জনগণে। "ঘোঁচ নিদিলে চৰকাৰৰ মানুহৰ গা নলৰে চাৰ। ৰাইজে কৈছে ঘৰে প্ৰতি বিশ টকাকৈ পইচা উঠাই এহেজাৰ দুহেজাৰ যিমান উঠে তাকে লৈ আমি কেইটামান ডি, চিৰ ওচৰলৈ যাওঁ।"

মোলোকৰ কথা শুনি মাষ্টৰ গৰজি উঠিল। "দুনীৰ্তি পৰায়ণ অফিচাৰ আমোলাই ঘোচ খায় কাৰণে এখন ৰাইজে ঘোচ দি দুৰ্নীতি কৰিবলৈ ওলোৱা বুদ্ধিটো কাৰ মূৰৰ পৰা ওলাইছেহে? মোক সেইবোৰ কথা নক'বা।" মাষ্টৰে খং মুৱাকৈয়ে মোলোকক কথাটো ক'লে কাৰণে মোলোক আতৰি গ'ল। আলিৰ দাঁতিত বহি সোণবৰিয়াল এজোপা উঘালিবলৈ বংশীয়ে টানি আছিল। উঘাল নাখায়। বহুত তললৈকে শিপা থকা সৰু গছজোপাকে সি উঘালিব নোৱাৰিলে হাতীটো খেদিব নোৱাৰে। সচাঁকৈ খেদিব নোৱাৰে। কাৰণ আগৰাতি ভালেমান মানুহ গোট খাই ধান ৰাখি থাকোতেও হাতীটোৱে ধান খাই দিলেহি। সেইদিনা শনিবাৰ। দেওবৰীয়া বজাৰলৈ নিবলৈ মানুহে বস্তু নোগোটালে বজাৰলৈ

কিটো নিব ? বংশীয়ে মনে মনে ভাবি থকা কথাটোকে আকবৰে ডাঙৰকৈ ক'লে বোলে, "ৰাইজ, আজি কিন্তু ধান ৰাখিবলৈ মানুহ বেছি গোট নাখাব দেই। অইনৰ কথা বাদেই মই নিজেই নোৱাৰিম। কাৰণ জাপিখিনি ঘৰে ঘৰে গৈ আজিযেই গোটাই নথলে কালিলৈ মোৰ বজাৰ বন্ধ হ'ব।"

দীঘলাই বোলে "ইফালে কালি ৰাতি যিখন বিপদৰ পৰা মানুহ নমৰাকৈ ৰক্ষা পৰা হ'ল সেইটো ভয় ৰাইজৰ মনৰ পৰা গুচাই নাই আৰু তিনি ৰাতি ৰখিওচোন একোডাল কৰিব নোৱাৰিলো। তাতকৈ এই বেলাতে জাকেজুমে মানুহ এমোখা ডি, চিৰ ওচৰলৈ যাওহক ওলা। আৰু আমাৰ লগতে মাষ্টৰো গ'লে কিন্তু কামটো হৈ আহিব হয় চাৰ, আপুনিও ওলাওক। বুঢা কেইটামানকো লগতে লওঁ।"

বংশীয়ে বহাৰ পৰা উঠি হতাশ ভাবেৰে বোলে "ছেঃ ইমানবোৰ মানুহ গোট খাই হাতীটোক খেদিব নোৱাৰিলোহে দীঘলা "

বংশী যে হতাশ হৈ পৰিছে সেই কথাটো মাষ্টৰে লক্ষ্য কৰি আছিল। মানুহবোৰক উৎসাহ যোগাবলৈ বুলি কথাটো অন্য ধৰণেৰে ক'লে "হাতীটো মাৰিবলৈ বা খেদিবলৈ ইমানবোৰ মানুহ নালাগে। বন্দুক এটা হোৱা হ'লে বংশীয়ে অকলেই হাতীটো খেদিব পাৰিলেহেঁতেন। হেজাৰে হেজাৰে লাখে-লাখে বন্দুকো আছে।' বন্দুক মৰা মানুহো লাখে লাখে চৰকাৰে ৰাখিছে। আনকি থানা কিখনটো কেইবাটাও বন্দুক ওলাব। পিছে বন্দুকবোৰ ৰাইজক ৰক্ষা কৰিবলৈ ৰখা নাই নহয়। বংশীয়ে কোৱাৰ দৰে দুখীয়া খেতিয়কৰ বুকুলৈ টোৱাঁবলৈহে ৰাখিছে।" চাকৰি এৰি আহোতে বংশীয়ে কোৱা সেই কথাটো তেতিয়া মাষ্টৰে মানি লোৱা নাছিল। অথচ আজি এতিয়া নিজ মুখে স্বীকাৰ কৰিছে।

তিনিদিন পাৰ হ'ল ভৰধৰ মাষ্টৰে নিজ হাতে ডি, চিক দৰ্খাস্ত দি আহিছেগৈ। লাখে লাখে বন্দুকধাৰীও আছে কিন্তু ৰাইজৰ দুখ দুৰ্দশাৰ কাৰণে অকণমান ভৰা চিন্তা কৰা মানুহ নাই। বংশীয়ে কথাবোৰ ভাবি

মনে মনে গুজৰি গুমৰি থাকোতেই আকবৰে বোলে "আজি চৰকাৰী মানুহ আহিব বুলি কৈছে। যদি নাহে তেন্তে বন্দুক এটাকে যোগাৰ কৰিব লাগিব।" দীঘলাই বোলে "এঃ এইটোৰ কথা শুনা। সি যেন বন্দুক এগাল কৰবাত থৈহে দিছে। তাৰে এটা লৈ আহিবলৈ।" আকবৰে বোলে "থোৰাই যোগাৰ কৰি থৈছে নহয়। কংসৰ ঘৰতে দুই নলীয়া বন্দুক আছে। ৰামধাৰীৰ ঘৰত নাই নেকি? বন্দুক ক'ত আছে মই কৈ দিছো, তোমালোকে আনাগৈ।

দীঘলাই বোলে "বাহিৰতে বন্দুক উলিয়াই থৈ দিছে বুলি ভাবিছ নেকি? কি আকাশত চাংপতা কথাবোৰ কৈছ অ'? আজি তিনিৰাতি বনৰীয়া হাতীয়ে ৰাইজৰ ধান খাইছে। সিহঁতি হেনো খবৰকে নাপায়। তামোল পান এশৰাই লৈ সিহঁতক খবৰ দিবলৈ কোনোবা যাব লাগে? কংস ৰামধাৰীৰ ধানত হাতী নামিলেহে দেখোন সিহঁতি খবৰো পালেগৈ। ধাননি চাইও গ'লহি। সেইয়া মনবাৰে কি কৈ গ'ল বোলে, জীপ গাড়ীলৈ কংসই বোলে চৰকাৰী মানুহ আজি খাৰা কৰিবহিয়ে। তেন্তে সেইবোৰৰ পৰাই বন্দুক বিচাৰি আনি হাতী খেদা।"

দীঘলাই তৰ্ক আৰম্ভ কৰাৰ সুৰত কথা কোৱা দেখি মাষ্টৰে বোলে "আজি এইবেলাতে পোন্ধৰ-বিশজনমান মানুহ ওলোৱাহঁক। লগত মযো যাম। ডি, চিক জোৰ কৰি ধৰিবগৈ লাগিব। প্ৰথমদিনা হাতীয়ে ধান খাওঁতেই মই কৈছিলো, দৰ্খাস্ত ফাইলত পৰি থাকিব। সেইদিনাই ৰাইজ ডি, চিৰ ওচৰলৈ ওলোৱা হ'লে কেতিয়াবাই হাতী পলালেহেঁতেন।" আলোচনাবোৰ শুনি বৈ থকা মানুহবোৰৰ ভিতৰত মাত্ৰ দুজনহে যাব পাৰিম বুলি ক'লে। বাকীবোৰৰ কাম আছে।

মাষ্টৰে বোলে "কামনো কেতিয়া, কোনদিনা, কাৰ শেষ হব? নিজৰ কামৰ মাজতে সময় উলিয়াই এইবোৰ কামো কৰিব লাগিব। মই ঘৰত সোমাইহে যাম। কোন কোন যোৱা সোনকালে ওলাই আহা।" মাষ্টৰ গ'লগৈ। মাষ্টৰৰ কথামতে প্ৰথম দিনাই ৰাইজ ডি, চিৰ ওচৰলৈ

নোযোৱাৰ কাৰণে আলিৰ ওপৰত থকা মানুহ খিনিৰ মাজত বাদানুবাদ কিছু হোৱাৰ পিচত মানুহ গোট খাই সোনকালে ডিব্ৰুগড়লৈ যোৱাৰ কাৰণে সকলো দিহাদিহি গ'লগৈ।

গাঁৱৰ মানুহ ব্যস্ত যদিও আগবেলাৰ বন্দবস্তমতে খাই বৈ যোল্ল জন মানুহ দিহিঙিয়া বুঢাৰ ঘৰতে ডি, চিৰ ওচৰলৈ যাবলৈ বুলি গোট খালেহি। মাষ্টৰহঁত অহা নাই। এনতে জগন্নাথ আহি দীঘলাক খবৰ দিলেহি বোলে কংসই হেনো কৈছে ৰাইজে কষ্ট কৰি যাব নালাগে। তেওঁ নিজে গাড়ী লৈ ডি, চিৰ ওচৰলৈ যাব। আগৰ কেইদিনত কিমান মানুহৰ ধান লোকচান হ'ল তাৰ হিচাব বিচাৰিও পঠিয়াইছে। জগন্নাথে কাগজ এখন উলিয়াই দিলে। সেইখন কাগজতে মাটিৰ মালিকে লোকচানৰ হিচাব "দেখুৱাই চহী কৰি দিব লাগে।" কাগজখনত কিছুমান মানুহে চহী কৰিলেই। কিন্তু আধিৰোৱা কাৰো চহী নাই। নিজৰ মাটিত নিজে খেতিকৰা মানুহ দুজনে এমোনৰ ঠাইত দহ মোনকৈ লোকচান দেখুৱাই চহী দিলে। জগন্নাথ গ'লগৈ।

দীঘলাই ক'লে "কংস, ৰামধাৰীহঁতে আধি দিয়া মাটিবোৰৰ মালিক হিচাবে চহী কৰি সুদে-মূলে ধান উলিয়াই ল'ব ৰাইজ। আধি মাটিৰ ধান মালিকক নিদিওঁ নথওঁ কৰিছিলো হয়, আমি নিদিলে কি হ'ব? চৰকাৰৰ ফালৰ পৰা সিহঁতি উলিয়াই ল'ব।" বকুলে বোলে— সদায় বনৰীয়া হাতীয়ে ধান লোকচান নকৰে, মোমাই। চৰকাৰৰ ফালৰ পৰা লওক। আমি নিদিওঁ বুলিলো নিদিওৱেই। মাষ্টৰ, বংশী, আকবৰহঁত আহি পালেহি। জগন্নাথে কৈ যোৱা কথাবোৰ বকুলে বংশীহঁতক ক'লে। গৰাখহঁত মাটি গিৰিযাকেইটাই চৰকাৰৰ ফালৰ পৰা ক্ষতিপূৰণ পোৱাৰ কাৰণে কি বুদ্ধিত খেতিযকৰ চহী কৰাই দৰ্খাস্ত এখন লৈ গ'ল, তাৰ বিৱৰণো বকুলে দিলে। বংশীয়ে কংসৰ ওপৰত নিৰ্ভৰ কৰি নাথাকি ৰাইজক ডি, চিৰ ওচৰলৈ যোৱাৰ কাৰণে জোৰ দি ধৰিছিল। টকা-পইচাৰ খৰচ, বাতি টোপনি খতি, হাত-বজাৰলৈ যোৱাৰ যোগাৰ কৰা ইত্যাদি

লেঠা দেখুৱাই সকলোৱে সোমবাৰলৈকে ছুটা দিন বাট চোৱাৰ কথা ক'লে।

ভূধৰে বোলে "পুতেক লক্ষীৰ বিয়ালৈ এসপ্তাহেই নাই। বিয়াখনৰ কাম পৰি আছে। হাতীৰ পোকৰত এই কেইদিন ঢপলিয়াই ফুৰোতেই গৈছে। আজি আৰু কালিলৈ ছুটা দিনতে হাত বজাৰ কৰা কামটোও নকৰিলে পিচত অসুবিধা হ'ব। সেইটো কথা কওঁ কওঁ কৰিয়েই আছিলো। তাৰ উপৰি কালিলৈ নামঘৰতে নাম এষাৰ ল'ব লাগে ৰাইজে। মই চান্দা বহীখনো লৈ আহিছো। আজি চান্দা উঠাইহে কালিলৈ শৰাই এখন দিব পৰা হ'ব। তাকে চাই মোক আজি এৰি দিয়ক।" চান্দাৰ বহীখন ভূধৰৰ হাতত দেখাৰ পৰা বকুলৰ খং উঠিছিল। এটাৰ পিচত এটাকৈ বিপদ হৈছে। তাৰ মাজতে আকৌ নাম কীৰ্ত্তনৰ আয়োজন। নাম কীৰ্ত্তন কৰা যদি কেইদিনমানৰ পাছত কৰিবা দেই। দীঘলাইও বকুলৰ কথাতে হযভৰ দি বোলে— এতিয়া সেইবোৰ চান্দা উঠোৱাৰ কাম বাদ দিয়া ভিনিহি। টোপোলা এটা আগবঢাই থোৱা, দিন-খেন মিলাই পিছে-পৰে নাম ললেও হ'ব।

ৰহেশ্বৰে বোলে— কোনটো আগৰ কাম অ'? নামলৈ পিঠি দি কোনটো কাম কৰিব পাৰিবি ঐ দীঘলা? কিবা চেঙেৰা ল'ৰাই কোবাদি তইনো কথাবোৰ কৰ কেলেই? বকুলে বোলে— গধুলী নামঘৰত নাম লবানে পথাৰত ধান ৰখিবা? গোঁসাই ঈশ্বৰক কৈ দিয়াগৈ বুলি ৰাইজে কৈ পঠিয়াইছে, মহাপ্ৰভুযে সত্ৰৰ পৰাই আৰ্শীবাদ এহালিছা দি সত্যহতে হাতীৰ উৎপাতৰ পৰা কেইদিনমান ৰাইজক ৰক্ষা কৰি থাকক।

বংশীয়ে গুজুক কৈ মাত লগালে "নাম ল'লে হাতী নাযায ঐ। হাতীৰ কাৰণে গণেশ পূজাহে কৰিব লাগে। দীঘলা ককাইদেউ ডি, চিৰ ওচৰলৈ যোৱাটোও বন্ধ কৰা। বামুণ এজন বিচাৰি আমি শংকৰী নামঘৰত হিন্দি চিনেমাৰ গান বজাই গণেশ পূজাকে কৰি চাওঁ।" বংশীইতে

ব্যঙ্গ কৰি কথা কোৱাৰ কাৰণে দিহিঙীয়াই দম-দমাই উঠিল। "তহঁতি ধৰ্ম-কৰ্ম নামান নেলাগে মানিব। তহঁতিনো নামঘৰলৈ কোনদিনা নাম ল'বলৈ আহিছিলি? আমি কি কৰো কি নকৰো তাৰ ওপৰত হাত দিবলৈ আহিবি কিয়? ধৰ্ম-কৰ্ম নামানি পাইছ নহয়? আৰু পাৰি। এইয়া আৰম্ভ হৈছেহে। মূৰে ভৰি কাটিছিলিহক? দেশত নোহোৱা-নোপজা কাম কৰিবলৈ গৈ এইবোৰ অপায় অমঙ্গল তহঁতিয়েই চপাই আনিছ। ইমান দিন সেইবোৰ আধি মাটিতে খেতি-খোলা কৰি খাইছিলো। কোনোবাদিনা বনৰীয়া হাতীয়ে দৌৰাত্য কৰা দেখিছিলিনে? ক তা কুকুৰহঁত?" আকবৰে ধৰ্মীয় কথাৰ মাজত নোসোমায় আৰু যুক্তি দি তৰ্কও কৰিব নাজানে। কিন্তু দিহিঙীয়াই আকবৰহঁতক হাতী ধাননিত সোমোৱাৰ কাৰণে দায়ী কৰাও উচিত কথা নোকোৱাকৈ থাকিব নোৱাৰি বোলে "বৰ পিতাই, কংসৰ বন্দুকটো খুজি আনি দিয়া। বংশীয়ে একে গুলীতে হাতীটো বগৰাই দিব।"

তৰ্ক বন্ধ কৰি দিবৰ কাৰণে মাষ্টৰে বোলে "হাতী আছে যেতিয়া ইযাত নহয়, তাত, কৰবাত দৌৰাত্ম্য কৰিবই। সেইটো মঙ্গল অমঙ্গলৰ কথা নহয়। পূজাপাতি বা নাম কীৰ্ত্তন কৰিও হাতী খেদি পঠিযাব নোৱাৰি। আচল কথা হ'ল-তিনিদিনৰ আগতে দৰ্খাস্ত দিলো, চৰকাৰৰ কানসাৰ হোৱা নাই কিয়? আজি কংসই তাৰ ধান খোৱাৰ কাৰণে চৰকাৰী ফৰেষ্ট অফিচাৰ আনিবই। এখন ৰাইজে চৰকাৰক লৰাব নোৱাৰিলে কিয়? আজি যদি কংসই ডি, এফ, অক লৈ আহিব পাৰে, ৰাইজৰ শক্তি মান সম্মানটো ক'ত থাকিব?" "ৰাইজৰ মান সম্মান ক'ত থাকিব সেইটো কথা সুধি একো লাভ নাই চাৰ। তেওঁলোকে মান সম্মান বুজি নেপায়। কাৰঘৰত নামগোৱা কোন দিনা আছে তেওঁলোকক সেইটো কথা সোধক, তাৰ উত্তৰ লগে লগে দিব পাৰিব। বকুলৰ কথা শেষ হবলৈকে নাপালে, দিহিঙীযাই লাখুটিডাল ডাঙি বকুলক এটাঙোন দি দিলেহি। "কতা চুৱা খোৱাৰ জাত! একেটা মাৰতে মূৰটো ভাঙি দিওঁ। লৰ মাৰিলি কেলেই

জহনিত যোৱা ।” ভূধৰে দিহিঙীয়াৰ হাতৰ লাঠিডাল কাঢ়ি আনিলে। দিহিঙ্গীয়াই খঙত কিবা কিবি কৈ আছিল।

মাষ্টৰে দিহিঙীয়াক শান্ত কৰিবৰ কাৰণে বোলে “সবাৰ কথাত লাগি মূল সমস্যাটো তল পেলালে কেনেকৈ হ’ব দিহিঙ্গীয়া ককাইদেউ? ডি, চি ৰ ওচৰলৈ যোৱা নহ’ল যেতিয়া আজি ৰাতিৰ কাৰণে কি ব্যৱস্থা কৰে সেইটো চিন্তা কৰক।” দীঘলাই বোলে, “কংসই চৰকাৰী মানুহ আনিব বুলিছে, তেওঁলোকেনো কি’ কয় চাই লওঁচোন। মুঠতে বন্দুক নোগোটালে হাতী নেযায, অ’ক কালিৰ দৰে ধান ৰাখিবলৈ গ’লে হাতীয়ে মানুহক মাৰিব।” পিচবেলা চৰকাৰী মানুহ অহা নহাৰ খামাখা কিবা এটা হোৱাৰ পিচত কি ব্যৱস্থা লোৱা হয় সময়ত ঠিক কৰিম বুলি মানুহ খিনি ঘৰাঘৰি গ’লগৈ।

সেইদিনা পিচবেলা ভাগলৈ কংসৰ জীপগাড়ীত কেইবাজনো ফৰেষ্ট ডিপাৰমেণ্টৰ মানুহ হাতত বন্দুক লৈ আহি নামঘৰৰ মুখত ৰ’লহি। কংসই তেওঁলোকক ধাননি খন দেখুৱাই ডি, এফ, অ-ৰ লগত আলিত থিয় হৈ থাকিল। তিনিজন ফৰেষ্টাৰ নে ফৰেষ্ট গাৰ্ড ধাননিলৈ নামিল।

চৰকাৰী মানুহ আহিছে বুলি শুনি যেয়ে যতে আছিল নামঘৰৰ ওচৰলৈ ওলাই আহিল। নাঙঠ পিঙঠ লৰা ছোৱালী এজাকে চিৰিয়া খানাৰ জন্ত চোৰাদি ডি-এফ, অক বেঢ়ি ধৰিলেহি। ধান লোকচান কৰা মানুহ কিঘৰৰ গৃহস্থবোৰে চৰকাৰী মানুহক ধানৰ অৱস্থা দেখুৱাবলৈ তেওঁ-লোকৰ পিছে পিছে ধাননিলৈ গল। চৰকাৰী মানুহে চাই গলেই তেওঁলোকে ক্ষতিপূৰণ পাব বুলি বহুতৰে ধাৰণা। সেই কাৰনে ধান দেখুৱাত মানুহ বোৰ ব্যস্ত হৈছিল যদিও ফৰেষ্টৰ মানুহ কিজনে হাতী অহাৰ পথৰ অনুসন্ধান কৰাতহে লাগিল। হাতী মাৰিব। মানুহ খেদা বদমাছ হাতীটো মাৰিব। ল’ৰা ছোৱালীবোৰৰ মৰা হাতীটো চাবলৈ পাম বুলি আনন্দত তৎ নাই। ৰাইজৰ মুখলৈ পানী আহিল। চৰকাৰী বিষয়া আহিল যেতিয়া ধান বোৰ ৰক্ষা পৰিব।

ইতিমধ্যে নাম ঘৰৰ মুধৰ ওখ ঠাই টুকুৰাত মতাই মাইকীয়ে বহুত মানুহ জমা হলহি। দিহিঙীয়াইতে আগৰ ৰাতি কেইটাত হোৱা বিপৰ্য্যয বোৰৰ বিৱৰণ দি হাতীটো মৰিবলৈ ডি, এফ, অক অনুনয়-বিনয় কৰিলে। ডি এফ, অই "কি কৰিব পাৰো চাওঁচোন" বুলি কংসৰ জিপত উঠি ৰাইজক একো নোকোৱাকৈ কংসৰে সৈতে গুছি গ'ল। মনবৰেহে কথাৰ ভেদটো ডাঙি দিলেহি। অফিচাৰে চাহ খাবলৈহে গৈছে। কিছু সময়ৰ পিছত ফৰেষ্টাৰ কিজনো ঘুৰি আহিল। তেওঁলোকে হাতীৰ কেঁচা খোজ দেখি আহিছে। হাতীটো ৰিজাৰ্ভৰ ভিতৰত সোমাই আছে।

ফৰেষ্টাৰ কেইজনো কংসৰ ঘৰলৈ গলগৈ। ফৰেষ্টৰ মানুহে কি ব্যৱস্থা লয় তাৰে গুণা গথা কৰি ৰাইজ বৈ থাকিল। কোনোবা কোনোবা কেইটামান ফৰেষ্টাৰ কেইজনৰ লগতে কংসৰ ঘৰলৈকে গলগৈ। মাষ্টৰ, বকুলহঁত আটাই কেইজনে সেইদিনা ৰাতিৰ ব্যৱস্থা কি কৰা হয় তাৰে আলোচনা আকবৰৰ ঘৰত বহি ক'ৰি আছিল। ডি, এফ, অ আহিছে বুলি খবৰ পাযো কোনো তেওঁলোকৰ ওচৰলৈ নাহিল। বিশেষকৈ ডি, এফ, অৰ ওপৰত খং। তেওঁলোক কংস যোৱাৰ লগে লগেই আহিল, অথচ ৰাইজে মানুহ পঠিওৱাৰ ওপৰত কোনো গুৰুত্ব কিয় নিদিলে? এখন তৰ্ক যুদ্ধ কৰিবলৈহে বংশী প্ৰস্তুত হৈছিল। মাষ্টৰে বুজাইহে বংশীক ঠান্ডা কৰিলে।

চৰকাৰী অফিছাৰ সকলে সোন ৰূপৰ চৰণ চলাই কি পৰিদৰ্শন কৰিলে তাৰে খবৰ লবলৈ আকবৰ, বংশী, মাষ্টৰ, বলোৰাম, কন্থি, সোনধৰহঁত নামঘৰৰ ওচৰ পালেহি। তেতিয়ালৈকে পৰিদৰ্শনৰ খবৰ আহি পোৱাহি নাছিল। অলপ পিচতে মথং আৰু লুথুৰা আহি কলেহি যে "ফৰেষ্টাৰ কিজনে হাতী অহা বাটত ৰিজাৰ্ভৰ দাঁতিত বৈ পহৰা দি থাকিব। হাতী আহিলেই গুলিয়াব। কিন্তু হাতী নামাৰে। ফৰেষ্টাৰ কেইজনৰ লগত ঢোল একোটা লৈ সাত আঠজন মানুহ ৰিজাৰ্ভৰ দাতিলৈ লৈ যাব। হাতী কোন ফালৰ পৰা আহে ঠিকনা নাই। সেই কাৰণে ৰিজাৰ্ভৰ দাতিত কেইবাটাও মানুহৰ দল ৰাখিব। হাতী যি ফালৰ পৰাই নাহক,

দেখা মাত্রকে ঢোল বজাই দিব। তাৰ পিচত ফৰেষ্টাৰ কেইজনে বন্দুক যুটাই দিব। ধাননিত কোনো মানুহ থকাৰ আবশ্যক নাই। কাৰণ এন্ধাৰত ফুটুৱা বন্দুকৰ গুলি মানুহৰ গাত লগাৰ সম্ভাবনা আছে। সাহসী মানুহ কেইটামান কংসই মিলৰ পৰা পঠিয়াব। গাৱঁৰ মানুহে ভয় কৰে কাৰনে বিহাৰী বনুৱা কেইজনক গাৱঁৰ মানুহৰ লগত পঠিয়াব।

কথাটো শুনি ৰাইজে ভাল পালে। অন্ততঃ তিনি ৰাতিৰ টোপনি পুৰাই পিছদিনা বজাৰ সমাৰ কৰিবলৈ গাবোৰ মানুহৰ গাৰ নিছিনা কৰিব পাৰিব। হাতীটো নেমাৰে বোলাত সোণধৰে বোলে "হাতীটো ঠেং ভৰি লগা জীব। আজি খেদি থৈ গলে সি কালিলৈ আকৌ আহিব। জঙ্ঘলী মানুহে সদায় আহি ধান ৰাখিবহি নেকি?" মথণ্ডে বোলে, সেইটো কথাও আমি কৈছিলো। জঙ্ঘলী চাহাবে বোলে কেইঘৰমানৰ ধান খাওঁতে ই ইমান মূল্যবান চৰকাৰী জন্তু এটা মাৰি পেলাব নোৱাৰি।" ফণিধৰে বোলে "মূল্যবান ৰাইজখন নে, সিহঁতৰ বনৰীয়া হাতীটো। সেইটো কথাওঁ তই নুসুধিলি কেলেই? বন্দুক চলাব নেজানো কাৰণে, নহলে কোনোবা এঘৰৰ বন্দুক এটা চুৰ কৰি আনি হলেও হাতী মাৰিহে এৰিলোহেঁতেন।"

মাষ্টৰে হাঁহি এটা মাৰি বোলে "হাতী মৰাৰ পাচত যে কেছ এটা হব, সেইটো কথা পাহৰি নেযাবা ফণিধৰ। ডাঙৰ কেছ হব। লৰা ছোৱালী বিক্ৰী কৰিও কেছত জিকিব নোৱাৰিবা।" সোণধৰে বোলে "সিহঁতে কেছ দিলে আমাৰো কথা আছে, মাষ্টৰ। গাঁৱলীয়া ভাগে অকৰা মকৰাকৈ আমিও পইন্ট ধৰিব পাৰিম বুজিছে। চৰকাৰে যদি জীৱ জন্তু পুহিছে গৃহস্থই গৰু ছাগলী বখাদি ৰাখক। ৰাইজৰ শস্য নষ্ট কৰিবলৈ এৰি দিলে হব নেকি? ইঘৰৰ গৰু ছাগলীয়ে সিঘৰৰ শস্য নষ্ট কৰেহি আমি কোনখন চৰকাৰক বিচাৰ দিমগৈ?"

বংশীয়ে বোলে "তোমাৰ ওকালতি ইমানতে এৰা। কংস মহাৰাজে ৰাইজক আজি শুবলৈ কৈছে। গধুলি হবৰে হ'ল। ঘৰাঘৰি যোৱাহঁক।

নহলে গনেশ দেৱতাই বাটতে মোহাৰিব।" কিছুমানুহ ঘৰাঘৰি গল যদিও বংশীহঁতে যোৱাৰ পৰলৈকে ফৰেষ্টাৰ সকলৰ লীলা খেলা চাবলৈ বুলি অলপ আতৰত জুম বান্ধি ৰৈ থাকিলহি। ভালকৈ এন্ধাৰ হ'ল। ফৰেষ্টাৰ কিজনে মানুহ এজাক লৈ ৰিজাৰ্ভৰ দাঁতিলৈ যোৱাও ভালেমান পৰ হ'ল। বংশীহঁতে নামঘৰৰ মুখত আগদিনা জ্বলোৱা ঠাইতে জুই একুৰা জ্বলাই বহি আছিল। ভুধৰো আহি জুইৰ ওচৰত বহিলহি। প্ৰথম দিনা হাতীয়ে মিলনক খেদি আনোতে মিলনে কি কৰিছিল, কি অৱস্থাত চুৰিযা এৰি আহিছিল সেই প্ৰসঙ্গটো উলিয়াই দীঘলাই ৰগৰ তুলিছে। হঠাৎ বন্দুকৰ আৱাজ শুনা গ'ল। হাতীয়ে গুলি খালে। আকবৰে বোলে গাত গুলি লাগিছে যদি সি আৰু ধাননিলৈ কেতিযাও নাহে। কথাটো গম লবলৈ মানুহবোৰ ৰিজাৰ্ভৰ ফালে আগবাঢ়িল। হঠাৎ গাৱৰ কাৰোবাৰ ঘৰত চিঞৰ বাখৰ শুনি মানুহবোৰ ৰ'ল। কাৰোবাৰ ঘৰত জুই লাগিছে। লগে লগে জুইৰ পোহৰৰ ফালে মানুহবোৰ দৌৰিবলৈ ধৰিলে।

খলিফাৰ ঘৰত জুই লাগিল। জুই কুৰালৈ পোনাই দৌৰি আহোতে এন্ধাৰত কোন ক'ত পৰিলে ঠিকনা নাই। মানুহবোৰ আহি পাওঁতে জুই নুমুওৱাৰ চেষ্টা কৰিবলৈ একো বাকী নাই। শুকান খেৰ বাঁহৰ ঘৰটোৰ জুই কুৰা প্ৰায় নুমাও নুমাও হৈছেগৈ। ভড়ালটো ৰক্ষা পৰিল। লেণ্ডেৰীয়ে একো বস্তু ঘৰটোৰ পৰা উলিযাব নোৱাৰিলো। বুলি কোবাৰ পিচতো আকবৰে বুৰাঁৰ পৰা পানী আনি জুইৰ ওপৰত ঢালিছিলেহি। কিন্তু ছাই খিনিৰ বাহিৰে কিবা বস্তু উদ্ধাৰ কৰাৰ আশা নেদেখি সি হতাশ হৈ পানী ঢলা বন্ধ কৰিলে। তাৰ গাত তেতিযা হুচেই নাই। সি যেন জুই কুৰাৰ ওপৰতে পৰি দি শেষ হৈ যাব। "মই কি কৰিম এতিযা ! মই এতিয়া কি কৰিম !" বুলি আকবৰে ঘুৰাঘুৰি কৰি অধৰ্য্য হোৱা দেখি দীঘলাই বোলে। "নতুন ঘৰ সাজিবৰ কাৰণেহে বোলে মানুহৰ ঘৰত জুই লাগে বুজিছ। তোৰ ভঁড়ালটো যে ৰক্ষা পৰিল। সেইটো কথা নাভাব কেলেই ?" ইমানপৰে আকবৰে ভঁড়ালটো দেখাই

নাছিল। ডিঙিটো আগবঢ়াই দি মৰসাহ কৰি উঁৰাল্টোৰ ওচৰ চাপি দেখিলে যে সি ভড়ালৈ অনা নেউলী ধানখিনি ৰক্ষা পৰিছে। তামোলনিলৈকে গোটেই বাৰীখন তেতিয়ালৈকে তাৰ ঘৰৰ জুইৰ অঙঠাবোৰে পোহৰ কৰি থৈছিল।

ৰূপহীয়ে দিয়া বিৱৰণমতে মাযেক প্ৰমীলাহঁতৰ ঘৰলৈ গৈছিল। তাই ভাত ৰান্ধি আছিল। বাবাক বিচনাত আৰু ৰবাকৰ ওচৰতে বহি কলিমে পঢ়ি আছিল। পিছ পিনৰ ভীম কল জোপাত আজোৰ পিজোৰ হোৱা শুনি ববাকে 'কোন ঔ' বুলি ডাঙৰকৈ মাত মাতি দিওঁতেই কলগছ এডাল ঘৰটোত পৰি ঘৰটো হেঁচা মাৰি চেপেটা কৰি দিলেহি। ঘৰটোৰ পৰা সিহঁতি কোনো ৰকমে চুচৰি চুচৰিহে ওলাই আহিলে। কৰিম আৰু ৰূপহী ওলাই আহিয়েই চোতালত হাতীটো দেখি "হাতী! হাতী"! বুলি চিঞৰি চিঞৰি প্ৰমিলাহঁতৰ ঘৰলৈ লৰ মাৰিলে। তেতিয়ালৈকে ববাক ঘৰৰ ভিতৰৰ পৰা ওলাবই পৰা নাছিল। চিঞৰ বাখৰ কৰি মানুহ মাতোতেও হাতীৰ ভয়ত কোনো মানুহ ওলাই অহা নাছিল। পিছত ঘৰ জুই লাগিলে বুলি যেতিয়া ৰূপহীহঁতে চিঞৰি দিছে তেতিয়াহে মানুহ আহিছে। হাতৰ কটাৰীযে হাত কটাৰ দৰেই নিজৰ ভাতৰ চৰুৰ জুইযে নিজৰ ঘৰটো পুৰি শেষ কৰি দিলে।

খলিফাই কিছু আঁতৰি গৈ পনিযল জোপাত আউজি ঘৰটোৰ অৱশিষ্ট অঙঠাবোৰকে চাই চাই বহি আছিল। ৰূপহীয়ে এন্ধাৰৰ ফালে মুখ কৰি কান্দিছিলগৈ। খলিফাই ঘৰ জুই লগাৰ কথা কিবা জানেনেকি সুধিবলৈ গৈ দীঘলাই দেখে খলিফাৰ গাত তেজ। তেজবোৰ দেখি দীঘলাই আচৰিত হৈ তেজ ক'ৰ পৰা ওলালে, ক'ৰবাত দুখ পাইছে নেকি বুলি খলিফাক সুধিলে। খলিফাই দীঘলাক সেহাই সেহাই যিটো বিৱৰণ দিলে, সেই বিৱৰণ শুনি খলিফাক তাৰ পৰা দাঙি নিবলৈ আকবৰহঁতক দীঘলাই চিঞৰি মাতিলে। হাতীয়ে ঘৰ ভাঙোতে ওপৰৰ

চাওত তুলি থোৱা বাকচ এটা খলিফাৰ বুকুত পৰিছিল হেনো। বহুত সময় খলিফা উশাহ ঘুৰাবই পৰা নাছিল। ঘৰৰ ভিতৰত জুই দেখি চুছৰি চুছৰি ঘৰৰ ভিতৰৰ কোনো ৰকমেহে বাহিৰ ওলাই আহিলে। মুখৰ মাত নোলাইছিলে, কাকো মাতিব পৰা নাছিলে। এবাৰ টানকৈ গাৰ জোৰেৰে ৰূপহীক মাতি দিওঁতেই তেজ বমি হ'ল। তাৰ পিছৰ পৰা খলিফাৰ তেজ বমি হৈয়ে আছে। দীঘলাই আকবৰক মাতিলে। আকবৰে সৈতে দাং কোলাকৈ স্কুল ঘৰলৈ আনিলে। বাকচ পত্ৰ, হাঁহ কুকুৰা সকলো বস্তু জুইত জাহ গ'লেই। ৰূপহীৰ তাঁতৰ শালখন ভৰালৰ আগতে চালিখনত আছিলে। তাঁতৰ শালখন তাতে এৰি থৈ মানুহ খিনিক স্কুল ঘৰলৈ ৰাইজে লৈ আহিলে। পিন্ধি থকা কাপোৰৰ বাহিৰে আঘোনমহীয়া জাৰত গাত ল'বলৈ মানুহখিনিৰ কাপোৰ কানি নাই। ৰাইজে ইঘৰ-সিঘৰত খবৰ কৰি য'ৰে যিটো পালে তাকে আনি দিলেহি। নিজৰ ঘৰৰ জ্বলা জুইৰ তাপেৰে লেঙেৰী ৰূপহীৰ অন্তৰবোৰ উত্তপ্ত হৈ আছিল। সিহঁতি তেতিয়া কাপোৰ কানিৰ প্ৰয়োজন বোধকৰা অবস্থাত নাছিলেই। স্কুলৰ লৰা-ছোৱালী বহা কলঠকৰাৰ কথ কেইখনমান জোৰা দি তাতে খলিফাক শুৱাই থৈছে। জুই একুৰা খলিফাৰ ওচৰতে জ্বলাই লৈ লেঙেৰীয়ে খলিফাৰ বুকুত সেক দি থাকিল। দীঘলা, বকুল আৰু বংশী স্কুল ঘৰতে ৰাতি থাকিল। বাকী ৰাইজ মাজনিশা ঘৰাঘৰি গ'লগৈ। জুইৰ সেক দিয়াৰ বাহিৰে সেইনিশা খলিফাৰ চিকিৎসাৰ অন্য একো ব্যৱস্থা কৰিব পৰা নগ'ল।

পিচদিনা দেওবাৰে হাতীয়ে ঘৰ ভঙা, ঘৰ জ্বলা কথাটোলৈ মানুহৰ মাজত এটা আতঙ্কৰ সৃষ্টি হ'ল। চৰকাৰৰ ঘৰৰ মানুহ অহাৰ আগতেও মানুহে হাতীৰ ভয়ত শান্তিৰে শুব পৰা নাছিল, কিন্তু আগনিশাৰ ঘটনাই দিনতে মানুহ ওলাবলৈ ভয় কৰা হ'ল। ফুটুকলানিবোৰৰ মাজৰ পৰাই যেন হাতীটো ওলাই আহিব। তথাপি খলিফাৰ খবৰ কৰিবলৈ অহা ল'ৰা বুঢ়া মানুহেৰে স্কুল ঘৰ ভৰি পৰিল।

আগৰাতি খলিফাৰ লগতে লাগি থাকি ৰাতিপুৱাই বংশীয়ে কাপোৰ কানি সলাই খলিফাৰ চিকিৎসাৰ কিবা ব্যৱস্থা এটা কৰো বুলি ঘৰলৈ আহিছিল।

মণ্ডলা বুঢ়াৰ ঘৰটো চেপেটা হৈ পৰি থকা ভাগেখিনি দূৰৰ পৰাই বংশীযে দেখিলে। ঘৰটোৰ এই অৱস্থা হোৱাৰ কোনো কাৰণ সি লগে লগে ঠাৱৰ কৰিব পৰা নাছিল। বতাহ বৰষুণ নাই। এনেয়ে ভাগি পৰিব লগীয়া অৱস্থাৰ ঘৰো নাছিল। ঘৰটোৰ ওচৰ পাই সি বলোৰাম আৰু ফুলেশ্বৰীৰ কথা ভাবিলে। সিহঁত কলৈ গ'ল? ইফালে সিফালে ঘূৰি হঠাৎ বেৰৰ ফাকেদি মানুহৰ ভৰি দুখন তাৰ চকুত পৰিল। বংশীৰ সৰ্ব্বশৰীৰ আতঙ্কত শিয়ঁৰি উঠিল। ঘৰটো ভাগি এইমাত্ৰ যেন মানুহ দুটাক হেঁছা মাৰি ধৰি আছে। সি প্ৰাণৰ কাতৰেৰে চিঞৰিবলৈ ধৰিলে। কাহিলী পুৱাৰ ঘুমতি ভাঙি জালুকণিৰ মানুহ আহি সেইখিনি পোৱালৈ সি অপেক্ষা কৰি থকাৰ ধৈৰ্য্য নহ'ল। সি ঘৰৰ বেৰ চাল দাঙি ধৰি মানুহ দুটা উলিযাব পাৰেনেকি চেষ্টা কৰি ভাগৰি পৰিছে। ইজন সিজনকৈ গাঁৱৰ মানুহ চাপ খাই আহিল। ঘৰৰ চাল দুখন কাটি আতৰাই বেৰবোৰ দাঙি দিযাৰ পিচত মানুহৰ ডিঙিবোৰ শুকাল।

বলোৰাম আৰু ফুলেশ্বৰী ওচৰা-ওচৰিকৈ পৰি আছে। বলোৰামৰ মূৰটো চেপেটা হ'ল, নাক মুখৰ চিন নাই। গৰ্ভৰ সন্তানটো বাহিৰ ওলাই বিভৎস অৱস্থাত ফুলেশ্বৰী পৰি আছে। সিহঁতৰ গাত হাত দি বংশীযে ৰবফত হাত দিযা যেন অনুভৱ কৰিলে। বহুত সময়ৰ আগতেই সিহঁতি মৰিল। ইতিমধ্যে পিচফালে চপৰানিখনত হাতীৰ খোজ দেখি, হাতীয়ে ঘৰ ভাঙি বলোৰামহঁতক মৰা কথাটো খাটাং বুলি মানুহে কোৱা-কুই কৰিলে।

তেতিযালৈকে দৰঙ্গীচুকত হাতীয়ে খলিফাৰ ঘৰ ভঙা কথাটো জালুকণিৰ বাইজে গম পোৱাই নাছিল। হেলাৰঙে বন্দুকেৰে মানুহ

গুলিয়াই মাৰি অহা বংশীয়ে বলোৰামৰ গাত হাত থৈ উচুপি উচুপি কান্দিলে। মণ্ডলা বুঢ়া ক'লৈ গ'ল ' তাৰ কি অৱস্থা হ'ব ' বস্তুত চিন্তাই বংশীৰ মুখটো হেঁচি ধৰিলে। মণ্ডলা বুঢ়া মাকুমত থকা জীয়েকৰ ঘৰলৈ গ'ল বুলি কোনোবাই কোৱা বংশীৰ কাণত পৰিলেহি। তাৰ সম্বিত ঘূৰি আহিল। মণ্ডলাক আনিবলৈ কাৰোবাক পঠিয়াব লাগিব। সি বলোৰামৰ ওচৰৰ পৰা আঁতৰি আহি জেওৰাখনত ধৰি তন্ময় কৰি চিন্তা কৰি থাকিল। আকবৰৰ ঘৰ ভাঙিলে। বলোৰাম একেবাৰে গুচি গ'ল। হাতীয়ে ৰাইজৰ ধান খাইছে। ফুলেশ্বৰীক লৈ এটা আন্দোলনৰ সৃষ্টি কৰিবলগীয়া আছিল। মাটি দখল লোৱা আন্দোলনটো বন্ধ হৈ গ'ল। গোটেই কথাবোৰে একেলগে বংশীক জুমুৰী দি উদ্ভ্ৰান্ত কৰি তুলিলে। মজদুৰ গাৰ্ৰ হোজা মানুহবোৰ আহিছে, গৈছে। এই অৱস্থাত কি কৰিব লাগিব তাৰ বিষয়ে কোনেও একো কোৱা সি শুনা নাই। ইফালে খলিফাই ৰাতি কেইবৰাৰো তেজ বমি কৰি থকা সি দেখি আহিছে। মৰা শ দুটা এৰি আঁতৰি যাবলৈ তাৰ মন যোৱা নাই। ইফালে হাট-বজাৰলৈ অহা মানুহে বাটৰ দাঁতিতে ভাৰবোৰ থৈ মৰা শ দুটা দেখি চিঃ চাঃ কৰিছেহি। কোনোবা কোনোবা কেইটামানক বকুল আৰু মাষ্টৰক খবৰটো দিবলৈ পঠিয়াই সি সেই ঠাইৰ পৰা আঁতৰি আহি মনটো স্থিৰ কৰিবলৈ বাটৰ দাঁতিত বহিলহি। জনমজয়ক মতাই আনি মংলাক মাতিবলৈ কোনোবা এটাক পঠিয়াবলৈ ক'লে। পুলিচলৈও খবৰ দিব লাগিব। মাষ্টৰহঁত অহাৰ আগতে সেইবোৰ কাম কৰা নহ'বগৈ। সি অপেক্ষা কৰি থাকিল।

বকুল মাষ্টৰহঁত আহি পোৱালৈ ঠাই দোখৰত মানুহ ভিৰ দি বাট পাবলৈ নোহোৱা অৱস্থা। মাষ্টৰ আহি কিছু দূৰৰ পৰা পৰিবেশটো লক্ষ্য কৰিলে। বলোৰামৰ মৰা শটো চাই অন্তৰত দুখ নিদিওঁ বুলি ভাবি মাষ্টৰ মৰাশৰ ওচৰলৈ নগ'ল। বকুলে চকু ঢাকি কান্দি কান্দি বলোৰামৰ ওচৰতে কিছুসময় থাকিল। মাষ্টৰ বংশীৰ ওচৰলৈ অহা দেখি

বকুলো আগবাঢ়ি আহি বংশীৰ ওচৰ পালেহি। মাষ্টৰক বংশীয়ে কথা ক'ব পৰা নাই, শোকে খুন্দা মাৰি ধৰিছে। মাষ্টৰ বিচলিত নহ'ল। ক্ষন্তেক বৈ থাকি মাষ্টৰে বোলে, "কান্দিবলৈ আৰু কিটো আছে বংশী? এইবোৰ সংঘাটৰ মাজেদি যি ধৈৰ্য্য ধৰি কাম কৰি যাব পাৰে, সেইবোৰহে কামৰ মানুহ। মৰা দুটাৰ কাৰণে আমাৰ কৰিবলগীয়া একো নাই। পুলিচত এজাহাৰ এখন বকুলে দিয়কগৈ। এজাহাৰত চহী কৰিব লাগিব মণ্ডলাই। মণ্ডলাক আনিবলৈ মানুহ গৈছে বুলি বংশীয়ে ক'লে। অল্প সময় মাষ্টৰেও কোনো কথা কোৱা নাছিল। খলিফাৰ অৱস্থা বৰ বেযা। খলিফাৰ ওচৰলৈ গৈ তাতে এজাহাৰখন লিখি পঠিযাম বুলি মাষ্টৰে বকুলক লৈ খলিফাৰ ঘৰৰ ফালে গুচি গ'ল। বংশীয়ে ইমান পৰে খলিফাৰ কথা পাহৰি আছিল। মৰা মানুহ দুটাৰ লগত বৈ থাকি খলিফাৰ কাৰণে একো কৰিব নোৱাৰি বংশীৰ অস্থিৰতা আৰু বেছি হ'ল। খবৰটো কেউফালে বিযপি পৰিবলৈ বেছি সময় নালাগিল। খলিফাৰ সেইদৰে এৰি থৈ আকবৰ আৰু ৰূপহী আহি পালেহি। দীঘলাও আহিলে। আকবৰে বলোৰাম আৰু ফুলেশ্বৰীৰ শ দুটা চাই আহি অকলশৰে তলমূৰকৈ বহি থাকিলেগৈ। বংশী আকবৰৰ ওচৰ পালেহি। কাৰো মুখত কোনো কথা নাই। ৰূপহীৰ অৱস্থাটো বংশীযে লক্ষ্য কৰিলে। ৰূপহীয়ে কান্দিছে। অন্য মানুহে ৰূপহীয়ে কন্দাৰ গুৰুত্ব নুবুজিলেও বংশীযে ভালদৰে তাইৰ অন্তৰৰ দুখ হৃদয়ঙ্গম কৰিব পাৰিছিল। বাপেকক সেই অৱস্থাত এৰি থৈ তাই শেষবাৰৰ কাৰণে বলোৰামক চাবলৈ আহিছে। বংশীয়ে ৰূপহীৰ অৱস্থা দেখি তাইৰ ওচৰ পালেগৈ, কিন্তু তাইৰ অন্তৰৰ বেদনা উপশম কৰিব পৰাকৈ তাইক বুজনি দিবলৈ তাৰ মুখত কথা ওলোৱা নাই।

ৰূপহীয়ে বংশীক দেখি "মোৰ কপালত কি লিখা আছিল, বংশী কাইটি" বুলি হুক-হুকাই কান্দি দিলে। "মই আছো, বলোৰামে তোক এৰি থৈ গ'ল যদিও মই তোক নেৰো। তই ঘৰলৈ যা, ববাৰক

সেইটো অবস্থাত এৰি আকবৰ আৰু তই ইয়াত থকাটো ভাল কথা হোৱা নাই।" বংশীয়ে ৰূপহীক কথা কেইটা কৈ হাতত ধৰি আকবৰৰ ওচৰলৈ লৈ গ'ল। ৰূপহী বৈ নাথাকিল। তাই আগবঢ়া দেখি আকবৰো তাইৰ পিছে পিছে ঘৰমুৱা হ'ল। যাওঁতে খলিফাক চাবলৈ আকবৰে ইলিযাছ ডাক্তৰক মাতিছো বুলি বংশীক কৈ সিহঁত গুচি গ'ল। আকবৰ আৰু ৰূপহী যোৱাৰ অলপ পাচতেই জিপ্ গাড়ীখন লৈ কংস আৰু ৰামধাৰী আহি ওলালেহি। তেওঁলোক অহা দেখি বংশীও আগবাঢ়ি আহিছিল। কংসই বলোৰামহঁতৰ মৰা শ দুটা দেখি হুক-হুকাই কান্দি পেলালে। কংসৰ দৰে এজন মহৎ মানুহে কন্দা দেখি ওচৰত থকা বহুত মানুহৰ চকুপানী ওলাল। দিহিঙীয়া বুঢ়াই কংসৰ ওচৰলৈ আহি বুজনি দিলে। ৰুমালেৰে চকুপানী মুছি মুছি থোকা-থুকি মাতেৰে কংসই ক'লে, "বলোৰাম মোৰ সোঁহাত আছিল। বলোৰামক মই মোৰ নিজৰ ল'ৰাৰ দৰে ভাবিছিলো, দিহিঙীয়া।" ৰামধাৰীয়ে মঙলা বুঢ়াক বিচাৰিলে। মাকুমৰ পৰা মঙলাক আনিবলৈ মানুহ গৈছে বুলি বংশীয়ে ক'লে। মঙলাক আনিবলৈ কংসই জীপখন পঠিয়াই তাৰ পিচত পুলিচ আনিবলৈ ড্ৰাইভাৰক হুকুম দি, মঙলাৰ জীয়েকৰ ঘৰ চিনি পোৱা ল'ৰা এটাক জীপত তুলি লৈ কংসহঁত গুচি গ'ল। তেওঁ সেইদিনাৰ ভিতৰতে হাতীটো মৰাৰ ব্যৱস্থা ল'ম বুলি বৈ থকা মানুহখিনিক জীপত উঠি অভয় দান কৰিও গ'ল। হাতীয়ে আৰু মানুহ মাৰিব নোৱাৰে, গাৰঁৰ মানুহৰ মুখলৈ পানী আহিল।

বাহিৰত কোনো জখম হোৱা নেদেখি খলিফা সোনকালে ভাল হৈ যাব বুলি বংশী আনকি আকবৰ লেণ্ডেৰীহঁতেও খুব ভয় কৰা নাছিল। বলোৰামহঁতক গছকি হাতীয়ে মৰাৰ পিচত মাষ্টৰ জালুকনিৰ পৰা ঘুৰি গৈ খলিফাৰ তেজ বমি বন্ধ নোহোৱাত ব্যস্ত হৈ পৰাতহে খলিফাৰ কাৰণে আকবৰহঁতে বেচি চিন্তাত পৰিল। মৈইন আৰু নিযাজ বুঢ়া খলিফাৰ ওচৰতে বহি আছিল। খলিফাৰ তেজ বমি কৰাৰ কাৰণটো

কি হ'ব পাৰে বুলি মৈইনে মাষ্টৰক সুধিলে। মাষ্টৰে বোলে, "গেষ্টিক আলচাৰ ফাটিও তেজ বমি হয়। সেইটো হ'লেও সাংঘাতিক কথা, আৰু বুকুৰ ভিতৰত প্ৰথম হৈ তেজ বমি কৰাটো আৰু বিপদজনক" ইতিমধ্যে দিহিঙ্গিয়া বুঢ়া আৰু ধনেশ্বৰ আহি ওলালেহি। মাষ্টৰে আকবৰক মাতি আনি খলিফাক মেডিকেললৈ নিব লাগিব বুলি ক'লে নিযাজ বুঢ়াই বালি ভাজি টোপোলা এটাৰে খলিফাৰ বুকুত সেক দি আছিল। মাষ্টৰে সেক দিয়াটো বন্ধ কৰিলে। দিহিঙিয়াই মিলন বেজক মাতি আনি জৰা ফুকা কৰিবলৈ ক'লে। ধনেশ্বৰ বুঢ়াই ইলিয়াচ ডাক্তৰক মতাৰ কথা ক'লে। মাষ্টৰে বোলে সেইবোৰ কৰি থাকি সময় নষ্ট কৰিলে পিচত বিপদ হ'বগৈ। মানুহটোৰ ক'ত কি হৈছে ডাক্তৰৰ ওচৰলৈ নি পৰীক্ষা নকৰাকৈ চিকিৎসা নহয়।" আকবৰে মাষ্টৰৰ কথাটোত বেচি গুৰুত্ব দিলে। কিন্তু তাৰ হাতত যে পইচা নাই! সি বোলে, "চাৰ, গৰু এটা কিনিম বুলি পাঁচশ টকা মাইৰ হাতত থৈছিলো। কিন্তু টকা থকা বাকচটোৰেই পুৰি থাকিল। দমৰা গৰুটো আৰু গাই গৰু জনীকে বন্ধকত দিওঁ।"

লেঙেৰীয়ে খলিফাই বমি কৰা দেখি আলোচনা কৰি থকাৰ পৰা খলিফাৰ ওচৰলৈ দৌৰ মাৰিলে। মাষ্টৰৰ হাতটো পইছা নাই, সেইদিনা দেওবাৰ নোহোৱা হলে মাষ্টৰে বেঙ্কৰ পৰা টকা উলিযাই আনি দিলেহি হেতেন। খলিফাৰ কলিজাৰ পৰা ওলোৱা তেজবোৰ দেখি মাষ্টৰৰ বুকুখন ধপ ধপ কৰিলে। এইদৰে যদি ৰাতিও বমি কৰিছে তেন্তে খলিফাক বাচাৰাটো ডাঙৰ কথা হ'ব। আগপিচ চিন্তা নকৰি মাষ্টৰে আকবৰক ধৰ্ম্মেশ্বৰ ড্ৰাইভাৰৰ টেক্সিখনকে বন্দবস্ত কৰি আনিবলৈ কলে। যিমান লয় ধৰ্ম্মেশ্বৰক দিব। গোটেই পইছা খিনি একেলগে নিদিলেও মাষ্টৰে ধৰ্ম্মেশ্বৰক ২/১ দিনলৈ সন্মত কৰিব পাৰিব আকবৰ ধৰ্ম্মেশ্বৰৰ টেক্সি আনিবলৈ গ'ল। মাষ্টৰে দিহিঙ্গীয়াক একাষলৈ মাতি আনি খলিফাৰ অৱস্থাৰ যে খুব বেয়া সেই কথাটো বুজাই কলে আৰু যি পাৰে আৰু তাৰ পৰা পইছা অলপ যোগাৰ কৰি দিবলৈ অনুৰোধ কৰিলে। মাষ্টৰে

২/১ দিনতে পইছা ঘুৰাই দিব, মাত্র এই বিপদটো পাৰ কৰি দিলেই হয়। পইছা বিছাৰি মাষ্টৰ ওলাই গ'ল। দিহিঙীয়াই ৰহেশ্বৰ বুঢাকো কথাটো কৈ পইছা বিছাৰি গ'ল। লেণ্ডেৰীয়ে ৰূপহীক মাতি আনি গকুলনী গদাধৰৰ ঘৰত বন্ধকত থৈ টকা তিনিশ অনাৰ কথা কলে। কৰিমক মিলন বেজক মাতিবলৈ পঠিয়ালে।

ইলিয়াছ ডাক্তৰক লৈ ভূধৰো আহি পালেহি। ভূধৰ বিষ্ণুপুৰ বাগিছাৰ কম্পাউণ্ডাৰহে, কিন্তু দৰঙ্গীচুক, জালুকণিৰ কাৰণে ইলিযাছ ডাক্তৰ। মাতিলেই আহে, দৰব জাতি দি বহুত মানুহক ভালো কৰে। ইলিযাছ ডাক্তৰৰ ওপৰত গাওঁ কিখনৰ মানুহৰ বিশ্বাস আছে ওচৰতে অন্য ডাক্তৰ থকা হলে কথাটো বেলেগ আছিল। কিন্তু ডাক্তৰ আনিব লগীয়া অৱস্থা হলে এই কিখন গাঁৱলৈ ৰাইজে ইলিযাছকে প্ৰথমতে মাতে। ইলিযাছ ডাক্তৰে খলিফাক পৰীক্ষা কৰিলে। লেণ্ডেৰীয়ে বমি কৰা তেজবোৰো ডাক্তৰক দেখুৱালেহি। ইলিয়াছ ডাক্তৰে খলিফাক মেডি-কেললৈ নিয়াৰ পৰামৰ্শহে দিলে। কোনো দৰব জাতি নিদিলে। বহুত খাটনি ধৰাটো ডাক্তৰে খলিফাক বেজি এটাও নিদিলে। ইলিযাছ গললৈগে।

লেণ্ডেৰীৰ উথপ-থপ লাগিল। যোৱা নিশাৰ পৰা খোৱাৰ নামত পানী এটোপাও পেটলৈ যোৱা নাই। প্ৰমিলাৰ মাকে ৰাতি পুৱাই দি থৈ যোৱা পিঠাগুৰিৰ জলপান ঢাকি থোৱাতে আছে। কৰিমেও নাখালে। ইলিয়াছ ডাক্তৰ যোৱাৰ পিচত পৰিবেশটো জটিল হৈ পৰিছে। নিযাজ বুঢাই মৈইনক তেওঁৰ বাকচত থকা টকা দুশ বুঢীক কৈ লৈ আহিবলৈ পঠিয়ালে। মিলন বেজ মংলা বুঢাৰ ঘৰৰ অৱস্থা চাবলৈ গৈছিল। কৰিমে তেওঁক তাতে পালেগৈ। খলিফাৰ খবৰ পায় মিলনে ৰাতৰ দাতিৰ বিহলঙনী একোছা লগত লৈ ওলালহি। আহোঁতে ঘৰত সোমাই বৰ কৰতি পুথিখন লৈ আহিছে।

খলিফাক মেডিকেললৈ নিয়াৰ ব্যৱস্থা কৰিছে বুলি নিযাজ বুঢাই কোৱাত মিলনে বোলে "এইটো অৱস্থাত তাক টনা আজোৰা কৰাতকৈ

যদি ভাগ্যত আছে মোৰ বিহলঙনীয়েই তাক ৰক্ষা কৰিব।

মিলনে হাত মুখ ধুই খলিফাক জাৰিবলৈ বহিল। লেঙেৰীয়ে আমন জিমনকৈ বহি মিলনলৈ চাই থাকিল। "ভাগ্যত আছে যদি বিহলঙ-নীয়েহ তাক ৰক্ষা কৰিব।" হিন্দু শাস্ত্ৰৰ দেৱ দেৱীবোৰৰ নাম লৈ মিলনে মন্ত্ৰ মাতি মাতি খলিফাক জাৰিছে। হিন্দূৰ মন্ত্ৰবোৰে মুছলমান মানুহটোৰ অসুখত কাম দিব জানো? লেঙেৰীৰ মনটো তৎক্ষনাত খেলি-মেলি লাগি গ'ল। ইছ্ নাপায, তন্ত্ৰ মন্ত্ৰবোৰ বিশ্বাসৰ বস্তু। অন্য সময়ত হোৱা হলেও বেলেগ কথা, এতিয়া সেই মন্ত্ৰৰে খলিফাক জাৰিছে তাই অবিশ্বাস কৰিলে মন্ত্ৰই নাফাপিব। মিলনৰ মন্ত্ৰই খলিফাক ভাল কৰিব। লেঙেৰীয়ে সন্দেহৰ ভাবটো মনৰ পৰা আতৰ কৰিবলৈ চেষ্টা কৰিলে।

লেঙেৰীৰ সন্দেহটো আত। হবলৈ নৌ পাওঁতেই খলিফাই আকৌ বমি কৰি দিলে। তেজৰ চিতিকণি বোৰ মিলনৰ গাত আনকি পুথি খনটো পৰিলহি। মিলনৰ গাত চতফটনি উঠিল। চিঃ চাঃ কৰি মিলনে পুথিখন সামৰি আতৰি আহিল। লেঙেৰীৰ সন্দেহৰ ভাবটোৱে মিলনৰ মনটোত উক দিলেহি। হিন্দুৰ পুথিখনেৰে মুছলমান মানুহটো জাৰিবলৈ যোৱাটো মহা অন্যায হ'ল। খলিফাৰ অসুখ ভাল কৰাৰ চিন্তাতকৈ পুথিখনৰ মন্ত্ৰবোৰ অপব্যৱহাৰ কৰা চিন্তাই মিলনকো ব্যতিব্যস্ত কৰি তুলিলে। ৰহেশ্বৰ বুঢাই নিয়াজৰ লগত আলোচনা কৰিলে। টকা পইছাৰ যোগাৰ নহলে টেক্সি গাডী আনিব নোৱাৰে। তাতকৈ ভুযোজন বুঢাই গৈ খাটনি ধৰিলে কংস বেজবৰুৱাই জীপ গাডী খনকে দিব। সময় নষ্ট নকৰি ৰহেশ্বৰ আৰু নিয়াজ বুঢা কংসৰ ঘৰলৈ জীপ গাডী বিচাৰি গ'ল।

প্ৰমিলাৰ মাকৰ খলিফাৰ ওচৰত থৈ লেঙেৰীয়ে খলিফাই বমি কৰা কাপোৰবোৰ আতৰাই থৈ ঠাইখন পানী দি মুছিলে। নিয়াজ বুঢা আৰু ৰহেশ্বৰ কংসৰ ওচৰলৈ যোৱা কথাটো প্ৰমিলাৰ মাকৰ মুখত শুনি খলিফাই অশান্তি অনুভৱ কৰি কলে "মোক মেডিকেললৈ নিবলৈ টকা এগাল

ধাৰ কৰি লৰাটোৰ ডিঙিত মই ধাৰ এসোপা দিব নোৱাৰো, বাইতি। আৰু ৰত্নেশ্বৰ ককাইটিহঁতে কংসৰ জীপ গাড়ি বিছাৰি গৈছে। তাৰ জীপ গাড়ীত উঠি মই মেডিকেললৈ কেতিয়াও নাযাওঁ। নচিবত আছে যদি মেডিকেললৈ নিলেও মোক বচাব নোৱাৰে।”

ভূধৰে টকা এশ যোগাৰ কৰি আনি লেঙেৰীৰ হাতত দিলেহি। টকাশ পাই লেঙেৰীয়ে এহেজাৰ টকা পোৱাৰ দৰে পালে। তাইৰ মুখলৈ পানী আহিল।

দীঘলাইও এশ টকা দিলেহি। টকাৰ যোগাৰ হ'ব। গৰুজনী যদি গদাধৰে বন্ধকত ৰাখে তেতিয়া হাতত থকা তুশ টকাৰে পাচশ হবগৈ। টকাৰ যোগাৰ হৈছেই। আকবৰে টেক্সি গাড়ীখন পালেই হয়। লেঙেৰীৰ মনটোত আশাৰ বেঙুণি উঠিল। মাষ্টৰে নিজে গৈছে যেতিয়া তেওঁও কিছুটকা আনিবই। গদাধৰে টকা তিনিশ খোজাৰ লগে লগে ৰূপহীৰ হাতত দি পঠিয়ালে। খাৰতী গৰুজনী, তাতে গাৰ্ভৱতী গৰু। গদাধৰে গৰু গধূলিকৈ নিব। দিহিঙীয়াও কিছু টকা দিলেহি। টকাৰ যোগাৰ হ'ল। এতিয়া আকবৰে টেক্সি গাড়ীখন আনিলেই খলিফা ভাল হ'ব। দিহিঙীয়া ভূধৰকে আদি কৰি সকলোৱে টেক্সি অহালৈ উচপিচাই থাকিল। মাষ্টৰো ঘূৰি আহিল। লেঙেৰীয়ে মাষ্টৰৰ হাতত টকাখিনি দি টকাৰ যোগাৰ হবগৈনে বুলি প্ৰশ্ন কৰিলে। মাষ্টৰে বোলে “টকাৰ সমস্যা সমাধান হৈছে। কিন্তু টেক্সিখন আনিলেও ঘৰলৈকে আনিব নোৱাৰে। বালিবাটেদি টেক্সি আনিলে বোকাত লাগি ধৰিব। খলিফাক দাংকোলাকৈ কাৰোবাৰ ঘৰৰ মৈ এখন আনি তাতে তুলি ৰাষ্টালৈ নিব লাগে। মাষ্টৰে দিহিঙীয়াক কথাটো কলেহি।

দিহিঙীয়াই বোলে “লৰাবোৰ জালুকণিৰ মৰা শ কেইটাৰ ওচৰত আছেগৈ। খলিফাকনো কান্ধত তুলি ৰাষ্টালৈ নিযে কোনে? মিলনৰ মনটো আগৰে পৰা খলিফাক জৰা-ফুকা কথাটোৰ কাৰণে বেযা হৈ আছিল। মিলনে বোলে, “এটা কথা নহয় মাষ্টৰ, মুছলমান মানুহটোক কান্ধত লবলৈ

মুছলমান লৰা কেইটামান যোগাৰ কৰা, হিন্দু মানুহে মুছলমানক কান্ধত লোৱা কথাটো ভাল কথা নহব।" মিলনৰ কথা শুনি মাষ্টৰৰ বৰ খং উঠিল। তেওঁ বোলে, "মানুহৰ বিপদ হলে ধৰ্ম্ম কৰ্ম্মৰ কথা পাহৰি কাম কৰিব লাগে। পইছা পাতি গোটাই আনিছে হিন্দু মানুহেই। তদুপৰি মৰা মানুহক কান্ধত লোৱাটোৰহে ধৰ্ম্মীয় বাধা থাকিব পাৰে। মানুহটোক বচোৱাটোহে ডাঙৰ ধৰ্ম্ম বুলি ভবা উচিত আছিল। আকবৰ আহক। সি মই দুটা মানুহ হলো আৰু দুটা মানুহ মই বিচাৰি আনিম।" কথাখিনি কৈ মাষ্টৰ আকৌ ওলাই গ'ল।

ইফালে কথা-বতৰাবোৰ শুনি খলিফাই সেহাই সেহাই কলে, "মই ভকতৰ কান্ধত উঠি কেতিয়াও নাযাও। মোৰ গুণাহ হব। টেক্সি গাড়ী আনিলেও মই মেডিকেললৈ নাযাওঁ, দিহিঙীয়া কৰাইদেউ। সিহঁতক কৈ দিয়া গাড়ী ঘোৰা একো আনিব নালাগে।" মানুহখিনিয়ে দোধোৰ মোধোৰত পৰি থাকোতেই কংসই জীপ গাড়ীলৈ খলিফাৰ নঙলা মুখত ৰাখিলেহি। জীপ গাড়ীৰ পৰা ৰহেশ্বৰ আৰু নিযাজ বুঢ়া লগতে মনবৰো নামি আহিল। ৰামধাৰীও আহিছে। কংস অহা দেখি দিহিঙিয়াৰ চিন্তা দূৰ হল। জীপ গাড়ীত খলিফাক বাটলৈ উলিযাই নিব পৰা হব। মনবৰ আগতিযাকৈ আহি বোলে "দিহিঙীয়া কৰাইটি, বেজবৰুৱাই খলিফাক তেওঁৰ গাড়ীৰে মেডিকেললৈ লৈ যাবলৈ আহিছে। কংসক দেখি ৰূপহী ভিতৰ সোমাই গ'ল। কংস স্কুল ঘৰৰ ভিতৰ সোমাই খলিফাৰ ওচৰ পাই কোনো কথা সুধিবলৈ নৌ পাওঁতেই খলিফাই মনবৰক সম্বোধন কৰি বোলে, "মই মেডিকেললৈ নাযাও। মই মৰা হাঁহক ঢাৰি পাৰি হগুৱাব নালাগে, তোমালোক যোৱাহঁক, মোক শান্তিৰে থাকিবলৈ দিয়া।" ইতিমধ্যে স্কুলঘৰৰ ভিতৰলৈ দিহিঙীয়া, ৰহেশ্বৰ, নিযাজবুঢ়া, সকলো সোমাই খলিফাৰ ওচৰত বৈ আছিল।

মনবৰে ধমক দিয়াৰ দৰেই খলিফাক কলে, "তই নাযাওঁ নথওঁ কৰিছ কেলেই? তেখেত বেজবৰুৱাই খবৰটো শুনিয়েই তোৰ ওচৰলৈ

দৌৰি আহিছে।” দিহিঙীয়াই বোলে “তেখেতে জালুকনিৰ খবৰ কৰিবলৈ গৈ মংলাক অনাইছে। থানাত খবৰ দিয়াইছে। তাৰ পিচত তোৰ খবৰটো পাই জীপ গাড়ী লৈ এইখিনি পাইছেহি।” কংসই কোনো কথা সোধা নাছিল। বোধহয় ৰহেশ্বৰ আৰু নিযাজ বুঢ়াৰ মুখত সকলো খবৰ পাইছিল। তেওঁ মাথো কলে “আপোনালোকে চকুক শুধি চাউল বহাবনেকি? তাৰ কথামতে কাম নহ’ব। তাক বাহিৰলৈ লৈ আহক।” কথাখিনি কৈ কংস স্কুল ঘৰৰ পৰা ওলাই আহি ৰামধাৰীৰ ওচৰত ৰ’লহি। মনবৰহঁতে খলিফাক জোৰ কৰিও আনিব নোৱাৰিলে। খলিফা নাযায়।

কংসই খণ্ডত উগ্রমূর্ত্তি ধৰি দিহিঙীয়াহঁতলৈ চাই বোলে, “তাৰ কথামতে কাম নহ’ব। সি মৰিব খুজিলেই তাক মই এই অৱস্থাত এৰিথৈ নাযাওঁ। মোৰ চকুৰ আগতে বিনা চিকিৎসাত সি মৰিলে মোক মানুহে কি বুলিব? তাক দাঙি লৈ আনি জীপত তুলি দিয়কহি।” ভূধৰ আৰু মনবৰে খলিফাক দুই বাউসীত ধৰি স্কুল ঘৰৰ আগৰ ঘাঁহনি পোৱালেহি। খলিফাই নাযাওঁ, নাযাওঁ, কৰি ঘাঁহনিতে বহি দিলে।

ৰূপহী ওলাই আহি মাত মাতিলে, “ববাই আপোনাৰ গাড়ীত নাযাওঁ বুলি কৈছে যেতিয়া ইমান জোৰ জুলুম কিয় কৰিছে? আকবৰকাই টেক্সি গাড়ী আনিবলৈ গৈছে। সেইখন গাড়ীতে ববাক পঠিয়াম, আপোনালোক যাওকগৈ।” মনবৰে বোলে,— ধৰ্ম্মেশ্বৰৰ মটৰ গাড়ীৰে দুমাইল বাট যাব নোৱাৰে ঐ। আৰু সেইখন গাড়ীৰে গলেও বেমাৰী মেডিকেল নাপাইগৈ, বাটতে একলেখিযা হ’ব। লেঙেৰীয়ে মুখেৰে একোকে কোৱা নাই। মনবৰে কোৱা কথাটোও সঁচা। তদুপৰি বাটলৈ মানুহটোক উলিয়াই নিবলৈও মানুহ নাই। সকলো কথা ভাবি চিন্তি নিযাজ বুঢ়াক কংসৰ গাড়ীত খলিফাক তুলি দিবলৈ মনে মনে কলে। দিহিঙীয়াই পইছা-পাতি যোগাৰ কৰি থোৱাৰ কথা ক’লত কংসই বোলে,— মোক সেইবোৰ কথা নালাগে। মানুহ এটাক মেডিকেলত চিকিৎসা কৰাওঁতে লাখ টকা নালাগে নহয়। লাগিলেও মই খৰচ কৰিম। তাক মোৰ

গাড়ীত তুলি দিয়া। শেষত কংসৰ সহানুভূতি উপেক্ষা কৰিব নোৱাৰি ভূধৰ মনহৰৰ লগতে দিহিঙীয়াইও খলিফাক তুলি আনি জীপত উঠাই দিবলৈ চেষ্টা কৰিলে

খলিফাই বোলে,— তোমালোকে মোক জীয়াই থাকিবলৈ নিদিয়া নেকি? মোৰ চকুৰ আগৰ পৰা তই আঁতৰি যা। খলিফাই কথা কেইটা কৈ ফোপাবলৈ ধৰিলে। অলপ সময় বৈ ফোপনিটো কমিলত খলিফা নিজে থিয় হ'ল। খলিফাৰ চকু দুটাইদি যেন জুইহে ওলাই আহিব। "তই যা, তোৰ গাড়ীত উঠি মই জীয়াই থাকিবলৈ নিবিচাৰো" কংসই কি কৰো কি নকৰো কৈ বৈ আছিল। খলিফাই গাৰ বলেৰে মাত উলিয়াই চিঞৰিলে, "তই এটা ফেটি সাপ। তই মোক খোট মাৰি মাৰিবলৈ আহিছ! তই মোৰ আগৰ পৰা আঁতৰি যা।" খলিফা দুখোজ মান আগুৱাই গৈ বহি পৰিলে। খলিফাই ফোপাই-ফোপাই কৈযে থাকিল, "তোক, তোক, মোৰ দেহত শক্তি থকা হলে মই মোহাৰি মাৰি পেলালো হেতেন!" কথা কেইটা সেহাই সেহাই কৈ খলিফাই খাবলৈ পানী বিচাৰিলে। স্কুল ঘৰৰ ভিতৰৰ পৰা পানী আনি লেঙেৰীয়ে খলিফাক খুৱাবলৈ সময় নহ'ল। হোলোকা হোলোকে কেচা তেজ বমি কৰি, গাৰ কাপোৰ, আনকি লেঙেৰীৰ গাৰ কাপোৰে-কানিয়ে ৰঙা কৰি পেলালে। লেঙেৰীয়ে খলিফাক নিজ গাতে আওঁজাই ধৰি আছিল। ৰূপহীয়ে খঙত চিঞৰি দিলে "তহঁতে ববাক মাৰি পেলাবলৈ আহিছ নেকি? যা, যা, তহঁতি ইযাৰ পৰা আঁতৰি যা।" উপায়ন্তৰ হৈ কংস আৰু ৰামধাৰীয়ে বাটৰফালে খোজ ল'লে। খলিফাই অৱশ হৈ লেঙেৰীৰ গাতে আউজী পানী পানীকৈ চিঞৰিলে। নিযাজ বুঢাই চকু মুখত পানী সানি দিলে। ৰূপহীয়ে পানী খুৱাই দিলেহি। খলিফাই অস্পষ্টকৈ কিবা-কিবিবোৰ কৈ আছিল। "আকবৰ, মোৰ মাটি ডোখৰ তাক এৰি নিদিবি" বুলি কৈ তিনিবাৰ খোদাৰ নাম কাঢি খলিফা লেঙেৰীৰ কোলাতে ঢলি পৰিল। চকু দুটা মুদ খাই যোৱাত দিহিঙীয়াই বুকুত হাত দি চালেগৈ।

সকলো শেষ। কথা পাতি থকা মানুহটো হঠাৎ নিৰ্ব্বাক নিস্পন্দ হৈ পৰাত ৰহেশ্বৰ দিহিঙ্গীয়াহঁত হতভম্ব হৈ ৰৈ থাকিল। মৰিব বুলি নিশ্চিত হৈ থকা মানুহ এটাৰ মৃত্যুতো আত্মীয় স্বজনে কান্দে। তেনেস্থলত অস্বাভাৱিক ভাবে খলিফাক হাততে হেৰুৱাৰ অভাবনীয় পৰিবেশটো চম্ভালিবলৈ টান হৈ পৰিছে।

গৰু গাড়ী আনিলোঁ বুলি নওলা মুখৰ পৰাই আকবৰে চিঞৰি আহিছিল। স্কুল ঘৰৰ ভিতৰত খলিফাক মাকে আউজাই ধৰি থকা দেখি বাপেকৰ গাত ধৰি আকবৰে কেইবাবাৰো মাতিলে। খলিফাৰ কিবা এটা হোৱাটো বিশ্বাস কৰিবলৈ টান লাগিছিল যদিও আকবৰে খলিফাৰ স্পন্দন হীন দেহাটোত হাতেৰে ধৰি জঠৰ হৈ ৰ'ল। মাষ্টৰো মৈইনক লগত লৈ আহি পালেহি। মৈইনে নিযাজ বুঢাৰ বাকচৰ টকা ছয় কুৰি লৈ আহিছিল। সেণ্ডেৰীয়ে খলিফাৰ মুখখন নিজৰ গাৰ চাদৰেৰে ঢাকি দিলে। মাষ্টৰ অহাৰ লগে লগে বিপদৰ সৰ্চা বন্ধু মাষ্টৰৰ গাত ধৰি ৰূপহীয়ে কান্দি কান্দি কলে "কংস ৰাক্ষসটোৱে বাবাক খাই পেলালে, চাৰ। 'আকবৰ মোৰ মাটি এৰি নিদিবি' বুলি চিঞঁৰি চিঞঁৰি বাবা গুচি গল।" ৰূপহীৰ কথাবোৰ বুজিব নোৱাৰি মাষ্টৰে অবাক হৈ তাইৰ মুখলৈ চাই আছিল। কংস অহা কথাটো আকবৰ বা মাষ্টৰে তেতিয়ালৈকে জনা নাছিল। দীঘলাই মাষ্টৰক অলপ আগতে সৃষ্টি হোৱা পৰিস্থিতিটো চমুকৈ বৰ্ণনা কৰিলে।

দীঘলাৰ মুখত অভাৱনীয় ভাবে ঘটা ঘটনাটোৰ কথা শুনি মাষ্টৰৰ কংসৰ ওপৰত খং উঠি সৰ্ব্ব শৰীৰ কঁপি উঠিল। খলিফাৰ গাৰ কাপোৰৰ আৰু কোৱাৰিযেদি বৈ থকা তেজবোৰ দেখি আকবৰৰ ভিতৰৰ সিংহটোৱে যেন হাও-হাওকৈ গুজৰী জপিযাইছে। তাৰ গাত ৰণি নোহোৱা হ'ল। তাৰ চকুৰ আগত এখন নৃশংস অত্যাচাৰৰ ছবি যেন কোনোবাই দাঙি ধৰিছেহি। সেইদিনা কোঠাৰ ভিতৰত সুমুৱাই জখম কৰা খলিফাৰ যেন এইখনেই ৰক্তাক্ত দেহৰ ছবিখন। ক্ৰোধৰ উতলা আবেগে পিতৃ

বিযোগৰ শোক গছকি ধৰিলে। এবাৰ 'স আহি মাষ্টৰৰ ওচৰ পালেহি। "চাৰ! তাক মই কি কৰিম"? মাষ্টৰে কি কব একো ঠিক কৰিব নোৱাৰি বোলে, "দোষ তাৰ নহয় আকবৰ, আমাৰহে। আমি কৰবাত সুৰঙা ৰাখি কাম কৰিছিলো।" মাষ্টৰৰ কথাবোৰ যেন মুখৰ পৰা নোলায়। তেনেদৰেই আকৌ কলে "বহুত চেষ্টা কৰি টকা পইচা, আনকি টেক্সি পৰ্য্যন্ত আনিও শত্ৰুৰ কবলৰ পৰা তেওঁক ৰক্ষা কৰিব নোৱাৰিলো। নমৰিব লগীয়া মানুহটো যেন মোৰ ভুলৰ বাবেই মৰি থাকিল। কৰবাত যেন ভুল কৰিলো।" নিজৰ প্ৰশ্নৰ উত্তৰ নিজে বিচাৰি মাষ্টৰে ক্ষন্তেক মনে মনে থাকি শেষত দীঘল হুমুনিয়াহ এটা পেলাই নিজকে কোৱাৰ দৰে আকৌ কলে,—"নৰক যান্ত্ৰণাৰ পৰা ৰাইজক মুক্ত কৰিবলৈ আমাৰ এই প্ৰস্তুতিটোত তোমাক আমাৰ মাজত লাগিছিল, খলিফা। এখন হস্পিটেল পাতিবলৈ চেষ্টা কৰোতেই তুমি গুচি গ'লাগৈ। খলিফাৰ মৃত দেহ আগত ৰাখি প্ৰতিজ্ঞা কৰ, আকবৰ - চিকিৎসাৰ অভাৱত আকৌ মানুহ মৰিবলৈ নিদিওঁ।" প্ৰত্যুত্তৰ হিচাবে আকবৰে উচুপি উচুপি কান্দিলেহে। মাষ্টৰ আতৰি গৈ ঘাঁহনিত জুপুকা মাৰি বহি থাকিল।

খলিফাক কবৰ স্থানলৈ নিবলৈ মৈইন আৰু নিযাজ বুঢাই ধৰ্ম্মীয় নীতি নিয়ম অনুসৰি বস্তু যোগাৰ কৰাত ব্যস্ত হৈ পৰিছে। জানৰ মুখৰ মুছলমান মানুহ কেইঘৰলৈও খবৰ পঠিয়ালে। লীলা আৰু ললিতাক খবৰ দি ৰমেশ্বৰ বুঢা বাহিৰে বাহিৰে ঘৰলৈ যাবগৈ। বলোৰামহঁতৰ মৰাশ চাবলৈ কৰিম ৰূপহীৰ লগতেই গৈছিল যদিও সি ঘূৰি অহা নাছিল। কৰিমক তাৰ বাবাক মৰাৰ খবৰ দিবলৈ ভূধৰ গৈ পাওঁতে কৰিমে হিয়ালি জিযালিকৈ কান্দিছিল। কৰিমৰ হৰ লগা ভিনিটি বলোৰামক পুলিচৰ গাড়ীত তুলি ডিব্ৰুগড়লৈ লৈ যোৱাৰ আৰু বাবাক মৰাৰ শোক লগ লাগি সি ৰাউচি জুৰি কান্দি কান্দি দৌৰি আহিছিল। কাপোৰেৰে ঢাকি থোৱা খলিফাৰ মৃত দেহটোত ধৰি সি কান্দিযেই থাকিল। তাৰ দৰেই ৰহিম, দূৰ্গা, ভবেনহঁতে মাথোন কান্দিবলৈকে পৃথিবীলৈ আহিছে।

লীলা আৰু ললিতা আহি পোৱাৰ পিছত খলিফাৰ মৃতদেহ কবৰ দিবলৈ নিয়া হ'ল। শৱ দেহৰ লগত মাষ্টৰ আৰু দীঘলা তুয়ো গৈছিল য'দণ্ড শৱদেহৰ কবৰ স্থানত থৈ তেওঁলোকে ঘূৰি স্কুল ঘৰলৈকে আহিল। ভূধৰ, মিলন আৰু দিহিঙীয়া তেতিয়ালৈকে ৰূপহীহঁতৰ ওচৰতে বহি আছিল। স্কুল ঘৰটোৰ অৱস্থা খেলি মেলি হৈ থকাৰ কাৰণে ললিতা আৰু ৰূপহীয়ে কিবা-কিবি কৰি ফুৰিছে। কৰিম মাযেকৰ ওচৰতে বহি আছিল। ৰূপহীৰ মুখটোৱে স্থিৰতা হেৰুৱাই পেলাইছে, তাই বলো ৰামকে মন প্ৰাণ সঁপি দিছিল। সি হেৰাই গ'ল, আৰু সেই মুহূৰ্ত্ততে একমাত্ৰ আশ্ৰয়ৰ স্থল বাপেকটোও সপোন দেখাৰ দৰেই চকুৰ আগৰ পৰা হঠাৎ নোহোৱা হ'ল। লেঙেৰীৰ মুখটোও তেতিয়া মাথোন এটা কথাই পাক ঘূৰণি খাই ফুৰিছে "তাইৰ নিজৰ ককাযেকটোৱেই খলিফাৰ মৰণৰ একমাত্ৰ কাৰণ। মাষ্টৰ, বংশী, আৰু আকৰে কংস তাইৰ শত্ৰু বুলি বাৰে বাৰে কোৱা স্বত্বেও তাই সেইটো কথা মানি লবলৈ টান পাইছিল। তাই যেন আজিহে স্পষ্ট ভাবে বুজিছে ককাই ভাই, আত্মীয় কুটুম্বৰ বিচাৰ ধন সম্পত্তিৰেহে কৰা হয়। মাষ্টৰে লেঙেৰীক বুজনি দিছিল। মিলনেও এষাৰ কথা যোগেদি লেঙেৰীহঁতক সান্ত্বনা দিব খুজি বোলে "জয় কালত ভয় নাই, মৃত্যু কালত ঔষধ নাই। যমে নিও বুলিলে কোনেও ৰাখিব নোৱাৰে।"

মাষ্টৰে মিলনৰ কথাষাৰৰ প্ৰতিবাদ লগে লগেই কৰিব খুজিছিল। নকৰিলে। যুক্তিহীন কথা কিছুমান কৈ কৈঁচুৱা লৰাক ফুচুলুৱাৰ দৰে এনে ধৰণৰ কথাৰে হজুৱা মানুহ খিনিক বহু যুগৰ পৰাই ঠগি অহা হৈছে। সময়মতে খলিফাক মেডিকেললৈ নিব পৰা হলে যমে কেতিয়াও নিব নোৱাৰে। মৃত্যু কালত ঔষধ নাই যদি ডাক্তৰ বিলাকে চিকিৎসা কিয় কৰিব লাগে? খলিফাক টেক্সিত তুলিবলৈ লৈ যাবলৈ কওঁতেই দীঘলাহঁতে হাতে-পাতে ধৰা হেতেন কংসই খলিফাৰ খং তুলিবলৈ সুবিধা নাপালেহেঁতেন। সেই অৱস্থাত খং উঠি তেজ বমি নকৰাহলে খলিফাক

যমে নিব নোৱাৰিলেহেঁতেন। মাষ্টৰে কথাটো ভাবি নিজৰ ভিতৰতে গুজৰি গুমৰি থাকোতেই দিহিঙ্গীয়াইও অদৃষ্টৰ কথা লৈ কিবা-কিবি কৈ আছিল। মাষ্টৰে কথাবোৰ শুনা নাই। নুশুনে। সেই সময়ৰ উপযোগী কথা অন্য নাযো, তথাপি চিন্তাৰ গতি সম্ভৱৰ কাৰণে দীঘলাই বোলে, "বুজিছা ভূধৰ ভিনিহি, কালি ৰাতি ফৰেষ্টাৰ কেইটাই ৰিৰ্জাভৰ ফালে বন্দুক ফুটুৱাই নিদিয়া হলে হাতী গাৱঁলৈ নাহিলেহেঁতেন।

"ৰক্ষকেই ভক্ষক হ'লে।" ভূধৰে হুমুনিয়াহ এটা পেলাই বোলে "তিনিটা মানুহ ললে যেতিয়া হাতী নিজে নিজে আঁতৰি যাবগৈ।" দিহিঙ্গীয়াই বোলে "প্রভু ঈশ্বৰৰ কথাষাৰি খাটিলে বুলিছো। গাঁৱত সচাঁকৈয়ে অপায়-অমঙ্গল হৈছে। সেইদিনা ই দীঘলাও জানো মৰাৰ পৰা বচা নাই?" মিলনে বোলে — "সেইবোৰ যি হৈছে হৈছে, আজি দেওবাৰ কাৰণে যেনিবা স্কুল ঘৰটোতে সিহতক ৰখা হ'ল, কালিলৈ ইহঁতক ইয়াৰ পৰা ক'ৰবালৈ আতৰাই নিনিলে স্কুল ক'ত বহিব? এতিয়া সেইটো কথাহে চিন্তা কৰাহঁক। মই ভাবোতে সম্প্ৰহতে হাতলৈ যি কেইটা পইচা আহিছে সেই কেইটাৰে খেৰ বাঁহ কিনি ৰাইজে হাতে-পাতে ধৰি ঘৰ একোঠা কালিলৈকে সাজি দিয়াই ভাল কথা হব। কি কৰ, দীঘলা?"

মাষ্টৰে মিলনৰ কথাত আপত্তি তুলিলে। "চিকিৎসা কৰিবলৈ বিচাৰি অনা পইচাখিনি খৰচ কৰা হলে ঘৰটো কেনেকৈ সাজিলেহেঁতেন? মানুহজন গলেই। বস্তু বাহানি কিনাৰে পৰা আকৰবৰক এতিয়া যথেষ্ট পইচাৰ দৰ্কাৰ হব।" ৰাইজে বাৰীৰ বাঁহ খেৰ দি ঘৰ এটা সাজি এই বিপদত আকৰবৰক সহায় কৰিবলৈ তেওঁ পৰামৰ্শ দিলে। পিছদিনা সোমবাৰে অন্ততঃ থাকিব পৰাকৈ এটা কোঠালী ৰাইজে সাজি দিবলৈ সিদ্ধান্ত কৰিলে।

সেই দিনা সোমবাৰ। বংশী বকুলইতে মৰাশ ছুটা পষ্ট মৰ্টেম কৰিবলৈ নিয়াৰ পৰা কবৰ দিয়ালৈকে দেওবাৰে ৰাতিলৈকে লাগি থাকিব

লগাযা হোৱাৰ কাৰণে সোমবাৰেহে আকবৰৰ ঘৰলৈ আহিবলৈ সময় কৰিব পাৰিলে। সেই দিনা ৰাতিপুৱাৰে পৰা গাৱঁৰ ৰাইজ আকবৰৰ ঘৰ সজা কামত লাগি আছে। ঘৰপোৰা ভেটিটোতে ৰাইজে বাঁহ খেৰ গোটাই একোঠা ঘৰ সাজি উলিযালে। কিন্তু সোমবাৰে ৰূপহীইতক স্কুলৰ পৰা নতুন ঘৰটোলৈ আনিব পৰাকৈ ঘৰটোও সম্পৰ্ণকৈ হৈ নুঠিল। বিশেষকৈ লাগতিযাল বস্তু বাহানিৰ ব্যবস্থা নকৰাকৈ সিহঁতক ঘৰটোত সুমুৱাই দিলেইতো নহব। তদুপৰি মংলা বুঢাৰ ঘৰটো সজাত বাঁহ খেৰ আৰু ৰাইজক খাটি দিবলৈকো হেনো জালুকনিৰ বাইজে খাটনি ধৰিছেহি। সেযে সন্ধিযালৈ স্কুল ঘৰতে সকলো গোট পিট খাই কথাবোৰৰ মীমাংসা কৰিবলৈ চাপি কুচি আহিছে। দেওবাৰে ৰাতি হাতীটো অহা নাই। হাতী হযতো নাহিব। ৰাইজে এটা প্ৰধান চিন্তাৰ পৰা হাত সাৰিছে। হঠাৎ হাতীটো ওলাব পাৰে, তেনে এটা সন্ত্ৰাস ভাব মনৰ পৰা সম্পূৰ্ণ ৰূপে যোৱা নাই যদিও সামাজিক বাধ্যবাধকতাও পৰি ইজন সিজনকৈ মানুহ গোট খালেহি। সেইদিনা কাম কৰা মানুহ খিনিক ৰেহাই দিযাৰ কাৰণে আলোচনা কৰা হ'ল মঙ্গলবাৰে কোন কোন মানুহ আহিব তাৰো তালিকা এখন কৰা হ'ল। কাপোৰ কানি, বাচন-বৰ্তনকে আদি কৰি বস্তুবোৰ কেনেকৈ যোগাৰ কৰা হয সেইটো প্ৰশ্নলৈ ৰাইজৰ মাজত আলোচনা চলি থাকোতেই মংলা বুঢাই হাতত দা এখন লৈ উগ্ৰ মূৰ্তি ধৰি "বকুল কাহাঁ, বকুল কাঁহা গেলেক"? বুলি বকুলক বিচাৰিলে। মংলাই মদ খাই আহিছে। পুতেক মৰা শোক পাতলাবৰ কাৰণে কোনোবাই মদ খুৱাইছিল। আকবৰ আগবাঢি বকুলক কিয বিচাৰিছে মংলাক সুধিলেহি। মংলাই বোলে ,"হামি বকুলকেৰ কাচা খুন খাব।" বকুলে বগাৰ পৰা উঠি আহি মংলাক শান্ত কৰিব খুজিছিল। বকুলক দেখা মাত্ৰকে মংলাই দাখন দাঙি কাটিবলৈ চোচা লৈছিল। আকবৰে মংলাৰ হাতৰ পৰা দাখন কাঢি ললে। মংলাক আকবৰে ধৰি ৰাখিব পৰা নাই। সি বলো-ৰামৰ বদলা লবই।

অশ্লীল গালি-শপনি পাৰি মংলাই কিবা-কিবি কৈ থকা দেখি দিহিঙীয়াৰ অসহ্য হ'ল। তেওঁ মংলাক ধমক দি বোলে—"মই আগত থাকোঁতেই তই দিহিঙীয়া যুকনৰ লৰাক কাটিবলৈ আহ? তোৰ দেখোন বৰ সাহ? তোৰ পুতেৰক মাৰিবলৈ বকুলে হাতীটো পঠিয়াই দিছিলে নেকি?" মংলাই বোলে—তুই এতনা বৰ ঘৰকেৰ মানুষ লাগিতো, তোৰ বেটা বলোৰামকে দফে দফে কাহে বলাইকে আনিৰহে? হামাৰ বেটা কংস বাবুৰ ঘৰে ৰহে। তাকে ফুছুলাইকে বকুললে আনকে নাই মৰালেক তো হামাৰ বেতাকে কোন মৰালেক? মংলাই কথাবোৰ কণ্ঠতে খণ্ডত কঁপিছিল। সকলো আশা ভৰষাৰ স্থল একমাত্র পুতেকৰ মৃত্যুৰ শোকত মংলা বিহ্বল হৈ পৰিল। মংলাক কোনে প্রতিপাল কৰিব। কাৰ আশ্রয়ত থাকিব! কোনে ভৰণ পোষণ দিব ইত্যাদি কথাবোৰ কৈ মংলাই কান্দিবলৈ আৰম্ভ কৰি দিলে। কংসৰ ওচৰত বিচাৰ দিম বুলি মংলাই আকৌ দপ্-দপনি মাৰিলে। কথা কৈ কৈ পুনৰ কন্দা আৰম্ভ কৰি, "বলোৰাম বেতাৰে, হামাকে তুই কাহে একলাই চাৰকে চলি গেলিৰে" বুলি বিননি আৰম্ভ কৰি দিলে। বংশী তলমূৰ কৰি বহি আছিল। মংলাই হিয়া ভুকুৱাই কন্দা দেখি সি বব নোৱাৰিলে। উঠি আহি মংলাক বোলে "বলোৰামৰ মৃত্যুৰ কাৰণ বকুল নহয় নানা! বলোৰামক মইহে বধ কৰিলো। কালি তুমি ঘৰত নাছিলা। সেই কাৰণে তাক ফুলেশ্বৰীৰ লগত থাকিবলৈ মই মাতি পঠিয়াইছিলো। মিলত কাম কৰি তাৰ গাৰ বিষ হৈছে বুলি সি মোক কৈছিল। তাৰ গাৰ বিষ গুচাবলৈ মদ খাবলৈ সি মোক পইচা খুজিছিল। মই মদ কিনিবলৈ পইচা দিছিলো। সিহঁত দুয়োটাই মদ খাই বেহুচ হৈ আছিল কাৰণে চাগৈ হাতী অহা গমকে নাপালে।

বংশীয়ে নিৰ্ভীক ভাবে সঁচা কথা কৈ অন্তৰৰ দোষৰ বোজা পাতলাবলৈ চেষ্টা কৰিছিল যদিও বিপৰীতে মৰা মানুহ কেইটাৰ কাৰণে সমষ্ট দোষটো নিজৰ গাত লোৱাৰ পৰা বংশীৰ ভয়ঙ্কৰ বিপদ আহিব

বুলি ভূধৰে বংশীক জকজকাই উঠিল। "তই কিবা সিহঁতি মৰক বুলি মদ খাবলৈ পইচা দিছিলি নেকি? তাকে যে তোৰ দোষত মৰিলে বুলি কৈছ? তাহঁতৰ মৰণ সেইদৰে লিখি থোৱা আছিল। ভৱিৰ দোল ডাল ডিঙিত খোৰোচা লগাই লৈ তই নিজে মৰিবলৈ ওলাইছ।" ভূধৰে কথা বোৰ ধমক দিয়াৰ সুৰত বংশীক কৈছিল।

মিলনেও মাত লগালে বোলে—"এইটো পাগল হ'ল হবলা। হেৰ, বলোৰামে তোক পইচাহে খুজিছিল, তই মদ কিনি আনি সিহঁতক দিয়াগৈ নাই নহয়। এইবাৰকে দহবাৰ কৈ কোনোবাই লগাই দিয়কগৈ। পুলিচে তোক সুদায় নেৰে। সেইটো কথা ভাবি চিন্তিও কথা ক'ব নাজান?"

মংলাই মদৰ নিচাত "বেটাৰে, বেটাৰে" বুলি আতাহ পাৰি বহি আছিল। বংশীয়ে মংলাৰ হাত দুখনত ধৰি বোলে "মই তোৰ বেটা। আজিৰ পৰা মই তোক পোহ পাল দিম, নানা। মাত্র তই এবাৰ মোক বেটা বুলি মাত, নানা।" বংশীয়ে কাকুতি মিনতিৰে কোৱা কথাত মংলাৰ অন্তৰ কোমল হৈছিল। হঠাৎ সি বংশীক সাৱটি ধৰিলেগৈ। খণ্ডত উগ্রমূর্ত্তি ধৰি বকুলক কাটিবলৈ অহা মানুহটোৰ সফলতাখিনি দেখি বকুলৰো চকুপানী ওলাই আহিছিল। সেই মুহূৰ্ত্ততে জগন্নাথে হাতত টৰ্চ্‌লাইট এটা লৈ ওলালেহি। জগন্নাথে আহি পায়ে বোলে— হেৰা বংশী, তোমাক, আকবৰক, আৰু মংলা বুঢাক পঞ্চায়ত অফিচৰ পৰা টকা আনিবলৈ মাতিছে। পইচা লৈ বেজবৰুৱা আৰু ৰামধাৰীৰ লৈতে গৰ্ভণমেণ্টৰ অফিচাৰ এজন বহি আছে। পইচা আহিছে বুলি শুনি ৰাইজৰ অন্তৰত আনন্দৰ ভাব এটা হৈছিল যদিও দিহিঙীয়াই কিহৰ পইচা আহিছে বুলি জগন্নাথক সুধিলে।

জগন্নাথে বোলে,— মই সিমানখিনি কথা ভালকৈ নাজানো যদিও ঘৰ ভঙা, মানুহ মৰাৰ সাহায্য হিচাবে চাৰি পাঁচ হাজাৰকৈ

পইচা তেওঁলোকে পাব বুলি শুনিছিলো। বেজবৰুৱা চাব আৰু ৰামখাৰীয়ে সেইটো কামৰ কাৰণে আজি দিনটো খাটিছিলেগৈ। পইচাৰ নাম শুনি মংলাৰ গাত তৎ নাইকিয়া হৈছিল। সি বোলে—"চল ভাই, পইচা নাই মিলিলে হাঁমি ভোকে মৰি যাব। হামাৰ কৈ নাইখে। তুই হামাৰ বাখৰাটা দিয়া কৰাবি চল।" মংলাই জগন্নাথক তৎ নিদিয়া হ'ল। তাক পইচা লাগে। ৰাইজলৈ চাই মংলাই বোলে— কংস বাবু মানুষ নাই লাগে। দেৱতা দেৱতা লাগে। এটনা দয়া ধৰমী মানুষটাকে তোৰা হিংসা কৰতে ৰহি ? চালাবে এখন তোৰাকে কোন পইচা নিকলাই দিলেক ? তোৰা গেলে যাবি, নাই গেলে নাই যাবি। হামি পইচা আনেক চললি। বাটে-পথে হাতী ওলাব পাৰে বুলি বংশীয়ে মংলাক ভয় খুৱাইও ৰাখিব নোৱাৰিলে। পইচাৰ কাৰণে প্ৰাণৰ মমতা পিচ পেলাই থৈ মংলা বুঢ়াই দা-খন লৈ ওলাই গুচি গ'ল। কিবা এটা সন্দেহ কৰি মাষ্টৰে বহি থকা মানুহ কিজনক চাই বোলে,— বৰ আচৰিত কথা হৈছে দেখোন, ৰাইজসকল! পইচা অহা কথা শুনি মোৰ এনেকুৱাহে লাগিছে যেন দেশত ৰামৰাজ্য আৰম্ভ হৈয়ে গ'ল। বছৰ বছৰ দিন ধৰি অনুনয়-বিনয় কৰিও ৰাইজে ক্ষতি পূৰণ পোৱা নাই। তেনে অৱস্থাত বেজবৰুৱাহঁতে এদিনতে ইমান সোনকালে সাহায্য আদায় কৰি অনাটো কিন্তু কম ডাঙৰ কথা হোৱা নাই। হাতীয়ে মানুহ মাৰিব, ঘৰ ভাঙিব বুলি চৰকাৰে আগতেই গম পায় ক্ষতি পুৰণ সাজু কৰি থৈছিল নেকি ?

বহি থকা মানুহখিনিয়ে মাষ্টৰৰ কথাৰ পাক বুজিব পৰা নাছিল। মাষ্টৰে বংশী, আকবৰ আৰু বকুলক আঁতৰাই মাতি লৈ গৈ কিবাএটা আলোচনা কৰিছিলগৈ। কংসৰ ক্ষমতাৰ ওপৰত ৰাইজৰ অগাধ বিশ্বাস। সেই বিশ্বাসৰ বলতে কংসহঁতে ক্ষতিপূৰণ এদিনত উলিয়াই অনাটোও একো অসম্ভৱ নহয় বুলি আলোচনা কৰি আছিল। দীঘলা, কনিধৰ মাষ্টৰে আকবৰহঁতৰ লগত কৰা আলোচনা শুনিছিলগৈ। কপাহীয়ে

স্কুলঘৰৰ ভিতৰৰ পৰা বহি বহি কথা বতৰাবোৰ শুনিছিলে। হঠাৎ তাই যেন কিবা এটা বিচাৰি পালে। তাই ওলাই আহি বোলে— আকবৰকা, তহঁতি যাব নোৱাৰ। পইচাই দিয়ক বা যিয়েই নিদিয়ক, এই ৰীতি তহঁতি যাব নোৱাৰ। বংশী কাইটি, এইটোৰ কথাত একো বিশ্বাস নাই।"

সেণ্ডেৰীয়ে বোলে "তই ঠিকেই কৈছ। কি জানি গুণ্ডা আনি সিহঁতক মাৰিবলৈকে মাতিছে। তাৰনো কি ঠিকনা আছে।" সেণ্ডৰীয়েও বংশীহঁতক যাবলৈ বাধা কৰিলেহি। মাষ্টৰৰ লগত কথা পাতি থকাৰ পৰা বংশীয়ে চোচা মাৰি আহি জগন্নাথৰ হাত দুখনত ধৰি বোলে "এই, তই সচাঁ কথা ক, মোক কেলেই মাতিছহি? মোৰ ঘৰো ভঙা নাই, মই মৰাও নাই। মোৰ কাৰণে কিহৰ পইচা আহিছে ক?" আকবৰে বোলে "ইমান ৰাতি তই অকলৈ কেনেকৈ আহিলি? হাতী ওলাই মানুহ মাৰিছে তই জান, জানি শুনিও তই অকলৈ আহিবলৈ কেতিয়াও সাহ কৰা নাই। সচাঁ কথা ক, আমাক কেলেই মাতিছে?"

জগন্নাথে বোলে "মই চাকৰি কৰিছো। হুকুম দিছে। মালিকৰ হুকুম মই ৰাখিবই লাগিব। কিহৰ পইচা আহিছে মই একো নাজানো। তোমালোকক মাতিবলৈ পঠিয়াইছে মই আহিছো।" ভূধৰে বোলে "ইহঁতি কিন্তু কথাটো ঠিক ধৰিছে। হেৰ, সন্ধিয়াতে দুৱাৰ ঘৰ মাৰি হাতীৰ ভয়ত মানুহ সোমাই আছে। তেওঁনো এই ৰাতিখন অকলশৰে আহিবলৈ ভয় নকৰিলিনে?" কেইবা জনেও জগন্নাথক কাৰ লগত আহিলা বুলি সুধিছিল। জগন্নাথে অকলে আহিলো বুলি কোৱা মাত্রে আকবৰে পূর্ণ-হতীয়া চৰ এটা জগন্নাথৰ গালত বহুৱাই দি বোলে "সচাঁ কথা কলে ক, নকলে তোক কংসৰ বদলি মই বলি দিম এতিয়া।" ৰূপহী আগবাঢ়ি আহি বোলে "এৰি নিদিবি, বংশী কাইটি। তাক সৈ কঢ়া। সিদিনা ববাক ফুচুলাই মাতি নি সিয়েই শাস্তি দিছিল। তাৰ কথাৰ একো ঠিকনা নাই। তাক সৈ কঢ়া।" আকবৰে আকৌ ভালকৈ গোজৰনি এটা দিলে।

বকুলে থিয়ৈ থিয়ৈ কেইটামান গোৰ লগাই দিওঁতে জগন্নাথে উপায় নাপাই সৈ কাটি দিলে। তাৰ লগত মনবৰ হাজৰিকাও আহিছে। সেও বকুল তলত বহি আছে। "মানুহ বোৰৰ কি হ'ল? ভয় সংশয় বস্তুটো ইহঁতৰ একেবাৰেই নাই নেকি অ' ভূধৰ?" ৰহেশ্বৰ বুঢাই প্ৰকৃততে মনবৰক হাতীয়ে মাৰিব বুলি সৰল ভাবতহে কথাটো কৈছিল। কিন্তু আকবৰে বোলে "তুইটা দাপাল লগ থাই আহি এটাক তাত থৈ আহিল কিয়? ইয়াৰ ভিতৰত কিবা ডাঙৰ ৰহস্য সোমাই আছে, ৰৰপিতাই।"

ৰহেশ্বৰ বুঢাই বোলে "ৰহস্য আৰু কিদাল থাকিব? ডকাইতি দল লগ লাগি তাতে ৰৈ আছে হবলা। এহাতে পইচা দিব আৰু বাটত ৰৈ থাকি ইহঁতকে পইচাখিনি কাটি লৈ লব। তাৰ বাহিৰে আৰু কি ৰহস্যটো আছে।" ৰূপহীয়ে পঘা এদাল আনি দি বংশীক কলে, "বংশী কাইটি, তাক বান্ধ, নহলে হাতৰ পৰা এৰাই লৰ মাৰিব। সেই জহনিত মৰাটোক বেগেতে ধৰি আনগৈ, নহলে সিহঁতি কি ফান্দত পেলাবলৈ বুদ্ধি কৰিছে কব নোবাৰি।" বংশী আৰু আকবৰে জগন্নাথৰ হাত দুখন পিছলৈ কৰি স্কুলৰ খুটাত বান্ধি থ'লে।

মাষ্টৰে ইমান সময় একো নোকোৱাকৈ কথাটো চিন্তা কৰি আছিল। মাষ্টৰে মনবৰকো ধৰি আনিবলৈ দীঘলাহঁতক কলে। ফনিধৰ, দীঘলা, ভূধৰ, সোনধৰ, বংশী, আকবৰ, বকুল আটাই কেইটা বেগা বেগিকৈ মনবৰক ধৰি আনিবলৈ ওলাই গ'ল। দিহিঙ্গীয়াই বহুত ধৰণেৰে সুধিও জগন্নাথৰ পৰা একো কথাকে উলিয়াব পৰা নাই। জগন্নাথে মুখেৰে নামাতি তলমুৰ কৰি কান্দি থকা দেখি ৰূপহীয়ে বোলে "তই কান্দি ৰণত জিকিবলৈ চেষ্টা নকৰিবি। তোক আমি ভালকৈ চিনি পালো। এই কুকুৰ, সচাঁ কথা ক, আকবৰ কা হঁতক মাৰপিত কৰিবলৈ বুদ্ধি কৰি তই অহাটো হয়নে নহয়?

মিলনে বোলে, "জানো পায, কিবা সাঁথৰ সাঁথৰ যেনহে লাগিছে ঐ। কথাটো তাহঁতিও ঠিকেই ধৰিছে। পইচা পাতি দিয়ে

যদি দিনে পোহৰে দিয়া হ'লেও হ'লহেঁতেন দেখোন” দিহিঙীয়াই বোলে, “তেওঁলোকে জীপ গাড়ীখন লৈ আহি পইচাখিনি ইয়াতে দি যোৱা হ'লেনো কি হ'লহেঁতেন?” মাষ্টৰে বোলে— আচল কথাটো মনবৰ আহিলেহে ওলাব। সজে সজে এওঁ কৈ দিয়া হ'লেই ভাল আছিল। ল'ৰাকেইটা আহি মাৰকিল কৰে বুলিহে মোৰ ভয় লাগি আছে। ৰূপহীয়ে আকৌ ক'লে— সিহঁতি আজি পগলা হৈ আছে। ইয়াৰ গাব মণ্ডহ আকবৰ কা হঁতে আজি বখলা বখলে একুৰাবহি।” কথা বতবা হৈ থাকোতেই আকবৰ আৰু বংশীয়ে দুয়ো হাত পিছলৈ ধৰি মনবৰক লৈ আহি পালেহি। দীঘলাই বোলে— মনবৰ ককায়ে মাত নামাতে। বকুল জোপাৰ তলত ভূত বহাদি তেওঁ বহি থকাৰ পৰা ধৰি লৈ আহিছো। এতিয়া তোমালোকেহে যদি মুখৰ মাত উলিয়াব পাৰা, বেজ মোমাই।

বংশীয়ে বোলে— এতিয়া আই বোপাই মই একো নামানো। ভালে ভালে আচল কথাটো কৈ নিদিলে এতিয়া মোৰ হাত চলি যাব। ৰহেশ্বৰ বুঢ়া আৰু দিহিঙীয়াই বহুত চেষ্টা কৰিও মনবৰৰ মুখৰ এষাৰ মাত উলিয়াব নোৱাৰিলে। মনবৰে বহাতে যি তলমূৰ কৰিলে, তাৰ পিছত মূৰ নদঙা হ'ল। মাষ্টৰে বোলে “বেজ ককাইদেৱে বিহলঙনীৰে কোব কেইটামান দিলেহে যদি তেওঁৰ গাৰ ভূতটো আতৰি যায়। অ'পুনি তেওঁক পৰীক্ষা কৰি চাওঁকচোন।” মাষ্টৰে তামাছা কৰি কোৱা কথা মিলনে সুবুজিলে। সচাঁকৈয়ে কিবা ভূতে-চুতে মনবৰক লম্ভিছে বুলি পৰীক্ষা কৰিবলৈ মিলন আগবাঢ়ি গৈছিলেই। ‘চাওঁ তুমি গুছা, তাৰ গাৰ ভূতটো মই বাহিৰ কৰিম” বুলি মনবৰক দীঘল চুলিকোছাত বংশীয়ে খামোছ মাৰি ধৰি ঘটালি ঘটালি “সৈ কাঢ সৈ কাঢ” বুলি খাওঁ খাওঁ মূৰ্ত্তি ধৰিলে। ‘কংসই আমাক কেলেই মাতিছে ক,” বুলি এটা থিয় গোৰ লগাই দিলে। মিলন, ভূধৰহঁতে মনবৰক গুৰিওৱাৰ কাৰণে বংশীক দপ্‌দপাই উঠিছিল। আকবৰে বোলে— মই তেওঁৰ গাত হাত লগোৱাগৈ নাই, সহ্য কৰি আছো। কিন্তু তেওঁ সজে সজে কথা নক'লে, মই ঘটনা কৰি দিম, কৈ দিছো।

অৱস্থা বেয়ালৈ যোৱাৰ কাৰণে মাষ্টৰে বুদ্ধি এটা কৰি বোলে "আপুনি বাৰু অনাহকত ল'ৰাৰ হাতৰ মাৰখন খাইছে কেলৈ ? জগন্নাথে আমাক সকলো কথা ক'লেই, আপোনাৰ কথাৰ সৈতে জগন্নাথে কোৱাৰ কথাবোৰৰ মিল হয়নে নহয় সেইটো জানিবৰ কাৰণেহে সিহঁতি আপোনাক সুধিছে। ইমানতে সঁচা কথা কৈ দিয়ক, নহ'লে আমি সিহঁতক বাধা দি ৰাখিব নোৱাৰো" দিহিঙীয়াই বোলে – "হেৰ' তোক মৰা গোৰ কেইটা মোৰ নিজৰ ককালতে পৰা যেন লাগিছে পায় মনবৰ। আমি চকুৰে এইবোৰ কাণ্ড চাই থাকিব নোৱাৰো, কি কৰ ? পেটৰ কথা খুলি ক'লে ক নহ'লে আমি ইমানতে যাওঁগৈ। হাতীৰ ভয়ত গধূলি গাঁৱৰ মানুহ ঘৰৰ বাহিৰলৈ ওলাব পৰা নাই। তেনেস্থলত তইনো বকুল তলত অকলে কেনেকৈ বহি আছিলি ?" ভূধৰে বোলে "অসতীৰ সঙ্গে সতী নষ্ট যায় বুলিছে। তুমি যদি কোনোবা অসতৰ সঙ্গত পৰি সিহঁতক দিব খোজা পইচাখিনি কাটি ল'বলৈ বাটত খাপ দি আছিলা তাকে কৈ দিয়া। সঁচা কথা কৈ ৰাইজক ক্ষমা খুজিলে হাজাৰ দোষ মাফ হয়।" কথাৰে কসকলাই থকা মানুহটো পানীত পৰা মেকুৰীৰ দৰে জুপুকা মাৰি বহি থকাত ক্রমে সকলোৰে সন্দেহ বেচি হৈ গৈছে। ৰহেশ্বৰ বুঢাই ইমান সময় তলকা মাৰি কথাবোৰ শুনিহে আছিল।

বংশীয়ে যে মনবৰক সুদাই নেৰিব সেইটো কথা মনবৰক বংশীয়ে পিঠিত গুৰিয়াই দিওঁতেই উমান পাইছে। কিন্তু আকৌৰে মনবৰৰ গাত হাত উঠালে কথা অতি গুৰুতৰ হ'ব। সেইটো হ'ব লাগিলে হিন্দু মুছলমানৰ গণ্ডগোল আৰম্ভ হোৱাৰ আশংকা কৰি বুঢাই মাত দিলে, "হয়নে ঐ মনাই, তই সমাজৰ কামত আগৰণুৱা মানুহটোৱে ৰাইজক এই বোৰ কি লীলা দেখুৱাইছ ? ইমানখিনি মানুহে বাৰে বাৰে সোধোতেও তই, নেবা বুলিলে চাবি চাপৰ যোৱা, টিখৰ মানুহটোৱে মুখেৰে মাত এবাৰ নামাত ? নিবোকা চামোন হৈ তই আমাক ভৰিবে গচকিছ ?"

ৰত্নেশ্বৰ বুঢ়াৰ ক্ৰমে খুব খং উঠি গ'ল। বহাৰ পৰা উঠি বোলে— ফুকলীয়া ল'ৰাকেইটাই আমাৰ আগতে তোক ভৰিৰে গুৰিয়াইছে তথাপি তোৰ পেটৰ কথাখিনি খুলি নকৰ? তই ধেমালী পাইছনেকি? নে ভাওনাত দেখুৱাৰ দৰে আমাক কিবা চং দেখুৱাইছ। মই হ'লে যাওঁ পায়, মিলন! এনেকুৱা মানুহক হাড়ে-মূৰে গুৰি কৰি মাৰিলেও পাপ নহয়। মই আহিলোঁ। ৰত্নেশ্বৰ বুঢ়া যাবলৈ ওলোৱাত মনবৰে মুখ মেলিলে। "মোমাই, সিহঁতৰ মাৰত মোৰ মূৰৰ পোকবোৰ ওলাই যদি লোওক বুলি মই নমতাকৈ আছো। মোৰ পাপৰ প্ৰায়চিত সিহঁতেহে কৰিব পাৰিব। মই ৰাইজৰ তেজ খাইছিলো। সেই মজদুৰ ল'ৰা ছোৱালী হালক মৰা আৰু খলিফাক বধ কৰাৰ কথা মই নাজানিছিলো। হাতীয়ে ধান লোকচান কৰাৰ কথাবোৰ মই জানিও ৰাইজক কোৱা নাছিলো। বংশী আৰু আকবৰক হাতীয়ে গছকাই মাৰিবলৈ তেওঁলোক এতিয়া তাত বহি আছে কাৰণে মই সিহঁত দুটাক বাটৰ পৰা ঘূৰাই পঠিয়াম বুলি বকুলজোপাৰ তলত বহি আছিলো।" মনবৰে কথাখিনি সেহাই সেহাই কৈ আকৌ তললৈ মূৰকৈ বৈ থাকিল।

বংশীহঁত আনকি মাষ্টৰেও মনবৰৰ কথাৰ অৰ্থটো ভালকৈ বুজিব পৰা নাই। ইজনে সিজনৰ মুখলৈ চাই থাকোতেই দীঘলাই বোলে— ৰাইজে বুজি নোপোৱাকৈ সেইবোৰ কি বকিছা? বলোৰামহঁতক হাতীয়ে মৰা কথাটো তুমি নাজানো বুলি কৈছা? তুমি দেখোন নিজে মৰা মানুহ দুটা চাইছিলাগৈ? কেলেই খলিফাক মেডিকেললৈ নিবলৈ দেখোন তুমিয়েই কংসৰ জীপ গাড়ীখন লৈ আহিছিলা? আকৌ বোলে হাতীয়ে ধান খোৱা কথাটোহে জানা। আকৌ বোলে হাতীয়ে গছকাই আকবৰ-হঁতক মাৰিবলৈ কংসহঁত বৈ আছে। সেইবোৰ কি লাগ-বান্ধ নোহোৱা কথা কৈছা" ভূধৰে মনবৰলৈ পোন্দাৰাকৈ চাই কলে।

মিলনে বোলে—তাক মাৰকিল কৰি লাভ নাই ঐ ল'ৰাহঁত। মই চাওঁতে ইয়াৰ মূৰৰ কিবা গোলমাল হে হৈছে। হেৰ', বকুল তলত

দিনতে মানুহ থিয় হৈ বৈ নাথাকে, তেনেস্থলত এই ৰাতিখন চাচোন? কিহবাই নাপালে সি বকুল তলত কেতিযাও বহিবগৈ নোৱাৰে। হেৰ' সি কি বকিছে শুনছোন, বোলে- হাতীয়ে গছকাই তহঁতক মাৰিবলৈ বৈ আছে। হেৰ' বনৰীয়া হাতীয়ে গছকাই মানুহ মাৰিব কেনেকৈ?"

মনবৰক ভূত-পিশাচে লম্বিছে বুলি মিলনে ইঙ্গিত দিয়াত ৰহেশ্বৰকে আদি কৰি তাত থকা বুঢ়া কেইজনৰ দৃঢ় বিশ্বাস হ'ল-মনবৰক ভূতে পালে। তেওঁলোকে আনকি আকবৰেও মনবৰক বিশেষ সন্দেহৰ চকুৰে চাবলৈ লাগিল। মাষ্টৰ বংশী আৰু বকুলে মিলনৰ সন্দেহত গুৰুত্ব দিয়া নাছিল। বংশীয়ে মনবৰৰ কথাবোৰত যেন কিবা বুজিছিল। ৰূপহীয়ে কোৱাৰ দৰেই আকবৰ আৰু তাক মাৰপিত কৰিবলৈ পইচা দিয়াৰ আশা দেখুৱাই সিহঁত দুটাই মাতি নিব খুজিছিল। হাতীয়ে গছকাই সিহঁত-হালক মাৰিব। মনবৰে কথাবোৰ এইদৰে অসংলগ্ন ভাবে কিয় কৈছে? ভয়ত? তাক খুব পিটিব লাগিব। সি ভাও ধৰিছে। কথাবোৰ ভাবি ভাবি সি মনবৰৰ ওচৰলৈ আকৌ আগবাঢ়ি গৈ বোলে "তই কিন্তু মোৰ পিছত বৰকৈ লাগিছ। তোৰ গাত ভূত পিশাচবোৰ ক'ত আছে তোৰ কলিজাটো উলিয়াই মই ফালি চিৰি এতিয়াই উলিয়াই চাম।" লগে লগে বংশীয়ে মনবৰৰ ডিঙিত দুই হাতেৰে টেপা দি ধৰিলে। মনবৰে ধৰফৰাবলৈ ধৰিছিল। বকুল, মাষ্টৰ আৰু দীঘলাই বংশীক কোনো ৰকম আঁতৰাই আনিলে।

বংশী আঁতৰি আহি আকৌ কলে "তোক মই এতিয়াও কৈছো তই সচাঁ কথা ক'লে ক, নহলে মই তোক মাৰি পেলাম। তোক আজি মই ৰাইজৰ আগত কাটিম"। বংশীৰ গোজৰনিত মনবৰৰ মুখৰ মাত ওলাল। মনবৰে সেহাই সেহাই বোলে "মই পাগল হোৱা নাই, ৰাইজ। মই সচাঁ কথা কৈ দিছো। বংশী আৰু আকবৰক গছকাই মাৰিবলৈ হাতীটো শিমলু গছত বান্ধি থৈছে। বনৰীয়া হাতী ওলোৱা নাই। ৰাম-ধাৰীয়ে অৰুনাচলৰ পৰা ঘৰচীয়া হাতী এটা আনি ৰাইজৰ ধান খুৱাইছে।

সেই হাতীটোকে তাত বান্ধি থৈছে।” ঘৰচীয়া হাতীৰে ধান খুৱাইছিল আৰু সেই হাতীটোৰেই বংশী আৰু আকবৰক গচকাই মাৰিব বুলি মনবৰে কোৱাৰ লগে লগে তাত থকা প্ৰতিজন মানুহৰ বুকুৰে একোটা জোকাৰণি অনুভৱ কৰিলে। প্ৰতিজন মানুহৰ চকুত আশ্চৰ্য্য আৰু সন্ত্ৰাস ভাৱ প্ৰকাশ পালে। কাৰো মুখৰ পৰা এটা শব্দও ওলোৱা নাই।

মনবৰে আকৌ কবলৈ আৰম্ভ কৰিলে “মই সচাঁ কথা কৈছো ৰাইজ! ৰাতিৰ আন্ধাৰত হাতীৰ ওপৰত ধানৰ গোছাৰ দৰে দেখাটো মাউটহে, ধান নহয়”। কংসই কৈছিলে—কুকুৰবোৰে আধি খন্দুৱা মাটিৰ ধান নিদিওঁ বুলি কৈছে, কওক। মই শক্তি প্ৰযোগ নকৰো। কৌশল কৰিম যি কৌশল কোনেও গমেই নাপাব। এবছৰহে নালাগে দহ বছৰলৈ ধান নাপালেও আমাৰ একো নহয় কিন্তু এবছৰ ধান নাপালে ভীক্ষাৰীবোৰে পেটৰ ভোকত বন্দীযা হৈ আমাৰ ভৰিত ধৰিবহি লাগিব। আৰু বংশী আকবৰ এই প্ৰধান শত্ৰু দুটাক একেপাট অস্ত্ৰেৰেই শেষ কৰি পেলাম। মনবৰৰ মুখৰ কথাবোৰ আকবৰ আৰু বংশীয়ে শুনিব পৰা নাই। সিহঁতৰ গা-বোৰত যেন বৰলে কামুৰিছে। আকবৰে যেন মনবৰৰ মুখ খন টেপা মাৰি ধৰি মাত বন্ধ কৰি দিব। সিহঁতি চতফটাই আছিল।

আকবৰে কিবা এটা ক'বলৈ ধৰোতেই দীঘলাই বোলে—এই মনে মনে থাকচোন আকবৰ! কথাবোৰ শুনি লওঁ। মনবৰে লাহে লাহে কৈ আছিল। “খলিফাক মৰাৰ উদ্দেশ্য হেনো কংসৰ নাছিল। খলিফাক বিপদত পেলাবৰ কাৰণেহে হেনো হাতীৰে ঘৰ ভঙাইছিল। ফৰেষ্টাৰৰ লগত মিলৰ পৰা মানুহ পঠিওবাৰ আচল কাৰণ হেনো অইন। তেনে কৰিলে মানুহবোৰ ঘৰে ঘৰে শুই পৰিবগৈ আৰু বংশী গৈ ঘৰত শুই থাকোতেই কংস, ৰামধাৰীক কলংক দিয়া ফুলেশ্বৰীৰে সৈতে দুইটাকে একেলগে হাতীয়ে শেষ কৰি পেলাব। বলোৰামক ভুলতেহে মাৰি পেলালে। বংশীক হাতীয়ে মাৰিব নোৱাৰিলে বোলে—এতিয়া

ত্বয়োটাকে বান্ধিলৈ হাতীৰে গছকাই মাৰিবলৈ তেওঁলোক ছুজন তাত বৈ আছে।

কংসৰ ষড়যন্ত্ৰটো কোৱাৰ পিছত মনবৰে নিজৰ কথাখিনি ক'বলৈ আৰম্ভ কৰিলে, "মানুহ মাৰিবলৈ পাংপতা কথাটো মই নাজানো। খলিফাৰ অৱস্থাটো দেখি মই ৰ'ব নোৱাৰিলো তাক দেখা মাত্ৰকে মই গৈ কংসৰ হাতে ভৰিয়ে ধৰি জীপ গাড়ীখন আনিছিলোগৈ। বলোৰাম আৰু ফুলেশ্বৰীক হাতীয়ে গচকাই মৰা আৰু খলিফাৰ ঘৰ ভঙা, আনকি এতিয়া সেইত ছুটাক হাতীয়ে গচকাই মাৰিবলৈ যিবোৰ কথা কংস আৰু ৰামধাৰীয়ে পাতিছিল সেইবোৰ মই বাহিৰৰ পৰা আজি দিনতে শুনিছিলো। তেওঁলোকে সেইবোৰ আলোচনা মোক লুকুৱাই কৰিছিল। মানুহবোৰক প্ৰাণে মৰা ফান্দপতাৰ কথা শুনি মোৰ পেটতে হাত ভৰি লুকাইছিল, দিহিঙীয়া কাইটি' মই কি কৰো, কি নকৰোকৈ তোমালোকৰ ওচৰলৈ কথাবোৰ কবৰ কাৰণে আহিব খোজোতে এওঁ জগন্নাথে মোক লগত লৈ আনিলেগৈ। মই তেওঁৰ লগত আহিলো। আহিলো যদিও আকবৰ আৰু বংশীক বাটৰ পৰা ঘূৰাই পঠিয়াবৰ কাৰণে বকুল তলত বৈ থাকিলো।" কথাবোৰ কৈ মনবৰে কান্দিবলৈ ধৰিলে। তাৰ পিছত বোলে—মোৰ চকু ছুটা সিহঁতি প্ৰথমতে কণা কৰি দিয়ক। বঙহৰ মঙহ খোৱা এই মহাপাপ মই কৰা নাই যদিও সেই দোষৰ মই সমান ভাগী। মই দীঘল দি পৰিছো, ৰাইজ' মোৰ ডিঙিটো আগবঢ়াই দিছো, এই নৰকীক ৰাইজে যি ইচ্ছা তাকে কৰক।" মনবৰে হাও হাও কৈ কান্দিবলৈ আৰম্ভ কৰিলে। আকবৰে মনবৰৰ মুখতে থিয়ৈ থিয়ে প্ৰকাণ্ড গোৰ এটা মাৰি দিলেগৈ। মনবৰৰ কান্দোন বন্ধ হ'ল যদিও লৰা দাঁত এটা সৰি মুখেদি তেজ ওলাবলৈ আৰম্ভ কৰিলে। আকবৰে মনবৰক গোৰ মৰা কথাটো অন্য সময়ত হোৱা হলে বেলেগ ৰূপ ললেহেঁতেন। কিন্তু সেই মুহূৰ্ত্তত কোনেও তাৰ প্ৰতিবাদ নকৰিলে। মনবৰৰ কথা কাণৰ জোখাৰে গোৰ মৰাটো যেন একো শাস্তিয়েই হোৱা নাই। মনবৰৰ কথাবোৰ মানুহ-

বিলাকে বিশ্বাসত লবলৈ টান পাইছে। ই যোৱা ঘটনাবোৰৰ লগত কথাবোৰৰ যে কোনো অমিল হোৱা নাই।

মহেশ্বৰ বুঢ়াই দীঘল হুমুনিয়াহ এটা পেলাই বোলে— হে কৃষ্ণ দয়াশীল দেৱ! এইবোৰাৰ আমাক কি দেখুৱাইছা? কি শুনাইছা? দেশ ৰসাতললৈ যাবৰ হ'ল হ'ক ঐ! হেৰ' টকী বাইস্কোপত দেখুওৱাৰ দৰে এইবোৰচোন তেজ মঙহৰ মানুহেই কৰিছে - ওলাওঁতে সোমাওঁতে সদায় দেখা মানুহ দুটাই বাৰু ইমান ডাঙৰ ঘটনা কৰিব পাযনে? মোৰ হলে কথা ক'বলৈ মনেই যোৱা নাই। বুকুখনচোন কিবা উজান ভাটি কৰিছে পায়।" মহেশ্বৰে তলমূৰ কৰিলে। বহিথকা মানুহবোৰৰো একেই অৱস্থা। সকলো বজ্রপাত পৰা মানুহৰ দৰে জঠৰ হ'ল।

সেই নীৰৱতা ভঙ্গ কৰি মাষ্টৰে ডাঙৰ ডাঙৰকৈ বোলে—ৰাইজসকল, এইজনে ৰাইজক ভৰিৰ ধুলিৰ দৰে ভাবি কংসৰ তলগোণত ওলমি গঞা গিযাতিৰ বিৰুদ্ধে এই ষড়যন্ত্ৰবোৰ কৰিছিলগৈ। অথচ সেইটো বিশ্বাসী মানুহকো লুকুৱাই সিহঁতে নিৰীহ মানুহ কেইটাক হত্যা কৰিলে। এটা নহয়, তিনটা মানুহৰ মৃত্যু দণ্ড দিয়াৰ পিচতো আৰু দুটা মানুহক হত্যা কৰিবলৈ আশা পালি সিহঁত বহি আছে এতিয়াও। সিহঁত নৰখাদক। এজন দুজনৰ নহয - দুখীয়া ৰাইজৰ এটা বছৰৰ কষ্টেৰে কৰা খেতিৰ ধান গাঁৱৰ এনেকুৱা মানুহৰে সহায় লৈ হাতী মেলি ধ্বংস কৰিলে। আৰু চাওক, এই ষড়যন্ত্ৰবোৰ সিহঁতে ইমান পৰিকল্পিত আৰু গোপনভাবে কৰিছিল যে আনকি আমিও কোনো ৰকমেই সন্দেহ কৰিবলৈ থল ৰখা নাছিল। সেইবোৰ মানুহকে আপোনালোকে মূৰৰ ওপৰত তুলি লৈ থাকে, যি খলিফাৰ ঘৰো ভঙাই দিনত আৰু খলিফাক মেডিকেললৈ নি চিকিৎসাও কৰাব খোজে। এতিয়া আপোনালোকে কওক, নিৰপৰাধী এই তিনিটা মানুহক বধ কৰা আৰু ৰাইজৰ ইমান অনিষ্ট কৰা নৰ-পিশাচ কেইটাক আপোনালোকে কিবা শাস্তি দিব পাৰিবনে? আপোনালোক মাৰবান্ধি থিয় হব পাৰিব? সিহঁতক জেললৈ পঠিয়ালে নহব। চকু কাটি গোটেই জীৱন তিলতিলকৈ

পাপৰ শাস্তি ভুগীবলৈ ৰাইজৰ মাজতে ৰাখিব লাগিব। পাৰিব ? মাষ্টৰে কথা কৈ থাকোতে যথেষ্ট উত্তেজিত হৈ গৈছিল। শেষত চিঞৰি চিঞৰি ক'লে —মোৰ প্ৰশ্নৰ উত্তৰ দিয়ক। এই নাৰকীয় অত্যাচাৰৰ বিচাৰ লাগে বুলি গোটেই গাৱঁৰ মানুহে একেলগে আকাশ পাতাল খলক লগাই চিঞৰিব পাৰিব ?

মাষ্টৰে কথা কৈ থাকোতেই আলোচনা কৰি থকাৰ পৰা বংশীয়ে মনবৰৰ ওপৰত আৰু আকবৰ আৰু বকুলে জগন্নাথৰ ওপৰত জপিয়াই পৰি খুন্দিবলৈ লাগি গল। হাত বন্ধা অৱস্থাত দুটা মানুহৰ মাৰৰ চোতত জগন্নাথে কাপোৰে কানিয়ে পেচাব কৰি দিলে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰ হৈ পৰিলে। দীঘলা ভূধৰ আনকি ৰমেশ্বৰ বুঢ়াই টনা আজোৰা কৰিও আকবৰহতক একুৰাব পৰা নাই। ৰূপহী লেণ্ডেৰীহঁতো মাজত সোমালহি। শেষত "মৰি থাকিব ঐ" বুলি ৰূপহীয়ে চিঞৰি দিলত মাষ্টৰে বংশীহতক নামাৰিবলৈ কেইবাবাৰো কলে। উপায় নাপায় বংশীৰ হাতত ধৰি মাষ্টৰে টানি ছলগৈ। মনবৰক এৰি বংশীয়ে জগন্নাথক ডিঙিটোত টেপা মাৰি ধৰিলেগৈ মাষ্টৰে আকৌ টনা আজোৰা কৰি ছলগৈ কিন্তু বংশীৰ এটা ঠেলাত মাষ্টৰ থেকেছা খাই পৰিলগৈ।

কাৰো মাত কোনেও নুশুনা অৱস্থা হোৱা দেখি দীঘলাই বোলে— আনি যাওঁগৈ আহা, ৰাইজ' মাষ্টৰে পৰা ঠাইতে বহিযে থাকিল। হয়তো দুখ পাইছে। জগন্নাথক ডিঙি টেপা দিয়াৰ পৰা এৰি দি বংশীয়ে বোলে— তই মোক কংসৰ বন্দুকটো উলিয়াই আনি দিবিনে নিদিয় ক ? বকুলে জগন্নাথৰ ৰছিডাল খুলি টানি আনিলে। পিচপিনে হাত বন্ধা অৱস্থাত ৰচিডালত ধৰি টানি আনোতে জগন্নাথ পৰি গল। আকৌ তাৰ সৰ্ব্ব শৰীৰত সিহঁত তিনিওটাই গছকি গুৰিয়াই টহিলং কৰিলে। বকুলৰ মুখতো সেই একেই কথা। জগন্নাথে কংসৰ বন্দুকটো আনি দিব লাগে। মাৰৰ চোতত উশাহ-নিশাহ বন্ধ হোৱাৰ উপশম হৈ জগন্নাথে বন্দুক উলিয়াই

দিম বুলি ক'লে। তেন্তে ব'ল বুলি আকবৰে জগন্নাথক মৰা গৰু টনাদি এচোৱা চোচৰাই নিছিল।

মাষ্টৰ উঠি আহি আকবৰৰ হাতৰ পৰা বছিডাল কাঢি লৈ বোলে "তহঁতি ইমান উত্ৰাৱল হৈছ, মোক আনকি এই বুঢা মানুহটোক বগৰাই পেলাই দিছ ?" দীঘলাই খণ্ডত জ্বলি-পকি উঠি বোলে — আপোন-পৰ বাচ-বিচাৰ কৰিবলৈকো তহঁতৰ থিক নোহোৱা হৈ গৈছে। এইখন পাগলামিত মই হলে নাথাকো গুচি যাম। দিহিঙীয়াও আকবৰহঁতক কিবা কিবি কোৱাত সিহঁত অলপ শান্ত হ'ল। দীঘলাই আকৌ কলে - মনবৰ কাইটি ! এই বুঢা মানুহটোৱে আগতে যি কৰিছিলে নকৰিছিলে, এতিয়া তহঁত দুটাক যমৰ হাতৰ পৰা ৰক্ষা কৰিলেনে নাই ? আগ-পিছ চিন্তা কৰি কাম কৰিব লাগে জানিছ ? তহঁতৰ জোটাপোটাত মাষ্টৰ এই বুঢা মানুহজনে কৰ্ফাল খায় পৰিছেগৈ।" সিহঁত উত্ৰাৱল উদণ্ড হোৱাৰ কথাৰে দীঘলাই কিবা-কিবি কৈয়েই আছিল। মাষ্টৰে জগন্নাথক বন্ধা বছি ডালত ধৰিয়েই থাকিল। তাক আৰু মাৰিবলৈ নিদিলে। তলমূৰ কৰি জগন্নাথ বহি ৰ'ল।

বন্দুকটো আনি কি কৰিব খুজিছ বুলি মাষ্টৰে বংশীক প্ৰশ্ন কৰিলে। বংশী, আকবৰ দুয়োটাই একেলগে উত্তৰ দিলে— সিহঁত দুটাক মাৰ পেলাম। মাষ্টৰে সেইটো কৰা ভাল নহ'ব বুলি আৰম্ভ কৰোতেই তিনিওটাই একেলগে চিঞৰি কোৱাৰ দৰে কলে যে সিহঁতি এতিয়া কাৰো কথা নুশুনে। কংস আৰু ৰামধাৰীক মাৰিবই।

মাষ্টৰে বোলে— মোৰ কথা শুন যদি মই ইয়াত থাকিম আৰু নুশুনিলে এতিয়াই আঁতৰি যাম। মই আঁতৰি যোৱাৰ পিচত খবৰদাৰ কিন্তু - এই প্ৰসঙ্গ লৈ মোৰ ওচৰলৈ কোনো নাহিবি। যুঁজিবলৈ ফেৰপাতি ঘূৰিফুৰা মতা ম'হৰ দৰে সিহঁতি তিনিওটাই ইফালে সিফালে ঘূৰা ঘূৰি কৰি আছিল। আকবৰে এবাৰ মাত মাতিলে। "মই তাৰ বদলা ল'ম। মোমাইৰ মূৰটো মই কাটিমেই। আপোনালোকে এতিয়া

যি কলেও মই নুশুনো। তাৰ মূৰটো মই আনি লম। তাৰ পাচত আপোনালোকে কি কয় ক'ব। বংশী, তাক চোচবাই লৈ যাওঁ বলা— সি বন্দুকটো আনি দিব লাগিব।"

মাষ্টৰে উপায় বিহীন হৈ বোলে "তেন্তে মই ইয়াত থকাৰ কোনো প্ৰয়োজন নাই। মই যাওঁগৈ।" ৰহেশ্বৰ বুঢ়াই বোলে "আমিও যাওঁ মাষ্টৰ। ইয়াত কাৰো কথা কোনেও নুশুনে যেতিয়া মানুহ থকা উচিত নহয়। ভূধৰ, তহঁতি যাবনে থাক?" বুঢ়াকেইজন আগবাঢ়ি গৈছিলেই। তেনেতে সোনধৰে বোলে— তেওঁলোক গ'ল যেতিয়া আমিনো থাকি কি কৰিম? হয় বংশী, নতবা নিচিন্তাকৈ কিবা এটা কৰিব পাৰিবি, পিছে বিপদ হ'ব। তাকে চাই তহঁতি মাষ্টৰ আৰু বুঢ়া কেইজনক মাতি আন। এটা আলোচনা কৰি কাম কৰহঁক। বকুল মাষ্টৰহঁতক মাতিবলৈ গ'ল। মাষ্টৰহঁত আকৌ ঘূৰি আহিল।

বংশীয়ে বোলে— চাৰ, আপোনালোকে এতিয়া কি কৰিবলৈ ক'ব খুজিছে? মাষ্টৰে বোলে— মূল শত্ৰু দুটাই এই কথাবিলাক বাইজৰ আগত স্বীকাৰ কৰাহি নাই। তহঁতি এইবোৰ কৰি দেখি কৰি আছ। সিহঁতি পলাই গ'লে কালিলৈ যদি এইবোৰ কথা মিছা বুলি কয়। তহঁতি কেনেকৈ সঁচা বুলি প্ৰমাণ কৰিবি? কালিলৈ এই দালাল কেইটায়ো মিছা মাতিব। তাৰ পিছত সিহঁতি মিছা অপবাদ দিছে বুলি গাঁৱত পুলিচ মিলিটেৰী নমাবহি। ইমান দিনৰ পৰিকল্পনাটো তহঁতি এঘণ্টাৰ ভিতৰত ধ্বংস কৰিবলৈ আগবাঢ়িছ। ইমান পৰে প্ৰধান কামটো কাৰো মনত খেলোৱা নাছিল। মাষ্টৰে কোৱাৰ লগে লগে বংশীয়ে বোলে— সিহঁত দুটাক ধৰি আনোগৈ। "ধৰি আনিবই লাগিব। কিন্তু অতি সাৱধানে পিচফালৰ পৰা গাত আছোঁৰ এটা নলগাকৈ ধৰি আনিব লাগিব। বুঢ়া কেইজনৰ বাহিৰে বাকী আটাইকেইজন মানুহ যাওক। দেৰি নকৰিবি। পলম কৰিলে সকলো পণ্ড হ'ব। সিহঁতক ধৰি আনি বাইজৰ কাঠগড়াত বিচাৰৰ বাবে থিয় কৰিব লাগিব।" মাষ্টৰৰ

মুখৰ শেষৰ কথাখিনি' সিহঁতৰ কাণত নপৰিলগৈ। সিহঁত হুৰমুৰকৈ বহুত দূৰ আগবাঢ়িল।

বংশী, ফনিধৰ, মৈইন, সোনধৰ, দীঘলা আদি মানুহখিনিৰে সৈতে যিটো কোবত ওলাই গৈছে মিলনে দেখি থৰ লাগিল। সেইটো কোবত গৈ যদি কংসহঁতক গৰাহ মাৰি ধৰেগৈ কি হব' কংসহঁতৰ হাতত যদি বন্দুক আছে' নাই যদি সিহঁতি সেই দুটাক ধৰি আনিবই। তাৰ পাছত কি হব' কংস ৰামধাৰীক ধৰি অনাৰ পিচত পৰিবেশটো কি হব তাকে ভাবি মিলনৰ পেটত ভয় সোমাল। ইফালে সিফালে ঘুণাঘুৰি কৰি ভূধৰক বোলে—ৰাতি ভালেমান খিনি হ'ল পায' কি কৰ? ভূধৰে বোলে—তাকে-ভাবিছো। এৰি থৈ যামনো কেনেকৈ? নিযাজ বুঢ়াই জেপৰ পৰা বিড়ি এমুঠি উলিয়াই ৰহেশ্বৰলৈ আগবঢ়াই দিলে।

ৰহেশ্বৰ বুঢ়াই বোলে— ভাল মনত পেলাই দিলা। এতিয়া বিড়ি এহোপা নাটানিলে মোৰ মুখৰ মাতেই নোলাই। সেইটো মানুহেই বিড়ি খাবলৈ পাহৰি আছিলো। বিড়ি মুঠি ভাগ হল। জুইকুৰা লেণ্ডেৰীয়ে জ্বলাইছিলে যদিও এই ঘটনাটোৱে জ্বলোৱা জুইৰ তাপত ৰাইজৰ জাৰ গৰম অনুভৱ হোৱা নাছিল। বিড়ি জ্বলাবৰ কাৰণেই ইজন সিজনকৈ জুইৰ ওচৰ চাপিল। জুইকুৰাও বিড়ি জ্বলাব পৰা হৈহে আছিল। বিড়ি-টোত টান মাৰি নিযাজ বঢ়াই মাত দিলে বোলে— মিলন ভাইযা, তুমি যোবাৰ মতলব কৰিছা যেন পাইছো। এতিয়া তোমালোক গুচি গলে ল'ৰাজাকক গছত তুলি গুৰি কাটি দিয়াৰ নিচিনা নহব জানো? মই চাওঁতে ৰহেশ্বৰ কেকাই আৰু মাষ্টৰ ইয়াতে থাকক। আমি কিজন আগবাঢ়ি যোৱাটোহে ভাল হব। মাইকী ছোৱালীজনী। এই ৰূপহীৰ কথা কৈছো। তায়ো সিহঁতৰ পিচে পিচে লৰ মাৰিলে। ইফালে লাখুটিত ধৰোতেই তাহাঁতৰ কি মূৰ্ত্তি হৈছিল দেখিছা? এতিয়া গৈ ঠেঙত ধৰিবলৈ পালে জানোচা এটাক বধি পেলায? মই কোৱা কথাষাৰ মাষ্টৰে কেনে বোলে? নিযাজ বুঢ়াই কথা নকয়েই, অথচ উপযুক্ত সময়ত অতি প্ৰয়োজনীয়

কথা এটা কৈছে যিটো মাষ্টৰে ইমান সময়ে ভবাই নাছিল। নিয়াজৰ কথাৰ লগে লগে মাষ্টৰ বোলে, "দেখিছে হ'ল। বুঢ়া মানুহ কিজন যোৱাটো খুবেই দৰকাৰ। বেগেতে যাওঁক।"

মিলন, দিহীঙ্গিয়া আৰু ৰহেশ্বৰ বুঢ়াই জুইৰ ওচৰৰ পৰা উঠাৰ ইচ্ছা নকৰিলে। নিযাজ বুঢ়া আৰু ভূধৰ বেগাবেগীকৈ বংশীহঁত যোৱাৰ ফাললৈ গ'লগৈ। দিহিঙ্গীযাই বোলে— "আকৰবে কি কৰে ঠিকনা নাই দেই। দিব লাগে বুজিছা মাষ্টৰ! এনেকুৱা দুটামানক কাটি দিলেহে ভাল হ'লহেঁতেন। পিছে পিচত আকৌ গোটেইখনকে জোলাকা-জোলোকে পানী খুৱাব নহয়।" নিযাজ বুঢ়া আৰু ভূধৰ আগবাঢ়ি যোৱাত মাষ্টৰ অলপ নিশ্চিন্ত হৈছিল। জুইকুৰাৰ ওচৰত বহি দিহিঙ্গীয়াই কংসহঁতক কাটি পেলোৱাৰ চিন্তা কৰা দেখি বিশেষ গুৰুত্ব নিদিলে। কাৰণ গাঁৱৰ ৰাইজে পতা ভঙা সকলো জুইৰ ওচৰতে কৰে। তথাপি মাষ্টৰে মনে মনে থাকিব নোৱাৰি বোলে— এই দুটাক বধ কৰি পেলালেই এনেকুৱা দৈত্যৰ জাতটো শেষ হৈ যাব বুলি ভাবিছে নেকি? সিহঁতক মাৰি পেলোৱা মানে মু'ক্তি দিয়া হ'ব। সিহঁতে আহি ৰাইজৰ আগত গোটেই ষড়যন্ত্ৰটো নিজ মুখে স্বীকাৰ কৰিব লাগিব। এখন নহয় গোটেই কেইখন গাঁৱৰ ৰাইজ গোট খাই সিহঁতৰ বিচাৰ কৰি শাস্তি দিব লাগিব।"

লেণ্ডেৰীয়ে জুইকুৰাৰ ওচৰতে বহি গোটেই ঘটনাবোৰ কিহৰ পৰা কি হ'ল আকাশ পাতাল একেবাৰ কৰি ভাবি তন্ময় হৈ আছিল। হাত বন্ধা অৱস্থাৰে আঠু দুটাৰ মাজত মূৰ সুমুৱাই জগন্নাথে ফাঁচীৰ আগমূহূৰ্ত্তৰ বিভীষিকা বুকুত লৈ বাহ্য জ্ঞান বিহীন এটা অপৰাধীৰ দৰে মৰণৰ ক্ষণ গণিছিল। আৰু মনবৰে এখন হাতৰ তলুৱাত ভৰ দি বহাতে বহিয়েই আছিল যদিও আগন্তুক সম্ভাব্য বিপদৰ পৰিস্থিতিটো মনতে কল্পনা কৰি ভয়তে পেটত হাত ভৰি লুকাইছিল। পুলিচ অফিচাৰ বোৰেও ভয় কৰা মহাপ্ৰতাপী এই কংস, ৰামধাৰী মানুহ দুটাক ধৰি আনিবলৈ গাঁৱৰ মানুহবোৰে বাৰু কিটো সাহসত ধপলিয়াই গৈছে? গৈছে যেতিয়া

ধৰিবই। ধৰি আনক। মনবৰে যি দেখিছিল, যি শুনিছিল সকলো কথা সিহঁতৰ আগত কৈ দিব। মাষ্টৰে একালত ঠিক কথাই কৈছিল— সিহঁত বেলেগ জাতৰ মানুহ। ইমানবোৰ টকা পইচা সিহঁতক ঠেলাত ভৰাই ঈশ্বৰে আকাশৰ পৰা পেলাই দিয়া নাই। দুখীয়া ৰাইজখনৰ টেটু চেপি চেপি এইদৰেই সিহঁতি ধনী হৈছে। সিহঁত বেলেগ জাতৰ মানুহ হয়েই। একে জাতৰ মানুহ হোৱা হ'লে ইমান অত্যাচাৰ নকৰিলেহেঁতেন। ইচ্, কংসহঁতে জালখন পাতোতেই তেওঁ ৰাইজক কথাটো জনাব লাগিছিল। ইমান ডাঙৰ মানুহ মৰা ফান্দ এখনৰ যো-যা কৰা দেখিও তেওঁ কথাটো লুকুৱাই থোৱাৰ বাবেই যেন গোটেই দোষৰ ভাগী মনবৰহে। ইমান ডাঙৰ দোষী মহাপাপী মনবৰ আৰু ৰাইজৰ লগত থাকিব নোৱাৰে। দীঘল দি পৰিছেই, আকৌ দীঘল দি পৰিব। আকবৰহঁতে যি ইচ্ছা শাস্তি দিয়ক।

মাষ্টৰে মাজে মাজে পঞ্চায়ত অফিচৰ ফালে কাণ দি শুনি আছে। তাত থকা আটাইকেইজন মানুহেই ব্যগ্ৰ হৈ পৰিছে— ইমান পলম কৰিছে কিয় ? হঠাৎ হাই-উৰুমি শুনা গ'ল— জুইৰ ওচৰৰ পৰা আনকি লেণ্ডেৰীয়েও কৰিমক লৈ আগবাঢ়ি আহিল। ৰহেশ্বৰ বুঢ়াই বোলে— সেইজাক আহিছে। সিহঁত হালক ধৰিলে যেন পাইছো, ধৰিবতো— গোটেই মানুহখন একেটা হৈ কৰো বুলিলেনো কৰিব নোৱাৰা কি কামটো আছে ? এই মাৰকিল নকৰিবি— নিয়াজ বুঢ়াই চিঞৰি হকা-বধা কৰিছে। হয় আহি পালে— স্কুল ঘৰৰ চাপটো পাৰ হৈ আটাইখিনি মানুহ আগবাঢ়িল।

জগন্নাথে বহি থকাৰ পৰা এবাৰ মূৰ ডাঙি কেৰাহিকৈ মনবৰলৈ চালে। তলমূৰ কৰি আছে যদিও জগন্নাথৰ দৰেই মনবৰৰ বুকুখনেও ঘন ঘনকৈ উঠা নমা কৰিছে। ●

॥ উৰহ ॥